UG HT S3-01
(DSC/DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

তৃতীয় ষাণ্মাসিক

প্ৰাক্ ঐতিহাসিক যুগৰ পৰা ১৩ শ শতিকালৈ ভাৰতবৰ্ষৰ ইতিহাস

ইতিহাস



সূৰ্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

পাৰমিতা দাস, প্রধ্যাপক, ইতিহাস বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ৰাজীৱ সন্দিকৈ, প্রধ্যাপক, ইতিহাস বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড° বর্ণালী শর্মা, ইতিহাস বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ **ড° প্রীতি সলিলা ৰাজখোৱা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ৩ আৰু ৪	প্রদ্যুম্ন শর্মা, নলবাৰী মহাবিদ্যালয় আৰু ড° প্রীতি সলিলা ৰাজখোৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	গিতাঞ্জলী মেধি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিঃ সংঘমিত্রা শর্মা
২ আৰু ৫	সংঘমিত্রা শর্মা, তিনিচুকীয়া মহাবিদ্যালয়	
৬	ড°কমল নাৰায়ণ পাটোৱাৰী, বৰমা মহাবিদ্যালয়	ধনমণি কলিতা মুকুতাৰ ৰহমান শইকীয়া
৭	মিতালী কলিতা, দক্ষিণ কামৰূপ মহাবিদ্যালয়	

সম্পাদনাঃ

বিষয়বস্তু সম্পাদনা ঃ ড° মৌচুমী দত্ত পাঠক, মুৰব্বী অধ্যাপিকা, ইতিহাস বিভাগ, আর্য বিদ্যাপীঠ মহাবিদ্যালয়
ড° মৃদুৎপল গোস্বামী, দুধনৈ মহাবিদ্যালয়

ভাষা সম্পাদনা ঃ ড° নিভাৰাণী ফুকন,
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
জোনমনি গগৈ

গাঁথনিক সম্পাদনা ঃ ড° প্রীতি সলিলা ৰাজখোৱা, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

মে', ২০২৪

© Krishna Kanta Handiqui State Open University.
No part of this publication which is material protected by this copyright notice may be produced or transmitted or utilized or stored in any form or by any means now known or hereinafter invented, electronic, digital or mechanical, including photocopying, scanning, recording or by any information storage or retrieval system, without prior written permission from the KKHSOU.

Printed and published by Registrar on behalf of the Krishna Kanta Handiqui State Open University.

The university acknowledges with thanks the financial support provided by the **Distance Education Bureau**, New Delhi, for the preparation of this study material.

Headquarter-Patgaon, Rani Gate, Guwahati-781017

City Campus-Resham Nagar, Khanapara, Guwahati-781022; Web: www.kkhsou.in

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ঃ **প্রাচীন ভাৰতীয় ইতিহাস অধ্যয়নৰ সমলসমূহ** ৭-১৯
সাহিত্যিক সমল, প্রত্নতাত্ত্বিক সমল ঃ লিপি আৰু ভগ্নাৱশেষ।

অধ্যায় ২ঃ **প্রাক্ ঐতিহাসিক পাৰিপার্শ্ব বিজ্ঞান** ২০-৩২
প্রত্নপ্রস্তৰ যুগ, মধ্য প্রস্তৰ যুগ, খাদ্য উৎপাদনৰ আৰম্ভণি, প্রাৰম্ভিক গ্রামবসতি, তাম্রযুগৰ সম্প্রদায়বোৰৰ বিকাশ।

অধ্যায় ৩ঃ **হৰপ্পা সভ্যতা** ৩৩-৪৩
উৎপত্তি আৰু প্রাৰম্ভিক বসতি, নগৰ আৰু ইয়াৰ বাসিন্দা, অর্থনৈতিক জীৱন, ধর্মীয় অনুশীলন, নগৰীয়া জীৱনৰ পতন।

অধ্যায় ৪ঃ **বৈদিক আৰু উত্তৰ-বৈদিক সভ্যতা** ৪৪-৫৪
আর্যবংশোদ্ভৱৰ ভাৰতীয়সকল আৰু তেওঁলোকৰ উৎস, ৰাজনৈতিক অনুষ্ঠানসমূহ, সমাজ আৰু ধর্ম।

অধ্যায় ৫ঃ **খ্রীঃপূঃ ষষ্ঠ শতিকাৰ সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিবর্ত্তনসমূহ** ৫৫-৬৮
কৃষি সম্প্রসাৰণ, উৎপাদন পদ্ধতি, গণ সংঘসমূহৰ উত্থান, মহাজন পদসমূহ
অর্থনৈতিক অৱস্থা, ধর্মীয় অৱস্থা আৰু সমাজ

অধ্যায় ৬ঃ **আলেকজেণ্ডাৰৰ ভাৰত আক্রমণ আৰু ইয়াৰ প্রভাৱ** ৬৯-৮০
আলেকজেণ্ডাৰ, আর্থ-ৰাজনৈতিক প্রভাৱ

অধ্যায় ৭ঃ **মৌর্য সাম্রাজ্য** ৮১-৯৬
মৌর্যসকলৰ উত্থান, মৌর্যসকলৰ প্রশাসন, কলিংগ যুদ্ধ, মৌর্যসকলৰ পতন।

অধ্যায় ৮ঃ **মৌর্য সাম্রাজ্যৰ সমাজ, অর্থনীতি, ধর্ম আৰু কলা** ৯৭-১০৭
সামাজিক, অর্থনৈতিক, ধর্মীয় ব্যৱস্থা, স্থাপত্য আৰু ভাস্কর্য

অধ্যায় ৯ঃ **ভাৰতত মৌর্যসকলৰ পাছত হোৱা বিকাশ** ১০৮-১২৬
নতুন ৰাজ্যৰ উত্থান, শুংগ বংশ, কুষাণ বংশ, সাতবাহন বংশ, সাংস্কৃতিক বিকাশ।

অধ্যায় ১০ঃ **গুপ্ত সম্রাজ্য** ১২৭-১৫০
গুপ্ত সাম্রাজ্যৰ প্রতিষ্ঠা, সম্প্রসাৰণ, প্রশাসন আৰু পতন

অধ্যায় ১১ঃ **গুপ্তসকলৰ শাসন কালত সমাজ, ধর্ম, সংস্কৃতি আৰু অর্থনীতি** ১৫১-১৬৮
সমাজ, অর্থনীতি, ধর্ম, সংস্কৃতি

অধ্যায় ১২ঃ **প্রধান ৰাজনৈতিক বংশবোৰৰ অভ্যুত্থান** ১৬৯-১৮০
প্রতিহাৰ সফল, ৰাষ্ট্রকূটসকল, পালসকল, ৰাজপুতসকলৰ মূল, চৌহানসকল,
চন্দেলাসকল, কালাচুৰীসকল।

অধ্যায় ১৩ঃ **পৰৱর্তী গুপ্তযুগত উত্থান হোৱা আঞ্চলিক শক্তিসমূহ'** ১৮১-১৯৫
চালুক্য, পল্লৱ, চেৰা, পাণ্ডে আৰু চোলসকল

অধ্যায় ১৪ঃ **আদি মধ্যযুগৰ ভাৰতৰ উত্তৰণ** ১৯৬-২০৬
দাক্ষিণাত্যৰ ৰাজনীতি, সমাজ, বেপাৰ-বাণিজ্য, পুষ্যভূমিসকল, থানেশ্বৰৰ হর্ষবর্ধনন
আৰু তেওঁৰ কামৰূপৰ লগত সম্পর্ক।

অধ্যায় ১৫ঃ **আদি মধ্যযুগৰ ভাৰতত সমাজ, ধর্ম আৰু সংস্কৃতিৰ বিকাশ** ২০৭-২১৯
জাতিৰ উদ্ভৱ, মন্দিৰৰ স্থাপত্য আৰু অনান্য শৈলী, বৌদ্ধ আৰু জৈন ধর্ম,
দক্ষিণ ভাৰতত ভক্তি আন্দোলন

পাঠ্যবিষয় পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ নতুন শিক্ষানীতি (NEP) ২০২০ ৰ অধীনত স্নাতক (কলা) পাঠ্যক্রমৰ অন্তর্গত ইতিহাসৰ তৃতীয় ষাণ্মাসিকৰ প্রথমটো পাঠ্যবিষয় হৈছে 'প্রাক্ ঐতিহাসিক যুগৰ পৰা ১৩ শ শতিকালৈকে ভাৰতবর্ষৰ ইতিহাস'। এই পাঠ্যবিষয়টোৰ জৰিয়তে শিক্ষার্থীসকলে প্রাক্ ঐতিহাসিক যুগৰ পৰা ১৩ শ শতিকালৈকে ভাৰতবর্ষৰ ইতিহাসৰ বিষয়ে জ্ঞান অর্জন কৰিব পাৰিব। এই পাঠ্যবিষয়টোত মুঠ পোন্ধৰটা অধ্যায় সন্নিবিষ্ট আছে।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ, ষান্মাসিক পদ্ধতিৰ স্নাতক (কলা) পাঠ্যক্রমৰ অন্তর্গত ইতিহাস বিভাগৰ প্রথমটো পাঠ্যবিষয় হৈছে *প্রাক ঐতিহাসিক যুগৰ পৰা ১৩শ শতিকালৈ ভাৰতৰ ইতিহাস*। এই পাঠ্যবিষয়টো তিনিটা খণ্ডত ভাগ কৰা হৈছে। আমি এতিয়া অধ্যয়ন কৰিবলৈ লোৱাটোৱেই হৈছে প্রথম খণ্ড। এই খণ্ডটোত মুঠ পাঁচটা অধ্যায় অন্তর্ভুক্ত কৰা হৈছে।

প্রথম অধ্যায়টি '*প্রাচীন ভাৰতীয় ইতিহাস অধ্যয়নৰ সমলসমূহ*'। এই অধ্যায়টিত প্রাচীন ভাৰতৰ ইতিহাস অধ্যয়নৰ বিভিন্ন সমলসমূহৰ বিষয়ে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়টি হ'ল *'প্রাক্-ঐতিহাসিক পাৰিপার্শ্ব বিজ্ঞান'*। এই অধ্যায়টিত প্রত্নপ্রস্তৰ যুগ, মধ্যপ্রস্তৰ যুগ, খাদ্য উৎপাদনৰ আৰম্ভণি, প্রাৰম্ভিক গ্রামবসতি, তাম্রযুগৰ সম্প্রদায়বোৰৰ বিকাশৰ বিষয়ে আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়টি হৈছে '*হৰপ্পা সভ্যতা*'। এই অধ্যায়টিত হৰপ্পা সভ্যতাৰ উৎপত্তি আৰু প্রাৰম্ভিক বসতি, নগৰ আৰু বাসিন্দাসকল, অর্থনৈতিক জীৱন, ধর্মীয় অনুশীলন, নগৰীয়া জীৱনৰ পতনৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে।

চতুর্থ অধ্যায়টি হৈছে '*বৈদিক আৰু উত্তৰ বৈদিক সভ্যতা*'। এই অধ্যায়টিত আর্যবংশোদ্ভৱৰ ভাৰতীয়সকল আৰু তেওঁলোকৰ উৎস, ৰাজনৈতিক অনুষ্ঠানসমূহ, সমাজ আৰু ধর্মৰ বিষয়ে আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়টো হৈছে *খ্রীঃপূঃ ষষ্ঠ শতিকাৰ সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিবর্ত্তনসমূহ*। এই অধ্যায়টিত *ষষ্ঠ শতিকাৰ* কৃষি সম্প্রসাৰণ, উৎপাদন পদ্ধতি, গণ সংঘসমূহৰ উত্থান, মহাজন পদসমূহ ,অর্থনৈতিক অৱস্থা, ধর্মীয় অৱস্থা আৰু সামাজিক অৱস্থাৰ বিষয়ে আলোচনা কৰা হৈছে ।

ষষ্ঠ অধ্যায়টি '*আলেকজেণ্ডাৰৰ ভাৰত আক্রমণ আৰু ইয়াৰ প্রভাৱ*'।এই অধ্যায়টোত আলেকজেণ্ডাৰৰ ভাৰত আক্রমণ আৰু ইয়াৰ প্রভাৱৰ বিষয়ে আলোচনা কৰা হৈছে।

সপ্তম অধ্যায়টি হৈছে '*মৌর্য সাম্রাজ্য*'। এই অধ্যায়টিত মৌযসকলৰ উত্থান, মৌর্য প্রশাসন, কলিংগ যুদ্ধ আৰু মৌর্য সাম্রাজ্যৰ পতনৰ বিষয়ে আলোচনা কৰা হৈছে।

অষ্টম অধ্যায়টি হৈছে '*মৌর্য সাম্রাজ্যৰ সমাজ, অর্থনীতি, ধর্ম আৰু কলা*'। এই অধ্যায়টিত ভাৰতত মৌর্যসকলৰ দিনৰ সামাজিক, অর্থনৈতিক, ধর্মীয় ব্যৱস্থা আৰু কলাৰ বিষয়ে আলোচনা কৰা হৈছে।

নৱম অধ্যায়টো হৈছে '*ভাৰতত মৌর্যসকলৰ পাছত হোৱা বিকাশ*'। এই অধ্যায়টোত পৰৱর্তী মৌর্য যুগত উত্থান হোৱা বিভিন্ন ৰাজবংশ যেনে— শুংগসকল, কুষাণসকল, সাতবাহনসকলৰ বিষয়ে আলোচনা কৰাৰ লগতে পৰৱর্তী মৌর্যযুগৰ সাহিত্য, সমাজ আৰু সংস্কৃতিৰ বিষয়েও আলোচনা কৰা হৈছে।

দশম অধ্যায়টিৰ শিৰোনাম '*গুপ্ত সম্রাজ্য*'। এই অধ্যায়টিত গুপ্ত সাম্রাজ্যৰ প্রতিষ্ঠা, সম্প্রসাৰণ, প্রশাসন আৰু পতনৰ বিষয়ে আলোচনা কৰা হৈছে।

একাদশ অধ্যায়টি হৈছে '*গুপ্তসকলৰ শাসন কালত সমাজ, ধর্ম, সংস্কৃতি আৰু অর্থনীতি*'। এই অধ্যায়টিত গুপ্তসকলৰ দিনত সামাজিক, ধর্মীয় অৱস্থা, সংস্কৃতিৰ বিকাশ আৰু অর্থনৈতিক অৱস্থাৰ বিষয়ে আলোচনা কৰা হৈছে।

দ্বাদশ অধ্যায়টোৰ শিৰোনাম '*প্রধান ৰাজনৈতিক বংশবোৰৰ অভ্যুত্থান*'। এই অধ্যায়টোত প্রতিহাৰ, ৰাষ্ট্রকূট, পাল, চৌহান,

চেন্দাল আৰু কালাচুৰী বংশৰ উত্থানৰ বিষয়ে আলোচনা কৰা হৈছে।

ত্ৰয়োদশ অধ্যায়টি হৈছে *'পৰৱৰ্তী গুপ্তযুগত উত্থান হোৱা আঞ্চলিক শক্তিসমূহ'*। এই অধ্যায়টোত দক্ষিণ ভাৰতত উত্থান হোৱা বিভিন্ন শক্তি যেনে— চালুক্য, পল্লৱ, চেৰা, পাণ্ডে আৰু চোলসকলৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে।

চতুদৰ্শ অধ্যায়টো হৈছে *'আদি মধ্যযুগৰ ভাৰতৰ উত্তৰণ।'* এই অধ্যায়টোত দাক্ষিণাত্যৰ ৰাজনীতি, সমাজ, বেপাৰ-বাণিজ্য, পুষ্যভুতি, থানেশ্বৰৰ হৰ্ষবৰ্ধন আৰু তেওঁৰ কামৰূপৰ লগত সম্পৰ্কৰ বিষয়ে আলোচনা কৰা হৈছে।

পঞ্চদশ অধ্যায়টি হৈছে *'আদি মধ্যযুগৰ ভাৰতৰ সমাজ, ধৰ্ম আৰু সাংস্কৃতিক বিকাশ'*। এই অধ্যায়টোত জাতিৰ উদ্ভৱ, মন্দিৰৰ স্থাপত্য আৰু অনান্য শৈলী, বৌদ্ধ আৰু জৈন ধৰ্ম আৰু দাক্ষিণাত্যত ভক্তি আন্দোলনৰ বিষয়ে আলোচনা কৰা হৈছে।

এই খণ্ডটি অধ্যয়ন কৰোঁতে আপুনি প্ৰত্যেকটো অধ্যায়তে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবাকচবোৰ কিছুমান হৈছে 'জানি থোৱা ভাল' শব্দকেইটাৰ উল্লেখ থকা বাকচ। এই বাকচসমূহত মূল পাঠৰ সৈতে জড়িত কিছুমান গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। কোনো কোনো অধ্যায়ত 'চিন্তা-চৰ্চা কৰক' শীৰ্ষক বাকচত নিৰ্দিষ্ট পাঠ্যবিষয় অধ্যয়নৰ কিছুমান ব্যৱহাৰিক দিশ উত্থাপিত হৈছে যাতে সেই দিশসমূহৰ অনুশীলনীৰ মাধ্যমেদি শিক্ষাৰ্থীয়ে সেই সম্পৰ্কীয় বিশ্লেষণাত্মক আলোচনা আগবঢ়াব পাৰে। আকৌ 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতিৰ সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অৱশ্যে 'অগ্ৰগতিৰ ক্ষতিয়ান' শীৰ্ষক শাখাটোত 'অগ্ৰগতি নিৰীক্ষণ'ৰ প্ৰশ্নাৱলীৰ উত্তৰ নিদি কেৱল উত্তৰসমূহৰ ৰূপ ৰেখা দিয়া হৈছে। তাৰ আধাৰত শিক্ষাৰ্থীয়ে উত্তৰসমূহ লিখি উলিয়াব লাগিব। অধ্যায়ত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শাখাত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটামান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। খণ্ডটোৰ শেষত 'প্ৰসংগ পুথি' সমূহৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। শিক্ষাৰ্থীয়ে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ প্রাচীন ভাৰতীয় ইতিহাসৰ সমলসমূহ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ প্রাচীন ভাৰতীয় ইতিহাসৰ সমল

১.৪ সাহিত্যৰ সমল

১.৪.১ থলুৱা সাহিত্য

১.৪.২ বিদেশী সাহিত্য

১.৫ প্রত্নতাত্ত্বিক সমল

১.৫.১ লিপি

১.৫.২ মুদ্রা

১.৫.৩ ভগ্নাৱশেষ

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- প্রাচীন ভাৰতীয় ইতিহাস অধ্যয়ন কৰিবলৈ প্রয়োজনীয় সমল সমূহ চিনাক্ত কৰিব পাৰিব
- প্রাচীন ভাৰতীয় ইতিহাসৰ অধ্যয়নত ব্যৱহৃত বিভিন্ন সাহিত্যিক সমলৰ বিষয়ে আলোচনা কৰিব পাৰিব
- প্রাচীন ভাৰতীয় ইতিহাস অধ্যয়নত বিভিন্ন প্রত্নতাত্ত্বিক সমলৰ গুৰুত্ব বর্ণনা কৰিব পাৰিব।

১.২ পৰিচয়

এইটো হৈছে'প্রাক ঐতিহাসিক যুগৰ পৰা ১৩শ শতিকালৈ ভাৰতৰ ইতিহাস' পাঠ্যবিষয়ৰ প্রথম অধ্যায়। এই অধ্যায়টিত আমি প্রাচীন ভাৰতীয় ইতিহাস অধ্যয়নৰ বাবে সুলভ হৈ থকা উৎসবোৰৰ বিষয়ে আলোচনা কৰিম। সমল হ'ল ইতিহাসৰ মেৰুদণ্ডস্বৰূপ। দুর্ভাগ্যক্রমে প্রাচীন ভাৰতত কোনো প্রণালীৱদ্ধ ইতিহাস লেখনৰ পৰম্পৰা নাছিল। তথাপিও পাৰ হৈ যোৱা বছৰবোৰত ইতিহাসবিদসকলে কৰা কঠোৰ প্রচেষ্টাৰ অন্তত বহুতো সমলৰ কথা পোহৰলৈ আহিছে। এই

উৎসবোৰ থলুৱা সাহিত্য, বিদেশী সাহিত্য, শিলালিপি, মুদ্রা আৰু ভগ্নাৱশেষৰ ৰূপত পোৱা যায়। থলুৱা সাহিত্য আৰু বিদেশী সাহিত্যক বহলকৈ সাহিত্যিক সমল হিচাপে সামৰি লোৱা হয়। শিলালিপি, মুদ্রা আৰু ভগ্নাৱশেষক একেলগে প্রত্নতাত্বিক সমল বুলি ধৰা হয়।

১.৩ প্রাচীন ভাৰতীয় ইতিহাসৰ সমল

কেৱল সমলবোৰৰ সহায়তহে প্রাচীন ভাৰতৰ ইতিহাস যুক্তিসংগতভাৱে পুনগঠন কৰিব পৰা যাব। সমলবোৰক বহলভিত্তিত সাহিত্যিক আৰু প্রত্নতাত্বিক এই দুভাগত ভগোৱা হয়। সাহিত্যিক সমলক থলুৱা আৰু বিদেশী-এই দুটা উপ-ভাগত ভগোৱা হয়। প্রত্নতাত্বিক সমলক শিলালিপি, মুদ্র আৰু ভগ্নাৱশেষ- এই তিনিটা উপ-ভাগত ভাগ কৰি লোৱা হৈছে। তলত এই আটাইবোৰ সমলৰ বিষয়ে ভিন ভিন উপ-শিতানত আলোচনা কৰা হ'ল।

১.৪ সাহিত্যিক সমল

আপোনালোক আটায়ে নিশ্চয় 'সাহিত্যিক' শব্দৰ অর্থ জানে। সাহিত্যিক মানে হ'ল সাহিত্য সম্বন্ধীয়। সাহিত্যিক সমলবোৰ লিখিত ৰূপত পোৱা যায়। প্রাচীন ভাৰতত প্রণালীৱদ্ধভাৱে ইতিহাস লিখাৰ প্রথা নাছিল। কিন্তু আমাৰ অতীতৰ বিষয়ে উল্লেখ থকা অন্য সাহিত্যিক সামগ্রীৰ অভাৱ নাই। প্রাচীন ভাৰতৰ সমগ্র ইতিহাসৰ উৎস হিচাপে ব্যৱহাৰ কৰিব পৰাকৈ মাত্র এটা সাহিত্যিক সমল নাই। কিন্তু বেদ, উপনিষদ, মহাকাব্য, পুৰাণ আৰু অন্য ধর্মগ্রন্থবোৰে প্রাচীন ভাৰতৰ ইতিহাস জনাত আমাক সহায় কৰে। এইবোৰৰ উপৰিও বিদেশী পৰিব্রাজকসকলৰ লেখনীবোৰেও আমাক অতীত পুনগঠনত সহায় কৰে। তলৰ উপ-শিতানত এই সমলবোৰৰ কথা আলোচনা কৰা হ'ল।

১.৪.১ থলুৱা সাহিত্য

থলুৱা সাহিত্য মানে কি? থলুৱা সাহিত্য মানে হ'ল স্বদেশী (native) অথবা স্থানীয় (local) সাহিত্য। আমাৰ অধ্যয়নৰ পটভূমিত থলুৱা সাহিত্য মানে হ'ল ভাৰতীয় সাহিত্য। পণ্ডিতসকলৰ মতে ভাৰতৰ ইতিহাস জনাত আমাক প্রাচীন ভাৰতীয় সাহিত্যই যথেষ্ট সহায় কৰে। প্রাচীন ভাৰতীয় সাহিত্য আছিল মূলতঃ ধর্মীয় প্রকৃতিৰ। অৱশ্যে ধর্মনিৰপেক্ষ সাহিত্যৰো অভাৱ নাই। দুয়োবিধ সাহিত্যৰ পৰাই প্রাচীন ভাৰতৰ ইতিহাস পুনঃগঠনত গুৰুত্বপূর্ণ সহায় পোৱা যায়।

বেদ, উপনিষদ, পুৰাণ, মহাকাব্যসমূহ আৰু বিভিন্ন ধর্মশাস্ত্রৰ দৰে পুৰণি হিন্দুগ্রন্থবোৰৰ পৰা প্রাচীন ভাৰতৰ প্রায় স্পষ্ট ছবি এখন পোৱা যায়। বৈদিক সাহিত্যবোৰক প্রাচীন ভাৰতীয় ইতিহাসৰ এক গুৰুত্বপূর্ণ সমল বুলি ধৰা হয়।ঋক্‌বেদ হ'ল সবাতোকৈ

পুৰণি ভাৰতীয় সাহিত্য। এই গ্ৰন্থই আমাক আৰ্যবংশোদ্ভুৰ ভাৰতীয় লোকসকলৰ (The Indo-Aryans) ধৰ্মীয়,- সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ বিষয়ে বহুতো তথ্যৰ যোগান ধৰে। সামবেদ, য়জুৰবেদ আৰু অথৰ্ববেদতো সমানেই তথ্য সমৃদ্ধ। উপনিষদবোৰে আমাক আমাৰ পূৰ্বপুৰুষসকলৰ দাৰ্শনিক চিন্তাৰ উমান দিয়ে। আপুনি নিশ্চয় জানে যে 'ৰামায়ণ' আৰু 'মহাভাৰত' ভাৰতৰ দুখন মহাকাব্য। এই মহাকাব্য দুখনে বৈদিক যুগৰ আৰ্যসকলৰ শেহতীয়া ভাগটোৰ সামাজিক তথা ৰাজনৈতিক জীৱনশৈলী বৰ্ণনা কৰিছিল। পুৰাণবোৰকো প্ৰাচীন ভাৰতৰ ইতিহাস জনাৰ এক গুৰুত্বপূৰ্ণ সমল বুলি গণ্য কৰা হয়। পুৰাণ কেইখন ক'ব পাৰিবনে? মুঠ ওঠৰখন পুৰাণ আছে। ইয়াৰে কেৱল পাঁচখন পুৰাণহে ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ। সেই কেইখনৰ নাম হ'ল- মৎস্যপুৰাণ, বায়ুপুৰাণ, ভৱিষ্যপুৰাণ, বিষ্ণুপুৰাণ আৰু ভাগৱত। এই পুৰাণবোৰে আমাক প্ৰাচীন ভাৰতৰ বিভিন্ন ৰাজবংশৰ তালিকা জনাৰ সুযোগ দিয়ে। পুৰাণৰ পৰাই হৰিয়ংক, শিশুনাগ, নন্দ, মৌৰ্য আদি ৰাজবংশৰ তথ্য আহৰণ কৰা হৈছে।

বৌদ্ধ আৰু জৈন সাহিত্যবোৰো প্ৰাচীন ভাৰতৰ ইতিহাস জনাৰ গুৰুত্বপূৰ্ণ উৎস। জাতকৰ কাহিনীবোৰৰ পৰা সমসাময়িক সমাজখনৰ বিভিন্ন দিশৰ তথ্য পোৱা যায়। 'দীপবংশ' (Dipavamsha) আৰু 'মহাবংশৰ (Mahavamsha) দৰে প্ৰখ্যাত বৌদ্ধ সাহিত্যৰ পৰা আমি বৌদ্ধধৰ্মৰ ইতিহাস জানিব পাৰো। মিলিন্দপান্হো (Milindapanho) হ'ল আন এখন গুৰুত্বপূৰ্ণ বৌদ্ধ গ্ৰন্থ। ইতিহাসৰ তথ্য থকা প্ৰাচীন জৈন গ্ৰন্থ কেইখনমান হ'ল *ভাগৱতী সূত্ৰ, কল্পসূত্ৰ* আৰু *পৰিশিষ্ট পাৰ্বন*। *ভাগৱতী সূত্ৰত* খৃষ্টপূৰ্ব ষষ্ঠ শতিকাৰ ১৬ খন বিশাল ৰাজ্যৰ (ষোলস মহাজনপদ) উল্লেখ আছে। ভদ্ৰবাহু বিৰচিত *কল্পসূত্ৰত* ভগৱান মহাবীৰকে ধৰি সকলোবোৰ জৈন ধৰ্মীয় গুৰু অথবা তীৰ্থংকৰৰ জীৱন কাহিনী পঢ়িবলৈ পোৱা যায়। হেমচন্দ্ৰ বিৰচিত *পৰিশিষ্ট পাৰ্বনত* মৌৰ্য যুগৰ বিভিন্ন তথ্যৰ উল্লেখ আছে।

ধৰ্মীয় গ্ৰন্থৰ উপৰি প্ৰাচীন ভাৰতত বহুতো ধৰ্মনিৰপেক্ষ গ্ৰন্থও ৰচিত হৈছিল। এই শাখাৰ উল্লেখযোগ্য গ্ৰন্থ কেইখনমান হ'ল পানিনিৰ *অষ্টধ্যায়ী*, পতঞ্জলিৰ *মহাভাষ্য*, কৌটিল্যৰ *অৰ্থশাস্ত্ৰ*, ভাসৰ *স্বপ্নবাসৱদত্তম*, শূদ্ৰকৰ *মৃচ্ছকটিকম*, কালিদাসৰ *অভিজ্ঞানমশকুন্তলম, ৰঘূবংশম, কুমাৰসম্ভৱম* আৰু *মালৱিকাগ্নিমিত্ৰম*, বিশাখাদত্তৰ *মুদ্ৰাৰাক্ষসম* আৰু *দেৱীচন্দ্ৰগুপ্তম* ইত্যাদি। এই আটাইবোৰ গ্ৰন্থৰ পৰাই সমসাময়িক ভাৰতৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু ধৰ্মীয় জীৱন শৈলীৰ বিষয়ে বহুতো উপযোগী তথ্য পোৱা যায়।

এয়া আমাৰ বাবে পৰম সৌভাগ্যৰ কথা যে প্ৰাচীন ভাৰতত কেইখনমান বিজ্ঞানভিত্তিক সাহিত্যবো সৃষ্টি হৈছিল। এই গ্ৰন্থকেইখনে আমাক প্ৰাচীন সময়ছোৱাৰ বৈজ্ঞানিক কাৰ্য-কলাপৰ এক আভাস দিয়ে। এই গ্ৰন্থবোৰৰ পৰাই আমি গম পাও যে প্ৰাচীন ভাৰত জ্যোতিবিজ্ঞান, গণিত আৰু চিকিৎসা শাস্ত্ৰত যথেষ্ট আগবঢ়া আছিল।

ববাহমিহিৰে লিখা- পঞ্চ সিদ্ধান্তক ভাৰতীয় জ্যোতিবিজ্ঞানৰ প্রধান পুথি হিচাপে গণ্য কৰা হয়। আর্যভট্টয়ো কেইখনমান আপুৰুগীয়া জ্যোতিবিজ্ঞানৰ গ্রন্থ ৰচনা কৰিছিল । গ্রন্থকেইখন হ'ল *দশগিটিকা সূত্র, আর্যষ্টসতা* আৰু *আর্যভট্টীয়*। চৰকে লিখা চৰকসংহিতা হ'ল চিকিৎসা বিজ্ঞানৰ এখন গুৰুত্বপূর্ণ গ্রন্থ। যদিও এই গ্রন্থবোৰ বিজ্ঞানৰ বিভিন্ন শাখাৰ বাবে লিখা তথাপিও সামগ্রিকভাৱে এই বোৰৰ পৰাও ঐতিহাসিক জ্ঞান আহৰণ কৰা হৈছে।



জানি থোৱা ভাল


আর্যভট্ট আছিল প্রাচীন ভাৰতৰ সবাতোকৈ প্রসিদ্ধ জ্যোতিবিজ্ঞানী। জ্যোতিবিজ্ঞান আৰু গণিতক লগ লগাই আর্যভট্টই ভাৰতীয় জ্যোতিবিজ্ঞান অধ্যয়নৰ এক নতুন যুগৰ সূচনা কৰিছিল। পৃথিৰীখন সূর্যৰ চাৰিওফালে ঘূৰে বুলি ঘোষণা কৰা প্রথমগৰাকী ভাৰতীয় জ্যোতিবিজ্ঞানী আছিল আর্যভট্ট। তেও চন্দ্রগ্রহণৰ বৈজ্ঞানিক ব্যাখ্যাও আগবঢ়াইছিল। আর্যভট্টই এয়াও গণনা কৰি উলিয়াইছিল যে এটা সৌৰবর্ষত (solar year) ৩৬৫ দিন থাকে। জ্যোতিবিজ্ঞানৰ ক্ষেত্রখনলৈ আগবঢ়াই থৈ যোৱা অসামান্য অৱদানৰ বাবে আর্যভ্ট্টক ভাৰতীয় নিউটন বুলি অভিহিত কৰা হয়।

জীৱনীমূলক লেখনীবোৰো ইতিহাসৰ এক গুৰুত্বপূর্ণ সমল। জীৱনী সাহিত্যবোৰ মূলতঃ ৰজা-মহাৰজাৰ জীৱন বৃত্তান্ত। ৰাজকবিসকলে এনে সাহিত্যৰ ৰচনা কৰিছিল। ৰাজকবিৰ দ্বাৰা ৰচিত হোৱা বাবেই এই জীৱনীবোৰ অতিৰঞ্জিত ঘটনাৰে ভৰা বুলি ক'ব পাৰি। কিন্তু এনে সাহিত্য পুংখানুপুংখভাৱে অধ্যয়ন কৰি ইয়াৰ পৰাও যথেষ্ট পৰিমাণে ঐতিহাসিক সমল বাহিৰ কৰিব পাৰি। কেইখনমান গুৰুত্বপূর্ণ প্রাচীন জীৱনীগ্রন্থ হ'ল বানভট্টৰ *হর্ষচৰিত,* বিলহনৰ *বিক্রমাংকদেৱচৰিত,* ভাকপতিৰাজৰ *গৌড়বাহো,* সন্ধ্যাকৰ নন্দীৰ *ৰামচৰিত* ইত্যাদি।

আমাৰ দেশৰ বিভিন্ন অঞ্চলৰ বিষয়ে লিখিত থলুৱা ইতিহাসবোৰো আন এক গুৰুত্বপূর্ণ সমল। এনে থলুৱা ইতিহাসৰ ভিতৰত সবাতোকৈ প্রসিদ্ধ হ'ল কলহনে লিখা কাশ্মীৰৰ ইতিহাস *ৰাজতৰংগিনী*। এইখনেই হয়তো ভাৰতৰ প্রথমখনঐতিহাসিক গ্রন্থ। গ্রন্থখন ৰচনা কৰাৰ সময়ত আটাইবোৰ সুলভ তথ্য পৰীক্ষা কৰি কলহনে এক বিজ্ঞানসন্মত নীতি গ্রহণ কৰিছিল। ৰাজতৰংগিনীয়ে কাশ্মীৰৰ ভৱিষ্যৎ ইতিহাসবিদসকলক গভীৰভাৱে প্রভাৱিত কৰিছিল। এই গ্রন্থখনক আর্হি হিচাপে লৈ পাচত আন বহুতো ইতিহাস ৰচিত হৈছিল।

প্রাচীন ভাৰতৰ ইতিহাসৰ আন এটা গুৰুত্বপূর্ণ সমল হ'ল দক্ষিণ ভাৰতৰ সংগম সাহিত্য। তামিল কবিসকল হ'ল সংগম সাহিত্যৰ স্রষ্টা। তামিল ভাষাত 'সংগম'

শব্দৰ অর্থ হ'ল কবিসকলৰ মিলন। সংগম সাহিত্যই আমাক দক্ষিণ ভাৰতৰ সামাজিক, অর্থনৈতিক, ধর্মীয় আৰু ৰাজনৈতিক অৱস্থা জনাৰ সুযোগ দিয়ে। মণিমেখলয়, কুৰুল, শিলাপ্পাদিকৰম আদি হ'ল এই সাহিত্য যুগৰ কেইটামান উৎকৃষ্ট নিদর্শন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ভাৰতৰ প্রাচীন সাহিত্যবোৰৰ প্রকৃতি কেনেধৰণৰ?

.....

প্রশ্ন নং ২ঃ সবাতোকৈ পুৰণি ভাৰতীয় সাহিত্য বুলি কোনখন গ্রন্থক কোৱা হয়?

.....

প্রশ্ন নং ৩ঃ 'মিলিন্দপাহ্নো'ৰ বিষয়ে কি জানে?

.....

প্রশ্ন নং ৪ঃ পঞ্চসিদ্ধান্ত কোনে লিখিছিল?

.....

১.৪.২ বিদেশী সাহিত্য

এয়া ভাৰতৰ বাবে সৌভাগ্যৰ কথা যে ইতিহাসৰ সমল হ'ব পৰা বহুতো বিদেশী সাহিত্যও দেশত পোৱা যায়। বিদেশী সাহিত্য বুলিলে সাধাৰণতে পৰিব্রাজকসকলৰ লেখনিকে বুজোৱা হয়। বিভিন্ন সময়ত বিভিন্ন কাৰণত বহুতো পৰিব্রাজক ভাৰতলৈ আহিছিল আৰু তেওঁলোকৰ বেছিভাগেই ভাৰত ভ্রমণৰ বৃত্তান্ত লিখি থৈ গৈছে। কিন্তু ভাৰত ভ্রমণ নকৰাকৈও ভাৰতৰ বিষয়ে বিভিন্ন সমলৰ পৰা তথ্য গোটাই লৈ নিজৰ লেখনিত সেই তথ্যবোৰক স্থান দিয়া বহুতো ইতিহাসবিদৰ কথাও আমি পঢ়িবলৈ পাওঁ। এনে দুগৰাকী ইতিহাসবিদ হ'ল হিৰোড'টাচ আৰু তাৰানাথ। হিৰোড'টাচ আছিল এগৰাকী স্বনামধন্য গ্রীক ইতিহাসবিদ। ইতিহাস লেখনৰ বাটকটীয়া হিচাপে গণ্য কৰি তেওঁক 'ইতিহাসৰ জনক' বুলি অভিহিত কৰা হয়। তাৰানাথ আছিল এগৰাকী তিব্বতী ইতিহাসবিদ। তেওঁ লিখা ডুলভা (Dulva) আৰু টেংয়ুৰ (Tangyur) হ'ল বৌদ্ধধর্মৰ ইতিহাস জনাৰ দুটা গুৰুত্বপূর্ণ সমল।

বিদেশী লেখকবোৰৰ ভিতৰত গ্রীক পৰিব্রাজকসকলেই প্রথম ভাৰতত পদার্পন কৰিছিল। আলেকজেণ্ডাৰৰ ভাৰত আক্রমণে ভাৰত-গ্রীক সম্পর্কৰ নতুন যুগৰ সূচনা কৰিছিল। প্রবল পৰাক্রমী গ্রীক যোদ্ধাজনৰ সৈতে নীর্কাচ (Nearchus), ওনেচিক্রিটাচ (Onesicritus) আদিৰ দৰে বহুতো ইতিহাসবিদ আহিছিল। এই ইতিহাসবিদসকলে

ভাৰতৰ উত্তৰ-পশ্চিম দিশ সম্পৰ্কে বহুতো মূল্যবান তথ্য লিপিৱদ্ধ কৰাৰ লগতে আলেকজেণ্ডৰৰ অভিযান সম্পৰ্কীয় তথ্য টুকি গৈছিল। এই সকলোবোৰৰ ভিতৰত ভাৰত ভ্ৰমণ কৰি চোৱা সবাতোকৈ উল্লেখযোগ্য গ্ৰীক ইতিহাসবিদগৰাকীৰ নাম হ'ল মেগাস্থিনিচ। মেগাস্থিনিচে মৌৰ্য সম্ৰাট চন্দ্ৰগুপ্ত মৌৰ্যৰ ৰাজসভাত গ্ৰীক সেনাপ্ৰধান চেলুক'চৰ প্ৰতিনিধি হিচাপে উপস্থিত আছিল। মেগাস্থিনিচে ভাৰতক লৈ লিখা *ইণ্ডিকা* নামৰ গ্ৰন্থখনৰ ঐতিহাসিক মূল্য অপৰিসীম। ভাৰতক লৈ লিখা অথবা ভাৰতৰ উল্লেখ থকা আন কেইখনমান গুৰুত্বপূৰ্ণ গ্ৰন্থ হ'ল ট'লেমীৰ *জিঅ'গ্ৰাফী* আৰু প্লিনীৰ *নেচাৰেলিচ হিষ্ট'ৰিয়া*। প্ৰথম খৃষ্টাব্দৰ ভাৰতৰ বন্দৰ, জাহাজঘাট আৰু বাণিজ্যিক জীৱনৰ বিষয়ে বহুতে গুৰুত্বপূৰ্ণ তথ্য থকা আন এখন আপুৰুগীয়া বিদেশী গ্ৰন্থ হ'ল কোনো অজ্ঞাত গ্ৰীক নাবিকে লিখা '*পেৰিপ্লাচ অৱ দ্য এৰিথ্ৰীয়ান চী*'।

বৌদ্ধধৰ্মৰ উৎসস্থলীতে ধৰ্মটোৰ বিষয়ে অধ্যয়ন কৰিবলৈ চীনা পৰিব্ৰাজক সকল ভাৰতলৈ আহিছিল। গুপ্ত বংশৰ সম্ৰাট দ্বিতীয় চন্দ্ৰ গুপ্তৰ ৰাজত্বকালত ফা-হিয়েন ভাৰতলৈ আহিছিল। তেওঁ ভাৰতত প্ৰায় পোন্ধৰ বছৰ কটাইছিল। তেওঁ বিস্তৃতভাৱে নিজৰ ভাৰত ভ্ৰমণৰ বিষয়ে লিখি থৈ গৈছে। আই-চিং আছিল আন এগৰাকী উল্লেখযোগ্য চীনা পৰিব্ৰাজক। তেওঁ ভাৰতত বৌদ্ধধৰ্ম সম্পৰ্কে ভালেকেইখন গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। সকলোবোৰ চীনা পৰিব্ৰাজকৰ ভিতৰত সবাতোকৈ বিখ্যাত আৰু সন্মানীয় পৰিব্ৰাজকগৰাকী হ'ল নিঃসন্দেহে হিউৱেন-চাং। ৰজা হৰ্ষবৰ্দ্ধনৰ শাসনকালত তেওঁ ভাৰতলৈ আহিছিল। প্ৰায় সমগ্ৰ ভাৰত ভ্ৰমণ কৰি হিউৱেন-চাঙে 'চি-য়ু-কি' (Si-Yu-Ki) শিৰোনামেৰে ভ্ৰমণ বৃত্তান্ত লিপিৱদ্ধ কৰিছিল। তেওঁৰ এই ভ্ৰমণ বৃত্তান্তক সমসাময়িক কালছোৱাৰ ভাৰতীয় সামাজিক, ধৰ্মীয় ইতিহাস জনাৰ এক গুৰুত্বপূৰ্ণ সমল বুলি বিবেচনা কৰা হয়। হিউৱেন-চাঙে নিজৰ লিখনিত বৌদ্ধধৰ্মক আগস্থান দিছিল যদিও তেওঁৰ লিখিত বৃত্তান্তত সমসাময়িক ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কীয় কিছুমান তথ্যও পোৱা যায়।

খৃষ্টীয় অষ্টম শতিকাৰ পৰা ভাৰত ভ্ৰমণলৈ আহিবলৈ আৰম্ভ কৰা মুছলমান পণ্ডিতসকলৰ লেখনিও প্ৰাচীন ভাৰতৰ ইতিহাস অধ্যয়নৰ আন এক গুৰুত্বপূৰ্ণ উৎস। গজনীৰ চুলতান মাহমুদৰ সৈতে আল-বেৰুণী ভাৰতলৈ আহিছিল। আল-বেৰুণীয়ে লিখা *টেহকিক-ঈ-হিন্দত* হিন্দু আচাৰ-আচৰণ, বিজ্ঞান আৰু সাহিত্যৰ মনোৰম বৰ্ণনা পোৱা যায়। মিন্‌হাজুদ্দিন চিৰাজৰ *তবাকট-ঈ-নাচিৰি* হ'ল আন এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ। অন্য মুছলমান লেখকসকলৰ ভিতৰত আল-মাচুদি, নিজামুদ্দিন, হাচান নিজামী আদিৰ নাম ল'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ ইণ্ডিকা কোনে লিখিছিল?

.....

প্রশ্ন নং ৬ঃ তাৰানাথে লিখা দুখন কিতাপৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৭ঃ নীর্কাচ আৰু ওনেচিক্রিটাচ কাৰ সৈতে ভাৰতলৈ আহিছিল?

.....

প্রশ্ন নং ৮ঃ 'গৌড়বাহো' কোনে লিখিছিল?

.....

প্রশ্ন নং ৯ঃ আল-মাচুদি কোন আছিল?

.....

১.৫ প্রত্নতাত্বিক সমল

প্রত্নতাত্বিক সমল ইতিহাস অধ্যয়ন কলাৰ মেৰুদণ্ড বুলি বিবেচনা কৰা হয়। ই আমাক অতীতৰ এক স্পষ্ট ছবি আগবঢ়ায়। ইয়াৰ প্রধান শাখা তিনিটা- খোদিত লিপি(epigraphy or inscription) মুদ্রা (coins or numismatic) আৰু ভগ্নাৱশেষ অথবা স্মৃতিসৌধ (material remains or monuments)।

১.৫.১ খোদিত লিপি

খোদিত লিপি (inscription) মানে কি? খোদিত লিপি মানে হ'ল কোনো শাসনাধিষ্ঠ ৰজা নাইবা কেতিয়াবা ৰজাৰ কার্যালয়ে শিল, স্তম্ভ অথবা গুহাৰ বেৰত খোদিত কৰা বার্তা। ৰজাই বিভিন্ন উপলক্ষত খোদিত লিপি প্রস্তুতৰ আদেশ দিব পাৰে। যেনে- কোনো বিজয়ৰ কাহিনী যুগমীয়া কৰিবলৈ, কোনো প্রশাসনিক অধ্যাদেশ ৰাজহুৱা ভাৱে ঘোষণা কৰিবলৈ নাইবা কোনো অনুষ্ঠানলৈ দান কৰা ভূমি অথবা সম্পত্তিৰ বিষয়ে ঘোষণা কৰিবলৈ ইত্যাদি। কেতিয়াবা ধর্মীয় কাৰণতো খোদিত লিপি ব্যৱহাৰ কৰা হৈছিল। খোদিত লিপিবোৰক শাসনাৱলী আৰু এপিগ্রাফী (Epigraphy) বুলি জনা যায়।



চিত্র ১.১ স্তম্ভত খোদিত লিপি
উৎস ঃ Google Images

ঐতিহাসিক সমল হিচাপে খোদিত লিপিবোৰ অতি গুৰুত্বপূর্ণ । খোদিত লিপিবোৰৰ পৰা কোনো এছোৱা নির্দিষ্ট সময়ৰ ৰাজনৈতিক, প্রশাসনিক, ব্যৱসায়িক আৰু সামাজিক-ধর্মীয় অৱস্থাৰ বিষয়ে যথেষ্ট লাগতিয়াল তথ্য পোৱা যায়। কেতিয়াবা খোদিত লিপিত তাৰিখ অথবা শাসন বর্ষৰ উল্লেখ থাকে। পৰৱর্তী সময়ৰ ইতিহাসবিদ সকলে এনে তথ্যৰ আধাৰত কোনো শাসকৰ শাসনকাল নির্ভুলভাৱে নির্ধাৰণ কৰিব পাৰে। খোদিত লিপিবোৰে সংশ্লিষ্ট শাসকৰ নীতি আৰু সফলতাৰ তথ্যও যোগান ধৰে। লিপিবোৰৰ পৰা অতীজৰ কোনো এছোৱা সময়ত প্রচলিত ভাষাৰ বিষয়েও গম পোৱা যায়। খোদিত লিপিত উদ্ধাৰ হোৱা ভাষা কেইটামান হ'ল প্রাকৃত, সংস্কৃত, তামিল, তেলেগু ইত্যাদি। ওপৰৰ আলোচনাৰ পৰা আমি গম পালোঁ যে খোদিত লিপিবোৰে প্রাচীন তথ্য যোগান ধৰাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সেয়েহে ইতিহাসবিদসকলে খোদিত লিপিক অমূল্য সমল বুলি গণ্য কৰে। যদি তথ্যবোৰৰ সৈতে কিছু খোদিত লিপিৰ প্রমাণ সংলগ্ন থাকে তেন্তে অন্য ধৰণৰ সমলৰ পৰা আহৰণ কৰা তথ্যকো গ্রহণীয় বুলি ধৰা হয়। সকলোবোৰ ভাৰতীয় খোদিত লিপিৰ ভিতৰত অশোকৰ লিপিবোৰৰ সংখ্যাই সর্বাধিক। ভগৱান বুদ্ধৰ শিকনিবোৰ প্রচাৰ কৰিবলৈ অশোকে যথেষ্ট সংখ্যক খোদিত লিপি ৰাজবাণী জাৰি কৰিছিল। এই ৰাজবাণীবোৰ শিল অথবা স্তম্ভ অথবা গুহাৰ বেৰত খোদিত কৰা হৈছিল। এই লিপিবোৰৰ পৰা মহান মৌর্য সম্রাটগৰাকীৰ ধর্মপ্রিয়তা সম্পর্কে বহুতো তথ্য জানিবলৈ পোৱা যায়। মৌর্য যুগৰ ইতিহাস অধ্যয়নৰ এক গুৰুত্বপূর্ণ সমল হিচাপে এই লিপিবোৰ আজিও সমাদৃত। অশোকৰ লিপি জাৰি কৰাৰ পৰম্পৰাটো উত্তৰ-মৌর্য যুগৰ শাসকসকলেও অনুসৰণ কৰিছিল। এই সময়ছোৱাত ব্যৱহৃত অসংখ্য লিপিৰ পৰা বহুতো লাগতিয়াল তথ্য

আহৰণ কৰা হৈছে। এই দিশত গুপ্ত সম্ৰাট সমুদ্রগুপ্তৰ শাসনকালত খোদিত কৰা *এলাহাবাদ স্তম্ভ লিপি*ৰ নাম সবাতোকৈ আগতে উল্লেখ কৰিব পৰা যায়। ৰজা খাৰাভেলাৰ শাসনকালত খোদিত *হাথী গুম্ফা লিপি*ৰ পৰা কলিংগৰ ইতিহাস জানিব পাৰি। চালুক্য বংশৰ ৰজা দ্বিতীয় পুলকেশীৰ শাসন কালত খোদিত *আইহোলি স্তম্ভ লিপি* হ'ল আন এক গুৰুত্বপূর্ণ খোদিত লিপি। ইয়াৰ উপৰি আন কেইখনমান উল্লেখযোগ্য খোদিত লিপি হ'ল ৰজা ৰুদ্রদমনৰ শাসনকালত খোদিত *জুনাগড় শিলালিপি*, ৰজা স্কন্দগুপ্তৰ শাসনকালত খোদিত *ভিটাৰি স্তম্ভ লিপি* ইত্যাদি।

খোদিত লিপিবোৰৰ উপৰি ভূমি দান নথিৰ ৰূপত আন কিছুমান ৰাজহুৱা তথ্য পোৱা যায়। 'ভূমি দান' মানে কি? প্রাচীন ভাৰতৰ ৰজাসকলে ব্রাহ্মণসকলক আৰু অন্য ধর্মীয় অনুষ্ঠানক মাটি দান কৰিছিল। এনে ভূমি দান প্রক্রিয়াৰ অংশ হিচাপে ৰজাসকলে তামৰ ফলিত যাৱতীয় তথ্য কিছুমান খোদিত কৰিছিল। এনে ফলিত শাসনাধিষ্ঠ ৰজাৰ নাম, বংশ পৰিচয়, মন্ত্রী-পৰিষদৰ নাম, দান কৰা মাটিৰ বিৱৰণ আৰু দান গ্রহণ কৰা ব্যক্তি অথবা অনুষ্ঠান-প্রতিষ্ঠানৰ বর্ণনা সন্নিৰিষ্ট আছিল। সেয়েহে এনে তাম্রলিপিবোৰকো প্রাসংগিক তথ্যৰ ভঁৰাল বুলি কোৱা হয়।

১.৫.২ মুদ্রা

আৰম্ভণিতে ভাৰতত মুদ্রাবোৰ তাম, ৰূপ, সোণ আৰু সীহেৰে তৈয়াৰ কৰা হৈছিল। কুশান যুগৰ (উমৈহতীয়া যুগৰ প্রথম তিনি শতিকা) পোৱা মাটিৰে নির্মিত শতাধিক মুদ্রা পোৱা গৈছে। এইটোৱে সেই সময়ত হোৱা বর্ধিত বাণিজ্যৰ ফালে আধুলিয়াই দিয়ে। উপমহাদেশৰ আটাইতকৈ পুৰণি মুদ্রাবোৰ হৈছে ছিদ্র যুক্ত মুদ্রা। ইণ্ডো-বেক্ট্রিয়ান আৰু কুশানসকলৰ মুদ্রাবোৰ শৈল্পিক আছিল যদিও সেয়া বিদেশী খৰোষ্ঠি আৰু গ্রীক লিপিৰ দ্বাৰা অনুপ্রাণিত হৈছিল। মগধ সাম্রাজ্যৰ সম্প্রসাৰণৰ লগে লগে মগধৰ ছিদ্রযুক্ত মুদ্রাই অন্য ৰাজ্যৰ দ্বাৰা জাৰী কৰা মুদ্রাৰ স্থান লয়। যদিও প্রাচীনতম মুদ্রাবোৰত কেৱল প্রতীক চিহ্ন আছিল, পৰৱর্তী সময়ৰ মুদ্রাবোৰত ৰজা, দেৱ-দেৱীৰ চিত্র আছিল আৰু সেইবোৰত তাৰিখ আৰু নামো উল্লেখ কৰা হৈছিল। উদাহৰণ স্বৰূপে পশ্চিমৰ ক্ষত্রপ মুদ্রাবোৰত শকাব্দত তাৰিখ দিয়া দেখা যায়। মুদ্রাৰ প্রচলনৰ ক্ষেত্রই আমাক কেইবাটাও শাসকীয় ৰাজবংশৰ ইতিহাস পুনৰ নির্মাণ কৰিবলৈ সক্ষম কৰা হৈছে। উদাহৰণ স্বৰূপে যুদ্ধেয় আৰু মালৱসকলৰ মুদ্রাবোৰে 'গণ' নামৰ কিংবদন্তিটো বহন কৰে যিয়ে আমাক তেওঁলোকৰ অ ৰাজতন্ত্রবাদী (non monarchical) শাসন ব্যৱস্থাৰ বিষয়ে আভাস দিয়ে। সাতবাহন মুদ্রাসমূহৰ না কোনো নির্দিষ্ট আকৃতি আছিল নতুবা কোনো শৈল্পিক ৰূপ আছিল।

মৌর্য-পৰৱৰ্তী মুদ্রাসমূহ সীহ, পটিন, তাম, ব্রঞ্জ, ৰূপ আৰু সোণেৰে নির্মিত আছিল। সেই মুদ্রাসমূহৰ বহুল মাত্রাত হোৱা প্রচলনৰ প্রতি লক্ষ্য ৰাখি এইটো ধাৰণা কৰিব পাৰি যে এই সময়চোৱাত ব্যৱসায়-বাণিজ্যৰ যথেষ্ট প্রসাৰ হৈছিল। গুপ্ত ৰজাসকলে সোণৰ মুদ্রাৰো প্রচলন কৰিছিল। প্রথম চন্দ্রগুপ্তই হ'ল সর্বপ্রথম হিন্দু ৰজা যাৰ দ্বাৰা খোদিত সোণ মুদ্রাৰ অস্তিত্ব পোৱা যায়। তেওঁৰ দ্বাৰা জাৰি হোৱা মুদ্রাত মুদ্রাৰ ছবি থকা ফালটোত ৰজা আৰু ৰাণীৰ প্রতিকৃতি খোদিত কৰা আছিল আৰু ওলোটা ফালটোত লিচ্চবি নামটো খোদিত কৰা আছিল। সমুদ্র গুপ্তই ছয় প্রকাৰৰ সোণৰ মুদ্রা জাৰি কৰিছিল। পৰৱৰ্তী সময়ৰ গুপ্ত ৰজাসকলে ৰূপ আৰু তামৰ মুদ্রাও জাৰি কৰিছিল। গুপ্ত- পৰৱৰ্তী কালত সোণৰ মুদ্রাৰ গুণ মান আৰু সংখ্যা হ্রাস পাইছিল। এইটো আৰ.এছ. শর্মাৰ অত্যন্ত প্রতিদ্বন্দ্বিতাপূর্ণ সামন্তবাদ তত্ত্বৰ আধাৰ হৈ পৰিছিল যিয়ে বিশ্বাস কৰিছিল যে মুদ্রাৰ অৱমাননা আৰু কড়িৰ বর্দ্ধিত ব্যৱহাৰে এই সময়চোৱাত বেপাৰ-বাণিজ্যৰ অধোন্নতিৰ কথাকে সূচায়। অৱশ্যে ইয়াৰ সমালোচনা আছে।

মুদ্রাবোৰক ভাৰতীয় ইতিহাসৰ যথার্থ তথ্য জনাৰ এক গুৰুত্বপূর্ণ সমল বুলি ধৰা হয়। প্রাচীন ভাৰতৰ সমসাময়িক সামাজিক-সাংস্কৃতিক, ৰাজনৈতিক আৰু অর্থনৈতিক অৱস্থা অধ্যয়ন কৰাত মুদ্রাই এক বিশেষ প্রত্নতাত্বিক সমলৰ ভূমিকা পালন কৰে। ভাৰতৰ বিভিন্ন অংশত বিভিন্ন শাসকৰ দিনৰ হাজাৰ হাজাৰ মুদ্রা আৱিষ্কৃত হৈছে।

মুদ্রাবোৰৰ পৰা বিভিন্ন নাম, পদবী অথবা শিৰোনাম, ৰাজপৰিয়ালৰ প্রতিচ্ছবি, উপাসনা কৰা দেৱ-দেৱীৰ প্রতিচ্ছবি আৰু মুদ্রাবোৰ প্রচলন কৰা ৰজাজনৰ প্রকৃত শাসনকাল জানিব পাৰি। মুদ্রাবোৰৰ পৰা আহৰণ কৰা এনেবোৰ তথ্যৰ সহায়ত মুদ্রা প্রচলন কৰোঁতা ৰজাসকলৰ ইতিহাসৰ এক নির্ভুল ধাৰণা কৰিব পৰা যায়। মুদ্রাত খোদিত কৰা উপাস্য দেৱ-দেৱীৰ প্রতিচ্ছবিৰ পৰা সংশ্লিষ্ট শাসকজনৰ ধর্মীয় শিক্ষা গম পোৱা যায়। মুদ্রাবোৰৰ সহায়তেই সংশ্লিষ্ট ৰাজ্য এখনৰ অর্থনৈতিক বিকাশ সম্পর্কেও জানিব পাৰি। কোনো এক নির্দিষ্ট অঞ্চলত আৱিষ্কৃত উৎকৃষ্ট মানৰ সোণ আৰু ৰূপৰ মুদ্রাৰ পৰা অঞ্চলটো যিখন ৰাজ্যৰ অন্তর্গত আছিল সেই ৰাজ্যখনৰ অর্থনৈতিক উন্নতিৰ বিষয়ে সহজে জানিব পাৰি। এইবোৰ কথা অধ্যয়নৰ অন্তত ইতিহাসবিদ ৰমেশ চন্দ্র মজুমদাৰে কয় যে, "এখন দেশৰ অর্থনৈতিক অৱস্থা অধ্যয়নত মুদ্রাৰ গুৰুত্ব সম্পূর্ণ স্পষ্ট আৰু এই ক্ষেত্রত কোনো বিস্তৃত বিবেচনাৰ প্রয়োজনেই নাই।" মুদ্রাবোৰৰ কলাসুলভ নক্সা, আকৃতি আৰু প্রকাৰে কোনো এক নির্দিষ্ট যুগৰ ধর্মীয় তথা সাংস্কৃতিক বিকাশ সম্পর্কে জানিব পাৰি। দক্ষিণ ভাৰতৰ কোনো কোনো অঞ্চলত খৃষ্টীয় প্রথম শতিকাৰ ৰোমান মুদ্রা আৱিষ্কৃত হৈছে। এই মুদ্রাবোৰৰ পৰা প্রমাণিত হয় যে প্রাচীন ভাৰতৰ প্রাচীন ৰোমান সাম্রাজ্যৰ সৈতে বাণিজ্যিক সম্পর্ক আছিল।



চিত্ৰ ১.২ গুপ্ত যুগৰ মুদ্ৰা
উৎস ঃ Google Images

১.৫.৩ ভগ্নাৱশেষ


ভাৰতত প্ৰচুৰ পৰিমাণে ভগ্নাৱশেষ আছে। এই ভগ্নাৱশেষ বোৰৰ বেছিভাগেই হ'ল স্মৃতিসৌধ আৰু ভাস্কৰ্য। স্মৃতিসৌধ মানে হ'ল উল্লেখযোগ্য স্থান অথবা ঐতিহাসিক গুৰুত্ব থকা কোনো নিৰ্মাণ। নিৰ্মাণ বুলিলে কোনো পুৰণি ভৱন, মন্দিৰ, বিহাৰ, স্তূপ, বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি আদিৰ কথা বুজোৱা হয়।

প্ৰাচীন ভাৰতৰ ইতিহাসৰ প্ৰাচীনতম স্মৃতিসৌধ সমল হ'ল সিন্ধু উপত্যকাৰ সভ্যতা অথবা হৰপ্পাত আৱিষ্কৃত প্ৰত্নতাত্বিক ভগ্নাৱশেষবোৰ। সিন্ধু উপত্যকাৰ ভগ্নাৱশেষবোৰৰ পৰা এই কথা প্ৰমাণিত হৈছে যে আৰ্যসকলৰ বহু আগতেই উপত্যকাটোত আন এক সমৃদ্ধিশালী সভ্যতাৰ অস্তিত্ব আছিল। ইয়াৰ দ্বাৰাই গম পোৱা গ'ল যে পুৰণি স্থাপত্য ভাস্কৰ্যই আমাক পূৰ্বপুৰুষসকলৰ কলাসুলভ তথা সাংস্কৃতিক ক্ৰমবিকাশ বুজাত সহায় কৰে। একে সময়তে স্মৃতিসৌধবোৰৰ অধ্যয়নৰ পৰা আমি কোনো এছোৱা সময়ৰ বিভিন্ন কলাশৈলী, এইবোৰৰ বিকাশ তথা এনে শৈলীৰ ওপৰত বিদেশী শৈলীৰ প্ৰভাৱ আদিৰ বিষয়ে জানিব পাৰোঁ।



চিত্ৰ ১.৩ এটা স্মৃতিসৌধ
উৎসঃ Google Images

মৃৎ শিল্প পুৰাতাত্ত্বিক উৎসৰ এটা গুৰুত্বপূৰ্ণ অংশ। মৃৎ শিল্পই আমাক সংস্কৃতি আৰু সভ্যতাৰ প্ৰসাৰৰ বিষয়ে জনাত সহায় কৰে। এই মৃৎ শিল্পবোৰ প্ৰাকঐতিহাসিক কালৰ পৰা ঐতিহাসিক সময়লৈকে উপলব্ধ। উদাহৰণ স্বৰূপে — ঋকবেদৰ সময়ত ক'লা আৰু ৰঙা ৰঙৰ মাটিৰ পাত্ৰ, মটীয়া ৰঙৰ মাটিৰ পাত্ৰ আৰু ধুৰাঁ বৰণীয়া ৰঙীণ মাটিৰ পাত্ৰ ব্যৱহৃত হৈছিল। বৈদিক যুগৰ শেষ ভাগত বৌদ্ধ যুগৰ সময়ত ক'লা, ৰঙা, মটীয়া ৰঙৰ মৃৎ শিল্পৰ ব্যৱহাৰ আছিল। তেতিয়াৰ সময়ত মৃৎ শিল্পৰ এই কৃতিয়ে ইতিহাসক বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ সমল যোগাইছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ঃ হাথী গুম্ফা খোদিত লিপি কোনে জাৰি কৰিছিল?

.....

প্ৰশ্ন নং ১১ঃ জুনাগড় শিলালিপি কোনে জাৰি কৰিছিল?

.....

প্ৰশ্ন নং ১২ঃ প্ৰত্নতাত্বিক উৎসৰ ভাগকেইটা কি কি?

.....

প্ৰশ্ন নং ১৩ঃ প্ৰচীন ভাৰতীয় ইতিহাস অধ্যয়নত খোদিত লিপিবোৰে আমাক কেনেকৈ সহায় কৰে? (প্ৰায় ৬০ টা শব্দত উত্তৰ দিয়ক)

.....

.....

.....



১.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- ইতিহাস অধ্যয়নৰ বাবে সমলবোৰ অতি গুৰুত্বপূৰ্ণ।
- ইতিহাস অধ্যয়নৰ সমলবোৰক বহলকৈ দুটা ভাগত ভগোৱা হয়- সাহিত্যিক আৰু প্ৰত্নতাত্বিক উৎস।
- সাহিত্যিক সমলৰ দুটা উপ-শাখা আছে- থলুৱা আৰু বিদেশী সাহিত্য। বেদ, মহাকাব্য, পুৰাণ, উপনিষদ আৰু অন্য ধৰ্মশাস্ত্ৰবোৰে প্ৰাচীন ভাৰতৰ ইতিহাস জনাত আমাক যথেষ্ট সহায় কৰে। এইবোৰৰ লগতে ভাৰত ভ্ৰমণলৈ অহা বিভিন্ন পৰিব্ৰাজকৰ ভ্ৰমণ বৃত্তান্তয়ো আমাক অতীত পুনগঠনত সহায় কৰে।
- প্ৰত্নতাত্বিক উৎসবোৰক তিনিটা উপ-শাখাত ভগোৱা হয় খোদিত লিপি, মুদ্ৰা আৰু

ভগ্নাৱশেষ। এইবোৰে আমাক অতীত সম্পৰ্কে স্পষ্ট জ্ঞানৰ যোগান ধৰে। এই সমলবোৰে আমাৰ দেশৰ প্ৰাথমিক ইতিহাস পুনগঠন কৰাত সহায় কৰে।



১.৭ অধিক জানিবলৈ

1) Majumdar, R.C., Raychaudhuri, H.C., Datta, K. (1986). *An Advanced History of India*. New Delhi, Macmillan India Ltd.
2) Maiti, P.(2001): *Studies in Ancient India*, Kolkata, Shreedhar Prakashani.
3) Raychaudhuri, H.C. (1972). *Political History of Ancient India*. Calcutta, University of Kolkata.
4) Sharma, L.P. (1981). *Ancient History of India (pre-historic Age to 1200 A.D.)*. New Delhi, Vikas Publication House Pvt. Ltd.
5) Tripathi, Ramashankar (1999). *History of Ancient India*. Delhi, Motilal Banarsidass Publishers Pvt. Ltd.



১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ধৰ্মীয়

২ নং প্ৰশ্নৰ উত্তৰঃ ঋকবেদ

৩ নং প্ৰশ্নৰ উত্তৰঃ এখন গুৰুত্বপূৰ্ণ বৌদ্ধ গ্ৰন্থ

৪ নং প্ৰশ্নৰ উত্তৰঃ বৰাহমিহিৰ

৫ নং প্ৰশ্নৰ উত্তৰঃ ডুলভা আৰু টেংয়ুৰ

৬ নং প্ৰশ্নৰ উত্তৰঃ মেগাস্থিনিচ

৭ নং প্ৰশ্নৰ উত্তৰঃ আলেকজেণ্ডাৰ

৮ নং প্ৰশ্নৰ উত্তৰঃ ভাকপতিৰাজা

৯ নং প্ৰশ্নৰ উত্তৰঃ মুছলমান

১০ নং প্ৰশ্নৰ উত্তৰঃ ৰজা খাৰাভেলা

১১ নং প্ৰশ্নৰ উত্তৰঃ ৰুদ্ৰদমন

১২ নং প্ৰশ্নৰ উত্তৰঃ খোদিত লিপি, মুদ্ৰা আৰু ভগ্নাৱশেষ

১৩ নং প্রশ্নৰ উত্তৰঃ খোদিত লিপি মানে হ'ল কোনো শাসানধিষ্ঠ ৰজা নাইবা কেতিয়াবা ৰজাৰ কার্য্যলয়ে শিল, স্তম্ভ অথবা গুহাৰ বেৰত বিভিন্ন ভাষাত খোদিত কৰা বার্তা। খোদিত লিপিবোৰক শাসনাৱলী বুলিও কোৱা হয়। কোনো বিজয়ৰ কাহিনী যুগমীয়া কৰিবলৈ অথবা কোনো ভূমিদান সম্পর্কে ঘোষণা কৰিবলৈ এনে লিপি ব্যৱহাৰ কৰা হৈছিল। এনে লিপিৰ পৰা কোনো এছোৱা নির্দিষ্ট সময়ৰ ৰাজনৈতিক, প্রশাসনিক, ব্যৱসায়িক আৰু সামাজিক-ধর্মীয় অৱস্থাৰ বিষয়ে বহুতো লাগতিয়াল তথ্য পোৱা যায়। সেয়েহে ইয়াক প্রাচীন ভাৰতীয় ইতিহাস অধ্যয়ণৰ এক গুৰুত্বপূর্ণ উৎস বোলা হয়।



১.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ঃ বেদৰ চাৰিখনৰ নাম লিখক।

প্রশ্ন ২ঃ খোদিত লিপিক আন কি নামেৰে জনা যায়।

প্রশ্ন ৩ঃ 'ইণ্ডিকা' কোনে লিখিছিল।

প্রশ্ন ৪ঃ হিউৱেন চাঙৰ ভ্রমণ বৃত্তান্তৰ নাম কি?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ প্রাচীন ভাৰতীয় ইতিহাস পুনগঠন কৰিবলৈ থলুৱা সাহিত্য সমলটো কিয় প্রয়োজনীয়?

প্রশ্ন ২ঃ ভাৰত ভ্রমণলৈ অহা চীনা পৰিব্রাজকসকলৰ বিষয়ে এটি চমুটোকা লিখক।

প্রশ্ন ৩ঃ প্রাচীন ভাৰতৰ মুদ্রাবোৰৰ গুৰুত্ব সম্পর্কে এটি চমুটোকা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ প্রাচীন ভাৰতীয় ইতিহাস পুনগঠন সাহিত্যক সমলসমূহৰ গুৰুত্ব আলোচনা কৰক।

প্রশ্ন ২ঃ প্রত্নতাত্বিক সমলবোৰে কেনেকৈ প্রাচীন ভাৰতৰ ইতিহাস অধ্যয়নত আমাক সহায় কৰে?

*** ***** ***

অধ্যায় ২ ঃ প্রাগ্-ঐতিহাসিক পাৰিপার্শ্ব বিজ্ঞান

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ পাৰিপার্শ্ব বিজ্ঞান মানে কি?
২.৪ প্রাগৈতিহাসিককাল
২.৫ প্রত্নপ্রস্তৰ যুগত হোৱা বিকাশ
২.৬ মধ্যপ্রস্তৰ যুগত হোৱা বিকাশ
২.৭ খাদ্য উৎপাদনৰ আৰম্ভণি
২.৮ প্রাৰম্ভিক গ্রাম বসতি
২.৯ তাম্রযুগৰ সম্প্রদায়বোৰ
২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১১ অধিক জানিবলৈ
২.১২ অগ্রগতিৰ খতিয়ান
২.১৩ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পাৰিপার্শ্ব বিজ্ঞানে কেনেদৰে প্রাগৈতিহাসিক যুগৰ মানুহ, তেওঁলোকৰ জীৱিকা আৰু বসতিক প্রভাৱিত কৰিছিল সেয়া জানিব পাৰিব
- প্রত্নপ্রস্তৰ, মধ্যপ্রস্তৰ আৰু নৱপ্রস্তৰ যুগৰ মানুহৰ জীৱন যাপন পদ্ধতি, খাদ্যভ্যাস আৰু তেওঁলোকে ব্যৱহাৰ কৰা প্রস্তৰ সঁজুলিবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- প্রাগৈতিহাসিক যুগৰ আদিকালছোৱাৰ গ্রাম বসতিবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- তাম্রযুগৰ ভিন ভিন সম্প্রদায়ৰ জীৱন যাপন পদ্ধতি, তেওঁলোকৰ খাদ্যভ্যাস আৰু তেওঁলোকে ব্যৱহাৰ কৰা ভিন ভিন সঁজুলিৰ বিষয়ে আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

এই অধ্যায়টিত পাৰিপার্শ্ব বিজ্ঞানে কেনেদৰে প্রাগৈতিহাসিকযুগৰ মানুহ, তেওঁলোকৰ জীৱিকা আৰু বসতিক প্রভাৱিত কৰিছিল সেই কথা আলোচনা কৰা হ'ব।

প্রাগৈতিহাসিক কালৰ সামৰণিত মানৱ জাতিৰ ইতিহাসে লিখিত ৰূপ পালে। প্রাচীন ভাৰতৰ লিখিত ইতিহাসে ঢুকি নোপোৱা প্রাগৈতিহাসিক কালছোৱাক ইতিহাসবিদসকলে বিভিন্ন

ভাগত বিভক্ত কৰিছে। এই অধ্যায়টিত আমি প্রাগৈতিহাসিক কালৰ এই ভাগকেইটাৰ বিষয়ে আলোচনা কৰিম। অধ্যায়টিত সেই সময়ছোৱাৰ পাৰিপাৰ্শ্ব বিজ্ঞান, জীৱন, খাদ্যভ্যাস আৰু ব্যৱহৃত সঁজুলিবোৰৰ আলোচনাক অগ্রাধিকাৰ দিয়া হৈছে।

২.৩ পাৰিপার্শ্বি বিজ্ঞান মানে কি ?

পাৰিপার্শ্ব বিজ্ঞান (Ecology) মানে হ'ল প্রাণী আৰু ভৌতিক পৰিৱেশৰ মাজত থকা সম্পর্ক অধ্যয়ন কৰা বিজ্ঞান। প্রাণী বুলিলে মানুহকে ধৰি সকলো জীৱ-জন্তুকে বুজোৱা হয়। মানুহ, জীৱ-জন্তু আৰু উদ্ভিদৰ পৰিৱেশবোৰৰ মাজত থকা সম্পর্ক অনুসন্ধান কৰা বিষয়টোৱেই হৈছে পাৰিপার্শ্ব বিজ্ঞান।

প্রাগৈতিহাসিক কালৰ মানুহৰ জীৱনধাৰণ আৰু বসবাসৰ বাবে পাৰিপার্শ্বিকৰ ওপৰত নির্ভৰশীল আছিল। সেই কালছোৱাৰ জলবায়ু পৰিৱর্তনক কেন্দ্র কৰিয়েই মানুহে নিজৰ জীৱিকা আৰু বাসস্থান নির্ধাৰণ কৰিবলগীয়া হৈছিল।

২.৪ প্রাগৈতিহাসিককাল

মানৱ সভ্যতাৰ বিৱর্তন ঘটাৰ লগে লগে মানৱ জাতিৰ প্রাগৈতিহাসিক কালৰ সূচনা হৈছিল। ইতিহাসবিদসকল এই কথাত একমত যে আমাৰ পৃথিৱীখন প্রায় ২০০ কোটি ৫০ লাখ (4.5 billion) বছৰ পুৰণি। কিন্তু পৃথিৱীত মানৱ জাতিৰ উপস্থিতি প্রায় দুই লাখ বছৰ আগৰ পৰাহে দেখা পোৱা যায়।



জানি থোৱা ভাল

মানুহৰ সৈতে মিল থকা আদিম জীৱ প্রজাতি এটা আজিৰ পৰা প্রায় ৬০ লাখ (6 billion) বছৰৰ আগতে আফ্রিকাত বাস কৰিছিল। 'হোমো চেপীয়েনজ্' (Home Sapiens) অথবা বর্তমানৰ 'আধুনিক মানৱ' প্রজাতিটোৰ আজিৰ পৰা প্রায় ২ লাখ বছৰৰ আগতেহে বিৱর্তন ঘটিছে।

পৃথিৱীত মানৱ অস্তিত্ব ধৰা পৰা সময়ছোৱাক 'প্লাইষ্টোচীন যুগ' (Pleistocene Period) অথবা 'তুষাৰ যুগ' (Ice Age) (২৫.৮৮০০০ বছৰৰ পৰা ১১,৭০০ বছৰলৈ)। এই সময়ছোৱাত পৃথিৱীৰ অধিকাংশ অঞ্চলেই বৰফত পোত গৈ আছিল।

প্রয়া ২,০০,০০০ খৃষ্টপূর্বত আৰম্ভ হোৱা প্রাগ্-ঐতিহাসিক কালটোৰ প্রায় ২০০০ খৃষ্টপূর্বত সামৰণি পৰিছিল। এই কালছোৱা অতি দীঘলীয়া হোৱা বাবে পাৰিপার্শ্বিকৰ পৰিৱর্তন আৰু এই সময়খিনিত মানুহে ব্যৱহাৰ কৰা বিভিন্ন সঁজুলিৰ আধাৰত ঐতিহাসবিদসকলে ইয়াক তিনিভাগত বিভক্ত কৰিছে। ভাগ তিনিটা হ'ল-প্রত্নপ্রস্তৰ যুগ (২,০০,০০০ খৃষ্টপূর্বক পৰা ৯,০০০ খৃষ্টপূর্বলৈ), মধ্যপ্রস্তৰ যুগ (৯,০০০ খৃষ্টপূর্বৰ পৰা ৪,০০০ খৃষ্টপূবলৈ) আৰু নৱপ্রস্তৰ যুগ (৪,০০০ খৃষ্টপূর্বৰ

পৰা ২,০০০ খৃষ্টপূর্বলৈ)

'প্লাইষ্টোচীন' (Pleistocene) শব্দটো পোন প্রথমবাৰৰ বাবে বৃটিছ ভূতত্ত্ববিদ ছাৰ চার্লছ্ লাইল-য়ে (Sir Charles Lyell) ব্যৱহাৰ কৰিছিল। শব্দটোৰ মূল হ'ল দুটা গ্রীক শব্দ 'Pleistos' আৰু 'Kainos' । 'Pleistos' মানে হ'ল অতি /সবাতোকৈ আৰু 'Kainos' মানে হ'ল নতুন /শেহতীয়া। অর্থাৎ, প্লাইষ্টোচীন মানে হ'ল 'শেহতীয়া কাল' (the recent period)

গ্রীক শব্দ 'Paleo' অথবা 'Palaio' মানে হ'ল 'পুৰণি', 'mesos, মানে হ'ল 'মধ্য', 'neo' মানে হ'ল 'নতুন' আৰু 'lithos' মানে হ'ল 'শিল / প্রস্তৰ'। সেয়েহে ইংৰাজী Palaeolithic Age, Mesolithic Age আৰু Neolithic Age ক পুৰণি (অথবা প্রাক্) প্রস্তৰ যুগ, মধ্যপ্রস্তৰ যুগ আৰু নতুন (অথবা আধুনিক) প্রস্তৰ যুগ বুলিও কোৱা হয়।

প্রাগ্-ঐতিহাসিক যুগটোক সামগ্রিকভাৱে 'প্রস্তৰ যুগ' (Stone Age) বুলিও ক'ব পৰা যায়। কাৰণ এই গোটেই সময়ছোৱাত শিলেৰে বিভিন্ন আহিলা-সঁজুলি তৈয়াৰ কৰা হৈছিল। প্রাগ্-ঐতিহাসিক কালছোৱা যিহেতু অতি দীঘলীয়া সেয়েহে ইয়াৰ পর্যায়বোৰ পৃথক পৃথককৈ অধ্যয়ন কৰা দৰকাৰ। তলত পর্যায়বোৰ এটা এটাকৈ আলোচনা কৰা হ'ল।

২.৫ প্রত্নপ্রস্তৰ যুগত হোৱা বিকাশ

প্রত্নপ্রস্তৰ যুগৰ সংস্কৃতি হ'ল প্লাইষ্টোচীন ভূতাত্ত্বিক যুগৰ অংশ। সেই সময়ছোৱাৰ পাৰিপার্শ্বিক অৱস্থা আমাৰ পৰিচিত পাৰিপার্শ্বিক অৱস্থাতকৈ বহুত বেলেগ আছিল। প্লাইষ্টোচীন যুগৰ পাৰিপার্শ্বিক আছিল হিমশীতল আৰু শুকান। পৃথিৱীৰ অধিকাংশ অঞ্চলেই বৰফত ঢাক খাই আছিল। ভাৰতত প্রায় ৯,০০০ খৃষ্টপূর্বত মানৱৰ অস্তিত্ব ধৰা পৰাৰ সময়লৈকে প্রত্নপ্রস্তৰ যুগ বর্তি আছিল বুলি কোৱা হয়। দেশখনৰ বিভিন্ন স্থানত প্রত্নপ্রস্তৰ যুগৰ অৱশেষ আৱিষ্কাৰ কৰা হৈছে যদিও এতিয়ালৈকে সিন্ধু, গংগা আৰু যমুনা নদীৰ পলসুৱা সমতল ভূমিত এই যুগৰ কোনো অৱশেষ উদ্ধাৰ হোৱা নাই।

প্রত্নপ্রস্তৰ যুগৰ মানুহবোৰ অঘৰী আছিল। তেওঁলোকে ঘৰ সজাৰ কৌশল নাজানিছিল। এই যুগৰ মানুহে গুহাৰ দৰে প্রাকৃতিকভাৱে সৃষ্ট বসবাসযোগ্য স্থানত আশ্রয় গ্রহণ কৰিছিল। প্রত্নপ্রস্তৰ যুগৰ মানুহৰ কৃষি সম্পর্কেও কোনো জ্ঞান নাছিল। চিকাৰ কৰি পোৱা জন্তু আৰু ফলমূল তথা বিভিন্ন গছ-গছনিৰ শিপা আদি খায়েই এই যুগৰ মানুহে জীৱন নির্বাহ কৰিছিল। ভিন ভিন বতৰৰ প্রকোপৰ পৰা শৰীৰটোক ৰক্ষা কৰিবলৈ প্রত্নপ্রস্তৰ যুগৰ মানুহে জীৱ-জন্তুৰ ছাল, বল্কল অথবা গছৰ পাত আদি পৰিধান কৰিছিল। অর্থাৎ আমি গম পালোঁ যে প্রত্নপ্রস্তৰ যুগৰ মানুহে জীৱন ধাৰণ তথা বসবাসৰ বাবে প্রধানকৈ প্রাকৃতিক সম্পদৰ ওপৰতে নির্ভৰ কৰিবলগীয়া হৈছিল।

চিকাৰ কৰিবৰ সময়তো এই যুগৰ মানুহখিনিয়ে তেওঁলোকৰ চৌপাশৰ পৰিৱেশৰ ওপৰত নির্ভৰ কৰিছিল। তেওঁলোকে খহটা শিল আৰু জীৱ-জন্তুৰ হাড়েৰে তৈয়াৰী সঁজুলিৰে চিকাৰ কৰিছিল। একেবোৰ সঁজুলিকে তেওঁলোকে বস্তু কাটিবলৈ আৰু মাটি খান্দিবলৈও ব্যৱহাৰ কৰিছিল।



জানি থোৱা ভাল

প্রত্নপ্রস্তৰ যুগত সঁজুলি নির্মাণ কৰিবলৈ ব্যৱহাৰ কৰা কঠিন, খহটা শিলবিধক 'কোৱার্টজাইট' অথবা 'স্ফটিক শিল' (Quartzite) বোলা হয়। সেয়েহে ভাৰতত প্রত্নপ্রস্তৰ যুগৰ মানুহবোৰক 'স্ফটিক মানৱ' (Quartzite Men) বুলিও জনা যায়।

প্রত্নপ্রস্তৰ যুগত সভ্যতাৰ বিকাশ ঘটা নাছিল। অৱশ্যে আর্কষণীয় কথা এটা হ'ল এই যুগৰ মানুহৰ ছবি আঁকাৰ জ্ঞান আছিল। প্রত্নপ্রস্তৰ যুগৰ চিত্রাংকণৰ উমৈহতীয়া বিষয়বস্তুটো হ'ল চিকাৰ কৰা দৃশ্য। ভীমবেট্কাত প্রত্নপ্রস্তৰ যুগৰ চিত্র উদ্ধাৰ কৰা হৈছে।

অন্ধ্রপ্রদেশৰ কুৰ্নূল জিলা আৰু উত্তৰপ্রদেশৰ বেলান উপত্যকাত প্রত্নপ্রস্তৰ যুগৰ সঁজুলি আৱিষ্কৃত হৈছে। বেলান উপত্যকাত শিলৰ সঁজুলিৰ লগতে হাড়েৰে নির্মিত সঁজুলি আৰু জন্তুৰ অৱশেষো পোৱা গৈছে। আগতেই উল্লেখ কৰা হৈছে যে ভাৰতত প্রত্নপ্রস্তৰ যুগ বহুদিন বর্তি আছিল। ইতিহাসবিদসকলে সেয়েহে এই সময়ছোৱাক পুনৰ তিনিটা ভাগত ভগাই লৈছে- প্রাৰম্ভিক অথবা নিম্ন প্রত্নপ্রস্তৰ যুগ (২,০০,০০০ বর্ষৰ পৰা ১,০০,০০০ বর্ষ আগৰ), মধ্য প্রত্নপ্রস্তৰ যুগ (প্রায় ১,০০,০০০ বর্ষৰ পৰা ৪০,০০০ বর্ষ আগৰ) আৰু শেহতীয়া অথবা উর্দ্ধ প্রত্নপ্রস্তৰ যুগ (৪০,০০০ বর্ষৰ পৰা ৯,০০০ খৃষ্টপূর্বলৈ) । এই যুগটোৰ জীৱন নির্বাহৰ ন্যাস বুজি পোৱাত শিল সঁজুলিবোৰ অধ্যয়নে সহায় কৰে। প্রত্নপ্রস্তৰ যুগৰ তিনিওটা ভাগতে ব্যৱহৃত শিলৰ সঁজুলিবোৰ দেখাত বেলেগ বেলেগ। জলবায়ু পৰিৱর্তনৰ সৈতে সংগতি ৰাখি ব্যৱহৃত সঁজুলিবোৰ আর্হি সলনি কৰা হৈছিল।

প্রাৰম্ভিক প্রত্নপ্রস্তৰ যুগ ঃ প্রাৰম্ভিক প্রত্নপ্রস্তৰ যুগৰ অৱশেষ উদ্ধাৰ হোৱা অঞ্চলসমূহ হ'ল চোহান উপত্যকা (পশ্চিম পঞ্জাৱ, বর্তমান পাকিস্তানত), নর্মদা উপত্যকা (মধ্যপ্রদেশ, মহাৰাষ্ট্র আৰু গুজৰাট), ডিডৱানা (ৰাজস্থান), ভীমবেট্কা (মধ্যপ্রদেশৰ ভূপালৰ ওচৰত), কাশ্মীৰ আৰু থৰ মৰুভূমি অঞ্চল। এই আটাইবোৰ অঞ্চলতে স্ফটিক শিলেৰে নির্মিত সঁজুলি উদ্ধাৰ হৈছে। প্রাৰম্ভিক প্রত্নপ্রস্তৰ যুগৰ মানুহে হাত কুঠাৰ, মিত দা আৰু কটাৰী আদিৰ দৰে সঁজুলি ব্যৱহাৰ কৰিছিল। হাত কুঠাৰ (hand axe) আছিল এবিধ প্রধান সঁজুলি। ই দেখাত প্রায় তিনিকোণীয়া, এমূৰে বহল আৰু এমূৰে জোঙা এবিধ সঁজুলি। মিত দা (cleaver) সদৃশ সঁজুলিবিধ হ'ল এছটা বহল সমান্তৰাল অথবা ত্রিভূজাকৃতিৰ শিল। ইয়াৰ এটা মূৰ চেপেটা আৰু ইয়াত এটা সমান ধাৰাল অংশ আছে। কটাৰী (Chopper) সদৃশ আহিলাবিধ ডাঙৰ আছিল আৰু ইয়াক এফালেৰেহে ব্যৱহাৰ কৰা হৈছিল। প্রাৰম্ভিক প্রত্নপ্রস্তৰ যুগটোৰ ভূতাত্বিক বয়স হ'ল নিম্ন প্লাইষ্টোচীন যুগ।

মধ্যপ্রত্নপ্রস্তৰ যুগ ঃ চোহান উপত্যকা, নর্মদা উপত্যকা, ডিডৱানা, ভীমবেট্কা, বেগ'ৰ আৰু কাৰমালি উপত্যকা (দুয়োটাই ৰাজস্থানত) তথা নেৰেচা (মহাৰাষ্ট্র) অঞ্চলত মধ্যপ্রত্নপ্রস্তৰ যুগৰ অৱশেষ উদ্ধাৰ কৰা হৈছে। আগতেই উল্লেখ কৰা হৈছে যে প্রত্নপ্রস্তৰ যুগত সকলো

প্রকাৰৰ প্রস্তৰ সঁজুলিৰে আৰ্হি বহুবাৰ সলনি হৈছিল। মধ্য প্রত্নপ্রস্তৰ যুগতো হাতকুঠাৰ, মিতদা আৰু কটাৰীৰ দৰে সঁজুলি ব্যৱহৃত হৈছিল যদিও বেছিভাগ ক্ষেত্রতে সঁজুলিবোৰৰ আকাৰ সৰু হৈছিল আৰু শিলৰ ছটাবোৰ পাতল হৈ পৰিছিল। প্রত্নপ্রস্তৰ যুগত মানুহে খহটা শিলৰ উদ্যোগ গঢ়ি তুলিছিল। মধ্য প্রত্নপ্রস্তৰ যুগৰ মানুহে ব্যৱহাৰ কৰা সবাতোকৈ গুৰুত্বপূর্ণ সঁজুলিবোৰ আছিল তৰোৱাল (blades), জোং (points), গাঁত খন্দা ভোঁহৰ (borers), চোঁচনী (scrappers), ডিলা (cores) আৰু লোৱাৰি (burins)। মধ্য প্রত্নপ্রস্তৰ যুগৰ সঁজুলিবোৰ সাধাৰণতে নদীৰ শিলাময় স্তৰবোৰত বেছিকৈ পোৱা গৈছে। ইয়াৰ পৰা সেই সময়ছোৱাৰ জলবায়ুৰ উমান পোৱা যায়। মধ্য প্রত্নপ্রস্তৰ যুগৰ ভূতাত্বিক বয়স হ'ল মধ্য প্লাইষ্টোচীন কাল। এই যুগৰ বহুতো সঁজুলি থৰ অঞ্চলৰ ৰঙচুৱা মুগা মাটিত পোত গৈ থকা অৱস্থাত উদ্ধাৰ হৈছে। ইয়াৰ দ্বাৰা গম পোৱা গৈছে যে নিম্ন প্লাইষ্টোচীন কালতকৈ মধ্য প্লাইষ্টোচীন কালছোৱাত প্রচুৰ গছ-বিৰিখ, অধিক ভূ-পৃষ্ঠ জল আৰু কম আর্দ্র জলবায়ু আছিল।

শেহতীয়া প্রত্নপ্রস্তৰ যুগ ঃ তুষাৰ যুগৰ (প্রায় ১১,৭০০ খৃষ্টপূর্বত সামৰণি পৰা) শেষৰ পর্যায়টোৰেই হ'ল শেহতীয়া প্রত্নপ্রস্তৰ যুগ। এই যুগটো তুষাৰ যুগৰ সামৰণি পৰাৰ পাছটো কিছুসময় বর্তি আছিল (প্রায় ৯,০০০ খৃষ্টপূর্বলৈ) । শেহতীয়া প্রত্নপ্রস্তৰ যুগৰ অৱশেষ উদ্ধাৰ হোৱা অঞ্চল দুটামান হ'ল বেলান উপত্যকা, ভীমবেট্কা, বেগ'ৰ, অন্ধ্রপ্রদেশৰ ৰেণুগুণ্টা, ঝাৰখণ্ডৰ সিংভূম আৰু ৰাজস্থানৰ বুদ্ধাপুষ্কৰ। শেহতীয়া অথবা উর্দ্ধ প্রত্নপ্রস্তৰ যুগৰ মানুহৰ টিঙিৰি শিলৰ (Flint) উদ্যোগ আছিল। তেওঁলোকে তৰোৱাল, ভোঁহৰ আৰু চোঁচনীৰ দৰে সঁজুলি ব্যৱহাৰ কৰিছিল। শেহতীয়া প্রত্নপ্রস্তৰ যুগত বাকী দুটা যুগতকৈ বতৰ উষ্ণ আৰু কম আর্দ্রতা থকা আছিল। ইয়াৰ ফলত এই যুগত পৃথিৰীৰ উপৰিভাগৰ অধিকাংশ অঞ্চলতে বৰফ গলিছিল।

২.৬ মধ্যপ্রস্তৰ যুগত হোৱা বিকাশ

মধ্যপ্রস্তৰ যুগ অথবা মেছ'লিথিক যুগটো আছিল প্রত্নপ্রস্তৰ যুগ (পালীয়ালিথিক যুগ) আৰু নৱপ্রস্তৰ যুগৰ (নিঅ'লিথিক যুগৰ) মাজৰ ৰূপান্তৰ কাল। মধ্যপ্রস্তৰ যুগৰ ভূতাত্বিক সময়ছোৱাত হ'ল'চীন কাল (Holocene Period) বোলা হয়। এই ৰূপান্তৰকালত বহুতো পাৰিপার্শ্বিকতজনিত পৰিৱর্তন সংঘটিত হৈছিল। প্রাক্ আৰু মধ্য হ'ল'চিন কালৰ জলবায়ু সেমেকা তথা উষ্ম আছিল। এই কালত গৰমৰ দিনত ধাৰাষাৰ বৰষুণ দিছিল আৰু শীতত মধ্যমীয়া ধৰণৰ বৰষুণ দিছিল। প্রায় ১১,৭০০০ খৃষ্টপূর্বত প্লাইষ্টোচীন যুগ অথবা তুষাৰ যুগৰ অন্ত পৰিছিল। প্রায় ৯,০০০ খৃষ্টপূর্বত শেহতীয়া প্লাইষ্টোচীন যুগৰ সামৰণি হোৱাৰ লগে লগে জলবায়ু উষ্ণ হৈছিল। মধ্যপ্রস্তৰ যুগটোৰ সময়সীমা প্রায় ৪,০০০ খৃষ্টপূর্ব বুলি ধৰা হয়। ইয়াৰ পাচতেই নৱপ্রস্তৰ যুগৰ সূচনা হৈছিল।

মধ্যপ্রস্তৰ যুগৰ মানুহে চিকাৰ কৰি, খাদ্য সংগ্রহ কৰি আৰু মাছ মাৰি জীৱন নির্বাহ কৰিছিল। প্রথমে তেওঁলোকে জন্তু ঘৰচীয়া কৰা আৰু আপডাল কৰাৰ কৌশল নাজানিছিল। কিন্তু মধ্যপ্রস্তৰ যুগৰ মাজভাগৰ পৰা মানুহে গৰু, ঘোঁৰা আৰু বিভিন্ন চৰাই-জন্তু আদি পোহ

মনাবলৈ তথা আপডাল কৰিবলৈ শিকিছিল।

মধ্যপ্রস্তৰ যুগৰ মানুহে কিছু পৰিমাণে অপ্রব্রজনশীল চৰিত্র লাভ কৰিছিল। সৰু সৰু গোটত মানুহবোৰে স্থায়ী বসতি স্থাপন কৰিছিল অথবা অস্থায়ী বসতি পাতি ঘূৰি ফুৰিছিল। বেছিভাগ মধ্যপ্রস্তৰ যুগৰ অৱশেষ উদ্ধাৰ হোৱা অঞ্চলতে মৃৎশিল্পৰ অস্তিত্ব ধৰা পৰা নাই। কেৱল গুজৰাটৰ লাংঘ্নাজ আৰু উত্তৰ প্রদেশৰ মির্জাপুৰৰ কাইমূৰ অঞ্চলতহে মৃৎশিল্পৰ কিছু চানেকী উদ্ধাৰ হৈছে।

মধ্যপ্রস্তৰ যুগৰ এক উল্লেখযোগ্য বিকাশ হৈছে বসতিৰ সম্প্রসাৰণ। জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে মানুহৰ বসতি স্থলৰ সম্প্রসাৰণ ঘটিছিল। নতুন নতুন ঠাইত বসতি স্থাপন কৰাত অনুকূল পাৰিপাৰ্শ্ব আৰু প্রযুক্তিগত উন্নতিয়ে সহায় কৰিছিল।

মধ্যপ্রস্তৰ যুগৰ শেষৰ ফালে মানুহে কিছুমান আদিম পদ্ধতিৰ কৃষি কৌশল প্রয়োগ কৰিবলৈ আৰম্ভ কৰিছিল। এনেকৈ কৰা খেতিৰ গছ-গছনিৰ অৱশেষ কিছু ৰাজস্থানৰ চল্ট লে'ক, চাম্ভাৰ আৰু লংকাৰাণচাৰত উদ্ধাৰ হৈছে। এই আৱিষ্কাৰবোৰৰ পৰা ঠাৱৰ কৰা হৈছে যে ভাৰততত ৭,০০০-৬,০০০ খৃষ্টপূর্বত মধ্যপ্রস্তৰ যুগৰ মানুহে কৃষিকার্য আৰম্ভ কৰিছিল।

শিলৰ সঁজুলিবোৰৰ ক্ষেত্রতো পৰিৱর্তন লক্ষ্য কৰা হৈছে। মধ্যপ্রস্তৰ যুগ 'মাইক্র'লিথ' (microlith) ব্যৱহাৰৰ বাবে বিখ্যাত। মাইক্র'লিথ হ'ল শিলৰ সৰু, জোঙা আৰু ধাৰাল টুকুৰাৰে তৈয়াৰী তৰোৱাল / চুৰি /কটাৰী (blade) সৃদশ সঁজুলি।

ভাৰতৰ পশ্চিম আৰু কেন্দ্রীয় ভাৰততত মধ্যপ্রস্তৰ যুগৰ গুৰুত্বপূর্ণ স্থান কিছুমান আৱিষ্কৃত হৈছে। এনে কেইখনমান স্থান হ'ল বাগ'ৰ, চল্ট লে'ক, চাম্ভাৰ, লংকাৰানচাৰ, ভীমবেট্কা, লাংঘ্নাজ (গুজৰাট), আদমগড় (মধ্যপ্রদেশ) আৰু মির্জাপুৰ (উত্তৰ প্রদেশ)।

প্রত্নপ্রস্তৰ যুগৰ দৰে মধ্যপ্রস্তৰ যুগৰ মানুহেও চিত্রকলাৰ অনুশীলন কৰিছিল। ভীমবেট্কাত শৈলচিত্রৰ নিদর্শন আৱিষ্কৃত হৈছে। আদমগড় আৰু মির্জাপুৰতো মধ্যপ্রস্তৰ যুগৰ ছবি উদ্ধাৰ কৰা হৈছে। এই ছবিবোৰত মধ্যপ্রস্তৰ যুগৰ মানুহৰ জীৱনৰ প্রধান ঘটনাৰাজি কিছু প্রদর্শিত হৈছে। চিকাৰৰ লগতে খাদ্য সংগ্রহ, মাছ মৰা, সন্তান প্রসৱ আৰু মৃতকক সমাধিস্থ কৰা কামবোৰ মধ্যপ্রস্তৰ যুগৰ চিত্রকৰে আঁকি থৈ গৈছে। মধ্যপ্রস্তৰ যুগৰ চিত্রকলাৰ আন এক উল্লেখনীয় বৈশিষ্ট্য হ'ল বিভিন্ন ৰঙৰ ব্যৱহাৰ । এই চিত্রবোৰত বগা আৰু পাতল ৰঙৰ বহুল ব্যৱহাৰ লক্ষ্য কৰা গৈছে। পানী, জীৱ-জন্তুৰ চর্বি আৰু কণীৰ বগা অংশৰ লগত বিভিন্ন খনিজ পদার্থ মিহলি কৰি এই ৰংবোৰ প্রস্তুত কৰা হৈছিল। এই যুগত ম'ন'ক্রম (monochrome) আৰু প'লিক্রম (polychrome) দুয়োধৰণৰ চিত্র আঁকা হৈছিল।




অনুশীলনী ২.১

প্রাগ্-ঐতিহাসিক পাৰিপাৰ্শ্ব বিজ্ঞান সম্পর্কে এটি চমুটোকা লিখক।

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শুদ্ধ নে অশুদ্ধ লিখক -

(ক) প্রত্নপ্রস্তৰ যুগৰ মানুহবোৰ প্লাইষ্টোচীন কালৰ অংশ আছিল।

(খ) মধ্যপ্রস্তৰ যুগত ব্যৱহৃত সঁজুলিবোৰক 'মাইক্ৰ' লিথ্' বোলা হৈছিল।

(গ) প্রাগ্-ঐতিহাসিকযুগৰ চিত্র উদ্ধাৰ হোৱা ঠাই এডোখৰৰ নাম হ'ল ভীমবেট্কা।

(ঘ) মধ্যপ্রস্তৰ যুগত মৃৎশিল্পৰ চর্চা আছিল।

প্রশ্ন নং ২ঃ খালী ঠাই পূৰণ কৰক-

(ক) ..... যুগৰ মানুহে হাতকুঠাৰ, মিতদা, কটাৰী আদি ব্যৱহাৰ কৰিছিল।

(খ) আদমগড় আৰু মির্জাপুৰত..... যুগৰ চিত্র কিছু উদ্ধাৰ কৰা হৈছে।

(গ) মধ্য প্রত্নপ্রস্তৰ যুগৰ ভূতাত্বিক বয়সক..... যুগৰ অংশ বুলি ধৰা হয়।

(ঘ) ..... যুগত আদিম কৃষিকার্যৰ অনুশীলন আৰম্ভ হৈছিল।

২.৭ খাদ্য উৎপাদনৰ আৰম্ভণি

প্রাগ্-ঐতিহাসিক কালৰ তৃতীয় পর্যাটো হ'ল 'খাদ্য উৎপাদনকাৰী যুগ' (food producing age)। এই যুগটোক নৱপ্রস্তৰ অথবা নিঅ' লিথিক যুগ বুলিও কোৱা হয়। নৱপ্রস্তৰ যুগৰ ভূতাত্বিক সময়ছোৱাক হ'ল'চীন কাল (Holocene Period) বোলা হয়। ভাৰতীয় পটভূমিত প্রায় ৪,০০০ খষ্টপূর্বত নৱপ্রস্তৰ যুগৰ আৰম্ভণি হৈছিল।

নৱপ্রস্তৰ যুগৰ অৱশেষ উদ্ধাৰ হোৱা দুখনমান গুৰুত্বপূর্ণ স্থান হ'ল মেহৰগড় (বালুচিস্তান), কিল্লিগুল (পাকিস্তানৰ বালুচিস্তান প্রদেশ), ছিৰাণ্ড (বিহাৰ), ছোপানীমাণ্ডু (উত্তৰ প্রদেশ), ব্রহ্মগিৰি (কর্ণাটক) আৰু বিন্ধ্য পর্বতমালাৰ উত্তৰদিশ। দক্ষিণ ভাৰতৰ মাস্কি, হাল্লুৰ, কোডেকাল (কর্ণাটক) আৰু উট্নুৰত (অন্ধ্রপ্রদেশ) নৱপ্রস্তৰ যুগৰ অৱশেষ আৰিষ্কৃত হৈছে।



জানি থোৱা ভাল

হ'ল'চীন (Holocene) হ'ল এক ভূতাত্বিক যুগ। প্লাইষ্টেচীন কালৰ সামৰণিত এই যুগ আৰম্ভ হৈছিল। হ'ল'চীন শব্দটোৰ মূল হ'ল দুটা গ্রীক শব্দ 'holos' আৰু 'Kainos'। Holos মানে হ'ল 'সামগ্রিক', অথবা 'সম্পূর্ণ আৰু Kainos মানে হ'ল 'নতুন'। অর্থাৎ হ'ল'চীন শব্দৰ অর্থ হ'ল 'সম্পূর্ণ নতুন'।

নৱপ্রস্তৰ যুগত মানৱ সভ্যতাৰ যথেষ্টখিনি বিকাশ ঘটিছিল। এই যুগত বহুতো নতুন নতুন পৰিৱর্তনৰ সূচনা হৈছিল। নৱপ্রস্তৰ যুগৰ মানুহে চিকাৰ আৰু খাদ্য সংগ্রহৰ ওপৰত থকা নির্ভৰশীলতা লাহে লাহে কমাই আনিছিল। নৱপ্রস্তৰ যুগৰ সবাতোকৈ গুৰুত্বপূর্ণ অগ্রগতি আছিল খাদ্য উৎপাদনৰ আৰম্ভণি। খাদ্যৰ বাবে এই যুগৰ মানুহে খেতি কৰিবলৈ আৰম্ভ কৰিছিল। নৱপ্রস্তৰ

যুগত প্রধানকৈ বার্লি (যৱ) আৰু ঘেঁহুৰ খেতি কৰা হৈছিল। অৱশ্যে এই যুগৰ কৃষি পদ্ধতি সম্পর্কে বেছি জনা নাযায়। কৃষকে বৰষুণৰ পানী ব্যৱহাৰ কৰিছিল বুলি ভবাৰ থল আছে। এই যুগৰ মানুহে নিশ্চয় খেতি চপাবলৈ কাঠৰ হাতল থকা সৰু মাইক্রলিথেৰে সজা শিলৰ কাঁচি ব্যৱহাৰ কৰিছিল।

নৱপ্রস্তৰ যুগৰ মানুহে অপ্রব্রজনকাৰী জীৱন কটাইছিল। অর্থাৎ তেওঁলোকে ঘৰ সাজিবলৈ শিকিছিল আৰু গাঁও গঠন কৰিছিল। মেহৰগড়ৰ বাসিন্দাসকলে হাতেৰে নির্মিত বোকামাটিৰ ইটাৰে সজা ঘৰত বাস কৰিছিল। নৱপ্রস্তৰ যুগৰ মানুহে জীৱ-জন্তু ঘৰচীয়া কৰি লৈছিল। বিভিন্ন খনন স্থলৰ পৰা ছাগলী, ভেঁৰা আৰু গৰু-ম'হৰ হাড় উদ্ধাৰ কৰা হৈছে। এই যুগৰ উমৈহতীয়া পোহনীয়া জন্তু আছিল গৰু-ম'হ। নৱপ্রস্তৰ যুগৰ লোকৰ জীৱন ধাৰণ প্রণালীটোৰ সৈতে মিলি যোৱা খাদ্য উৎপাদন প্রক্রিয়াটোৰ এটা অংশ আছিল জীৱ জন্তু পোহনীয়া কৰা।

এই অগ্রগতিবোৰৰ উপৰি নৱপ্রস্তৰ যুগৰ আন বিকাশবোৰ হ'ল জুইৰ আৱিষ্কাৰ, মৃৎশিল্পজাত সামগ্রীৰ প্রয়োগ আৰু চকাৰ ব্যৱহাৰ। চাকত তৈয়াৰ কৰা বিভিন্ন কাৰুকার্য খচিত মাটিৰ সামগ্রীয়ে নৱপ্রস্তৰ যুগৰ মৃৎশিল্পৰ বিষয়ে জনাত আমাক সহায় কৰে।

নৱপ্রস্তৰ যুগতো শিল্পৰ সঁজুলি বহুলভাৱে ব্যৱহৃত হৈছিল। কিন্তু এনে সামগ্রীত ব্যৱহৃত শিলবোৰ খহটাৰ পৰিৱর্তে নিমজ আছিল। এই যুগত কাঁড়ৰ আগ, তৰোৱাল /চুৰি / কটাৰী আৰু কাঁচি সাজিবলৈ শিল ব্যৱহৃত হৈছিল। নৱপ্রস্তৰ যুগৰ শেষৰফালে আন এক গুৰুত্বপূর্ণ বিকাশ ঘটিছিল। মানুহে ধাতুৰ ব্যৱহাৰ শিকিছিল। নৱপ্রস্তৰ যুগৰ মানুহে পোন প্রথমে তামৰ ব্যৱহাৰ শিকিছিল। মেহৰগড় হ'ল তামৰ ব্যৱহাৰ সম্পর্কীয় প্রমাণ দাঙি ধৰা সবাতোকৈ গুৰুত্বপূর্ণ নৱপ্রস্তৰ যুগৰ অৱশেষ উদ্ধাৰ হোৱা খনন স্থল। বিভিন্ন সা-সঁজুলিৰ বিকাশ, খাদ্য উৎপাদনৰ আৰম্ভণি, মাটিৰ সামগ্রী নির্মাণ আদিয়ে আগতকৈ আধিক স্থায়ী বসতিস্থলৰ সৃষ্টি কৰিছিল। ভাৰতীয় উপমহাদেশৰ বিভিন্ন অংশত সৰু সৰু গাঁও গঢ় লৈ উঠিছিল।

২.৮ প্রাৰম্ভিক গ্রাম বসতি

ভাৰতীয় উপমহাদেশৰ উত্তৰ-পশ্চিম অংশত যথেষ্ট সংখ্যক গ্রাম বসতি গঢ় লৈ উঠাৰ কথা গম পোৱা গৈছে। এই বসতিবোৰ স্থাপন হোৱাৰ সঠিক সময় জনাটো সম্ভৱ নহয়। কিন্তু ৭০০০-৩০০০ খৃষ্টপূর্বত বালুচিস্তান আৰু বিন্ধ্য পর্বতমালাৰ বিভিন্ন অঞ্চলত খাদ্য উৎপাদনকাৰী গাওঁৰ সৃষ্টি হৈছিল। ইয়াৰে ভিতৰত সবাতোকৈ গুৰুত্বপূর্ণ অঞ্চলটো আছিল ব'লান উপত্যকাৰ (বালুচিস্তান) মেহৰগড়। ইয়াত যৎসামান্য তামৰ সামগ্রী উদ্ধাৰ হোৱা সত্বেও অঞ্চলটোক নৱপ্রস্তৰ যুগৰ বিকাশ হোৱা বুলি ধৰা হয়। মেহৰগড়ৰ বাসিন্দাসকলে হাতেৰে সজা ইটাৰে গঠা স্থায়ী গৃহত বাস কৰিছিল। তেওঁলোকে ঘেঁহু আৰু বার্লিৰ (যৱ) দৰে শস্যৰ খেতি কৰিছিল। মেহৰগড় অঞ্চলত উদ্ধাৰ হোৱা চাকত তৈয়াৰী মাটিৰ শোভাবর্ধক সামগ্রী হ'ল আন এবিদ গুৰুত্বপূর্ণ আৱিষ্কাৰ। ষ্টিয়েটাইট (এবিধ কোমল শিল) মণিৰে তৈয়াৰী আ-অলংকাৰ বোৰৰ পৰা এই কথা অনুমান কৰা গৈছে যে অঞ্চলটোৰ আন এক গুৰুত্বপূর্ণ চাৰুশিল্প আছিল মণি তৈয়াৰ কৰা।

কিলে গুল মোহম্মদ আছিল আন এক গ্রাম বসতিৰ নাম। এই গাঁওখনৰ বাসিন্দায়ো মাটিৰ ঘৰত বাস কৰিছিল। তেওঁলোকে জ্যামিতিক বিন্যাস আঁকা চাকত দিয়া শোভাবর্ধকে মাটিৰ সামগ্রী তৈয়াৰ কৰিছিল। ভাৰতীয় উপমহাদেশৰ উত্তৰ-পশ্চিম অংশৰ অন্য গ্রাম বসতি কেইটামান হ'ল মুণ্ডিগত (আফগানিস্তান), ঝাব-ল'ৰাই (বালুচিস্তান) আৰু ৰাণাঘুন্দাই (বালুচিস্তান)।

উত্তৰ প্রদেশৰ দক্ষিণ দিশৰ বিন্ধ্য পর্বতমালা অঞ্চলটোও প্রাৰম্ভিক গ্রাম বসতিৰ কেন্দ্র আছিল। এনে দুটা উল্লেখযোগ্য বসতি হ'ল কোলদিহ্ৱা আৰু মহাগাৰা (এলাহাবাদ জিলা)। এই অঞ্চলৰ বাসিন্দায়ো খেতি-বাতি কৰিছিল। স্থায়ী গ্রাম বসতিবোৰৰ দুটামান উল্লেখযোগ্য দিশ হ'ল মাটিৰ সামগ্রী নির্মাণ, জীৱ জন্তু পোহনীয়া কৰা আৰু নদীৰ পাৰত বসতি স্থাপন কৰা। কোলদিহ্ৱা আৰু মহাগাৰাত এই আটাইবোৰ বৈশিষ্ট্য দেখা পোৱা যায়।

চংগানাকল্লু (কর্ণাটক) হ'ল নৱপ্রস্তৰ যুগৰ আন এক প্রাৰম্ভিক গ্রাম বসতি গঢ় লোৱা অঞ্চল। ইয়াক দক্ষিণ ভাৰতৰ সর্ববৃহৎ আৰু প্রথম গ্রাম বসতিবোৰৰ এখন বুলি কোৱা হয়। চংগানাকল্লুৰ বাসিন্দাসকলেও খেতি কৰিছিল। তেওঁলোকে সৰু প্রজাতিৰ মিলেট (কণীধান) আৰু দাইলৰ (pulse) খেতি কৰিছিল। তেওঁলোকে ভেড়াঁ আৰু গৰুৰ দৰে জীৱ-জন্তু পোহনীয়া কৰিছিল। এই সময়ছোৱাৰ মানুহে হাত কুঠাৰ, তৰোৱাল চুৰি কটাৰী , কাঁচি আদি শিলেৰে নির্মিত সঁজুলি ব্যৱহাৰ কৰিছিল। জলবায়ু উন্নত হোৱাৰ ফলত মানুহে আধুনিক প্রস্তৰ সঁজুলি বিকশাই তুলিব পাৰিছিল আৰু স্থায়ী জীৱনৰ সূচনা কৰাৰ সুযোগ পাইছিল।

২.৯ তাম্রযুগৰ সম্প্রদায়বোৰ

নৱপ্রস্তৰ যুগৰ পাচতেই তাম্রযুগৰ (তাম-প্রস্তৰ) সূচনা হৈছিল। তাম্রযুগৰ সবাতোকৈ গুৰুত্বপূর্ণ দিশ আছিল তাম আৰু ব্রোঞ্জৰ দৰে ধাতুৰ ব্যৱহাৰ । কিন্তু এই সময়ছোৱাতো শিলৰ সঁজুলিৰ ব্যৱহাৰ চলি আছিল। তাম্রযুগত ধাতুৰ ব্যৱহাৰ হৈছিল বাবে ইয়াক 'ব্রেঞ্জ যুগ'ৰ এক অংশ বুলিও ধৰা হয়। এই সময়ছোৱাত কেইবিধমান মাইক্র'লিথিক শিলৰ সঁজুলিৰ ব্যৱহাৰ অব্যাহত আছিল। ভাৰতীয় উপমহাদেশৰ বিভিন্ন অংশত তাম্রযুগৰ সম্প্রদায় থকাৰ তথ্য আৱিষ্কৃত হৈছে। ব্রোঞ্জ আৰু তামৰ সংকৰ ধাতু ব্যৱহাৰ কৰা হৰপ্পা সভ্যতাক তাম্রযুগৰ সভ্যতা বুলি ধৰা হয়। সিন্ধু উপত্যকা সভ্যতা আছিল প্রধানতঃ এক নগৰীয়া সভ্যতা। অন্য তাম্র যুগৰ সভ্যতাৰ তুলনাত ই আছিল এটা উন্নত সভ্যতা। কেন্দ্রীয় ভাৰত, পূৱ ভাৰত আৰু দক্ষিণ ভাৰতৰ তাম্র সংস্কৃতিতকৈ সিন্ধু উপত্যকা সভ্যতা পৃথক আছিল। ভাৰতীয় সংস্কৃতিবোৰ আছিল মূলতঃ কৃষিভিত্তিক সম্প্রদায়ে গঢ়ি তোলা সংস্কৃতি। প্রায় ২০০০ -৯০০ খৃষ্টপূর্বত এই সংস্কৃতিবোৰ বর্তি আছিল।

তাম্রযুগৰ সম্প্রদায় থকাৰ তথ্য উদ্ধাৰ হোৱা স্থান কেইখনমান হ'ল কায়থ (উজ্জয়ন, মধ্য প্রদেশ), আহাৰ অথবা বানাচ (ৰাজস্থান), মালৱা, নাগড়া, নাভদাটোলি, মহেশ্বৰ, এৰান, মান্দচোৰ (মধ্য প্রদেশ), নেভাচা, দাইমাবাদ, ইনামগাঁও (মহাৰাষ্ট্র) আৰু জোৱৱে (নাচিক)।


তাম্রযুগৰ সম্প্রদায়ৰ অস্তিত্ব থকা আন দুটামান অঞ্চল হ'ল ছিৰাণ্ড, পাণ্ডু ৰাজাৰ ধিবি (এলাহাবাদ) আৰু মহিষাদল (বংগ)। তামৰ উপৰি এই যুগৰ মানুহে শিলৰ কটাৰী আৰু চুৰিৰ দৰে প্রস্তৰ সঁজুলি ব্যৱহাৰ কৰিছিল। আহাৰ আৰু গিলুণ্ড (ৰাজস্থান) যথেষ্ট সংখ্যক তামৰ সামগ্রী উদ্ধাৰ হৈছে।

তাম্রযুগৰ বৈশিষ্ট্য আছিল চাকত সজা মাটিৰ সামগ্রী। হাতেৰে সজা মাটিৰ সামগ্রীও অৱশ্যে উদ্ধাৰ কৰা হৈছে। তাম্রযুগৰ মানুহে ৰঙা আৰু কমলা ৰঙৰ নিমজ এঢলীয়া পথ (fine slip) সাজিব পাৰিছিল। তেওঁলোকে ক'লা আৰু ৰঙা ৰঙৰ মাটিৰ বাচনো সাজিছিল। সামগ্রীবোৰত ক'লা ৰঙেৰে বিভিন্ন নক্সা আঁকা হৈছিল। নক্সা হিচাপে ফুল, চৰাই আৰু জন্তুৰ ছবিয়ে অগ্রাধিকাৰ পাইছিল। তাম্রযুগৰ মানুহেও জীৱ-জন্তু ঘৰচীয়া কৰি লৈ পুহিছিল আৰু খেতি-বাতি কৰিছিল। তেওঁলোকে গৰু-ম'হ, ভেঁড়া, ছাগলী আদি পুহিছিল। প্রধান খেতি আছিল বার্লি, ঘেঁহু আৰু ধান। ইনামগাঁৱত ধানৰ বীজ উদ্ধাৰ হৈছে। কিন্তু তাম্রযুগৰ সামগ্রী উদ্ধাৰ হোৱা কোনো স্থানতে নাঙল-কোৰ আদি উদ্ধাৰ হোৱা নাই। মানুহে সাধাৰণতে মাটিৰ ইটাৰে সজা ঘৰত বাস কৰিছিল। কেৱল আহাৰ সকলেহে শিলৰ ঘৰত বাস কৰিছিল।

তাম্রযুগৰ মানুহে তামৰ বিভিন্ন সঁজুলি আৰু খাৰুৰ দৰে অলংকাৰ তৈয়াৰ কৰিছিল। কার্নেলিয়ান আৰু ষ্টিয়েটাইট আদিৰ দৰে অর্ধ-মহাৰত্ন (semi-precious) ব্যৱহাৰ কৰি মণি তৈয়াৰ কৰিছিল। মালৱাৰ পৰা যতঁৰ সদৃশ সামগ্রীও উদ্ধাৰ কৰা হৈছে। কপাহী সূতাও উদ্ধাৰ হোৱালৈ চাই সেইকালৰ মানুহে কাপোৰ বব জানিছিল বুলি অনুমান কৰিব পাৰি। মাটিৰ সামগ্রী নির্মাণ আৰু কৃষিকার্যৰ কৌশলত কিছুমান আঞ্চলিক পার্থক্য দেখা গৈছে। ইনামগাঁও আৰু নেভাচাত পোৰামাটিৰ নাৰীমূর্তি পোৱা গৈছে। কায়থ সংস্কৃতিত ষাঁড় গৰু পূজাৰ প্রমাণ পোৱা গৈছে। ইয়াৰ দ্বাৰা অনুমান কৰিব পাৰি যে আদিমাতৃৰ (Mother Goddess) পূজা সেই সময়তো অব্যাহত আছিল। তাম্রযুগত মৃতদেহ সমাধিস্থ কৰা হৈছিল। বাসগৃহ নির্মাণৰ শৈলী আৰু মৃতদেহ সমাধিস্থ কৰাৰ পদ্ধতিৰ পৰা সেই যুগৰ সমাজত থকা কিছুমান সামাজিক স্তৰীকৰণৰো আভাস পোৱা যায়।

তাম্রযুগৰ অৱশেষ উদ্ধাৰ হোৱা কিছুমান অঞ্চল হৰপ্পা সভ্যতাতকৈও আগতে বিকশিত হোৱা, আন কিছুমান সমসাময়িক অথবা পৰৱর্তী সময়ৰ। কালিবাংগান (ৰাজস্থান), বনৱালী (হাৰিয়ানা) আৰু কোট দিজি (সিন্ধ) তাম্রযুগীয় বসতিবোৰ হৰপ্পা সভ্যতাৰো আগৰ। কায়থ সংস্কৃতিত (মধ্য প্রদেশ / ২০০০-১৮০০ খৃষ্টপূর্ব) প্রাক্-হৰপ্পা সভ্যতাৰ কিছু উপাদান ধৰা পৰিছে। আন বহুতো ক্ষেত্রত অৱশ্যে হৰপ্পা সভ্যতাৰ প্রভাৱ এই সংস্কৃতিত স্পষ্ট।

নাভদাটোলিৰ মালৱা সংস্কৃতি (১৭০০-১২০০ খৃষ্টপূর্ব) আৰু মহাৰাষ্ট্রৰ জোৰৱে সংস্কৃতিক (১৪০০-৭০০ খৃষ্টপূর্ব) অনা-হৰপ্পান তাম্রযুগীয় সংস্কৃতি বুলি কোৱা হয়। দক্ষিণ ভাৰতৰ বহুতো তাম্রযুগীয় সংস্কৃতিয়ে লোৰ ব্যৱহাৰ আৰম্ভ কৰাৰ ফলত সেই সংস্কৃতিবোৰৰ লৌহ সংস্কৃতিলৈ ৰূপান্তৰ ঘটিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ শুদ্ধ নে অশুদ্ধ লিখক -

(ক) খাদ্য উৎপাদনকাৰী যুগৰ প্রধান শস্য আছিল বার্লি আৰু ঘেহু।

(খ) মেহৰগড়ৰ বাসিন্দাই হাতেৰে সজা মাটিৰ ইটাৰে গঠা ঘৰত বাস কৰিছিল।

(গ) আহাৰ সংস্কৃতিৰ লোকে মাটিৰ ঘৰত বাস কৰিছিল।

(ঘ) তাম্রযুগৰ সম্প্রদায়বোৰে নাঙল-কোৰ ব্যৱহাৰ কৰাৰ প্রমাণ পোৱা গৈছে।

প্রশ্ন নং ৪ঃ খালী ঠাই পূৰণ কৰক-

(ক) নৱপ্রস্তৰ যুগৰ মানুহে খেতি চপাবলৈ ..... ব্যৱহাৰ কৰিছিল।

(খ) প্রাৰম্ভিক গ্রাম বসতি স্থাপন কৰা মানুহবোৰে ..... ৰে তৈয়াৰী অলংকাৰ পিন্ধিছিল।

(গ) তাম্রযুগৰ মানুহে ..... মাটিৰ সামগ্রী তৈয়াৰ কৰিছিল।

(ঘ) ..... সংস্কৃতিত ষাঁড়গৰুৰ পূজা প্রচলিত আছিল।



২.১০ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- প্রাগৈতিহাসিক কালৰ (২,০০,০০০ বর্ষ আগৰ পৰা ২,০০০ খৃষ্টপূর্বলৈ) সামৰণিত মানৰ জাতিৰ ইতিহাসে লিখিত ৰূপ পালে । প্রাগ্-ঐতিহাসিক কালক তিনিটা ভাগত ভগোৱা হৈছে- প্রত্নপ্রস্তৰ যুগ (২,০০,০০০ খৃষ্টপূর্ব -৯,০০০ খৃষ্টপূর্ব) মধ্যপ্রস্তৰ যুগ (৯০০০ খৃষ্টপূর্ব -৪,০০০ খৃষ্টপূর্ব) আৰু নৱপ্রস্তৰ যুগ (৪০০০ খৃষ্টপূর্ব -২,০০০ খৃষ্টপূর্ব)।
- প্রত্নপ্রস্তৰ যুগৰ পাৰিপার্শ্ব অতি শীতল আছিল। সেই সময়ত পৃথিৱীখন বৰফেৰে ঢাক খাই আছিল। প্রত্নপ্রস্তৰ যুগৰ মানুহ অঘৰী আছিল। তেওঁলোকৰ কৃষি সম্পর্কীয় কোনো জ্ঞান নাছিল। সেই যুগৰ মানুহে চিকাৰ কৰিবলৈ খহটা শিলেৰে নির্মিত সঁজুলি ব্যৱহাৰ কৰিছিল। অৱশ্যে প্রত্নপ্রস্তৰ যুগৰ মানুহে ছবি আঁকিব পাৰিছিল।
- মধ্যপ্রস্তৰ যুগৰ আৰম্ভণিতে মানুহ অঘৰী আছিল। কিন্তু এই যুগৰ শেষৰফালে মানুহে জীৱ-জন্তু পোহ মনাবলৈ শিকিছিল। এই যুগৰ বতৰ প্রত্নপ্রস্তৰ যুগতকৈ গৰম আছিল। মধ্যপ্রস্তৰ যুগৰ মানুহে অলপ-অচৰপকৈ আদিম পদ্ধতিৰ কৃষিকার্যও আৰম্ভ কৰিছিল। এই যুগত শিলৰ পাতল টুকুৰাৰে নির্মিত তৰোৱাল /চুৰি / কটাৰীৰ দৰে ধাৰাল সঁজুলি ব্যৱহৃত হৈছিল। মধ্যপ্রস্তৰ যুগৰ মানুহে ছবিৰ জৰিয়তে তেওঁলোকৰ জীৱনৰ গুৰুত্বপূর্ণ ঘটনাৱলী প্রদর্শিত কৰিছিল।

- নৱপ্রস্তৰ যুগৰ আৰম্ভণি হোৱাৰ লগে লগে খাদ্য উৎপাদন প্রক্রিয়া আৰম্ভ হৈছিল। নৱপ্রস্তৰ যুগত মানুহে ঘৰ সাজি বাস কৰিছিল। তেওঁলোকে খেতি কৰিছিল আৰু জীৱ-জন্তু পুহিছিল। চকা, মাটিৰে নির্মিত সামগ্রী আৰু জুইৰ ব্যৱহাৰ কৰাৰ কথা গম পোৱা যায়। নৱপ্রস্তৰ যুগৰ সামৰণিৰ ফালে মানুহে ধাতুৰ ব্যৱহাৰ শিকিছিল। তেওঁলোকে ব্যৱহাৰ কৰা শিলৰ সঁজুলিবোৰ আগতকৈ অধিক মসৃন হৈ পৰিছিল। পাৰিপার্শ্বিকতাজনিত পৰিৱর্তনে নৱপ্রস্তৰ যুগৰ মানুহক খেতিৰ অনুশীলন কৰাত সহায় কৰিছিল।
- খাদ্য উৎপাদনে মানুহক স্থায়ীভাৱে বসতি কৰাত সহায় কৰিছিল। মানুহে গাওঁ পাতিবলৈ আৰম্ভ কৰিছিল। বিভিন্ন নক্সাখচিত মাটিৰ সামগ্রী নির্মাণ, জীৱ-জন্তু ঘৰচীয়াকৰণ আৰু খেতি আছিল ভাৰতীয় উপমহাদেশৰ প্রাৰম্ভিক গ্রাম বসতিৰ দুটামান গুৰুত্বপূর্ণ দিশ।
- নৱপ্রস্তৰ যুগৰ পাচতেই তাম্রযুগ আৰম্ভ হৈছিল। এই যুগৰ মানুহে তামেৰে নির্মিত সঁজুলি ব্যৱহাৰ কৰিছিল। তেওঁলোকে ক'লা আৰু ৰঙা মাটিৰ বাচন তৈয়াৰ কৰিছিল। তাম্রযুগৰ মানুহে কপাহী কাপোৰো ব্যৱহাৰ কৰিছিল।



২.১১ অধিক জানিবলৈ

1) Kosambi, D.D. (2001): *The cultural and Civilization of Ancient India in Historical Outline*, Vikas Publishing House.

2) Thapar, Romila(2003): *The Penguin History of Early India, from the origins to AD 1300* , Penguin Books India.

3) Singh, Upinder (2009): *A History of Ancient and Early Medieval India, from the Stone Age to the 12th Century*, Pearson.



২.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

২ নং প্রশ্নৰ উত্তৰঃ (ক) প্রত্নপ্রস্তৰ (খ) মধ্যপ্রস্তৰ (গ) মধ্য প্লাইষ্টোচীন কাল (ঘ) মধ্য প্রস্তৰ

৩ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ(খ) শুদ্ধ (গ) অশুদ্ধ (ঘ) অশুদ্ধ

৪ নং প্রশ্নৰ উত্তৰঃ (ক) কাঁচি (খ) ষ্টিয়েটাইট মণি (গ) ৰঙা আৰু কমলা ৰঙৰ (ঘ) কায়থ



২.১৩ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ঃ পাৰিপাৰ্শ্ব বিজ্ঞানৰ এটি সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ঃ প্ৰত্নপ্ৰস্তৰ যুগৰ মানুহৰ জীৱন নিৰ্বাহৰ পদ্ধতিবোৰ কি কি আছিল?

প্ৰশ্ন ৩ঃ 'মাইক্ৰ'লিথ মানে কি?

প্ৰশ্ন ৪ঃ তাম্ৰযুগৰ মানুহে কেনেধৰণৰ সঁজুলি ব্যৱহাৰ কৰিছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ প্ৰাগৈতিহাসিককালত হোৱা পাৰিপাৰ্শ্বিকতাজনিত পৰিৱৰ্তনবোৰ আলোচনা কৰক।

প্ৰশ্ন ২ঃ প্ৰত্নপ্ৰস্তৰ যুগৰ ভাগ তিনিটাৰ তুলনা কৰক আৰু বৈসাদৃশ্য নিৰ্ণয় কৰক।

প্ৰশ্ন ৩ঃ প্ৰাৰম্ভিক গ্ৰাম বসতি সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ৪ঃ তাম্ৰযুগৰ মানুহৰ কৃষিকেন্দ্ৰিক জীৱন কেনেকুৱা আছিল বৰ্ণনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ২ঃ মধ্যপ্ৰস্তৰ যুগৰ মানুহৰ জীৱন আৰু ব্যৱহৃত সঁজুলিবোৰৰ বিষয়ে আলোচনা কৰক। মধ্যপ্ৰস্তৰ যুগৰ অৱশেষ উদ্ধাৰ হোৱা স্থানবোৰৰ নাম লিখক।

প্ৰশ্ন ২ঃ প্ৰাগৈতিহাসিক কালৰ প্ৰাৰম্ভিক সময় ছোৱাতকৈ খাদ্য উৎপাদনকাৰী কালছোৱা কিহত বেলেগ?

প্ৰশ্ন ৩ঃ প্ৰাৰম্ভিক গ্ৰাম বসতি সম্পৰ্কে এটি চমুটোকা লিখক।

প্ৰশ্ন ৪ঃ প্ৰাগৈতিহাসিক কালৰ প্ৰাৰম্ভিক সময়ছোৱা আৰু তাম্ৰযুগৰ মাজত কি কি প্ৰভেদ আছে?

*** ***** ***

অধ্যায় ৩ ঃ হৰপ্পা সভ্যতা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ উৎপত্তি আৰু প্ৰাৰম্ভিক বসতি
৩.৩.১ নগৰ আৰু ইয়াৰ বাসিন্দা
৩.৩.২ অৰ্থনৈতিক জীৱন
৩.৪ ধৰ্মীয় অনুশীলন
৩.৫ নগৰীয়া জীৱনৰ পতন
৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৭ অধিক জানিবলৈ
৩.৮ অগ্ৰগতিৰ খতিয়ান
৩.৯ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- হৰপ্পা সভ্যতাৰ উৎপত্তি আলোচনা কৰিব পাৰিব,
- হৰপ্পা সভ্যতাৰ যুগৰ মানুহৰ নগৰীয়া জীৱনৰ বিষয়ে বুজিব পাৰিব,
- হৰপ্পা সভ্যতাৰ যুগৰ মানুহৰ ধৰ্মীয় অনুশীলনবোৰ বিশ্লেষণ কৰিব পাৰিব,
- হৰপ্পা সভ্যতাৰ পতনৰ আঁৰৰ কাৰণবোৰ আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

১৯২২-২৩ চনত প্ৰত্নতত্ত্ববিদ ৰাখালদাস বেনাৰ্জী, দয়াৰাম চাহনি আৰু ছাৰ জন মাৰ্শ্বালে চলোৱা খনন কাৰ্যৰ সময়ত হৰপ্পা আৰু মহেঞ্জোদাৰো নামৰ নগৰত গঢ় লৈ উঠা এক প্ৰাচীন সভ্যতাৰ ধ্বংসাৱশেষ আৱিষ্কাৰ কৰিছিল। বৰ্তমানৰ পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ মোটেগোমাৰি জিলাত হৰপ্পা আৰু সিন্ধ প্ৰদেশৰ লা�ৰকানা জিলাত মহেঞ্জোদাৰো নগৰখন অৱস্থিত আছিল। এই অঞ্চল দুটাৰ লগতে দাঁতি কাষৰীয়া আন বহুতো অঞ্চলত আৱিষ্কৃত হোৱা ধ্বংসাৱশেষবোৰে ইয়াকে প্ৰমাণ কৰে যে কেইবা হাজাৰ বছৰ আগতে সমগ্ৰ অঞ্চলটোতে এটা অতি উন্নত সভ্যতা গঢ় লৈ উঠিছিল। এই সভ্যতা নিশ্চিতভাৱে বৈদিক সভ্যতাতকৈ প্ৰাচীন। খনন কাৰ্যৰ দ্বাৰা উদ্ধাৰ কৰা বেছিভাগ নগৰেই সিন্ধু নদীৰ পাৰত অৱস্থিত আছিল। সেয়েহে এই সভ্যতাটোক সিন্ধু উপত্যকাৰ সভ্যতা বুলিও কোৱা হয়। যিহেতু হৰপ্পা নগৰৰ ভগ্নাৱশেষ পোন

প্ৰথমে আৱিষ্কৃত হৈছিল সেয়েহে কিছুমান পণ্ডিতে ইয়াক হৰপ্পা সভ্যতাও বোলে। এই অধ্যায়টিত হৰপ্পা সভ্যতাৰ বিষয়ে বহলাই আলোচনা কৰা হ'ব।

৩.৩ উৎপত্তি আৰু প্ৰাৰম্ভিক বসতি

অতি দুৰ্ভাগ্যৰ কথা এয়ে যে সিন্ধু উপত্যকাৰ সভ্যতাৰ কোনো লিখিত তথ্য পাবলৈ নাই। খনন কাৰ্যত বিভিন্ন স্থানত উদ্ধাৰ হোৱা সিন্ধু চীল-মোহৰবোৰত অংকিত চিত্ৰভাষাৰ (pictorial language) সংকেত ভঙাত পণ্ডিতসকল ব্যৰ্থ হৈছে। ইয়াৰ ফলত হৰপ্পাৰ বাসিন্দা আৰু তেওঁলোকৰ জীৱনশৈলী সম্পৰ্কে জ্ঞান আহৰণ কৰিবলৈ আমি কেৱল গৃহ নিৰ্মাণ শৈলীৰ ওপৰতে নিৰ্ভৰশীল হ'বলগীয়া হৈছে। হৰপ্পা, মহেঞ্জোদাৰো আৰু আন এলেকাবোৰত চলোৱা খনন কাৰ্যত উদ্ধাৰ হোৱা বিভিন্ন সামগ্ৰীৰ সাৱধানে কৰা পৰীক্ষাই হ'ল এই প্ৰাচীন সভ্যতাটোৰ বিষয়ে আমি আহৰণ কৰা জ্ঞানৰ প্ৰধান উৎস। এই জড় সামগ্ৰীবোৰেই কিন্তু আমাক এটা উন্নত প্ৰাচীন সভ্যতাৰ যুগত বাস কৰা লোকৰ বিভিন্ন তথ্য দিছে।

ইতিহাসে ঢুকি নোপোৱা যুগৰ হৰপ্পা সভ্যতাৰ সময়পঞ্জী নিৰ্ধাৰণ কৰাটো এটা অতি দুৰূহ কাম। ভাৰতৰ বাহিৰৰ বিভিন্ন সমসাময়িক অঞ্চলত হৰপ্পাৰ চীল-মোহৰ আৱিষ্কাৰ হোৱা, বিভিন্ন অঞ্চলৰ পৰা সংগ্ৰহ কৰা C-14 সাৰণিক বিন্যাসত (determinations) থকা তাৰতম্য, উৎপত্তি আৰু পূব তথা দক্ষিণ অঞ্চলৰ কেন্দ্ৰীয় তথা-দাঁতিকাষৰীয়া এলেকাবোৰত হোৱা সভ্যতাটোৰ বিকাশ কালৰ মাজত থকা সময়ৰ ব্যৱধান, ভাৰতলৈ আৰ্যসকলৰ আগমনৰ পৰম্পৰাগত তথ্য আদি বিভিন্ন কাৰকে এই সময়পঞ্জী নিৰ্ধাৰণত অসুবিধাৰ সৃষ্টি কৰি আহিছে। সেয়েহে বিভিন্ন পণ্ডিতে নিজ নিজ গৱেষণাৰ আধাৰত হৰপ্পা সভ্যতাৰ উৎপত্তি সম্পৰ্কে ভিন ভিন সময় উল্লেখ কৰিছে। ছাৰ জন মাৰ্শালৰ মতে হৰপ্পা সভ্যতাৰ খৃষ্টপূৰ্ব ৩২৫০ বছৰৰ পৰা খৃষ্টপূৰ্ব ২৭৫০ বছৰৰ ভিতৰত বিকাশ ঘটিছিল। আনহাতে ছাৰ এম. হুইলাৰৰ মতে খৃষ্টপূৰ্ব ২৫০০ বছৰৰ পৰা খৃষ্টপূৰ্ব ২৫০০ বছৰৰ ভিতৰত হৰপ্পা সভ্যতা বিকশিত হৈছিল।

ৰেডিঅ'-কাৰ্বন ডেটিং (Radio-Carbon dating) পদ্ধতিৰ উদ্ভাৱন হ'ল প্ৰত্নতাত্ত্বিক আৱিষ্কাৰৰ বাবে বৰদানস্বৰূপ। এই পদ্ধতিৰে বিভিন্ন হৰপ্পা অঞ্চলত উদ্ধাৰ হোৱা বিভিন্ন সামগ্ৰীৰ সময় জুখি উলিওৱা হৈছে। বিভিন্ন অঞ্চলৰ C-14 নমুনা পৰীক্ষা কৰি ড° ডি.পি. আগ্ৰৱালে এই সভ্যতাৰ মুঠ বিকাশ কাল খৃষ্টপূৰ্ব ২৩০০-১৭৫০ বৰ্ষ বুলি মত প্ৰকাশ কৰিছে। হৰপ্পা সভ্যতাৰ পতনৰ কাৰণ ইয়াতকৈ অধিক অস্পষ্ট। অনুমানৰ ভিত্তিত কোৱা হয় যে পৰিপক্ক হৰপ্পা সংস্কৃতি খৃষ্টপূৰ্ব ১৭৫০ মানত ধ্বংস হৈছিল। হৰপ্পা সংস্কৃতিৰ পতন ঘটাৰ পাচত চান্দুদাৰো আৰু অন্য অঞ্চলৰ বিকাশ হৈছিল। এনে বিকাশক হৰপ্পা সভ্যতাৰ শেষৰ ফালে হোৱা অথবা উত্তৰ-হৰপ্পা বিকাশ বুলি কোৱা হয়। অৰ্থাৎ পৰিপক্ক হৰপ্পা সভ্যতা পাঁচশ বছৰতকৈ অধিক কাল বৰ্তি থকা নাছিল।



চিত্ৰ ৩.১ সিন্ধু উপত্যকা সভ্যতাৰ মোহৰ

উৎস ঃ Google Images



জানি থোৱা ভাল

পৰৱৰ্তীসময়ত হৰপ্পা আৰু মহেঞ্জোদাৰোৰ লগতে আন বহুতো স্থানত সিন্ধু উপত্যকাৰ সভ্যতাৰ অৱশেষ উদ্ধাৰ হৈছে। এইবোৰৰ ভিতৰত উল্লেখযোগ্য স্থান কেইখনমান হ'ল লোথাল (গুজৰাট), চান্হুদাৰো (সিন্ধ), কালিবাংগান (ৰাজস্থান), ৰূপাৰ (হাৰিয়ানা)। এই স্থানবোৰত উদ্ধাৰ হোৱা প্ৰত্নতাত্বিক অৱশেষবোৰে সিন্ধু উপত্যকাৰ সভ্যতাৰ ঐতিহাসিক চৰিত্ৰ অধ্যয়নত আমাক সহায় কৰে।

৩.৩.১ নগৰ আৰু ইয়াৰ বাসিন্দা

সিন্ধু উপত্যকাৰ সভ্যতাৰ আকৰ্ষণীয় অৱশেষে ইয়াকে ইংগিত দিয়ে যে ই আছিল এক নগৰীয়া সভ্যতা। আন অৰ্থত, নগৰ-চহৰক কেন্দ্ৰ কৰি এই সভ্যতা ঠন ধৰি উঠিছিল। ভগ্নাৱশেষবোৰৰ পৰা উল্লেখযোগ্য নগৰ পৰিকল্পনা আৰু উৎকৃষ্ট নলা-নৰ্দমা ব্যৱস্থাৰ নিদৰ্শন পোৱা গৈছে। তলত এই সভ্যতাৰ ভগ্নাৱশেষৰ পৰা লাভ কৰা কেইটামান আকৰ্ষণীয় বৈশিষ্ট্য উল্লেখ কৰা হ'ল।

বাসগৃহবোৰ সংখ্যাত যথেষ্ট আৰু আকাৰত ভিন ভিন আছিল। ঘৰবোৰ সুন্দৰভাৱে পোৱা ইটাৰে নিৰ্মিত আছিল। প্ৰায় প্ৰতিটো ঘৰতে একোটা কুঁৱা, একোটা পাকঘৰ, একোটা স্নানাগাৰ আৰু নৰ্দমা ব্যৱস্থা আছিল। ব্যক্তিগত নৰ্দমাবোৰ ঘাইপথত থকা নৰ্দমাৰ সৈতে সংলগ্ন আছিল। নগৰবোৰৰ পথবোৰ আছিল পোন। পথবোৰ ঠাইভেদে ৯ ৰ পৰা ৩৪ ফুটলৈকে বহল আছিল। মূল পথবোৰৰ সৈতে সৰু আলি আৰু উপ-পথবোৰ জোৰা লাগিছিল। সিন্ধু উপত্যকাৰ প্ৰাচীন নগৰীয়া জীৱনৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আছিল পথৰ দাঁতিত জ্বলা চাকি (Street lights) । এই আটাইবোৰ সা-সুবিধাৰ পৰা সহজেই অনুমান কৰিব পাৰি যে হৰপ্পাৰ নগৰবোৰৰ পৰিকল্পনা বৰ্তমানৰ আধুনিক নগৰ পৰিকল্পনাৰ দৰেই উন্নতমানৰ আছিল।

ভগ্নাৱশেষবোৰৰ ভিতৰত সবাতোকৈ বৃহৎ প্ৰত্নতাত্বিক আৱিষ্কাৰটো হ'ল মহেঞ্জোদাৰোৰ বিশাল স্নানাগাৰ (Great Bath)। ই আছিল এটা ৰাজহুৱা গা-ধোৱা

ঘৰ। ঘৰটো দীঘলে ১৮০ ফুট আৰু পথালিয়ে ১০৮ ফুট আছিল। সাঁতোৰা পুখুৰীটো (bathing pool) আছিল ৩৯ ফুট দীঘল, ২৩ ফুট বহল আৰু ৮ ফুট দ'। সাঁতোৰা পুখুৰীটোৰ চাৰিওদিশে বিভিন্ন গেলাৰী আৰু কক্ষ আছিল। আশ্চর্যকৰ কথা এয়ে যে এটা আধুনিক চুইমিং পুলৰ দৰে হৰপ্পাৰ ৰাজহুৱা সাঁতোৰা পুখুৰীটোৰ পুৰণি পানী উলিয়াই দি নতুন পানী ভৰাব পৰা ব্যৱস্থা আছিল। স্নানাগাৰত গৰম পানীৰে গা ধুব পৰা ব্যৱস্থাও আছিল।



চিত্র ৩.২ বিশাল স্নানাগাৰ

উৎস ঃ Google Images

বিশাল স্নানাগাৰৰ উপৰি হৰপ্পা খননত এলানি দীঘলীয়া ৰাজহুৱা ভৱন আৱিষ্কৃত হৈছে। এই ভৱনলানি সম্ভৱতঃ ৰাজহুৱা শস্যাগাৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল। এনে শস্যাগাৰবোৰৰ ভিতৰত সবাতোকৈ ডাঙৰটো, যাক বিশাল শস্যাগাৰ (Great Granary) নাম দিয়া হৈছে, হৰপ্পাত আৱিষ্কৃত হৈছে। এই শস্যাগাৰটো দীঘলে ১৬৯ ফুট আৰু পুতলে ১৩৫ ফুট। ভৱনটোৰ ভিতৰত বহুতো সৰু সৰু কক্ষ আছিল।



চিত্র ৩.৩ বিশাল শস্যাগাৰ

উৎস ঃ Google Images

সিন্ধু উপত্যকাৰ সমৃদ্ধ নগৰবোৰৰ বিষয়ে আলোচনা কৰাৰ অন্তত এইবাৰ আমি এনে সুপৰিকল্পিত নগৰবোৰত বাস কৰা লোকসকলৰ বিষয়ে কিছু ধাৰণা কৰি লও আহক। সিন্ধু উপত্যকাৰ খনন কাৰ্যৰ পৰা অনুমান কৰা হৈছে যে সেই সময়ৰ সমাজত সম্ভৱতঃ চাৰি শ্ৰেণীৰ মানুহে বাস কৰিছিল- শিক্ষিত শ্ৰেণী, যোদ্ধা শ্ৰেণী, ব্যৱসায়ী আৰু সুকুমাৰ শিল্পৰ লগত জড়িতসকলৰ শ্ৰেণী আৰু শ্ৰমিক শ্ৰেণী। শিক্ষিত শ্ৰেণীত পুৰোহিত, জ্যোতিষী, চিকিৎসকসকলক ধৰা হৈছিল। ভগ্নাৱশেষৰ মাজত দূৰ্গ আৰু প্ৰাসাদৰ উপস্থিতি দেখা গৈছে। ইয়াৰ পৰা সিন্ধু উপত্যকাত এটা শাসক অথবা যোদ্ধা গোষ্ঠীৰ উপস্থিতি গম পোৱা যায়। তেওঁলোকৰ প্ৰধান কৰ্তব্য আছিল ৰাজ্যৰ ভূমি আৰু প্ৰজাক সুৰক্ষা প্ৰদান কৰা। ব্যৱসায়ী তথা সোণাৰী, বোৱনি, বাঢ়ৈ, ৰাজমিস্ত্ৰী আদিয়ে সমাজৰ তৃতীয় শ্ৰেণীটো গঠন কৰিছিল। সবাতোকৈ নিম্ন শ্ৰেণীটোৰ সদস্য আছিল কায়িক পৰিশ্ৰম কৰা শ্ৰমিক, দিন হাজিৰা কৰা লোক, ঘৰুৱা ভৃত্য আদি।

সিন্ধু উপত্যকাৰ মানুহে নিৰামিষ আৰু আমিষ দুয়ো ধৰণৰ খাদ্যই গ্ৰহণ কৰিছিল। তেওঁলোকে বিভিন্ন ধৰণৰ ফল-মূলৰ লগতে ঘেঁহু, বার্লি, চাউল, গাখীৰ, ছাগলী মাংস, গাহৰি মাংস, গৰু মাংস ইত্যাদি খাইছিল। সেই যুগৰ মানুহে কপাহী আৰু ঊণী কাপোৰ পৰিধান কৰিছিল। খননৰ সময়ত পোৱা টাকুৰীৰ (spindles) পৰা অনুমান কৰা গৈছে যে সেই সময়ছোৱাত এক শিপিনী সম্প্ৰদায়ো আছিল। পুৰুষ-মহিলা উ ভয়েই অলংকাৰ পিন্ধিছিল। অলংকাৰবোৰ সোণ, ৰূপ, ব্ৰঞ্জ, হাতীদাঁত আদিৰে গঢ়া হৈছিল।

হৰপ্পা যুগৰ মানুহে স্নানদ্ৰব্য (toiletries) আৰু প্ৰসাধন দ্ৰব্য (cosmetics) প্ৰস্তুত কৰাৰ কলা জানিছিল। স্নানদ্ৰব্য ৰখা বাকচবোৰ হাতীদাঁত, নানা ধাতু, মাটি আৰু শিলেৰে তৈয়াৰ কৰা হৈছিল। নতুন দিল্লীত থকা ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ 'হৰপ্পান গেলাৰী'ত সিন্ধু উপত্যকাৰ সভ্যতাৰ নিদৰ্শন হিচাপে নানা ধৰণৰ অলংকাৰ আৰু প্ৰসাধন সামগ্ৰী ৰখা হৈছে।

সিন্ধু উপত্যকাৰ খননত বস্ত্ৰ আৰু অলংকাৰৰ লগতে আচবাব-পত্ৰ, বাচন-বৰ্তন, পুতলা আদিৰ দৰে আন বহুতো ঘৰুৱা ব্যৱহাৰ্য সামগ্ৰী উদ্ধাৰ হৈছে। অধিকাংশ বাচন-বৰ্তনেই মাটি আৰু শিলেৰে সজা হৈছিল। চুৰি, বেজী, কুঠাৰ আদিৰ দৰে অন্য ঘৰুৱা সামগ্ৰীবোৰ ব্ৰোঞ্জ আৰু তামেৰে সজা হৈছিল। সকলোবোৰ সামগ্ৰী সুন্দৰভাৱে পালিচ কৰা আৰু নানা নক্সাৰে সুশোভিত কৰা হৈছিল।

খেল-ধেমালি আৰু আমোদ-প্ৰমোদ হয়তো হৰপ্পা যুগৰ বাসিন্দাৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংগ আছিল। পাশাখেল এটা জনপ্ৰিয় সময় কটোৱা খেল আছিল। একেদৰেই জনপ্ৰিয় আছিল চিকাৰ কাৰ্য। ল'ৰা-ছোৱালীয়ে মাটিৰ পুতলাৰে খেলিছিল। হৰপ্পা সভ্যতাৰ লোকে ঘৰত চৰাই পুহিছিল। হয়তো তেওঁলোকে বিভিন্ন চৰাইৰ যুঁজ উপভোগ কৰিছিল।



চিত্ৰ ৩.৪ সিন্ধু সভ্যতাৰ মাটিৰ পুতলা
উৎস ঃ Google Images



জানি থোৱা ভাল

চান্হুদাৰোত মাটিৰ পুতলা সবাতোকৈ বেছিকৈ উদ্ধাৰ হোৱাৰে চাই তাত হৰপ্পা সভ্যতাৰ যুগত পুতলা বানোৱা উদ্যোগ আছিল বুলি অনুমান কৰা হয়।

৩.৩.২ অৰ্থনৈতিক জীৱন

আটকধুনীয়া নগৰ আৰু এনে নগৰত বাস কৰা লোকৰ সংখ্যা অনুমান কৰি কোৱা হয় যে সিন্ধু উপত্যকাৰ মানুহ আৰ্থিকভাৱে স্বচ্ছল আছিল। কৃষি, ব্যৱসায়-বাণিজ্য, সংযোগ আদিৰ দৰে বিভিন্ন কাৰকে অৰ্থনৈতিক বিকাশত অৰিহণা যোগাইছিল।

হৰপ্পাৰ নাগৰিকৰ সবাতোকৈ গুৰুত্বপূৰ্ণ জীৱিকাবোৰৰ এটা আছিল কৃষি । সিন্ধু নদী আৰু ইয়াৰ উপনৈবোৰে উপত্যকাটো কৃষিকৰ্মৰ বাবে সাৰুৱা কৰি ৰাখিছিল। ফলত অঞ্চলবোৰত যথেষ্ট পৰিমাণে শস্য উৎপাদন হৈছিল। হৰপ্পাৰ বিশাল শস্যাগাৰ আৰু আন আন অঞ্চলত আৱিষ্কৃত শস্যাগাৰবোৰে সভ্যতাটোৰ বৃহৎ উৎপাদনশীলতাৰ প্ৰমাণ দাঙি ধৰে। সেই যুগৰ প্ৰধান কৃষিজাত সামগ্ৰীবোৰ আছিল ঘেঁহু, বার্লি, ধান, কপাহ, নানা প্ৰকাৰৰ শাক-পাচলি আৰু ফলমূল।

জীৱিকা অৰ্জনৰ আন এক গুৰুত্বপূৰ্ণ উপায় আছিল জীৱ-জন্তু পোহনীয়া কৰা কাম। হৰপ্পা যুগৰ মানুহে গাখীৰৰ বাবে আৰু বয়-বস্তু কঢ়িয়াবলৈ জন্তু পোহ মনাইছিল। গাখীৰৰ বাবে তেওঁলোকে গৰু, ভেঁড়া, গাহৰি আদি পুহিছিল। বয়-বস্তু

কঢ়িয়াবলৈ তেওঁলোকে উট, বলদগৰু, ম'হ, গাধ, হাতী আদি পুহিছিল। ঘোঁৰা পুহিছিলনে নাই সেই বিষয়ত কিছু সন্দেহ আছে। কাৰণ এতিয়ালৈকে হৰপ্পা খননত ঘোঁৰা সম্পৰ্কীয় কোনো প্ৰমাণ উদ্ধাৰ হোৱা নাই।

হৰপ্পা সভ্যতাৰ অৰ্থনীতি মুখ্যতঃ বাণিজ্যৰ ওপৰত আধাৰিত আছিল, পৰিবহন প্ৰযুক্তিৰ উন্নতিৰ দ্বাৰা অধিক সুগম হৈছিল। হৰপ্পাবাসীসকলে সম্ভৱতঃ চকাযুক্ত পৰিবহণ ব্যৱহাৰৰ পথ প্ৰদৰ্শন কৰিছে, যাৰ প্ৰমাণ হৈছে গৰুগাড়ীসমূহ যি এতিয়াও সমগ্ৰ দক্ষিণ এছিয়াত ব্যৱহৃত গাড়ীৰ সৈতে একে। ইয়াৰ উপৰিও, দেখা গৈছে যে তেওঁলোকে নাও আৰু অন্যান্য জলস্থান নিৰ্মাণ কৰিছিল। উপকূলীয় চহৰ লোথালত পুৰাতাত্ত্বিকসকলে আৱিস্কাৰ কৰা দ নলা আৰু জাহাজ ৰখা ঠাইয়ে এই অনুমানটোৰ সত্যতা। পুৰাতাত্ত্বিক প্ৰমাণে সূচায় যে সিন্ধুনদী উপত্যকা এক বিস্তৃত সামুদ্ৰিক বাণিজ্য নেটৱৰ্কৰ লগত জড়িত আছিল। এই বাণিজ্য নেটৱৰ্কে হৰপ্পা চহৰৰ কাৰখানাত ব্যৱহাৰৰ বাবে কেঁচা সামগ্ৰী আমদানি কৰাৰ ওপৰত গুৰুত্ব দিছিল, যাৰ ভিতৰত আছে ইৰাণ আৰু আফগানিস্থানৰ খনিজ পদাৰ্থ, ভাৰতৰ অন্যান্য অঞ্চলৰ সীহ আৰু তাম, চীনৰ জেড, আৰু হিমালয় আৰু কাশ্মীৰৰ পৰা নদীৰ মাজেৰে পৰিবহন কৰা দেৱদাৰু কাঠ। অন্যান্য বাৱসায়িক সামগ্ৰীৰ ভিতৰত আছিল টেৰাকোটা পাত্ৰ, সোণ, ৰূপ, ধাতু, মণি, সঁজুলি নিৰ্মাণৰ বাবে ফ্লিণ্ট, সাগৰৰ খোৱ, মুকুতা আৰু ৰঙীন ৰত্ন যেনে লেপিচ লাজুলি আৰু ফিৰোজা।

হৰপ্পা আৰু মেছোপটেমিয়াৰ সভ্যতাৰ মাজত এক গুৰুত্বপূৰ্ণ সামুদ্ৰিক বাণিজ্য নেটৱৰ্তও বিদ্যমান আছিল। বৰ্তমানৰ ইৰাক, কুৱেইট আৰু চিৰিয়াৰ কিছু অংশ সামৰি মেছোপটেমিয়াৰ পুৰাতাত্ত্বিক স্থানসমূহত হৰপ্পা মোহৰ আৰু গহনা আৱিস্কাৰ কৰা হৈছে। আৰৱ সাগৰ, লোহিত সাগৰ আৰু পাৰস্য উপসাগৰৰ ওপৰত দীৰ্ঘ দূৰত্বৰ সাগৰীয় বাণিজ্যৰ সম্ভাৱনীয়তা হয়তো বোৱা ৰাছ বা কাপোৱেৰে নিৰ্মিত পাল এটাক সমৰ্থন কৰা এটা কেন্দ্ৰীয় মাস্তুলেৰে সজ্জিত তক্তাৰে নিৰ্মিত জলযানৰ বিকাশৰ দ্বাৰা বৃদ্ধি হ'ব পাৰে।

চালকোলিথিক যুগৰ সময়ত (খ্ৰীষ্টপূৰ্ব ৪৩০০-৩২০০), যাক তাম্ৰ যুগ বুলিও জনা যায়, সিন্ধু সভ্যতাত প্ৰাপ্ত চৰু-কলহ আদি মৃৎ শিল্পৰ আৰ্হিৰ লগত দক্ষিণ তুৰ্কমেনিস্থান আৰু উত্তৰ ইৰাণৰ প্ৰাপ্ত মৃৎশিল্পৰ কলাকৃতিৰ লগত মিল পৰিলক্ষিত হয়। প্ৰাৰম্ভিক হৰপ্পান যুগৰ আৰম্ভণিৰ (প্ৰায় ৩২০০-২৬০০ খ্ৰী.পূ.) মৃৎশিপ্প, চীল-মোহৰ, মানুহৰ মূৰ্তি আৰু অলংকাৰৰ লগত মধ্য এছিয়া আৰু ইৰাণৰ মালভূমি অঞ্চলৰ কলাকৃতিৰ লগত থকা সাদৃশ্যৰ পৰা এইটো ধাৰণা কৰিব পাৰি যে এই স্থানসমূহৰ লগত হৰপ্পাৰ সভ্যতাৰ স্থল বাণিজ্য চলিছিল।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ঃ তলৰ অংশ দুটা শুদ্ধকৈ মিলাওক-

(ক) লাৰকানা (১) হৰপ্পা

(খ) বিশাল স্নানাগাৰ (২) সিন্ধু প্রদেশৰ এখন জিলা

(গ) বিশাল শস্যাগাৰ (৩) এটা বন্দৰ

(ঘ) লোথাল (৪) মহেঞ্জোদাৰো

প্রশ্ন নং ২ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওক-

(ক) ১৯২২-২৩ চনত দুজন / তিনিজন / চাৰিজন প্রত্নতত্ত্ববিদে হৰপ্পা আৰু মহেঞ্জোদাৰো আৱিষ্কাৰ কৰিছিল।

(খ) হৰপ্পা সভ্যতাৰ যুগত মানুহৰ মাজত জনপ্রিয় সময় কটোৱা ধেমালি আছিল পাশাখেল/ ঘোঁৰাত উঠা/ জীৱ-জন্তুৰ যুদ্ধ।

(গ) হৰপ্পা সভ্যতাৰ যুগত মানুহৰ এটা প্রধান জীৱিকা আছিল কৃষি/ ৰেচন উদ্যোগ/ উদ্যানকৃষি।

(ঘ) সিন্ধু উপত্যকাৰ সভ্যতাৰ যুগৰ মানুহে পূব / পশ্চিম/ দক্ষিণ এছিয়াৰ বিভিন্ন অংশৰ সৈতে বাণিজ্যিক সম্পর্ক ৰক্ষা কৰিছিল।

৩.৪ ধর্মীয় অনুশীলন

প্রত্নতাত্বিক ধ্বংসাৱশেষৰ পৰা হৰপ্পা আৰু মহেঞ্জোদাৰোৰ বাসিন্দাৰ ধর্মীয় জীৱনৰ বিষয়ে বহুতো কথা গম পোৱা গৈছে। আকর্ষণীয় কথাটো হ'ল খনন কার্য চলোৱা স্থানত কোনো মন্দিৰৰ ধ্বংসাৱশেষ উদ্ধাৰ হোৱা নাই। কিন্তু বিভিন্ন স্থানত যথেষ্ট সংখ্যক চীল-মোহৰ আৰু পো�ৰামাটিৰ মূর্তি উদ্ধাৰ হৈছে। ইয়াৰ পৰাই গম পোৱা গৈছে যে সিন্ধু উপত্যকাৰ বাসিন্দাসকল মূর্তি উপাসক আছিল। সেই যুগৰ মানুহে হয়তো সৃষ্টিৰ উৎস হিচাপে এক নাৰীশক্তিক বিশ্বাস কৰিছিল। এই নাৰীশক্তিক দেৱী মাতৃ (Mother Goddess) , প্রকৃতি দেৱী (Nature Goddess) অথবা ঐশ্বৰিক মাতৃ (Divine Mother) বুলি উপাসনা কৰা হৈছিল।

সমগ্র উপত্যকাটোৰ বিভিন্ন অঞ্চলত যথেষ্ট পৰিমাণৰ দেৱীমূর্তি উদ্ধাৰ হোৱাৰে চাই ধৰিব পাৰি যে সিন্ধু উপত্যকাত প্রচলিত ধর্মত দেৱী মাতৃয়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। দেৱীমাতৃৰ লগতে এগৰাকী পুৰুষ দেৱতাৰো উপাসনা হৈছিল। মহেঞ্জোদাৰোৰ মোহৰত এই দেৱতাজনক 'য়োগী'মুদ্রাত বহি থকাৰ ৰূপ খোদিত কৰা হৈছিল। দেৱতাৰ মুখ তিনিখন, শিৰস্ত্রাণত শিং আৰু চৌপাশে বহুতো জন্তু খোদিত কৰা আছে। এই আটাইবোৰ বৈশিষ্ট্য বিবেচনা কৰি পণ্ডিতসকলে এই দেৱতাজনক শিৱ পশুপতি অথবা জন্তুৰ ঈশ্বৰৰ এটা ৰূপ বুলি চিনাক্ত কৰিছে। পুৰুষ দেৱতাজনৰ শিৱৰ সৈতে সাদৃশ্য থকা কথাটো সবল কৰি তুলিছে খনন কার্যত উদ্ধাৰ হোৱা অবিকল শিৱ লিংগ সদৃশ আন কিছুমান শিলৰ সামগ্রীয়ে। আৱিষ্কাৰবোৰ পৰীক্ষা

কৰি চাই ইয়াকো গম পোৱা গৈছে যে হৰপ্পা সভ্যতাৰ যুগৰ মানুহে গছ, পানী আৰু জুইকো পূজা কৰিছিল। কিছুমান মোহৰত থকা স্বস্তিকা প্ৰতীকটোৰ পৰা অনুমান কৰিব পাৰি যে সেই যুগত সূর্য দেৱতাৰ উপাসনাও প্ৰচলিত আছিল। স্বস্তিকা হ'ল সূর্য দেৱতাৰ উপাসনাও প্ৰচলিত আছিল। স্বাস্তিকা হ'ল সূর্য দেৱতাৰ প্ৰতীক। জড়োপাসনা (Animism) সম্ভৱতঃ হৰপ্পাৰ ধৰ্মীয় বিশ্বাসৰ এক বিশেষ দিশ আছিল।



চিত্ৰ ৩.৪ সিন্ধু সভ্যতাৰ মাটিৰ পুতলা

উৎস ঃ Google Images

৩.৫ নগৰীয়া জীৱনৰ পতন

আগতেই উল্লেখ কৰি অহা হৈছে যে হৰপ্পা সভ্যতাৰ এটা সঠিক সময় ঠাৱৰ কৰাটো জটিল কাম। খনন কাৰ্যত উদ্ধাৰ হোৱা বিভিন্ন সামগ্ৰী সাৱধানে পৰীক্ষা কৰি পণ্ডিতসকলে মত পোষণ কৰিছে যে খৃষ্টপূৰ্ব ৩২০০ বছৰৰ পৰা খৃষ্টপূৰ্ব ১৭০০ বছৰমানৰ ভিতৰত হৰপ্পা সভ্যতাৰ বিকাশ ঘটিছিল আৰু এই সভ্যতা বৰ্তি আছিল।

হৰপ্পা সভ্যতা এক বিশাল ভৌগলিক এলেকা জুৰি ব্যাপ্ত হৈ আছিল। ই পশ্চিমৰ বালুচিস্তান প্ৰদেশৰ সুত্কাঞ্জোদাৰোৰ পৰা পূবৰ উত্তৰ প্ৰদেশৰ আলমগীৰপুৰলৈ আৰু উত্তৰৰ জম্মু প্ৰদেশৰ মান্দাৰ পৰা দক্ষিণৰ গোদাবৰী উপত্যকাৰ দাইমাবাদলৈ বিয়পি আছিল। সামগ্ৰিকভাৱে ২২.৫০,০০০ বৰ্গকিলোমিটাৰ এলেকা সামৰি হৰপ্পা সভ্যতা বিকশিত হৈছিল। বিশ্বসভ্যতাৰ সমসাময়িক ইতিহাসত ই হ'ল সৰ্ববৃহৎ সাংস্কৃতিক মণ্ডল।


সভ্যতাৰ উত্থান আৰু পতন এক প্ৰাকৃতিক পৰিঘটনা। হৰপ্পাৰ বাসিন্দাসকলে গঢ়ি তোলা এই আকৰ্ষণীয় সভ্যতাটোও তাৰ ব্যতিক্ৰম নহ'ল। সিন্ধু উপত্যকাৰ সভ্যতাৰ পতনৰ কাৰণ হিচাপে পণ্ডিতসকলে বিভিন্ন তত্ব আগবঢ়াইছে। ইয়াৰে দুটামান বৈধ আৰু গুৰুত্বপূৰ্ণ বুলি বিবেচিত তত্ব হ'ল- পাৰিপাৰ্শ্বিকৰ দ্ৰুত পৰিৱৰ্তন, বানপানী আৰু ভূমিকম্পৰ দৰে প্ৰাকৃতিক দুৰ্যোগ, নাগৰিকৰ ৰক্ষণশীল মনোভাৱ আৰু পৌৰ বোধশক্তিৰ (Civicsense) অৱনতি, বিদেশী

শত্রুৰ আক্রমণ ইত্যাদি। অৱশ্যে অধিকাংশ পণ্ডিতে খৰাং পৰিস্থিতি আৰু সিন্ধু নদী তথা ইয়াৰ উপনৈবোৰে সৃষ্টি কৰা বানপানীকে হৰপ্পা সভ্যতা ধ্বংসৰ সবাতোকৈ গুৰুতৰ কাৰণ বুলি বিশ্বাস কৰে। ভূমিকম্প আন এক সম্ভাব্য কাৰক। ভূমিকম্পই সিন্ধু নদীৰ গতিপথ সলনি কৰি দিয়াৰ ফলত মহেঞ্জোদাৰোলৈ পণ্য সামগ্রী প্রেৰণ কৰা অঞ্চলবোৰ (hinterland) প্লাৱিত কৰাৰ বাবে কালক্রমত হৰপ্পা সভ্যতা ধ্বংস হৈছিল।



অনুশীলনী ৩.১

এই অধ্যায়টিত উল্লেখ কৰা হৰপ্পাৰ অঞ্চলবোৰৰ এখন তালিকা প্রস্তুত কৰক। তাৰপাচত এখন মানচিত্রত সেই অঞ্চলবোৰ বিচাৰি উলিওৱাৰ চেষ্টা কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ শুদ্ধ নে অশুদ্ধ লিখক -

(ক) হৰপ্পাৰ বাসিন্দাই সৃষ্টিৰ উৎস হিচাপে সম্ভৱতঃ এক স্ত্রীশক্তিক বিশ্বাস কৰিছিল।

(খ) স্বস্তিকা হ'ল চন্দ্রৰ প্রতীক।

(গ) হৰপ্পা সভ্যতাই এক বিশাল ভৌগলিক অঞ্চল সামৰি লৈছিল।

(ঘ) সভ্যতাৰ উত্থান-পতন এক প্রাকৃতিক পৰিঘটনা নহয়।

প্রশ্ন নং ৪ঃ খালী ঠাই পূৰণ কৰক-

(ক) স্ত্রী শক্তিক ..... বুলি উপাসনা কৰা হৈছিল।

(খ) সুতকাঞ্জোদাৰো ..... ত অৱস্থিত আছিল।

(গ) হৰপ্পা সভ্যতা ধ্বংসৰ সবাতোকৈ গুৰুতৰ সম্ভাব্য কাৰকবোৰৰ মাজৰে এটা হ'ল ..... নদীত হোৱা বানপানী।

প্রশ্ন নং ৫ঃ হৰপ্পাৰ বাসিন্দাসকলৰ ধর্মীয় বিশ্বাস সম্পর্কে কি জানে লিখক।

(প্রায় ৫০ টা শব্দত উত্তৰ দিয়ক)

.....

.....



৩.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- হৰপ্পা সভ্যতা হ'ল ভাৰতত আৱিষ্কৃত সবাতোকৈ প্রাচীন সভ্যতা। সিন্ধু নদীৰ পাৰত আৱিষ্কৃত হোৱা বাবে ইয়াক সিন্ধু উপত্যকাৰ সভ্যতা বুলিও জনা যায়।

- খৃষ্টপূর্ব ৩২০০ বর্ষৰ পৰা খৃষ্টপূর্ব ১৭০০ বর্ষৰ ভিতৰত এক বিশাল ভৌগলিক অঞ্চল জুৰি হৰপ্পা সভ্যতাৰ বিকাশ ঘটিছিল। ই আছিল উন্নত নগৰ পৰিকল্পনা আৰু নলা-নর্দমা ব্যৱস্থাৰে গঢ় লৈ উঠা এক নগৰীয়া সভ্যতা।
- হৰপ্পাৰ সমাজত চাৰি শ্রেণীৰ লোক আছিল। সিন্ধু উপত্যকাৰ বাসিন্দাসকল আর্থিকভাৱে স্বচ্ছল আছিল। সংযোগ ব্যৱস্থা উন্নত আছিল বাবে সেই যুগত কৃষিৰ লগতে ব্যৱসায়-বাণিজ্যৰো শ্রীবৃদ্ধি ঘটিছিল।
- ধর্মৰ ক্ষেত্রত মানুহে মূর্তি আৰু পুৰুষ-স্ত্রী দুয়োধৰণৰ দেৱ-দেৱীৰ উপাসনা কৰিছিল। স্ত্রীশক্তিক সৃষ্টিৰ উৎস বুলি ভবা হৈছিল আৰু দেৱী মাতৃ, প্রকৃতি মাতৃ অথবা ঐশ্বৰিক মাতৃৰ উপাসনা কৰা হৈছিল। হৰপ্পা সভ্যতাৰ ধর্মীয় বিশ্বাসৰ আন এক বৈশিষ্ট্য আছিল জড়োপাসনা। অৱশ্যে সময়ৰ সোঁতত হৰপ্পা সভ্যতাৰ পতন ঘটিছিল।



৩.৭ অধিক জানিবলৈ

1) Jha, D.N. (1977), *Ancient India-An Introductory Outline*, Peoples' Publishing House, New Delhi-110055
2) Majumdar, R.C., Raychaudhuri, H.C., Datta, K. (1986). *An Advanced History of India*. New Delhi, Macmillan India Ltd.
3) Raychaudhuri, H.C. (1972). *Political History of Ancient India*. Calcutta, University of Calcutta.



৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) ২ (খ) ৪ (গ) ১ (ঘ) ৩

২ নং প্রশ্নৰ উত্তৰঃ (ক) তিনি (খ) পাশাখেল (গ) কৃষি (ঘ) পশ্চিম

৩ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

৪ নং প্রশ্নৰ উত্তৰঃ (ক) ঐশ্বৰিক (খ) বালুচিস্তান (গ) সিন্ধু

৫ নং প্রশ্নৰ উত্তৰঃ হৰপ্পা আৰু মহেঞ্জোদাৰোত উদ্ধাৰ হোৱা প্রত্নতাত্বিক ধ্বংসাৱশেষৰ পৰা হৰপ্পা সভ্যতাৰ বাসিন্দাসকলৰ ধর্মীয় জীৱন সম্পর্কীয় তথ্য জানিব পৰা যায়। হৰপ্পা সভ্যতাৰ লোকসকল আছিল মূর্তি উপাসক। তেওঁলোকে ভগৱান শিৱৰ উপাসনা কৰিছিল। স্ত্রীশক্তিক মাতৃদেৱী, প্রকৃতি দেৱী অথবা ঐশ্বৰিক মাতৃ বুলি উপাসনা কৰা হৈছিল। স্ত্রী শক্তিক সৃষ্টিৰ উৎস বুলি বিশ্বাস কৰা হৈছিল। ইয়াৰ লগতে হৰপ্পাৰ বাসিন্দাই গছ পানী আৰু জুইৰ উপাসনা কৰিছিল।



৩.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ হৰপ্পাৰ সভ্যতা কোনে আৱিষ্কাৰ কৰিছিল?

প্ৰশ্ন ২ঃ কোনখন নদীৰ পাৰত হৰপ্পা সভ্যতাৰ বিকাশ ঘটিছিল?

প্ৰশ্ন ৩ঃ হৰপ্পাৰ নাগৰিকে কোনজন পুৰুষ দেৱতাৰ উপাসনা কৰিছিল?

প্ৰশ্ন ২ঃ হৰপ্পাৰ নাগৰিকৰ প্ৰধান জীৱিকা কি আছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ হৰপ্পা সভ্যতাৰ আৰ্থ-সামাজিক অৱস্থাৰ বিষয়ে কি জানে লিখক।

প্ৰশ্ন ২ঃ হৰপ্পা সভ্যতাৰ নগৰ পৰিকল্পনাৰ মুখ্য বৈশিষ্ট্যবোৰ লিখক।

প্ৰশ্ন ৩ঃ হৰপ্পাৰ নাগৰিকৰ ধৰ্মীয় জীৱন সম্পৰ্কে এটি চমু টোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ হৰপ্পা সভ্যতাক কিয় সিন্ধু উপত্যকাৰ সভ্যতা বুলি কোৱা হয়?

প্ৰশ্ন ২ঃ হৰপ্পা সভ্যতাৰ পতনৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ বৈদিক আৰু উত্তৰ-বৈদিক সভ্যতা

অধ্যায়টিৰ গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ বৈদিক সভ্যতা
৪.৩.১ আৰ্যবংশোদ্ভূত ভাৰতীয়সকল আৰু তেওঁলোকৰ উৎস
৪.৩.২ ৰাজনৈতিক অনুষ্ঠান
৪.৩.৩ সমাজ
৪.৩.৪ অৰ্থনীতি
৪.৩.৫ ধৰ্ম
৪.৪ উত্তৰ-বৈদিক সভ্যতা
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্রগতিৰ খতিয়ান
৪.৮ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ণ কৰি আপুনি —

- আৰ্য বংশোদ্ভূত ভাৰতীয়সকলৰ উত্থান আলোচনা কৰিব পাৰিব
- ঋক্ বেদৰ ৰচনাকাল জানিব পাৰিব
- বৈদিক সভ্যতাৰ ৰাজনৈতিক অনুষ্ঠানবোৰৰ কথা বুজি পাব
- বৈদিকসভ্যতাৰ যুগৰ সমাজ আৰু ধৰ্ম বিশ্লেষণ কৰিব পাৰিব
- উত্তৰ-বৈদিক সভ্যতাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি ভাৰতৰ প্ৰাচীনতম সভ্যতাৰ বিষয়ে আলোচনা কৰিছো।

এই অধ্যায়ত আলোচনা কৰিব খোজা সভ্যতাটো প্ৰাচীনতম সভ্যতাটোতকৈ বিভিন্ন দিশত সম্পূৰ্ণ পৃথক। সিন্ধু উপত্যকাৰ সভ্যতাৰ পতন ঘটাৰ পাচত এই সভ্যতাটোৰ উত্থান ঘটিছিল। এই সভ্যতাটো হৈছে বৈদিক সত্যতা। বৈদিক সভ্যতাৰ বিভিন্ন দিশ আমাৰ এই অধ্যয়টোৱে সামৰি লৈছে। লগতে উত্তৰ-বৈদিক সভ্যতাৰো আলোচনা কৰা হৈছে।

৪.৩ বৈদিক সভ্যতা

হৰপ্পা সভ্যতাৰ পাচত ভাৰতত বৈদিক অথবা ঋক্‌বৈদিক সভ্যতাৰ উত্থান ঘটিছিল। নতুন সভ্যতাটো হৰপ্পা সভ্যতাৰ সম্পুর্ণ বিপৰীত আছিল। আর্যসকলে বৈদিক সভ্যতাৰ জন্ম দিছিল। আর্যসকল আছিল বহিৰাগত। তলৰ শিতানত আমি আর্যসকলৰ গৃহভূমি সম্পর্কে আলোচনা কৰিম। বৈদিক সভ্যতাক দুটা বহল ভাগত ভগোৱা হয়- আদি-বৈদিক অথবা ঋক্‌-বৈদিক সভ্যতা আৰু উত্তৰ-বৈদিক সভ্যতা।

৪.৩.১ আর্য বংশোদ্ভৱ ভাৰতীয়সকল আৰু তেওঁলোকৰ উৎস

এই নতুন সভ্যতাৰ সৈতে উত্থান ঘটা লোকসকলক আর্য বংশোদ্ভীৱ ভাৰতীয় (Indo-Aryans) বোলা হয়। আর্যসকলে ভাৰতৰ উত্তৰ-পশ্চিম সীমান্তয়েদি মধ্য এচিয়াৰ কোনো কোনো অংশৰ পৰা আহি ভাৰতত প্ৰৱেশ কৰিছিল। আর্যসকল এবাৰতে ভাৰতত সোমাইছিল বুলি আপুনি যাতে ভুলকৈ ভাবি নলয়। ই দৰাচলতে শ শ বছৰ ধৰি চলা এক অবিৰত প্ৰক্ৰিয়া আছিল। আপুনি বেদৰ বিষয়ে নিশ্চয় জানে। বেদ আছিল আর্য বংশোদ্ভীৱ ভাৰতীয়সকলৰ প্ৰধান গ্ৰন্থ। বেদ চাৰিখন- ঋক্‌বেদ, য়জুৰবেদ, সাম বেদ আৰু অথর্ব বেদ। ঋক্‌বেদ হ'ল সবাতোকৈ প্ৰাচীন বেদ। ই ভাৰতৰ প্ৰাচীনতম সাহিত্য। পবিত্ৰ বেদত থকা নির্দেশনা মানি আর্য বংশোদ্ভীৱ ভাৰতীয়সকলে নিজৰ সভ্যতা গঢ়ি তুলিছিল। সেই কাৰণে আর্যসকলে গঢ়া সভ্যতাটোক বৈদিক সভ্যতা বুলিও কোৱা হয়।



জানি থোৱা ভাল

আর্যসকল হ'ল এটা ভাষাভিতিক গোট (lingustic group)। কেৱল উত্তৰ আৰু মধ্য ভাৰততে নহয়, ইউৰোপ মহাদেশতো আর্যসকল বিয়পি পৰিছিল। বৈদিক সাহিত্য ৰচনা কৰা আর্য গোটটোক আর্য বংশোদ্ভীৱ ভাৰতীয় বুলি কোৱা হয়। তেওঁলোকে সংস্কৃত ভাষা ব্যৱহাৰ কৰিছিল।

সমগ্ৰ বৈদিক যুগটোক দুটা ভিন্ন সময় মণ্ডলত ভগাই লৈ অধ্যয়ন কৰা হয়। এটা মণ্ডল হ'ল ঋক্‌-বৈদিক যুগ আৰু আনটো হ'ল উত্তৰ- বৈদিক যুগ। খৃষ্টপূর্ব ১৫০০ বর্ষৰ পৰা ১০০০ বর্ষলৈ ঋক্‌-বৈদিক যুগ বর্তি আছিল। খৃষ্টপূর্ব ১০০০ বর্ষৰ পৰা ৭০০ বর্ষলৈ এই সময়ছোৱাক উত্তৰ-বৈদিক যুগ বোলা হয়।

৪.৩.২ ৰাজনৈতিক অনুষ্ঠান

বৈদিক যুগত পৰিয়াল আছিল সবাতোকৈ সৰু ৰাজনৈতিক একক। বহুতো

পৰিয়াল লগ হৈ একোখন গ্ৰাম অথবা গাঁও গঢ়িছিল। কেইবাখনো গ্ৰাম লগ হৈ উচ্চতৰ ৰাজনৈতিক অনুষ্ঠান ৱিচ (Vis) গঠিত হৈছিল। ৱিচবোৰ সম্ভৱতঃ সম্পূৰ্ণ জনগোষ্ঠী এটাৰ বৃহত্তৰ প্ৰশাসনিক গোট আছিল। বৈদিক যুগৰ সৰ্বোচ্চ ৰাজনৈতিক আৰু প্ৰশাসনিক একক আছিল জন (Jana) অথবা ৰাষ্ট্ৰ। গ্ৰামৰ মুৰব্বীক গ্ৰামণি (Gramani) আৰু ৱিচৰ মুৰব্বীক ৱিচপতি (Vispati) বোলা হৈছিল। জনৰ প্ৰধানক গোপ (Gopa) বোলা হৈছিল।



জানি থোৱা ভাল

ঋক্ বৈদিক ৰাষ্ট্ৰ আছিল জনজাতীয় ৰাষ্ট্ৰ (tribal state) । প্ৰথম বেদখনে আমাক য়াদু (Yadu) অনু (Anu) , পুৰু (Puru), ভাৰত (Bharat) আদিৰ দৰে বহুকেইটা আৰ্য জনগোষ্ঠীৰ তথ্য দিয়ে। এই জনগোষ্ঠীকেইটাই মাটি আৰু পোহনীয়া জীৱ-জন্তুৰ মালিকীস্বত্বক লৈ প্ৰায়েই পৰস্পৰৰ সৈতে যুদ্ধত লিপ্ত হৈছিল।

মধ্য গংগা উপত্যকাত প্ৰাক-ৰাজ্যিক সমাজৰ প্ৰকৃতিয়ে বংশৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। খ্ৰীষ্টপূৰ্ব প্ৰথম সহস্ৰাব্দৰ মাজভাগত ৰাজ্যৰ উত্থানে পৰিৱৰ্তনৰ এক গুৰুত্বপূৰ্ণ পৰ্যায় চিহ্নিত কৰিছিল। মহাজন পদৰ উত্থানৰ লগে লগে ৰাজ্যৰ ৰূপত ৰাজনৈতিক সত্তাবোৰৰ উত্থান হোৱাৰ আগতে, মুখীয়াল বা প্ৰধানসকলৰ উত্থান আৰু বংশানুক্ৰমিক সমাজৰ তাৎপৰ্য বিবেচনা কৰাটো গুৰুত্বপূৰ্ণ। এটা জনজাতীয় ৰাজনীতি বংশৰ ওপৰত আধাৰিত আছিল। এই বিকাশ প্ৰাৰম্ভিক বৈদিক যুগৰ ক্ষেত্ৰত সঁচা য'ত বংশই আত্মীয়তা প্ৰণালীৰ গুৰুত্ব প্ৰদৰ্শন কৰিছিল। মধ্য গংগা উপত্যকাত প্ৰাক-ৰাজ্যিক সমাজৰ প্ৰকৃতিয়ে এনেদৰে ৰাজতন্ত্ৰৰ সলনি 'গোত্ৰ' আৰু 'জনজাতি'ৰ তাৎপৰ্য প্ৰতিফলিত কৰে। বংশসমাজৰ পৰা ৰাজ্যিক সমাজলৈ পৰিৱৰ্তনৰ প্ৰক্ৰিয়াই কেৱল ৰাজাৰ গুৰুত্বই আনিছিল এনে নহয়, ৰীতি-নীতিৰ কেন্দ্ৰীয়তাও বৃদ্ধি কৰিছিল। ৱৈধতাৰ সন্ধান ৰাজনৈতিক ক্ষেত্ৰৰ এক বৈশিষ্ট্য হৈ পৰে যাৰ পিছত বিস্তৃত ৰাতি-নীতি প্ৰদৰ্শন কৰা হৈছিল।

৪.৩.৩ সমাজ

বৈদিক সমাজৰ ভেটি আছিল পৰিয়াল। সেই সময়ৰ পৰিয়ালবোৰ পিতৃপ্ৰধান আছিল। আপুনি নিশ্চয় পিতৃপ্ৰধান পৰিয়াল কাক কয় জানে ! যিবোৰ পৰিয়ালত পিতৃগৰাকীক মুৰব্বী বুলি গণ্য কৰা হয়। সেই পৰিয়ালবোৰকে পিতৃপ্ৰধান পৰিয়াল বোলে। ঋক্ বৈদিক যুগত পৰিয়ালৰ এনে মুৰব্বীসকলক গৃহপতি অথবা কূলপতি বোলা হৈছিল।

প্ৰাৰম্ভিক বৈদিক সমাজত নাৰীয়ে এক সন্মানজনক স্থিতি উপভোগ কৰিছিল। সমাজখন পিতৃপ্ৰধান হোৱা সত্বেও কণ্যাশিশুক অনাদৰ কৰা হোৱা নাছিল। শিক্ষাৰ দুৱাৰ ল'ৰা আৰু ছোৱালী উভয়ৰে বাবে খোলা আছিল। এই সময়ছোৱাৰ দুগৰাকীমান বিদূষী নাৰীৰ নাম হ'ল ঘোষা, অপলা, বিশ্বভৰা ইত্যাদি। এই বিদূষী নাৰীসকলে নিজৰ প্ৰজ্ঞাৰ বলত ঋষিৰ পৰ্যায়লৈ উঠিছিল। ঋক্ বৈদিক সমাজত সতীদাহ অথবা পৰ্দাৰ দৰে প্ৰথাৰ প্ৰচলন নাছিল। ছোৱালীক পৰিপক্ক বয়সত বিয়া দিয়া হৈছিল। অৱশ্যে কৰবাত হয়তো বাল্যবিবাহৰো প্ৰচলন আছিল। ঋক্-বৈদিক সমাজত বিধবাৰ পুনৰবিবাহ এক স্বীকৃত কাৰ্য আছিল। ইয়াৰ পৰাই আমি অনুমান কৰিব পাৰোঁ যে সেই যুগত নাৰীৰ ঘৰৰ চাৰিবেৰৰ ভিতৰত আৰু সমাজত এক উচ্চ স্থান আছিল।

ঋক্-বৈদিক যুগত কপাহ, ঊণ আৰু হৰিণৰ ছালেৰে বস্ত্ৰ তৈয়াৰ কৰা হৈছিল। কেতিয়াবা বস্ত্ৰত সোণেৰে ফুল-নক্সা আঁকা হৈছিল। ঋক্ বৈদিক যুগৰ মানুহে বিভিন্ন ধৰণৰ সোণৰ অলংকাৰ ভাল পাইছিল। পুৰুষ আৰু নাৰী উভয়ে পাগুৰি পিন্ধিছিল।

ঋক্- বৈদিক যুগত বার্লি, চাউল, ঘেঁহু আৰু বিভিন্ন বতৰত হোৱা বিভিন্ন শাক-পাচলি আছিল মানুহৰ প্ৰধান খাদ্য। তেওঁলোকে গাখীৰ আৰু বিভিন্ন দুগ্ধজাত খাদ্যও গ্ৰহণ কৰিছিল। আমিষ খাদ্যৰ ভিতৰত ঋক্-বৈদিক যুগৰ লোকে মাছ, বিভিন্ন চৰাইৰ মাংস, ছাগলী, ষাঁড় গৰু (Bull) আদি খাইছিল। কিন্তু হয়তো একাধিক উপযোগিতা থকা বাবে খাদ্য হিচাপে গাইগৰু হত্যা কৰা নহৈছিল। বৈদিক যুগৰ আৰ্যসকলে সোম আৰু সুৰা নামৰ দুবিধ নিচা যুক্ত পানীয় সেৱন কৰিছিল।


বৈদিক যুগৰ লোকে ৰং-ৰহইচ আৰু আমোদ-প্ৰমোদ পচন্দ কৰিছিল। ৰথ দৌৰ, ৰণ নৃত্য আৰু চিকাৰ আছিল সৰ্বাধিক জনপ্ৰিয় বাহ্যিক ক্ৰীড়া। আনন্দৰ মূহুৰ্তবোৰ সংগীত আৰু নৃত্যৰ সহায়ত উদ্‌যাপন কৰা হৈছিল। সেই সময়ছোৱাত জুৱা হয়তো সবাতোকৈ আকৰ্ষণীয় ঘৰৰ ভিতৰত খেলা খেল আছিল।

বৈদিক সমাজখন চাৰিটা শ্ৰেণীত বিভক্ত আছিল- ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। কিন্তু ঋক্-বৈদিক কালত সমাজত এনে কোনো শ্ৰেণী বিভাজন নাছিল। অৱশ্যে সমাজত অস্পষ্ট ৰূপত এই শ্ৰেণী চাৰিটাৰ অস্তিত্ব আছিল যদিও গোঢ়া জাতিভেদ প্ৰথাই সেই সময়ছোৱাত গা কৰি উঠিব পৰা নাছিল। সেই যুগত অসবর্ণ বিবাহ আৰু অসবর্ণ আহাৰ গ্ৰহণ অনুষ্ঠান সাধাৰণ কথা আছিল। এই ক্ষেত্ৰত কোনো বাধা নাছিল। সমাজৰ গোঢ়া বিভাজন, অস্পৃশ্যতাৰ ধাৰণা আদিৰ পৰৱৰ্তী কালতহে বিকাশ হৈছিল। তথাপিও কিন্তু ঋক্-বেদত চণ্ডালৰ বিষয়েও আমি পঢ়িবলৈ পাওঁ।

বংশ এটাক সাধাৰণতে একতাবাদী আত্মীয়ৰ এটা গোটৰ দ্বাৰা গঠিত বুলি সংজ্ঞায়িত কৰা হৈছে যি বংশানুক্ৰমিক সম্পৰ্কক এক বাধ্যতামূলক কাৰক হিচাপে গ্ৰহণ কৰে। একতাবাদী বংশোদ্‌ভূত গোটবোৰে সাধাৰণতে এটা গোত্ৰ কৰে যি ইয়াৰ উৎপত্তি প্ৰকৃত বা পৌৰাণিক পূৰ্বপুৰুষৰ সৈতে সম্পৰ্কযুক্ত কৰে। সম্প্ৰসাৰিত পৰিয়ালটোৱে

এনে প্ৰণালীত মৌলিক একক গঠন কৰে। সম্প্ৰসাৰিত পৰিয়ালটো তিনি বা চাৰিটা প্ৰজন্মৰে গঠিত। পৰিয়ালৰ অংশীদাৰসকলে সম্পৰ্কীয়সকলৰ লগত বৈবাহিক সম্বন্ধত গুৰুত্ব দিয়ে। বংশসমাজত ক্ষমতাৰ দাবী মুখ্যতঃ আত্মীয়ৰ সম্পৰ্কৰ আধাৰত, মখীয়াল বা প্ৰধান গৰাকীৰ প্ৰাধান্য হৈছে বংশ সমাজৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। তদুপৰি বংশ সমাজবোৰত সামাজিক স্তৰকৰণ কম পৰিমাণে ৰখা হয় কিয়নো আঞ্চলিক সাৰ্বভৌমত্ব বংশ সমাজৰ এক গুৰুত্বপূৰ্ণ দিশ নহয়। বৈদিক কালত বংশ প্ৰণালীৰ (ঋগ বেদৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা) ৰাজ্যলৈ পৰিৱৰ্তনৰ ৰূপত পৰিৱৰ্তন দেখা গৈছিল (যদিও পিছৰ বৈদিক সময়ত ডাঙৰ পৰিমাণ ৰখা নাছিল) তাৰ পিছত মধ্য গংগা উপত্যকাত মুখীয়াল প্ৰথাৰ উত্থানৰ দ্বাৰা চিহ্নিত শক্তিশালী সামাজিক স্তৰকৰণৰ এটা পৰ্যায় দেখা গৈছিল।

ঋগ্বেদত বংশ-আধাৰিত সমাজ এখনৰ গুৰুত্ব স্পষ্টভাৱে সূচিত কৰা হৈছে। যিহেতু বংশসমাজে প্ৰায়ে 'জনজাতীয় সমাজ'ৰ সৈতে সম্পৰ্কিত হৈ আহিছে, ঋগ বেদে গোত্ৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। পাঠটোত pañchajana নামেৰে জনাজাত পাঁচটা জনজাতিৰ সংগ্ৰহৰ বিষয়ে উল্লেখ কৰা হৈছে। এই জনজাতিবোৰ আছিল য়াদু, তুৰ্ভাচা, অনু, দ্ৰুহ্য আৰু পুৰু। ঋক্ বেদত অসংখ্য গোত্ৰৰ বিষয়েও উল্লেখ কৰা হৈছে আৰু আন্তঃ-জনজাতীয় সংঘৰ্ষৰ গুৰুত্ব উল্লেখ কৰা হৈছে। উদাহৰণ স্বৰূপে ভাৰত বংশৰ প্ৰধান হিচাপে সুদাসৰ উল্লেখ আছে। ঋগ্বেদত জন, গণ আৰু vis` দৰে শব্দৰ সঘনাই সংঘটিত হোৱা ঘটনাই সমাজক সৰু একক বা খণ্ডত বিভক্ত কৰাৰ বিষয়ে অধিক প্ৰতিফলিত কৰে যি বংশ সমাজক চিহ্নিত কৰে। ইয়াৰ উপৰিও বংশ সমাজৰ কাম-কাজ বিশ্লেষণ কৰোঁতে পৰিয়াল আৰু পৰিয়ালৰ গুৰুত্ব উপেক্ষা কৰিব নোৱাৰি। যিহেতু বংশ সমাজৰ ভেটি পৰিয়ালৰ মৌলিক একক হোৱাৰ ওপৰত নিৰ্ভৰ কৰিছিল, কুলা শব্দটোৱে সমাজৰ আটাইতকৈ সৰু অংশ হিচাপে চিহ্নিত। তদুপৰি, একত্ৰিত হোৱা কেইবাটাও পৰিয়ালে গ্ৰাম বা গাওঁখন গঠন কৰিছিল। যিহেতু বংশৰ সমাজত এখন ৰাজ্য বা ৰাজতন্ত্ৰৰ ধাৰণা সম্পূৰ্ণৰূপে অস্তিত্বহীন আছিল, সেয়েহে ঋক্ বেদে গোত্ৰসমূহৰ ওপৰত নিয়ন্ত্ৰণ প্ৰয়োগ কৰা প্ৰধানজনৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰে। আঞ্চলিক সাৰ্বভৌমত্ব জাহিৰ কৰাৰ প্ৰয়োজনীয়তা মুখ্যতঃ অনুপস্থিত আছিল আৰু সেয়েহে পৃষ্ঠভূমিলৈ প্ৰত্যাৱৰ্তন কৰা বিস্তৃত ত্যাগ আৰু ৰীতি-নীতিৰ প্ৰদৰ্শনৰ জৰিয়তে বৈধতা দাবী কৰাৰ প্ৰয়োজনীয়তা আছিল। বংশ সমাজে এনেদৰে এটা প্ৰতিষ্ঠান হিচাপে ৰজাত্বৰ অনুপস্থিতি বা গুৰুত্বহীনতাক সূচায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ কোনে বৈদিক সভ্যতা গঢ়ি তুলিছিল?

.....

প্রশ্ন নং ২ঃ বেদ চাৰিখনৰ নাম লিখক।

.....

প্রশ্ন নং ৩ঃ ঋক্-বৈদিক যুগত পৰিয়ালৰ মুৰব্বীক কি বোলা হৈছিল?

.....

প্রশ্ন নং ৪ঃ বৈদিক যুগত আর্যসকলে সেৱন কৰা নিচাযুক্ত পানীয় দুবিধৰ নাম লিখক।

.....

প্রশ্ন নং ৫ঃ ঋক্বৈদিক যুগত জনৰ প্রধান কোন আছিল?

.....

প্রশ্ন নং ৬ঃ ঋক্বৈদিক যুগত ৰজাক স্বেচ্ছাচাৰী হ'বলৈ নিদিয়া অভিকৰণ দুটাৰ নাম কি?

.....

প্রশ্ন নং ৭ঃ খালী ঠাই পূৰণ কৰক-

(ক) আর্য বংশোদ্ভীৱ ভাৰতীয়সকলৰ প্রধান পুথি হ'ল .....।

(খ) প্রাৰম্ভিক ..... যুগত নাৰীয়ে সমাজত সন্মানজনক স্থিতি উপভোগ কৰিছিল।

(গ) সম্ভৱতঃ বৈদিক যুগৰ সবাতোকৈ জনপ্রিয় ঘৰৰ ভিতৰত খেলা খেল ..... আছিল।

(ঘ) ..... আছিল বৈদিক যুগৰ সবাতোকৈ সৰু ৰাজনৈতিক গোট।

৪.৩.৪ অর্থনীতি

বৈদিক যুগৰ আৰম্ভণিৰ সময়ছোৱাত আর্যসকল প্রধানকৈ পশুপালনৰ অর্থনীতিৰ (pastoral economy) ওপৰত নির্ভৰশীল আছিল। তেওঁলোকে সীমিত পৰিসৰত কৃষি, বেপাৰ-বাণিজ্য আৰু উদ্যোগৰ সৈতে জড়িত কাম-কাজো কৰিছিল। বৈদিক যুগৰ আৰম্ভণিৰ সময়ছোৱাত পশুপালনৰ গুৰুত্ব গৰু-ম'হৰ জাকৰ বিষয়ে পোনপটীয়া লিখিত তথ্যৰ উল্লেখৰ পৰা গম পোৱা যায়। ইয়াৰ উপৰি মুৰব্বীক গোপতি শিৰোনাম প্রদান কৰাৰ উল্লেখৰ পৰাও প্রমাণিত হয় যে তেওঁ গৰু-ম'হৰ ৰক্ষক আছিল। বৈদিক যুগৰ পোহনীয়া জন্তু দুটামান হ'ল গৰু-ম'হ (মাংস, দুগ্ধজাত সামগ্রী আৰু কৃষি কর্মৰ বাবে), ঘোঁৰা (ৰথ চলাবলৈ), ভেঁড়া আৰু ছাগলী (মাংসৰ বাবে), কুকুৰ (চিকাৰ কৰিবলৈ, পহৰা দিবলৈ) ইত্যাদি।

বৈদিক যুগৰ আৰম্ভণিৰ কালছোৱাত কৃষিকার্য চলাৰ অতি কম প্রমাণহে পোৱা গৈছে। সেই সময়ত জলসিঞ্চনতকৈ বৰষুণৰ ওপৰতহে কৃষি অধিক নির্ভৰশীল আছিল।

ঋক্-বৈদিক যুগৰ মানুহে বলদ গৰুৰে হাল বোৱা হাল আৰম্ভ কৰিছিল। এই সময়ছোৱাৰ মানুহ বিভিন্ন হস্তকলাতো নিপুণ আছিল বুলি ঋক্‌বেদত উল্লেখ আছে। ঋক্‌বেদত তাক্ষান (বাঢ়ৈ), হিৰণ্যকাৰ (সোণাৰী), কুলাল (কুমাৰ) ইত্যাদি অভিধাৰ পৰা বিভিন্ন হস্তকলাত জড়িত লোকৰ বিষয়ে গম পোৱা যায়।

ঋক্-বৈদিক যুগৰ মানুহে সম্ভৱতঃ অন্তর্দেশীয় ব্যৱসায়-বাণিজ্য কৰিছিল। কেতিয়াবা তেওঁলোকে একে সম্প্রদায়ৰ মানুহৰ সৈতে আৰু কেতিয়াবা ভিন্ন সম্প্রদায়ৰ মানুহৰ সৈতে ব্যৱসায় কৰিছিল। সদাগৰসকলে দূৰণিবটীয়া অঞ্চললৈ যাবলৈ স্থল আৰু জলপথ দুয়োটা ব্যৱহাৰ কৰিছিল। স্থলপথেদি যাতায়ত কৰিবলৈ ঘোঁৰাই টনা ৰথ আৰু বলদ গৰুৰে টনা গৰুগাড়ী ব্যৱহাৰ কৰা হৈছিল। বিনিময় প্রথাৰ (barter) মাধ্যমেৰে ব্যৱসায়-বাণিজ্য কৰা হৈছিল। আর্যসকলে বিদেশৰ সৈতে বাণিজ্যিক লেন-দেন কৰিছিলনে নাই সেই বিষয়ত মতানৈক্য আছে। কিন্তু সামগ্রিকভাৱে ঋক্ বৈদিক যুগৰ আর্যসকলে বিদেশৰ সৈতে বাণিজ্যিক সম্পর্ক স্থাপন কৰিছিল বুলি নিশ্চিতভাৱে ক'ব পৰাকৈ কোনো তথ্য-প্রমাণ নাই।

৪.৩.৫ ধর্ম

ঋক্-বৈদিক যুগৰ ধর্ম আছিল সহজ আৰু সাধাৰণ। ঋক্ বৈদিক সভ্যতাৰ আৰম্ভণিৰ সময়ছোৱাত আর্যসকলে প্রকৃতিৰ সকলো দিশৰে উপাসনা কৰিছিল। অর্থাৎ তেওঁলোকে পৃথিৱীৰ সকলো বস্তুতে সৰগীয় গুণ আৰোপ কৰিছিল। অর্থাৎ আর্যসকলে মানি চলা ধর্মত বহুতো দেৱ-দেৱীৰ উপস্থিতি অনুমান কৰিব পাৰি। তেওঁলোকে উপাস্য দেৱ-দেৱী সকলক তিনিটা শ্রেণীত ভাগ কৰি লৈছিল. পার্থিৱ দেৱ-দেৱী, যেনে-পৃথিৱী, সোম, অগ্নি ইত্যাদি; বায়বীয় দেৱ-দেৱী, যেনে- ইন্দ্র, ৰুদ্র, বায়ু ইত্যাদি আৰু সৰগীয় দেৱ-দেৱী, যেনে- দ্যায়ু, সূর্য, বৰুণ, ইত্যাদি। যদিও বৈদিক সংস্কৃতিত অসংখ্য দেৱ-দেৱীৰ উল্লেখ পোৱা যায়, তথাপিও আকর্ষণীয় কথাটো হ'ল সেই যুগৰ কোনো মন্দিৰৰ অৱশেষ অথবা মূর্তি উদ্ধাৰ হোৱা নাই। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে ঋক্-বৈদিক যুগৰ আর্যসকলে কোনো মূর্তি উপাসনা নকৰিছিল। বৈদিক যুগৰ ধর্মৰ আন এটা চকুত পৰা দিশ হ'ল দেৱীতকৈ দেৱতাৰ স্থান আছিল উচ্চ। বৈদিক ৰীতি-নীতিত বলি-বিধান অথবা যজ্ঞই প্রাধান্য পাইছিল। বৈদিক যুগৰ আর্যসকলে বিশ্বাস কৰিছিল যে বলিদানে দেৱতাক সন্তুষ্ট কৰে আৰু তাৰ বিনিময়ত ভক্তৰ মনোবাঞ্ছা পূৰণ কৰে। ধনী-দুখীয়া নির্বিশেষে সকলোৱে নিজ সামর্থ্য অনুসৰি দেৱতাৰ নামত বলিদান দিব পাৰিছিল।

৪.৪ উত্তৰ বৈদিক সভ্যতা

ঋক্-বৈদিক আৰু উত্তৰ বৈদিক সভ্যতাৰ মাজত স্পষ্ট পাৰ্থক্য থকা দেখা যায়। উত্তৰ বৈদিক যুগৰ আৰ্যসকলে অধিক স্থায়ী জীৱন যাপন কৰিছিল। এনে শৃংখলাৱদ্ধ জীৱনশৈলীয়ে সমগ্ৰ সভ্যতাটোকেই বিভিন্ন দিশেৰে সলনি কৰি পেলাইছিল।

উত্তৰ বৈদিক যুগত ৰাষ্ট্ৰৰ আকাৰ ডাঙৰ হৈছিল। এই সময়খিনিত আৰ্যসকলে ৰাজ্য বিস্তাৰৰ মানসেৰে উত্তৰ-পশ্চিম ভাৰতৰ পৰা পূবলৈ অগ্ৰসৰ হৈছিল। ঋক্-বৈদিক যুগৰ সৰু সৰু জনজাতীয় ৰাজ্যবোৰ বৃহত্তৰ ৰাজ্যৰ অন্তৰ্ভূক্ত হৈছিল। ৰাজ্য ডাঙৰ হোৱাৰ লগে লগে ৰজাৰ দায়িত্বও ভালেখিনি বাঢ়িছিল। উত্তৰ বৈদিক কালৰ ৰজাসকলে নিজকে সম্ৰাট অথবা একৰত (অৰ্থ, একমাত্ৰ অধিকাৰী) বুলি ঘোষণা কৰিছিল। ৰাজ্যৰ কাম-কাজ পৰিচালনা কৰিবলৈ নিযুক্তি দিয়া বিষয়া-কৰ্মচাৰীৰ সংখ্যাও বৃদ্ধি পাইছিল। উত্তৰ বৈদিক যুগৰ সাহিত্যত এনে ৰাজকীয় বিষয়াসকলক ৰত্ন (মূল্যবান পাথৰ) বোলা হৈছিল। তৈত্তৰিয় সংহিতাত এনে দহবিধ ৰত্নৰ উল্লেখ আছে। যেনে- পুৰোহিত (পূজাৰী) সূত (ৰথচালক), মহিষী (ৰাণী), পৰিবৃক্তি (ৰাণী), বাবত (ৰাণী), সংগ্ৰহিত্ৰী (হিচাপ ৰক্ষক), অক্ষবাপ (অক্ষক্ৰীড়া /পাশাখেলৰ তত্বাৱধায়ক বিষয়া), সেনানী (সেনাধ্যক্ষ), গ্ৰামাণি (গাঁৱৰ মুখিয়াল) আৰু ভাগদুঘা (ৰাজহ সংগ্ৰহকাৰী বিষয়া)।

উত্তৰ বৈদিক যুগত সমাজৰ সামগ্ৰিকভাৱে বহুতো পৰিৱৰ্তন ঘটিছিল। এই যুগৰ পৰাই জাতিভেদ প্ৰথাই শক্তিশালী ৰূপত গা কৰি উঠিছিল। সমাজত ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়সকলৰ ক্ষমতা আৰু প্ৰতিপত্তি যথেষ্ট বৃদ্ধি পাইছিল। অন্য শ্ৰেণীয়ে উপভোগৰ পৰা বঞ্চিত হোৱা বহুতো সা-সুবিধা এই দুটা শ্ৰেণীয়ে বিশেষভাৱে উপভোগ কৰিছিল। জাতি এক বংশগত অধিকাৰত পৰিণত হৈছিল। সমাজত অস্পৃশ্যতাৰ ধাৰণাটোৱেও গা কৰি উঠিছিল। উত্তৰ বৈদিক সভ্যতাত নাৰীৰ সামাজিক স্থিতিলৈও উল্লেখনীয় পৰিৱৰ্তন আহিছিল। এই যুগৰ নাৰীয়ে ঋক্-বৈদিক যুগত উপভোগ কৰা সন্মানজনক সামাজিক স্থিতিটো হেৰুৱাই পেলাইছিল। নাৰীৰ স্বতন্ত্ৰতা আৰু সামাজিক সমতা লাহে লাহে নাইকিয়া হৈছিল। কন্যাশিশুৰ জন্মত মানুহ অসুখী হ'বলৈ আৰম্ভ কৰিছিল। যৌতুক প্ৰথাই জনপ্ৰিয়তা অৰ্জন কৰিছিল। সামগ্ৰিকভাৱে সমাজত নাৰীক নিম্ন শ্ৰেণীৰ সদস্যা হিচাপে হেয় দৃষ্টিৰে চোৱা হৈছিল।

সভ্যতাৰ বিকাশ ঘটাৰ লগে লগে ব্যৱসায়-বাণিজ্য ক্ষেত্ৰখনলৈও পৰিৱৰ্তন আহিছিল। উত্তৰ বৈদিক যুগৰ আৰ্যসকলে ঘৰুৱা আৰু বৈদেশিক দুয়ো ধৰণৰ বাণিজ্যতে মনোনিৱেশ কৰিছিল। এই সময়লৈকে আৰ্যসকলে জলপথেৰে চলাচল কৰাৰ কলা আয়ত্ব কৰিছিল। সাধাৰণ মুদ্ৰা ব্যৱস্থাৰ প্ৰচলন নোহোৱা বাবে উত্তৰ বৈদিক যুগত নিশ্কা (Nishka) নামৰ সোণৰ টুকুৰাক মানৰ একক (unit of value) হিচাপে ব্যৱহাৰ কৰা হৈছিল। কৃষি হৈ পৰিছিল এটা গুৰুত্বপূৰ্ণ জীৱিকা। সদাগৰ, মহাজন (money lenders) আদিৰ দৰে বৃত্তিৰ কথাও উত্তৰ বৈদিক যুগৰ তথ্যৰ পৰা উদ্ধাৰ কৰা হৈছে।

উত্তৰ বৈদিক যুগৰ আৰ্যসকলৰ আধ্যাত্মিক জীৱনলৈকো যথেষ্ট পৰিৱৰ্তন আহিছিল। ঋক্ বৈদিক যুগৰ উপাস্য ইন্দ্ৰ, বৰুণ, সূৰ্য আদিৰ দৰে দেৱতাবোৰে উত্তৰ বৈদিক যুগত পূৰ্বৰ গৰিমা হেৰুৱাই পেলাইছিল। ৰুদ্ৰ, বিষ্ণু, প্ৰজাপতি আদিৰ দৰে দেৱতাৰ উপাসনা বৃদ্ধি পাইছিল। এই যুগত যজ্ঞ অথবা বলি-বিধানে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ঋক্ বৈদিক যুগৰ যজ্ঞবোৰ সৰল আছিল। উত্তৰ বৈদিক যুগৰ যজ্ঞবোৰ অধিক জটিল, অধিক সমাৰোহপূৰ্ণ আৰু খৰছী হৈ পৰিছিল। লগেতে ব্ৰাহ্মণ সমাজে নিজকে আগতকৈ অধিক সবলৰূপত সৰগীয় দেৱতা আৰু মৰণশীল (সাধাৰণ) মানুহৰ মাজৰ যোগসূত্ৰ স্থাপনকাৰী হিচাপে প্ৰক্ষেপ কৰিবলৈ আৰম্ভ কৰিছিল। এনেকৈয়ে লাহে লাহে ধৰ্ম সাধাৰণ মানুহৰ পৰা আঁতৰি গৈছিল আৰু সমাজত অসন্তুষ্টিৰ পৰিমাণ বাঢ়িছিল।

বিস্তৃত বিধি-বিধান আৰু পুৰোহিত শ্ৰেণীৰ আধিপত্যৰ প্ৰতিক্ৰিয়া হিচাপে উত্তৰ বৈদিক যুগত আন এটা দাৰ্শনিক ধাৰাৰ বিকাশ ঘটিছিল। এই যুগৰ অনুসন্ধিৎসু মনৰ দাৰ্শনিকসকলে সৃষ্টি, জীৱন আৰু মৃত্যুৰ বিভিন্ন দিশৰ অনুসন্ধান আৰম্ভ কৰিছিল। উপনিষদবোৰে আত্মা (আভ্যন্তৰীণ সত্বা) আৰু ব্ৰহ্মাৰ (সৰ্বময় স্ৰষ্টা) ধাৰণা প্ৰচাৰ কৰিছিল। মৃত্যুয়ে ব্যক্তিৰ শৰীৰটোহে ধ্বংস কৰে, কিন্তু আত্মা ধ্বংস কৰিব নোৱাৰে। সেয়েহে আত্মাই বাৰে বাৰে জন্ম লয়। আত্মাই পুনজন্মৰ উৰ্দ্ধলৈ গৈ মোক্ষ (চৰম মুক্তি) প্ৰাপ্তি কৰিব পাৰে। মোক্ষ লাভ কৰা আত্মা গৈ ব্ৰহ্মাত বিলীন হয়। কিন্তু মোক্ষপ্ৰাপ্তি ইমান সহজ নহয়। বিভিন্ন জন্মত আত্মাই কৰা কাম অথবা কৰ্মৰ ওপৰত আত্মাৰ মুক্তি নিৰ্ভৰশীল। অৰ্থাৎ, উত্তৰ বৈদিক কালত আত্মা, কৰ্ম আৰু মোক্ষৰ পুনজন্মৰ দৰে দাৰ্শনিক চিন্তাবোৰ উদ্ভৱ হৈছিল।



অনুশীলনী ৪.১

হৰপ্পা সভ্যতা আৰু বৈদিক সভ্যতাৰ মাজত থকা পাৰ্থক্যবোৰ নিৰ্ণয় কৰাৰ চেষ্টা কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ঃ শুদ্ধ নে অশুদ্ধ লিখক-

(ক) গোপতি মানে হ'ল পোহনীয়া গৰু-ম'হৰ ৰক্ষক।

(খ) হিৰণ্যকাৰ মানে হ'ল তামৰ সামগ্ৰী তৈয়াৰ কৰা লোক।

(গ) আৰ্যসকলে উপাস্য দেৱ-দেৱীক দুটা শ্ৰেণীত ভাগ কৰিছিল।

(ঘ) বৈদিক ৰীতি-নীতিত বলি-বিধান অথবা যজ্ঞই এক গৰুত্বপূৰ্ণ স্থান দখল কৰি আছিল।

(ঙ) সম্ৰাট অথবা একৰত মানে হ'ল একমাত্ৰ অধিকাৰী।

(চ) উত্তৰ বৈদিক যুগত কন্যা সন্তানৰ জন্মত পৰিয়ালবোৰ আনন্দিত হৈছিল।

প্ৰশ্ন নং ৯ঃ তলৰ ভাগ দুটা শুদ্ধকৈ মিলাওক-

(ক) তক্ষান	(১) বায়বীয় দেৱতা
(খ) ৰুদ্ৰ	(২) ৰাণী
(গ) বাৱত	(৩) বাঢ়ৈ
(ঘ) কৰ্ম	(৪) দাৰ্শনিক ধাৰণা

প্ৰশ্ন নং ১০ঃ ঋক্ বৈদিক অৰ্থনীতিৰ বিষয়ে কি জানে লিখক (প্ৰায় ৬০টা শব্দৰ ভিতৰত)

.....

.....



৪.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- হৰপ্পা সভ্যতাৰ পাচত ভাৰতত বৈদিক সভ্যতাৰ উত্থান ঘটিছিল। আৰ্য বংশোদ্ভৱী ভাৰতীয়সকলে এই সভ্যতা বিকশিত কৰিছিল। খৃষ্টপূৰ্ব ১৫০০ বৰ্ষৰ পৰা ১০০০ বৰ্ষলৈ ঋক্-বৈদিক যুগ বৰ্তি আছিল। এই সময়ছোৱাক ঋক বৈদিক সভ্যতাৰ যুগ বোলা হয়।
- ঋক বৈদিক যুগৰ সমাজত পিতৃপ্ৰধান পৰিয়াল ব্যৱস্থা প্ৰচলিত আছিল। সমাজত মহিলাই সন্মানজনক স্থিতি উপভোগ কৰিছিল। সমাজখন চাৰিটা শ্ৰেণীত বিভক্ত আছিল। কিন্তু শ্ৰেণীবিভাজন কঠোৰভাৱে মানি চলা হোৱা নাছিল।
- একেগোষ্ঠী অথবা জাতিৰ লোকে চৰকাৰ গঠন কৰিছিল। ৰজাক ৰাজন বোলা হৈছিল। ৰজাই প্ৰজাৰ সমৃদ্ধি আৰু সুৰক্ষাৰ দিশ দুটা চোৱা-চিতা কৰিছিল।
- বৈদিক অৰ্থনীতি পশুপালনৰ ওপৰত প্ৰধানকৈ নিৰ্ভৰশীল আছিল। সীমিত পৰিসৰত কৃষি, ব্যৱসায়-বাণিজ্য আৰু উদ্যোগৰ অনুশীলন কৰা হৈছিল।
- বৈদিক যুগত মানুহে প্ৰকৃতিৰ সকলো দিশকে উপাসনা কৰিছিল। সেয়েহে আৰ্য সমাজত বহু দেৱ-দেৱীৰ উপস্থিতি ধৰা পৰিছে। আৰ্যসকলে উপাস্য দেৱ-দেৱীক পাৰ্থিৱ দেৱতা, বায়বীয় দেৱতা আৰু সৱগীয় দেৱতা হিচাপে শ্ৰেণীবিভক্ত কৰিছিল। দেৱীতকৈ দেৱতাক উচ্চ আসন দিয়া হৈছিল।
- ঋক্ বৈদিকআৰু উত্তৰ বৈদিক সভ্যতাৰ মাজত বহুতো প্ৰভেদ আছে। উত্তৰ বৈদিক যুগৰ জীৱনযাত্ৰা অধিক সুস্থিৰ আছিল। এই যুগত বৃহদাকৃতিৰ ৰাজ্য অথবা ৰাষ্ট্ৰ গঠিত হৈছিল। একেদৰে ৰজাৰ ক্ষমতা আৰু দায়িত্বও বঢ়িছিল। সমাজত জাতিভেদ প্ৰথাই গুৰুত্বৰ ৰূপ ধাৰণ কৰিবলৈ লৈছিল।
- ঋক্ বৈদিক যুগত নাৰীয়ে উপভোগ কৰা সামাজিক স্থিতিৰ উত্তৰ বৈদিক যুগত অৱসান ঘটিছিল। ব্যৱসায়-বাণিজ্যৰ দিশত উত্তৰ বৈদিক যুগ যথেষ্ট আগবঢ়া আছিল।

- ধর্মীয় দিশত উত্তৰ বৈদিক যুগে ঋক্ বৈদিক যুগৰ দেৱতাবোৰ আঁতৰাই ৰুদ্র, বিষ্ণু আদিৰ দৰে নতুন দেৱতাৰ উপাসনাৰ প্রতি অধিক ঢাল খাইছিল। এই সময়ছোৱাতে আত্মা, কর্ম আৰু মোক্ষৰ দৰে দার্শনিক ধাৰণাবোৰে গা কৰি উঠিছিল।



৪.৬ অধিক জানিবলৈ

1) Jha, D.N. (1977), *Ancient India-An Introductory Outline*, Peoples' Publishing House, New Delhi-110055.
2) Majumdar, R.C., Raychaudhuri, H.C., Datta, K. (1986). *An Advanced History of India*. New Delhi, Macmillan India Ltd.
3) Raychaudhuri, H.C. (1972). *Political History of Ancient India*. Calcutta, University of Calcutta.
4) Tripathi, Ramashankar (1999). *History of Ancient India*. Delhi, Motilal Banarsidass Publishers Pvt. Ltd.



৪.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ আর্য বংশোদ্ভৱ ভাৰতীয়সকলে।

২নং প্রশ্ন উত্তৰ ঃ ঋক বেদ, য়জুৰ বেদ, সাম বেদ আৰু অথর্ব বেদ।

৩নং প্রশ্ন উত্তৰ ঃ গৃহপতি অথবা কূলপতি।

৪নং প্রশ্ন উত্তৰ ঃ সোম আৰু সুৰা।

৫নং প্রশ্ন উত্তৰ ঃ গোপ।

৬নং প্রশ্ন উত্তৰ ঃ সভা আৰু সমিতি।

৭নং প্রশ্ন উত্তৰ ঃ (ক) বেদ (খ) বৈদিক (গ) পাশা /জুৰা (ঘ) পৰিয়াল

৮নং প্রশ্ন উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধা (গ) অশুদ্ধ(ঘ) শুদ্ধ(ঙ) শুদ্ধ (চ) অশুদ্ধ

৯নং প্রশ্ন উত্তৰ ঃ (ক) ৩ (খ) ১ (গ) ২ (ঘ) ৪

১০নং প্রশ্ন উত্তৰ ঃ ঋক্ বৈদিক অর্থনীতি আছিল পশুপালনৰ ওপৰত নির্ভৰ শীল অর্থনীতি। ঋক্ বৈদিক যুগৰ আর্যসকলে গৰু, ম'ম, ঘোঁৰা, ভেঁড়া, ছাগলী আদি বিভিন্ন উদ্দেশ্যৰে পোহ মনাইছিল। ঋক বৈদিক যুগত কৃষি, ব্যৱসায়-বাণিজ্য আৰু উদ্যোগৰো প্রচলন আছিল। কৃষি কার্য সীমিত আছিল যদিও আর্যসকলেই গৰুৰে হালবোৱা প্রথা উদ্ভাৱন কৰিছিল। দেশৰ ভিতৰতে কৰা ব্যৱসায়ত বিনিময় প্রথা চলিছিল। সেই যুগত তাক্সান, হিৰণ্যকাৰ আদিৰ দৰে বিভিন্ন হস্তশিল্পী আছিল।



৪.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ ৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ বৈদিক যুগত কাক ৰাজন বুলি কোৱা হৈছিল?

প্ৰশ্ন ২ঃ বৈদিক সভ্যতাৰ ৰাজনৈতিক অনুষ্ঠানবোৰৰ নাম লিখক।

প্ৰশ্ন ৩ঃ ঋক্ বৈদিক যুগৰ দুগৰাকী বিদূষী মহিলাৰ নাম লিখক।

প্ৰশ্ন ৪ঃ সম্ৰাট কোন আছিল?

(খ) চমু প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ ১৫০-৩০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ঋক্ বৈদিক সমাজৰ প্ৰধান বৈশিষ্ট্যবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ ঋক্ বৈদিক ৰাজনৈতিক ব্যৱস্থাটোৰ প্ৰকৃতি কেনেকুৱা আছিল?

প্ৰশ্ন ৩ঃ ঋক্ বৈদিক যুগ আৰু উত্তৰ বৈদিক যুগৰ তুলনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ বৈদিক সভ্যতাৰ ৰাজনৈতিক অনুষ্ঠানবোৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ বৈদিক সভ্যতাৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ৩ঃ উত্তৰ বৈদিক যুগৰ আৰ্থ-সামাজিক অৱস্থা আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ খ্রীঃপূঃ ষষ্ঠ শতিকাৰ সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিবৰ্ত্তনসমূহ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ কৃষি সম্প্রসাৰণ

৫.৪ উৎপাদন পদ্ধতি

৫.৫ গণ বা সংঘৰ উখান

৫.৬ মহাজন পদসমূহ

৫.৭ অর্থনৈতিক অৱস্থা

৫.৮ ধর্মীয় অৱস্থা

৫.৮.১ জৈন ধর্মৰ উখান

৫.৮.২ বৌদ্ধ ধর্মৰ উখান

৫.৯ সামাজিক অৱস্থা

৫.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.১১ অধিক জানিবলৈ

৫.১২ অগ্রগতিৰ খতিয়ান

৫.১৩ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- খ্রীঃপূঃ ষষ্ঠ শতিকাৰ কৃষি সম্প্রসাৰণত লোৰ ভূমিকাৰ বিষয়ে জানিব পাৰিব,
- খ্রীঃপূঃ ষষ্ঠ শতিকাৰ উৎপাদন পদ্ধতি আৰু ৰাহি অর্থনীতিৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- গণ বা সংঘসমূহৰ উখান আৰু ক্রিয়-কর্মৰ বিষয়ে জানিব পাৰিব,
- খ্রীঃপূঃ ষষ্ঠ শতিকাৰ মহাজনপদৰ উখানৰ কাৰণসমূহ বিশ্লেষণ কৰিব পাৰিব,
- খ্রীঃপূঃ ষষ্ঠ শতিকাৰ অর্থনীতি, ধর্মীয় আৰু সামাজিক অৱস্থাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

এই অধ্যায়টিত আমি ষষ্ঠ শতিকাত সংঘটিত হোৱা ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিবৰ্তন সমূহৰ বিষয়ে আলোচনা কৰিবলৈ ওলাইছো। প্ৰাচীন ভাৰতৰ ইতিহাসত ষষ্ঠ শতিকাটো এক সুনিদিষ্ট ৰাজনৈতিক ইতিহাসৰ আৰম্ভনি হিচাপে গণ্য কৰা হয়। আঞ্চলিক উত্থানৰ ধাৰণা ষষ্ঠ শতিকাতে শক্তিশালী ৰূপত গঢ় লৈছিল। এইটো শতিকাতেই বৃহৎ ৰাষ্ট্ৰ গঠনৰ আৰম্ভনি হৈছিল। ইয়াৰ আগতে, বৈদিক যুগত আমি জনজাতীয় আৰ্হিৰ ৰাজনৈতিক সংগঠন হে দেখিবলৈ পাইছিলো । ৰাজনৈতিক উত্থানৰ উপৰিও খ্ৰীঃপূঃ ষষ্ঠ শতিকাত আমি সাংস্কৃতিক পৰিবৰ্তনো দেখিবলৈ পাওঁ। আমি এই অধ্যায়ত খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ অৰ্থনীতি, ধৰ্মীয় আৰু সামাজিক অৱস্থাৰ ওপৰতো আলোকপাত কৰিম।

৫.৩ কৃষি সম্প্ৰসাৰণ

বৌদ্ধ আৰু জৈন ধৰ্মৰ গ্ৰন্থসমূহে খ্ৰীঃপূঃষষ্ঠ শতিকাত গংগা উপত্যকাত সংঘটিত হোৱা কৃষি সম্প্ৰসাৰণৰ বিষয়ে উল্লেখ কৰিছে। বৌদ্ধ গ্ৰন্থসমূহত কৃষি সম্বন্ধীয় কিছুমান উপমা পোৱা গৈছে, যিবোৰে সেই সময়ৰ কৃষিৰ গুৰুত্ব আৰু সম্প্ৰসাৰণৰ বিষয়ে অৱগত কৰায়। সেই সময়ত জনসাধাৰণে জীৱ-জন্তু পোহন পৰম্পৰা অনুশীলন কৰিছিল যদিও ভূমি আছিল সকলোতকৈ গুৰুত্বপূৰ্ণ সম্পত্তি । নাঙল আৰু কাঁচি কৃষি কাৰ্যত ব্যৱহাৰ কৰা হৈছিল। বৌদ্ধগ্ৰন্থত উল্লেখ কৰা আন কৃষি সজুঁলি সমূহ আছিল 'কুদালা' বা 'কোৰ' আৰু খান্দিবৰ বাবে ব্যৱহাৰ কৰা সজুঁলি যেনে- ' খানিটি' আৰু 'নিক্কাদানা'।

ধান ৰোপন কাৰ্য গংগা উপত্যকাৰ কৃষি উৎপাদনৰ উল্লেখযোগ্য দিশ আছিল। আন কৃষি শস্যসমূহ আছিল খাদ্যশস্য, গম, যব, উৰহী আৰু তিল। কুঁহিয়াৰ খেতিও কৰা হৈছিল।

জৈন গ্ৰন্থত উল্লেখ কৰা মতে, সেইসময়ত দুই প্ৰকাৰৰ কৃষিক্ষেত্ৰ আছিল। এবিধ আছিল 'সেতু' আৰু আনবিধ আছিল 'কেতু'। কৃষিকাৰ্যৰ বাবে 'সেতু' ভূমিক জলসিঞ্চনৰ দৰকাৰ হৈছিল আৰু 'কেতু' ভূমিয়ে কৃষিকাৰ্যৰ বাবে প্ৰাধানকৈ প্ৰাকৃতিকভাৱে হোৱা বৰষুণৰ ওপৰত নিৰ্ভৰ কৰিছিল। চপোৱা শস্যবোৰ বাঁহ, খেৰ আৰু ঘাহেৰে নিৰ্মিত 'কোঠাগাৰ'ত সাঁচি ৰখা হৈছিল।

বৌদ্ধ গ্ৰন্থসমূহে উল্লেখ কৰা ভূমি বিক্ৰীয়ে সূচাই যে সেইসময়ত ব্যক্তিগত সম্পত্তিৰ ধাৰণাই গঢ় লৈছিল। গংগা উপত্যকাৰ কৃষিৰ সম্প্ৰসাৰণত লো আবিষ্কাৰে এক ডাঙৰ ভূমিকা পালন কৰিছিল। লো আৱিষ্কাৰ হোৱাৰ আগতে কৃষিকাৰ্য বাবে কাঠেৰে নিৰ্মিত নাঙলৰ ফাল ব্যৱহাৰ কৰা হৈছিল। কিন্তু লোৰ আৱিষ্কাৰৰ পাছত খেতিয়ক সকলে লোৰ নাঙলৰ ফাল ব্যৱহাৰ কৰিবলৈ ধৰিছিল। লোৰ নাঙলৰ ফাল ব্যৱহাৰ কৰাৰ ফলত মাটি গভীৰভাৱে খনন কৰিব পৰা গৈছিল, যিয়ে উৎপাদন বঢ়োৱাত সহায় কৰিছিল। ৰাহি উৎপাদনে বেপাৰ-বাণিজ্যৰ ক্ষেত্ৰত সহায় কৰিছিল। লোৰ আৱিষ্কাৰে জংঘল সমূহ লোৰ হাতিয়াৰৰ সহায়ত পৰিস্কাৰ কৰি কৃষি কাৰ্যৰ বাবে ব্যৱহাৰৰ উপযোগী কৰি তোলাত সহায় কৰিছিল। লোৰ হাতিয়াৰসমূহ বৈদিক যুগৰ

মানুহে ব্যৱহাৰ কৰা তামৰ হাতিয়াৰৰ তুলনাত কঠিন আছিল। ফলস্বৰূপে কৃষিৰ ৰাহি উৎপাদনে নগৰ কেন্দ্রসমূহৰ উখানত সহায় কৰিছিল।

৫.৪ উৎপাদন পদ্ধতি

খ্রীঃপূঃষষ্ঠ শতিকাৰ অতি গুৰুত্বপূর্ণ পৰিবর্তনসমূহ আহিছিল লোৰ প্রসাৰণৰ বাবে । লোৰ প্রসাৰণ আৰু কৃষিকার্যত ইয়াৰ বহুল ব্যৱহাৰে শ্রম উৎপাদনশীলতাত উল্লেখযোগ্য প্রভাৱ বিস্তাৰ কৰিছিল। লো প্রযুক্তিয়ে নতুন ধৰণৰ সজুঁলি (হাতিয়াৰ) প্রচলন ঘটাইছিল আৰু সেইবোৰৰ সংখ্যা বঢ়াইছিল । কৃষি আৰু শিল্প উৎপাদনত ই উন্নতি আনিবলৈ সক্ষম হৈছিল। কৃষিকর্মৰ বাবে প্রধান সামগ্রী হিচাপে তামৰ পৰা লোৰ হাতিয়াৰলৈ হোৱা এই পৰিৱর্তনটো উচ্চ গংগা উপত্যকাত খ্রীঃ পূঃ প্রায় সপ্তশতিকাতে হৈছিল। কিন্তু লো প্রযুক্তিয়েই পৰিবর্তনৰ একমাত্র কাৰণ নাছিল। ই কেৱল লো প্রযুক্তিৰ আৰম্ভনিৰ বাবেই নহয় কিন্তু এচাম লোকে নিজৰ কর্তৃত্ব স্থাপন কৰিবৰ বাবে তেওঁলোকৰ সুবিধা মতে ইয়াক ব্যৱহাৰ কৰিছিল । কাৰণ, লো প্রযুক্তিৰ ব্যৱহাৰৰ সময় ঠাইভেদে বেলেগ বেলেগ আছিল। এই সকলো অঞ্চলৰ সামাজিক বা অর্থনৈতিক গঠনত একেধৰণৰ পৰিবর্তন দেখা পোৱা নাছিল। উদাহৰণ স্বৰূপে দক্ষিণ ভাৰতত লোৰ ব্যৱহাৰ উত্তৰ ভাৰতৰ তুলনাত আগতে হৈছিল।

মার্ক্সবাদী দৃষ্টিভংগীৰে প্রাচীন ইতিহাস অধ্যয়ন কৰা ডি.ডি. কোশাম্বীৰ দৰে মার্ক্সবাদী ইতিহাসবিদসকলে প্রাচীন ভাৰতৰ উৎপাদন প্রথাবোৰ যথেষ্ট গুৰুত্ব সহকাৰে বিশ্লেষণ কৰি চাইছে। ঊনবিংশ শতিকাৰ আৰম্ভণিতে মার্ক্সে বিকশাই তোলা অৰিয়েণ্টেল ডেচপ'টিজম্‌ৰ ইউৰোপীয় ধাৰণাৰ অন্তর্ভুক্ত 'উৎপাদনৰ এচীয় প্রথা' (The Asiatic mode of production) টো কিন্তু ভাৰতীয় ইতিহাসত পোনে পোনে প্রয়োগ কৰিব পৰা নাযায়। কাৰন, সেই সময়ছোৱাত ভাৰতৰ সামাজিক আৰু অর্থনৈতিক সংৰচনাটো পৃথক আছিল। তেতিয়াও ভূমিৰ ব্যক্তিগত মালিকীস্বত্বৰ ধাৰণাটো আৰু বাণিজ্যিক বিকাশে পূর্ণাংগ ৰূপ লোৱা নাছিল। কিন্তু ডি ডি কোশাম্বীৰ মতে যদি 'জাতি' উৎপাদনৰ প্রাৰম্ভিক পর্যায়ত শ্রেণী হিচাপে আছিল, তেন্তে সেই পর্যায়টোত নিশ্চয় কিছুমান শ্রেণী সংঘাত অথবা পৰস্পৰ বিৰোধিতাও আছিল।

ডি .ডি. কোশাম্বীয়ে কোৱা 'উৎপাদন' কিন্তু কেৱল কোনো এক নির্দিষ্ট যুগৰ অর্থনীতি আৰু প্রযুক্তিৰ ক্ষেত্রতো সীমাৱদ্ধ নহয়। ই সমাজৰ একাধিক দিশক সামৰি লয়। উৎপাদন প্রথাৰ লগত জড়িত দুটা গুৰুত্বপূর্ণ দিশ হ'ল প্রযুক্তি কোনে নিয়ন্ত্রণ কৰে আৰু প্রযুক্তি কোনে ব্যৱহাৰ কৰে সেয়া অধ্যয়ন কৰা। কৌশাম্বীয়ে কৈছে যে প্রাচীন ভাৰতীয় ইতিহাসৰ এটা সামন্তবাদী অর্থনীতিৰ প্রকৃতি আছিল। সেয়েহে তেওঁ মার্ক্সৰ উৎপাদনৰ সামন্তবাদী প্রথাৰ তত্বটোৰ ওপৰত জোৰ দিছিল। অৱশ্যে সামন্তবাদৰ ইউৰোপীয় আৰু ভাৰতীয় ধাৰণাৰ মাজত এক পার্থক্য আছে।

৫.৫ ৰাজনীতি-গণ বা সংঘৰ উত্থান

খ্রীঃপূঃ ষষ্ঠ শতিকাত দুই প্রকাৰৰ চৰকাৰ দেখিবলৈ পোৱা গৈছিল। এবিধ আছিল গণ

বা সংঘ আৰু আনবিধ আছিল ৰাজ্য। গণ বা সংঘ সমূহ হিমালয়ৰ পাদদেশত থকা কেন্দ্রীয় আৰু পশ্চিম ভাৰত, পাঞ্জাৱ আৰু সিন্ধু উপত্যকাত অৱস্থিত আছিল। ৰাজ্যসমূহৰ অৱস্থান আছিল গংগা উপত্যকাৰ সমভূমি অঞ্চলত। কিন্তু গণ বা সংঘ সমূহ বেলেগ বেলেগ ঠাইত উত্থান হৈছিল। বৌদ্ধ গ্রন্থসমূহে গণ বা সংঘসমূহৰ বিষয়ে উল্লেখ কৰিছে। গণ আৰু ৰাজ্যসমূহৰ ৰাজনৈতিক গঠন আৰু কার্য বেলেগ বেলেগ আছিল। ৰাজনৈতিকভাৱে গুৰুত্বতা থকা গণসমূহ হিমালয়ৰ পাদদেশত বা ইয়াৰ ওচৰে পাজৰে পূৱ ভাৰতত অৱস্থিত আছিল। বৌদ্ধ গ্রন্থসমূহে কিছুমান গণৰ নাম উল্লেখ কৰিছে- কপিলাবস্তুৰ শাক্যসকল, দেৱদাহৰ কোলিয় সকল আৰু পিপ্পলিৱনৰ মৌর্যসকল ইত্যাদি।

গণ বা সংঘসমূহক গণৰাজ্য বুলিও কোৱা হৈছিল। গণ শব্দটোৱে সমান বা একে স্থিতিৰ মানুহক বুজায়। বৈদিক দর্শনৰ কঠোৰ বর্ণপ্রথাৰ বাবে তেওঁলোকে বৈদিক দর্শনৰ বিৰোধিতা কৰিছিল। বৌদ্ধ আৰু জৈন ধর্মৰ নতুন দর্শন, গণ বা সংঘ সমূহৰ মাজত জনপ্রিয় আছিল। গণৰ ভিতৰত পৰিয়ালৰ মূৱব্বীজন এটা কুলৰ অন্তভূক্ত আছিল। ৰাজতন্ত্রসমূহৰ তুলনাত গণসমূহৰ কিছুমান জনজাতীয় বৈশিষ্ট আছিল । সেই সময়ত দুই প্রকাৰৰ গণ দেখিবলৈ পোৱা গৈছিল- কিছুমান গঠন হৈছিল একে কুলৰ অন্তর্ভূক্ত মানুহৰ দ্বাৰা। উদাহৰণ স্বৰূপে শাক্য সকল আৰু কোলিয় সকল । কিছুমান গঠন হৈছিল বহুতো কুলৰ জোঁটৰ দ্বাৰা, যেনে বজ্জি সকল আৰু যাদৱ সকল।

প্রাচীন গণ সমূহ গণতান্ত্রিক নাছিল। অভিজাত শ্রেণীৰ এগৰাকী ক্ষত্রিয় মূৱব্বী প্রধানৰ ওপৰত ক্ষমতা ন্যস্ত আছিল। মূৱব্বীজনক গণপতি, গণজেষ্ঠ, গণ ৰজা বা সংঘমূখ্য নামে জনা গৈছিল।

গণসমূহ ক্ষত্রিয় সকলৰ লগত যুক্ত আছিল । সেয়েহে গণসমূহক শাসনাধিষ্ঠ ক্ষত্রিয় কুলৰ নাম দিয়া হৈছিল । এই প্রজাতান্ত্রিক ৰাজ্যসমূহৰ এটা গণ-পৰিষদ বা জনসাধাৰণৰ সংগঠন আছিল । সংগঠনটোৱে শাসনৰ পৰামর্শ প্রদান কৰিছিল। গণ বা সংঘসমূহে বর্ণব্যৱস্থাৰ ওপৰত আধাৰিত সমাজখন মানি লোৱা নাছিল। গণৰ মূৱব্বীজনক 'ৰজা' বোলা হৈছিল আৰু তেওঁ ৰাজনৈতিক আৰু সামাজিক ক্ষমতাৰ অধিকাৰী আছিল। গণৰ ভিতৰত ভূমিৰ অধিকাৰ এটা কুলক দিয়া হৈছিল। ভাড়া কৰি অনা শ্রমিক আৰু দাস সকলে ইয়াত কাম কৰিছিল। ৰাজতন্ত্রৰ তুলনাত গণ বা সংঘ সমূহে এটা সৰু ভৌগলিক পৰিসৰক শাসন কৰিছিল।

বংশ-আধাৰিত সমাজৰ পৰা এখন ৰাজ্যলৈ পৰিৱর্তন ৰখাৰ ফলত এক সুনির্ধাৰিত আৰু বসতি স্থাপন কৰা অঞ্চলৰ ওপৰত নিয়ন্ত্রণ ৰখা হৈছিল। এতিয়া আত্মীয়তা বন্ধনৰ পৰা শক্তিশালী ৰাজতন্ত্রিক সম্পর্কলৈ পৰিৱর্তন হৈছিল যি সূচায় যে শাসকৰ ক্ষমতা আৰু স্থিতি বৃদ্ধি পাইছে। ৰোমিলা থাপাৰৰ মতে, এখন ৰাজ্যই এক সার্বভৌম ৰাজনৈতিক সত্তা সূচায় আৰু ইয়াৰ উত্থান পৰিস্থিতিৰ এক জটিল নেটৱর্কৰ সৈতে সম্পর্কিত। ইয়াৰ ভিতৰত আছে জনসংখ্যাৰ ঘনত্ব, সম্পদৰ ওপৰত কেন্দ্রীভূত অংকন, এক নির্ধাৰিত আৰু সুস্বীকৃত অঞ্চলৰ ওপৰত নিয়ন্ত্রণ, নগৰীয় কেন্দ্রৰ উত্থান, সংগ্রহ কৰা কৰৰ পৰা ৰাজহ পৰিচালনা কৰা ৰাজনৈতিক কর্তৃপক্ষৰ অস্তিত্ব আৰু

নিম্নতম প্রশাসনৰ প্রক্রিয়াৰ জৰিয়তে ইয়াক পুনৰ বিতৰণ কৰা। এখন ৰাজ্য ব্যৱস্থাৰ উদ্ভৱ অসম শক্তি সম্পর্ক আৰু সম্পদৰ প্ৰৱেশাধিকাৰৰ সৈতে আৰু তাৰ পিছত সামাজিক বৈষম্যৰ অস্তিত্বৰ সৈতে মিলিত হয়। ৰাজনৰ কেন্দ্রীয়তা আৰু পৰৱৰ্তী বৈদিক সময়ৰ পৰা জনপদৰ ধাৰণাটোৰ জনপ্রিয়তাই সূচায় যে মধ্য গংগা উপত্যকাটো এক পৃথক পাৰিপার্শ্বিক পৰিৱেশৰ দ্বাৰা চিহ্নিত কৰা হৈছিল। মধ্য গংগা উপত্যতাৰ বিষয়ে বিতং তথ্য প্রাথমিকভাৱে বৌদ্ধ সাহিত্যত পোৱা যায়। পৰৱৰ্তী গণ-সংঘা (অলিগার্চি) যেনে বৃজ্জি, লিচ্চাভিৰ উত্থান আৰু তাৰ পিছত কোশল, মগধৰ দৰে ৰাজতন্ত্রই ৰাজ্য আধাৰিত কাঠামোলৈ পৰিৱর্তন সূচায়। মধ্য গংগা উপত্যকাত ৰাজ্য গঠনৰ প্রক্রিয়াটো আৰ.এছ. শর্মা, ডি.এন. ঝাৰ দৰে মার্ক্সবাদী ইতিহাসবিদসকলে লৌহ প্রযুক্তিৰ সৈতেও সম্পর্কিত কৰিছে।

বংশৰ পৰা এখন ৰাজ্যিক সমাজলৈ পৰিৱর্তন হোৱাটোৱে নতুনকৈ উদীয়মান ৰাজ্যসমূহৰ ৰাজনীতিৰ মুখ্যপদৰ পৰা ৰজালৈ পৰিৱর্তনৰ সংকেত দিছিল। ক্ষমতাৰ প্রশ্নটো শাসক পৰিয়ালত শক্তিশালীভাৱে কেন্দ্রীভূত হৈছিল। এই ক্ষেত্রত, ৰাজনৈতিক শক্তি এতিয়া ৰজাৰ ওপৰত কেন্দ্রীভূত হোৱাৰ বাবে ৰজা বা ৰজাৰ গুৰুত্ব যথেষ্ট বৃদ্ধি পাইছিল। পৰৱৰ্তী বৈদিক সময়ৰ পৰা জনপদৰ ধাৰণা জনপ্রিয় হোৱাৰ লগে লগে, ৰাজাৰ গুৰুত্ব আৰু তেওঁৰ বর্ধিত শক্তি লক্ষণীয়। এইটো মুখ্যতঃ ত্যাগ বা যজ্ঞৰ প্রদর্শনৰ বাবে বিস্তৃত ৰীতি-নীতিৰ পৰামর্শ দিয়াৰ ৰূপত আছিল। বিভিন্ন ত্যাগ যেনে ৰাজসুয়া, অস্বমেধ আৰু বাজপেয়ৰ প্রদর্শন। ৰাজাৰ বধির্থত শক্তিয়ে গণ, জন আৰু বংশ সমাজৰ মুখ্য অস্তিত্বৰ দ্বাৰা চিহ্নিত বংশসমাজৰ বৈশিষ্ট্যৰ পূর্বৰ ধাৰণাবোৰৰ সৈতে সংঘর্ষ বুজাইছিল।

ৰাজ্য স্থাপনে বুজাইছিল যে এতিয়া ৰাজা জনজাতীয় প্রধান নাছিল কিন্তু তেওঁ এটা সুস্থিত অঞ্চলৰ ওপৰত নিয়ন্ত্রণ প্রয়োগ কৰিছিল। তদুপৰি, সভা, পৰিষদৰ দৰে মন্ত্রী আৰু পৰামর্শদাতা পৰিষদৰ দ্বাৰা তেওঁক তেওঁৰ দায়িত্ব পালনত সহায় কৰা হৈছিল। গোত্রৰ আনুগত্য অধিক দীর্ঘম্যাদী সময়ত দুর্বল হৈ পৰিছিল আৰু ৰাজা বা ৰজাৰ প্রতি আনুগত্যৰ উদ্ভৱ হোৱাৰ পথ প্রশস্ত কৰিছিল। মধ্য গংগা উপত্যকা যেনে কাশী, কোশল, অৱন্তী, মগধৰ শক্তিশালী ৰাজ্যসমূহৰ উত্থানে ইংগিত দিছিল যে শক্তিশালী ৰাজতন্ত্র স্থাপন এই ৰাজ্যসমূহৰ এক গুৰুত্বপূর্ণ বৈশিষ্ট্য। শক্তিশালী শাসকীয় ৰাজতন্ত্রৰ অস্তিত্ব অবিহনে, এই ৰাজ্যবোৰে আঞ্চলিক সম্প্রসাৰণৰ ক্ষেত্রত যথেষ্ট সফলতা অর্জন কৰিব নোৱাৰিলেহেঁতেন। ৰাজাৰ কেন্দ্রীয়তা আৰু ইয়াৰ সৈতে ক্ষণতাৰ সম্পর্ক বংশানুক্রমিক শাসকত্বৰ ওপৰত গুৰুত্ব দিয়াৰ সৈতেও সম্পর্কিত আছিল, যাৰ ফলত ৰাজবংশীয় উত্তৰাধিকাৰৰ দিশত দীর্গম্যাদী পথ প্রশস্ত হৈছিল।

কেৱল বিস্তৃত ত্যাগৰ দ্বাৰা নহয়, কিন্তু প্রাথমিকভাৱে ব্রাহ্মণ বা পুৰোহিত শ্রেণীক উপহাৰ প্রদান অনুষ্ঠান কৰাৰ দ্বাৰা শাসকৰ স্থিতি বৃদ্ধি পাইছিল। ৰাজাৰ বর্ধিত শক্তিৰ সৈতে সম্পর্কিত আন এটা চিহ্নিত বৈশিষ্ট্য আছিল ৰীতি-নীতিৰ স্থিতি। যিহেতু ব্রাহ্মণসকলে বেদ আৰু সংস্কৃত ভাষাৰ জ্ঞান থকা ৰীতি-নীতিৰ ক্ষেত্রত সর্বোচ্চ স্থান দাবী কৰিছিল, তেওঁলোকৰ ক্ষত্রিয়ৰ মর্যাদা প্রদান কৰাৰ কর্তৃত্ব আছিল। সেয়েহে ৰজাসকলে বিস্তৃত ৰাতি-নীতি পালনৰ বাবে

পুৰোহিতসকলৰ ওপৰত নির্ভৰ কৰিছিল যিয়ে তেওঁলোকৰ ক্ষমতা আৰু মর্যাদাৰ দাবীক বৈধতা প্রদান কৰিছিল।

৫.৬ মহাজন পদসমূহ

লোৰ বহুল ব্যৱহাৰে উত্তৰ প্রদেশৰ পূৱ আৰু বিহাৰৰ পশ্চিম অঞ্চলত আঞ্চলিক প্রদেশ গঠনৰ বাবে অনুকুল পৰিস্থিতিৰ সৃষ্টি কৰিছিল। ভৌগোলিকভাৱে এই অঞ্চল সমূহ ডাঙৰ আছিল। যোদ্ধা শ্রেণীটোৱে ব্যাপকভাৱে লোৰে নির্মিত সঁজুলি ব্যৱহাৰ কৰিছিল। সেইবাবে বৃহৎ ৰাজ্যসমূহ গঠনৰ ক্ষেত্রত তেওঁলোকে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। তেওঁলোকে নিজকে এই ৰাজ্যসমূহৰ শাসনৰ ক্ষেত্রত নিয়োজিত কৰিছিল। নতুন আৰু উন্নত লোৰ সঁজুলি সমূহে কৃষক সকলক বেছি পৰিমানৰ খাদ্যশস্য প্রস্তুত কৰাত সহায় কৰিছিল। ৰাহি শস্যসমূহৰ কিছুমান প্রধান কেন্দ্র অঞ্চলত বিক্রী কৰা হৈছিল যিয়ে বজাৰ আৰু নগৰ নির্মানত সহায়ক হৈছিল। লো প্রজুক্তি ব্যৱহাৰ কৰাৰ ফলত মানুহৰ বৈষয়িক অৱস্থাৰ উন্নতি হৈছিল অৱধাৰিতভাৱে ইয়ে জনসাধাৰণক এডোখৰ নির্দিষ্ট ঠাইত স্থায়ীভাৱে বসতি কৰিবলৈ সক্ষম কৰি তুলিছিল। নগৰক কেন্দ্র কৰি বৃহৎ ৰাজ্যৰ উখানে আঞ্চলিক ৰাজ্যৰ ধাৰণাটো সুদৃঢ় কৰিছিল। সেই সময়ৰ পৰা জনসাধাৰণে তেওঁলোকৰ আনুগত্য দেখুৱাইছিল জনপদলৈ বা অঞ্চলবিশেষলৈ য'ত তেওঁলোক অন্তর্ভূক্ত আছিল। বৈদিক যুগত জনসাধাৰণে তেওঁলোক অর্ন্তভূক্ত 'জন' বা গোষ্ঠীলৈ আনুগত্য প্রদর্শন কৰিছিল।



জানি থোৱা ভাল

ৰাজ্য হ'ল ৰজা বা ৰাণীৰ দ্বাৰা শাসিত এক ভূখণ্ড। খ্রীঃপূঃ ষষ্ঠ শতিকাত গণ আৰু সংঘসমূহৰ উখানৰ লগতে গংগা উপত্যকাত ৰাজ্যৰো উখান হৈছিল। তিনিখন ৰাজ্য ক্রমে কাশী, কোশল, মগধ আৰু বৃজ্জিসকলৰ মাজত ক্ষমতাক লৈ অৰিয়াঅৰি হৈছিল। অৱশেষত মগধে সকলোকে পৰাস্ত কৰিবলৈ সক্ষম হৈছিল। প্রাচীন ভাৰতৰ প্রথম সুনির্দিষ্ট ৰাজনৈতিক ইতিহাসৰ আৰম্ভণি হৈছিল মগধৰ উখানৰ পৰাই।

খ্রীঃপূঃ ষষ্ঠ শতিকাত বিন্ধ্য পর্বতৰ উত্তৰে অৱস্থিত আৰু উত্তৰ-পশ্চিম সীমাৰ পৰা বিহাৰলৈ বিস্তৃত এই সমগ্র উত্তৰ ভূখণ্ড ষোলখন ৰাজ্য বা মহাজনপদত বিভক্ত আছিল। সেইসমূহক ষোড়শ মহাজনপদ বুলি জনা গৈছিল। বৌদ্ধ সাহিত্য যেনে- অংগুত্তৰা, মহাৰাষ্ট্র ইত্যাদিয়ে ষোড়ষ মহাজন পদৰ তালিকা দাঙি ধৰিছে । জৈন সাহিত্য যেনে - ভাগৱতী সূত্রইও ষোড়শ মহাজন পদৰ বিষয়ে উল্লেখ কৰিছে। কিন্তু ষোড়ষ মহাজনপদৰ নামৰ ক্ষেত্রত দুয়োটা উৎসৰ মাজত কিছু প্রভেদ দেখিবলৈ পোৱা যায়। মহৎ পণ্ডিত আৰু ব্যাকৰণবিদ পানিনিয়ে বৌদ্ধ উৎসকে সমর্থন জনাইছে। পানিনিৰ মতে মহাজনপদ দুই প্রকাৰৰ - কিছুমান ৰাজতন্ত্র আৰু আন

কিছু আছিল প্রজাতনন্ত্র । মহাজনপদসমূহৰ মাজত শক্তিশালী সমূহ আছিল - মগধ, কোশল, বৎস আৰু আৱন্তী। পৰম্পৰাগত সাহিত্য অনুসৰি যোড়শ মহাজনপদসমূহ খ্রীঃপূঃ ষষ্ঠ শতিকাত উত্তৰ ভাৰতত অৱস্থিত আছিল।

কাশী ঃ প্রসিদ্ধি লাভ কৰা প্রথম ৰাজ্যবোৰৰ ভিতৰত এখন আছিল কাশী, যি দক্ষিণে আচি নদী আৰু উত্তৰে বৰুণা নদীৰ মাজত অৱস্থিত আছিল। ৰাজধানী বাৰাণসী গংগা নদীৰ কাষত অৱস্থিত আছিল। জাতকৰ মতে কাশী আৰু কোশল ৰাজ্যৰ দীর্ঘদিনীয়া প্রতিদ্বন্দ্বিতা আছে। কাশীৰ মগধ আৰু অংগৰ সৈতেও বিক্ষিপ্ত মতবিৰোধ হৈছিল। এটা সময়ত উত্তৰ ভাৰতৰ অন্যতম শক্তিশালী ৰাজ্য। অৱশেষত, কাশী কোশল সাম্রাজ্যৰ অংশ হৈ পৰে।

কোশলা ঃ কোশল যোল্লখন সহাজনপদৰ ভিতৰত এখন আছিল। ই বর্তমান উত্তৰ প্রদেশৰ অযোধ্যা ৰাজ্যত অৱস্থিত আৰু কাশীৰ চুবুৰীয়া আছিল। দক্ষিণে সর্পিকা বা চয়ন্দিকা (চাই), উত্তৰে নেপালৰ উচ্চভূমি, আৰু পূব আৰু পশ্চিম দিশে কোশল ৰাজ্যত চাদানীৰা (গান্দক)। ইয়াক সৰয়ু নদীৰ দ্বাৰা এটা উত্তৰ আৰু দক্ষিণ অঞ্চলত বিভক্ত কৰা হৈছিল। শ্রৱতী, যাক এতিয়া চাহেত-মাহেতৰ দ্বেত বসতি বুলি জনা যায়, উত্তৰ কোশলৰ ৰাজধানী হিচাপে কাম কৰিছিল, আনহাতে কুশাৱতীয়ে দক্ষিণ কোশলৰ ৰাজধানী হিচাপে চিহ্নিত হৈছিল। চাহেথক পুৰণি জেটাভানা মঠৰ অৱস্থান হিচাপে চিনাক্ত কৰা হৈছে, আৰু মাহেথ এখন চহৰ আছিল। কোশল সাম্রাজ্য চহৰত সমৃদ্ধ আছিল আৰু ইয়াত সৰল ভূখণ্ড আছিল। কোশল ইক্ষাকু ৰাজবংশৰ শাসকসকলৰ আসন আছিল। সেই সময়ত, এই ৰাজবংশৰ নেতৃত্বত আছিল মহাকোশল। ইক্ষাকু ৰাজবংশক মহাভাৰতত এক অতি মহান ৰাজবংশ হিচাপে বর্ণনা কৰা হৈছে। মহাকোশলৰ পিছত ৰজা প্রসেনজিত সিংহাসনত আৰোহণ কৰিছিল।

অঙ্গ ঃ আংগা আজিৰ পূৱ বিহাৰৰ জিলা ভাগলপুৰ আৰু মুংগেৰ। এই ৰাজ্যখন গঙ্গা আৰু চম্পা নদীৰ দ্বাৰা পৰিবেসিস্তিত। এই ৰাজ্যৰ ৰাজধানী আছিল চম্পা চহৰ। এসময়ত, ভাৰতীয় ব্যৱসায়ীসকল চম্পা বন্দৰেদি অহা-যোৱা কৰিছিল, যি চহৰখনৰ বাণিজ্যিক কেন্দ্র হিচাপে কাম কৰিছিল। ভ্রমণকাৰীসকলৰ বিৱৰণত প্রায়ে চম্পাৰ পৰা সুৱর্ণভূমিলৈ ভ্রমণ কৰা ব্যৱসায়ীসকলৰ কথা উল্লেখ কৰা হৈছে, যি সুৱর্ণভূমিক দক্ষিণ-পূব এছিয়া হিচাপে চিনাক্ত কৰিব পাৰে। কর্ণই অঙ্গ ৰাজ্য শাসন কৰিছিল। আঙ্গাৰ পৰা অহা লোকসকল কোচিন বা দূৰ প্রাচ্যত বসতি স্থাপন কৰিছিল। ৰাজ্যখন মগধৰ সৈতে সংগ্রামত লিপ্ত আছিল। সেয়েহে, এই ৰাজ্যমগধৰ দ্বাৰা বশীভূত। সেই সময়ছোৱাত মগধৰ ৰজা আছিল বিম্বিচাৰা।

মগধ ঃ যোল্লখন মহাজনপদৰ ভিতৰত মগধ আছিল আটাইতকৈ শক্তিশালী ৰাজ্য। গঙ্গা নদী মগধৰ মাজেৰে বৈ গৈছিল। ফলস্বৰূপে, এই ৰাজ্যৰ মাটি অত্যন্ত উর্বৰ আছিল। খ্রীষ্টপূর্ব চতুর্থ শতিকাত তেতিয়া মগধ ৰাজ্যই নিজকে প্রভাৱশালী ৰাজনৈতিক শক্তি হিচাপে প্রতিষ্ঠা কৰিছিল। ৰাজ্যখনে আজিৰ বিহাৰৰ পাটনা আৰু গয়া জিলাসমূহকো সামৰি লৈছিল। ইয়াৰ সীমা আছিল ক্রমান্বয়ে দক্ষিণে বিন্ধ্যন পর্বতমালা আৰু উত্তৰ, পশ্চিম আৰু পূবে গংগা, সোন আৰু চম্পা নদী। আধুনিক যুগৰ ৰাজগীৰ এসময়ত গিৰিভৰাজ বা ৰাজগৃহ নামেৰে জনাজাত আছিল,

যি এই ৰাজ্যৰ ৰাজধানী আছিল। এই চহৰখন মহাবীৰ আৰু বুদ্ধ দুয়োৰে লগত গভীৰভাৱে সংযুক্ত আছিল। পৰৱৰ্তী সময়ত ৰাজধানীখন পাটালিপুত্রলৈ স্থানান্তৰিত কৰা হয়, যি বৰ্তমানৰ পাটনা। বৌদ্ধ সাহিত্য অনুসৰি, খ্রীষ্টপূর্ব ষষ্ঠ শতিকাত কিংবদন্তি খ্যাত হৰিয়াঙ্কা ৰাজবংশই মগধ শাসন কৰিছিল। এই ৰাজ্যৰ প্রথম ৰজা আছিল বিম্বিসাৰ। মগধ এখন সাম্রাজ্যবাদী ৰাজ্য আছিল যি ক্রমাৎ প্রসাৰিত হৈছিল। ফলস্বৰূপে, মগধ এনে এক সাম্রাজ্যৰ কেন্দ্র হৈ পৰিছিল সমগ্র ভাৰততে বিস্তৃত হৈ আছিল।

ৱাজ্জি (বৃজ্জি) ঃ বজ্জী এখন স্বায়ত্তশাসিত গণৰাজ্য আছিল। বৃজ্জী গণসংঘৰ ৰাজধানী বৈশালীত আছিল আৰু গঙ্গাৰ উত্তৰে পূৰ ভাৰতত অৱস্থিত আছিল। বৃজ্জি সংঘক বুদ্ধৰ জীৱনকালত আটাইতকৈ গুৰুত্বপূর্ণ মহাজনপদ হিচাপে গণ্য কৰা হয়। ভগৱান গৌতম বুদ্ধৰ জন্ম এই ৰাজ্যৰ সিংহকুলাত হৈছিল আৰু জৈনৰ অন্তিম তীর্থঙ্কৰা মহাবীৰাৰ জন্ম এই ৰাজ্যৰ জ্ঞাত্রিকুলত হৈছিল। কানিংহাম আৰু ৰিজ ডেভিডে দাবী কৰে যে এই গণৰাজ্য আঠটা জনজাতিৰে সহাৱস্থান কৰিছিল। এই আঠখন গণৰাজ্যৰ ভিতৰত এখন আছিল ভাজ্জি। বৈশালী এই ৰাজ্যৰ ৰাজধানী চহৰ আছিল। ই আজিৰ মুজাফ্ফৰপুৰ জিলাত অৱস্থিত। আধুনিক ভাৰতৰ অন্যতম মহান চহৰ আছিল বৈশালী। কেইবাখনো বৌদ্ধ লেখত বৈশালীৰ সমৃদ্ধিৰ কথা উল্লেখ কৰিছে। ৰজা বিম্বিসাৰৰ শাসনত বৃজ্জী গণসংঘ আৰু মগধৰ মাজত বৈবাহিক সম্পর্কও সৃষ্টি হৈছিল। ইয়ে সূচায় যে এই সংঘৰ গোত্রবোৰে তেওঁলোকৰ স্থিতি সমান আৰু পৃথক সত্তা হিচাপে বজাই ৰাখিবলৈ সক্ষম হৈছিল, সেয়েহে সংঘৰ ভিতৰতো তেওঁলাকৰ স্বকীয় পৰিচয় কঠোৰভাৱে বজাই ৰাখিছিল। আনকি গণসংঘত-বিশেষকৈ বৃজ্জীসকলক প্রায়ে বৌদ্ধ আৰু জৈন্য লেখত ক্ষত্রিয় বুলি কোৱা হয়, আমি ধৰি লোৱা উচিত নহয় যে তেওঁলোকে এটা বর্ণবাদী সমাজত বাস কৰিছিল। তেওঁলোকে ৰাজ্যতকৈ অধিক গোত্রৰ ঐতিহ্য সংৰক্ষণ কৰিছিল। ইয়াৰ সীমাবদ্ধতা স্বত্বেও, তেওঁলোকে এখন সভাৰ জৰিয়তে গোত্র শাসন প্রয়োগ কৰিছিল।

মল্ল ঃ মল্লবোৰ নটা জনজাতিৰ এক সংঘ আছিল যি ভাজ্জীসকলতকৈ অধিক পশ্চিমলৈ বাস কৰিছিল। যোল্লখন মহাজনপদৰ ভিতৰত মল্ল আছিল দ্বিতীয়া গণতান্ত্রিক ৰাজ্য। এই ৰাজ্যখনৰ ৰাজধানী আছিল কুশীনগৰ। ইয়াৰ ভিতৰত দুটা মুখ্য ৰাজনৈতিক কেন্দ্র আছিলঃ কুশিনাৰা আৰু পাৱা। সৰু গান্দকৰ ওপৰত গোৰখপুৰৰ প্রায় ৭৭ কিলোমিটাৰ পূবত অৱস্থিত কুশিনাৰাক কাচিয়া বুলি চিনাক্ত কৰা হৈছে। বুৰঞ্জীবিদসকলে পাৱাক পাদাৰাওনা গাওঁ বুলি চিনাক্ত কৰিছে, যি কাচিয়াৰ পৰা প্রায় ২৬ কিলোমিটাৰ উত্তৰ-পূবত, বা বিহাৰৰ আধুনিত পৱাপুৰী হিচাপে চিনাক্ত কৰিছে। বজ্জীসকলৰ মল্লসকলৰ সৈতে সুদৃঢ় সম্পর্ক আছিল। কিন্তু কেতিয়াবা তেওঁলোকৰ মাজত মতবিৰোধ নোহোৱাকৈ থকা নাছিল। ভগৱান গৌতম বুদ্ধৰ কুশীনগৰত মৃত্যু হৈছিল।

চেতিয়া (চেদি) ঃ চেদি ৰাজ্য মধ্য ভাৰতৰ পূব অঞ্চল বুন্দেলখণ্ডত অৱস্থিত আছিল। বিশেষজ্ঞসকলে মহাভাৰতৰ শুক্তিমতি বা শুক্তিসাহৱায়াক ৰাজধানী চহৰ চট্টিৱতিনগৰৰ সৈতে সংযুক্ত কৰিছে। জবলপুৰৰ ওচৰৰ মর্নদা উপত্যকাৰ সাগৰ আৰু ত্রিপুৰীৰ কাষৰ প্রাচীন চহৰ এয়াৰাকিনা (এৰান) সম্ভৱতঃ চেদি ৰাজ্যৰে এটা অংশ আছিল। মহাভাৰত আৰু তাৰো পৰৱৰ্তী

স্তৰত, চেদি এখন প্ৰসিদ্ধ ৰাজ্য আছি। চেদি কাশী ৰাজ্যৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। পিছলৈ মৎস্য ৰাজ্যই চেদি ৰাজ্যত যোগদান কৰিছিল।

ভামচা (বৎস) ঃ বৎস ৰাজ্য উত্তৰ প্ৰদেশৰ গাঙ্গেয় সমভূমিত অৱস্থিত আছিল। কৌশাম্বীয়ে ৰাজ্যখনৰ ৰাজধানী হিচাপে কাম কৰিছিল। বৎস এখন সু-বিকশিত কৃষি প্ৰধান ৰাজ্য আছিল। বৎস প্ৰায়ে ভামচা ৰূপে উচ্চাৰণ কৰা হয়, উৎকৃষ্ট কপাহৰ বাবে বিখ্যাত ৰাজ্য আছিল। ইয়াৰ ৰাজধানী আছিল কৌশাম্বী, যি বৰ্তমানৰ প্ৰয়াগৰাজৰ ওচৰত অৱস্থিত। গংগা উপত্যকা, ডেক্কান আৰু উত্তৰ-পশ্চিমৰ সৈতে সংযোগ কৰা বাণিজ্যিক নেটৱৰ্কত কৌচাম্বিৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছিল। প্ৰায় ৬০০ খ্ৰীষ্টপূৰ্বৰ এই দুৰ্ধৰ্ষ প্ৰতিৰক্ষা প্ৰণালীবোৰ খননৰ সময়ত আৱিস্কাৰ কৰা হৈছিল। ৰজা উদয়নে বৎসক এক শক্তিশালী মহাজনপদ নেতৃত্ব দিছিল। ৰজা প্ৰদ্যুতে প্ৰায় একে সময়তে অৱন্তী শাসন কৰিছিল। তেওঁলোকৰ প্ৰতিদ্বন্দ্বিতাৰ বিষয়ে কেইবাটাও কিংবদন্তি আছে। পৌৰাণিক গাথা অনুসৰি, ৰাজ্যখন বৈদিক যুগৰ কুৰু আৰু ভাৰত বংশৰ বাসস্থান আছিল। উদয়ন হৈছে কমেও তিনিখন প্ৰসিদ্ধ সংস্কৃত নাটকৰ নায়ক। ইয়াৰ ভিতৰত আছে হৰ্ষৰ ৰত্নাৱলী আৰু প্ৰিয়দৰ্শিকা আৰু প্ৰখ্যাত কবি ভাসৰ স্বপ্ন-বাসৱদত্তা।

কুৰু ঃ কুৰুসকলে আধুনিক গংগা-যমুনা দোৱাব অঞ্চলত বসতি স্থাপন কৰিছিল। বৌদ্ধ কিবদন্তী অনুসৰি কুৰু সাম্ৰাজ্য যুধিষ্ঠিলা গোত্ৰৰ শাসক বা যুধিষ্ঠিৰৰ পৰিয়ালৰ দ্বাৰা পৰিচালিত হৈছিল। তেওঁলোকৰ ৰাজধানী আছিল ইন্দাপট্টা (ইন্দ্ৰপ্ৰস্থ)। মহাভাৰতৰ কুৰু ৰাজধানী হস্তিনাপুৰত আছিল যেতিয়ালৈকে বানপানীয়ে ইয়াৰ স্থানান্তৰ কৰিবলৈ বাধ্য কৰাইছিল। জৈন ক্লাছিক উত্তৰাধ্যায়ণ সূত্ৰৰ এটা প্ৰসংগ হৈছে ইচুকাৰা নামৰ কুৰু ৰজাৰ, যি তাৰ পৰা শাসন কৰিছিল। বুদ্ধৰ সময়লৈকে কুৰুছ্ব ৰাজতন্ত্ৰ আছিল। তাৰ পিছত তেওঁলোক সংঘলৈ ৰূপান্তৰিত হয় যিহেতু খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাত কুৰু ৰাজ্যৰ কোনো মহান ৰজা নাছিল, ৰাজ্যখন বিস্মৃতিৰ গৰ্ভত হেৰাই গৈছিল। ফলস্বৰূপে, মগধে ৰাজ্যখন নিজৰ ৰাজ্যৰ ভিকৰুৱা কৰিলে।

পাঞ্চাল ঃ পাঞ্চাল মহাজনপদ বৰ্তমানৰ ৰোহিলণখাণ্ড অঞ্চললৈ বিস্তৃত আছিল আৰু গঙ্গাৰ দ্বাৰা বিভক্ত হৈছিল। তদুপৰি, ৰাজ্যখনৰ দুখন ৰাজধানী আছিল ঃ দক্ষিণ পাঞ্চালৰ ৰাজধানী কাম্পিল্য উত্তৰ প্ৰদেশৰ ফাৰুখাবাদ জিলাৰ কাম্পিলৰ সৈতে সম্পৰ্কিত আছিল, আনহাতে উত্তৰা (উত্তৰ) পাঞ্চালৰ ৰাজধানী অহিচ্ছত্রক উত্তৰ প্ৰদেশৰ বাৰেলীৰ বৰ্তমানৰ ৰামনগৰ বুলিচিনাক্ত কৰা হৈছিল। অৰ্থশাস্ত্ৰৰ মতে, পাঞ্চালসকল ৰাজতন্ত্ৰবিহীন ৰাজনীতিলৈ ৰূপান্তৰিত হোৱাৰ আগতে ৰাজতন্ত্ৰবাদী ৰাজনীতি আছিল। মহাজনপদত গুৰুত্বপূৰ্ণ নগৰীয়া কেন্দ্ৰ আছিল, ক্ৰমে কন্যাকুবজ আৰু কনৌজ।

মাচাছা (মৎস্য) ঃ খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ আশে পাশে মৎস্য ভাৰতৰ অন্যতম বিশিষ্টি ৰাজ্য আছিল। মৎস্যসকলে বৰ্তমান ৰাজস্থানৰ পূব অঞ্চলৰ আশে-পাশে বাস কৰিছিল, য'ত জয়পুৰ, আলৱাৰ আৰু ভৰতপুৰ অঞ্চল অন্তৰ্ভুক্ত আছে। এই ৰাজ্যখন মহাভাৰতৰ প্ৰখ্যাত "বিৰাট ৰজা"ৰ দ্বাৰা প্ৰতিষ্ঠা কৰা হৈছিল, আৰু বিৰাটনগৰপৰৱৰ্তী সময়ত তেওঁৰ ৰাজ্যৰ ৰাজধানী হৈ

পৰিছিল। বৌদ্ধ ধৰ্মগ্ৰন্থসমূহে সাধাৰণতে সুৰসেনক মৎস্যৰ সৈতে সম্পৰ্কিত কৰে। সময়ত মৎস্য ৰাজ্য চেদী ৰাজ্যৰ অন্তৰ্ভুক্ত হৈছিল।

সুৰসেন ঃ সুৰসেনসকল যমুনা দোৱাব অঞ্চলত বাস কৰিছিল আৰু মথুৰাত তেওঁলোকৰ ৰাজধানী আছিল। বৌদ্ধ পৰম্পৰা অনুসৰি, সুৰসেনৰ ৰজা অৱন্তীপুত্ৰ বৌদ্ধ ধৰ্মৰ অনুগামী আছিল। কেৱল তেওঁৰ নামটোৱেই সুৰসেন আৰু অৱন্তীৰ মাজত বিবাহৰ ইংগিত দিয়ে, কিয়নো ইয়াৰ আক্ষৰিক অৰ্থ হৈছে "অৱন্তীৰ পুত্ৰ"। এই ক্ষেত্ৰত, যদু ৰাজবংশে মহাভাৰত আৰু পুৰাণ অনুসৰি শাসন কৰিছিল। সুৰসেনৰ ৰজা অৱন্তীপুত্ৰ বুদ্ধৰ অনুগামী আছিল। আন কেইবাটাও ৰাজনৈতিক কেন্দ্ৰৰ দৰে, মথুৰাই বাণিজ্যিক পথৰ বাবে এক গুৰুত্বপূৰ্ণ চাৰিআলি হিচাপে কাম কৰিছিল যি উত্তৰক ডেক্কান আৰু পশ্চিম উপকূলৰ সৈতে সংযুক্ত কৰিছিল।

অসক (অশ্মাকা) ঃ পানীনিৰ অষ্টাধ্যায়ী, মার্কণ্ডেয় পুৰাণ, বৃহৎসংহিবা আৰু গ্ৰীক প্ৰতিবেদনকে ধৰি বিভিন্ন উৎসত অসক ৰাজ্যৰ কথা উল্লেখ কৰা হৈছে। বৌদ্ধ লেখনিবোৰে মহাৰাষ্ট্ৰৰ অসকক গোদাৱৰী নদীৰ পাৰৰ ঠাই বুলি ক'ব খোজে। পোটানা যাক পোদানৰ লগত ইয়াৰ ৰাজধানী আছিল আৰু সমসাময়িক বোধানৰ লগত তুলনা কৰা হয়। জাতকৰ উল্লেখ আছা যে অসকসকলে পূব ভাৰতৰ কলিঙ্গসকলক সাময়িকভাৱে পৰাভূত কৰিছিল আৰু কিছু কালৰ বাবে অসকসকল কাশীৰ অধীন হৈছিল।

অৱন্তী ঃ মহাজনপদ অৱন্তী মধ্য ভাৰতৰ মালৱা অঞ্চলত অৱস্থিত আছিল। অৱন্তীৰ দুখন ৰাজধানী আছিল ঃ মহিষ্মতী, যি এতিয়া মধ্যপ্ৰদেশৰ পশ্চিম অঞ্চলৰ মহেশ্বৰ, আৰু উজ্জয়িনী, যি ৰাজ্যখনৰ আধুনিক উজ্জয়িনীৰ ওচৰত আছে। ডেক্কান আৰু পশ্চিম উপকূলীয় বন্দৰবোৰ দুয়োখন চহৰৰ জৰিয়তে উত্তৰ ভাৰতৰ সৈতে সংযুক্ত আছিল, যাৰ ফলত সেইবোৰ বাণিজ্যৰ বাবে গুৰুত্বপূৰ্ণ কেন্দ্ৰ হৈ পৰিছিল। অৱন্তী ইয়াৰ শাসক প্ৰদ্যুতাৰ বাবে জনাজাত আছিল, যি বৎস, মগধ আৰু কোশলৰ লগত সংঘৰ্ষত লিপ্ত আছিল।

গান্ধাৰ ঃ গান্ধাৰ ৰাজ্যত বৰ্তমানৰ পেছাৱাৰ আৰু পাকিস্তানৰ ৰাৱালপিণ্ডি জিলা আছে। গান্ধাৰ কুভ নদীৰ দক্ষিণ পাৰত অৱস্থিত আছিল। গান্ধাৰৰ ৰাজধানী চহৰ আছিল তক্ষশিলা বা টেক্সিলা। ই বাণিজ্য আৰু শিক্ষাৰ কেন্দ্ৰ হিচাপে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছিল। সমগ্ৰ পৃথিৱীৰ পণ্ডিতসকলে সাধনা আৰু জ্ঞান লাভ কৰিবলৈ "তক্ষশিলা বিশ্ববিদ্যালয়"ত একত্ৰিত হৈছিল। তক্ষশিলাৰ খনন কাৰ্যত তিনিটা বৃহৎ বসতিস্থল উদঘাটন কৰা হৈছিল ঃ ভিৰ টিলা, চিৰকাপ আৰু চিৰসুখ। আটাইতকৈ পুৰণি চহৰখন ভীৰ টিলাৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হয়। ভীৰ টিলাৰ প্ৰাৰম্ভিক পৰ্যায়ত ৰূপালী চিদ্ৰ যুক্ত মুদ্ৰা আৰু অন্যান্য প্ৰকাৰৰ মুদ্ৰা আৱিষ্কাৰ কৰা হৈছে। পুষ্কৰাচাৰিন, যাক ৰজা পুক্কচাতি বুলিও জনা যায়, যুদ্ধত অৱন্তীক পৰাস্ত কৰাৰ পিছত খ্ৰীষ্টপূৰ্ব ষষ্ঠ সতিকাত গান্ধাৰ শাসন কৰিছিল।

কম্বোজ ঃ কম্বোজ ৰাজ্য উত্তৰ-পশ্চিম ভাৰতত গান্ধাৰৰ সমীপৱৰ্তী ৰাজ্য হিচাপে জনা যায়। পাকিস্তানৰ হাজাৰা প্ৰদেশত অৱস্থিত অৱস্থিত আধুনিক সময়ৰ ৰাজৌৰি অঞ্চলটো কম্বোজৰ অংশ আছিল। মহাভাৰতত কম্বোজৰ কথাও উল্লেখ আছে। কোৱা হয় যে কম্বোজ বৈদিক ব্ৰাহ্মণ

সংস্কৃতিৰ কেন্দ্ৰ। কিন্তু আৰ্য বসতিসমূহ ভাৰতীয় গঙ্গা-যমুনা অঞ্চললৈ অধিক বিস্তৃত হোৱাৰ লগে লগে কম্বোজৰ গুৰুত্ব হ্ৰাস পাইছিল। সেই সময়ত ৰাজপুৰ ৰাজ্যৰ ৰাজধানী আছিল। খ্ৰীষ্টপূৰ্ব ৬ষ্ঠ শতিকাৰ আগলৈকে কম্বোজ ৰাজতন্ত্ৰ আছিল, যদিও পিছলৈ অৰ্থশাস্ত্ৰৰ দৰে গ্ৰন্থসমূহে ইয়াক গণসংঘ বুলি উল্লেখ কৰে। খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাত আলেকজেণ্ডাৰে ভাৰততপ্ৰৰেশ কৰাৰ সময়ত কম্বোজ ৰাজ্যৰ পতন ঘটে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃশুদ্ধ নে অশুদ্ধ লিখক ।

(ক) লোৰ আৰিস্কাৰে খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ অৰ্থনৈতিক গঠনৰ বৈপ্লবিক পৰিবৰ্তন সাধন কৰিছিল ।

(খ) গণৰ মুৰব্বী জনক 'ৰজা' বোলা হৈছিল।

(গ) বৃজ্জি ৰাজতন্ত্ৰ আছিল ।

(ঘ) ভাগৱতী সূত্ৰ বৌদ্ধ গ্ৰন্থ

(ঙ) বিম্বিসাৰ বুদ্ধৰ সমসাময়িক আছিল।

৫.৭ অৰ্থনৈতিক অৱস্থা

খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ উত্তৰ ভাৰতৰ অৰ্থনৈতিক অৱস্থা বৈদিক যুগতকৈ যথেষ্ট উন্নত আছিল। লোৰ ব্যৱহাৰে ষষ্ঠ শতিকাৰ সম্পূৰ্ণ অৰ্থনৈতিক গাঁথনিটোৰে বৈপ্লবিক পৰিবৰ্তন সাধন কৰিছিল। লোৰ ব্যৱহাৰে কৃষি পদ্ধতি উন্নত কৰি তুলিছিল। তেতিয়া জনসাধাৰণে লোৰ সঁজুলি ব্যৱহাৰ কৰি জংঘলসমূহ কৃষিৰ বাবে ব্যৱহাৰ কৰিব পৰাকৈ পৰিষ্কাৰ কৰি তুলিছিল। ইয়াৰ উপৰিও তেওঁলোকে কাঠৰ নাঙলৰ ফালৰ সলনি লোৰ নাঙলৰ ফাল ব্যৱহাৰ কৰিছিল। ইয়ে মাটি গভীৰলৈ খন্দাত সহায়ক হৈছিল, ফলস্বৰূপে উৎপাদন বাঢ়িছিল। প্ৰয়োজনীয় শস্য ব্যৱহাৰ কৰাৰ পাছত ৰাহি হোৱা শস্যসমূহ কেন্দ্ৰ অঞ্চলত বিক্ৰী কৰা হৈছিল। ইয়ে বজাৰ পদ্ধতিৰ সূচনা কৰিছিল আৰু পাছলৈ বেপাৰ-বাণিজ্যৰ আৰম্ভণি কৰিছিল।

খ্ৰীঃপূঃ ষষ্ঠ শতিকাত উত্তৰ ভাৰতত নগৰ লোকালয় বোৰৰ উখান হৈছিল । নগৰ লোকালয়বোৰৰ বেলেগ বেলেগ ধৰণৰ কাৰ্য আছিল। নগৰ লোকালয় সমূহ ৰাজনৈতিক নিয়ন্ত্ৰন, বেপাৰ-বাণিজ্য কাৰ্য কলাপ আৰু শিল্প উৎপাদনৰ কেন্দ্ৰ আছিল। এই বৃহৎ ৰাজ্যবোৰৰ উখানে গংগা উপত্যকাত দ্বিতীয় নগৰীকৰণৰ সূচনা কৰিছিল। বৌদ্ধ গ্ৰন্থসমূহে বিভিন্ন প্ৰকাৰৰ নগৰ কেন্দ্ৰৰ কথা উল্লেখ কৰিছে। চহৰক 'পুৰ ' বুলি কোৱা হৈছিল। 'নগৰ' শব্দটোৱে চহৰ বুজায়। 'নিগম' আছিল বজাৰ চহৰ (Market Town) । নিগম সমূহ বাণিজ্যিক কাৰ্যকলাপৰ লগত জড়িত আছিল। ৰাজধানী চহৰ সমূহক 'ৰাজধানী' বুলি কোৱা হৈছিল। সৰু চহৰক 'নগৰ' আৰু ডাঙৰ চহৰক 'মহানগৰ' বুলি কোৱা হৈছিল।

কৃষিৰ উপৰিও সেইসময়ৰ জনগন বিভিন্ন ধৰণৰ শিল্প কার্যৰ লগতো জড়িত আছিল। প্রাচীন বৌদ্ধ গ্রন্থসমূহে গ্রাম্য আৰু নগৰ কেন্দ্রীক দুই ধৰণৰ পেচা বিষয়ে উল্লেখ কৰিছে। কৃষক, পশুপালক, বণিক আদিৰ উপৰিও এই গ্রন্থসমূহে ধোবী, নাপিত, দর্জি, চিত্রকৰ আৰু ৰান্ধনীৰ বিষয়েও উল্লেখ কৰিছে। ৰজাই জনসাধাৰণক সৈন্য (যোদ্ধাজীৱস), মন্ত্রী (মহামাচাস), প্রাদেশীক শাসক বা গৱর্নৰ (ৰথিকা), সম্পত্তীৰ গৰাকী (পত্তানিকা), ৰজাৰ ব্যক্তিগত ধনভঁৰালী (থপতি), হাতী প্রশিক্ষক(হাতীৰোহা), আৰক্ষী (ৰজাভত্র), জেইল অধীক্ষক (ভণ্ডগৰীকা), দাস (দাস আৰু দাসী) আৰু বেতনভোগী শ্রমিক (কর্মকাৰ) আদিত নিয়োগ কৰিছিল। নগৰীয়া পেচাসমূহ আছিল ডাক্তৰ (বৈজ্ঞ), শল্য চিকিৎসক (সলাকট্টা) আৰু প্রতিলিপিকর্তা (লাখা), মার্জিত ৰুচিৰ বাৰংগনা আৰু সাধাৰণ গণিকাৰ (ৰেশি) ও উল্লেখ আছিল বৌদ্ধ গ্রন্থসমূহত। বৌদ্ধ গ্রন্থসমূহে গিল্ড্ বা শ্রেণীৰ অৱস্থিতিৰ কথাও উল্লেখ কৰিছে। শ্রেণী, নিগম, পুগা, ব্রত আৰু সংঘ ইত্যাদি শব্দ সমূহ ব্যৱহাৰ কৰা হৈছিল। এই অভিধা সমূহ বিভিন্ন প্রকাৰৰ যৌথ সংগঠন বুজাবলৈ ব্যৱহৃত হৈছিল।

মুদ্রাৰ ব্যৱহাৰ নগৰীকৰণৰ এটা উল্লেখযোগ্য বৈশিষ্ট আছিল। সেই সময়ত কহপন, নিক্কা, কামচা, মাচাকা, আৰু কাকনিকা আদি মুদ্রাসমূহৰ প্রচলন আছিল। পাঞ্চমার্ক মুদ্রা বা চিহ্ন সম্বলিত মুদ্রাবোৰ মূলত ঃ ৰূপৰ দ্বাৰা নির্মিত আছিল। মুদ্রা অর্থনীতিৰ প্রচলনে পৰম্পৰাগত বিনিময় প্রথাৰ বিলুপ্তি ঘটোৱা নাছিল। ইয়ে অর্থনৈতিক আদান-প্রদানত এটা পৰিবর্তন সূচাইছিল আৰু দীর্ঘম্যাদী বেপাৰ - বাণিজ্যৰ ক্ষেত্রত সহায় কৰিছিল। ধন ধাৰে দিওতা কিছুমান মানুহৰ বাবে পেচাত পৰিণত হৈছিল।

খ্রীঃপূঃ ষষ্ঠ শতিকাত বাণিজ্যই জনসাধাৰণৰ অর্থনৈতিক জীৱনৰ ওপৰত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। সেই সময়ৰ দুটা উল্লেখযোগ্য বাণিজ্যিক পথ আছিল উত্তৰপথ আৰু দক্ষিণ পথ । উত্তৰ পথ উত্তৰ ভাৰতৰ বাণিজ্যিক পথ আছিল। ই উত্তৰ পশ্চিমৰ পৰা আৰম্ভ হৈ ইণ্ডো-গংগা সমতলৰ মাজেৰে, বংগ উপকুলৰ তাম্রলিপ্তি বন্দৰলৈকে বিস্তৃত আছিল বাণিজ্য সামগ্রীসমূহ আছিল মূল্যবান আৰু অর্ধ মূল্যবান পাথৰ । আফগানিস্থান আৰু মধ্য এছিয়াৰ পৰা লেপিচ লাজুলী সংগ্রহ কৰা হৈছিল। ৰূপ সংগ্রহ কৰা হৈছিল আফগানিস্তান আৰু মধ্য এছিয়াৰ পৰা। কিন্তু ৰূপ ৰাজস্থানতো উপলব্ধ আছিল। পূৱ উপকুলৰ পৰা শংখসমূহ নিম্ন আৰু মধ্য গংগা উপত্যকাৰ ঠাইসমূহলৈ আমদানি কৰা হৈছিল। 'উত্তৰ পথ' স্থল আৰু জল দুইপ্রকাৰৰ পথ আছিল। 'দক্ষিণ পথ' আছিল দক্ষিণৰ বাণিজ্য পথ। এই পথৰ বিষয়ে অর্থশাস্ত্রই উল্লেখ কৰিছে । ই বিস্তৃত আছিল মগধৰ পাতলিপুত্রৰ পৰা গোদাবৰী নদীৰ পাৰৰ প্রতিস্থানলৈ । পশ্চিম উপকুলৰ বন্দৰ সমূহৰ লগতো ই সংলগ্ন আছিল। চিকিৎসক জীৱক, দক্ষিণ পথেৰে অৱন্তীলৈ গৈছিল। স্থলপথ সংযোগী বাণিজ্যও প্রচলিত আছিল। তক্ষশিলা আফগানিস্তানৰ লগত স্থলপথেৰে সংযুক্ত আছিল। ইৰাণৰ পৰা ৰূপ, সোণ, জেড পাথৰ আৰু লেপিচ লাজুলী আমদানী কৰা হৈছিল। ভাৰত আৰু মেচোপটেমিয়াৰ মাজত এক দূৰবর্ত্তী কাঠৰ বাণিজ্য আছিল। এইদৰে বেপাৰ - বাণিজ্যৰ উখান আৰু প্রসাৰে বণিকসকলক এক গুৰুত্বপূর্ণ গোটত পৰিণত কৰাইছিল।



অনুশীলনী ৫.১

পাঞ্চমার্ক মুদ্রাৰ ওপৰত এটা চমু টোকা প্ৰস্তুত কৰক।

.....

.....

৫.৮ ধর্মীয় অৱস্থা

খ্রীঃপূঃ ষষ্ঠ শতিকাত গংগা উপত্যকাত বিভিন্ন ধর্মীয় শাখাৰ উদ্ভৱ হৈছিল। সেই সময়ত প্রায় ৬২ টা ধর্মীয় শাখাৰ উত্থান দেখিবলৈ পোৱা গৈছিল। কিন্তু সেই সমূহৰ ভিতৰত কেৱল বৌদ্ধ আৰু জৈন ধর্ম হে বর্তি থাকিবলৈ সক্ষম হৈছিল আৰু প্রধান ধর্ম হিচাপে স্থায়ী হৈছিল। ব্রাহ্মণ্যবাদৰ আচাৰ মূলক দমনৰ বিৰুদ্ধে এই দুটা ধর্ম প্রকৃত্বতে প্রতিৰোধী সংগ্রামহে আছিল। ষষ্ঠ শতিকাৰ এই সংমিশ্রিত শাখা সমূহৰ উত্থানৰ ক্ষেত্রত সামাজিক আৰু অর্থনৈতিক কাৰকসমূহে প্রভাৱ বিস্তাৰ কৰিছিল।

বর্ণৰ ওপৰ ভিত্তি কৰি গঠন হোৱা সামাজিক অৱস্থা এই ধর্মীয় শাখাসমূহৰ উত্থানৰ ক্ষেত্রত এটা গুৰুত্বপূর্ণ কাৰক আছিল। বৈদিক যুগৰ শেষৰ পিনে বা বৈদিক যুগৰ পাছত সমাজখন চাৰিটা বর্ণত বিভক্ত হৈছিল ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র । প্রাৰম্ভিক বৈদিক যুগত বর্ণৰ ধাৰণা নির্ভৰ কৰিছিল মানুহৰ কর্মৰ ওপৰত ভিত্তি কৰি । ব্রাহ্মণ আৰু ক্ষত্রিয় সকলক উচ্চ বর্ণ হিচাপে গণ্য কৰা হৈছিল আৰু তেওঁলোকে সমাজত উন্নত স্থান অধিকাৰ কৰিছিল। ব্রাহ্মণ সকল, যিয়ে পুৰোহিতৰ কর্তব্য পালন কৰিছিল, তেঁলোকে সমাজত আটাইটকৈ উচ্চ স্থান বিছাৰিছিল, পুৰস্কাৰ দাবী কৰিছিল আৰু কৰ - কটাল আৰু শাস্তিৰ পৰা ৰেহাই বিছাৰিছিল। বর্ণ পদানুক্রমত ক্ষত্রিয় সকলৰ স্থান আছিল দ্বিতীয়। তেওঁলোকে শাসনৰ গুৰি ধৰিছিল আৰু ৰজা আছিল। তেওঁলোকে কৃষক সকলৰ পৰা কৰ আদায় কৰিছিল। বৈশ্যসকল বর্ণ পদানুক্রমত তৃতীয় স্থানত আছিল আৰু কৃষি পশুপালন আৰু বাণিজ্যিক কামত নিয়োজিত হৈছিল। শূদ্র সকলৰ স্থান বর্ণ পদানুক্রমত একেবাৰে শেষত বুলি গণ্য কৰা হৈছিল আৰু তেওঁলোকৰ কর্তব্য আছিল উপৰোক্ত তিনি বর্ণক সেৱা - শুশ্রূষা কৰা। বর্ণ বিভক্ত সমাজখনে যথেষ্ট সমস্যাৰ সৃষ্টি কৰিছিল ক্ষত্রিয় সকলক যিহেতু শাসক শ্রেণী আছিল সেয়েহে তেওঁলোকৰ বৈশ্যসকলতকৈ বেছি অসন্তুষ্টি আৰু ক্ষোভ আছিল। তেওঁলোকে প্রত্যক্ষভাৱে ব্রাহ্মণ সকলৰ আচাৰ সম্পর্কীয় দমনৰ বিৰোধিতা কৰিছিল। কিন্তু পাছলৈ কর্মৰ বদলি জন্মই মানুহৰ বর্ণ নির্ধাৰণ কৰিবলৈ ধৰিলে। পুৰোহিত শ্রেণীহিচাপে পৰিগণিত ব্রাহ্মণসকলৰ বিৰুদ্ধে ক্ষত্রিয় সকলে প্রদর্শন কৰা প্রতিক্রিয়া নব্যধর্মসমূহ উত্থানত এক উল্লেখযোগ্য কাৰক আছিল।

উত্তৰ ভাৰতত নতুন অৰ্থনীতিৰ প্ৰসাৰ আছিল এই ধৰ্মসমূহৰ উখানৰ আন এটা কাৰণ। উত্তৰ - পূৱৰ ঠাইসমূহ ঘণ জংঘলেৰে আৱৰা আছিল। লোৰ আৱিষ্কাৰৰ আগতে সেই অঞ্চলসমূহত কাম কৰা জনসাধাৰণে হাড়ৰ দ্বাৰা তৈয়াৰী সজুঁলি, শিলৰ সজুঁলি আৰু তামৰ সজুঁলিৰ দ্বাৰা জংঘলবোৰ পৰিষ্কাৰ কৰি লৈছিল। লোৰ সজুঁলিৰ ব্যৱহাৰে জংঘল পৰিষ্কাৰ কাৰ্য সহজসাধ্য কৰি তুলিছিল। কৃষি অৰ্থনীতি আছিল লোৰ নাঙলৰ ফালৰ ওপৰত ভিত্তি কৰি হোৱা আৰু তাৰ বাবে প্ৰয়োজনীয় আছিল বলধ। কিন্তু বৈদিক যুগৰ মানুহে পশুধনক বৈদি ক যজ্ঞত ব্যৱহাৰ কৰিছিল। সেয়েহে পশুধনৰ নাটনিয়ে নব্য কৃষি অৰ্থনীতিলৈ ভাবুকি কঢ়িয়াই আনিছিল। নব্য অৰ্থনীতিৰ সুস্থিৰতাৰ বাবে পশুপালন গুৰুত্বপূৰ্ণ হৈ পৰিছিল। সেয়েহে বৈদিক যাগ- যজ্ঞত কৰা পশুবলি বন্ধ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছিল।

মুদ্ৰা অৰ্থনীতিৰ ব্যৱহাৰেও বেপাৰ বাণিজ্যৰ উন্নতিৰ ক্ষেত্ৰত সহায়ক হৈছিল। কিন্তু তেওঁলোকৰ বিশাল সম্পত্তি থকা স্বত্বেও বৈশ্যসকলে উচ্চ বৰ্ণৰ (ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়) লগত একে সামাজিক স্থান পোৱা নাছিল। তেওঁলোকৰ নিজৰ সামাজিক স্থিতি উন্নত কৰিবলৈ তেওঁলোকে অন্য এক ধৰ্মৰ সন্ধানত আছিল।

৫.৮.১ জৈন ধৰ্মৰ উত্থান

মহাবীৰ আছিল জৈনসকলৰ ধৰ্মীয় গুৰু । জৈন সকলে বিশ্বাস কৰিছিল যে মহাবীৰ আছিল জৈনসকলৰ শেষ আৰু ২৪ তম্ তিৰ্থাংকৰ। তেওঁৰ পূৰ্বতে আৰু ২৩ জন তিৰ্থাংকৰ আছিল। মহাবীৰৰ সঠিক জন্ম আৰু মৃত্যুৰ তাৰিখ নিৰ্ধাৰণ কৰা জটিল। এটা পৰম্পৰা মতে , মহাবীৰৰ জন্ম হৈছিল ৫৪০ খ্ৰীঃপূঃ ত বৈশালীৰ ওচৰৰ এখন গাঁৱত। তেওঁৰ দেউতাক সিদ্ধাৰ্থ আছিল এটা ক্ষত্ৰিয় কুলৰ মূৰব্বী। মহাবীৰৰ মাকৰ নাম আছিল ত্ৰিশলা। মহাবীৰে তেওঁৰ সাংসাৰিক জীৱন ত্যাগ কৰিছিল সত্যৰ সন্ধান কৰিবৰ বাবে আৰু 'কৈৱল্য' প্ৰাপ্তি হৈছিল বাৰ বছৰৰ পাছত তেওঁ ৰ বিয়াল্লিশ বছৰ বয়সত। তেওঁ ত্ৰিশ বছৰ ধৰি ধৰ্ম প্ৰচাৰ কৰিছিল আৰু বাসত্তৰ বছৰ বয়সত ৰাজগীৰৰ ওচৰৰ পাৱপুৰীতমৃত্যুবৰণ কৰিছিল। জৈনধৰ্মই **পাঁচটা বিধান বা মূলমন্ত্ৰ** আগবঢ়াইছে। সেইবোৰ হ'ল- হিংসা নকৰা, মিছা নোকোৱা, চুৰ নকৰা, সম্পত্তি অৰ্জন নকৰা আৰু ব্ৰহ্মাচাৰ্য পালন কৰা। এইটো কোৱা হয় যে, পঞ্চম বিধান টো আছিল মহাবীৰে প্ৰৱৰ্ত্তন কৰা বাকী চাৰিটা মহাবীৰৰ পূৰ্বসূৰীয়ে প্ৰৱৰ্তন কৰিছিল। জৈন ধৰ্মই অহিংসা নীতিৰ অৰ্থাৎ কোনো জীৱিত প্ৰাণীকে আঘাত নকৰিবলৈ গুৰুত্ব আৰোপ কৰিছিল। পাছৰ কালত **জৈনধৰ্ম দুটা** ভাগত বিভক্ত হয়, **শ্বেতাম্বৰ**, যিসকলে বগা বস্ত্ৰ পৰিধান কৰে আৰু **দিগম্বৰ**, যি সকলে বস্ত্ৰ পৰিধান নকৰে। জৈন ধৰ্মই ভগৱানৰ অস্তিত্বক বিশ্বাস কৰে যদিও তেওঁলোকৰ 'জিন'তকৈ নিম্ন স্থানত ৰাখে। জৈন ধৰ্মই বৰ্ণ বিৰোধিতা কৰা নাছিল। জৈন ধৰ্মৰ মূল লক্ষ্য আছিল এই পাৰ্থিৱ পৃথিৱীৰ আৰু ইয়াৰ বন্ধনৰ পৰা মোক্ষ প্ৰাপ্তি। কিন্তু এই মুক্তিৰ ধাৰণা পাবলৈ জৈনধৰ্মই কোনো আচাৰ বা ৰীতি নীতি

প্ৰৰ্তন কৰা নাছিল। মুক্তি পাবলৈ হ'লে শুদ্ধ জ্ঞান, শুদ্ধ বিশ্বাস আৰু শুদ্ধ কৰ্মৰ দ্বাৰাহে পাব পাৰি । এই তিনিবিধিক জৈন ধৰ্মৰ **'ত্ৰিৰত্ন'** বুলি জনা গৈছিল ।

জৈন ধৰ্ম দক্ষিণ আৰু পশ্চিম ভাৰতলৈ বিস্তাৰ লাভ কৰিছিল। চতুৰ্থ শতিকাত জৈন ধৰ্ম কলিংগলৈকো বিস্তৃতি লাভ কৰিছিল। জৈনধৰ্মই উল্লেখযোগ্য বৰঙনি প্ৰদান কৰিছে। এয়া আছিল বৈদিক ধৰ্মৰ আচাৰ বা ৰীতি নীতিৰ বিৰুদ্ধে, কৰা প্ৰথম প্ৰতিৰোধ। প্ৰথম অৱস্থাত জৈনধৰ্মই সংস্কৃত ভাষা উলাই কৰিছিল যিহেতু এইটো ব্ৰাহ্মণ সকলৰ দ্বাৰা পৃষ্ঠা পোষকতা লাভ কৰা ভাষা আছিল । তেওঁলোকৰ বিধান সমূহ প্ৰচাৰ কৰাৰ বাবে প্ৰাকৃত ভাষা ব্যৱহাৰ কৰিছিল। প্ৰাকৃত ভাষা ব্যৱহাৰ কৰাৰ অন্যতম কাৰণ আছিল এইয়ে যে এইটো সাধাৰণ জনগণৰ ভাষা আছিল। ধৰ্মীয় গ্ৰন্থ বা সাহিত্যসমূহ অৰ্ধমাগধীত লিখা হৈছিল । আৰম্ভণিতে জৈনসকলে মুৰ্তিপূজা নকৰিছিল। কিন্তু পাছলৈ তেওঁলোকে মহাবীৰ আৰু আন তেইশ জন তিৰ্থাংকাৰক পূজা কৰিবলৈ লৈছিল।

৫.৮.১ বৌদ্ধ ধৰ্মৰ উত্থান


গৌতম বুদ্ধ বা সিদ্ধাৰ্থ আছিল বৌদ্ধ ধৰ্মৰ প্ৰৰ্তক আৰু তেওঁ মহাবীৰৰ সমসাময়িক আছিল। তেওঁ জন্ম লাভ কৰিছিল ৫৬৩ খ্ৰীঃপূঃ কপিলাবস্তুৰ ওচৰৰ পুম্বিনীৰ এটা সাক্য পৰিয়ালত। তেওঁৰ পিতৃৰ নাম আছিল শুদ্ধোধন আৰু মাতৃৰ নাম আছিল মায়াদেবী। ২৯ বছৰ বয়সত গৌতমে সত্যৰ সন্ধানত গৃহ ত্যাগ কৰে। সাত বছৰ কাল তেওঁ ভ্ৰমণ কৰাৰ পাছত অৱশেষত ৩৫ বছৰ বয়সত বোধগয়াৰ এজোপা আহঁত গছৰ তলত 'নিৰ্বান' লাভ কৰে। 'নিৰ্বান' লাভ কৰাৰ পাছত তেওঁক 'বুদ্ধ' বুলি জনা যায়। গৌতম বুদ্ধই তেওঁৰ প্ৰথম ধৰ্মীয় শিক্ষা দিছিল সাৰনাথৰ (বেনাৰস) এখন হৰিণৰ উদ্যানত। প্ৰায় আশী বছৰ বয়সত খ্ৰীঃপূঃ ৪৮৩ ত তেওঁ কুশিনাৰাত (উত্তৰ প্ৰদেশ) মৃত্যুবৰণ কৰে। বুদ্ধৰ মত অনুসৰি পৃথিৱীখন দুখেৰে পৰিপুৰ্ণ আৰু এই দুখৰ কাৰণ হ'ল মানুহৰ আশা আকাংক্ষা । আশা আকাংক্ষা সমূহ অষ্টমাৰ্গৰ অনুসৰণৰ দ্বাৰা জয় কৰিব পাৰি। মানুহে আশা -আকাংক্ষাবোৰ জয় কৰাৰ পাছতহে নিৰ্বান লাভ কৰিব পাৰে। **অষ্টমাৰ্গসমূহ** হ'ল- সজ নিৰীক্ষণ, সজ জীৱন বিৰ্বাহ, সজ অনুশীলন, সজ স্মৃতি, সজ বক্তব্য, সজ কৰ্ম, সজ সংকল্প আৰু সজ ধ্যাণ। এই ধৰ্মৰ অনুগামী সকলৰ বাবে বুদ্ধই কিছুমান নীতি নিৰ্ধাৰণ কৰিছিল। সেইবোৰ হ'ল- হিংসা নকৰা, আনৰ সম্পত্তি হস্তগত নকৰা, নিচাযুক্ত দ্ৰব্য সেৱন নকৰা, মিছা কথা নোকোৱা আৰু বেয়া কাম নকৰা। বৌদ্ধ ধৰ্মৰ ঈশ্বৰ আৰু আত্মাৰ ওপৰত বিশ্বাস নাছিল। লাহে লাহে বৌদ্ধ ধৰ্ম সমাজৰ নিম্ন শ্ৰেণীৰ মানুহৰ মাজত জনপ্ৰিয় হ'বলৈ ধৰিছিল। কাৰণ বৌদ্ধ ধৰ্মই বৰ্ণ বৈষম্যক আক্ৰমণ কৰিছিল। সকলো জাতি আৰু শ্ৰেণীৰ মানুহে বৌদ্ধ সংঘত প্ৰৰেশ কৰিব পাৰিছিল। পালি ভাষাৰ ব্যৱহাৰে বৌদ্ধ ধৰ্ম সাধাৰণ মানুহৰ মাজত প্ৰচাৰ হোৱাত

সাহায় কৰিছিল। বৌদ্ধ ধৰ্মৰ **তিনিটা প্ৰধান অংশ** আছিল - বুদ্ধ, সংঘ আৰু ধৰ্ম। মগধ, কোশল আৰু কম্বোজ আদি ৰাজতন্ত্ৰবোৰে বৌদ্ধ ধৰ্ম ৰাজধৰ্ম হিচাপে গ্ৰহণ কৰিছিল। মহান মৌৰ্য সম্ৰাট অশোকে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল। বৌদ্ধ ধৰ্ম প্ৰচাৰৰ কাৰণে তেওঁ বিভিন্ন ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছিল যেনে ধৰ্মযাত্ৰা (বিদেশ ভ্ৰমন) সেয়েহে সম্ৰাট অশোকৰ দিনত বৌদ্ধধৰ্ম প্ৰসাৰিত হৈছিল মধ্যএছিয়া, পশ্চিম এছিয়া আৰু শ্ৰীলংকা আদিলৈ আৰু এইদৰে বৌদ্ধ ধৰ্ম পৃথিৱীৰ ধৰ্মলৈ ৰূপান্তৰিত হৈছিল।

৫.৯ সামাজিক অৱস্থা

সেই সময়ত সমাজখন চাৰিটা ভাগত বিভক্ত আছিল - ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰসকল। ধৰ্মশাস্ত্ৰ সমূহে এই চাৰিটা বৰ্ণৰ বাবে কিছুমান নিৰ্দিষ্ট কৰ্তব্যৰ বিষয়ে উল্লেখ কৰিছে। আগতেই উল্লেখ কৰা হৈছে যে ব্ৰাহ্মণ আৰু ক্ষত্ৰিয় সকল উচ্চ বৰ্ণৰ আছিল। বৰ্ণপদানুক্ৰমৰ তৃতীয় ভাগত আছিল বৈশ্যসকল । বৰ্ণ শ্ৰেণীসজ্জা বা বৰ্ণপদানুক্ৰমৰ একেবাৰে শেষত আছিল শূদ্ৰসকল। শূদ্ৰসকল ধৰ্মীয় আৰু আইন সম্পৰ্কীয় অধিকাৰৰ পৰা বঞ্চিত আছিল। ব্ৰাহ্মণসকলে পুৰোহিত আৰু শিক্ষকৰ ভূমিকা পালন কৰিছিল। ক্ষত্ৰিয় সকল আছিল শাসক। বৈশ্যসকল কৃষি আৰু বেপাৰ-বাণিজ্যত নিয়োজিত হৈছিল। শূদ্ৰসকলক দাস হিচাপে গণ্য কৰা হৈছিল। আৰু আন তিনি বৰ্ণক শুশ্ৰূষা কৰিবলৈ দায়িত্ব দিয়া হৈছিল। যদিও বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মৰ উখানে কোনো কান্তিকাৰী পৰিবৰ্তন শূদ্ৰসকলৰ জীৱনলৈ অনা নাছিল তথাপি তেওঁলোক নতুন ধৰ্মীয় পদ্ধতিত অন্তৰ্ভূক্ত হ'ব পাৰিছিল।

খ্রীঃপূঃ ষষ্ঠ শতিকাত অস্পৃশ্যতাৰ ধাৰণা আছিল। পুৰণি ধৰ্মশাস্ত্ৰসমূহে চণ্ডাল সকলক প্ৰায়ে শূদ্ৰ বুলি গণ্য কৰিছিল। কিন্তু লাহে লাহে দুয়োটাৰে মাজত পাৰ্থক্য আহি পৰিছিল। পুৰুষ আৰু মহিলা- এই দুইধৰণৰ দাসৰ ধাৰণা প্ৰচলিত আছিল। তেওঁলোকৰ গৰাকী সকলৰপৰা মুকলি নোহোৱা পৰ্যন্ত বৌদ্ধ সংঘসমূহত সোমোৱাৰ অধিকাৰ নাছিল। ব্যক্তিগত সম্পত্তিৰ ধাৰণা গঢ় লৈছিল । পিতৃৰ সম্পত্তি উত্তৰাধিকাৰী অনুসৰি পাবলৈ পুত্ৰৰ অধিকাৰ আছিল। আন এটা ভাগত মহিলাসকলৰ অধিকাৰ আছিল। সেই ভাগটো হ'ল স্ত্ৰী-ধন। ই অস্থাৱৰ সম্পত্তি আছিল আৰু মহিলাসকলক প্ৰায়ে বিয়াৰ সময়ত দিয়া হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক

(ক) পাঞ্চমার্ক মুদ্ৰাবোৰ কপ্ৰধানকৈ কিহেৰে তৈয়াৰী আছিল?

.....

(খ) বংগ উপকূলৰ দুটা দৰকাৰী বন্দৰৰ নাম লিখক ।

.....

(গ) জৈন ধৰ্মত মহাবীৰৰ আগতে কিমান গৰাকী তিথাংকৰ আছিল ?

.....

(ঘ) বৌদ্ধ ধৰ্ম প্ৰচাৰৰ বাবে বুদ্ধই প্ৰধানকৈ কোনটো ভাষা ব্যৱহাৰ কৰিছিল ?

.....

(ঙ) বিদেশত বৌদ্ধ প্ৰচাৰ কৰিবলৈ আশোকে কেনে যাত্ৰা অৱলম্বন কৰিছিল ?

.....



৫.১০ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে-

- খ্রীঃপূঃ ষষ্ঠ শতিকাত লোৰ আৰিষ্কাৰে কৃষিৰ প্ৰযুক্তিৰ ক্ষেত্ৰত অভূতপূৰ্ব পৰিবৰ্তন আনিছিল। কৃষি পদ্ধতিত লোৰ সঁজুলিয়ে বৈপ্লৱিক পৰিবৰ্তন আনিছিল । ইয়ে পাছলৈ বেপাৰ বাণিজ্যৰ উন্নতি সাধন কৰিছিল।
- ষষ্ঠ শতিকাত ভাৰতৰ ৰাজনৈতিক গঠন নিয়ন্ত্ৰন হৈছিল গণ বা সংঘসমূহৰ দ্বাৰা। তথাপিও আমি ৰাজতন্ত্ৰৰ উখানো দেখিবলৈ পাইছিলো।
- মহাজনপদসমূহৰ উখান খ্রীঃপূঃ ষষ্ঠ শতিকাৰ এটা উল্লেখযোগ্য পৰিঘটনা । ষোলখন মহাজনপদৰ ভিতৰত আমি প্ৰজাতন্ত্ৰ আৰু ৰাজতন্ত্ৰ দুয়োটাই দেখিবলৈ পাওঁ।
- ষষ্ঠ শতিকাৰ অৰ্থনীতি ঘাইকৈ কৃষি কাৰ্যৰ দ্বাৰা নিয়ন্ত্ৰিত আছিল। এই সময়ছোৱাই মুদ্ৰা অৰ্থনীতিৰ ব্যৱহাৰ দেখুৱাইছিল।
- খ্রীঃপূঃ ষষ্ঠ শতিকাত আমি বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মৰ উখান দেখিবলৈ পাওঁ।
- সেই সময়ত সমাজখন বৰ্ণ প্ৰথাৰ ওপৰত নিৰ্ধাৰিত আছিল । আনকি সেইসময়ত আমি অস্পৃশ্যতা আৰু দাসপ্ৰথাও দেখিবলৈ পাওঁ।



৫.১১ অধিক জানিবলৈ

1) Kosambi, D.D. (2001): *The cultural Civilization of Ancient India in Historical outline*, Vikas Publishing House.

2) Thapar Romila (2003): *The Penguin History of Early India, from the origins to AD 1300*, Penguin Books India.

3) Singh Upindar (2009): *A history of Ancient and Early Medieval India, from the Stone Age to the 12th Century*, Pearson.



৫.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ (ঘ) অশুদ্ধ
(খ) শুদ্ধ (ঙ) শুদ্ধ (গ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰঃ (ক) ৰূপ (খ) তাম্ৰলিপ্তি
(গ) ২৩ (ঘ) পালি (ঙ) ধৰ্মযাত্ৰা



৫.১৩ আৰ্হি প্ৰশ্ন

(ক) বাস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ খ্ৰীঃপূঃ ষষ্ঠ শতিকাত কি ধৰণৰ কৃষি ভূমি প্ৰৱৰ্তিত আছিল?

প্ৰশ্ন ২ঃ গণৰোৰৰ ৰাজনৈতিক গঠন কি আছিল ?

প্ৰশ্ন ৩ঃ 'ৰাহি শস্য বুলিলে কি বুজে?

প্ৰশ্ন ৪ঃ খ্ৰীঃপূঃ ষষ্ঠ শতিকাত কেনে ধৰণৰ মুদ্ৰা ব্যৱহাৰ কৰা হৈছিল ?

(খ) চমু প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ ১৫০-৩০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ কৃষি কৰ্মৰ বিষয়ে আলোচনা কৰক ।

প্ৰশ্ন ২ঃ 'মোদ অৱ প্ৰডাকচ্ন' বুলিলে কি বুজে।

প্ৰশ্ন ৩ঃ গণ বা সংঘৰ উখান আৰু ৰাজনৈতিক গঠনৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ঃ খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ সামাজিক অৱস্থাৰ বিষয়ে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ অৰ্থনৈতিক ব্যৱস্থাত হোৱা পৰিবৰ্তনসমূহৰ বাবে লো প্ৰযুক্তিৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ মহাজনপদসমূহৰ উখানৰ বিষয়ে লিখক ।

প্ৰশ্ন ৩ঃ খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে বিষদভাৱে আলোচনা কৰক।

প্ৰশ্ন ৪ঃ বৌদ্ধ ধৰ্মৰ উকান আৰু প্ৰসাৰৰ বিষয়ে বিষদভাৱে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণ আৰু ইয়াৰ প্ৰভাৱ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ উত্তৰ-পশ্চিম ভাৰতৰ ৰাজনৈতিক অৱস্থা

৬.৩.১ প্ৰাচীন পাৰস্য দেশীয় আক্ৰমণ

৬.৩.২ পাৰস্যৰ সৈতে থকা সম্পৰ্কৰ ফল

৬.৪ আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণ

৬.৫ আলেকজেণ্ডাৰৰ আক্ৰমণৰ প্ৰভাৱ

৬.৬ গ্ৰীকসকল সন্দৰ্ভত ভাৰতীয় প্ৰতিক্ৰিয়া

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্ৰগতিৰ খতিয়ান

৬.১০ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- আলেকজেণ্ডাৰে ভাৰত আক্ৰমণ কৰাৰ আগতে উত্তৰ-পশ্চিম ভাৰতৰ ৰাজনৈতিক অৱস্থা কেনেকুৱা আছিল আলোচনা কৰিব পাৰিব
- প্ৰাচীন পাৰস্য দেশীয় আক্ৰমণৰ ইতিহাস জানিব পাৰিব
- আলেকজেণ্ডাৰৰ আক্ৰমণৰ বিভিন্ন দিশ বুজি পাব
- আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ প্ৰভাৱ আৰু ভাৰতীয়সকলে এই প্ৰভাৱ দেখুওৱা প্ৰতিক্ৰিয়া বিশ্লেষণ কৰিব পাৰিব।

৬.২ পৰিচয়

মেচিডনৰ মহান ৰজা আলেকজেণ্ডাৰে খৃষ্টপূৰ্ব ৩২৬ চনত কৰা ভাৰত আক্ৰমণ প্ৰাচীন ভাৰতীয় ইতিহাসৰ এক গুৰুত্বপূৰ্ণ ঘটনা। এই আক্ৰমণৰ পৰিণাম আছিল সুদূৰপ্ৰসাৰী। এই অধ্যায়টিত আমি আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণ আৰু এই আক্ৰমণৰ প্ৰভাৱ আলোচনা কৰিম। প্ৰথমে আমি এই আক্ৰমণৰ পটভূমি হিচাপে উত্তৰ-পশ্চিম ভাৰতৰ ৰাজনৈতিক অৱস্থা সম্পৰ্কে আলোচনা কৰিম। কাৰণ আলেকজেণ্ডাৰে উত্তৰ-পশ্চিম সীমান্তয়েদি ভাৰতত প্ৰৱেশ কৰিছিল। অধ্যায়টিৰ অন্য আলোচ্য বিষয় হ'ল আলেকজেণ্ডাৰতকৈও আগতে ভাৰত আক্ৰমণ কৰা

পাৰস্যসকল আৰু তেওঁলোকৰ সৈতে গঢ় লৈ উঠা সম্পৰ্কৰ প্ৰভাৱ।

৬.৩ উত্তৰ-পশ্চিম ভাৰতৰ ৰাজনৈতিক অৱস্থা

ইয়াৰ আগৰ অধ্যায়টিত আমি উত্তৰ ভাৰতত গঠন হোৱা বিভিন্ন জনপদৰ বিষয়ে আলোচনা কৰিছো। ৰাজনৈতিক আৰু অৰ্থনৈতিক আধিপত্যৰ গৰাকী হ'বলৈ এই জনপদবোৰে প্ৰায়েই পৰস্পৰৰ সৈতে যুদ্ধত লিপ্ত হৈছিল। অৱশেষত পূৱ গঙ্গা উপত্যকাত মগধ ৰাজ্যই সবাতোকৈ শক্তিশালী ৰূপ ধাৰণ কৰিছিল। ই বহুতো প্ৰ দেশ আৰু অঞ্চল নিজৰ অধীনলৈ আনি এখন সাম্ৰাজ্যত পৰিণত হৈছিল। কিন্তু উত্তৰ-পশ্চিম ভাৰতৰ ৰাজ্যবোৰৰ মাজত কোনো ধৰণৰ ৰাজনৈতিক একতা নাছিল। এই অঞ্চলটো কম্বোজ, গান্ধাৰ অথবা মাদ্ৰাৰ দৰে সৰু সৰু ৰাজ্যত বিভক্ত আছিল। আগতেই কোৱা হৈছে, ৰাজ্যবোৰে সঘনাই নিজৰ মাজতে যুদ্ধ কৰিছিল। এই ৰাজ্যবোৰৰ স্থিতিও গুৰুত্বপূৰ্ণ আছিল। ভৌগলিকভাৱে অঞ্চলটো ভাৰতীয় উপ-মহাদেশৰেই অন্তৰ্গত আছিল যদিও বিভিন্ন গিৰিপথেৰে মধ্য এচিয়াৰ সৈতে সংলগ্ন হৈ আছিল। বিদেশী লোকে হিন্দুকুশ পৰ্বতমালাত থকা গিৰিপথবোৰেদি সহজে ভাৰতত প্ৰৱেশ কৰিব পাৰিছিল। তলৰ শিতানতটোত এনে কিছুমান প্ৰয়াসৰ কথা আলোচনা কৰা হ'ল।

৬.৩.১ প্ৰাচীন পাৰস্য দেশীয় আক্ৰমণ

খৃষ্টপূৰ্ব ষষ্ঠ শতিকাত বৰ্তমানৰ ইৰান, ইৰাক আদি দেশ থকা এলেকাবোৰ সামৰি পাৰস্যত এখন সাম্ৰাজ্য গঢ় লৈ উঠিছিল। এই সামাজ্যখনক আকীমেনিদ সাম্ৰাজ্য (Achaemenid Empire) বোলা হৈছিল। খৃষ্টপূৰ্ব ৫৩০ চনত এই সাম্ৰাজ্যৰ সম্ৰাট চাইৰাছে হিন্দুকুশ পৰ্বত অতিক্ৰম কৰি ভাৰতলৈ আহিছিল। তেওঁৰ সামৰিক বাহিনীটো উত্তৰ-পশ্চিম ভাৰতৰ সৰু সৰু ৰাজ্যবোৰৰ সামৰিক বাহিনীতকৈ বহুগুণে অধিক শক্তিশালী আছিল। সম্ৰাট চাইৰাছে কম্বোজ আৰু গান্ধাৰৰ মানুহক কৰতলীয়া হ'বলৈ বাধ্য কৰাইছিল। তেওঁৰ পিচত, ৫১৬ খৃষ্টপূৰ্বত ৰজা দাৰিয়াচে পঞ্জাৰ, সিন্ধু উপত্যকাৰ পশ্চিম অংশটো আৰু উত্তৰ-পশ্চিম ভাৰতৰ সিন্ধক পাৰস্য সাম্ৰাজ্যৰ অন্তৰ্ভূক্ত কৰিছিল। এই অঞ্চলটো সমগ্ৰ পাৰস্য সাম্ৰাজ্যৰ ভিতৰতে সবাতোকৈ সাৰুৱা অঞ্চলত পৰিণত হৈছিল। উত্তৰ-পশ্চিম ভাৰতত বিভিন্ন সময়ত বিভিন্ন ৰজা অথবা সম্ৰাটে শাসন কৰিছিল। কেতিয়াবা আকৌ অঞ্চলটোত স্থানীয় শাসকৰ, কেতিয়াবা সম্প্ৰদায়ৰ মুখিয়ালৰ, আকৌ কেতিয়াবা পাৰস্য সম্ৰাটৰ শাসন চলিছিল।



জানি থোৱা ভাল

আকীমেনিয়ান লিপিত গান্ধাৰ আৰু হিন্দুকুশক চত্ৰাপীজ (Satrapies) অথবা প্ৰদেশ বুলি উল্লেখ কৰা হৈছে। প্ৰদেশ দুখন সমৃদ্ধিশালী অৱস্থাৰ বাবে জনাজাত আছিল।

৬.৩.২ পাৰস্যৰ সৈতে থকা সম্পৰ্কৰ ফল

উত্তৰ-পশ্চিম ভাৰতত পাৰস্যসকলে স্থাপন কৰা সম্পৰ্কৰ বিষয়ে আলোচনা কৰাৰ আগতে তলৰ কাল্পনিক পৰিস্থিতিটো বুজাৰ চেষ্টা কৰোঁ আহক।

প্ৰাৰম্ভিক পাৰস্য আক্ৰমণৰ পাছত উত্তৰ-পশ্চিম ভাৰতত পাৰস্যৰ সৈতে স্থাপন হোৱা যোগাযোগৰ সুদূৰপ্ৰসাৰী ফলাফল দেখা গৈছিল। এই যোগাযোগে উত্তৰ-পশ্চিম অঞ্চলটোলৈ বহুতো পৰিবৰ্তন কঢ়িয়াই আনি দুয়োখন দেশৰ মাজত সাংস্কৃতিক সম্পৰ্ক স্থাপন কৰিছিল।

পাৰস্যৰ সৈতে সম্পৰ্ক স্থাপন হোৱাৰ পাচতেই উত্তৰ-পশ্চিম ভাৰতৰ বহুতো নগৰৰ মহানগৰ কেন্দ্ৰলৈ পৰিণত হৈছিল। এনে উল্লেখনীয় কেন্দ্ৰ দুটা হ'ল গান্ধাৰ আৰু তক্ষশীলা। এই কেন্দ্ৰবোৰত ভাৰতীয় আৰু পাৰস্য শিক্ষাৰ মিলন ঘটিছিল। এই মিলনে ভাৰতীয় জীৱনৰ বিভিন্ন দিশক প্ৰভাৱিত কৰিছিল। প্ৰথমে উল্লেখ কৰিব পাৰি ভাৰতত আৰম্ভ হোৱা পাৰস্যৰ চিগ্‌ল'ইৰ (Sigloi) দৰে মুদ্ৰাৰ প্ৰচলন। আপুনি নিশ্চয় জানে যে বৌদ্ধ ধৰ্মপ্ৰসাৰ আৰু প্ৰচাৰ কৰিবলৈ সম্ৰাট অশোকে বহুতো শিলালিপি খোদিত কৰাইছিল (অধ্যায় ৭ আৰু ৮ত বিতং ভাৱে আলোচনা কৰা হৈছে)। তেওঁ হয়তো লিপি খোদাই কৰাৰ ধাৰণাটো পাৰস্য ৰজা দাৰিয়াচৰ পৰা ধাৰ কৰিছিল। উত্তৰ-পশ্চিম ভাৰতত বহুলভাৱে ব্যৱহৃত 'খাৰোষ্ঠি লিপি'ৰ (the script Kharosti) পাৰস্য আৰামেইক লিপিৰ পৰা উদ্ভৱ হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰঃ ১ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক ঃ

(ক) কম্বোজ / মগধ উত্তৰ-পশ্চিম ভাৰতত অৱস্থিত আছিল।

(খ) সম্ৰাট চাইৰাছে কাঞ্চনজংঘা / হিন্দুকুশ পৰ্বতমালা পাৰ হৈছিল।

(গ) উত্তৰ-পশ্চিম ভাৰতত খাৰোষ্ঠি/ ব্ৰাহ্মীমী লিপিৰ বহুল ব্যৱহাৰ কৰা হৈছিল।

প্ৰঃ ২ ঃ খালী ঠাই পূৰণ কৰক-

(ক) জনপদবোৰ..... ভাৰতত গঠন হৈছিল।

(খ) দাৰিয়াচ..... শাসক আছিল।

(গ)..... সকলে পাৰস্যৰ চিগ্‌ল'ইৰ দৰে মুদ্ৰাৰ প্ৰচলন কৰিছিল।


প্ৰঃ ৩ ঃ ৫০ টা শব্দৰ ভিতৰত প্ৰাচীন পাৰস্য আক্ৰমণৰ বিষয়ে লিখক।

.....

.....

৬.৪ আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণ

আলেকজেণ্ডাৰ আছিল মেচিডনৰ ৰজা ফিলিপৰ পুত্ৰ। ফিলিপৰ পাচত খৃষ্টপৰ্ব ৩৩৬ চনত আলেকজেণ্ডাৰ মেচিডনৰ ৰাজপাটত বহিছিল। খৃষ্টপূৰ্ব পঞ্চম শতিকাৰ পৰাই গ্ৰীক আৰু পাৰস্য ৰজাৰ মাজত আধিপত্যক লৈ যুঁজ-বাগৰ চলি আছিল। পাৰস্যই গ্ৰীছ আক্ৰমণ কৰিছিল। আলেকজেণ্ডাৰৰ শাসনকালতো এই শত্ৰুতাৰ ওৰ পৰা নাছিল। আলেকজেণ্ডাৰে তেওঁৰ পিতৃৰ পৰাই পাৰস্য আক্ৰমণৰ আঁচনিখন উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিছিল। খৃষ্টপূৰ্ব ৩৩৪ চনত আলেকজেণ্ডাৰে আইচাছৰ যুদ্ধত পাৰস্যৰ ৰজা দাৰিয়াচক পৰাজিত কৰিছিল। তাৰপাচত আলেকজেণ্ডাৰে অতি সহজে চিৰিয়া জয় কৰি ক্ৰমে গাজাষ্ট্ৰীপ, ইজিপ্ত, বেবিলন, চুচা আৰু পাৰচেপ'লিচ নিজৰ দখললৈ নিছিল। তেওঁ পাৰস্য ৰজাৰ অধীনস্থ অঞ্চলবোৰ এখন এখনকৈ নিজৰ তলতীয়া কৰিছিল। খৃষ্টপূৰ্ব ৩২৭ চনতআলেকজেণ্ডাৰে বেক্ট্ৰিয়াৰ পৰা ভাৰত জয় কৰিবলৈ যাত্ৰা আৰম্ভ কৰিছিল। তেওঁ সিন্ধু নদী পাৰহৈ আহি পাঞ্জাব দখল কৰে। কিন্তু তেওঁ নিজৰ অনুৎসাহী সেনানীৰ বাবে পুনৰ ঘুৰি যাবলৈ বাধ্য হয় আৰু এই যাত্ৰাৰ পাছত অতি সোনকালেই তেওঁৰ বেবিলনত মৃত্যু হয়।



চিত্ৰ ৬ .১ আলেকজেণ্ডাৰে লোৱা পথ

উৎস ঃ The Culture and Civilzation of Ancient India-An Historical Qutline by D.D. Kosambi



জানি থোৱা ভাল

পাৰস্যৰ ৰজা দাৰিয়াচে খৃষ্টপূৰ্ব ৪৯২ চনত গ্ৰীছ আক্ৰমণ কৰিবলৈ গৈছিল। ধুমুহা বতাহে পাৰস্যৰ নৌবাহিনী ছেদেলি-ভেদেলি কৰি পেলোৱাত তেওঁলোক উভতি আহিছিল। খৃষ্টপূৰ্ব ৪৯০ চনত পাৰস্যৰ ৰজাই পুনৰ গ্ৰীছ আক্ৰমণ কৰিবলৈ গৈছিল। কিন্তু মাৰাথনৰ যুদ্ধত গ্ৰীকসকলে পাৰস্যক পৰাজিত কৰিছিল। দাৰিয়াচৰ মৃত্যুৰ পাচত তেওঁৰ পুত্ৰ জেৰজেছ (Xerxes) ৰজা হৈছিল। খৃষ্টপূৰ্ব ৪৮০ চনত তেওঁ পুনৰ গ্ৰীছক আক্ৰমণ কৰিছিল। এইবাৰো চালামিত হোৱা ৰণখনত গ্ৰীকসকলে পাৰস্যক পৰাজিত কৰিছিল। গ্ৰীকসকলৰ পাৰস্যৰ সৈতে চলা এই সংঘাতকে পাৰস্য যুদ্ধ বুলি জনা যায়।

আপুনি ভাবিব পাৰে, আলেকজেণ্ডাৰ যদি পাৰস্যৰহে শত্ৰু আছিল তেন্তে তেওঁ ভাৰতক কিয় আক্ৰমণ কৰিছিল? খৃষ্টপূৰ্ব ৩২৬ চনতআলেকজেণ্ডাৰে ভাৰতত পদাৰ্পণ কৰিছিল। প্ৰৱেশৰ বাবে তেওঁ শত্ৰু দাৰিয়াচৰ নিয়ন্ত্ৰণত থকা অঞ্চল এটা বাছি লৈছিল। তেওঁ সমগ্ৰ পাৰস্য জয় কৰিব খুজিছিল। উত্তৰ-পশ্চিম ভাৰতৰ প্ৰদেশবোৰ আছিল পাৰস্যৰ পূৱ দিশৰ সীমা। ইয়াৰ উপৰি আলেকজেণ্ডাৰ আছিল ভৌগলিক অনুসন্ধিৎসা থকা ব্যক্তি। কিছুমান গ্ৰীক পণ্ডিতে বিশ্বাস কৰিছিল যে কাস্পিয়ান সাগৰ ভাৰতলৈকে বিস্তৃত। বহুতো পণ্ডিত অৱশ্যে এই বিষয়ত একমত হয়। এই মতবিৰোধটোক 'সাগৰৰ সমস্যা' (The problem of Ocean) নাম দিয়া হৈছিল। আলেকজেণ্ডাৰে এই সমস্যাটো সমাধান কৰিব খুজিছিল। তৃতীয়তে, আলেকজেণ্ডাৰে ভাৰতীয় প্ৰদেশবোৰৰ সমৃদ্ধি আৰু সৌন্দৰ্যৰ বিষয়ে শুনিছিল। সেয়েহে স্বাভাৱিকভাৱেই তেওঁ ভাৰতক নিজ সাম্ৰাজ্যৰ অধীন কৰিব খুজিছিল।

উত্তৰ-পশ্চিম ভাৰতৰ ৰাজনৈতিক অৱস্থা আলেকজেণ্ডাৰৰ অনুকূল আছিল। খৃষ্টপূৰ্ব ৩২৭ চনমানলৈ আলেকজেণ্ডাৰে নিজকে গ্ৰীছ আৰু পাৰস্যৰ গৰাকী কৰি তুলিছিল। আগতেই কৈ অহা হৈছে যে উত্তৰ-পশ্চিম ভাৰতত সেই সময়ত কোনো ৰাজনৈতিক একতা নাছিল। অঞ্চলটোত বহুতো স্বতন্ত্ৰ ৰাজ্য আৰু গণৰাজ্য অথবা জোঁটাধিপত্য (Oligarchies) আছিল। আটাইবোৰ শাসকৰ ভিতৰত মাত্ৰ দুজনহে কিছু প্ৰভাৱশালী আছিল। এজন আছিল তক্ষশীলাৰ শাসক অম্ভি আৰু আনজন আছিল ঝেলাম-চেনাব নদীৰ মাজৰ অঞ্চটোৰ শাসক পুৰু অথবা পোৰাচ। কিন্তু দুয়োগৰাকী শাসকেই আলেকজেণ্ডাৰক বাধা দিবলৈ সম্মিলিতভাৱে প্ৰয়াস নকৰিলে। আলেকজেণ্ডাৰে খাইবাৰ গিৰিপথ পাৰ হৈ ভাৰতত সোমাল আৰু অতি সহজেই ক্ষুদ্ৰ ভাৰতীয় ৰাজ্য তথা গণৰাজ্যবোৰ নিজৰ অধীন কৰি ল'লে।



চিত্ৰ ৬ .২ আলেকজেণ্ডাৰ

উৎস ঃ Google Images.

আপুনি নিশ্চয় আলেকজেণ্ডাৰ আৰু পুৰু মুখামুখি হোৱাৰ কাহিনীটো শুনিছে। পুৰুক লগ পোৱাৰ আগতে আলেকজেণ্ডাৰ তক্ষ্শীলা অভিমুখে ৰাওনা হৈছিল। তক্ষ্শীলাৰ ৰজা অম্ভিয়ে বিনা প্ৰতিবাদে আলোকজেণ্ডাৰৰ আধিপত্য মানি লৈছিল। আলেকজেণ্ডাৰে তক্ষ্শীলাত সৈন্য নিযুক্তি দিছিল আৰু সমৃদ্ধিশালী ৰাজ্যখনৰ পৰা কৰ সংগ্ৰহ কৰিছিল। তাৰপাচত আলেকজেণ্ডাৰে পুৰুৰ ৰাজ্য আক্ৰমণ কৰিছিল। পুৰুৱে গ্ৰীক সৈন্যক পাৰ্যমানে প্ৰতিহত কৰাৰ চেষ্টা চলাইছিল যদিও অৱশেষত পৰাজিত হৈছিল। কিন্তু পুৰুৰ বীৰত্বত আলেকজেণ্ডাৰ মুগ্ধ হৈছিল। সেয়েহে সম্পূৰ্ণ অচিনাকি দেশ ভাৰতত আলেকজেণ্ডাৰে পুৰুৰ সৈতে মিত্ৰতা স্থাপন কৰিছিল। পুৰুৱে নিজ ৰাজ্য ঘূৰাই পাইছিল। তাৰপাচত আলেকজেণ্ডাৰে সিন্ধু নদীৰে ভটিয়াই গৈ নদীৰ মোহনাত উপস্থিত হৈছিলগৈ। এইখিনিতে আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণ বন্ধ হৈছিল। কাৰণ তেওঁৰ সৈন্যসকলে তাতকৈ আগবাঢ়ি যাবলৈ অস্বীকাৰ কৰিছিল। ইয়াৰ উপৰি, গংগা উপত্যকাৰ শক্তিশালী নন্দ ৰাজ্যৰ কথাও নিশ্চয় আলেকজেণ্ডাৰৰ কাণত পৰিছিল। সিন্ধু নদীৰ মোহনাৰ পৰা আলেকজেণ্ডাৰ যি কাৰণতে উভতি নাহক কিয়, তেওঁ সৈন্যবলক দুভাগত বিভক্ত কৰিছিল। এভাগ সৈন্য পাৰস্য উপসাগৰেদি গ্ৰীছলৈ উভতি গৈছিল। আৰু আনটো ভাগে উপকূলৰ কাষেৰে যোৱা স্থলপথেদি উভটনি যাত্ৰা আৰম্ভ কৰিছিল। উভতি যোৱাৰ সময়তো আলেকজেণ্ডাৰে ৰাস্তাতে পোৱা বহুতো গণৰাজ্যক পৰাস্ত কৰিছিল। গ্ৰীকসকলে এই গণৰাজ্যবোৰক গণসংঘ নাম দিছিল। সম্ভৱতঃ এই গণৰাজ্যবোৰ জনজাতীয় অঞ্চল আছিল। খৃষ্টপূৰ্ব ৩২৩ চনত গ্ৰীছলৈ গৈ থকা অৱস্থাতে আলেকজেণ্ডাৰৰ মৃত্যু হৈছিল। ভাৰত এৰাৰ আগতে তেওঁ দুজনমান প্ৰশাসকক ভাৰতীয় অঞ্চলবোৰ শাসন কৰাৰ ভাৰ দিছিল। কিন্তু তেওঁৰ মৃত্যুৰ পাচত কোনো গ্ৰীক শাসকে ভাৰতত গ্ৰীক শাসন অব্যাহত ৰখাৰ প্ৰতি কোনো আগ্ৰহ প্ৰদৰ্শন নকৰিলে।



জানি থোৱা ভাল

আলেকজেণ্ডাৰক বিশ্ব ইতিহাসত সৰ্বকালৰ এগৰাকী সৰ্বশ্ৰেষ্ঠ সেনাধিনায়ক বুলি গণ্য কৰা হয়। খুব কম সময়ৰ ভিতৰতে তেওঁ এখন বিশাল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। কিন্তু তেওঁ দখল কৰা ৰাজ্যবোৰৰ প্ৰতি সৌহাৰ্দপূৰ্ণ আচৰণ প্ৰকাশ কৰিছিল। তেওঁ গ্ৰীছ আৰু এচিয়াৰ দেশবোৰৰ মাজত সাংস্কৃতিক সেঁতু নিৰ্মাণ কৰিছিল। তেওঁৰ ব্যক্তিত্বত থকা সেনানায়ক আৰু সুদক্ষ ৰাজনীতিকৰ গুণবোৰৰ বাবে তেওঁক 'মহান আলেকজেণ্ডাৰ (Alexander the Great) বুলি সন্মান যঁচা হৈছিল।

৬.৫ আলেকজেণ্ডাৰৰ আক্ৰমণৰ প্ৰভাৱ

ওপৰৰ আলোচনাৰ পৰা আপুনি নিশ্চয় আলেকজেণ্ডাৰে কিয় ভাৰত আক্ৰমণ কৰিছিল সেই বিষয়ে এক স্পষ্ট ধাৰণা কৰিব পাৰিছে। তেওঁ ভাৰতত প্ৰায় দুবছৰ কটাইছিল। তেওঁৰ এই আক্ৰমণৰ ফলত ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা, সমাজ অথবা অৰ্থনীতিত কিবা গ্ৰীক প্ৰভাৱ পৰিছিলনেকি সেয়া জানিবলৈ মন নাযায়নে? গ্ৰীকসকলৰ ওপৰত কিবা ভাৰতীয় প্ৰভাৱ পৰিছিলনে বাৰু? আকৰ্ষণীয় কথাটো হ'ল সমসাময়িক ভাৰতীয় সাহিত্যত আলেকজেণ্ডাৰে উত্তৰ-পশ্চিম ভাৰত আক্ৰমণ কৰাৰ বিষয়ে কোনো উল্লেখ নাই। ইয়াৰ অৰ্থ এয়েই যে গ্ৰীক আক্ৰমণৰ ৰাজনৈতিক প্ৰভাৱ দীৰ্ঘস্থায়ী নাছিল। গ্ৰীকসকলে ভাৰত ত্যাগ কৰাৰ প্ৰায় লগে লগে মগধৰ মৌৰ্য শাসকসকলে উত্তৰ-পশ্চিম ভাৰতক নিজৰ অধীনলৈ নিছিল। কিন্তু আলেকজেণ্ডাৰৰ বাবে তেওঁৰ ভাৰত অভিযান আছিল এক সফল অভিযান। উত্তৰ-পশ্চিম ভাৰতৰ প্ৰদেশবোৰ তেওঁৰ নিজ সাম্ৰাজ্যৰ বহুতো প্ৰদেশতকৈ অধিক সমৃদ্ধ আৰু জনবহুল আছিল। ভাৰতত তেওঁ পাৰস্যৰ শাসকসকলতকৈ বেছি অঞ্চল নিজৰ অধীন কৰিছিল। গভীৰভাৱে লক্ষ্য কৰিলে দেখিব উত্তৰ-পশ্চিম ভাৰতত পাৰস্য আক্ৰমণৰ ফলত ভাৰতীয় সংস্কৃতি মধ্য এচীয় সংস্কৃতিৰ কাষ চাপি গৈছিল। কিন্তু আলেকজেণ্ডাৰৰ ভাৰত অভিযানে প্ৰাচীন ভাৰতক প্ৰাচীন গ্ৰীছৰ কাষ চপাই নিছিল। দুয়োটা সভ্যতাৰ মাজত বিভিন্ন দিশত সম্পৰ্ক গঢ় লৈ উঠিছিল। তলত আলোকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ দুটামান গুৰুত্বপূৰ্ণ প্ৰভাৱ উল্লেখ কৰা হ'ল।

- **বৌদ্ধিক প্ৰভাৱ** ঃ গ্ৰীকসকল আছিল দুঃসাহসী লোক। তেওঁলোকৰ নতুন অঞ্চল অথবা প্ৰদেশৰ বিষয়ে তথ্য লিপিৱদ্ধ কৰি ৰখাৰ এক প্ৰৱণতা আছিল। আলেকজেণ্ডাৰে ভাৰত আক্ৰমণ কৰিবলৈ অহাৰ বহু আগতেই ভ্ৰমণকাৰীৰ পৰা পোৱা তথ্যৰ আধাৰত কিছুমান গ্ৰীক পণ্ডিতে ভাৰতৰ বিষয়ে নানা কথা লিখিছিল। সেইফালৰ পৰা চাবলৈ গ'লে লিখনীবোৰত বেছিভাগ সময়তে ভাৰতৰ যথাৰ্থ তথ্য সন্নিৱিষ্ট কৰা নহৈছিল বুলি ক'ব পাৰি। কিন্তু আলেকজেণ্ডাৰে নিজৰ লগত বহুতো গ্ৰীক পণ্ডিত লৈ আহিছিল। তেওঁলোকে

ভাৰত সম্পৰ্কে নিজৰ অনুভৱ অভিজ্ঞতা লিপিৱদ্ধ কৰি থৈ গৈছে। এনে দুগৰাকী প্ৰখ্যাত পণ্ডিত হ'ল এড্‌মিৰেল নীয়াৰকাচ আৰু অ'নেচিক্ৰিটাচ। তেওঁলোকৰ লেখনীৰ পৰাই গম পাব পাৰি যে উত্তৰ-পশ্চিম ভাৰতৰ সংস্কৃতি আৰু গংগা উপত্যকাৰ সংস্কৃতিৰ মাজত কিছু পাৰ্থক্য আছে। ইয়াৰ উপৰি, গ্ৰীকসকলেই পোন প্ৰথমে বিশ্বৰ ইতিহাস অধ্যয়ন কৰিছিল। আলেকজেণ্ডাৰৰ লগত অহা ইতিহাসবিদসকলে উত্তৰ-পশ্চিম ভাৰতৰ বহুতো মূল্যবান ভৌগলিক তথ্য লিপিৱদ্ধ কৰি থৈ গৈছে। এনে লেখনীৰ পৰা আমি উত্তৰ-পশ্চিম ভাৰতৰ সমাজ আৰু অৰ্থনীতি সম্পৰ্কে বহু কথা জানিব পাৰো।

গ্ৰীক পণ্ডিত- ইতিহাসবিদসকলে ভাৰতৰ বিষয়ে লিখা লেখনীবোৰে ভাৰতক বহু ধৰণে সহায় কৰিছিল। সাধাৰণ গ্ৰীকে আক্ৰমণৰ পাচৰ পৰাহে ভাৰতৰ বিষয়ে স্পষ্টকৈ জানিবলৈ পাইছিল। গ্ৰীক লেখকসকলে ভাৰতীয় লেখক আৰু তেওঁলোকৰ গ্ৰন্থৰ বিষয়ে লিখা আৰম্ভ কৰিছিল। এই লেখনীবোৰ বহুতো দেশত, বিশেষকৈ ইউৰোপত বিভিন্ন মাধ্যমেৰে উপস্থাপন অথবা অধ্যয়ণ কৰা হৈছিল। ইউৰোপীয় সকল ভাৰতীয় আৰু ভাৰতৰ বিষয়ে জনাৰ বাবে উদগ্ৰীৰ হৈ পৰিছিল। অৰ্থাৎ, গ্ৰীক লেখনীবোৰে ভাৰত আৰু ভাৰতীয়ক পশ্চিমীয়া বিশ্বখনৰ সৈতে পৰিচয় কৰাই দিছিল।

- **ব্যৱসায়িক প্ৰভাৱ** ঃ আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণে গ্ৰীছ আৰু ভাৰতৰ মাজত থকা বহুতো ৰাস্তাৰ কথা পোহৰলৈ আনিছিল। এই ৰাস্তাবোৰ আছিল স্থল অথবা জলপথ। গ্ৰীক সদাগৰ আৰু হস্তশিল্পীসকলে এনেবোৰ পথেৰে ভাৰতৰ সৈতে ব্যৱসায়-বাণিজ্যৰ সম্পৰ্ক স্থাপন কৰিছিল। চেলুক'চৰ দৰে আলেকজেণ্ডাৰৰ বহুকেইজন সেনাপতিয়ে আলেকজেণ্ডাৰৰ মৃত্যুৰ পাচত উত্তৰ-পশ্চিম ভাৰতত সৰু সৰু ৰাজ্য স্থাপন কৰিছিল। এই ৰাজ্যবোৰ ভাৰত আৰু গ্ৰীছৰ মাজত চলা বাণিজ্যৰ কেন্দ্ৰস্থলত পৰিণত হৈছিল।
- **গ্ৰীক আবাসিক স্থল** ঃ পাৰস্যৰ শাসকে প্ৰায় একে সময়তে উত্তৰ-পশ্চিম ভাৰত আৰু দক্ষিণ-পূব গ্ৰীছত নিজৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰিছিল। তেতিয়াৰ পৰাই পাৰস্যৰ প্ৰজা হৈ পৰা কিছুসংখ্যক গ্ৰীকে পাৰস্য অধিকৃত ভাৰতলৈ আহি বসতি স্থাপন কৰিছিল। অৰ্থাৎ, আলেকজেণ্ডাৰে ভাৰত আক্ৰমণ কৰাৰ বহু আগৰে পৰাই ভাৰতত গ্ৰীক লোকে বাস কৰিছিল। আলোকজেণ্ডাৰে এই অঞ্চলবোৰ নিজ সাম্ৰাজ্যৰ অধীন কৰাৰ লগে লগে গ্ৰীক আবাসিক অঞ্চলৰ সংখ্যাও বৃদ্ধি পালে। সেই সময়ছোৱাৰ দুটামান গুৰুত্বপূৰ্ণ গ্ৰীক আবাসিক অঞ্চল আছিল কাবুলৰ আলেকজেণ্ড্ৰিয়া, সিন্ধু আৰু ঝেলাম নদীৰ পাৰৰ বৌকেফালা। এই অঞ্চলৰোৰ পাচত মৌৰ্যসকলে দখল কৰিছিল। তথাপিও গ্ৰীকসকল সেই অঞ্চলতে ৰৈ গৈছিল।
- **সাম্ৰাজ্য গঢ়াৰ পথ মুকলি কৰি দিছিল** ঃ গ্ৰীকসকলে পাৰস্য শাসক দাৰিয়াচক পৰাস্ত কৰিছিল। ইয়াৰ লগে লগে পাৰস্যৰ শাসনাধীন ভাৰতীয় ৰাজ্যবোৰ স্বাধীন হৈ পৰিছিল। আলেকজেণ্ডাৰ ভাৰতলৈ অহাৰ সময়ত ভাৰতৰ উত্তৰ-পশ্চিম সীমান্তত বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাধীন ভাৰতীয় ৰাজ্য আছিল। আলেকজেণ্ডাৰে এই ৰাজ্যবোৰ অতি সহজে পৰাস্ত

কৰি অধিকাংশকে এক ৰাজনৈতিক নিয়ন্ত্ৰণৰ অধীন কৰিছিল। এই কাৰ্যই মৌৰ্য শাসকসকলক সহায় কৰিছিল। গ্ৰীকসকলৰ পাছত মৌৰ্য শাসকে এই অঞ্চলবোৰ একেলগে নিজ সাম্ৰাজ্যৰ অধীন কৰিছিল। কিছুমান পৰম্পৰাগত কাহিনীত এই কথাৰ উল্লেখ আছে যে মৌৰ্য বংশৰ প্ৰতিষ্ঠাপক চন্দ্ৰ গুপ্ত মৌৰ্যই আলেকজেণ্ডাৰৰ পৰা সামৰিক বাহিনীৰ অধিনায়ক হোৱাৰ কলা শিকিছিল আৰু সংগঠন পৰিচালনা কৰাৰ জ্ঞান লাভ কৰিছিল। পাচত তেওঁ এই কলা-কৌশলবোৰ মগধৰ নন্দ বংশৰ শাসকৰ বিৰুদ্ধে প্ৰয়োগ কৰি নিজৰ বংশটো প্ৰতিষ্ঠা কৰিছিল।

- **গ্ৰীকসকলৰ ওপৰত ভাৰতৰ প্ৰভাৱ** ঃ আলেকজেণ্ডাৰে ভাৰত এৰি যোৱাৰ সময়ত তেওঁৰ সৈতে কেইবাগৰাকীও ভাৰতীয় পণ্ডিত গ্ৰীছলৈ গৈছিল। তাৰ মাজৰে এজন বেবিলনলৈ গৈছিল। এই পণ্ডিত জনৰ মতে গ্ৰীকসকল কিছুমান ভাৰতীয় দাৰ্শনিক ধাৰণাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। ঈশ্বৰৰ অস্তিত্বত অবিশ্বাসী (Agnosticism) কিছুসংখ্যক গ্ৰীক পণ্ডিতে হয়তো চাৰ্বাকৰ দৰে ভাৰতীয় নাস্তিক্যবাদী (atheist) দাৰ্শনিকৰ চিন্তাধাৰাৰে প্ৰভাৱিত হৈছিল। ঈশ্বৰৰ অস্তিত্বত অবিশ্বাসী এটা গ্ৰীক্ দৰ্শন আছিল নব্য-প্লেটˈনিজম্ (Neo-Platonism)। এই দৰ্শনটো ইউৰোপত বহু শতিকা বৰ্তি আছিল।


৬.৬ গ্ৰীক্সকল সন্দৰ্ভত ভাৰতীয় প্ৰতিক্ৰিয়া

ভাৰতীয় সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে গ্ৰীক্সকল সন্দৰ্ভত ভিন ভিন মত পোষণ কৰিছিল। ব্ৰাহ্মণ সমাজৰ সৈতে জড়িত কিছুমান গ্ৰন্থত 'য়ৱন' অথবা গ্ৰীকসকলক কঠোৰ ভাষাৰে সমালোচনা কৰা হৈছে। ব্ৰাহ্মণসকলে ভাৰতীয় শাসকসকলক ক্ষত্ৰিয় অথবা ৰাজন্য বুলি গণ্য কৰিছিল। তেওঁলোক নিজৰ সামাজিক প্ৰতিপত্তি বৰ্তাই ৰাখিবলৈ এই শাসকসকলৰ পৃষ্ঠপোষকতাৰ ওপৰত নিৰ্ভৰ শীল আছিল। সেয়েহে হয়তো আলেকজেণ্ডাৰে ভাৰতীয় ৰাজ্যবোৰ ধ্বংস কৰাৰ লগে লগে ব্ৰাহ্মণ সমাজ নিজৰ অস্তিত্বক লৈ সংকটত ভূগিছিল। ইয়াৰ উপৰি আলেকজেণ্ডাৰে লগত দুগৰাকীমান গ্ৰীক্ পণ্ডিতক লৈ আহিছিল আৰু ব্ৰাহ্মণসকলক বুদ্ধিজীৱি হিচাপে মানি লোৱা নাছিল। আনহাতে ব্ৰাহ্মণসকলে সদায় চাৰিটা শ্ৰেণীত বিভক্ত সমাজ এখন বৰ্তি থকাৰ ওপৰত জোৰ দিছিল। কিন্তু গ্ৰীক্ সমাজখন আছিল কেৱল দুটা শ্ৰেণী থকা সমাজ-দাস আৰু গৰাকী। আকৌ, ভাৰতৰ গণসংঘ অথবা ৰাজ্যবোৰৰ সমাজতো কেৱল দুটাহে শ্ৰেণী আছিল- শাসক আৰু শাসিত। এই ৰাজ্যবোৰ প্ৰধানতঃ আছিল বৌদ্ধধৰ্মৰ দৰে অগতানুগতিক চিন্তাৰ কেন্দ্ৰ। বৌদ্ধধৰ্মই জাত-পাতৰ আধাৰত সমাজে সৃষ্টি কৰা শ্ৰেণী চাৰিটা মানি লোৱা নাছিল। বৌদ্ধ ধৰ্মাৱলম্বীসকলে গ্ৰীক্সকলৰ সামাজিক বিভাজনটো আগ্ৰহেৰে পৰীক্ষা কৰিছিল আৰু ইয়াক জাতি ব্যৱস্থাৰ এক বিকল্প হিচাপে বিবেচনা কৰিছিল।



চিন্তা-চৰ্চা কৰক — ৬.১

আলেকজেণ্ডাৰে জয় কৰা প্ৰদেশবোৰ মানচিত্ৰ এখনৰ সহায়ত চিহ্নিত কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰঃ ৪ ঃ আলেকজেণ্ডাৰে খৃষ্টপূৰ্ব ৩৩৪ চনত আইচাছৰ যুদ্ধত কাক পৰাস্ত কৰিছিল?

.....

প্ৰঃ ৫ ঃ অম্ভি কোন আছিল?

.....

প্ৰঃ ৬ ঃ আলেকজেণ্ডাৰৰ লগত অহা গ্ৰীক পণ্ডিত দুজনৰ নাম লিখক।

.....

প্ৰঃ ৭ ঃ 'য়ৱন' সকল কোন আছিল?

.....

প্ৰঃ ৮ ঃ শুদ্ধ নে অশুদ্ধ লিখক -

(ক) পাৰস্যৰ শাসকে গ্ৰীছ আক্ৰমণ কৰিছিল।

(খ) খৃষ্টপূৰ্ব ৩২৬ চন মানলৈ আলেকজেণ্ডাৰে নিজকে গ্ৰীছ আৰু পাৰস্যৰ গৰাকী কৰি তুলিছিল।

(গ) আলেকজেণ্ডাৰৰ আক্ৰমণে প্ৰাচীন ভাৰত আৰু প্ৰাচীন গ্ৰীছক কাষ চপাই আনিছিল।

(ঘ) বৌদ্ধ ধৰ্মাৱলম্বীসকলে জাতিৰ আধাৰত হোৱা সমাজৰ বিভাজন চাৰিটা বিশ্বাস নকৰিছিল।



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকোলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- আলেকজেণ্ডাৰে ভাৰত আক্ৰমণ কৰাৰ সময়ত উত্তৰ-পশ্চিম ভাৰত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত বিভক্ত আছিল আৰু অঞ্চলটোত কোনো ৰাজনৈতিক একতা নাছিল। এই ৰাজ্যবোৰে বিভিন্ন গিৰিপথেদি মধ্য এচিয়াৰ সৈতে সংযোগ স্থাপন কৰিছিল। একেটা কাৰণতে ৰাজ্যবোৰত মধ্য এচিয়াই আক্ৰমণ কৰাৰ সম্ভাৱনাও প্ৰবল আছিল। পাৰস্যৰ ৰজা চাইৰাছ আৰু দাৰিয়াচে অঞ্চলটো আক্ৰমণ কৰি এই ভাৰতীয় অঞ্চলবোৰ নিজ সাম্ৰাজ্যৰ অধীন

কৰিছিল। পাৰস্যৰ পৰা অহা লোকে বসতি স্থাপন কৰি ভাৰতীয় সমাজক বিভিন্ন ধৰণে প্ৰভাৱিত কৰিছিল।

- খৃষ্টপূৰ্ব ৩২৬ চনত মেচিডনৰ সম্ৰাট আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণক ভাৰতীয় ইতিহাসৰ এক উল্লেখযোগ্য ঘটনা বুলি ধৰা হয়। এই আক্ৰমণ আছিল পাৰস্যৰ ৰজা দাৰিয়াচৰ বিৰুদ্ধে চলোৱা অভিযানৰ এটা অংশ। আলেকজেণ্ডাৰে সমগ্ৰ পাৰস্য নিজৰ অধীন কৰিব খুজিছিল আৰু উত্তৰ-পশ্চিম ভাৰতৰ প্ৰদেশবোৰ পাৰস্য সাম্ৰাজ্যৰ পূৰ সীমান্তৰ অংশ আছিল।
- আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণে বৌদ্ধিক আৰু সামাজিক জীৱনত দীৰ্ঘস্থায়ী প্ৰভাৱ পেলাইছিল



৬.৮ অধিক জানিবলৈ

1) Majumdar, R. C. (edited). (1980). *The Age of Imperial Unity (The History and Culture of the Indian People)*. Kolkata, Bharatiya Vidya Bhavan.
2) Majumdar, R.C., Raychaudhuri, H.C., Datta, K. (1986). *An Advanced History of India*. New Delhi, Macmillan India Ltd.
3) Sharma, L.P. (1981). *Ancient History of India (pre-historic Age to 1200 A.D.).* New Delhi, Vikas Publication House Pvt. Ltd.
4) Thapar, Romila. (2002). *The Penguin History of Early India from The Origins to A D 1300*. New Delhi, The Penguin Group.



৬.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (ক) কম্বোজ, (খ) হিন্দুকুশ, (গ) খাৰোস্তি

২ নং প্ৰশ্নৰ উত্তৰঃ (ক) উত্তৰ (খ) পাৰস্যৰ, (গ) ভাৰতীয়

৩ নং প্ৰশ্নৰ উত্তৰঃ খৃষ্টপূৰ্ব ৫৩০ চনত পাৰস্যৰ সম্ৰাট চাইৰাছে হিন্দুকুশ পৰ্বত অতিক্ৰম কৰি ভাৰতলৈ আহিছিল। তেওঁ কম্বোজ আৰু গান্ধাৰ প্ৰদেশক তেওঁৰ কৰতলীয়া হ'বলৈ বাধ্য কৰাইছিল. তেওঁৰ পাচত আন এজন পাৰস্যৰ অথবা আকীমেনিদ শাসক দাৰিয়াচে ৫১৬ খৃঃপূঃত পঞ্জাৰ, সিন্ধু উপত্যকাৰ পশ্চিম অংশটো আৰু উত্তৰ-পশ্চিম ভাৰতৰ সিন্ধক পাৰস্য সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিছিল।

৪ নং প্ৰশ্নৰ উত্তৰঃ পাৰস্যৰ ৰজা দাৰিয়াচক।

৫ নং প্ৰশ্নৰ উত্তৰঃ তক্ষ্শীলাৰ ৰজা।

৬ নং প্ৰশ্নৰ উত্তৰঃ এড্মিৰেল নীয়াৰকাচ আৰু অ'নেচিক্রিটাচ।

৭ নং প্ৰশ্নৰ উত্তৰঃ গ্ৰীকসকলক 'য়ৱন' বোলা হৈছিল।

৮ নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ



৬.১০ আৰ্হি প্ৰশ্ন

(ক) **বস্তুধৰ্মী প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ ৫০ টা মান শব্দত উত্তৰ দিয়ক)

১। দাৰিয়াচ কোন আছিল?

২। চাইৰাছে কিয় হিন্দুকুশ পৰ্বত পাৰ হৈছিল?

৩। কোনে ভাৰতীয় শাসকবৰ্গক ক্ষত্ৰিয় অথবা ৰাজন্য বুলি মানিছিল?

৪। আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ এটা ব্যৱসায়িক প্ৰভাৱ উল্লেখ কৰক।

(খ) **চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

১। আলেকজেণ্ডাৰৰ বিষয়ে এটি চমু টোকা লিখক।

২। আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ প্ৰাক্ক্ষণত উত্তৰ ভাৰতৰ ৰাজনৈতিক অৱস্থা কেনে আছিল বিশ্লেষণ কৰক।

৩। উত্তৰ-পশ্চিম সীমান্তৰে ভাৰতক কোনে কোনে আক্ৰমণ কৰিছিল? এই আক্ৰমণবোৰৰ প্ৰভাৱ কেনেকুৱা আছিল?

(গ) **ৰচনাধৰ্মী প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

১। আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ সম্পৰ্কে এখন ৰচনা লিখক।

২। আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ প্ৰভাৱবোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ মৌর্য সাম্রাজ্য

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ মৌর্যবংশৰ উত্থান

৭.৪ অশোক আৰু তেওঁৰ ধম্ম

৭.৫ মৌর্য প্রশাসন

৭.৫.১ কেন্দ্রীয় প্রশাসন

৭.৫.২ প্রাদেশিক প্রশাসন

৭.৫.৩ সেনা বাহিনী

৭.৬ মৌর্য সাম্রাজ্যৰ পতন

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৮ অধিক জানিবলৈ

৭.৯ অগ্রগতিৰ খতিয়ান

১০.১০ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- মৌর্য সাম্রাজ্যৰ ভেটিটোৰ উমান পাব পাৰিব,
- অশোক আৰু তেওঁৰ ধর্ম্মৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- মৌর্যসকলৰ প্রশাসনিক ব্যৱস্থাটো আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

'শিক্ষার্থীসকল, আমি এই পাঠ্যবিষয়ৰ পঞ্চম অধ্যায়ত ষোল্লখন মহাজনপদৰ বিষয়ে আলোচনা কৰিছিলোঁ। সেই ষোলখন মহাজনপদৰ গুৰুত্বপূর্ণ মহাজনপদ এখন আছিল মগধ। খৃষ্টপূর্ব ষষ্ঠ আৰু চতুর্থ শতিকাৰ মাজত মগধ সবাতোকৈ শক্তিশালী মহাজনপদত পৰিণত হৈছিল। মগধৰ পূর্ণ বিকাশ কালতেই মৌর্য সাম্রাজ্যৰ উত্থান ঘটিছিল। এই অধ্যায়ত আমি মৌর্য সাম্রাজ্যৰ উত্থান আৰু পতনৰ বিষয়ে আলোচনা কৰিম।

মৌর্য যুগৰ ইতিহাস পুনৰ সৃষ্টি কৰিবলৈ বহুতো উৎস উপলব্ধ আছে। এই উৎসবোৰক সাধাৰণতে দুটা শ্রেণীত বিভক্ত কৰা হ'ব পাৰে ঃ সাহিত্য আৰু পুৰাতাত্ত্বিক।

সাহিত্যিক উৎস ঃ জাতক কাহিনীৰ দৰে বৌদ্ধ সাহিত্যই মৌর্য যুগৰ আর্থ-সামাজিক পৰিস্থিতিৰ বিষয়ে তথ্য প্রদান কৰে। বৌদ্ধ ইতিহাস- মহাভাষ আৰু দিপাৱমচা, শ্রীলংকাত বৌদ্ধ ধর্ম বিয়পাত অশোকৰ অৱদান বর্ণনা কৰে। বৌদ্ধ গ্রন্থ অশোকবদনা আৰু দিব্যবদনাই অশোকৰ প্রাৰম্ভিক জীৱনৰ বিষয়ে তথ্য প্রদান কৰে। মহাপৰিণীব্বানা সুট্টাই আমাক জনায় যে মৌর্য এটা ক্ষত্রিয় বংশ আছিল। জৈন সূত্র যেনে ভাগৱতী সূত্র আৰু উত্তৰধ্যায়ণ সূত্রই মৌর্য কাল আৰু জৈন সন্ন্যাস আৰু মৌর্য নিয়মৰ মাজৰ বার্তালাপক বুজায়। হেমচন্দ্রৰ দ্বাৰা লিখা পৰিষদিষ্ঠ পর্বনে চন্দ্রগুপ্তৰ জীৱনৰ বর্ণনা কৰিছে যাৰ ভিতৰত আছে জৈন ধর্মৰ আলিঙ্গন। কৌটিল্যৰ অর্থশাস্ত্র মৌর্য ইতিহাসৰ আটাইতকৈ গুৰুত্বপূর্ণ সাহিত্যিক উৎস। ইয়াক ১৮০ টা প্রকৰণ (মহকুমা) আৰু ১৫ টা অধিকাৰ (অংশ)ত বিভক্ত কৰা হৈছে। ইয়াত প্রায় ৬,০০০ শ্লোক আছে। ই ইয়াৰ বর্তমানৰ ৰাজনৈতিক আৰু প্রশাসনিক সংগঠন, অর্থনৈতিক নীতি, সামৰিক ৰণনীতি, বৈদেশিক সম্পর্ক, আইন আৰু ন্যায়, আৰু সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ ব্যাখ্যা কৰি মৌর্য সাম্রাস্যৰ ঐতিহাসিক অন্তর্দৃষ্টি প্রদান কৰে। ইয়াৰ উপৰিও, ই আমাক মৌর্যৰাজনীতি আৰু দৈনন্দিন জীৱনৰ বিষয়ে অন্তর্দৃষ্টিপূর্ণ জ্ঞান প্রদান কৰিছিল। মুদ্রাৰাক্ষস এখন সংস্কৃত ঐতিহাসিক নাটক। বিশাখা দত্তই তেওঁৰ গুৰু চাণক্যৰ সহায়ত উত্তৰ ভাৰতত ৰজা চন্দ্রগুপ্ত মৌর্যৰ ক্ষমতালৈ উত্থানৰ বিষয়ে লিখিছিল। খ্রীষ্টীয় প্রায় ৩০০ বজাত বাস কৰা মেগাস্থেনিছ কেইবা বছৰ ধৰি পাটালিপুত্রত চন্দ্রগুপ্ত মৌর্যৰ আদালতত চেলুকাছৰ দূত আছিল। তেওঁৰ ইণ্ডিকা নামৰ কিতাপখন, যিখন তেওঁ এজন তীক্ষ্ণ পর্যবেক্ষক হিচাপে লিখিছিল, কেৱল ডিওডোৰাছ, ষ্ট্রাবো আৰু আটাইতকৈ গুৰুত্বপূর্ণভাৱে আৰিয়ানৰ দ্বাৰা কোৱা অনুসৰি টুকুৰা টুকুৰাকৈ জীয়াই আছে। ভাৰতীয় সমাজৰ সাতটা "বিভাজন"ৰ মেগাস্থেনিছৰ পুংখানুপুংখ চিত্রণ বিশেষভাৱে আকর্ষণীয়। তেওঁলোকে এক আকর্ষণীয় আৰু বাস্তৱত, ভাৰতীয় সমাজৰ প্রথম সম্পূর্ণ ছবি উপস্থাপন কৰে যিটো ভাৰতৰ ৰাজধানীলৈ এজন বিদেশী দর্শনার্থীয়ে দেখিছে আৰু চাৰিওফালে আছে।


পু�ৰাতাত্ত্বিক উৎস ঃ মৌর্য যুগৰ তথ্যৰ আটাইতকৈ গুৰুত্বপূর্ণ উৎস হৈছে অশোকৰ শিলালিপি। অশোক আছিল প্রথম ভাৰতীয় শাসক যিয়ে আদেশ আৰু শিলালিপি জাৰী কৰিছিল। মনোলিথ, শিল আৰু অন্যান্য কঠিন সামগ্রীৰ ওপৰত লিখা শিলালিপিবোৰে মূল্যৱান ঐতিহাসিক তথ্য প্রদান কৰে, সম্পত্তিৰ মালিকীস্বত্ব, ৰাজনৈতিক বিজয়, ভজন, শ্লোক, স্মাৰক কাহিনী আৰু ৰজাৰ প্রশংসা। অশোকৰ আদেশবোৰক চাৰিটা শ্রেণীত বিভক্ত কৰা হৈছে সেইবোৰৰ আকাৰ (মুখ্য আৰু সৰু) আৰু শিলালিপি মাধ্যম (শিলা বা স্তম্ভ)ৰ ওপৰত আধাৰিত কৰি। এই শিলালিপিবোৰৰ ভিতৰত আছে ১৪ টা মেজৰ ৰক এডিক্ট, ৭ টা স্তম্ভ আদেশ, আৰু কেইবাটাও কম শিলালিপি। অশোকে এই আদেশবোৰ ৰচনা কৰিছিল। সেইবোৰ বর্ণনা কৰা হৈছে প্রথম ব্যক্তি আৰু ৰজা অশোকৰ ধাৰণা আৰু বক্তব্যৰ গভীৰ অন্তর্দৃষ্টি প্রদান কৰক। আদেশবোৰ প্রাকৃত ভাষা আৰু ব্রাহ্মী লিপিত লিখা হৈছে, মাজে মাজে খাৰোষ্টি ব্যৱহাৰৰ সৈতে (উপমহাদেশৰ উত্তৰ-পশ্চিমত)। উত্তৰ-পশ্চিম পাকিস্তান আৰু পূব আফগানিস্তান, পশ্চিম ভাৰত (গুজৰাট আৰু মহাৰাষ্ট্র), দক্ষিণ ভাৰত (কর্ণাটক আৰু অন্ধ্র প্রদেশ), আৰু পূৱ ভাৰত (উৰিষ্যা)ত শিলৰ

গাঁথনিৰ ওপৰত অশোকৰ শিলালিপি আৱিষ্কাৰ কৰা হৈছে, যি পাটালিপুত্ৰৰ পৰা প্ৰশাসনিক নিয়ন্ত্ৰণৰ এক নেটৱৰ্ক সূচায়। সেইবোৰ প্ৰায়ে প্ৰাকৃতিক শিলৰ গঠনত খোদিত হৈ থাকে। চাহগৌৰা তামৰ প্লেট (গোৰখপুৰ-উত্তৰপ্ৰদেশ) আৰু মহাস্থান তামৰ প্লেট (বাগাউৰ-বাংলাদেশ) হৈছে চন্দ্ৰগুপ্তৰ শাসনকালত স্থাপিত শস্যভাণ্ডাৰ, লগতে তাৰ পিছত হোৱা খৰাং। ৰুদ্ৰদমনৰ জনাগড় শিলালিপিত চন্দ্ৰগুপ্ত মৌর্য আৰু অশোকৰ কথা উল্লেখ কৰা হৈছে। মৌর্য সম্ৰাটসকলে পাঞ্চ-চিহ্নিত মুদ্ৰা জাৰী কৰিছিল। মুদ্ৰাবোৰ ৰূপ আৰু তামেৰে তৈয়াৰ কৰা হৈছিল। এই পাঞ্চ-চিহ্নিত মুদ্ৰাবোৰত সুসংগত চিহ্ন থাকে, যি সূচায় যে সেইবোৰ কেন্দ্ৰীয় শাসক কৰ্তৃপক্ষই জাৰী কৰিছিল। সেইবোৰক "কৰ্শাপানা মুদ্ৰা" বুলি কোৱা হয় আৰু বিশেষভাৱে জাৰীকৰ্তা সংস্থাটোৰ নাম নিদিয়ে। অৱশ্যে তেওঁলোকৰ ওচৰত ময়ূৰ, পাহাৰ আৰু অৰ্ধচন্দ্ৰৰ চিহ্ন আছিল। তেওঁলোকৰ ভিতৰত আছিল মৌর্যসকলৰ সাম্ৰাজিক মুদ্ৰা। অৰ্থশাস্ত্ৰই পানা আৰু তামৰ মুদ্ৰা নামৰ বিভিন্ন ৰূপৰ মুদ্ৰাৰ কথা উল্লেখ কৰিছিল যাক মাশ্কা বুলি কোৱা হয়। তেওঁলোকে আমাক মৌর্য যুগৰ অৰ্থনৈতিক বাস্তৱতাৰ বিষয়ে গুৰুত্বপূৰ্ণ তথ্য প্ৰদান কৰিছিল। মুদ্ৰা বিতৰণে সাম্ৰাজ্যৰ ভৌগলিক সীমাবৰ্ণনা কৰে। কুমৰাহাৰ, বলন্দিবাগ টেক্সিলা, মথুৰা আৰু ভিটাত পুৰাতাত্ত্বিক অৱশেষত নগৰীয় উপাদানৰ ওপৰত গুৰুত্ব দিয়া সামগ্ৰীৰ এক বিস্তৃত পৰিসৰ প্ৰকাশ পাইছিল। মৌর্য সাম্ৰাজ্যত পোৱা বিহাৰ, স্তূপ আৰু অশোকস্তম্ভৰ ৰূপত ভৌতিক প্ৰমাণ হৈছে মৌর্য কলা আৰু স্থাপত্য অধ্যয়নৰ প্ৰাথমিক উৎস।

৭.৩ মৌর্যবংশৰ উত্থান

মৌর্যবংশৰ উত্থান আৰু মৌর্য সাম্ৰাজ্যৰ প্ৰতিষ্ঠানক ভাৰতীয় ঐতিহাসৰ এক গুৰুত্বপূৰ্ণ ঘটনা বুলি গণ্য কৰা হয়। ৩২১ খৃষ্টপূৰ্বত নন্দ বংশক পৰাস্ত কৰি চন্দ্ৰগুপ্ত মৌর্যই সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। কথিত আছে কৌটিল্য অথবা চাণক্য নামৰ এগৰাকী ব্ৰাহ্মণে চন্দ্ৰগুপ্তক উচিত পৰামৰ্শ আৰু নিৰ্দেশনাৰে বিজয়ী হোৱাত সহায় কৰিছিল। পৰম্পৰাগত বিশ্বাস অনুসৰি চন্দ্ৰগুপ্তই কৌটিল্যক নিজৰ প্ৰধানমন্ত্ৰী পাতিছিল।

চিত্ৰ ৭.১ কৌটিল্য অথবা চাণক্য



উৎস ঃ Google Images

ইতিহাসবিদসকলে চন্দ্রগুপ্ত মৌর্য আৰু তেওঁৰ সাম্রাজ্যৰ উত্থানৰ বিষয়ে জানিবলৈ বিভিন্ন ধৰণৰ সমল অধ্যয়ন কৰিছে। অধ্যয়নবোৰৰ ফলত মৌর্য বংশৰ উৎপত্তি সম্পর্কে ভিন্নমতৰ সৃষ্টি হৈছে। বৌদ্ধ পৰম্পৰাগত মত অনুসৰি মৌর্যসকল আছিল শাক্যবংশৰ সৈতে সম্পর্ক থকা মোৰিয়া নামৰ ক্ষত্রিয় শ্রেণীটোৰ এটা শাখা। কিন্তু পৌৰাণিক পৰম্পৰাৰ মতে চন্দ্রগুপ্ত মৌর্য আছিল নন্দ বংশৰ অন্তিমজন ৰজা আৰু তেঁওৰ শূদ্র উপ-পত্নী মুৰাৰ সন্তান। মৌর্য নামটো চন্দ্রগুপ্তই তেওঁৰ মাতৃ মুৰাৰ নামৰ পৰাই গ্রহণ কৰিছিল বুলি ভবা হয়।

নন্দ বংশৰ শাসনৰ অন্তিম কালছোৱাত ৰজাসকল ক্রমে দুর্বল হৈ পৰিছিল আৰু জনপ্রিয়তা হেৰুৱাইছিল। চন্দ্র গুপ্ত মৌর্যই নন্দবংশৰ এই দুর্বলতাৰ সুযোগ লৈছিল। চন্দ্রগুপ্তৰ সামৰিক শক্তি নন্দসকলতকৈ দুর্বল আছিল যদিও তেওঁৰ ৰণকৌশলে তেওঁক বিজয়ী হোৱাত সহায় কৰিছিল। গংগাৰ সমতলভূমিত নিজৰ নিয়ন্ত্রণ সাব্যস্ত কৰাৰ পাছত চন্দ্রগুপ্ত মৌর্য উত্তৰ-পশ্চিম দিশলৈ আগবাঢ়ি গৈছিল। তেওঁ উত্তৰ-পশ্চিম ভাৰতক আলেকজেণ্ডাৰৰ উত্তৰাধিকাৰী গ্রীক সেনাপতি চেলুক'চ নিকাটাৰৰ হাতৰ পৰা মুক্ত কৰিছিল। ৩০৩ খৃষ্টপূর্বত দুয়োপক্ষৰ মাজত এখন সন্ধি স্বাক্ষৰিত হৈছিল। সন্ধিমর্মে চেলুক'চৰ নিয়ন্ত্রণাধীন কিছুমান অঞ্চল মৌর্য ৰাজ্যৰ অন্তর্গত হৈছিল। দুয়োটা ৰাজপৰিয়ালৰ মাজত বিবাহৰ সম্পর্ক স্থাপন হোৱাৰ সম্ভাৱনীয়তাও নুই কৰিব নোৱাৰি। এনেকৈয়ে মৌর্য সাম্রাজ্যৰ অঞ্চলভিত্তিক বুনিয়াদ গঢ় লৈ উঠিছিল আৰু কালক্রমত চন্দ্রগুপ্তই সমগ্র গংগা সমতলভূমিৰ লগতে সিন্ধু উপত্যকালৈকে নিজৰ নিয়ন্ত্রণ প্রতিষ্ঠান কৰিছিল।

মৌর্য সাম্রাজ্যৰ অঞ্চলভিত্তিক সম্প্রসাৰণত গ্রীক্সকলৰ সৈতে স্থাপন হোৱা সম্পর্কৰ ভূমিকা আছে। দুয়োপক্ষৰ মাজত বিকাশ ঘটা বন্ধুত্বপূর্ণ সম্পর্কই এই সম্প্রসাৰণত অৰিহণা যোগাইছিল। গ্রীক্-মৌর্য সম্বন্ধৰ ফলত এক নতুন সাংস্কৃতিক বিকাশ ঘটিছিল। মৌর্য আৰু চিলুক'চৰ নিয়ন্ত্রণধীন অঞ্চলৰ মাজত কটকীৰ আহ-যাহ চলিছিল। পশ্চিম ভাৰতৰ গ্রীক্ শাসনাধীন ৰাজ্যবোৰৰ সৈতেও কটকীৰ আহ-যাহেৰে সম্পর্ক স্থাপিত হৈছিল। চেলুক'চে মৌর্য ৰাজসভালৈ প্রেৰণ কৰা এগৰাকী ইতিহাসপ্রসিদ্ধ কটকী হ'ল মেগাস্থিনিছ। তেওঁ মৌর্য সাম্রাজ্যৰ ৰাজধানী পাটলিপুত্রত যথেষ্ট দীঘলীয়া সময় অতিবাহিত কৰিছিল। মেগাস্থিনিছৰ ইণ্ডিকা গ্রন্থত পাটলিপুত্র নগৰ আৰু ভাৰতীয় সমাজৰ বিষয়ে বহুতো আপুৰুগীয়া তথ্য পোৱা যায়।

জৈন পৰম্পৰা মতে জীৱনৰ শেষ বয়সত চন্দ্রগুপ্ত মৌর্যই জৈন ধর্ম গ্রহণ কৰিছিল। তেওঁ পুত্র বিন্দুসাৰক মগধৰ ৰজা পাতি সন্ন্যাস লৈছিল। তেওঁ দক্ষিণ ভাৰতত জীৱনৰ শেষ দিনকেইটা অতিবাহিত কৰিছিল। গোড়া জৈন প্রথা অনুসৰণ কৰি চন্দ্রগুপ্ত মৌর্যই নিয়ন্ত্রিত মন্থৰ অনশনৰ যোগেদি দেহত্যাগ কৰিছিল।


প্রায় ২৯৭ খৃষ্টপূর্বত বিন্দুসাৰ মগধৰ ৰাজপাটত বহিছিল। বৌদ্ধ পৰম্পৰা অনুসৰি বিন্দুসাৰ বৌদ্ধ ধর্মৰ আজীৱিকা পন্থীৰ আছিল। বুদ্ধৰ এক তিব্বতীয় ইতিহাস গ্রন্থৰ মতে বিন্দুসাৰে দাক্ষিণাত্য অঞ্চলত ধর্ম প্রচাৰ কৰিছিল। কিন্তু এই অঞ্চলটো বিন্দুসাৰ নে তেওঁৰ পুত্র অশোক জয়ী হৈছিল। সেয়া নিশ্চিতকৈ ক'ব পৰা নাযায়। বিন্দুসাৰেও গ্রীক্ সকলৰ সৈতে ৰাষ্ট্রদূতৰ

অহা-যোৱা পৰম্পৰাটো অক্ষুণ্ণ ৰাখিছিল। তেওঁ গ্ৰীক্ দৰ্শনৰ প্ৰতিও আগ্ৰহী আছিল। ২৭২ খৃষ্টপূৰ্বত বিন্দুসাৰৰ মৃত্যু হৈছিল। কিন্তু তেতিয়ালৈকে ভাৰতৰ এক বৃহৎ অংশ মৌর্য সাম্ৰাজ্যৰ অধীনলৈ আহিছিল।



জানি থোৱা ভাল

মেগাস্থিনিছৰ সম্পূৰ্ণ লেখনী উদ্ধাৰ হোৱা নাই। কিন্তু তেওঁৰ পৰৱৰ্তী সময়ৰ বহুতো গ্ৰীক্ লেখকে তেওঁৰ উদ্ধৃতি নিজ নিজ গ্ৰন্থত অন্তৰ্ভুক্ত কৰিছে। এই উদ্ধৃতিবোৰ সংগ্ৰহ কৰাৰ পাছত সেইবোৰক একেলগে 'ইণ্ডিকা' অথবা ভাৰতৰ এক বিৱৰণী (An Account of India) নামেৰে প্ৰকাশ কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ১ঃ মৌর্য সাম্ৰাজ্য কোনে প্ৰতিষ্ঠা কৰিছিল?

.....

প্ৰশ্ন নং ২ঃ কৌটিল্য কোন আছিল?

.....

প্ৰশ্ন নং ৩ঃ মৌর্য ৰাজসভাত থকা গ্ৰীক্ কটকীগৰাকীৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৪ঃ মৌর্য সাম্ৰাজ্য কেতিয়া প্ৰতিষ্ঠা হৈছিল?

.....

প্ৰশ্ন নং ৫ঃ চন্দ্ৰগুপ্ত মৌর্যৰ পাচত কোন ৰাজপাটত বহিছিল?

.....

প্ৰশ্ন নং ৬ঃ ৬০ টা শব্দৰ ভিতৰত মৌর্য সাম্ৰাজ্যৰ প্ৰতিষ্ঠা সম্পৰ্কে এটি টোকা লিখক।

.....

৭.৪ অশোক আৰু তেওঁৰ ধৰ্ম্ম

পিতৃৰ মৃত্যুৰ পাচত আশোক মগধৰ সিংহাসনত বহিছিল। অশোক তেওঁৰ ধম্মৰ বাবে প্রসিদ্ধ আছিল। তেওঁৰ ধম্মই তেওঁক এগৰাকী জনপ্রিয় শাসকত পৰিণত কৰিছিল। অশোক এজন প্রজাবৎসল ৰজা আছিল। এই শিতানত আমি ধম্মক কেন্দ্র কৰি গঢ় দিয়া অশোকৰ ধর্মীয় নীতিবোৰৰ বিষয়ে আলোচনা কৰিম। কিন্তু তাৰ আগতে অশোকৰ জীৱনৰ আদিকালছোৱাৰ বিষয়ে কিছু কথা চমুকৈ আলোচনা কৰি লওঁ আহক।

- **অশোকৰ জীৱনৰ আদিকাল** ঃ বিন্দুসাৰৰ পাচত আশোক মগধৰ ৰজা হৈছিল। অশোকক মৌর্য বংশৰ সর্বশ্রেষ্ঠ শাসক বোলা হয়। ভাৰতৰ এক বিশাল অংশত বিতৰণ কৰা খোদিত লিপিবোৰৰ পৰা আমি অশোক সম্পর্কীয় বিভিন্ন তথ্য জানিব পাৰো। এই খোদিত লিপিবোৰত তেওঁৰ জীৱন আৰু কার্যাৱলীৰ বিস্তৃত বিৱৰণ পোৱা যায়। অশোকৰ শাসনকালৰ প্রথমাৱস্থাত বিৱৰণবোৰ শিলৰ পৃষ্ঠত লিখা হৈছিল। এনে লিপিক ক্ষুদ্র (Minor) আৰু বৃহৎ (Major) এই দুই ধৰণৰ শিলালিপিত (Rock edicts) ভগোৱা হয়। তেওঁৰ শাসনকালৰ পৰৱর্তী সময়ছোৱাত বিৱৰণ খোদিত কৰিবলৈ বালিশিলেৰে নির্মিত মসৃণ স্তম্ভ ব্যৱহাৰ কৰা হৈছিল। এনে লিপিক স্তম্ভলিপি (Pillar Edict) বোলা হয়।

চিত্র ৭.২ আশোক



উৎসঃ Google Images



জানি থোৱা ভাল

১৮৩৪ চনত জে'মছ্ প্রিন্সকেপে (প্রিন্স্কেপ) অশোকৰ লিপিবোৰত থকা ব্রাহ্মী বর্ণমালাৰ পাঠোদ্ধাৰ কৰিছিল। অশোকৰ লিপিবোৰৰ বেছিভাগেই প্রাকৃত ভাষাত লিখা হৈছিল। উত্তৰ-পশ্চিম ভাৰতত উদ্ধাৰ হোৱা কিছুমান লিপি আৰামেইক আৰু গ্রীক্ ভাষাত লিখা হৈছিল। প্রাকৃত ভাষাৰ বেছিভাগ লিপিতেই ব্রাহ্মী বর্ণমালা ব্যৱহাৰ কৰা হৈছিল। অৱশ্যে উত্তৰ-পশ্চিম ভাৰতত উদ্ধাৰ হোৱা লিপিবোৰৰ কিছুমান খাৰোস্তি ভাষাতো লিখা হৈছিল। আফগানিস্তান অঞ্চলত ব্যৱহাৰ হোৱা লিপিবোৰ গ্রীক্ আৰু আৰামেইক বর্ণমালাৰ সহায়ত লিখা হৈছিল।

অশোকৰ জীৱনৰ আদি কালছোৱাৰ বিষয়ে জানিবলৈ আমি বৌদ্ধ বিৱৰণীবোৰৰ সহায় ল'বই লাগিব। বৌদ্ধ পৰম্পৰাগত বিশ্বাস মতে বিন্দুসাৰৰ শাসনকালত অশোক আছিল তক্ষীলা (তক্ষশীলা) আৰু উজ্জয়নৰ (উজ্জয়নী) প্ৰশাসক। কিন্তু অশোক সিংহাসনত বহাৰ সময়ছোৱাক লৈ এটা বিতৰ্ক চলি আছে। তেওঁ বিন্দুসাৰৰ মৃত্যুৰ লগে লগে ৰাজপাটত বহিছিলনে ৰাজভগনৰ পৰৱৰ্তী চাৰিবছৰ অন্য ভায়েকবোৰৰ সৈতে ক্ষমতা লাভৰ বাবে সংগ্ৰাম কৰিহে সিংহাসন দখল কৰিছিল সেয়া স্পষ্টকৈ জনা নাযায়।

চিত্ৰ ৭.৩ আশোকৰ সাম্ৰাজ্য



উৎসঃ Google Map

অশোকৰ জীৱনৰ আৰম্ভণি কালছোৱাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ আৰু বিখ্যাত সামৰিক অভিযান আছিল প্ৰায় ২৬০ খৃষ্টপূৰ্বৰ কলিংগ অভিযান। এই অভিযানৰ মূল উদ্দেশ্য হয়তো কলিংগৰ পৰা সম্পদ আহৰণ কৰা অথবা উপদ্বীপ অঞ্চলবোৰৰ সৈতে স্থাপন কৰা বাণিজ্যিক জলপথ সুৰক্ষিত কৰা অথবা মগধ নিয়ন্ত্ৰণৰ বাহিৰলৈ গুছি যোৱা বাবে অঞ্চলটোক এশিকনি দিয়া আদি কাৰণৰ মাজৰে এটা আছিল। কিন্তু কলিংগ যুদ্ধত মৃত্যু হোৱা সৈন্যৰ সংখ্যাই অশোকক বিচলিত কৰিছিল। এই যুদ্ধৰ পাচতেই অশোক বৌদ্ধধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল। কিন্তু তেওঁ লগে

লগে বৌদ্ধধর্ম গ্রহণ কৰা নাছিল। কলিংগ যুদ্ধৰ প্ৰায় আঠৈ বছৰ পাচতহে অশোকে বৌদ্ধ ধর্মৰ শৰণ লৈছিল।

অশোকৰ শাসনকালত, ২৫০ খৃষ্টপূৰ্বত পাটলিপুত্ৰত তৃতীয় বৌদ্ধ মহাসভা বহিছিল। এই মহাসভাত বিভিন্ন অঞ্চললৈ বৌদ্ধ ধর্ম প্ৰচাৰক প্ৰেৰণ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। সেইমতে অশোকে বৌদ্ধধর্ম প্ৰচাৰৰ অৰ্থে বহু ধর্মপ্ৰচাৰকক ভাৰতৰ বাহিৰলৈ প্ৰেৰণ কৰিছিল।

● **অশোকৰ ধর্মীয় নীতি ঃ** কলিংগ যুদ্ধই অশোকৰ জীৱনৰ এক নতুন অধ্যায়ৰ পাতনি মেলিছিল। তেওঁ ধম্ম সম্পৰ্কীয় নিজস্ব ব্যাখ্যাৰ আধাৰত এক নতুন দর্শন বিকশাই তুলিছিল। '*ধম্ম*' হ'ল সংস্কৃত শব্দ ধর্মৰ প্ৰাকৃত ৰূপ। '*ধম্ম*' শব্দৰ অৰ্থ হ'ল সার্বজনীন নিয়ম (Universal Law) অথবা সত্যপৰায়ণতা (righteousness) । অৱশ্যে অশোকে ধম্মক এক ব্যাপক অৰ্থ প্ৰদান কৰিছিল।

অশোকে প্ৰচাৰ কৰা ধম্মৰ অৰ্থ কেৱল ধার্মিকতাই নাছিল, ই আছিল সাধাৰণ মানুহে পালন কৰিবলগীয়া সুনির্দিষ্ট নৈতিক কর্তব্যৰ সংহিতা। অশোকে বৌদ্ধধর্মক এক জনপ্ৰিয় ধর্মত পৰিণত কৰিব খুজিছিল। সেয়েহে তেওঁ দুই ধৰণৰ খোদিত লিপি প্ৰস্তুত কৰাইছিল। ক্ষুদ্ৰ শিলালিপিবোৰ বৌদ্ধ সংঘক সম্বোধন কৰি লিখা হৈছিল। এই লিপিবোৰত অশোকৰ বৌদ্ধধর্মৰ প্ৰতি থকা সদ্‌ভাৱ আৰু বৌদ্ধ সংঘ অথবা বৌদ্ধ ভিক্ষুৰ সম্প্ৰদায়ৰ সৈতে থকা সম্পর্কৰ বিৱৰণ আছিল। বৃহৎ শিলালিপিবোৰৰ গুৰুত্ব ক্ষুদ্ৰ শিলালিপিতকৈ যথেষ্ট বেছি। কিন্তু ক্ষুদ্ৰ আৰু বৃহৎ শিলালিপি তথা স্তম্ভালিপিবোৰে আশোকৰ ধম্মৰ ধাৰণাটোকে বিভিন্ন ধৰণে ব্যাখ্যা কৰিছিল। কিছুমান ইতিহাসবিদে অশোকৰ ধম্ম আৰু বৌদ্ধধর্মৰ মাজত কোনো পার্থক্য নাই বুলি ক'ব খোজে। কিন্তু খোদিত লিপিবোৰৰ তথ্যৰ পৰা এই কথা গম পোৱা গৈছে যে অশোকে সামাজিক সংঘাত আৰু অসহিষ্ণুতা প্ৰশমিত কৰিবলৈ তেওঁৰ ধম্ম প্ৰয়োগ কৰিব বিচাৰিছিল। তেওঁ সকলোৰে প্ৰতি সহিষ্ণুতা আৰু সকলোৰে বিশ্বাস তথা ধাৰণাৰ প্ৰতি সহিষ্ণুতা প্ৰদর্শনত বিশেষভাৱে জোৰ দিছিল। সেয়েহে ধম্মৰ নীতিবোৰ এনেদৰে সংজ্ঞাৱদ্ধ কৰা হৈছিল যাতে ধর্মীয় সম্প্ৰদায় নির্বিশেষে সকলোৱে এইবোৰ মানি চলিব পাৰে। অৱশ্যে অশোকৰ ধম্মৰ ধাৰণাটোত বৌদ্ধধর্মৰ গভীৰ প্ৰভাৱ পৰিলক্ষিত হয়। বিশেষকৈ অহিংসা আৰু সকলোৰে প্ৰতি যথাযোগ্য আচৰণ প্ৰদর্শনৰ নীতি দুটাৰ ওপৰত দুয়োটা ধর্মই সমানে জোৰ দিয়ে।


অশোকৰ ধম্মৰ এটা গুৰুত্বপূৰ্ণ নীতি আছিল সমিলমিলেৰে বসবাস কৰা (harmonious living) । সেয়েহে তেওঁ মতবিৰোধ সৃষ্টি কৰিব পৰা সভা-সমিতি আদি পতাৰ বাধা দিছিল। ধম্মৰ আন এটা নীতি আছিল অহিংসা। তেওঁ যুদ্ধ, হিংসাত্মক পন্থাৰে লাভ কৰা বিজয় আৰু বিশেষ উপলক্ষত জীৱ-জন্তুৰ হত্যাত বাধা দিছিল। অৱশ্যে অশোকে এনে কিছুমান উপলক্ষও চিনাক্ত কৰি উলিয়াইছিল যিবোৰত হিংসাত্মক পন্থা এৰাই চলিব পৰা নাযায়।

অশোকে সমাজত প্ৰচলিত বহুতো গোড়া ধর্মীয় পার্বনৰ অনুশীলনৰ বিৰোধিতা কৰিছিল। তেওঁৰ মতে ৰীতি-নীতি পালনতকৈ নৈতিকতাৰ অনুশীলন কৰাটো অধিক গুৰুত্বপূৰ্ণ। একাদশ নম্বৰ শিলালিপিত (Rock Edit XI) বয়োজ্যেষ্ঠসকলক সন্মান প্ৰদর্শন, বন্ধু, দাস আৰু চাকৰ-

নাকৰৰ প্ৰতি দানশীল হৈ মানুহক নৈতিকতাৰ অনুশীলন কৰিবলৈ কোৱা হৈছিল।

অশোকে ধম্মৰ পৃষ্ঠপোষকতা কৰিবলৈ ধৰ্ম মহামাত্রসকলক নিযুক্তি দিছিল। ধৰ্ম মহামাত্রসকলে মাত্ৰ এটা নিৰ্দিষ্ট ধৰ্মীয় সম্প্ৰদায়তে নিজৰ কাম-কাজ সীমিত নাৰাখিছিল। ধৰ্মীয় সম্প্ৰদায় নিৰ্বিশেষে তেওঁলোকে পক্ষপাতিত্বহীনভাৱে সেৱা আগবঢ়াব লাগিছিল।

অশোকৰ বাবে ধম্ম আছিল সামাজিক ন্যায়, নৈতিক গুণ আৰু পৌৰ দায়িত্বৰ সুসংগত মিশ্ৰণৰ আধাৰত জীৱন যাপন কৰাৰ পন্থা। অৱশ্যে অশোকৰ ধম্ম নীতি সফল নহ'ল। ইয়াৰ কাৰণ তেওঁৰ বৌদ্ধধৰ্ম প্ৰচাৰৰ মাত্রাধিক প্ৰয়াস হ'ব পাৰে। কিন্তু গংগা উপত্যকাত বিকশিত হোৱা এটা থলুৱা দৰ্শনক এক বিশ্বধৰ্মত পৰিণত কৰাৰ অশোকৰ যি প্ৰচেষ্টা সেয়া ফলৱতী হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়কঃ

প্ৰশ্ন নং ৭ঃ বিন্দুসাৰৰ উত্তৰাধিকাৰী কোন আছিল?

.....

প্ৰশ্ন নং ৮ঃ ক'ত তৃতীয় বৌদ্ধ মহাসভা অনুষ্ঠিত হৈছিল?

.....

প্ৰশ্ন নং ৯ঃ বিন্দুসাৰৰ ৰাজত্বকালত অশোক .....আৰু .....ৰ প্ৰশাসক আছিল।

প্ৰশ্ন নং ১০ঃ অশোকৰ খোদিত লিপিবোৰক কেইটা ভাগত ভগাব পাৰি?

.....

প্ৰশ্ন নং ১১ঃ ধৰ্মৰ পৃষ্ঠপোষকতা কৰিবলৈ অশোকে কাক নিযুক্তি দিছিল?

.....

৭.৫ মৌর্য প্রশাসন

মৌৰ্য বংশই এক বিস্তৃত আৰু সুপৰিকল্পিত প্ৰশাসনিক ব্যৱস্থাৰে সাম্ৰাজ্য শাসন কৰিছিল। আমি মৌৰ্য প্ৰশাসনৰ বিভিন্ন তথ্য মেগাস্থিনিছৰ বিৱৰণ, কৌটিল্যৰ অৰ্থশাস্ত্ৰ আৰু অশোকৰ খোদিত লিপিবোৰৰ পৰা সংগ্ৰহ কৰিব পাৰোঁ।

৭.৫.১ কেন্দ্রীয় প্রশাসন

মৌৰ্য সাম্ৰাজ্যৰ প্ৰশাসনিক সংৰচনাৰ মুৰব্বী আছিল ৰজা। ৰজা চৰম প্ৰশাসনিক ক্ষমতাৰ অধিকাৰী আছিল। ৰজাই মন্ত্ৰী পৰিষদৰ সৈতে আলোচনা-বিলোচনা কৰিছিল বুলি ভবা হয় যদিও তেওঁৰ হাততহে চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ কৰ্তৃত্ব ন্যস্ত আছিল।

ৰজাক সহায় কৰিবলৈ থকা মন্ত্ৰীবৰ্গক মন্ত্ৰী-পৰিষদ বোলা হৈছিল। অৰ্থশাস্ত্ৰৰ

মতে মৌর্য সাম্রাজ্যৰ কেন্দ্রীয় প্রশাসনৰ দুগৰাকী গুৰুত্বপূর্ণ বিষয়া আছিল সন্নিধাতা (কোষাধক্ষ্য) আৰু সমাহর্তা (প্রধান ৰাজস্ব সংগ্রাহক)। কোষধক্ষ্য আছিল জমা হোৱা ৰাজহৰ প্রধান তদাৰককাৰী। প্রধান ৰাজস্ব সংগ্রাহকে সমগ্র ৰাজ্যখনৰ বিভিন্ন স্থানৰ পৰা ৰাজহ সংগ্রহ কৰা প্রক্রিয়াটো তদাৰক কৰিছিল।

মৌর্য প্রশাসনৰ আন এটা গুৰুত্ব পূর্ণ বিষয়া পদ আছিল অধ্যক্ষ অথবা অধীক্ষক (Superindendents)। মৌর্য প্রশাসনৰ বিভিন্ন বিভাগৰ দায়িত্বত থকা প্রায় ৩২ গৰাকী অধ্যক্ষৰ উল্লেখ পঢ়িবলৈ পোৱা যায়। অধ্যক্ষসকলৰ স্থানীয় প্রশাসন আৰু কেন্দ্রীয় চৰকাৰৰ সৈতে সম্পর্ক আছিল। অধ্যক্ষৰ দায়িত্বত থকা বিভাগবোৰ আছিল কোষাগাৰ, খনি, ধাতু, মুদ্রাশাল, নিমখ, সোণ, ব্যৱসায়-বাণিজ্য, বনজ সম্পদ, জোখ-মাখ, যান বাহন পৰিবহন শুল্ক, কৃষি, পদাতিক সৈন্য বাহিনী, ঘোঁৰা, ৰথ, হাতী, পানীজাহাজ, পোহনীয়া গৰু-ম'হ, জুৰা, কাৰাগাৰ, বন্দৰ ইত্যাদি।

মুঠ ৰাজহৰ এক তৃতীয়াংশ বিষয়াসকলৰ দৰমহাৰ বাবে আছুতীয়াকৈ ৰখা হৈছিল। সেই ধনৰে এটা অংশ গড়কাপ্তনি কাম-কাজত ব্যয় কৰা হৈছিল। উচ্চ পদবীধাৰী বিষয়াসকলৰ দৰমহাও যথেষ্ট বেছি আছিল। গড়কাপ্তানি কাম-কাজে বিভিন্ন ধৰণৰ ৰাজহুৱা নির্মাণ কার্যক সামৰি লৈছিল। যেনে-পথ নির্মাণ আৰু পথ তদাৰক, কুঁৱা আৰু জিৰণিঘৰ নির্মাণ, বৃক্ষৰোপন, জলসিঞ্চন প্রকল্প, সৈন্য বাহিনীৰ তদাৰক, খনি পৰিচালনা, ৰাজপৰিয়ালে কোনো ব্যক্তি আৰু ধর্মীয় অনুষ্ঠান- প্রতিষ্ঠানলৈ আগবঢ়োৱা অনুদান প্রদান তথা ৰাজপৰিয়ালৰ খা-খৰছৰ তদাৰক ইত্যাদি।



জানি থোৱা ভাল

অশোকে মৌর্য প্রশাসনত কিছুমান পৰিৱর্তন সাধন কৰিছিল। অশোকৰ প্রজাবৎসলতাই ৰজা সম্পর্কে থকা পৰম্পৰাগত মৌর্য ধাৰণাটো সলনি কৰিছিল। এখন পৃথক কলিংগ লিপিত অশোকে 'সকলো মানুহ মোৰ সন্তান' বুলি ঘোষণা কৰিছিল। তেওঁ প্রজাৰ বৈষয়িক আৰু আধ্যাত্মিক কল্যাণ সুনিশ্চিত কৰিবলৈ ধর্মমহামাত্র নামৰ এচাম নতুন বিষয়াক নিযুক্তি দিছিল।

ৰাজধানী পাটলিপুত্রৰ প্রশাসন সু-পৰিকল্পিত আছিল। ৩০ জন সদস্যৰে গঠিত পৌৰ আয়োগ এখনে নগৰখন চোৱা-চিতা কৰিছিল। আয়োগত ৫ জনকৈ সদস্য ৬ খন বোর্ড অথবা সমিতি আছিল। এই সমিতিবোৰে ঔদ্যোগিক কলা, বিদেশী, জন্ম-মৃত্যুৰ পঞ্জীয়ন, ব্যৱসায়-বাণিজ্য, নির্মাণ সামগ্রী, ৰাজহ সংগ্রহ আৰু বিক্রী হোৱা সোণৰ হিচাপ ৰখা আদি দিশ তদাৰক কৰিছিল।

মৌর্য সাম্রাজ্যত চোৰাংচোৱাগিৰিক এটা বিভাগীয় কামৰ স্বীকৃতি প্রদান কৰা হৈছিল। সাম্রাজ্যত যথেষ্ট সংখ্যক চোৰাংচোৱাই সক্রিয় দায়িত্ব পালন কৰিছিল

আৰু ৰজাক গোপন প্ৰতিবেদন দাখিল কৰিছিল। চোৰাংচোৰাসকলৰ সহায়তে সাম্ৰাজ্যৰ দূৰ্গম অঞ্চলবোৰৰ সৈতেও যোগাযোগ ৰখাটো সম্ভৱ হৈছিল।

৭.৫.২ প্ৰাদেশিক প্ৰশাসন

অশোকৰ লিপিবোৰৰ পৰা গম পোৱা যায় যে মৌৰ্য সাম্ৰাজ্যত ৫ টা প্ৰধান ৰাজনৈতিক কেন্দ্ৰ আছিল। আমি ইতিমধ্যে ৰাজধানী পাটলিপুত্ৰৰ বিষয়ে আলোচনা কৰিছো। আন ৪ টা কেন্দ্ৰ আছিল তক্ষীলা, উজ্জয়ন, তোশালি আৰু সুবৰ্ণগিৰি। এই কেন্দ্ৰবোৰত সাধাৰণতে ৰাজপৰিয়ালৰে কোনো সদস্যক প্ৰশাসক হিচাপে নিযুক্তি দিয়া হৈছিল। অন্য সৰু সৰু অঞ্চলবোৰৰ বাবে স্থানীয় লোকৰ মাজৰ পৰাই প্ৰশাসক বাছনি কৰা হৈছিল। প্ৰাদেশিকা নামৰ জেষ্ঠ চৰকাৰী বিষয়াসকলে প্ৰাদেশিক প্ৰশাসনৰ কাম-কাজ পৰীক্ষা কৰিবলৈ প্ৰতি ৫ বছৰৰ মূলত এবাৰকৈ প্ৰদেশবোৰ ভ্ৰমণ কৰিছিল। আন এদল বিষয়াৰ নাম আছিল ৰাজুক (Rajukas)। তেওঁলোকে নগৰ আৰু গাঁওবোৰৰ আইন সংক্ৰান্তীয় বিষয়বোৰ চোৱা-চিতা কৰিছিল। বিভিন্ন উৎসৰ পৰা অহা তথ্য খতিয়ানৰদ্ধ কৰিবলৈ যুক্ত (Yukta) নামৰ বিষয়াসকলক নিযুক্তি দিয়া হৈছিল।

অৰ্থশাস্ত্ৰৰ মতে মৌৰ্য সাম্ৰাজ্যৰ প্ৰদেশবোৰক (Provinces) ভিষয় (Vishayas) অথবা জিলাত আৰু জিলাবোৰক গাঁৱত ভগাই লোৱা হৈছিল। প্ৰতিখন গাঁৱতে একোগৰাকীকৈ হিচাপ ৰক্ষক (Accountant) আৰু ৰাজহ সংগ্ৰাহক (Tax Collector) আছিল। গ্ৰাম অথবা গাঁৱৰ মুখিয়ালসকলে এই বিষয়া দুজনৰ চোৱা-চিতা কৰিছিল।


৭.৫.৩ সেনা বাহিনী

মৌৰ্য সাম্ৰাজ্যৰ বৃহৎ সেনা বাহিনী এটা আছিল। প্লিনী (Pliny) নামৰ ৰোমান লিখকজনৰ মতে চন্দ্ৰগুপ্ত মৌৰ্যৰ ৬ লাখ পদাতিক সৈন্য, ৩০ হাজাৰ অশ্বাৰোহী সৈন্য আৰু ৯ হাজাৰ হাতী আছিল। আন এক উৎস মতে মৌৰ্যসকল ৮ হাজাৰখন ৰথৰো গৰাকী আছিল। মেগাস্থিনিছৰ মতে ৬ খন উপ-সমিতি থকা কেন্দ্ৰীয় সমিতি এখনে সামৰিক কাৰ্য-কলাপৰ মাজত সমন্বয় ৰক্ষাৰ দায়িত্ব পালন কৰিছিল। এই উপ-সমিতিবোৰ ক্ৰমে নৌ-সেনা, পৰিবহন আৰু ৰচদ-পাতি, পদাতিক বাহিনী, ঘোঁৰা, ৰথ আৰু হাতীৰ তদাৰকৰ দায়িত্বত আছিল। মেগাস্থিনিছৰ মতে সৈনিকে ৰাজকোষৰ পৰা নিয়মীয়া দৰমহা লাভ কৰিছিল। কৌটিল্যই জাহাজ তদাৰককাৰী বিষয়া নভাধ্যক্ষৰ (Navadhyaks) অথবা নৌ-অধীক্ষকৰ কথা উল্লেখ কৰি থৈ গৈছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে মৌৰ্যসকল নৌ-বাহিনীৰো গৰাকী আছিল।



জানি থোৱা ভাল

মৌর্যসকলে প্রাদেশিক কেন্দ্রবোৰ অত্যন্ত সাৱধানতা সহকাৰে বাছনি কৰিছিল। তক্ষীলা আৰু উজ্জয়ন গুৰুত্বপূর্ণ দীর্ঘ-দূৰত্বৰ বাণিজ্য পথত অৱস্থিত আছিল। সম্ভৱতঃ কর্ণাটকৰ সোণৰ খনিৰ পৰা সহজে সোণ সংগ্রহ কৰিব পৰা সুচল অৱস্থান এটাত সুবর্ণগিৰি প্রদেশখন পৰিছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ১২ঃ মৌর্য সাম্রাজ্যৰ প্রশাসনৰ মূৰব্বী কোন আছিল?

.....

প্রশ্ন নং ১৩ঃ মৌর্য সাম্রাজ্যত কোনে ৰাজহ সংগ্রহৰ বিষয়টো চোৱা-চিতা কৰিছিল?

.....

প্রশ্ন নং ১৪ঃ মৌর্য সাম্রাজ্যত কিমানটা ৰাজনৈতিক কেন্দ্র আছিল?

.....

প্রশ্ন নং ১৫ঃ কাক সমাহর্তা বুলি কোৱা হৈছিল?

.....

প্রশ্ন নং ১৬ঃ অধ্যক্ষ বুলি কাক কোৱা হৈছিল?

.....

প্রশ্ন নং ১৭ঃ প্রদেশিকা কোন আছিল?

.....

প্রশ্ন নং ১৮ঃ নভাধ্যক্ষ বুলি কাক কোৱা হৈছিল?

.....

প্রশ্ন নং ১৯ঃ মৌর্যসকলৰ কেন্দ্রীয় প্রশাসনৰ বিষয়ে কি জানে লিখক (প্রায় ৬০ টা শব্দত)

.....

.....

.....

৭.৬ মৌর্য সাম্রাজ্যৰ পতন

প্রায় ২৩২ খৃষ্টপূর্বত অশোকৰ মৃত্যু হৈছিল। তেওঁৰ মৃত্যুৰ লগে লগে মৌর্য সাম্রাজ্যৰ ঐক্যত ভাঙোন আৰম্ভ হৈছিল। অন্তিম মৌর্য শাসক বৃহদ্রথক তেওঁৰ ব্রাহ্মণ সেনাধ্যক্ষ পৃষ্যমিত্র শুংগই হত্যা কৰিছিল। তাৰপাচতে পূষ্যমিত্রই শুংগ বংশ প্রতিষ্ঠা কৰিছিল।

আগতে ভবা হৈছিল যে মৌর্য বংশৰ পতনৰ বাবে অশোকৰ নীতিবোৰেই প্ৰধানকৈ দায়ী। তেওঁৰ বৌদ্ধ ধৰ্মৰ প্ৰতি আসক্তিয়ে ব্ৰাহ্মণসকলক অসন্তুষ্ট কৰিছিল বুলি ভবা হৈছিল। ইয়াৰ পৰিণতিত ব্ৰাহ্মণসকলে অশোকৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল বুলি আগতে বিশ্বাস কৰা হৈছিল। কিন্তু অশোকৰ নীতিবোৰ সাৱধানে বিবেচনা কৰিলে আমি দেখা পাম যে তেওঁ বাৰে বাৰে ব্ৰাহ্মণ আৰু শ্ৰমণসকলক সন্মান জনোৱাৰ ওপৰত জোৰ দিছিল।

অশোকৰ অহিংস নীতিয়ে মৌর্য সৈন্য বাহিনীক দুৰ্বল কৰি তুলিছিল বুলিও কোৱা হয়। ইয়াৰ ফলস্বৰূপে বিদেশী শক্তিয়ে মৌর্য সাম্রাজ্য আক্ৰমণ কৰাৰ সুযোগ পাইছিল। কিন্তু এই ধাৰণাকো গ্ৰহণ কৰিব পৰা নাযায়। কাৰণ আমাৰ আলোচনাকালত আমি এই তথ্য পঢ়িবলৈ পাইছো যে অশোকে যদিও অহিংসা নীতি গ্ৰহণ কৰিছিল, তথাপিও প্ৰয়োজন সাপেক্ষে হিংসাত্মক পন্থা অৱলম্বন কৰাৰ পোষকতা কৰিছিল.

অৰ্থাৎ, মৌর্য বংশৰ পতনৰ আঁৰত অন্য কাৰণ আছিল। ইয়াৰ এটা কাৰণ হ'ল মৌর্য অৰ্থনীতিৰ ওপৰত পৰা হেচা। সাম্রাজ্যৰ ৰাজকোষে নিয়মীয়াকৈ বিশাল সৈন্য বাহিনীৰ নামত, মন্ত্ৰী-পৰিষদক দৰমহা দিয়াৰ নামত আৰু নতুনকৈ চিকুণাই তোলা অঞ্চলত বসতি গঢ়ি তোলাৰ নামত বিপুল পৰিমাণৰ ধন ব্যয় কৰিবলগীয়া হৈছিল। এই ব্যয়ে ৰাজকোষ উদং কৰি পেলাইছিল।

মৌর্য সাম্রাজ্য কৃষিপ্ৰধান আছিল যদিও কৃষিৰ পৰা আহৰণ কৰা শুল্কৰে সমগ্ৰ সাম্রাজ্যখনৰ তদাৰক কৰিব পৰা নগৈছিল। সাম্রাজ্যখনৰ অস্তিত্ব দীৰ্ঘদিনলৈ বৰ্তাই ৰাখিব পৰাকৈ হয়তো মৌর্যসকলে নিজৰ অৰ্থনীতি উপযুক্তধৰণে পুনৰ সংগঠিত কৰাত অসফল হৈছিল।

সাম্রাজ্যখনৰ পতনৰ আন এক কাৰণ হিচাপে মৌর্য প্ৰশাসনকো জগৰীয়া কৰিব পাৰি। মৌর্য প্ৰশাসনৰ কেন্দ্ৰীয় ব্যক্তি আছিল ৰজা। তেওঁক কেন্দ্ৰ কৰি সমগ্ৰ প্ৰশাসনটো চলিছিল। শাসক সলনি হোৱাৰ লগে লগে শাসকৰ প্ৰজাৰ পৰা আনুগত্য আদায় কৰাৰ সামৰ্থ প্ৰভাৱিত হৈছিল। শাসক গৰাকী দক্ষ প্ৰশাসক হোৱাটো বাঞ্ছনীয় আছিল। কিন্তু অশোকৰ উত্তৰসূৰী ৰজাসকলৰ এই প্ৰয়োজনীয় গুণটো নাছিল।

মৌর্য প্ৰশাসনৰ চাকৰিত মকৰল কৰা প্ৰক্ৰিয়াটো আছিল স্বেচ্ছাচাৰী। স্থানীয় প্ৰশাসকসকলৰ নিজ ইচ্ছামতে বিষয়া সলনি কৰাৰ ক্ষমতা আছিল। সেয়েহে বহু ক্ষেত্ৰত তেওঁলোকে সমৰ্থৱান প্ৰাৰ্থীতকৈ মনপচন্দৰ প্ৰাৰ্থীকহে নিযুক্তিৰ বাবে বাছনি কৰিছিল।

মৌর্য সাম্রাজ্য পতনৰ আন এটা কাৰণ আছিল সাম্রাজ্যত প্ৰতিনিধিত্বমূলক অনুষ্ঠানৰ অনুপস্থিতি। মৌর্য সাম্রাজ্যৰ দৰে বিশাল সাম্রাজ্য এখনত ৰাজহুৱা মতৰ সুস্থিৰতা বৰ্তাই ৰাখিবলৈ প্ৰতিনিধিত্বমূলক অনুস্থান থকাটো প্ৰয়োজনীয় আছিল।

ৰাষ্ট্ৰ এখনৰ অস্তিত্ব বৰ্তি থকাৰ বাবে প্ৰজাৰ আনুগত্য থকাটো অতি প্ৰয়োজনীয়। কিন্তু মৌর্য শাসন ব্যৱস্থাত প্ৰজাই কেৱল সামাজিক শৃংখলাৱদ্ধতাৰ প্ৰতিহে অনুগত আছিল। জাতি-সম্প্ৰদায় আৰু ৰাজনীতিৰ মাজত আন্তঃনিৰ্ভৰশীলতা থকাৰ বাবে জাতি-সম্প্ৰদায়ে ৰাজনীতিতকৈ উচ্চতৰ আসন লাভ কৰিছিল। অৰ্থশাস্ত্ৰৰ মতে এখন ৰাষ্ট্ৰৰ ৭ টা অংগ থাকে- ৰজা, চাৰিসীমা পৰিৱেষ্টিত ভূ-ভাগ, প্ৰশাসন, ৰাজকোষ, ৰাজধানী, বল প্ৰয়োগ কৰিব পৰা ক্ষমতা আৰু মিত্ৰজোঁট।

লাহে লাহে ব্রাহ্মণ্যবাদী গ্রন্থবোৰে এখন ৰাষ্ট্ৰৰ অস্তিত্বৰ বাবে প্রয়োজনীয় দুটা কাৰকৰ বিষয়ে ক'বলৈ ধৰিলে- দণ্ড আৰু বর্ণাশ্রমধর্ম। এসময়ত গৈ এই বর্ণ-আশ্রম-ধর্মৰ ধাৰণাটো ৰাষ্ট্রতকৈ অধিক গুৰুত্বপূর্ণ হৈ উঠিল।

অশোকৰ উত্তৰসূৰী ৰজাসকলে মৌর্য সাম্রাজ্যৰ বিশাল বিন্যাস অটুট ৰাখিব নোৱাৰিলে। অশোকৰ মৃত্যুৰ লগে লগে তেওঁৰ এজন পুত্র জলৌকে কাশ্মীৰ অঞ্চলত এখন স্বাধীন প্রদেশ গঠন কৰিছিল। আন এজন ৰাজকুমাৰ বীৰসেনাই গান্ধাৰত নিজকে স্বাধীন বুলি ঘোষণা কৰিছিল। বিদর্ভ অথবা বেৰাৰ প্রদেশৰ শাসকে মৌর্য সাম্রাজ্যৰ পৰা নিজকে বিচ্ছিন্ন কৰিছিল। গ্রীক তথ্যৰ পৰা গম পোৱা যায় যে মৌর্য নিয়ন্ত্রণাধীন উত্তৰ ভাৰতৰ প্রদেশবোৰ বেক্ট্রিয়ান গ্রীকসকলে জয় কৰিছিল।



জানি থোৱা ভাল

ভাৰতৰ ইতিহাসত কৌটিল্যই এক বিশেষ স্থান দখল কৰি আছে। তেওঁ ভাৰতৰৰ মাটিৰ পৰা গ্রীক্সকলক উৎখাত কৰিবলৈ এক ধৰণৰ জাতীয় মনোবল জাগৃত কৰিছিল। এই উদ্দেশ্যক বাস্তৱ ৰূপ দিবলৈ তেওঁ উদ্বিগ্ন হৈ থকা জনগোষ্ঠী আৰু গণৰাজ্যবোৰক ঐক্যৱদ্ধ কৰি তুলিবলৈ চন্দ্রগুপ্ত মৌর্যক পৰামর্শ দিছিল। চন্দ্রগুপ্তৰ মুখ্য উপদেষ্টা আৰু প্রধান মন্ত্রীৰূপে ৰাজ্য শাসনত তেওঁ আপুৰুগীয়া অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ চৰকাৰ আৰু ৰাজনীতিৰ কলা সন্দর্ভত অর্থশাস্ত্র লিখিছিল। গ্রন্থখনত তেওঁ ৰজাৰ বিভিন্ন কর্তব্য, ৰজাৰ পৰামর্শদাতাসকলৰ ভূমিকা, চৰকাৰৰ কল্যাণকামী কর্তব্য, চোৰাংচোৱা ব্যৱস্থা আৰু ন্যায় প্রণয়ন আদিৰ বিষয়ে বহলাই ব্যাখ্যা কৰি থৈ গৈছে। অর্থশাস্ত্রত বিভিন্ন সামাজিক সম্পর্ক নিয়ন্ত্রণ কৰা নীতি-নিয়মৰ কথাও উল্লেখ আছে।



চিন্তা চর্চা কৰক - ৭.১

অশোকৰ উত্তৰাধিকাৰীসকলৰ এখন তালিকা প্রস্তুত কৰক।



৭.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- চন্দ্রগুপ্ত মৌর্যই তেওঁৰ প্রধানমন্ত্রী কৌটিল্য অথবা চাণক্যৰ সহায়ত প্রথমখন ভাৰতীয় সাম্রাজ্য প্রতিষ্ঠা কৰিছিল। গংগাৰ সমতলভূমিত নিজৰ নিয়ন্ত্রণ সাব্যস্ত কৰি চন্দ্রগুপ্ত উত্তৰ-পশ্চিম ভাৰতলৈ আগবাঢ়ি গৈছিল। এই অঞ্চলটো তেওঁ গ্রীক্ সেনাপতি চেলুক'ছ

নিকাটাৰৰ কবলৰ পৰা মুক্ত কৰিছিল। ৩০৩ খৃষ্টপূৰ্বত স্বাক্ষৰিত এক সন্ধি মৰ্মে চন্দ্রগুপ্তই চেলুক'ছৰ নিয়ন্ত্রণাধীন অঞ্চল কেইটামান নিজৰ দখললৈ আনিছিল। তেওঁ গ্রীকসকলৰ লগত ৰাজনৈতিক আৰু সাংস্কৃতিক সম্পর্ক স্থাপন কৰিছিল। চন্দ্রগুপ্তৰ মৃত্যুৰ পাচত তেওঁৰ পুত্র বিন্দুসাৰে ২৯৭ খৃষ্টপূৰ্বত ৰাজপাটত বহিছিল। বিন্দুসাৰেও পিতৃৰ দৰে গ্রীক্সকলৰ সৈতে দূতৰ আদান-প্রদান কৰিছিল। ২৭২ খৃষ্টপূৰ্বলৈ শাসন কৰা বিন্দুসাৰে ভাৰতৰ এক বৃহৎ অঞ্চল মৌর্য সাম্রাজ্যৰ অন্তর্ভূক্ত কৰিছিল।

- বিন্দুসাৰৰ মৃত্যুৰ পাছত তেওঁৰ পুত্র অশোক সিংহাসনত বহিছিল। অশোকক মৌর্যবংশৰ সর্বশ্রেষ্ঠ ৰজা বুলি কোৱা হয়। কলিংগ যুদ্ধই অশোকক গভীৰভাৱে প্রভাৱিত কৰিছিল আৰু পৰৱর্তী সময়ত তেওঁ বৌদ্ধধর্ম গ্রহণ কৰিছিল। তেওঁ এক অনন্য ধর্মীয় নীতি প্রণয়ন কৰিছিল। নীতিটোক ধম্ম নামেৰে জনা যায়। এই ধম্মৰ জৰিয়তে অশোকে সামাজিক সংঘাত আৰু অসহিষ্ণুতা আঁতৰ কৰিব খুজিছিল। কিন্তু তেওঁৰ ধম্ম অসফল হৈছিল। তাৰ সলনি তেওঁ ভাৰতৰ বাহিৰত বৌদ্ধধর্ম প্রচাৰ কৰাত সফলতা লাভ কৰিছিল আৰু বৌদ্ধধর্মক এক বিশ্বধর্মত পৰিণত কৰিছিল।
- মৌর্যসকলৰ এটা কেন্দ্রীভূত প্রশাসনিক ব্যৱস্থা আছিল। এই ব্যৱস্থাত ৰজা আছিল সর্বেসর্বা। ৰজাক সহায় কৰিবলৈ মন্ত্রীসকলৰ এটা দল আছিল যিটো দলক মন্ত্রী পৰিষদ বোলা হৈছিল। প্রতিটো বিভাগ চোৱা-চিতা কৰিবলৈ এগৰাকীকৈ অধীক্ষক আছিল। প্রদেশবোৰ প্রশাসকৰ নিয়ন্ত্রণাধীন আছিল। প্রশাসনিক ব্যৱস্থাবোৰ পৰীক্ষা কৰি চাবলৈ প্রতি পাঁচ বছৰৰ মূৰে মূৰে প্রদেশিকা নামৰ জেষ্ঠ বিষয়াৰ দলে প্রদেশবোৰ পৰিদর্শন কৰিছিল। মৌর্যসকলৰ বিশাল সেনা বাহিনীৰ তদাৰক কৰিবলৈ আৰু সামৰিক কাম কাজৰ সমন্বয় ৰক্ষা কৰিবলৈ বহুকেইখন উপ-সমিতিযুক্ত এখন কেন্দ্রীয় সমিতি আছিল।
- অশোকৰ মৃত্যুৰ লগে লগে মৌর্য সাম্রাৰজ্যৰ পতন আৰম্ভ হৈছিল। তেওঁৰ পুত্রসকলে নিজ নিজ স্বাধীন ৰাজ্য গঠন কৰিছিল। মৌর্য অর্থনীতি দুর্বল হৈ পৰিছিল। ইয়াৰ দীর্ঘদিন সাম্রাজ্যৰ বোজা বব পৰা ক্ষমতা নাইকিয়া হৈছিল। মৌর্য প্রশাসনৰ কেন্দ্র আছিল ৰজা। কিন্তু অশোকৰ পাচৰ মৌর্য ৰজাসকল দুর্বল আৰু অদক্ষ আছিল। তেওঁলোকে প্রজাৰ আনুগত্য লাভ কৰাত বিফল হৈছিল। এই বিফলতাই মৌর্য প্রশাসনৰ ওপৰত কুপ্রভাৰ পেলাইছিল। মৌর্য সকলৰ বিষয়া নিযুক্তি প্রক্রিয়াটোও স্বেচ্ছাচাৰী আছিল। মৌর্য সাম্রাজ্যত কোনো প্রতিনিধিত্বমূলক অনুষ্ঠান নাছিল। এই আটাইবোৰ ত্রুটিকে একেলগে মৌর্য সাম্রাজ্য পতনৰ কাৰণ বুলি কব পৰা যায়। মৌর্যসকলৰ পতনৰ পাচত শুংগবংশৰ উত্থান ঘটিছিল।



৭.৮ অধিক জানিবলৈ

1) Majumdar, R.C., Raychaudhuri, H.C., Datta, K. (1986). *An Advanced History of India*. New Delhi, Macmillan India Ltd.

2) Sharma, L.P. (1981). *Ancient History of India (pre-historic Age to 1200 A.D.)*. New Delhi, Vikas Publication House Pvt. Ltd.

3) Thapar, Romila. (2002). *The Penguin History of Early India from The Origins to A D 1300.* New Delhi, The Penguin Group.

4) Tripathi, Ramashankar. (1999). *History of Ancient India*. Delhi, Motilal Banarsidass Publishers Pvt. Ltd.



৭.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ চন্দ্রগুপ্ত মৌর্য।

২ নং প্রশ্নৰ উত্তৰঃ চন্দ্রগুপ্ত মৌর্যৰ প্রধানমন্ত্রী।

৩ নং প্রশ্নৰ উত্তৰঃ মেগাস্থিনিছ।

৪ নং প্রশ্নৰ উত্তৰঃ ৩২১ খৃষ্টপূর্ব।

৫ নং প্রশ্নৰ উত্তৰঃ বিন্দুসাৰ।

৬ নং প্রশ্নৰ উত্তৰঃ ৩২১ খৃষ্টপূর্বত নন্দ বংশৰ ক্ষমতাচ্যুত কৰি চন্দ্রগুপ্ত মৌর্যই মৌর্য সাম্রাজ্য প্রতিষ্ঠা কৰিছিল। তেওঁক এই বিজয়ত সহায় কৰিছিল চাণক্যই। চাণক্য চন্দ্রগুপ্ত মৌর্যৰ প্রধানমন্ত্রী আছিল বুলি পৰম্পৰাগতভাৱে বিশ্বাস কৰা হয়। গংগাৰ সমতলভূমিত নিজৰ নিয়ন্ত্রণ সাব্যস্ত কৰাৰ পাচত চন্দ্রগুপ্তই উত্তৰ-পশ্চিম ভাৰতক গ্রীক সেনাপতি চেলুক'ছ নিকাটাৰৰ দখলৰ পৰা মুক্ত কৰে। ৩০৩ খৃষ্টপূর্বত হোৱা এক সন্ধিমর্মে চন্দ্রগুপ্তই চেলুক'ছ নিয়ন্ত্রণাধীন কিছুমান অঞ্চল নিজৰ হাতলৈ আনে।

৭ নং প্রশ্নৰ উত্তৰঃ অশোক।

৮ নং প্রশ্নৰ উত্তৰঃ পাটলিপুত্র।

৯ নং প্রশ্নৰ উত্তৰঃ তক্ষীলা, উজ্জয়ন।

১০ নং প্রশ্নৰ উত্তৰঃ দুটা

১১ নং প্রশ্নৰ উত্তৰঃ ধর্মমহামাত্র।

১২ নং প্রশ্নৰ উত্তৰঃ ৰজা

১৩ নং প্রশ্নৰ উত্তৰঃ সমাহর্তা।

১৪ নং প্রশ্নৰ উত্তৰঃ পাঁচটা

১৫ নং প্রশ্নৰ উত্তৰঃ প্রধান ৰাজস্ব সংগ্রাহকক।

১৬ নং প্রশ্নৰ উত্তৰঃ অধীক্ষকক

১৭ নং প্রশ্নৰ উত্তৰঃ জেষ্ঠ্য চৰকাৰী বিষয়া।

১৮ নং প্রশ্নৰ উত্তৰঃ জাহাজৰ অধীক্ষকক

১৯ নং প্রশ্নৰ উত্তৰঃ মৌর্যসকলৰ কেন্দ্রীয় প্রশাসনৰ মূৰব্বী আছিল ৰজা। ৰজা প্রশাসনৰ চৰম ক্ষমতাৰ অধিকাৰী আছিল। ৰজাক সহায় কৰিবলৈ থকা মন্ত্রীবৰ্গক মন্ত্রী পৰিষদ বোলা হৈছিল। বিভিন্ন বিভাগৰ চোৱাচিতা কৰিবলৈ অধীক্ষক আছিল। এই বিভাগবোৰৰ স্থানীয় আৰু কেন্দ্রীয় প্রশাসনৰ সৈতে সম্পর্ক আছিল। ৰজাই এটা শক্তিশালী চোৰাংচোৱা ব্যৱস্থাৰপৰাও সহায় লাভ কৰিছিল।



৭.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধমী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ঃ বিন্দুসাৰ কেতিয়া ৰজা হৈছিল?

প্রশ্ন ২ঃ অশোক তেওঁৰ.....ৰ বাবে বিখ্যাত আছিল।(খালী ঠাই পূৰণ কৰক)

প্রশ্ন ৩ঃ য়ুক্তৰ কাম কি আছিল?

প্রশ্ন ৪ঃ অর্থশাস্ত্র কোনে লিখিছিল?

(খ) চমু প্রশ্ন (১৫০-৩০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ মৌর্য আৰু গ্রীকসকলৰ মাজত থকা সম্পর্কৰ বিষয়ে কি জানে? এই ইংগ-গ্রীক সম্পর্কৰ প্রভাৱ কেনেকুৱা আছিল?

প্রশ্ন ২ঃ অশোকৰ জীৱনৰ আদি কালছোৱাৰ বিষয়ে এটি টোকা লিখক।

প্রশ্ন ৩ঃ কলিংগ অভিযানে অশোকৰ জীৱনত কেনেকৈ প্রভাৱ পেলাইছিল?

প্রশ্ন ৪ঃ অর্থশাস্ত্রই কেনেকৈ আমাক মৌর্যসকল বিষয়ে জনাত সহায় কৰে?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ মৌর্য সাম্রাজ্যৰ ভেটিটোৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ অশোকে কেনেকৈ বৌদ্ধধর্ম প্রসাৰ কৰিছিল? আশোকৰ ধম্মৰ ধাৰণাটো আলোচনা কৰক।

প্রশ্ন ৩ঃ মৌর্য সাম্রাজ্যৰ প্রশাসনিক ব্যৱস্থাটো আলোচনা কৰক।

প্রশ্ন ৪ঃ মৌর্য সাম্রাজ্যৰ পতনৰ কাৰণবোৰ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ মৌর্য সাম্রাজ্যৰ সমাজ, অর্থনীতি, ধর্ম আৰু কলা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ মৌর্য সাম্রাজ্যৰ সমাজ আৰু অর্থনীতি

৮.৩.১ মৌর্য সমাজ

৮.৩.২ মৌর্য অর্থনীতি

৮.৪ ধর্ম আৰু সংস্কৃতি

৮.৪.১ মৌর্য সাম্রাজ্যৰ ধর্মীয় অৱস্থা

৮.৪.২ মৌর্য সাম্রাজ্যৰ সাংস্কৃতিক বিকাশ

৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৬ অধিক জানিবলৈ

৮.৭ অগ্রগতিৰ খতিয়ান

৮.৮ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- মৌর্য সাম্রাজ্যৰ বাসিন্দাসকলৰ সামাজিক তথা অর্থনৈতিক জীৱন আলোচনা কৰিব পাৰিব,
- মৌর্য সাম্রাজ্যৰ ধর্মীয় অৱস্থা বিশ্লেষণ কৰিব পাৰিব,
- মৌর্যসকলৰ সাংস্কৃতিক বিকাশ বর্ণনা কৰিব পাৰিব।

৮.২ পৰিচয়

প্রিয় শিক্ষার্থীসকল, আমি ইতিমধ্যে ইয়াৰ আগৰ অধ্যায়ত মৌর্য সাম্রাজ্যৰ বিষয়ে আলোচনা কৰিছোঁ। সেই অধ্যায়টিতে মৌর্য সাম্রাজ্যৰ উত্থান-পতন আৰু সম্রাট অশোকৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। এই অধ্যায়ত মৌর্য সাম্রাজ্যৰ সমাজ, অর্থনীতি, ধর্ম আৰু সংস্কৃতিৰ বিষয়ে আলোচনা কৰা হ'ব।

৮.৩ মৌর্য সাম্রাজ্যৰ সমাজ আৰু অর্থনীতি

এই শিতানটোত আমি মৌর্য সাম্রাজ্যৰ সমাজ আৰু অর্থনীতিৰ বিষয়ে আলোচনা কৰিম। মৌর্যসকলৰ শাসনকালত ভাৰতৰ সামাজিক আৰু অর্থনৈতিক অৱস্থা কেনেকুৱা আছিল তাৰ আলোচনা নকৰিলে মৌর্য সাম্রাজ্য সম্পর্কীয় আমাৰ আলোচনা আধৰুৱা হৈ ৰ'ব।

৮.৩.১ মৌর্য সমাজ

মৌর্য সকলৰ শাসনকালত বৈদিক যুগত আৰম্ভ হোৱা বৰ্ণ আৰু আশ্রম ভিত্তিক সামাজিক সংগঠনটোৱে এক নির্দিষ্ট পর্যায়ত উপনীত হৈছিল। এই সময়ছোৱাত ব্রাহ্মণসকলে সমাজত তেওঁলোকৰ হৃত প্রতিষ্ঠা ঘুৰাই পাইছিল। মেগাস্থিনিছে মৌর্য সমাজখনক সাতটা ভাগত ভগাইছিল- দার্শনিক, কৃষক, পশুপালক, চাৰু-কাৰুশিল্পী, সৈনিক, দণ্ডাধীশ আৰু পৰিষদ। এই ভাগকেইটা জাতিপ্রথাৰে বন্ধা আছিল। নিজৰ ভাগৰ বাহিৰে অন্য ভাগৰ সৈতে বৈবাহিক সম্পর্ক স্থাপন কৰাৰ অনুমতি নাছিল অথবা কোনেও নিজৰ নিজৰ বৃত্তি সলনি কৰিব নোৱাৰিছিল।

দার্শনিক ভাগটোত আছিল ব্রাহ্মণ আৰু শ্রমণসকল। শ্রমণ সকলৰ ভিতৰত আছিল গৃহত্যাগী সন্ন্যাসী, ভিক্ষু আৰু বিভিন্ন ধর্মীয় পন্থাৰ অনুগামীসকল। দার্শনিক শ্রেণীটোৱে কোনো ধৰণৰ কৰ দিবলগীয়া নহৈছিল। কৃষক ভাগত মাটিৰ মালিক, শূদ্রবর্ণৰ খেতিয়কসকল আৰু খেতিপথাৰত কাম কৰা শ্রমিকসকলক ধৰা হৈছিল। পশুপালকসকল গ্রাম্য সমাজৰ বাসিন্দা আছিল। মৌর্য জনসংখ্যাৰ এক বৃহৎ অংশ আছিল পশুপালক। চাৰু-কাৰু শিল্পীসকলৰ নিজস্ব হস্তশিল্প অনুসৰি সামাজিক মর্যাদা নির্ধাৰিত হৈছিল। যেনে- ধাতুৰ কাম কৰাসকলৰ সামাজিক মর্যাদা উচ্চ কিন্তু শিপিনি আৰু মৃৎ শিল্পৰ কাম কৰাসকল সামাজিক মর্যাদা নিম্ন আছিল। সমাজৰ সর্ববৃহৎ শ্রেণীটো আছিল সৈনিক শ্রেণী। ক্ষত্রিয়সকলৰ উপৰি নিম্ন বর্ণৰ নাগৰিককো পদাতিক সৈন্য, ৰথচালক আৰু আলপৈচান ধৰোতাৰ কামত নিযুক্তি দিয়া হৈছিল। দণ্ডাধীশ আৰু পৰিষদসকল আছিল প্রশাসনিক ব্যৱস্থাৰ অংশ। ব্রাহ্মণ অথবা ক্ষত্রিয় সম্প্রদায়ৰ পৰা তেওঁলোকক নিযুক্তি দিয়া হৈছিল। কিন্তু মেগাস্থিনিছে লিখি থৈ যোৱাৰ দৰে মৌর্য সমাজৰ সংৰচনাটো হয়তো ইমান সৰল নাছিল। ব্রাহ্মণ্যবাদী গ্রন্থ আৰু বৌদ্ধ গ্রন্থবোৰ বিবেচনা কৰি চালে মৌর্য সাম্রাজ্যৰ জাতি-বর্ণ বিভাজন সম্পর্কীয় আন বহুতো পৃথক দৃষ্টিভংগী ধৰা পৰে।

মৌর্য সাম্রাজ্যত নাৰী বিভিন্ন কাম-কাজত নিয়োজিত আছিল। নাৰীক ৰজাৰ দেহৰক্ষী, গুপ্তচৰ আৰু কৌশল প্রদর্শনকাৰী হিচাপে নিযুক্তি দিয়া হৈছিল। উচ্চবর্ণৰ দুখীয়া আৰু বিধৰা মহিলা, পতিয়ে ত্যাগ কৰা মহিলা আৰু বয়সস্থা গণিকাসকলক কিছুমান কামৰ জৰিয়তে উপার্জনৰ সুযোগ দিয়া হৈছিল। সেই যুগত কেইগৰাকীমান মহিলা সন্ন্যাসিনী থকাৰ কথাও পঢ়িবলৈ পোৱা যায়। কৌটিল্যই গণিকাসকলৰ পৰাও কৰ লোৱাৰ পৰামর্শ দিছিল। ইয়াৰ দ্বাৰা এটা কথাই স্পষ্ট হয় যে মৌর্য সাম্রাজ্যত গণিকাৰ সংখ্যাও যথেষ্ট অধিক আছিল। লিখিত সমলৰ পৰা এই কথা ধৰি লোৱা হয় যে মৌর্য সাম্রাজ্য পিতৃপ্রধান আছিল আৰু অধিকাংশ মহিলাই পৰিয়ালৰ মুৰব্বী পুৰুষজনৰ কথা মানি চলিব লাগিছিল।

৮.৩.২ মৌর্য অর্থনীতি

মৌর্য অর্থনীতি প্রধানতঃ কৃষি নির্ভৰশীল আছিল। চৰকাৰী ৰাজহৰ এক বৃহৎ অংশ ভূমিকৰ হিচাপে সংগ্রহ কৰা হৈছিল। ৰাজহৰ ফলপ্রসূ সংগ্রহত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। খেতিয়ক অথবা মাটিৰ মালিকসকলে ৰাষ্ট্রক বিভিন্ন ধৰণৰ কৰ দিবলগীয়া হৈছিল। লাহে লাহে মাটিৰ ব্যক্তিগত মালিকীস্বত্বৰ ধাৰণাটোৰ বিলোপ ঘটিছিল। ৰাষ্ট্রৰ তত্বাৱধানত পতিতমাটি আৰু ৰজাঘৰীয়া মাটিৰ বিশাল বিশাল এলেকাত খেতি কৰা হৈছিল। মেগাস্থিনিছৰ বিৱৰণীৰ পৰা গম পোৱা যায় যে নতুন এলেকা অথবা পৰিত্যক্ত মাটি চাফা কৰি তাত শূদ্র খেতিয়কৰ বসতি স্থাপন কৰাটো আছিল ৰাষ্ট্রৰ দায়িত্ব। এই খেতিয়কসকলক প্রথমে কৰ ৰেহাই দিয়া হৈছিল। কিন্তু তেনে মাটিত খেতি কৰ্ব্বিলৈ আৰম্ভ কৰাৰ সময়ৰে পৰা কৰ আৰোপ কৰা হৈছিল।

মৌর্য সাম্রাজ্যত দুই ধৰণৰ ভূমি কৰ প্রচলিত আছিল। প্রথমটো আছিল মাটি ব্যৱহাৰ কৰাৰ বাবদ দিবলগীয়া ভাৰা আৰু দ্বিতীয়টো আছিল উৎপাদন মূল্যাংকনৰ আধাৰত দিবলগীয়া কৰ। মাটিৰ স্থানীয় দশা অথবা উৎপাদনশীলতাৰ ওপৰত মূল্যাংকন নির্ভৰশীল আছিল। সমলবোৰৰ পৰা লাভ কৰা তথ্য অনুসৰি কৃষকে নির্দিষ্ট পৰিমাণৰ মাটিত উৎপন্ন হোৱা শস্যৰ ছভাগৰ এক অংশৰ পৰা তিনিভাগৰ এক অংশ ৰাজহ হিচাপে দিব লাগিছিল। মৌর্য সাম্রাজ্যত বিভিন্ন ধৰণৰ ৰাজহ প্রচলিত থকাৰ তথ্য পোৱা গৈছে। এনে এবিধ ৰাজহ আছিল পিণ্ডকৰ (Pindakara)। কোনো এখন গাঁৱৰ পৰা যুটীয়াভাৱে এনে ৰাজহ সংগ্রহ কৰা হৈছিল। গ্রম্য পশুপালকসকলেও জীৱ-জন্তুৰ সংখ্যা আৰু উৎপাদিত সামগ্রীৰ ভিত্তিত কৰ দিব লাগি ছিল। আন এবিধ বিশেষ কৰ আছিল ভিষ্ঠি (Visthi)। ৰাষ্ট্রক বিনামূলীয়াকৈ কাম কৰি দি এনে কৰ পৰিশোধ কৰা হৈছিল। পথাৰত জলসিঞ্চনৰ সুবিধা আগবঢ়োৱাৰ বাবদো ৰাজহ সংগ্রহ কৰা হৈছিল।

কৃষিৰ উপৰি মৌর্য সাম্রাজ্যৰ আন দুটা গুৰুত্বপূর্ণ অর্থনৈতিক কার্য-কলাপ আছিল বিভিন্ন হস্তশিল্প আৰু বাণিজ্য। ৰাষ্ট্রই কিছুমান শিল্পী আৰু কলা-কুশলীক নিযুক্তি দিছিল। তেওঁলোকক কৰ-কাটলৰ পৰা ৰেহাই দিয়া হৈছিল। অস্ত্র-শস্ত্র আৰু জাহাজ নির্মাণকাৰীসকল এই ভাগত পৰিছিল। ইয়াৰ বাহিৰে ৰাষ্ট্রৰ যিকোনো কাৰখানাতে কাম কৰা লোকে কৰ দিব লাগিছিল। অন্য শিল্পী, কলা-কুশলীবোৰে ব্যক্তিগতভাৱে অথবা শ্রেণী (shreni) নাইবা পুগা (puga) নামৰ শিল্পীসংঘৰ (guild) অংশ হিচাপে কাম কৰিছিল। এই সংগঠনবোৰে ৰাষ্ট্রক ৰাজহ একত্রিত কৰাত সহায় কৰিছিল।


ৰাষ্ট্রই বাণিজ্য আৰু উদ্যোগ নিয়ন্ত্রণ কৰিছিল। খনন কার্য, বনাঞ্চল, বাণিজ্যিক পথৰ নির্মাণ আৰু সুৰক্ষা, বজাৰ নগৰৰ নির্মাণ আদি সকলো কাম আছিল ৰাষ্ট্রৰ অধীন। ৰাষ্ট্রই সামগ্রীৰ বিক্রীৰ দিশটোও চোৱা-চিতা কৰিছিল। বাণিজ্য বিভাগৰ অধীক্ষকে সামগ্রীৰ মূল্য স্থিৰ কৰিছিল। সদাগৰসকলে এটা পৰিবহন শুল্ক আদায় দিব লাগিছিল।

পৰিবহন কৰা সামগ্ৰীৰ এক পঞ্চমাংশ হিচাপে এই শুল্ক লোৱা হৈছিল। ইয়াৰ উপৰি তেওঁলোকে মুঠ পৰিবহন কৰা সামগ্ৰীৰ এক পঞ্চমাংশৰ হিচাপত আন এটা বাণিজ্য শুল্ক দিব লাগিছিল। সদাগৰসকলে মাত্ৰাধিক লাভ আহৰণ কৰিব নোৱাৰিছিল। মৌৰ্যসকলে কোনো অঞ্চল নিয়ন্ত্ৰণ কৰে নে কেৱল বাণিজ্যিক পথটোহে নিয়ন্ত্ৰণ কৰে সেই কথাৰ ওপৰত ব্যৱসায়িক উৎসবোৰৰ পৰা আহৰণ কৰা শুল্কৰ পৰিমাণ নিৰ্ভৰশীল আছিল।

প্ৰাচীন সমলৰ পৰা মৌৰ্য সাম্ৰাজ্যত মুদ্ৰা ধাৰলৈ দিয়াৰ ব্যৱসায় প্ৰচলিত থকাৰ কথাও গম পোৱা গৈছে। প্ৰতি বছৰে ১৫ শতাংশ সুতত ৰাজকোষৰ পৰা মুদ্ৰাঋণ দিয়া হৈছিল। দীঘলীয়া সাগৰীয় যাত্ৰাৰ দৰে কম সুৰক্ষিত কাৰ্যৰ বাবে ঋণ লেন-দেনত সুতৰ পৰিমাণ অধিক আছিল।

মৌৰ্যসকলৰ শাসন কালৰ প্ৰমাণ বহনকাৰী নগৰ কেন্দ্ৰবোৰৰ ধ্বংসাশেষৰ পৰা গম পোৱা গৈছে যে সভ্যতাটোৰ মানুহখিনিৰ জীৱন-যাপনৰ মান অতি উন্নত আছিল। খনন কাৰ্যৰ সময়ত সেই যুগৰ ইটা, শিল আৰু কাঠেৰে নিৰ্মিত ঘৰ-দুৱাৰৰ অৱশেষ উদ্ধাৰ হৈছে। খনন কাৰ্যত যথেষ্ট পৰিমাণৰ লোৰে নিৰ্মিত বস্তু উদ্ধাৰ হোৱাৰ লৈ চাই ক'ব পাৰি যে মৌৰ্য যুগত লো বহুলভাৱে ব্যৱহৃত হৈছিল। দক্ষিণ ভাৰতলৈকে 'নৰ্দান ব্লেক প'লিশ্বড্ ৱেৰ'ৰ (Northern Black Polished Ware) বিতৰণ ঘটা কথাটোৱে বাণিজ্যিৰ সম্প্ৰসাৰণৰ বিষয়ে সূচায়।

সম্ভৱতঃ ক্ষুদ্ৰ ফুটা কৰা ৰূপৰ মুদ্ৰা (Punch-marked Silver Coins) আছিল মৌৰ্যসকলৰ ৰাজকীয় মুদ্ৰা। আৱিষ্কৃত হোৱা অধিকাংশ ফুটা থকা মুদ্ৰাতে অৰ্ধচন্দ্ৰ /কাঁচিজোন (crescent-on-arches) অথবা পাহাৰ, বেষ্টনীৰে আৱৰা গছ (tree-in-railing) , সূৰ্য, আৰু ষষ্ঠদিশত প্ৰসাৰিত ছডাল কাঁড়ৰ এটা চক্ৰ আদি প্ৰতীক অংকিত আছে। এই মুদ্ৰাবোৰ কৰ সংগ্ৰহ আৰু বিষয়াক দৰমহা দিয়াৰ কামত ব্যৱহাৰ কৰা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়কঃ

প্ৰশ্ন নং ১ঃ মৌৰ্য সমাজৰ ভাগ সাতটাৰ নাম লিখক।

.....

প্ৰশ্ন নং ২ঃ শ্ৰমণসকল কোন আছিল?

.....

প্ৰশ্ন নং ৩ঃ মৌৰ্য সমাজৰ সৰ্ববৃহৎ শ্ৰেণীটো কাৰ দ্বাৰা গঠিত হৈছিল?

.....

প্রশ্ন নং ৪ঃ ভূমি ৰাজহৰ প্রকাৰ দুটাৰ নাম লিখক ?

.....

প্রশ্ন নং ৫ঃ মৌর্য সাম্রাজ্যৰ বাণিজ্য আৰু উদ্যোগ কোনে নিয়ন্ত্রণ কৰিছিল ?

.....

প্রশ্ন নং ৬ঃ মৌর্য যুগৰ মানুহৰ জীৱন-যাপনৰ মান কেনেকুৱা আছিল ?

.....

প্রশ্ন নং ৭ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওক-

(ক) দণ্ডাধীশ আৰু পাৰিষদসকলক বাছনি কৰা হৈছিল

(i) ব্রাহ্মণ অথবা ক্ষত্রিয়সকলৰ মাজৰ পৰা

(ii) ক্ষত্রিয় অথবা বৈশ্যসকলৰ মাজৰ পৰা

(iii) বৈশ্য অথবা ব্রহ্মণসকলৰ মাজৰ পৰা

(iv) বৈশ্য অথবা শূদ্রসকলৰ মাজৰ পৰা

(খ) মৌর্য যুগৰ মুদ্রা আছিল

(i) তামেৰে নির্মিত

(ii) ফুটা থকা আৰু ৰূপেৰে নির্মিত

(iii) ঘূৰণীয়া আকৃতিৰ সোনেৰে নির্মিত

(iv) ওপৰৰ এটাও নহয়

৮.৪ ধর্ম্ম আৰু সংস্কৃতি

মৌর্য যুগৰ মানুহৰ জীৱনৰ এক গুৰুত্বপূর্ণ অংশ আছিল ধর্ম আৰু সাংস্কৃতি। আমি এই শিতানত মৌর্য যুগৰ ধর্মীয় অৱস্থা আৰু সাংস্কৃতিক বিকাশৰ বিষয়ে অধ্যয়ন কৰিম।

৮.৪.১ মৌর্য সাম্রাজ্যৰ ধর্মীয় অৱস্থা

মৌর্য যুগত বহুকেইটা ধর্মীয় পন্থাই সক্রিয়ভাৱে ধর্ম প্রচাৰ কৰিছিল। এই যুগৰ এটা প্রভাৱশালী ধর্মীয় পন্থা হ'ল বাহ্মণ্যবাদ। ইয়াৰ বাহিৰেও মৌর্যসকলৰ ধর্মীয় জীৱনৰ আন দুটা গুৰুত্বপূর্ণ পন্থা আছিল বৌদ্ধবাদ আৰু জৈনবাদ। কিছুমান সম্প্রদায়ে অজীৱিকা, শ্রমণ আৰু নির্গ্রন্থৰ দৰে আন কিছুমান বিশেষ ধর্মীয় পন্থা মানি চলিছিল। অজীৱিকাসকল আছিল মহাবীৰ স্বামীৰ একান্ত অনুগত। তেওঁলোকে নগ্ন সাধুৰ দৰে বাস কৰিছিল। শ্রমণ সকলো মহাবীৰ স্বামীৰ অনুগত আছিল। তেওঁলোকে কেৱল গছৰ পৰা সৰি পৰা ফল খায়েই ক্ষুধা নিবাৰণ কৰিছিল। নির্গ্রন্থী সকলে পর্থিৱ মায়া-মোহৰ বান্ধোন চিঙি ওলাই গৈছিল।

এই আটাইবোৰ ধর্মীয় মার্গৰ ভিতৰত সম্রাট অশোকৰ পৃষ্ঠপোষকতাত মৌর্য

সাম্রাজ্যত বৌদ্ধ ধর্মই সবাতোকৈ শক্তিশালী ৰূপত গা কৰি উঠিছিল। তথাপিও সমাজত বাহ্মণ্যবাদ অব্যাহত আছিল। বেদৰ প্রভাৱৰ পৰা মানুহ সম্পূর্ণৰূপে মুক্ত হ'ব পৰা নাছিল। কৌটিল্যই বৈদিক জীৱন যাপন পদ্ধতিটোৰ প্রশংসা কৰিছিল। অর্থশাস্ত্রত একধিক দেৱ-দেৱীৰ পূজা-উপাসনাৰ উল্লেখ আছে। উপাসনা পদ্ধতি হিচাপে দেৱ-দেৱীৰ মূর্তিৰ আগত অষ্টাংগ প্রণাম আৰু ফুল-ধূপৰ উপহাৰ-অর্চনা আগবঢ়োৱাৰ বিধি দিয়া হৈছিল।

মৌর্য যুগত বাহ্মণ্যবাদলৈ বহু পৰিৱর্তন আহিছিল। কৃষ্ণ, বৰুণ, ইন্দ্র, অগ্নিৰ দৰে দেৱতা আৰু গংগা- যমুনাৰ দৰে নদীৰ উপাসনা প্রচলিত আছিল। বহুতো ভক্তই ঘৰ-পৰিয়াল ত্যাগ কৰি সন্ন্যাসীৰ জীৱন কটাইছিল। লোকায়ত (Lokayatas) নামৰ ধর্মীয় দার্শনিকৰ এটা নতুন শ্রেণীৰ সৃষ্টি হৈছিল। এই শ্রেণীটোৱে পুৰোহিত শ্রেণীটোৰ বিৰোধিতা কৰিছিল। তেওঁলোকৰ মতে সৰগৰ কোনো অস্তিত্ব নাছিল আৰু চৰম মোক্ষপ্রাপ্তি (Ultimate liberation) বুলিও কোনো বস্তু নাই।

অর্থাৎ, মৌর্য সাম্রাজ্যত বিভিন্ন ধৰণৰ ধর্মীয় চিন্তা আৰু অনুশীলনৰ অস্তিত্ব আছিল। ইয়াৰ মাজতে বৌদ্ধধর্মৰ সবাতোকৈ অধিক বিকাশ ঘটিছিল। বাহ্মণ্যবাদে নিজৰ প্রতিষ্ঠা অক্ষুন্ন ৰাখিছিল। কিন্তু জৈন ধর্মই সিমান উন্নতি কৰিব পৰা নাছিল। সবাতোকৈ গুৰুত্বপূর্ণ কথাটো হ'ল বিভিন্ন ধর্মীয় পন্থা সত্বেও মৌর্য যুগত ধর্মীয় সহিষ্ণুতা সম্পূর্ণৰূপে বর্তি আছিল।

৮.৪.২ মৌর্য সাম্রাজ্যৰ সাংস্কৃতিক বিকাশ

মৌর্য যুগত অশোকৰ শাসন কালচোৱাতেই সুকুমাৰ কলাই ইয়াৰ ভিত্তি লাভ কৰিছিল। স্তম্ভ নির্মাণৰ বাবে তেওঁৰ দিনত শিলৰ ব্যৱহাৰ হৈছিল। এই কথাটোৱে বিশ্বৰ দৃষ্টি আকর্ষণ কৰিছিল। এই একক শৈল স্তম্ভসমূহ বর্তুলাকাৰ আৰু একোতে ভেঁজা নিদিয়াকৈ থিয় হৈ থাকে। এলাহাবাদ স্তম্ভ ইয়াৰ উৎকৃষ্ট উদাহৰণ, ইয়াৰ শলখা (Shaft) ডাল দীঘলে ১০.৭ মি., তলে ইয়াৰ ব্যাসার্দ্ধ ৮৮.৮ চে.মি. আৰু ওপৰফালে ৬৬ চে.মি. এইটো কোৱা হৈছে যে বিহাৰৰ ক'লহৱাত অৱস্তিত স্তম্ভটোৰ উচ্চতা সর্বাধিক। দীঘলেই ১৩.৭৫ মি. ইয়াৰ মুঠ ওজন ৫০ টন নিৰূপণ কৰা হৈছে। আটাইকেইটা স্তম্ভ একোটাকৈ শীর্ষ ভাগেৰে অলঙ্কৃত যিটো এটা পৃথক শিলত খোদিত কৰা থাকে। শীর্ষভাগটো ওভোটাই থোৱা ঘণ্টাকৃতিৰ যাৰ তলফালে কোচা-কোচ পটিৰ নিচিনা আর্হি আছে। ঘণ্টাকৃতিৰ ওপৰত এখন বেদী থাকে যাৰ সন্মুখ ভাগৰ পাটিডালত জন্তু বা ফুলৰ নক্সা আঁকা থাকে। একেবাৰে শীর্ষত এটা অথবা এযোৰ সিংহ বা অন্য কোনো জন্তুৰ প্রতিমূর্তি খোদিত কৰা থাকে। সময়ৰ সোঁততে এনে স্তম্ভৰ শীর্ষভাগবোৰ নিঃচ্ছিন্ন হৈছে যদিও লৌৰিয়া নন্দগঢ়ত থকা অশোক স্তম্ভ আজিও সগৌৰৱেৰে জিলিকি আছে।

সৰহ সংখ্যক স্তম্ভতে অশোকৰ ৰাজাআজ্ঞাসমূহ খোদিত কৰা আছে। অৱশ্যে ক'লহৱা (পূর্বে উল্লেখ কৰা হৈছে), বিহাৰৰ ৰামপুৰৱা, নেপালৰ টৰাই অঞ্চলৰ গতিহৱাত

শলখা যুক্ত খোদিত নকৰা স্তম্ভ আৰু শীর্ষবাগ উদ্ধাৰ কৰা হৈছে। যদিও এইটো ভবা হৈছে যে এই খোদিত নোহোৱা স্বম্ভসমূহ অশোকৰ পূর্বৰ অন্য কোনো ৰজাই খোদিত কৰোৱাইছিল। অৱশ্যে, আটাইকেইটা স্বম্ভতে প্রত্যক্ষ কৰা হুবহু একে নক্সাৰ পৰা নক্সাকাৰ কেইবাজন বোলা কথাষাৰ সহজে গ্রহণ কৰিব নোৱাৰি বুলি জে. আৰৱিনে কৈ গৈছে।



চিত্র ৮.১ঃ সাঞ্চীৰ স্তূপা

উৎসঃ Google Images

অশোকে কিছু সংখ্যক "ধম্ম স্তম্ভ" স্থাপন কৰাইছিল। সেই বিষয়ে সপ্তম স্তম্ভানুশাসনত উল্লেখ আছে। ধর্মীয় উদ্দেশ্যৰ বাবে নির্মাণ হোৱা এই স্তম্ভসমূহ বৌদ্ধসমূহ বৌদ্ধ ধর্মাৱলম্বীসকলৰ বাবে পবিত্র স্থান বা স্তুপসমূহৰ কাষত নির্মিত হৈছিল। অশোকে এই স্তম্ভসমূহ জনচক্ষুত ৰাজকীয় ক্ষমতা আৰু ৰাজকীয়া ধম্মৰ প্রতীক ৰূপে প্রদর্শন কৰিছে। সৰহ সংখ্যক অশোককালীন স্তম্ভ বাৰানসীৰ ওচৰৰ চুনাৰৰ পৰা প্রাপ্ত বালিশীলেৰে নির্মিত। দিল্লী-টোপৰা স্তম্ভটো মথুৰাৰ ওচৰৰ শিলৰ খনিত প্রাপ্ত গোলপীয়া বালিশিলেৰে নির্মিত।



চিত্র ৮.২ঃ সাৰনাথ স্তম্ভ

উৎসঃ Google Images

মৌর্য শিল্পৰ অন্য এক বৈশিষ্ট্যপূৰ্ণ কৃতি হৈছে ৮৪ টা স্তম্ভযুক্ত এটা আহল-বহল কোঠালি। কোঠাটোৰ চালখন কাঠেৰে নিৰ্মিত। এই শিল্পকৃতিৰ স্থিতি পাটনাৰ কুম্হাৰাত। স্তম্ভসমূহ দীঘে ৯.৩ মি.। সিবিলাক চুনাৰ বালি-শিলেৰে নিৰ্মিত। অন্য এটা আকৰ্ষণীয় স্থাপত্য কৃতি হৈছে গুহাসমূহ। এই শিলত কটা গুহাসমূহ নক্সা ৰহিত। সেই গুহাসমূহ বৌদ্ধ ভিক্ষুসকলৰ আবাসৰ বাবেহে যেন নিৰ্মাণ কৰা হৈছিল। অশোকে বুদ্ধগয়াৰ উত্তৰে অৱস্থিত বৰাবৰ পাহাৰত তিনিটা গুহা নিৰ্মাণ কৰাইছিল। তেওঁ আজীৱক সন্ন্যাসীসকলক সেই গুহাকেইটা অৰ্পণ কৰিছিল। অশোকৰ উত্তৰাধিকাৰী দশৰথেও নাহাৰ্জুনি পাহাৰত এটা শিলৰ গুহা নিৰ্মাণ কৰাইছিল। গুহাটোৰ বাহিৰ ফাল মসৃণ আৰু তাৰ অভ্যন্তৰত ভালেমান কক্ষ আছে।

অশোককালীন সময়ৰ শৈল ভাস্কৰ্যসমূহৰ মাজেদি কলা নৈপুণ্য আৰু সৌন্দৰ্য ফুটি উঠা পৰিলক্ষিত হয়। অশোক স্তম্ভসমূহৰ "শীৰ্ষভাগসমূহ"ৰ মাজেদিয়েই ভাস্কৰ্য কলাৰ উৎকৃষ্ট নিদৰ্শন ফুটি উঠে। এই শীৰ্ষভাগত খোদিত হোৱা জীৱ-জন্তুসমূহ হৈছে —

a) সিংহ (এটা) ঃ লৌৰিয়া নন্দাগঢ়, ক'লহুৱা, বমশী (আগ ভৰি দুখন মাত্ৰ সংৰক্ষিত)

b) সিংহ (দুযোৰ) ঃ সাঁচী, সাৰনাথ

c) ষাঁড়গৰু ঃ ৰামপুৰুৱা

d) হাতী ঃ সংকিচা

e) ঘৰিয়াল ঃ বেচনগৰ

স্তম্ভৰ ওপৰ ভাগত থকা ধ্বংসাৱশেষ সমূহত সিংহ, হাতী, ঘোৰা, বেক্ট্ৰৰীয় ওঁট, ষাড় গৰু আৰু বনহংস দেখিবলৈ পোৱা যায়। উদয়গিৰিৰ স্তম্ভত এটা পৌৰাণিক পাখীযুক্ত ঘোৰা দেখিবলৈ পোৱা যায়। জন মাৰ্শ্বালে সাৰনাথ স্তম্ভক তাৰ অদ্বিতীয় কলাত্মক নক্সা আৰু কলা নৈপুণ্যক ভূয়সী প্ৰশংসা কৰি কৈ গৈছে "প্ৰাচীন পৃথিৱীৰ স্তম্ভ কৃতিসমূহৰ ভিতৰত সাৰনাথ কৃতি এক আৰু অদ্বিতীয়।"

অশোককালীন কোনো ভাস্কৰ্যকৃতিত মানৰ মূৰ্তি দেখিবলৈ পোৱা নাযায়। সম্ভৱতঃ বৌদ্ধ মতত মানুহৰ প্ৰতিৰূপ খোদিত কৰাতো নিষেধ আছিল। অৱশ্যে এই সম্পৰ্কে কোনো ধৰণৰ লিখিত তথ্য পোৱা নাযায়।

মৌযৰ্কালীন সময়ৰ বহুতো দেৱী, জীৱ-জন্তু আৰু পুতলাৰ মৃন্ময় মূৰ্তি উদ্ধাৰ কৰা হৈছে। ত্ৰই প্ৰতিকৃতিসমূহৰ সৰহভাগ হাতেৰে গঢ়োৱা। কিছুসংখ্যকহে সাঁচত গঢ় দিয়া। এনে সাঁচত গঢ় দিয়া কিছু সংখ্যক মৃৎ শিল্পৰ নমুনা তক্ষশীলাত পোৱা গৈছে।



চিত্র **৮.৩**ঃ এটা শিলত কটা গুহা

উৎসঃ Google Images


মৌর্য যুগৰ মৃৎশিল্পৰ উদাহৰণ হিচাপে বিভিন্ন প্ৰকাৰৰ বাচন-বৰ্তন উদ্ধাৰ হৈছে। উত্তৰ ভাৰততে উদ্ধাৰ হোৱা ক'লা ৰং সনা মাটিৰ পাত্ৰবোৰক মৌর্য মৃৎশিল্পৰ সৰ্বোৎকৃষ্ট নিদৰ্শন বুলি গণ্য কৰা হয়। এই পাত্ৰবোৰৰ বাহিৰৰ পৃষ্ঠটো বাৰ্ণিচ কৰা আৰু দ্যুতিপ্ৰলেপ সনা।

মৌর্য যুগত গহনা তৈয়াৰ কৰা শিল্প থকাৰো প্ৰমাণ পোৱা গৈছে। তক্ষীলা খনন কাৰ্যত সেই যুগৰ কিছু আভূষণ উদ্ধাৰ কৰা হৈছে। এইবোৰৰ পৰাও মৌর্য যুগৰ সোণাৰিসকলৰ কলাসুলভ দক্ষতাৰ উমান পোৱা যায়।



চিন্তা চৰ্চা কৰক - ১১.১

মৌর্য যুগত নিৰ্মিত স্তুপা আৰু স্তম্ভবোৰৰ এখন তালিকা প্ৰস্তুত কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ঃ খালী ঠাই পূৰণ কৰকঃ

(ক) আজীৱিকাসকল আছিল.....ৰ একান্ত অনুগত।

(খ) .....আছিল ধৰ্মীয় দাৰ্শনিক।

(গ) স্তুপাবোৰ হ'ল.....কলাৰ উৎকৃষ্ট নিদৰ্শন।

(ঘ) অশোকে..... আৰু ..... ত ৮৪ হেজাৰটা স্তুপা নিৰ্মাণ কৰাইছিল।

প্ৰশ্ন নং ৯ঃ মৌর্য সাম্রাজ্যৰ সাংস্কৃতিক বিকাশৰ সম্পৰ্কে ৫০ টা মান শব্দত এটি টোকা লিখক।

.....

.....

.....



৮.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- মৌর্য যুগৰ সামাজিক সংগঠনটো বর্ণ আৰু আশ্রম ভিত্তিক আছিল। এই সময়ছোৱাত ব্রাহ্মণসকলে সমাজত হৃত প্রতিষ্ঠান ওভটাই পাইছিল।
- মৌর্য দার্শনিক শ্রেণীটো ব্রাহ্মণ আৰু শ্রমণ সকলেৰে গঠিত হৈছিল। দার্শনিকসকলে কৰ-কাটল দিব নালাগিছিল।
- কৃষক শ্রেণীটোত মাটিৰ মালিক, শূদ্রবর্ণৰ খেতিয়ক আৰু খেতিপথাৰত কাম কৰা শ্রমিকসকলক সামৰি লোৱা হৈছিল।
- মৌর্য সমাজত মহিলাসকলক বিভিন্ন কামত নিয়োজিত কৰা হৈছিল। তেওঁলোকে ৰজাৰ দেহৰক্ষী, চোৱাংচোৱা আৰু কৌশল প্রদর্শনকাৰীৰ কাম কৰিছিল।
- মৌর্য অর্থনীতি প্রধানতঃ কৃষি নির্ভৰশীল আছিল।
- কৃষিৰ উপৰি মৌর্য যুগৰ আন দুটা গুৰুত্ব পূর্ণ অর্থনৈতিক কার্য-কলাপ আছিল হস্ত শিল্প আৰু বাণিজ্য।
- ৰাষ্ট্রই বাণিজ্য আৰু উদ্যোগ নিয়ন্ত্রণ কৰিছিল।
- ধর্মীয় ক্ষেত্রখনত ব্রাহ্মণ্যবাদ, বৌদ্ধধর্ম আৰু জৈনধর্ম আছিল প্রজাই অনুসৰণ কৰা প্রধান ধর্মীয় পন্থা।
- মৌর্য যুগে কলা আৰু স্থাপত্যশিল্পৰ ক্ষেত্রত অভূতপূর্ব উন্নতি সাধন কৰিছিল। সেই যুগত আটকধুনীয়া ৰাজপ্রাসাদ, স্তুপা, স্তম্ভ আদি নির্মিত হৈছিল। মৌর্য কলা আৰু স্থাপত্যশিল্পই সম্রাট অশোকৰ দিনত বিশেষ উন্নতি কৰিছিল। মৌর্য যুগত হোৱা সাংস্কৃতিক বিকাশৰ প্রধান পৃষ্ঠপোষক হিচাপে অশোককে স্মৰণ কৰা হয়।



৮.৬ অধিক জানিবলৈ

1. Majumdar, R.C., Raychaudhuri, H.C., Datta, K. (1986). *An Advanced History of India*. New Delhi, Macmillan India Ltd.

2. Thapar, Romila. (2002). *The Penguin History of Early India from The Origins to A D 1300.* New Delhi, The Penguin Group.
3. Tripathi, Ramashankar. (1999). *History of Ancient India*. Delhi, Motilal Banarsidass
4. Habib, Irfan and Jha, Vivekananda (2007) Mauryan India. Julika Books. India, N. Delhi

৮.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ দার্শনিক, কৃষক, পশুপালক, চাৰু-কাৰু শিল্পী, সৈনিক, দণ্ডাধীশ আৰু পাৰিষদ।

২ নং প্রশ্নৰ উত্তৰঃ শ্রমণসকল আছিল গৃহত্যাগী সন্ন্যাসী, ভিক্ষু আৰু বিভিন্ন ধর্মীয় পন্থাৰ অনুগামী।

৩ নং প্রশ্নৰ উত্তৰঃ সৈনিকসকলৰ দ্বাৰা।

৪ নং প্রশ্নৰ উত্তৰঃ মাটি ব্যৱহাৰ কৰাৰ বাবদ পৰিশোধ কৰা ভাৰা আৰু উৎপাদিত সামগ্রী মূল্যায়নৰ পাচত পৰিশোধ কৰা ৰাজহ।

৫ নং প্রশ্নৰ উত্তৰঃ ৰাষ্ট্রই।

৬ নং প্রশ্নৰ উত্তৰঃ মৌর্য যুগৰ মানুহৰ জীৱন-যাপনৰ মান অতি উচ্চ আছিল।

৭ নং প্রশ্নৰ উত্তৰঃ (ক) (i) ব্রাহ্মণ অথবা ক্ষত্রিয়সকলৰ মাজৰ পৰা।

(ii) ফুটা থকা আৰু ৰূপেৰে নির্মিত

৮ নং প্রশ্নৰ উত্তৰঃ (ক) মহাবীৰ স্বামী (খ) লোকায়তসকল, (গ) মৌর্য, (ঘ) ভাৰত, আফগানিস্তান

৯ নং প্রশ্নৰ উত্তৰঃ মৌর্য যুগত কলা আৰু স্থাপত্যৰ ক্ষেত্রখনত যথেষ্ট উন্নতি ঘটিছিল। এই সংস্কৃতিক বিকাশৰ প্রধান পৃষ্ঠপোষক আছিল সম্রাট অশোক। এই যুগত বহুতো সুন্দৰ সুন্দৰ ৰাজপ্রাসাদ, স্তুপা, স্তম্ভ আদি সজা হৈছিল। সাঞ্চী স্তূপা, সাৰনাথ আৰু সাঞ্চীৰ স্তম্ভ, নাগার্জুনী পাহাৰৰ গুহা আদি হ'ল মৌর্য কলা আৰু স্থাপত্যৰ দুটামান নিদর্শন।

৮.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ঃ পিণ্ডকাৰা / পিণ্ডকাৰ সকলৰ বিষয়ে কি জানে?

প্রশ্ন ২ঃ অজীৱিকা সকল কোন আছিল?

প্রশ্ন ৩ঃ ভিষ্ঠি মানে কি?

প্রশ্ন ৪ঃ মেগাস্থিনিছে মৌর্য সমাজক কিমানটা ভাগত ভাগ কৰিছিল?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ মৌর্য যুগত সমাজৰ অৱস্থা কেনেকুৱা আছিল।

প্রশ্ন ২ঃ মৌর্য যুগৰ ধর্মীয় বিকাশ সম্পর্কীয় এটি টোকা লিখক।

প্রশ্ন ৩ঃ মৌর্য যুগৰ স্তম্ভবোৰৰ বিষয়ে এটি চমুটোকা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ মৌর্য যুগৰ আর্য-সামাজিক অৱস্থা বর্ণনা কৰক।

প্রশ্ন ২ঃ মৌর্য শাসকসকলে গ্রহণ কৰা অর্থনৈতিক ব্যৱস্থাসমূহ বর্ণনা কৰক। তেওঁলোকৰ অর্থনৈতিক নীতিসমূহ সফল আছিলনে?

প্রশ্ন ৩ঃ মৌর্য যুগত এক গৰিমাময় সাংস্কৃতিক বিকাশ ঘটিছিল। আলোচনা কৰক।

*** ***** ***

অধ্যায় ঃ ৯ ভাৰতত মৌর্যসকলৰ পাচত হোৱা বিকাশ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ নতুন ৰাজ্যৰ উত্থান

৯.৩.১ শুংগবংশ

৯.৩.২ কুষাণ বংশ

৯.৩.৩ সাতবাহন বংশ

৯.৪ মৌর্যসকলৰ পাচত হোৱা সাংস্কৃতিক বিকাশ

৯.৪.১ ভাষা, সাহিত্য আৰু ধর্মৰ বিকাশ

৯.৪.২ কলা, স্থাপত্য আৰু ভাস্কর্য শিল্পৰ বিকাশ

৯.৪.৩ গান্ধাৰ আৰু মথুৰা শিল্পকলা

৯.৫ সংগম সাহিত্য, সমাজ আৰু সংস্কৃতি

৯.৫.১ সংগম সাহিত্য আৰু ইয়াৰ বিকাশ

৯.৫.২ সামাজিক পৰিস্থিতি আৰু সাংস্কৃতিক জীৱন

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৭ অধিক জানিবলৈ

৯.৮ অগ্রগতিৰ খতিয়ান

৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- মৌর্যসকলৰ পাচত উত্থান ঘটা নতুন ৰাজ্যবোৰৰ বিশ্লেষণ আগবঢ়াব পাৰিব,
- মৌর্যসকলৰ পাচত হোৱা সাংস্কৃতিক বিকাশ সম্পর্কে আলোচনা কৰিব পাৰিব,
- গান্ধাৰ শিল্প কলাৰ বিভিন্ন বৈশিষ্ট্যৰ তালিকা প্রস্তুত কৰিব পাৰিব,
- মথুৰা শিল্প কলাৰ গুৰুত্ব বর্ণনা কৰিব পাৰিব,
- সংগম সাহিত্যৰ বিভিন্ন দিশৰ সংজ্ঞা দাঙি ধৰিব পাৰিব,
- সংগম যুগৰ দক্ষিণ ভাৰতৰ সমাজ তথা সংস্কৃতিৰ ছবি এখন গম পাব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি মৌর্য সাম্রাজ্যৰ পতন কেনেকৈ ঘটিছিল সেই বিষয়ে আলোচনা কৰিছিলোঁ। মৌর্য সাম্রাজ্য নিশকতীয়া হৈ পৰাৰ লগে লগে অসংখ্য সৰু-বৰ ৰাজ্যৰ

উত্থান ঘটিছিল। মগধত মৌর্যসকলৰ পাচত শুংগ ৰাজবংশই ক্ষমতা দখল কৰিছিল। দাক্ষিণাত্য অঞ্চলত সাতবাহন বংশই প্ৰবল পৰাক্ৰমীৰূপত গা কৰি উঠিছিল। ভাৰতীয়-গ্ৰীক্, শক, পার্থিয়ান আৰু কুষাণসকলেও ভাৰতৰ বিভিন্ন অঞ্চলত শাসন আৰম্ভ কৰিছিল। এই সময়ছোৱাত ভাৰতীয় আৰু বিদেশী জাতিৰ সংমিশ্ৰণে ভাৰতৰ সাংস্কৃতিক জীৱনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছিল। এই অধ্যায়টিত আমি ভাৰতীয় ইতিহাসত নিজ নাম লিপিৱদ্ধ কৰা এই সময়ছোৱাৰ কেইটামান নতুন ৰাজশক্তি আৰু এই শক্তিবোৰৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিম।

৯.৩ নতুন ৰাজ্যৰ উত্থান

পৰৱৰ্ত্তী মৌর্য যুগত কেইবাটাও নতুন নতুন ৰাজ বংশৰ উত্থান হৈছিল। এই অধ্যায়টিত আমি এই নতুন ৰাজবংশবিলাকৰ বিষয়ে আলোচনা কৰিম।

৯.৩.১ শুংগবংশ

সমসাময়িক সমলৰ মতে পূষ্যমিত্ৰ শূংগই শুংগবংশ প্ৰতিষ্ঠা কৰিছিল। তেওঁ আছিল সর্বশেষ মৌর্য সম্ৰাট বৃহদ্ৰথৰ সেনাধিনায়ক। তেওঁ বৃহদ্ৰথক এক সামৰিক অভ্যুত্থানৰ জৰিয়তে হত্যা কৰি ৰাজক্ষমতা হস্তগত কৰিছিল। পূষ্যমিত্ৰ এজন ব্ৰাহ্মণ আছিল। ৰজা হৈয়েই তেওঁ অশ্বমেধ যজ্ঞ পাতিছিল। পৰম্পৰাগত সমল অনুসৰি পূষ্যমিত্ৰই পাটলিপুত্ৰ, অযোধ্যা আৰু বিদিশালৈকে নিজ আধিপত্য বিস্তাৰ কৰিছিল। তেওঁ সম্ভৱতঃ জলন্ধৰ আৰু শ্বাকালাও শাসন কৰিছিল। তেওঁৰ শাসনকালত ৰাজবংশৰ উত্তৰাধিকাৰীৰ দ্বাৰা প্ৰদেশবোৰৰ প্ৰশাসনিক কাম-কাজ চলাই নিয়াৰ মৌর্য পৰম্পৰাটো অক্ষুণ্ণ ৰখা হৈছিল। সাম্ৰাজ্যৰ ভিতৰতে কেন্দ্ৰকীয় ৰাজ্য (nuclear kingdoms) স্থাপন কৰি ৰাজশক্তিৰ বিকেন্দ্ৰীকৰণ ঘটোৱা হৈছিল। পুষ্যমিত্ৰই যৱনসকলৰ বিৰুদ্ধে বহুবাৰ আক্ৰমণ অভিযান চলাইছিল। এইখিনি সময়তে 'যৱন' অথবা ভাৰতীয়-গ্ৰীক্সকলে বেষ্ট্ৰিয়াৰ পৰা উত্তৰ-পশ্চিম ভাৰতলৈকে নিজ ৰাজ্য সম্প্ৰসাৰিত কৰিবলৈ চেষ্টা চলাইছিল।

পূষ্যমিত্ৰ শুংগৰ পাচত তেওঁৰ উত্তৰসুৰীসকলে প্ৰায়ে ৩৬ বছৰ কাল শুংগবংশৰ শাসন বর্তাই ৰাখিছিল যদিও এই সময়ছোৱাৰ ইতিহাস অনিশ্চিত। তেওঁৰ উত্তৰাধিকাৰী অগ্নিমিত্ৰ সম্পর্কীয় বৰ বিশেষ তথ্য পোৱা নাযায়। অগ্নিমিত্ৰ আছিল মহাকবি কালিদাসৰ 'মালবিকাগ্নিমিত্ৰম' নাটৰ প্ৰধান পুৰুষ চৰিত্ৰ। পুৰাণত পোৱা সমল মতে অগ্নিমিত্ৰৰ উত্তৰাধিকাৰীসকলৰ বংশাৱলীভিত্তিক ক্ৰমটো হ'ল- সুজেষ্ট (নাইবা বাসু জেষ্ঠ), বাসুমিত্ৰ, অন্ধ্ৰক (অথবা ভদ্ৰক), পুলিন্দক, ঘোষ, বজ্ৰমিত্ৰ, ভাগৱত আৰু দেৱভূমি (অথবা দেৱভূমি)। এই সময়ছোৱাত ব্ৰাহ্মণ্যবাদ পুনৰ ঠন ধৰি উঠিছিল আৰু ভাগৱত ধর্মৰ

গুৰুত্ব ক্রমে বৃদ্ধি পাইছিল। মহান ব্যাকৰণিক পতঞ্জলি আছিল পুষ্যমিত্রৰ সমসাময়িক।

শুংগবংশৰ শেষ ৰজাসকলে মগধৰ পূর্বৰ গৰিমা নাইকিয়া কৰি পেলাইছিল। এই ৰজাসকলৰ নৈতিক দিশটো অতি দুর্বল আছিল। অৱশ্যে মগধ হেৰুৱাবলগীয়া হলেও শূংগসকলে বহুদিনলৈ ইতিহাসত নিজ অস্তিত্বৰ চাপ ৰাখিছিল। অন্ধ্রসকলে বিদিশা অঞ্চলটো দখল নকৰালৈকে শূংগ বংশই বিদিশাত শাসনকার্য অব্যাহত ৰাখিছিল।



জানিথোৱা ভাল

শুংগসকলৰ ৰাজশাসনৰ ক্রম

পূষ্যমিত্র শুংগ	(১৮৫ খৃষ্টপূর্ব-	১৪৮ খৃষ্টপূর্ব)
অগ্নিমিত্র	(১৪৮ খৃষ্টপূর্ব-	১৪১ খৃষ্টপূর্ব)
সূজ্যেষ্ঠ	(১৪১ খৃষ্টপূর্ব-	১৩৩ খৃষ্টপূর্ব)
বাসুমিত্র	(১৩৩ খৃষ্টপূর্ব-	১২৩ খৃষ্টপূর্ব)
বজ্রমিত্র	(১২৩ খৃষ্টপূর্ব-	১১৪ খৃষ্টপূর্ব)
ভাগৱত	(১১৪খৃষ্টপূর্ব-	৮২ খৃষ্টপূর্ব)
দেৱভূতি	(৮২খৃষ্টপূর্ব-	৭২ খৃষ্টপূর্ব)

আগতেই কোৱা হৈছে যে শুংগসকলৰ শাসনকালত ব্রাহ্মণ্যবাদী ধর্মই ব্যাপকভাৱে গা কৰি উঠিছিল। পুষ্যমিত্রই তেওঁৰ ৰাজসভাত ব্রাহ্মণসকলৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁৰ উত্তৰাধিকাৰীসকলেও এই পৰম্পৰা ৰক্ষা কৰিছিল। পুষ্যমিত্রৰ অশ্বমেধ যজ্ঞই ব্রাহ্মণ্যবাদৰ পুনৰ প্রতিষ্ঠাত অৰিহণা যোগাইছিল। পাঁচটা শতিকাৰ পাচত গুপ্ত বংশৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত ব্রাহ্মণ্যবাদৰ পূর্ণবিকাশ ঘটিছিল। এই কালছোৱাত ব্রাহ্মণ্যবাদে লাভ কৰা সহায়-সমর্থনৰ ফলত শূংগসকলৰ দিনত ব্রাহ্মণ্যবাদী সাহিত্যৰো বিকাশ ঘটিছিল। সেই সময়ছোৱাত সংস্কৃত ভাষাত সাহিত্য ৰচনা কৰা হৈছিল। পতঞ্জলিয়ে পানিনিৰ ব্যাকৰণৰ ব্যাখ্যা আগবঢ়াই 'মহাভাষ্য' ৰচনা কৰিছিল। সম্ভৱতঃ শুংগসকলৰ দিনতেই 'মনুস্মৃতি' ও লিখা হৈছিল। এই সময়ছোৱাত সুকুমাৰ কলাৰো যথেষ্ট বিকাশ হৈছিল। বিখ্যাত ভাৰহুট বেষ্টনি (Bharhut railings)য়ে শূংগসকলৰ নাম ইতিহাসত অমৰ কৰি থৈ গৈছে। এই শাসন কাল ছোৱাত বিদিশা এক গুৰুত্বপূর্ণ শিল্পকলাৰ কেন্দ্রবিন্দুত পৰিণত হৈছিল।

৯.৩.২ কুষাণ বংশ

কুষাণ বংশৰ শাসনকাল হ'ল ভাৰতীয় সাংস্কৃতিক ইতিহাসৰ এছোৱা গুৰুত্বপূর্ণ সময়। চীনা ইতিহাসবিদসকলৰ মতে কুষাণসকল আছিল চীনৰ য়ুক-চী জাতিৰ (Yuch-Chi race) এটা ঠাল। তেওঁলোকে শক সাম্ৰাজ্য ধ্বংস কৰি ভাৰতৰ উত্তৰ-পশ্চিম অংশত নিজ শাসন আৰম্ভ কৰিছিল। কুষাণসকলে ভাৰতীয় কলা আৰু ধর্মলৈকো যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছে।

কুষাণ বংশৰ প্ৰথমজন শক্তিশালী ৰজা আছিল প্ৰথম কড়ফিচেছ (Kadphises)। তেওঁ প্ৰতিষ্ঠা কৰা কুষাণ সাম্ৰাজ্যখন অ'ক্সাছ আৰু সিন্ধু নদীৰ মাজত অৱস্থিত আছিল। বেক্ট্ৰিয়া, আফগানিস্তান, পূৰ ইৰান আৰু উত্তৰ-পশ্চিম ভাৰত এই সাম্ৰাজ্যৰ অন্তভূক্ত আছিল। তেওঁৰ শাসনকালত প্ৰচলিত মুদ্ৰাৰ পৰা গম পোৱা গৈছে যে তেওঁ শেষৰজন যৱন শাসকক পৰাজিত কৰি তক্ষীলা (তক্ষশীলা) লৈ নিজ সাম্ৰাজ্য বিস্তাৰ কৰিছিল। প্ৰথম কড়ফিচেছৰ শাসনকাল আছিল যুদ্ধ আৰু সংঘর্ষেৰে ভৰা।

প্ৰথম কড়ফিচেছৰ পাচত তেওঁৰ পুত্ৰ দ্বিতীয় কড়ফিচেছ ৰাজপাটত বহিছিল। তেওঁ এজন প্ৰবল পৰাক্ৰমী ৰজা আছিল। তেওঁৰ দিনতেই ভাৰতত কুষাণ সাম্ৰাজ্য তক্ষীলাৰ পৰা উত্তৰ ভাৰতৰ আন বহুতো অংশলৈ সম্প্ৰসাৰিত হৈছিল। দ্বিতীয় কড়ফিচেছে পিতৃৰ সাম্ৰাজ্যবাদী নীতি অনুসৰণ কৰিছিল। তেওঁৰ সাম্ৰাজ্যই পশ্চিমৰ ৰোমান সাম্ৰাজ্য, উত্তৰৰ চীন আৰু দক্ষিণ পূব দিশত সাতবাহন ৰাজ্যৰ সীমা স্পর্শ কৰিছিল। তেওঁ যথেষ্ট সংখ্যক মুদ্ৰাৰ প্ৰচলন কৰিছিল। ইয়াৰ দ্বাৰাই দ্বিতীয় কড়ফিচেছৰ ক্ষমতা আৰু ধর্মৰ বিষয়ে জানিব পৰা গৈছে। তেওঁ 'মহেশ্বৰ', 'সর্ব-লোকেশ্বৰ', 'মহাৰাজ' ইত্যাদি শিৰোনাম গ্ৰহণ কৰিছিল।

দ্বিতীয় কড়ফিচেছৰ পাচত কণিষ্কই শাসন ভাৰ গ্ৰহণ কৰিছিল। কণিষ্ক ভাৰতৰ শ্ৰেষ্ঠ কুষাণ ৰজা বুলি গণ্য কৰা হয়। প্ৰাপ্ত সমলৰ ভিত্তিত কণিষ্ক ৰাজপাটত বহাৰ আনুমানিক কিন্তু সবাতোকৈ ভাৰসাযোগ্য সময়ছোৱা হ'ল ৭৮ খৃষ্টাব্দ। ইতিহাসবিদৰ মতে এই বছৰটোৰ পৰাই কণিষ্কই এক নতুন যুগৰ ঘোষণা কৰিছিল। তেওঁ উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা কুষাণ সাম্ৰাজ্যত ৰাজস্থান, পঞ্জাৱ, মালৱা, সৌৰাষ্ট্ৰ আৰু উত্তৰ প্ৰদেশক অন্তর্ভুক্ত কৰিছিল। কণিষ্কৰ শাসনকালৰ সবাতোকৈ গুৰুত্বপূর্ণ ঘটনাবোৰৰ মাজৰে এটা হ'ল চীনৰসৈতে হোৱা যুদ্ধ। এই যুদ্ধৰ পাচত তেওঁ খোটান, কাশ্বগৰ আৰু য়াৰকন্দ নামৰ তিনিখন চীনা প্ৰদেশ নিজ সাম্ৰাজ্যৰ অধীন কৰিছিল। কাশ্মীৰৰ প্ৰাকৃতিক সৌন্দর্যই কণিষ্কক প্ৰভাৱিত কৰিছিল আৰু তেওঁ কাশ্মীৰ আক্ৰমণ কৰি ইয়াকো নিজ সাম্ৰজ্যৰ ভিতৰুৱা কৰি লৈছিল। এই বিজয়ৰ স্মৃতি স্বৰূপে তেওঁ সাম্ৰাজ্যৰ ভিতৰুৱা কৰি লৈছিল। এই বিজয়ৰ স্মৃতি স্বৰূপে তেওঁ কণিষ্কপুৰ নগৰৰ

আধাৰশিলা স্থাপন কৰিছিল। কণিষ্কই ৰাজপাদ (ৰজাৰ শাসন) ঈশ্বৰ প্রদত্ত অধিকাৰ বুলি বিশ্বাস কৰিছিল। তেওঁ প্রধানতঃ সর্বময় কর্তাৰ ক্ষমতাৰে (একনায়কত্ববাদীতাৰে) সাম্রজ্য শাসন কৰিছিল। যদিও বাস্তৰিক ক্ষেত্রত প্রাদেশিক শাসনকর্তাৰ সৈতে কিছু ক্ষমতা ভাগ-বটোৱাৰা কৰিবলগীয়া হৈছিল। প্রাদেশিক শাসনসকলে হয়তো যথেষ্ট পৰিমানে স্থানীয় স্বায়ত্বশাসনৰ অধিকাৰ পাইছিল। কুষাণ সম্রাটসকলে পৰম্পৰাগতভাৰে যুৱৰাজসকলক সহকাৰী শাসক হিচাপে নিযুক্তি দিছিল।

স্বনামধন্য ইতিহাসবিদ এন. এন ঘোষৰ মতে, "কণিষ্ক জন্মসূত্রে বিদেশী, কিন্তু নিজ ইচ্ছাই এজন ভাৰতীয় আৰু ধর্মীয় বিশ্বাস অনুসৰি নৈষ্ঠিক মহাযানপন্থী বৌদ্ধধর্মী আছিল।" কণিষ্কই প্রচলন কৰোৱা মুদ্রাবোৰৰ পৰা তেওঁৰ ধর্মীয় বিশ্বাস ক্রমে বৌদ্ধধর্মৰ প্রতি ঢাল খোৱাৰ ইংগিত পোৱা যায়। কিংবদন্তি মতে কণিষ্ক বৌদ্ধ ধর্মগুৰু অশ্বঘোষৰ সান্নিধ্যলৈ আহিছিল আৰু তেওঁৰ শিক্ষণত প্রভাৱিত হৈছিল। কণিষ্কৰ শাসনকালতেই কাশ্মীৰত বিখ্যাত চতুর্থ বৌদ্ধ মহাসভা অনুষ্ঠিত হৈছিল। এই মহাসভা পৰিচালনা কৰিছিল বাসুমিত্রই। মহাসভাৰ উদ্দেশ্য আছিল বুদ্ধৰ শিকনিবোৰক লৈ প্রচলিত বিভিন্ন মতবাদৰ প্রণালীৱদ্ধভাৱে শ্রেণী বিভাজন কৰা, তুলনা কৰি চোৱা আৰু নতুনকৈ বিকাশ ঘটা দৃষ্টিভংগীবোৰৰ আধাৰত ব্যাখ্যা আগবঢ়োৱা।

কুষাণ বংশৰ শাসকসকল কলাৰ পৃষ্ঠপোষকও আছিল। কণিষ্কৰ শাসনকালছোৱাত কলা আৰু স্থাপত্যশিল্পৰ অভূতপূর্ব বিকাশ হৈছিল। সাম্রাজ্যৰ অধীনস্থ চাৰিটা কেন্দ্রৰ পৰা চাৰিটা প্রখ্যাত স্থাপত্য শৈলী বিকশিত হৈছিল। কেন্দ্রস্থল চাৰিখন আছিল- সাৰনাথ, মথুৰা, অমৰাৱতী আৰু গান্ধাৰ। প্রতিটো কেন্দ্রত বিকশিত হোৱা স্থাপত্য কলাই আছিল পৃথক বৈশিষ্ট্যপূর্ণ। কণিষ্কৰ শাসনকালত গান্ধৰ স্থাপত্য শৈলীৰ সবাতোকৈ অধিক বিকাশ ঘটিছিল। কলাৰ ক্ষেত্রতো কণিষ্কৰ শাসনকালছোৱাত দুটা বিশেষ শৈলীৰ উত্থান ঘটিছিল। ইয়াৰে এটা আছিল ভাৰতীয় আৰু আনটো আছিল বিদেশী (exotic)। মথুৰাত উদ্ধাৰ হোৱা কণিষ্কৰ মূৰবিহীন মূর্তি আৰু সাৰনাথত উদ্ধাৰ হোৱা বুদ্ধৰ মূর্তিৰ পৰা ভাৰতীয় শৈলীটোৰ আভাস পোৱা যায়। বিদেশী শৈলীটো কালক্রমত 'গান্ধাৰ কলা' (the Gandhara Art) নামেৰে জনাজাত হৈছিল। ই মূলতঃ এক গ্রীক্-ৰোমান শৈলী আৰু গান্ধাৰ অঞ্চলৰ বৌদ্ধধর্মীয় বিষয় সম্বন্ধীয় নির্মাণ কার্যৰ সময়ত এই কলা প্রয়োগ কৰা হৈছিল। অর্থাৎ, গান্ধৰ কলা বৌদ্ধ বিষয়বস্তুক কেন্দ্র কৰি বিকশিত হৈছিল।

কুষাণসকল বিদেশী আছিল যদি তেওঁলোকে সংস্কৃতক ৰাজ্যভাষাৰ মর্যাদা দিছিল। ফলত ৰাজকীয় পৃষ্ঠপোষকতাত সংস্কৃত সাহিত্য সৃষ্টিৰ এক সৌহার্দপূর্ণ পৰিৱেশ গঢ়ি উঠিছিল। তেওঁলোকৰ খোদিত ফলকবোৰো সংস্কৃত ভাষাৰ আছিল। শিক্ষাৰ

পৃষ্ঠপোষকতাত কণিষ্ক আছিল সবাতোকৈ আগবঢ়া। কণিষ্কৰ ৰাজসভাৰ শোভাবৰ্দ্ধন কৰা কেইগৰাকীমান মহান পণ্ডিত আছিল বৌদ্ধধর্মী লেখক অশ্বঘোষ, দার্শনিক নাগার্জুন, ৰাজনীতিক মাথাৰা, বৌদ্ধ পণ্ডিত বাসুমিত্র, চিকিৎসক চৰক আদি। কুষাণসকলে ভাৰতীয় ৰাজনীতিৰ বিচ্ছিন্ন চৰিত্রটো নাইকিয়া কৰিছিল। তেঁওলোকৰ প্রচেষ্টাতে চীন, মধ্য এছিয়া আৰু পশ্চিম এছিয়াৰ ৰোমান সাম্রাজ্যৰ সৈতে ভাৰতৰ ঘনিষ্ঠ ৰাজনৈতিক তথা ব্যৱসায়িক সম্পর্ক গঢ়ি উঠিছিল।

৯.৩.৩ সাতবাহন বংশ

দাক্ষিণাত্য অঞ্চলত সাতবাহন বংশই মৌর্য সাম্রাজ্যৰ এক উত্তৰাধিকাৰীৰ ৰূপত গা কৰি উঠিছিল। তেওঁলোকে অবিৰতভাৱে ৪৬০ বছৰ অঞ্চলটোত শাসন চলাইছিল। তেওঁলোকক অন্ধ্র বংশ বুলিও জনা যায়। সাতবাহন বংশৰ প্রতিষ্ঠাপক হ'ল চিমুকা। চিমুকাৰ পূর্বসূৰীসকলৰ বিষয়ে অনিশ্চয়তা আছে যদিও তেওঁৰ উত্তৰসূৰীসকলে নিজকে ব্রাহ্মণ বুলি পৰিচয় দিছিল। চিমুকাই শুংগসকলক পৰাস্ত কৰিছিল বুলি ভবা হয়। চিমুকাৰ পুত্র প্রথম সতকৰ্ণীৰ দিনত সাতবাহনসকলৰ গুৰুত্ব বৃদ্ধি পাইছিল। তেওঁ পশ্চিম মালৰা, অনুপা (নর্মদা উপত্যকা) আৰু বিদর্ভ জয় কৰিছিল। প্রথম সতকৰ্ণীয়ে 'দক্ষিণাপথপতি' উপাধি গ্রহণ কৰিছিল।

সাতবাহন বংশৰ সর্বশ্রেষ্ঠ ৰজাজন হ'ল গৌতমীপুত্র সতকৰ্ণী। তেওঁৰ নেতৃত্বত সাতবাহনসকলে নিজৰ গৰিমা-মর্যাদা পুনৰ প্রতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। মাতৃ গৌতমী বালাশ্রীয়ে 'নাচিক খোদিত লিপি' ত পুত্রৰ সফলতাবোৰ লিপিৰদ্ধ কৰি থৈ গৈছে। তেওঁ 'ৰাজাৰাজা' আৰু 'মহাৰাজ ' শিৰোনাম ধাৰণ কৰিছিল। গৌতমীপুত্র সতকৰ্ণী আছিল এখন বিশাল সাম্রাজ্যৰ অধিকাৰী। কিস্তুনাৰ পৰা কাথিৰাৰ আৰু ৰেৰাৰৰ পৰা কোংকনলৈ তেওঁৰ সাম্রাজ্যৰ পোনপটীয়া শাসন চলিছিল। এই চাৰিসীমাৰ বাহিৰতো এক বিশাল অঞ্চলত তেওঁৰ অধীনস্থ কর্তৃপক্ষই শাসন চলাইছিল সেইবাবে গৌতমীপুত্রৰ নাম ইতিহাসত সোণালী আখৰেৰে লিপিৰদ্ধ হোৱাটো একো আচৰিত কথা নহয়। তেওঁ যেনেকৈ যুদ্ধত পাৰ্গত আছিল ঠিক এনেদৰে শান্তি বর্তাই ৰখাতো দক্ষ আছিল। তেওঁৰ ৰাজহুৱা দায়িত্ববোধ আছিল অতি গ ভীৰ। গৌতমীপুত্রৰ প্রশাসন শাস্ত্রীয় নীতি-নিয়ম আৰু মানৱীয়তা-এই দুটা ভেটিৰ ওপৰত প্রতিষ্ঠিত আছিল।

গৌতমীপুত্রৰ উত্তৰাধিকাৰীসকলে ২২০ খ্রীষ্টাব্দলৈকে শাসন কৰিছিল। তেওঁৰ তাৎক্ষণিক উত্তৰাধিকাৰী বশিষ্ঠিপুত্র পুলমায়ীৰ মুদ্রা আৰু শিলালিপি। (১৩০-৫৪ খৃষ্টাব্দ) অন্ধ্রত পোৱা গৈছে। শাক্যসকলে সৌৰাষ্ট্রৰ (কঠিয়াৰাৰ) অধিকাৰ লাভৰ বাবে সাতবাহনসকলৰ লগত তেওঁলোকৰ সংঘাত পুনৰ আৰম্ভ হয়, তেওঁলোকে সাতবাহনসকলক দুবাৰ কৈ পৰাজিত কৰে যদিও বৈবাহিক সম্বন্ধেৰে সংযুক্ত হৈ থকাৰ

বাবে সাত বাহনসকলক ধ্বংস কৰা নাছিল। যজ্ঞ শ্রী সাতকার্ণী (খ্রীষ্টাব্দ ১৬৫-৯৪) সাতবাহন ৰাজবংশৰ অন্তিম মহান ৰজা আছিল। তেওঁ শাক্য শাসকসকলৰ পৰা উত্তৰ কোঙ্কন আৰু মালৱা উদ্ধাৰ কৰিছিল। যজ্ঞ শ্রী সাতকার্ণীৰ উত্তৰাধিকাৰীসকলে সাতবাহন ৰাজ্য ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে যিখন ২২০ খ্রীষ্টাব্দত ধ্বংস হৈছিল।


সেই সময়ৰ শিলালিপিৰ পৰা এইটো স্পষ্ট যে গাওঁ আৰু চহৰসমূহক পর্যাপ্ত স্বাধীনতা দিয়া হৈছে। তেওঁলোকৰ পৃথক সংগঠন আছিল। সাতবাহন ৰজাসকলৰ দ্বাৰা নিযুক্তি জিলা বিষয়াসকলক 'মহাসেনাপতি' হিচাপে মনোনীত কৰা হৈছিল। এই কথাটোৱে প্রমাণ কৰে যে প্রাদেশিক প্রশাসন এটা সামৰিক চৰিত্রৰ আছিল। তাত এটা 'মন্ত্রী পৰিষদ' আছিল যিটো মুখ্য পৰিচালনা সমিতি আছিল। উনাগড় শিলালিপিত কেবিনেট ব্যৱস্থাৰ বর্ণনাও আছে। 'মন্ত্রী পৰিষদ'ৰ উপৰিও ৰজাক আন বহুতো বিষয়াই সহায় কৰিছিল, যেনে মহাভোজ, মহাৰথি, মহাসেনাপতি, অমাত্য, মহামাত্র আদি। এই বিষয়াসকলক ৰজাই নিজেই নিযুক্তি দিছিল। যদিও সাতবাহনসকলৰ প্রশাসনত বংশানুক্রমিক ৰাজতন্ত্র বিৰাজ কৰিছিল, তথাপিও শাসকসকলে জনসাধাৰণৰ মঙ্গলৰ বাবে কাম কৰাটো তেওঁলোকৰ কর্তব্য বুলি গণ্য কৰিছিল। অর্থাৎ, জনসাধাৰণৰ কল্যাণ ৰজাৰ চূড়ান্ত লক্ষ্য আছিল।

সাতবাহন ৰজাসকলৰ আনুষ্ঠানিক খতিয়ান আৰু বৌদ্ধ গ্রন্থবোৰৰ পৰা সাতবাহন চৰকাৰৰ কাম-কাজ সম্পর্কে কিছু কথা জানিবলৈ পোৱা যায়। সাতবাহন প্রশাসনৰ আধাৰ আছিল ধর্মশাস্ত্র-সমূহৰ সহজ-সৰল নীতি-নিয়ম। সাতবাহন ৰজাসকলে কোনো ঐশ্বৰিক অধিকাৰ দাবী কৰা নাছিল। তেওঁলোক সদায় 'ৰাজন' অথবা 'ৰাজাৰজ' আদিৰ দৰে সৌম্য শিৰোনাম ধাৰণ কৰিয়েই সন্তুষ্ট আছিল। তাত্ত্বিকভাৱে ৰজা আছিল চৰম ক্ষমতা অধিকাৰী। কিন্তু ব্যৱহাৰিক ক্ষেত্রত ৰজাৰ কাম কাজ বিভিন্ন পৰম্পৰা-লোকাচাৰ, দেশাচাৰ আৰু শাস্ত্রৰ নীতি-নিয়মৰ আধাৰত পৰীক্ষা কৰি থকা হৈছিল। ৰজাৰ প্রাদেশিক কার্য আছিল দেশখনক বিদেশী শক্তিৰ আক্রমণৰ পৰা ৰক্ষা কৰা। ৰাজকুমানৰ সকলক 'কুমাৰ' বোলা হৈছিল। তেওঁলোকে সাধাৰণতে বিভিন্ন প্রদেশত বিশ্বাসী ভাইছৰয় (প্রাদেশিক শাসনকর্তা) হিচাপে ৰজাৰ সেৱা কৰিছিল।

সাতবাহনসকলৰ সহিষ্ণু শাসনকালত বাহ্মণ্যবাদ আৰু বৌদ্ধধর্ম দুয়োটাৰে বিকাশ ঘটিছিল। ৰজাসকল আছিল ব্রাহ্মণ। তেওঁলোকে বৈদিক হিন্দু ধর্ম মানি চলিছিল। প্রথম সতকৰণীয়ে বৈদিক প্রথা অনুসৰি দুটা অশ্বমেধ যজ্ঞ আৰু অসংখ্য আন বলি-বিধানযুক্ত পূজা-পাতল কৰিছিল। ব্রাহ্মণসকলক বিভিন্ন উপহাৰ দিয়া হৈছিল।

চাৰু-কাৰু শিল্পৰ গীল্ড্ (Craft-guilds) অথবা শ্রেণী(Srenis) আছিল এই সময়ছোৱাৰ আন এক বৈশিষ্ট্য। এনে শ্রেণী অথবা চাৰ-কাৰু শিল্পৰ গীণ্ডবোৰে

বেংকৰ কামো কৰিছিল। ইয়াত সুতৰ বিনিময়ত ধন জমা দিয়া হৈছিল। কৃষি আৰু বাণিজ্যৰ দিশত হোৱা উন্নতিৰ বাবে সাতবাহনসকলৰ শাসনকালত দাক্ষিণাত্য অঞ্চলৰ অর্থনীতি অতি উন্নত আছিল। মৌর্য যুগতেই লোহাৰ নাঙলেৰে মাটি চহোৱাৰ প্ৰথা এই অঞ্চললৈ বিয়পি গৈছিল। অর্থাৎ, সাতবাহনসকলৰ যুগত ডেক্কানে মৌর্য যুগৰ উন্নত কৃষিপদ্ধতিৰ পৰম্পৰাটো উত্তৰাধিকাৰীসূত্রে লাভ কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১। তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়কঃ

(ক) শুংগ বংশ কোনে প্রতিষ্ঠান কৰিছিল?

.....

(খ) 'মালবিকাগ্নিমিত্রম্' নাটকৰ প্রধান পুৰুষ চৰিত্রটো কোন?

.....

(গ) কণিষ্কই কোন চনৰ পৰা নতুন যুগ আৰম্ভ হোৱাৰ কথা ঘোষণা কৰিছিল?

.....

(ঘ) কণিষ্কই জয় কৰা চীনা প্রদেশ তিনিখনৰ নাম লিখক।

.....

(ঙ) চতুর্থ বৌদ্ধ মহাসভাখন কোনে পৰিচালনা কৰিছিল?

.....

(চ) নাগার্জুন কোন আছিল?

.....

(ছ) সাতবাহন বংশ কোনে প্রতিষ্ঠা কৰিছিল?

.....

(জ) 'দক্ষিণাপথপতি' উপাধি কোনে গ্রহণ কৰিছিল?

.....

৯.৪ মৌর্যসকলৰ পাচত হোৱা সাংস্কৃতিক বিকাশ

৯.৪.১ ভাষা, সাহিত্য আৰু ধর্মৰ বিকাশ

মৌর্যসকলৰ শাসনৰ ওৰ পৰাৰ পাচৰ সময়ছোৱাত লিখিত সাহিত্যই এক নতুন গতি লাভ কৰিছিল। এই সময়ছোৱাত সংস্কৃত ভাষাৰ অভূতপূর্ব বিকাশ ঘটিছিল। ধর্মশাস্ত্রৰ সৈতে জড়িত বহুকেইখন গ্রন্থ এই সময়ছোৱাতে ৰচিত হৈছিল। খৃষ্টপূর্ব প্রথম শতিকাত মনুস্মৃতি অথবা মানৰ ধর্মশাস্ত্র গ্রন্থখন লিখা হৈছিল।

সংস্কৃত ব্যাকৰণৰ ক্ষেত্রতো উত্তৰ-মৌর্য কালত যথেষ্ট উন্নতি হৈছিল। খৃষ্টপূর্ব দ্বিতীয় শতিকাত মহান ব্যাকৰণিক পতঞ্জলিয়ে মহাভাষ্য ৰচনা কৰিছিল। দৰাচলতে মাহাভাষ্য হ'ল পানিনিৰ অষ্ঠধ্যায়ী গ্রন্থৰ ব্যাখ্যা। এই সময়ছোৱাতে মহাকাব্য ৰামায়ণ আৰু মহাভাৰতেও চূড়ান্ত ৰূপ লৈছিল বুলি অনুমান কৰা হয়।

উত্তৰ-মৌর্য যুগৰ এগৰাকী প্রসিদ্ধ সাহিত্যিক হ'ল অশ্বঘোষ। তেওঁ একেধাৰে এজন নাট্যকাৰ, কবি আৰু মহান বৌদ্ধ দার্শনিক আছিল। তেওঁ লিখা কেইখনমান বিখ্যাত গ্রন্থ হ'ল সৌন্দৰানন্দ, বুদ্ধচাৰিত আৰু বজ্রসূচী। সেই সময়ছোৱাৰ আন এগৰাকী প্রখ্যাত নাট্যকাৰ হ'ল ভাষা। তেওঁৰ দ্বাৰা ৰচিত 'স্বপ্নবাসৱাদত্তম্' হ'ল এখন ইতিহাসপ্রসিদ্ধ সংস্কৃত নাট। বৌদ্ধ দার্শনিক নাগার্জুনেও সংস্কৃত ভাষাত সাহিত্য ৰচনা কৰিছিল। তেওঁ লিখা এখন প্রসিদ্ধ গ্রন্থ হ'ল মাধ্যমিকাসূত্র (মাধায়ামিকাসূত্র)।

সাতবাহন শাসকসকলৰ পৃষ্ঠপোষকতাত প্রাকৃত ভাষাৰো বিকাশ ঘটিছিল। সাতবাহন যুগৰ লিপিবোৰ প্রাকৃত ভাষাত খোদিত কৰা হৈছিল। সাতবাহন ৰজা হলা আছিল এজন সু-কবি। তেওঁৰ কবিতা পুথিখনৰ নাম হ'ল গাথাসপ্তশ্বতি। আহহাতে, গুণাঢ্যই লিখা গ্রন্থখনৰ নাম হ'ল কথাচৰিত সাগৰ।

পৰৱর্ত্তী মৌর্য যুগত ধর্মৰ দিশতো নানা পৰিৱর্তন ঘটিছিল। সমাজৰ ধনী আৰু ক্ষমতাশালী শ্রেণীটোৱে বৌদ্ধধর্ম গ্রহণ কৰিছিল। ইয়াৰ ফলস্বৰূপে বৌদ্ধমঠবোৰ সমৃদ্ধ হৈছিল। দূৰণিবটীয়া অঞ্চলত নির্মিত বৌদ্ধমঠবোৰলৈ পর্যপ্তি সা-সুবিধা আগবঢ়োৱা হৈছিল বাবে তাত থকা বৌদ্ধ ভিক্ষুসকলে আৰামদায়ক জীৱন যাপন কৰিব পাৰিছিল। কিন্তু ইয়াৰ পৰিণতিত সংঘ ধাৰণাটো সাধাৰণ মানুহৰ পৰা আঁতৰি গৈছিল আৰু ইয়াৰ মৌলিক ন্যায়নিষ্ঠ মূল্য নোহোৱা হৈছিল।

এই সময়ছোৱাতে বৌদ্ধধর্মত কিছুমান নতুন উপাদান যোগ হৈছিল। উপাসনাৰ বাবে বুদ্ধৰ মূর্তি তৈয়াৰ কৰাৰ পৰম্পৰা আৰম্ভ হৈছিল। বোধিসত্বৰ ধাৰণাটোৱেও এইখিনি সময়তে গা কৰি উঠিছিল। পূণ্য হস্তান্তৰ'ৰ ধাৰণাটোৰো এইখিনি সময়তে সূত্রপাত হৈছিল। ধাৰণাটো অনুসৰি পুণ্য এজন মানুহৰ পৰা আন এজন মানুহলৈ হস্তান্তৰ কৰিব পাৰি। ইয়াৰ বাবে যাৰ হাতলৈ পুণ্য যাব তেওঁৰ নামত এক ধর্মীয় অনুষ্ঠান সম্পন্ন কৰিব লাগিব। দান আৰু উপহাৰক পুণ্য অর্জনৰ পথ বুলি গণ্য কৰা হৈছিল। সংঘবোৰ অনুগামীৰ দানৰ ওপৰত নির্ভৰশীল আছিল। সংযোগ ব্যৱস্থা উন্নত হোৱা বাবে তীর্থযাত্রীৰ সংখ্যা বাঢ়িছিল। নতুন তীর্থস্থান গঢ় লৈ উঠিছিল। কুষাণ ৰজা কণিষ্কৰ পৃষ্ঠপোষকতাত খৃষ্টীয় দ্বিতীয় শতিকাৰ আৰম্ভণিতে কাশ্মীৰত বৌদ্ধ মহাসভাও বহিছিল।বৌদ্ধধর্মৰ হীনযানপন্থীসকলে বৌদ্ধধর্মৰ পুৰণি প্রথা আৰু দর্শন মানি চলিছিল। মহাযানপন্থীসকলে ওপৰত উল্লেখ কৰা নতুন ধাৰণাবোৰ বৌদ্ধধর্মত সংলগ্ন কৰি লৈছিল

(যেনে,মূর্তি উপাসনা, বোধিসত্বৰ ধাৰণা ইত্যাদি)। নাগার্জুনক বৌদ্ধধর্মৰ মহাযান শাখাৰ বিকাশৰ বাটকটীয়া বুলি গণ্য কৰা হয়।

পৰৱর্ত্তী-মৌর্য যুগৰ বৌদ্ধ ধর্মৰ দৰে জৈন ধর্ময়ো অগ্রগতি লাভ কৰিছিল। বিভিন্ন ৰজা আৰু প্রতিপত্তিশালী লোকে জৈন ধর্মৰ পৃষ্ঠপোষকতা কৰিছিল। কালক্রমত জৈন ধর্মও দুটা ভাগত বিভক্ত হৈছিল- দিগম্বৰ আৰু শ্বেতম্বৰ। দিগম্বৰ পন্থা আছিল গোড়া। শ্বেতম্বৰ পন্থা আছিল অধিক উদাৰ। দেশৰ বিভিন্ন প্রান্তত জৈন ভিক্ষুসকলে থিতাপি লৈছিল। আধুনিক কর্ণাটক ৰাজ্যৰ শ্রৱণাবেলগোলা জৈন ধর্মৰ সর্ববৃহৎ কেন্দ্রত পৰিণত হৈছিল।

বৈদিক ব্রাহ্মণ্যবাদৰ অনুগামীৰ সংখ্যা তুলনামূলকভাৱে কম আছিল যদিও তেওঁলোক অতি প্রভাৱশালী আছিল। তেওঁলোকে শূংগ আৰু সাতবাহনৰ দৰে বহুতো ৰাজবংশৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। ৰজাৰ ৰাজঅভিষেকত বৈদিক বলি-বিধানে এক গুৰুত্বপূর্ণ ভূমিকা লৈছিল। কিছুমান বৈদিক দেৱ-দেৱীৰ অস্তিত্বৰ বিলোপ ঘটিছিল। কিছুমানে পূর্বৰ জনপ্রিয়তা হেৰুৱাইছিল আৰু আন কিছুমান নতুন দেৱ দেৱীৰ উত্থান ঘটিছিল। এইখিনি সময়তে বৈদিক ব্রাহ্মণ্যবাদ নতুনকৈ উত্থিত ভাগৱত আৰু শৈৱ পন্থাৰ পৰা পৃথক হৈ পৰিছিল। নতুন পন্থাবোৰক পৌৰাণিক হিন্দুধর্ম আখ্যা দিয়া হৈছিল আৰু পৰৱর্ত্তী-মৌর্য যুগৰ শেষৰফালে এইবোৰ পন্থাৰ বিকাশ ঘটিছিল।

এই সময়ত বৈষ্ণৱ আৰু শৈৱ সম্প্রদায় দুটা পৃথক ধর্ম হিচাপে বিকাশ ঘটা নাছিল। ইয়াৰ পৰিৱর্তে সম্প্রদায় দুটাৰ পৰা বিভিন্ন ধর্মীয় উপ-সম্প্রদায় (cult), বিশ্বাস আৰু ৰীতি-নীতিৰ সৃষ্টি হৈছিল। এইদৰে এক নতুন উপাসনা পদ্ধতিৰ জন্ম হৈছিল। এই পদ্ধর্তিত ভগৱান আৰু ভক্তৰ মাজৰ ব্যক্তিগত সম্পর্কটোত অধিক গুৰুত্ব দিয়া হৈছিল।

পৰৱর্ত্তী মৌর্য যুগত বিকাশ ঘটা আন এটা ধাৰণা হ'ল 'ঈশ্বৰৰ ত্রিত্ব' (The Trinity of God)। এই ধাৰণা মতে ব্রহ্মা হ'ল স্রষ্টা, বিষ্ণু হ'ল পালনকর্তা আৰু শিৱ হ'ল বিশ্ব চৰাচৰৰ সংহাৰকর্তা। এই তিনিওজন ঈশ্বৰৰ ভিতৰত বিষ্ণু আৰু শিৱই জনপ্রিয়তা অর্জন কৰিছিল। বিষ্ণুৰ অসংখ্য অৱতাৰ আছে বুলি বিশ্বাস কৰা হৈছিল। মহাকাব্য দুখনক ধর্মগ্রন্থৰ মর্যাদা দিয়া হৈছিল। ধর্মগ্রন্থ দুখনৰ পৰিশোধিত সংস্কৰণ তৈয়াৰ কৰা হৈছিল। ধর্মগ্রন্থ দুখনৰ পৰিশোধিত সংস্কাৰণ তৈয়াৰ কৰা হৈছিল আৰু নতুন অংশ সংযোজন কৰা হৈছিল। এক প্রসিদ্ধ সংযোজন হ'ল মহাভাৰতত ভাগৱতগীতা অথবা 'সৰগীয় গীত'ৰ (Divine Song) সংযোজন।

খৃষ্টীয় প্রথম শতিকাত পাশ্চাত্যৰ বণিকসকলে ভাৰতত খৃষ্টানধর্ম প্রচাৰৰ পাতনি মেলিছিল। কিংবদান্তি পুৰুষ চে'ণ্ট থ'মাছে ভাৰতত খৃষ্টানধর্মৰ প্রচাৰ কৰিছিল বুলি কোৱা হয়। তেওঁ এক অভিযান সূত্রে দুবাৰ ভাৰতলৈ আহিছিল। অৱশ্যে, চিৰিয়ান খৃষ্টিয়ান গীর্জা স্থাপিত হোৱাৰ লগে লগেহে আনুষ্ঠানিকভাৱে ভাৰতত খৃষ্টান ধর্ম প্রৱেশ হৈছিল বুলি ক'ব পাৰি।

৯.৪.২ কলা, স্থাপতা আৰু ভাস্কর্য শিল্পৰ বিকাশ

বিভিন্ন নগৰ-চহৰত চলা খনন কার্যৰ সময়ত উদ্ধাৰ হোৱা সামগ্রীবোৰে উত্তৰ-মৌর্য যুগৰ স্থাপত্য কলাৰ বিকাশ সম্পর্কে জনাৰ সুযোগ দিছে। সেই সময়ছোৱাৰ কলা আৰু স্থাপত্যত ধর্মই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। ভাৰতত প্রাচীন যুগত কলা আছিল ধর্মৰ হাত-ধৰা লিগিৰী। বৌদ্ধ ধর্মীয় স্থাপত্যৰ নিদর্শন হ'ল বৌদ্ধ বিহাৰ, স্তুপা আৰু চৈত্যগৃহবোৰ। ইয়াৰে কিছুমানৰ গাঁথনি আছিল ভেটিবিহীনভাৱে থিয় কৰোৱা গাঁথনি আৰু আন কিছুমান আছিল পাহাৰৰ দাঁতিত শিলকাটি নির্মাণ কৰা গাঁথনি। সাঞ্চী, অমৰাৱতী, ভাৰহুট আৰু সাৰনাথৰ স্তুপাকেইটা হ'ল বৌদ্ধ কলা তথা স্থাপত্যশিল্পৰ সর্বোত্তম উদাহৰণ। পাহাৰৰ গাত বৃহৎ বৃহৎ গুহা নির্মাণ কৰা হৈছিল আৰু সেই গুহাক কেন্দ্র কৰি একোটা বৌদ্ধ বিহাৰ অথবা চৈত্য গঢ়ি উঠিছিল।

এই সময়ছোৱাতে বৌদ্ধ বর্ণনামূলক কলাও বিকশিত হৈছিল। স্থাপত্য কলাৰ জৰিয়তে বুদ্ধৰ জীৱন আৰু জাতকৰ কাহিনীবোৰ বর্ণনা কৰা হৈছিল। খৃষ্ট্রীয় প্রথম শতিকাৰ আৰম্ভণিৰ সময়খিনিত অমৰাৱতী, ঘণ্টাশালা আৰু নাগার্জুনাকোণ্ডত নানান কলাসুলভ কার্য-কলাপ চলিছিল। বৌদ্ধধর্মৰ উপৰি অন্য ধর্মীয় সম্প্রদায় বোৰেও কলা আৰু স্থাপত্যৰ ক্ষেত্রলৈ অৱদান আগবঢ়াইছিল। এইখিনি সময়তে একমুখলিংগম অথবা মনুষ্য চৰিত্রযুক্তি উপাদান (জাগ্রত) থকা বুলি ধৰি লোৱা লিংগমৰ উত্থান ঘটিছিল। এই যুগতেই মথুৰা আৰু গান্ধাৰ শিল্পকলাৰ বিকাশ ঘটিছিল।

উত্তৰ-মৌর্য যুগত স্থাপত্য শিল্পৰ আনুষংগিক ভাৱে ভাস্কর্য শিল্পৰো বিকাশ ঘটিছিল। তোৰণ (gateways), বেষ্টানি (railings) আৰু প্রৱেশদ্বাৰত (entrances) নানান স্থাপত্যৰ নস্কাৰ লগতে কিছুমান অকলশৰে থিয় কৰাই থোৱা ভাস্কর্যও দেখা যায়। অৱশ্যে এই যুগৰ প্রথমাৱস্থাৰ ভাস্কর্যবোৰত শিলৰ ব্যৱহাৰ সীমিত আছিল। কিন্তু খৃষ্টিয়ান যুগ আৰম্ভ হোৱাৰ লগে লগে দাক্ষিণাত্য অঞ্চলৰ ভাস্কর্য শিল্পীসকলে লিকটা কলাৰ দক্ষতা অর্জন কৰিছিল। শিলৰ লগতে ভাস্কর্য শিল্পীসকলে হাতীদাঁতো ব্যৱহাৰ কৰিবলৈ লৈছিল।



জানি থোৱা ভাল

ভাৰতীয় কলাৰ ইতিহাস মৌর্য যুগৰ পৰা আৰম্ভ হৈছে বুলি কোৱা হয়। মৌর্য কলাক দুটা ভাগত ভাগ কৰিব পাৰি। সেই দুটা হৈছে ৰজাঘৰীয়া কলা (Court Art) আৰু জনপ্রিয় কলা (Popular Art) । প্রথম ভাগত স্তম্ভ কলা (Pillar Art) আৰু গুহাচিত্রক (Cave Art) সামৰি লোৱা হয়। স্তম্ভবোৰ অতি মসৃণকৈ নির্মাণ কৰা হৈছিল। অশোকে নির্মাণ কৰোৱা স্তম্ভবোৰৰ শীর্ষবোৰ আছিল একক শিলাখণ্ড। তাত অপূর্ব দক্ষতাৰে জন্তুৰ অৱয়ব কটা হৈছিল। সাৰনাথৰ স্তম্ভটোত সবাতোকৈ আকর্ষণীয় স্তম্ভশীর্ষ কটা হৈছিল। এই স্তম্ভশীর্ষটোকেই আধুনিক ভাৰত গণৰাজ্যৰ ৰাষ্ট্রীয় প্রতীক হিচাপে গ্রহণ কৰা হৈছে।

৯.৪.৩ গান্ধাৰ আৰু মথুৰা শিল্পকলা

উত্তৰ-মৌর্য যুগত ভাৰত, গ্রীছ, ৰোম আৰু ইৰানৰ মাজত থকা বাণিজ্যিক সম্পর্কই এক নতুন গতি লৈছিল। পণ্যদ্রব্যৰ লগতে এই দেশবোৰৰ সৈতে ভাৰতৰ সাস্কৃতিক আন্তঃক্রিয়াও আৰম্ভ হৈছিল। কলাৰ ক্ষেত্রখনত এই আন্তঃক্রিয়া পোনপটীয়া আৰু দৃশ্যমান আছিল এই সময়ছোৱাৰ উন্নত শিল্পকলাৰ ইয়াৰ এক উদাহৰণ হ'ল আফগানিস্তান আৰু উত্তৰ-পশ্চিম ভাৰতত উত্থান ঘটা গান্ধাৰ শিল্পকলা (the Gandhara Art)

গান্ধাৰ শিল্পকলা হ'ল বিভিন্ন শৈলীৰ মিশ্রণেৰে বিকশিত হোৱা এটা ধাৰা। ইয়াত গ্রীক্-ৰোমান শৈলী আৰু প্রাচীনগ্রীচীয় (Hellenistic) তথা ভাৰতীয় আর্হিৰ সংমিশ্রণ দেখা যায়। গান্ধাৰ শিল্পকলাৰ উন্মেষে বৌদ্ধ পৰম্পৰাত উল্লেখ থকা অসংখ্য সৰগীয় সত্বা (celestial beings) আৰু বিভিন্ন সৰগৰ ধাৰণাবোৰক মূর্ত ৰূপ দিয়াত সহায় কৰিছিল। এই ধাৰণাবোৰক গান্ধাৰ ভাস্কর্য আৰু চিত্রকলাৰে প্রকাশ কৰা হৈছিল। যিহেতু গান্ধাৰ শিল্পকলাত বিভিন্ন শৈলী আৰু কলাৰ সুস্পষ্ট প্রভাৱ আছে, সেয়েহে বিচিত্রতা অনুসৰি ইয়াক বিভিন্ন উপ-শাখাত ভগাব পৰা যায়। গান্ধাৰ শিল্পকলাৰে বিশষভাবে বৌদ্ধধর্মৰ বিষয়বস্তুবোৰ ফুটাই তোলা হৈছিল। অৱশ্যে অন্য দেৱ দেৱী আৰু বিষয়বস্তুক লৈয়ো গান্ধাৰ শিল্পকলাৰ চর্চা চলিছিল। বুদ্ধৰ মাতৃৰ প্রতিকৃতিৰ এথেনিয়ান মাতৃমূর্তিৰ (Athenian matran) সৈতে সাদৃশ্য আছিল। বুদ্ধৰ প্রতিচ্ছবিত এপ'ল' দেৱতাৰ দৰে মুখ আঁকা হৈছিল। গ্রীক্ দেৱ-দেৱতাই বুদ্ধক সন্মান জনাই থকাৰ দৃশ্য আঁকা / কটা হৈছিল।

গান্ধাৰ শিল্পকলাৰ এটা জনপ্রিয় মাধ্যম আছিল বিলাতীমাটিৰ প্লাষ্টাৰৰ (চূণ-চুর্কি/stucco) ব্যৱহাৰ। প্রথমে হাডডাত আৰু পাছত আফগানিস্তানৰ বামিয়ানত থকা

বৌদ্ধবিহাৰ বোৰ চূণ-চুৰ্কিৰে সজা বুদ্ধ তথা বোধিসত্বসকলৰ মূৰ্তিৰে অলংকৃত কৰা হৈছিল। হাড্ডাৰ অপূৰ্ব চূণ-চুৰ্কি কলা আছিল স্থানীয় শিল্পীসকলৰ দক্ষতাৰ নিদৰ্শন। গান্ধাৰ শিল্পকলাৰ এটা অপূৰ্ব সুন্দৰ উদাহৰণ আছিল বামিয়ানৰ বুদ্ধমূৰ্তিটো। দুৰ্ভাগ্যজনকভাৱে তালিবানৰ আধিপত্যৰ কালত এই মূৰ্তিটো ধ্বংস কৰি পেলোৱা হৈছিল।


কুষাণ যুগত মথুৰা শিল্পকলাৰ বিকাশ হৈছিল। গান্ধাৰ শিল্পকলাৰ দৰে মথুৰা শিল্পকলাৰো মূল বিষয়বস্তুবোৰ বৌদ্ধধৰ্ম কেন্দ্রিক আছিল। মথুৰা আছিল বুদ্ধৰ প্রতিমূৰ্তি নিৰ্মাণকাৰী কেন্দ্র। মধুৰা ভাস্কৰ্য শিল্পত দেৱ-দেৱীৰ প্রতিমূৰ্তিত বহুতো প্রাচীন গ্রীচীয় উপাদানৰ সংযোজন ঘটিছিল। যেনে- কেকোঁৰা চুলি আৰু বিভিন্ন ভাঁজত জপা কাপোৰ পিন্ধা মানুহৰ দৰে সাধাৰণ আদৰ্শবাদী বাস্তৱবাদ প্রধান নক্সাভিত্তিক উপাদান কিছুমানৰ নাম ল'ব পাৰি।

মধুৰাত বুদ্ধ মূৰ্তিৰ লগতে কুষাণ ৰজাসকলৰ মূৰ্তিও নিৰ্মাণ কৰা হৈছিল। কালৰ সোঁতত মূৰ অংশটো খহি পৰা কণিষ্কৰ প্রতিমূৰ্তিটোক মধুৰা শিল্পকলাৰ এক অনন্য নিদৰ্শন বুলি গণ্য কৰা হয়। প্রতিমূৰ্তিটো বৰ্তমান মধুৰা সংগ্রহালয়ৰ সম্পদ। এই শিল্পকলাৰ জৰিয়তে নাৰীমূৰ্তিবোৰক অধিক স্বাধীন আৰু গতি বিধিসম্পন্ন কৰি উপস্থাপন কৰা হৈছিল। মথুৰা ভাস্কৰ্য শিল্পই বহুতো অতুলনীয় নমুনা সৃষ্টি কৰি থৈ গৈছে। শিল্পীসকলে ব্রাহ্মণ, জৈন আৰু বৌদ্ধধৰ্মৰ সৈতে জড়িত বিভিন্ন দেৱ-দেৱীৰ প্রতিমূৰ্তি নিৰ্মাণ কৰি থৈ গৈছে। তেওঁলোকে যক্ষ-যক্ষিণীৰ জীৱন্ত প্রতিমূৰ্তি তৈয়াৰ কৰাৰ লগতে ৰজা-মহাৰজাৰো প্রতিচ্ছবি তথা প্রতিকৃতি নিৰ্মাণ কৰিছিল।



চিন্তা-চৰ্চা কৰক — ৯.১

মৌৰ্যসকলৰ পাছৰ যুগবোৰত হোৱা কেইটামান গুৰুত্বপূৰ্ণ ধৰ্মীয় বিকাশৰ কথা লিখক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ২। তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়কঃ

(ক) অশ্বঘোষ কোন আছিল?

.....

(খ) 'ঈশ্বৰৰ ত্রিত্ব'ৰ ধাৰণাটো অনুসৰি স্রষ্টা কোন?

.....

(গ) বিলাতীমাটিৰ প্লাষ্টাৰ (stucco) মানে কি?

.....

প্রশ্ন ৩। খালী ঠাই পূৰণ কৰক-

(ক) ..... সকলে বৌদ্ধধর্মৰ প্রাচীন নীতি-নিয়মবোৰ অনুসৰণ কৰিছিল।

(খ) উত্তৰ-মৌর্য যুগত ভাস্কর্য শিল্পত শিলৰ লগতে.....ৰ ব্যৱহাৰো আৰম্ভ হৈছিল।

(গ) গান্ধাৰ শিল্পকলাই বিশেষভাৱে..... উপস্থাপন কৰিছিল।

৯.৫ সংগম সাহিত্য, সমাজ আৰু সংস্কৃতি

খৃষ্টপূর্ব প্রথম সহস্রাব্দৰ শেষৰফালে দক্ষিণ ভাৰত প্রাক্-ঐতিহাসিক যুগৰ পৰা ঐতিহাসিক যুগত প্রৱেশ কৰিছিল। এই সময়ছোৱাৰ সমসাময়িক ঘটনাৱলী প্রতিফলিত কৰা সাহিত্যক খতিয়ান সহজলভ্য। অশোকে তেওঁৰ খোদিত লিপিবোৰত দক্ষিণ ভাৰতৰ বাসিন্দাসকলক ছোনা, ছেৰা, পাণ্ড্যা, চেতিয়াপুত্র আৰু কেৰালাপুত্র বুলি উল্লেখ কৰিছিল। প্রথম তিনিটা ফৈদে পৰৱর্তী সময়ত ৰাজ্য গঠন কৰিছিল। সেই সময়ছোৱাৰ তথ্য জানিবলৈ আমি সেইখিনি সময়ত বিকাশ ঘটা সংগম সাহিত্যৰ সহায় ল'ব লাগিব। তলত এই বিষয়ে আলোচনা কৰা হৈছে।

৯.৫.১ সংগম সাহিত্য আৰু ইয়াৰ বিকাশ

দক্ষিণ ভাৰতৰ কথিত আৰু সাহিত্য ৰচনা হোৱা ভাষাবোৰৰ মাজত সবাতোকৈ পুৰণি ভাষাটো হ'ল তামিল। তামিল সাহিত্যৰ ইতিহাসে ঢুকি পোৱা কালছোৱা সংগম যুগতে আৰম্ভ হৈছিল। 'সংগম' হ'ল সংস্কৃত শব্দ 'সংঘ'ৰ তামিল ৰূপ। সংঘ মানে হ'ল একাধিক ব্যক্তি অথবা সংগঠনৰ গোট অথবা দল। 'সংগম' আছিল তামিল কবিসকলৰ মহাবিদ্যালয় অথবা সভা। এই মহাবিদ্যালয় অথবা সভাই সম্ভৱতঃ ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিছিল। আমাৰ হাতত সংগমৰ প্রকৃত সংখ্যা জনাৰ কোনো সমল নাই। একোটা সংগম কিমানদিন জুৰি সক্রিয় হৈ আছিল সেয়াও অজ্ঞাত। খৃষ্টীয় অষ্টম শতিকাৰ মাজভাগত ৰচিত এক তামিল টীকাৰ (Tamil Commentary) পৰা গম পোৱা গৈছে যে তিনিটা সংগম ৯,৯৯০ বছৰ ধৰি সক্রিয় হৈ আছিল। পৰম্পৰাগত বিশ্বাস অনুসৰি অগস্ত্য ঋষিয়ে দেনমাডুৰাই (দক্ষিণ মাডুৰাই)ত প্রথমটো সংগম গঠন কৰিছিল। দ্বিতীয় সংগম বহিছিল কাবাড়াপুৱমত। ইয়াত ৩৭০০ জন কবিয়ে ভাগ লৈছিল। তৃতীয় সংগম মাডুৰাইত পতা হৈছিল আৰু ইয়াত ৪৪৪ জন কবি উপস্থিত আছিল। এই সংখ্যাবোৰ অতিৰঞ্জিত হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। অৱশ্যে প্রতিখন সংগমতে একাংশ বিশিষ্ট কবি আৰু পণ্ডিত উপস্থিত থকাৰ সম্ভাৱনা প্রবল।

সংগম সক্রিয় হৈ থকা যুগটোৱেই হ'ল সংগম সাহিত্যৰ যুগ। এই যুগৰ সমগ্র সাহিত্য সম্ভাৰৰ ভিতৰত এট্টগাই সংগ্রহক (Ettogai Collection) সবাতোকৈ পুৰণি

বুলি গণ্য কৰা হয়। খৃষ্টপূর্ব তৃতীয় শতিকাৰ পৰা খৃষ্টাব্দ তৃতীয় শতিকাৰ ভিতৰত ৰচিত সকলো সাহিত্যক এই সংগ্রহৰ অন্তর্ভুক্ত কৰা হৈছে। পৰৱর্তী সময়তো ইয়াত যথেষ্ট সংখ্যক সাহিত্য নতুনকৈ সংযোজন কৰা হৈছে।

সংগম সাহিত্যক প্রধানকৈ দুটা ভাগত ভগোৱা হয়- বর্ণনামূলক (Narrative) আৰু হিতোপদেশমূলক (didactic) গ্রন্থ। বর্ণনামূলক গ্রন্থবোৰক মেলানক্কু (Melanakku) বোলা হয়। ইয়াত ১৮ খন লঘূ গ্রন্থ আছে। বর্ণনামূলক সংগম গ্রন্থবোৰে বীৰৰ গুণাণুকীর্তন কৰাৰ লগতে সেই সময়ছোৱাৰ মানুহৰ জীৱন বৃত্তান্ত আগবঢ়ায়। এই গ্রন্থবোৰৰ পৰা সেই সময়ৰ ৰাজনৈতিক ব্যৱস্থা আৰু প্রশাসন সম্পর্কেও জানিবলৈ পোৱা যায়। হিতোপদেশমূলক গদ্যবোৰে ৰজা আৰু তেওঁৰ ৰাজসভাৰ বাবে এক আচাৰ সংহিতা আগবঢ়াইছিল। বিভিন্ন সামাজিক দল আৰু বৃত্তিৰ বাবেও এনে সাহিত্যৰ দ্বাৰা আচাৰ-সংহিতা আগবঢ়োৱা হৈছিল।

তিৰুভাল্লুৱৰৰ (Tiruvalluvar) তিৰুক্কুৰাল (Tirukkural) অথবা কুৰাল (Kural) ক লঘূ হিতোপদেশমূলক কবিতাবোৰৰ ভিতৰত সর্বশ্রেষ্ঠ বুলি কোৱা হয়। শিলাপ্পডিকৰণ (Silappadikaram) আৰু মিণিমেকলই (Manimekalai) হ'ল দুখন তামিল মহাকাব্য। খৃষ্টীয় ষষ্ঠ শতিকাত এই মহাকাব্য দুখন ৰচিত হৈছিল। দুয়োখন মহাকাব্যই প্রায় খৃষ্টীয় ষষ্ঠ শতিকালৈকে তামিলসকলৰ অর্থনৈতিক তথা সামাজিক জীৱনৰ ওপৰত মূল্যৱান আলোকপাত কৰি থৈ গৈছে।

৯.৫.২ সামাজিক পৰিস্থিতি আৰু সাংস্কৃতিক জীৱন

সংগম গ্রন্থবোৰে সংগম যুগত হোৱা সামাজিক বিৱর্তনৰ বহুকেইটা স্তৰ থকাৰ কথা উল্লেখ কৰিছে। প্রথম অৱস্থাত তামিলসকল আছিল মূলতঃ পশুপালক। দক্ষিণ ভাৰতৰ বিভিন্ন অংশত চলা খনন কার্যত কোৰ (hoes) আৰু কাঁচি (sickles) উদ্ধাৰ হৈছে। কিন্তু কোনো অঞ্চলতে নাঙল-যুঁৱলি উদ্ধাৰ হোৱা নাই। সাধাৰণ আহিলবোৰৰ লগতে যুদ্ধ আৰু চিকাৰত লগা আন বহুতো সামগ্রী, যেনে- কাঁড়ৰ জোঙা আগ, দীঘল তৰোৱাল আৰু যাঠি, কাইট থকা হুল, যাঠি আগ আদিও পোৱা গৈছে। এইবোৰ সমলে তামিল সকল অন্তহীন যুঁজ-বাগৰত লিপ্ত আৰু পোহনীয়া জন্তু চৰোৱা লোক আছিল বুলি সংগম গ্রন্থবোৰে কোৱা কথাক সমর্থন আগবঢ়ায়। গ্রন্থবোৰৰ পৰা গম পোৱা যায় যে যুঁজ বাগৰৰ দ্বাৰা লুণ্ঠিত সামগ্রীবোৰ আছিল জীৱন-যাপনৰ এটা গুৰুত্বপূর্ণ সমল। সংগম সাহিত্যত প্রতিফলিত হোৱা সামাজিক বিৱর্তনৰ প্রাৰম্ভিক স্তৰটোৰ সম্ভৰ মেগালিথিক স্তৰৰ প্রথমাৱস্থাৰ সৈতে সম্পর্ক আছে।

খৃষ্টপূর্ব ২য় শতিকালৈকে ভাৰতীয় উপদ্বীপ অঞ্চলত মেগালিথ লোক বাস

কৰিছিল। এই মানুহখিনিক মেগালিথ বোলাৰ কাৰণ হ'ল তেওঁলোকে সমাধিস্থল ডাঙৰ ডাঙৰ শিলৰ টুকুৰাৰে বৃত্তাকাৰেঘেৰি দিছিল।

খৃষ্টপূব ৩য় শতিকালৈ মেগালিথ লোকসকল সাৱঁৰা নদী অৱবাহিকা অঞ্চলবোৰলৈ আঁতৰি গৈছিল আৰু খেতি কৰাৰ প্ৰয়াস আৰম্ভ কৰিছিল। উত্তৰ অঞ্চলৰ বৈষয়িক সংস্কৃতি আৰু বণিক-আক্ৰমণকাৰী -ধৰ্মপ্ৰচাৰক আদিৰ প্ৰভাৱত মেগালিথিক লোকসকলেও অসংখ্য গাঁও আৰু নগৰ গঢ়ি তুলিছিল।

পৰিয়ালৰ মুৰব্বী জনে বিশেষ গুৰুত্বপূৰ্ণ উপভোগ কৰিছিল। কিন্তু সমূহ এটাৰ মুখিয়ালে তেওঁতকৈ উচ্চ পদমৰ্যাদা লাভ কৰিছিল। মুখিয়ালবোৰক ভেলিৰ (Velir) বোলা হৈছিল। হয়তো এনে মুখিয়ালসকলকেই মেগালিথিক প্ৰথাৰে সমাধিস্থ কৰা হৈছিল। অৱশ্যে, সমাজত সৰ্বোচ্চ পদমৰ্যাদা লাভ কৰিছিল ভেণ্টৰ (Ventor) অথবা ক্ষমতাশালী প্ৰধান দলপতিয়ে।

এই সময়ছোৱাত কবি অথবা চাৰণ (কবিতা ৰচোঁতা আৰু গোৱা ব্যক্তি) সকলে সমাজত যথেষ্ট সন্মান ভাল কৰিছিল। তেওঁলোকক তেওঁলোকৰ সৃষ্টিৰ বাবে সা-সম্পত্তিৰে পুৰস্কৃত কৰা হৈছিল। এনে সমাজত উপহাৰ প্ৰদান এক সাধাৰণ প্ৰথা আছিল। গোষ্ঠী অথবা ফৈদৰ মাজত অৰ্থনীতি সীমাৱদ্ধ আছিল। গোষ্ঠী অথবা ফৈদৰ পৰা কম সংখ্যক সদস্যক মুখিয়ালৰ সেৱাত অৰ্পণ কৰা হৈছিল। এনে সদস্যবোৰে মুখিয়ালৰ হৈ লুট-পাত চলাইছিল। গোষ্ঠী অথবা ফৈদৰ বাহিৰৰ লোকক শ্ৰমিক হিচাপে ব্যৱহাৰ কৰা প্ৰথা বহু পাচত আৰম্ভ হৈছিল। সংগম কবিসকলে বিভিন্ন বৃত্তিৰ কথা উল্লেখ কৰিছে যদিও 'বৰ্ণ' ভিত্তিক সামাজিক শ্ৰেণীবিভাজনৰ কথা কতো পোনপটীয়াকৈ কোৱা নাই।

যোদ্ধা শ্ৰেণীটোৱেও সমাজত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছিল. ভেল্লালা (Vellala) অথবা ধনী খেতিয়কসকলে নাগৰিকৰ দ্বাৰা গঠিত সামৰিক কাৰ্যালয়বোৰ (Civil Military Offices) পৰিচালনা কৰিছিল। এনে খেতিয়কৰ হাতত বিশাল পৰিমাণৰ মাটি আছিল। খেতি কৰা শ্ৰমিকসকলৰ সামাজিক অৱস্থা দাসবোৰতকৈ কিছু উন্নত আছিল। বিভিন্ন হস্তশিল্পীৰ অৱস্থাও কৃষি-শ্ৰমিকসকলৰ দৰেই আছিল। সংগম যুগত এক স্পষ্ট সামাজিক অসমতাই মানুহৰ মাজত শ্ৰেণীবিভাজনৰ সৃষ্টি কৰিছিল। ধনী লোকসকলে ইটা আৰু চুৰ্কীৰে গঠা ঘৰত বাস কৰিছিল। দুখীয়া লোকৰ ঘৰবোৰ বোকামাটিৰে সজা আছিল। সমাজত সীমিত পৰিমাণে বহুবিবাহৰ প্ৰচলন আছিল। ওচৰ সম্পৰ্কীয় লোকৰ সৈতে বিবাহৰ অনুমতি আছিল। নাচনী আৰু গণিকাবোৰে নগৰ-চহৰত বাস কৰিছিল। নাৰীৰো উচ্চ শিক্ষা লাভৰ অধিকাৰ আছিল। সংগম সাহিত্যত মহিলা কবিৰ কবিতাও অন্তৰ্ভুক্ত কৰা হৈছিল।

সংগম যুগৰ মানুহে বিভিন্ন ধৰণৰ ধর্মীয় অনুশীলন আৰু বিশ্বাস মানি চলিছিল। ৰজাসকলে বলি-বিধান থকা বৈদিক ধর্ম মানি চলিছিল। সংগম কবিতাবোৰত শিৱ, কৃষ্ণ, বলৰাম আৰু সুব্রমণিয়াৰ উল্লেখ আছে। পাহাৰীয়া অঞ্চলৰ লোকে উপাসনা কৰা প্রধান স্থানীয় ভগৱান আছিল 'মুৰুগান'। মধ্যযুগৰ আৰম্ভণিতে মুৰুগানক 'সুব্রমণিয়া' বুলি সম্বোধন কৰিবলৈ লোৱা হ'ল। প্রাৰম্ভিক সময়ছোৱাৰ সংগম সাহিত্যত বৌদ্ধধর্ম আৰু জৈনধর্মৰ কিছু উল্লেখ আছে। শ্রাৱকৰ উপস্থিতি, জৈন ধর্মৰ অনুগামী আৰু মাডুৰাইৰ জৈন বিহাৰবোৰে অঞ্চলটোত জৈন ধর্মৰ অস্তিত্ব প্রমাণ কৰে।


মেগালিথিক সংস্কৃতিৰ প্রধান বৈশিষ্ট্য হ'ল ইয়াৰ মৃতদেহ সৎকাৰ প্রথা। এই সৎকাৰ প্রথাকে মেগালিথ বোলা হয়। সৎকাৰস্থান বিভিন্ন ধৰণৰ লোহাৰ অস্ত্র-শস্ত্র, ৰঙা আৰু ক'লা মাটিৰ পাত্রৰে ওপচাই পেলোৱা হৈছিল। সমগ্র উপদ্বীপ অঞ্চলতে সৎকাৰ প্রথাত আশ্চর্যকৰ একে ৰূপতা দেখা পোৱা গৈছে। মাটিৰ পাত্রবোৰ বিভিন্ন আকৃতিৰ। মৃতকৰ লগত ৰখা লোৰ বস্তুবোৰ হ'ল- ফেৰেঙণিৰ দৰে পেটী থকা কুঠাৰ, কাঁচি, ত্রিপদী, ত্রিশূল বন্তি ওলমাব পাৰ হাকোটা, কাঁড়ৰ জোঙা মূৰ আৰু লেম্প। কেতিয়াবা সোণৰ অলংকাৰ আৰু তাম অথবা শিলেৰে তৈয়াৰী সামগ্রীও খনন কার্যৰ সময়ত উদ্ধাৰ হৈছে। দক্ষিণৰ ৰাজ্যবোৰে কলা, স্থাপত্য, চিত্র আৰু ভাস্কর্য ক্ষেত্রলৈ অতুলনীয় অৱদান আগবঢ়াই থৈ গৈছে। এই সময়ছোৱাত বহুতো ধুনীয়া মন্দিৰ, গুহা আৰু বিহাৰ নির্মাণ কৰা হৈছিল।

সংগম যুগতেই তামিল সাহিত্যৰ যথেষ্ট বিকাশ ঘটিছিল। সংগম সাহিত্যৰ বিকাশৰ কথা আমি আগতে আলোচনা কৰিলোঁ। সংগ্রম গ্রন্থবোৰৰ লগতে টোলক্কাপিয়ম (Tolkkapiyam) নামৰ আন এখন গ্রন্থ আছে। গ্রন্থখনৰ বিষয়বস্তু হ'ল ব্যাকৰণ আৰু কাব্যতত্ব (poetics) নন্দন তত্ব।



জানি থোৱা ভাল

দক্ষিণ ভাৰতৰ লোক আৰু ৰাজ্যবোৰৰ প্রাচীন উল্লেখ তিনিটা ৰূপত সংৰক্ষিত হৈ আছে। ৰূপকেইটা হ'ল- অশোকৰ খোদিত লিপিসমূহ, সংগম সাহিত্য আৰু মেগাস্থিনিছৰ বিৱৰণ। অশোকৰ দ্বিতীয় তথা ত্রয়োদশ শিলালিপিত ছোলা, পাণ্ড্যা, সত্যপুত্র, কেৰালাপুত্র আৰু তাম্বাপান্নী নামৰ দক্ষিণ ভাৰতীয় ৰাজ্যকেইখনৰ কথা উল্লেখ আছে। মেগাস্থিনিছেও এই ৰাজ্যকেইখনৰ কথা লিখি থৈ গৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪। খালী ঠাই পূৰণ কৰকঃ

(ক) সংগম সমাজত.....বুলি কোৱা মুখিয়াল সকলক উচ্চ মর্যদা প্রদান কৰা হৈছিল।

(খ) .....সকলে সংগম সমাজত এক গুৰুত্বপূর্ণ স্থান দখল কৰিছিল।

(গ) ৰজাসকলে বলি-বিধান থকা.....ধর্ম পালন কৰিছিল।

প্রশ্ন ৫। শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক-

(ক) সংগম গ্রন্থবোৰৰ মতে যুঁজি লুণ্ঠন কৰি অনা সামগ্রীবোৰ আছিল জীৱিকাৰ এক গুৰুত্বপূর্ণ উৎস।

(খ) সংগম যুগত কবিসকলক যথেষ্ট সন্মান কৰা হৈছিল।

(গ) সংগম যুগত নাৰীক উচ্চশিক্ষা লাভৰ সুবিধা দিয়া হোৱা নাছিল।



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- মৌর্যবংশৰ পতনৰ পাচত বহুতো নতুন ৰাজ্যৰ উত্থান ঘটিছিল এই সময়ছোৱাত সাংস্কৃতিক ক্ষেত্রখনৰ সর্বাংগীন বিকাশ হৈছিল।
- গান্ধাৰ শিল্পকলা হ'ল ভাৰতীয় আৰু গ্রীক্ কলাৰ এক অনন্য মিশ্রণ।
- মথুৰা শিল্পকলাই ভাৰতীয় সংস্কৃতিলৈ সুদূৰ প্রসাৰী অৱদান আগবঢ়াই থৈ গৈছে।
- ভাৰতীয় উপদ্বীপ অঞ্চলৰ সামাজিক তথা সাংস্কৃতিক ইতিহাস ব্যাখ্যা কৰাত সংগম সাহিত্যই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে।
- সংগম সমাজ আৰু সংস্কৃতি সমসাময়িক উত্তৰ ভাৰতীয় সমাজ-সংস্কৃতিতকৈ সম্পূর্ণ পৃথক আছিল।



৯.৭ অধিক জানিবলৈ

1. Majumdar, R.C., Raychaudhuri, H.C., Datta, K. (1986). *An Advanced History of India*. New Delhi, Macmillan India Ltd.
2. Thapar, Romila. (2002). *The Penguin History of Early India from The Origins to A D 1300.* New Delhi, The Penguin Group.

3. Tripathi, Ramashankar. (1999). *History of Ancient India*. Delhi, Motilal Banarsidass Publishers Pvt. Ltd



৯.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰঃ (ক) পুষ্যমিত্র, (খ) অগ্নিমিত্র, (গ) ৭৮ খৃষ্টব্দ (ঘ) খোটান, কাশ্বগৰ, য়াৰকন্দ, (ঙ) বাসুমিত্র, (চ) কণিষ্কৰ ৰাজসভাৰ এজন মহান দার্শনিক (ছ) চিমুকা (জ) প্রথম সতকৰণী

২ নং প্রশ্ন উত্তৰঃ (ক) মৌৰ্যসকলৰ পৰৱর্তী যুগৰ এজন প্রখ্যাত সাহিত্যিক (খ) ব্রহ্মা (গ) গান্ধাৰ শিল্পকলাত ব্যৱহৃত এটা জনপ্রিয় মাধ্যম

৩ নং প্রশ্ন উত্তৰঃ (ক)হীনযান (খ) হাতীদাঁত (গ) বৌদ্ধধর্মৰ সৈতে জড়িত বিষয়বস্তু

৪ নং প্রশ্ন উত্তৰঃ (ক) ভেলিৰ (খ) যোদ্ধ শ্রেণীটোৱে (গ) বৈদিক

৫ নং প্রশ্ন উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ



৯.৯ আৰ্হি প্রশ্ন

(ক) **বস্তুধর্মী প্রশ্ন** (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

১ নং প্রশ্নঃ 'মাধ্যমিকাসূত্র'ৰ / 'মাধায়ামিকাসূত্র'ৰ লেখক কোন?

২ নং প্রশ্নঃ হলা কোন আছিল?

৩ নং প্রশ্নঃ চতুর্থ বৌদ্ধ মহাসভাৰ প্রধান উদ্দেশ্য কি আছিল?

৪ নং প্রশ্নঃ প্রথম সংগম কোনে গঠন কৰিছিল।

৫ নং প্রশ্নঃ আদিতে তামিলসকলৰ প্রধান বৃত্তি কি আছিল?

৬ নং প্রশ্নঃ 'ভেলিৰ'ৰ বিষয়ে আপুনি কি জানে?

(খ) **চমু প্রশ্ন** (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

১। সংগম যুগত সমাজত মহিলাৰ অৱস্থা কেনেকুৱা আছিল?

২। 'চৈত্য' কি?

৩। জৈন ধর্মৰ দিগম্বৰ আৰু শ্বেতম্বৰ সকলৰ মাজত কি প্রভেদ আছে?

৪। কুষাণ প্রশাসনৰ বিষয়ে কি জানে?

৫। চমুটোকা লিখকঃ (i) মৌৰ্যসকলৰ পাচৰ যুগৰ ভাষা আৰু সাহিত্য (i i) গান্ধাৰ আৰু মথুৰা শিল্পকলা (i i i) সংগম যুগৰ সামাজিক আৰু সাংস্কৃতিক জীৱন

(গ) **ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ । মৌর্যসকলৰ পৰৱর্তী যুগত উত্থান ঘটা নতুন ৰাজ্যবোৰৰ বর্ণনা দিয়ক।

২ । মৌর্যসকলৰ পৰৱর্তী যুগত কলা, স্থাপত্য আৰু ভাস্কর্যৰ ক্ষেত্রত হোৱা বিকাশৰ বিষয়ে লিখক।

৩। মৌর্যসকলৰ পৰৱর্তী যুগৰ মানুহৰ ধর্মীয় বিশ্বাস আলোচনা কৰক।

৪। সংগম সাহিত্যৰ বিকাশ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ গুপ্ত সাম্রাজ্য

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ গুপ্ত বংশৰ উত্থান

১০.৪ গুপ্ত সাম্রাজ্যৰ বিস্তাৰ

১০.৪.১ সমুদ্র গুপ্তৰ সাম্রাজ্য বিস্তাৰ নীতি

১০.৪.২ দ্বিতীয় চন্দ্রগুপ্তৰ সাম্রাজ্য বিস্তাৰ নীতি

১০.৫ গুপ্ত সাম্রাজ্যৰ সুদৃঢ়কৰণ

১০.৬ ৰাজনৈতিক ব্যৱস্থা আৰু প্রশাসন

১০.৬.১ প্রশাসনিক বিভাগ

১০.৬.২ ন্যায়িক বিভাগ

১০.৬.৩ ৰাজহ প্রশাসন

১০.৭ গুপ্তবংশৰ পতন

১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৯ অধিক জানিবলৈ

১০.১০ অগ্রগতিৰ খতিয়ান

১০.১১ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্রাচীন ভাৰতত গুপ্ত বংশৰ উত্থান আলোচনা কৰিব পাৰিব,
- গুপ্ত সাম্রাজ্যৰ বিস্তাৰ আৰু সুদৃঢ়কৰণ ব্যাখ্যা কৰিব পাৰিব,
- গুপ্ত বংশৰ ৰাজনৈতিক ব্যৱস্থা আৰু প্রশাসন বর্ণনা কৰিব পৰিব,
- গুপ্তসকলৰ আর্থ-সামাজিক অৱস্থা আলোচনা কৰিব পাৰিব,
- গুপ্ত শাসকসকলৰ অধীনত হোৱা ধর্মীয় তথা সাংস্কৃতিক বিকাশ বর্ণনা কৰিব পাৰিব,
- গুপ্তবংশৰ পতনৰ কাৰণবোৰ বিশ্লেষণ কৰিব পাৰিব।

১০.২ পৰিচয়


ভাৰতীয় ইতিহাস লুটিয়াই চালে দেখা যায় যে ইয়াত বিভিন্ন সময়ত বহুকেইখন সাম্রাজ্য গঠিত হৈছিল। আমি ইতিমধ্যে মৌৰ্য সকলৰ পতনৰ পাচত অন্য বংশৰ সাম্রাজ্য প্ৰতিষ্ঠাৰ উচ্চকাংক্ষাৰ বিষয়ে আলোচনা কৰিলো। শুংগ, কুষাণ, সাতবাহন আদিৰ দৰে ৰাজবংশবোৰে মৌৰ্যসকলৰ স্থান লোৱাৰ চেষ্টা চলাইছিল যদিও খৃষ্টীয় চতুৰ্থ শতিকাৰ গুপ্তবংশই ভাৰতীয় ৰাজনীতিত প্ৰৱেশ নকৰা পৰ্যন্ত প্ৰকৃতাৰ্থত সাম্রাজ্য প্ৰতিষ্ঠা হোৱা নাছিল বুলি ক'ব নোৱাৰি। অৱশ্যে, ৰোমিলা থাপৰৰ দৰে পণ্ডিতে গুপ্তবংশৰ সাম্রাজ্য প্ৰতিষ্ঠাৰ প্ৰয়াসক সাম্রাজ্যৰ ধাৰণাটোৰ শুদ্ধ বাস্তৱায়িতকৰণ বুলি স্বীকৃতি দিবলৈ অস্বীকাৰ কৰি আহিছে। ইয়াৰ প্ৰধান কাৰণ হ'ল গুপ্ত সকলৰ প্ৰশাসনৰ বিকেন্দ্ৰীভূত ৰূপটো। কাৰণ যিয়েই নহওক, গুপ্ত বংশৰ শাসনকাল (খৃষ্ট্ৰীয় ৪র্থ শতিকাৰ পৰা আৰম্ভ হৈ ষষ্ঠ শতিকালৈকে) হ'ল ভাৰতীয় ইতিহাসৰ এছোৱা গুৰুত্বপূৰ্ণ সময় । এই সময়ছোৱাত ভাৰতীয়সকলৰ জীৱনৰ প্ৰায় সকলো দিশেই উৎকৰ্ষতাৰ চৰম সীমা পাইছিল আৰু ধ্ৰুপদী ৰূপ ধাৰণ কৰিছিল।

এই অধ্যায়টিত গুপ্ত সাম্রাজ্যৰ বিষয়ে আলোচনা কৰা হ'ব। গুপ্ত বংশৰ উত্থান, গুপ্ত শাসকসকলৰ সাম্রাজ্য বিস্তাৰ আৰু সুদৃঢ়কৰণৰ নীতি, গুপ্ত প্ৰশাসনিক ব্যৱস্থা, গুপ্ত যুগৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থা, গুপ্ত যুগৰ ধৰ্মীয় আৰু সাংস্কৃতি বিকাশ আৰু গুপ্ত বংশৰ পতনৰ কাৰণবোৰ এই অধ্যায়টিৰ আলোচ্য বিষয়।

১০.৩ গুপ্ত বংশৰ উত্থান

প্ৰাচীন ভাৰতৰ অধিকাংশ ৰাজশাসন চলোৱা বংশৰ দৰেই গুপ্ত বংশৰ উৎপত্তিৰ কাহিনীও অস্পষ্ট প্ৰকৃতিৰ । বিভিন্ন সময়ত বিভিন্ন ইতিহাসবিদে গুপ্ত বংশৰ উৎপত্তি সম্পৰ্কীয় ভিন ভিন তথ্য আগবঢ়াই আহিছে। কিছুমান ইতিহাসবিদৰ মতে গুপ্তসকল আছিল মগধৰ অধীনস্থ সৰু প্ৰদেশ এখনৰ শাসক। আন কিছুমান ইতিহাসবিদৰ মতে গুপ্তসকলৰ প্ৰকৃত বাসভূমি আছিল গংগানদীৰ পশ্চিম দিশৰ সমভূমি অঞ্চল। আন এচাম ইতিহাসবিদে গুপ্ত ৰজাসকলৰ নামৰ আধাৰত তেওঁলোকক বৈশ্য বৰ্ণৰ লোক বুলি ক'ব খোজে। কিন্তু ইয়াৰ বিপৰীতে এচামৰ মতে তেওঁলোক আছিল ব্ৰাহ্মণ।

গুপ্ত বংশৰ প্ৰকৃত উত্থান জানিবলৈ আমি তেওঁলোকৰ লিখিত খতিয়ানলৈ মন কৰিব লাগিব। খতিয়ানত গুপ্ত পৰিয়াল হিচাপে প্ৰথম তিনিজন শাসকৰ নাম উল্লেখ কৰা আছে। শাসক তিনিজন হ'ল- মহাৰাজ শ্ৰীগুপ্ত, তেওঁৰ পুত্ৰ ঘটোৎকচগুপ্ত আৰু ঘটোৎকচগুপ্তৰ পুত্ৰ মহাৰাজাধিৰাজ প্ৰথম চন্দ্ৰগুপ্ত। বিভিন্ন লিখিত খতিয়ানৰ আধাৰত অধিকাংশ ইতিহাসবিদে এতিয়া নিশ্চিত কৰিছে যে খৃষ্ট্ৰীয় চতুৰ্থ শতিকাত কৰতলীয়া মুখিয়ালসকলক সাধাৰণতে মহাৰাজ আৰু স্বতন্ত্ৰ ৰজাবোৰক মহাৰাজধিৰাজ বুলি সম্বোধন কৰাৰ পৰম্পৰা আছিল । এই বিৱৰণ মতে গুপ্ত বংশৰ প্ৰথম শাসক দুজন আছিল সামন্ত প্ৰভু (feudatory chief) কিন্তু তেওঁলোকৰ অধিপত্য থকা অঞ্চলবোৰ নাম আজি পৰ্যন্ত জানিব পৰাহোৱা নাই ।



চিত্র ১০.১ গুপ্ত সাম্রাজ্য

উৎস ঃ Google Image



জানিথোৱা ভাল

খৃষ্টীয় সপ্তম শতিকাত ভাৰত ভ্ৰমণলৈ অহা চীনা পৰিব্ৰজক আই-চিঙে (I-tsing) প্ৰথম গুপ্ত শাসক শ্ৰীগুপ্ত (২৭৫-৩০০ খৃষ্টাব্দ) ৰ বিষয়ে কিছু মন্তব্য কৰি থৈ গৈছে। এই মন্তব্য ভাৰসাযোগ্য সমলত পৰিণত হৈছে। আই-চিঙৰ লেখনীৰ পৰা গম পোৱা গৈছে যে উত্তৰ বংগৰ কিছু অংশ আৰু বিহাৰক সামৰি লৈ শ্ৰীগুপ্তই ৰাজ্য শাসন কৰিছিল। তেওঁ বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল আৰু মৃগশিখাবনৰ কাষত চীনা তীৰ্থযাত্ৰীৰ বাবে এটা মন্দিৰ নিৰ্মাণ কৰোৱাইছিল। ৰাকাটক খতিয়ান (The Vakataka) ৰ পৰা জনা যায় যে শ্ৰীগুপ্তক আদিৰজা অথবা গুপ্ত বংশৰ প্ৰথমজন ৰজা বুলি অভিহিত কৰা হৈছিল। শ্ৰীগুপ্তৰ পাচত ঘটোৎকচগুপ্ত ৰাজপাটত বহিছিল।

ঘটোৎকচগুপ্তৰ পাচত প্রথম চন্দ্রগুপ্ত ৰজা হৈছিল। তেওঁ আছিল গুপ্ত বংশৰ তৃতীয়জন ৰজা। তেওঁৰ দিনতেই গুপ্ত বংশই অস্পষ্টতাৰ ওৰণি আঁতৰাই ইতিহাসত নতুন যুগৰ সূচনা কৰিছিল। প্রথম চন্দ্রগুপ্তই ভৱিষ্যতৰ সাম্রাজ্যবাদী গুপ্তসকলৰ পৰিচয় নির্ণয়ৰ ভেটি গঢ়ি দিছিল। প্রথম চন্দ্রগুপ্তই লিচ্ছবি পৰিয়ালৰ সৈতে বৈবাহিক সম্পর্ক স্থাপন কৰিছিল। লিচ্ছবি হ'ল উত্তৰ বিহাৰৰ এক পুৰণি প্রতিষ্ঠিত গণ-সংঘ। কিন্তু পাচলৈ ই নেপাল ৰাজ্যৰ সৈতে যুক্ত হৈছিল। লিচ্ছবি-গুপ্ত বৈবাহিক সম্পর্কই গুপ্ত ৰাজশক্তিৰ ভৱিষ্যৎ উত্থানত এক বিশেষ ভূমিকা পালন কৰিছিল। প্রখ্যাত ইতিহাসবিদ ৰোমিলা থাপৰে এইবুলি মত প্রকাশ কৰিছে যে গুপ্তসকলৰ কোনো ৰাজবংশীয় ইতিহাস নাছিল। এনে পৰিস্থিতিত এক পুৰণি প্রতিষ্ঠিত পৰিয়ালৰ সৈতে স্থাপিত হোৱা বৈবাহিক সম্পর্কই তেওঁলোকৰ বাবে এক গ্রহণযোগ্যতাৰ মোহৰৰ দৰে কাম কৰিছিল। ভি.এ. স্মিথৰ মতে লিচ্ছবি ৰাজকুমাৰী কুমাৰাদেৱীয়ে নিজ স্বামীলৈ যৌতুক হিচাপে বহুতো প্রভাৱশালী লোকৰ তালিকা লৈ আহিছিল। কালক্রমত ইয়েই প্রথম চন্দ্রগুপ্তক মগধ আৰু চববুৰীয়া দেশবোৰত এক উচ্চ আসন দিছিল। আন কথাত, প্রথম চন্দ্রগুপ্তৰ বাবে বৈবাহিক সম্পর্ক সামাজিক দিশেৰে নহয় ৰাজনৈতিক দিশেৰে গুৰুত্বপূর্ণ আছিল।

ভৰতীয় ৰাজনীতিত নিজৰ স্থিতি সুস্থিৰ কৰি লোৱাৰ পাচত প্রথম চন্দ্রগুপ্তই গংগা নদীৰ কেন্দ্রীয় সমতলভূমিত নিজ আধিপত্য বিস্তাৰ কৰাত সফল হৈছিল। এই অঞ্চলত মগধ, চাকেট আৰু প্রয়াগৰ দৰে কেইটামান গুৰুত্বপূর্ণ এলেকা অন্তর্ভুক্ত আছিল। এই অঞ্চলকেইটা নিজ ৰাজ্যৰ অধীনস্থ কৰাৰ পাচত তেওঁ এজন স্বতন্ত্র ৰজাত পৰিণত হৈছিল আৰু মাহৰাজাধিৰাজ অর্থাৎ ৰজাৰ ৰজা শিৰোনাম ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল। প্রথম চন্দ্রগুপ্তৰ অভিযানৰ আধাৰত কিছুমান ইতিহাসবিদে ঠাৰৰ কৰিছে যে সমগ্র বিহাৰ, পূর্ববংগ অথবা সমতটৰ অংশটো বাদ দি বংগৰ এক অংশ আৰু উত্তৰ প্রদেশৰ পূৱ অংশ (বেনাৰসলৈ বিস্তৃত অঞ্চলটো) টো প্রথম চন্দ্রগুপ্তৰ ৰাজ্যৰ সীমা আছিল। কিন্তু তেওঁৰ সাম্রাজ্য বিস্তাৰৰ প্রশ্নটোক লৈ বহুতো সন্দেহ আছে। প্রথম চন্দ্রগুপ্তৰ ৰাজপাটত বহাৰ সময় আছিল আনুমানিক ৩১৯-৩২০ খৃষ্টাব্দ। সেই সময়ৰ পৰাই গুপ্তযুগৰ আৰম্ভণি বুলি ধৰা হয়। সেই সময়ছোৱাৰ পৰাই প্রথম চন্দ্রগুপ্তৰ শাসনৰ ৰাজনৈতিক গুৰুত্ব আলোচনা কৰা হয়। ওপৰৰ আলোচনাৰ পৰা ইয়াকে ক'ব পাৰি যে গুপ্ত বংশৰ প্রথম শাসক তিনিজনে নিজকে ভাৰতীয় ৰাজনীতিৰ উত্থিত শক্তিৰূপে সফলভাৱে প্রতিষ্ঠা কৰিছিল।



চিন্ত চর্চা কৰক- ১০.১

গুপ্ত বংশৰ শাসকসকলৰ এখন তালিকা প্রস্তুত কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ খালী ঠাই পূৰণ কৰক -

(ক) গুপ্ত বংশৰ প্রথম শাসক তিনিজন আছিল ক্রমে-

..... আৰু .....

(খ) স্বতন্ত্র ৰজাবোৰে নিজকে ..... বুলি ক'বলৈ ভাল পাইছিল ।

(গ) প্রথম চন্দ্রগুপ্তই লিচ্ছৱী ৰাজকুমাৰী ..... ক বিয়া কৰাইছিল ।

প্রশ্ন নং ২ঃ লিচ্ছৱী -গুপ্ত বৈবাহিক সম্পর্কই কেনেকৈ গুপ্তসকলক সহায় কৰিছিল?
(প্রায় ৬০ টা মান শব্দত উত্তৰ দিয়ক)

.....

.....

১০.৪ গুপ্ত সাম্রাজ্যৰ বিস্তাৰ

গুপ্ত বংশৰ শাসকসকলে ভাৰতত এখন বিশাল সাম্রাজ্য প্রতিষ্ঠা কৰিছিল। তেওঁলোক আছিল বিজয় সাবস্ত্য কৰাত দক্ষ যোদ্ধা। তৰোৱালৰ বলেৰে তেওঁলোকে বিভিন্ন অঞ্চল গুপ্ত সাম্রাজ্যৰ অধীন কৰিছিল। তলৰ শিতানবোৰত আমি গুপ্ত সাম্রাজ্যৰ বিস্তাৰ সম্পর্কে আলোচনা কৰিম।

১০.৪.১ সমুদ্রগুপ্তৰ সাম্রাজ্য বিস্তাৰ নীতি

গুপ্ত সাম্রাজ্যৰ প্রকৃত বিস্তাৰ আছিল মহান গুপ্ত সম্রাট সমুদ্রগুপ্তৰ কৃতিত্ব। তেওঁ প্রায় ৩৩৫ খৃষ্টাব্দত সিংহাসনত বহিছিল। তেওঁৰ সাম্রাজ্য বিস্তাৰ বিষয়ে জনাৰ প্রধান উৎস হ'ল এটা সুদীর্ঘ প্রশস্তি গান। এলাহাবাদত উদ্ধাৰ হোৱা অশোক স্তম্ভ এটাত এই গান খোদিত কৰা আছে। স্তম্ভটোক 'এলাহাবাদ স্তম্ভ প্রশস্তি' নামেৰে জনা যায়। এই প্রশস্তিগানটোৰ ৰচক আছিল তেওঁৰ ৰাজকবি হৰিসেন।খোদিত লিপিখনৰ উপৰি ভিটাৰী মোহৰ আৰু স্তম্ভ, বিভিন্ন মুদ্রা, বায়ুপূৰাণ তথা ভগৱত পুৰাণৰ পৰাও সেই সময়ছোৱাৰ ভাৰতবর্ষৰ ৰাজনৈতিক অৱস্থাৰ বিষয়ে জানিবলৈ পোৱা যায়।

সংস্কৃত অভিধা 'তল্য কুলজ' অর্থাৎ একে সমানকৈ জন্মা ৰাজকুমাৰসকলৰ অধিকাৰৰ ভিত্তিত গুপ্ত সাম্রাজ্যত এক গৃহযুদ্ধ চালিছিল বুলি এটা বিতর্ক প্রচলিত । এলাহাবাদ প্রশস্তিত স্পষ্টভাৱে উল্লেখ আছে যে ৰাজসভাৰ পূর্ণকালীন অধিৱেশনত পিতৃ প্রথম চন্দ্রগুপ্তই পৰৱর্তী সম্রাটহিচাপে সমুদ্রগুপ্তৰ নাম মনোনিত কৰিছিল। তেওঁৰ নাম মনোনিত হোৱা কথাটোৱে সম্ভৱত ঃ একে সমান জন্মৰ ৰাজকুমাৰসকলক অসন্তুষ্ট কৰিছিল। কিছুমান ইতিহাসবিদৰ মতে এই অসন্তুষ্টিৰ বাবেই ইতিহাসত ধূসৰ উপস্থিতি থকা ৰাজকুমাৰ কছৰ নেতৃত্বত এক বিদ্রোহৰ সূচনা হৈছিল। কছক সমুদ্রগুপ্তৰ জেষ্ঠভাতৃ বুলি ভবা হয়। কিন্তু পৰৱর্তীকালত মুদ্রাৰ পৰা পোৱা প্রমাণ অনুসৰি কছ আছিল সমুদ্রগুপ্তৰ এজন মিত্র। অৱশ্যে সকলো পণ্ডিতে আজি পর্যন্ত এই বিষয়টোত একমত হ'ব পৰা নাই। বিষয়টো সন্দর্ভত অধিক গৱেষণাৰ অৱকাশ আছে। কিন্তু এটা কথাত কাৰো দ্বিমত নাই যে সমুদ্রগুপ্তই পথৰ সকলো বাধা আঁতৰাই সফলতাৰে ৰাজপাটত বহিছিল।

'এলাহাবাদ স্তম্ভ লিপি' ৰ পৰা সমুদ্রগুপ্তৰ ৰাজ্যজয়ৰ এক আকর্ষণীয় তালিকা উদ্ধাৰ কৰা হৈছে। লিপিত তেওঁ জয় কৰা ৰাজ্য আৰু অঞ্চলবোৰৰ নাম আছে। সেই ৰাজ্য তথা অঞ্চলবোৰ কেনে ধৰণে কিমান পর্যায়লৈ সমুদ্রগুপ্তৰ অধীন আছিল লিপিত তাৰো উল্লেখ আছে। সেই তালিকাৰখনৰ আধাৰত সমুদ্রগুপ্তৰ বিজয় আভিযানক তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি-

মহান সম্রাট সমুদ্রগুপ্তই গংগা -যমুনা উপত্যকাৰ চুবুৰীয়া ৰাজ্যবোৰক নিজৰ কৰি সাম্রাজ্য বিস্তাৰ অভিযান আৰম্ভ কৰিছিল। তেওঁ দূৰণীবটীয়া দক্ষিণ ভাৰতত নিজ অভিযান আৰম্ভ কৰাৰ আগতে গৃহভূমিত নিজ অৱস্থা গজগজীয়া কৰি ল'ব খুজিছিল। প্রথমিক অভিযানৰ কালছোৱাত তেওঁ আধুনিক উত্তৰ প্রদেশ আৰু মধ্য ভাৰতৰ চাৰিখন প্রধান ৰাজ্যক পৰাস্ত কৰিছিল। ৰাজ্যকেইখনৰ ৰজা আছিল অহিছত্রৰ অচ্যুত (আধুনিক যুগৰ উত্তৰ প্রদেশৰ ৰামনগৰ আৰু ৰাই বৰেইলী জিলা), মথুৰাৰ নাগসেনা, পদ্মাৱতীৰ গণপতি নাগা (গোৱালিয়ৰ) আৰু কোটা পৰিয়ালৰ ৰাজকুমাৰ (এতিয়াও সুনিশ্চিত নহয়)।

সমুদ্রগুপ্ত আছিল এগৰাকী সুদক্ষ বিজেতা। গৃহভূমি মগধ আৰু ইয়াৰ চৌপাশৰ অঞ্চলবোৰত তেওঁৰ অৱস্থান সুদৃঢ় কৰি লোৱাৰ পাচত তেওঁ দক্ষিণাপথ (দক্ষিণ ভাৰত) অভিমুখে যাত্রা কৰিছিল। সমুদ্রগুপ্তৰ দক্ষিণ ভৰত বিজয় অভিযানক ধর্মবিজয়ৰ তত্বেৰে যুগুত কৰা হৈছিল। এই আকর্ষণীয় তত্বটো তিনিটা মূল নীতিৰ ওপৰতআধাৰিত - গ্রহণ (শত্রু আটক), মোক্ষ (মুক্তি) আৰু অনুগ্রহ (শত্রুক পুনৰসংস্থাপিত কৰি ধন্য

কৰা নীতি) দক্ষিণ ভাৰত অভিযান কালত সমুদ্রগুপ্তই প্রায় ১২ জন ৰজাক পৰাস্ত কৰিছিল। তেওঁলোকক প্রথমে আটক কৰা হৈছিল আৰু পাচত মুকলি কৰি দিয়া হৈছিল। তাৰ পাচত তেওঁলোকক নিজ নিজ ৰাজ্য ঘূৰাই দিয়া হৈছিল। এলাহাবাদ প্রশস্তিত উল্লেখ থকা এই ৰজাকেইজন হ'ল- কোশলৰ মহেন্দ্র (বিলাসপুৰ, ৰাইপুৰ, চম্বলপুৰ জিলা), মহাকান্তাৰৰ ব্যাঘৰাজা (ওড়িশাৰ জয়পুৰ অঞ্চলৰ বনভূমি), কুৰালাৰ মহাৰাজ (এতিয়াও নিশ্চিত হ'বলৈ বাকী আছে), পিশ্বাতাপুৰমৰ মহেন্দ্রগিৰি (গোদাবৰী জিলাৰ পীঠপূৰম), কোট্টৰৰ স্বামীদত্ত (গঞ্জম জিলা), এৰাণ্ডপাল্লাৰ দমন (ভিৱাগোপট্ট'ম জিলা), কাঞ্চীৰ বিষ্ণুগোপ, ভেংগীৰ হস্তীবর্মন (কৃষ্ণা-গোদাবৰী জিলাৰ এল্লোৰ), আভামুক্তাৰ নীলৰাজ এতিয়াও নিশ্চিত হবলৈ বাকী আছে।), পালাক্কাৰউগ্রসেন (ভেল্ল'ৰ জিলা), দেৱৰাষ্ট্রৰ কুভেৰা (গপতম জিলা) আৰু কুশলপূৰৰ ধনঞ্জয় (উত্তৰ আৰকোট জিলা)।

যেতিয়া সমুদ্রগুপ্ত দক্ষিণ ভাৰত বিজয় অভিযানত ব্যস্ত আছিল, সেই সময়ছোৱাত সম্ভৰত দুজনমান উত্তৰ ভাৰতীয় ৰজাই পৰিস্থিতিৰ সুযোগ লৈ তেওঁৰ বিৰুদ্ধে বিদ্রোহ কৰিছিল। সমস্যাটোক সমাধান কৰিবলৈ সমুদ্রগুপ্ত গৃহৰাজ্যলৈ তাততৈয়াকৈ উভতি আহিছিল। ইতিমধ্যে তেওঁৰ বিজয় অভিযান প্রতিহত কৰিবলৈ নজন বিদ্রোহী ৰজাই সম্মিলিত শক্তি গঠন কৰিছিল। ইয়াৰে তিনিজন আছিল মধ্য ভাৰতৰ নাগা শাসক - অচ্যুত, নাগসেনা আৰু গণপতি নাগা সমুদ্রগুপ্তই তিনিও জনকে আগতেই পৰাস্ত কৰিছিল। সম্মিলিত শক্তিত যোগদান কৰা আন ছজন ৰজা আছিল ৰুদ্রদেৱ (পাচত ৰাকাটক ৰজা প্রথম ৰুদ্রসেনা বুলি চিনাক্ত কৰা হৈছে।), মাটিলা (পশ্চিম উত্তৰ প্রদেশ), নাগদত্ত, নান্দিন, বালবর্মন আৰু তিনিজন মধ্য ভাৰতৰ নাগা শাসক। কবি হৰিসেনে বর্ণনা কৰি থৈ গৈছে যে এই আটাইকেইজন ৰজাই যৌথ প্রচেষ্টা চলোৱাৰ পাচতো সমুদ্রগুপ্তই তেওঁলোকক পৰাজিত কৰি তেঁলোকৰ ৰাজ্য সমুলধ্বে ধবংস কৰিছিল।

এই তিনিটা বৃহৎ অভিযানৰ উপৰি সমুদ্রগুপ্তই মধ্য ভাৰত আৰু ভেক্কান অঞ্চলৰ কেইজনমান বন ৰজা (Forest King) অথবা জনজাতীয় মুখিয়ালকো পৰাজিত কৰিছিল। লগতে প্রসিদ্ধ 'নৱম গণৰাজ্য' কো (Nine Republic) সমুদ্রগুপ্তই নিজৰ দখললৈ আনিছিল । এই গণৰাজ্য ন খনৰ ভিতৰত প্রাচীন মালৱা, য়ৌধেয় আৰু মাদ্রাকা গণৰাজ্যও আছিল। কিন্তু সমুদ্রগুপ্তৰ এই জনজাতীয় এলেকা তথা গণৰাজ্য বিজয়ে পৰৱর্তী সময়ৰ গুপ্ত শাসক সকলৰ বাবে বিষম পৰিণতি কঢ়িয়াই আনিছিল। একেদৰে, যেতিয়া হুনসকলে পঞ্জাৰ আৰু ৰাজস্থান সামৰি উত্তৰ-পশ্চিম ভাৰত আক্রমন কৰিছিল তেতিয়া গংগাৰ সম ভূমি অঞ্চলৰ বাবে মধ্যৱর্তী প্রতিৰোধ গঢ়ি তুলিব পৰা কোনো

শক্তি নাছিল।

সমুদ্রগুপ্তৰ ক্ষমতা ইমানেই প্ৰৱল আছিল যে সমতট (দক্ষিণ-পূৱ বংগ), দৱক (অসমৰ নগাঁও জিলাৰ ডবকা), কামৰূপ, নেপাল, কাট্রিপূৰা আদিৰ দৰে সীমান্তৱৰ্তী অঞ্চলৰ প্ৰত্যন্ত নৃপতিসকলে স্বেচ্ছাই তেওঁৰ কৰতলীয়া হৈছিল, তেওঁৰ নির্দেশ মানি চলিছিল আৰু তেওঁক ব্যক্তিগতভাৱে দেখাকৰি সন্মান যাঁচিছিল। ইয়াৰ উপৰি সমুদ্রগুপ্তৰ সাম্রাজ্যৰ চাৰিসীমাৰ বাহিৰৰ কিছুমান স্বতন্ত্র আৰু অর্ধ -স্বতন্ত্র বিদেশী শক্তিয়েও তেওঁৰ বৈশ্যতা স্বীকাৰ কৰিছিল। সমুদ্রগুপ্তৰ সৈতে কৰতলীয়া মিত্রতা স্থাপন কৰা এখন বিদেশী ৰাজ্য হ'ল দৈৱপুত্র শ্বাহী -শ্বাহানু শ্বাহী-শক মুৰুণ্ডা । চীল'নৰ ৰজা (শ্রীলংকা) মেঘবাহনে সমুদ্রগুপ্তৰ সৈতে কূটনৈতিক সম্পর্ক ৰক্ষা কৰি চলিছিল।

এই দৰেই গুপ্ত সাম্রাজ্যই পশ্চিম ভাৰতৰ শক শাসকসকলৰ অঞ্চল, কাশ্মীৰ, পশ্চিম পাঞ্জাৰ আৰু পশ্চিম ৰাজপুতানাৰ দৰে দুটামান অঞ্চল বাদ দি সমগ্র উত্তৰ ভাৰতকে নিজৰ অধীন কৰি লৈছিল। দক্ষিণ ভাৰতত তামিলনাড়ুৰ সীমালৈকে গুপ্তসকলৰ আধিপত্য আছিল। সমুদ্রগুপ্তই ভাৰতীয় যদিও তেওঁৰ প্রধান শাসন ক্ষেত্রখন তেনেই সীমিত আছিল। উত্তৰ প্রদেশ, বিহাৰ, পশ্চিম বংগ কেন্দ্রীয় প্রাদেশিক অঞ্চলৰ এটা ভাগ আৰু বিন্ধ্য অঞ্চলতহে তেওঁ প্রত্যক্ষ শাসন চলাইছিল। নিজৰ সাম্রাজ্য বিস্তাৰ আৰু যুদ্ধ জয়ৰ স্মৃতি যুগমীয়া কৰিবলৈ সমুদ্রগুপ্তই অশ্বমেধ যজ্ঞ (ঘোঁৰা বলি প্রথা) সম্পন্ন কৰিছিল। এই যজ্ঞক ভাৰতীয় ইতিহাসে সাম্রাজ্যবাদৰ প্রতীক হিচাপে গণ্য কৰে।

১০.৪.২ দ্বিতীয় চন্দ্রগুপ্তৰ সাম্রাজ্য বিস্তাৰ নীতি

সমুদ্রগুপ্তৰ পুত্র দ্বিতীয় চন্দ্রগুপ্ত ৰজা হোৱাৰ পাচত গুপ্ত ইতিহাসৰ দ্বিতীয়টো সাম্রাজ্য বিস্তাৰ পর্ব আৰম্ভ হৈছিল। প্রথমতে ই পশ্চিম ভাৰতৰ শক ৰাজবংশৰ বিৰুদ্ধে চলা এক অভিযান আছিল। ৩৮৮-৪০৯ খৃষ্টাব্দত এই অভিযান চলিছিল। উদয়গিৰিত উদ্ধাৰ হোৱা দুখন খোদিত লিপি আৰু বিশাখাদত্তৰ সংস্কৃট নাট দেৱী 'চন্দ্রগুপ্তম্' হ'ল এই অভিযানটোৰ তথ্য থকা মূল সমল। নাটখনৰ কাহিনীৰ মতে সমুদ্রগুপ্তৰ মৃত্যুৰ পাছত তেওঁৰ জেষ্ঠ্য পুত্র ৰামগুপ্ত ৰজা হৈছিল। ৰামগুপ্তৰ পত্নীৰ নাম আছিল ধ্রুৱদেৱী। শক বংশৰ ৰজাই এইখিনি সময়তেই গুপ্ত সাম্রাজ্য আক্রমণ কৰিছিল। এই আক্রমণ প্রতিহত কৰাত ৰামগুপ্ত অসফল হৈছিল। অৱশেষত তেওঁ নিজ ৰাজ্য উভতাই পাবলৈ শক ৰজাৰ হাতত পত্নী ধ্রুৱদেৱীক সন্ধি অনুসৰি গতাই দিছিল। জ্যেষ্ঠ ভ্রাতৃৰ এনে কার্য্যই দ্বিতীয় চন্দ্রগুপ্তক লজ্জিত কৰিছিল। তেওঁ বীৰত্বৰে যুঁজি ধ্রুৱদেৱীক উদ্ধাৰ

কৰাৰ লগতে শক ৰজা জনক হত্যা কৰিছিল। ইমানতে ক্ষান্ত নাথাকি তেওঁ জ্যেষ্ঠ ভ্রাতৃ ৰামগুপ্তকো হত্যা কৰিছিল। তাৰ পিছত তেওঁ গুপ্ত সাম্রাজ্যৰ ৰজা হৈছিল আৰু ধ্রুৱদেৱীক বিয়া কৰাইছিল। কাহিনীটোৰ সত্যাসত্য পতিপন্ন হোৱা নাই যদিও কাহিনীটোৰ পৰা পোৱা ইংগিতৰ দৰেই দ্বিতীয় চন্দ্রগুপ্তই পশ্চিম দিশে সাম্রাজ্য বিস্তাৰ কৰাৰ এক স্বাভাৱিক প্ৰৱণতা দেখুৱাইছিল। এই দিশে সাম্রাজ্য বহলোৱাৰ দায়িত্ব সমুদ্রগুপ্তই নিজৰ উত্তৰাধিকাৰীলৈ এৰি গৈছিল।

আমি আগতে আলোচনা কৰিছো যে, সমুদ্রগুপ্তই পশ্চিমৰ বাহিৰে অন্য নিজ সাম্রাজ্য যথেষ্ট বিস্তাৰ কৰিছিল। কালক্রমত দ্বিতীয় চন্দ্রগুপ্ত এই বিশাল সাম্রাজ্যৰ সম্রাট হৈছিল। দ্বিতীয় চন্দ্রগুপ্তৰ বিজয় অভিযানবোৰৰ বিষয়ে ধাৰণা কৰিবলৈ আমি বিভিন্ন সাহিত্যিক তথা ভৌগলিক প্রমাণৰ ওপৰত নির্ভৰ কৰিব লাগিব। সমুদ্রগুপ্তৰ শাসন কালত গুপ্ত সাম্রাজ্যৰ পূৱ আৰু দক্ষিণ সীমাৰ সম্প্রসাৰণ ঘটিছিল। তেওঁৰ পশ্চিম সীমান্ত সম্প্রসাৰণ পক্রিয়াটো পূব মালৱা ৰাজ্যত স্তব্ধ হৈছিল। এই অঞ্চলৰ পৰা পূৱ আৰু দক্ষিণ দিশে আগবঢ়াটো সম্ভৱ নাছিল। সেয়েহে দ্বিতীয় চন্দ্রগুপ্তৰ সাম্রাজ্য বিস্তাৰৰ স্বাভাৱিক প্ৰৱণতাই পশ্চিম দিশে ঢাল খাইছিল। তেওঁ পশ্চিম মালৱা আৰু গুজৰাটৰ শক সত্রপা ৰাজ্যৰ বিৰুদ্ধে প্রথম আক্রমণ চলাইছিল। তেওঁ শক শাসক সকলে মহাৰাষ্ট্রৰ ৰাকাটক আৰু নাগা সকলৰ সৈতে মিত্রতা স্থাপন কৰিব বুলি ভয় খাইছিল। সেয়েহে তেওঁ শক শাসকক এঘৰীয়া কৰাৰ নীতি হিচাপে ৰাকাটক তথা নগা সকলৰ সৈতে বৈবাহিক সম্পর্ক স্থাপন কৰিছিল।

এই নীতিৰ অধীনত দ্বিতীয় চন্দ্রগুপ্তই নাগা ৰাজ পৰিয়ালৰ কুভেৰা নাগাক বিয়া কৰাইছিল। এনেকৈয়ে তেওঁ নাগা ৰাজশক্তিৰ সৈতে বন্ধুত্ব স্থাপন কৰিছিল। সেই সময়ত মধ্য ভাৰতত নাগা সকল এক শক্তিশালী ৰাজনৈতিক শক্তি আছিল। তেওঁলোকৰ সৈতে স্থাপন হোৱা বন্ধুত্বৰ ফলত অঞ্চলটোত গুপ্ত বংশৰ কর্তৃত্বও দৃঢ় হৈছিল। দ্বিতীয় চন্দ্রগুপ্ত আৰু কুভেৰা নাগাৰ জীয়ৰী প্রভাৱতী গুপ্তক মহাৰাষ্ট্রৰ ৰাকাটক ৰজাৰ দ্বিতীয় ৰুদ্রসেনালৈ বিয়া দিয়া হৈছিল। ৰাকাটক ৰাজ্যৰ ভৌগলিক অৱস্থানে দ্বিতীয় চন্দ্রগুপ্তক কাঠীৱাৰৰ শক ৰজাৰ বিৰুদ্ধে আক্রমণ অভিযানত যথেষ্ঠ সহায় কৰিব বুলি ভৱা হৈছিল। কাৰণ শক সকলৰ ক্রুৰতা জনাজাত আছিল কিন্তু ৰাকাটক সকলৰ সৈতে হোৱা গুপ্ত সম্রাটৰ মিত্রতাৰ বাবে সৌৰাষ্ট্রৰ শক ৰজা সকলে ভৱিষ্যতে গুপ্ত সাম্রাজ্য আক্রমণ কৰাৰ পৰা বিৰত আছিল। দ্বিতীয় ৰুদ্রসেনৰ কম বয়সতে মৃত্যু হৈছিল। তেওঁৰ মৃত্যুৰ পাছত নাবালক পুত্রৰ হৈ প্রভাৱতীয়ে দেশ শাসনৰ ভাৰ লৈছিল। এই কথাই পৰোক্ষভাৱে ৰাকাটক ৰাজসভাত গুপ্ত সম্রাটৰ প্রভাৱ বৃদ্ধি কৰিছিল। পৰম্পৰাগত সমল অনুসৰি


দ্বিতীয় চন্দ্রগুপ্ত অথবা তেওঁৰ পুত্রই কুন্তল দেশৰ কাদম্ব ৰাজকুমাৰীক বিয়া কৰাইছিল। এই বিবাহেও গুপ্ত সম্রাটক শক ৰজাৰ বিৰুদ্ধে আক্রমণ আৰম্ভ কৰাত ৰাজনৈতিক ভাৱে সহায় কৰিছিল। এনেকৈয়ে বৈবাহিক নীতি গ্রহণ কৰি দ্বিতীয় চন্দ্রগুপ্তই নাগা, ৰাকাটক আৰু কাদম্ব শাসকৰ সহায়ত শক ৰাজ্যক চাৰিওদিশৰ পৰা ঘেৰি ধৰিছিল।

দ্বিতীয় চন্দ্রগুপ্তই উত্তৰ ভাৰতৰ ৰজা সকলৰ সহযোগত পশ্চিম ভাৰতত ঐক্যবদ্ধ ৰূপত শাসন কৰি থকা শক সত্রপ সকলক পৰাস্ত কৰিছিল। ইয়াৰ লগে লগে গুপ্ত সাম্রাজ্যৰ পশ্চিম সীমাই আৰৱ সাগৰৰ প্রাকৃতিক সীমা স্পর্শ কৰিছিল। গুপ্ত সাম্রাজ্যৰ পূৱ সীমাত আছিল বঙ্গোপাসাগৰ আৰু পশ্চিম সীমাত আছিল আৰৱ সাগৰ। দ্বিতীয় চন্দ্রগুপ্তই সৌৰাষ্ট্র আৰু মালৱাক নিজ সাম্রাজ্যৰ অধীন কৰাৰ লগে লগে পশ্চিম উপকূলত থকা সকলোবোৰ বন্দৰলৈকে গুপ্ত সকলৰ মুকলি আহ-যাহ আৰম্ভ হৈছিল। বেৰিগাজা বন্দৰে ব্যৱসায় সম্প্রসাৰণৰ ক্ষেত্রত বিশেষ ভাৱে সহায় কৰিছিল। মালৱা আৰু সৌৰাষ্ট্র পতনৰ পাছত উত্তৰ আৰু পশ্চিম ভাৰতৰ মাজৰ ব্যৱসায়-বাণিজ্য আগতকৈ বহুখিনি বাঢ়িছিল। উত্তৰ আৰু পশ্চিম ভাৰতৰ মাজত বাণিজ্যৰ সবাতোকৈ গুৰুত্বপূর্ণ কেন্দ্রত পৰিণত হৈছিল উজ্জয়িনী নগৰ। কালক্রমত ই সংস্কৃতি আৰু ধর্মৰ এক বৃহৎ কেন্দ্র হৈ পৰিছিল। দ্বিতীয় চন্দ্রগুপ্তই উজ্জয়িনীত দ্বিতীয় খন ৰাজধানী স্থাপন কৰিছিল। কিন্তু তেওঁৰ শক ৰাজ্য বিজয় কাহিনীৰ কোনো আনুষ্ঠানিক গুপ্তবংশীয় খোদিত লিপিত প্রত্যক্ষ উল্লেখ নাই।

দ্বিতীয় চন্দ্রগুপ্তৰ সর্ববৃহৎ সফলতা আছিল মালৱা, গুজৰাট আৰু কাঠিৱাৰ জয়। তেওঁ পশ্চিমীয়া শক সত্রপ সকলক পৰাস্ত কৰি এই বিজয় সাব্যস্ত কৰিছিল। পশ্চিম ভাৰতৰ শক ৰাজ্য আছিল গুপ্ত সাম্রাজ্যৰ চুবুৰীয়া এক গুৰুত্বপূর্ণ ৰাজনৈতিক শক্তি। গুপ্ত সাম্রাজ্যই সদায় শক ৰাজ্যক পথৰ কাঁইট বুলি ভাৱিছিল। ৰাজকুমাৰ হৈ থাকোতে দ্বিতীয় চন্দ্রগুপ্তক পূৱ মালৱাৰ প্রশাসকৰ দায়িত্ব দিয়া হৈছিল। তেতিয়াৰ পৰাই তেওঁ সীমান্ত অঞ্চলত শক ৰাজ্যই সৃষ্টি কৰিব পৰা সমস্যা সম্পর্কে সচেতন আছিল। তেওঁ শক সত্রপ দ্বিতীয় ৰুদ্রসিংহৰ বিৰুদ্ধে চলোৱা দ্বিতীয় অভিযানত পূৱ মালৱাক "সাময়িক পত্তন" হিচাপে সংযোগ কৰিছিল। এই কথা উদয়গিৰি খোদিত লিপিত উল্লেখ কৰা আছে। হর্ষচৰিত পুথিতো এই বিজয় কাহিনীবোৰ পঢ়িবলৈ পোৱা যায়। মেহৰৌলী লৌহস্তম্ভত(দিল্লীৰ কুটুব মিনাৰৰ ওচৰত) খোদিত লিপিত এজন চন্দ্র নামৰ ৰজাৰ শাসনৰ উল্লেখ আছে। তেওঁ বঙ্গত চলা এটা বিদ্রোহ দমন কৰিছিল আৰু সপ্তসিন্ধু এলেকাৰ শাসক সকলক পৰাস্ত কৰিছিল বুলি খোদিত আছে। দ্বিতীয় চন্দ্রগুপ্তই তেওঁৰ মুদ্রাবোৰত নিজৰ নাম 'চন্দ্র' বুলি মুদ্রণ কৰিছিল বাবে ইতিহাসবিদ

সকলে খোদিত লিপিত উল্লেখ থকা চন্দ্রকে দ্বিতীয় চন্দ্রগুপ্ত হিচাপে মানি লৈছে। দ্বিতীয় চন্দ্রগুপ্তৰ শাসন কালৰ ওৰ পৰাৰ পাছত গুপ্ত সাম্রাজ্য সম্প্রসাৰণৰ অভিযান শেষ হৈছিল। কিন্তু ইমানবোৰ গুৰুত্বপূর্ণ জয়লাভৰ পাছতো তেওঁক মহান যোদ্ধা বুলি নহয়, সাম্রাজ্য সুদৃঢ়কাৰী শাসক বুলিহে ইতিহাসে মনত ৰাখিছে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৩ঃ শুদ্ধ নে অশুদ্ধ লিখক -

(ক) হৰিসেন এজন ৰাজ কবি আছিল।

(খ) 'তুল্য কুলজ' মানে হ'ল জন্ম সমান নোহোৱা ৰাজকুমাৰ।

(গ) দক্ষিণাপথ মানে হ'ল ভাৰতৰ পশ্চিম অংশ।

(ঘ) দেৱী চন্দ্র গুপ্তম্ হ'ল বিশাখ দত্তই লিখা এখন সংস্কৃত নাট।

(ঙ) দ্বিতীয় চন্দ্রগুপ্তই কুভেৰা নাগাক বিয়া কৰাইছিল।

(চ) উজ্জয়িনী উত্তৰ আৰু পশ্চিম ভাৰতৰ মাজৰ বাণিজ্যিক ঘাই পথৰ কেন্দ্রত অৱস্থিত আছিল।

প্রশ্ন নং ৪ঃ সমুদ্রগুপ্তৰ সাম্রাজ্য বিস্তাৰ নীতিৰ তথ্য যোগান ধৰা মূল সমল কি ?

.....

প্রশ্ন নং ৫ঃ ৰামগুপ্ত কোন আছিল ?

.....

প্রশ্ন নং ৬ঃ দক্ষিণ ভাৰতৰ দিশে সমুদ্রগুপ্তই চলোৱা বিজয় অভিযানৰ সময়ত গ্রহণ কৰা নীতি সম্পর্কে প্রায় ৬০ টা মান শব্দত লিখক।

.....

.....

.....

১০.৫ গুপ্ত সাম্রাজ্যৰ সুদৃঢ়কৰণ

সমুদ্র গুপ্তৰ সাম্রাজ্য বিস্তাৰ অভিযানৰ সামৰণি পৰাৰ পাছত সাম্রাজ্য সুদৃঢ় কৰাৰ পর্যায়টো আৰম্ভ হৈছিল। সমুদ্রগুপ্তই তেওঁৰ উত্তৰাধিকাৰী দ্বিতীয় চন্দ্রগুপ্তলৈ এখন বিশাল সাম্রাজ্য এৰি গৈছিল। পিতৃৰ মনোনয়নক নার্যতা প্রদান কৰি গুপ্ত বংশৰ পঞ্চম সম্রাট দ্বিতীয় চন্দ্রগুপ্তই সমুদ্রগুপ্তৰ আৰধৰুৱা কামবোৰ সম্পূর্ণ কৰিছিল। তেওঁ আনকি বিভিন্ন প্রান্তৰ যথেষ্ট সংখ্যক জনজাতীয় অঞ্চল নিজৰ অধীনলৈ নিছিল। ইয়াৰ উপৰি দ্বিতীয় চন্দ্রগুপ্তই পশ্চিম ভাৰতৰ শক আৰু কুষাণ ৰজাক পৰাস্ত কৰাৰ লগতে সমতট অথবা পূৱ বংগৰ এটা অংশকো নিজ সাম্রাজ্যৰ ভিতৰুৱা কৰিছিল।

আমি ইতিমধ্যে আলোচনা কৰিছো যে দ্বিতীয় চন্দ্রগুপ্তই পশ্চিম ভাৰতক শক সত্রপ সকলৰ দীর্ঘদিনীয়া শাসনৰ পৰা মুক্ত কৰিছিল। তেওঁৰ সাম্রাজ্য বিস্তাৰ অভিযানে বংগোপসাগৰৰ পৰা আৰৱ সাগৰৰ মাজত থকা ভূখণ্ডক এক সাম্রাজ্যৰ পৰিচয় প্রদান কৰিছিল। আন অর্থত, দ্বিতীয় চন্দ্রগুপ্তই উত্তৰ ভাৰতৰ ৰাজনৈতিক একতা সুনিশ্চিত কৰিছিল। ভাৰতত গুপ্ত ৰাজশক্তি সুদৃঢ় হোৱাৰ আঁৰৰ এটা প্রধান কাৰণ আছিল ৰাজনৈতিক বিবাহ। গুপ্ত শক্তিৰ উত্থান ঘটা কালছোৱাত লিচ্ছবি পৰিয়ালৰ সৈতে স্থাপিত হোৱা বৈবাহিক সম্পর্কই তেওঁলোকক ৰাজনৈতিক মর্যাদা আৰু গ্রহণযোগ্যতা প্রদান কৰিছিল। একেদৰে, সাম্রাজ্য সুদৃঢ়কৰণ চলি থকা সময়তো এনেধৰণৰ বৈবাহিক সম্পর্কবোৰে গুপ্ত বংশক উত্তৰ ভাৰতীয় ৰাজনীতিত নিজৰ স্থিতি সৱল কৰাত যথেষ্ট সহায় কৰিছিল। দ্বিতীয় চন্দ্রগুপ্ত আছিল এগৰাকী সুদক্ষ সাম্রাজ্য সুদৃঢ়কাৰী শাসক। তেওঁ বহুতো ভাৰতীয় শাসকৰ পৰিয়ালৰ সৈতে ভালেকেইখন বিবাহ সম্পন্ন কৰিছিল। ফলত, তেওঁৰ চৌপাশে কেৱল মিত্রশক্তিৰ উপস্থিত আছিল। পশ্চিমীয়া শক সাসকৰ বিৰুদ্ধে চলোৱা সামৰিক অভিযানৰ বাদে তেওঁ আন কোনো বৃহৎ সামৰিক অভিযানৰ বাদে তেওঁ আন কোনো বৃহৎ সামৰিক অভিযান আৰম্ভ কৰা নাছিল।তেওঁৰ শাসনকাল আছিল শান্তিপূর্ণ। তেওঁৰ শান্তি স্থাপন নীতিৰ বাবেই গুপ্ত সাম্রাজ্য চাৰিও দিশৰে অতি সবল হৈ উঠিছিল।

দ্বিতীয় চন্দ্রগুপ্তৰ শান্তি স্থাপন নীতিৰ ফলশ্রুতিত গুপ্ত বংশৰ ইতিহাসে এক সাংস্কৃতিক নৱজাগৰণৰ যুগত প্রৱেশ কৰিছিল। সাম্রাজ্যত বিৰাজ কৰা শান্তিয়ে দ্বিতীয় চন্দ্রগুপ্তক গুপ্ত কলা আৰু সংস্কৃতিৰ বিকাশত অধিক মনোনিবেশ কৰাৰ সুযোগ দিছিল। দ্বিতীয় চন্দ্রগুপ্তৰ ৰাজসভাত ইতিহাস প্রসিদ্ধ 'নৱৰত্নই' শোভাবর্দ্ধন কৰিছিল। এই 'নৱৰত্ন'ৰ ভিতৰত কালিদাস আছিল সবাতোকৈ বিখ্যাত। মহাকবি কালিদাসে তেওঁৰ মহান সৃষ্টিৰাজিৰে সমসাময়িক যুগটোক অমৰ কৰি থৈ গৈছে।


গুপ্ত যুগত বাহ্মণ্যবাদী সংস্কৃতিৰ চৰম পুনৰুত্থান ঘটিছিল। সম্রাট সমুদ্রগুপ্তই অশ্বমেধ যজ্ঞ পাতি ইয়াৰ আৰম্ভণি কৰিছিল। বাহ্মণ্যবাদী সংস্কৃতিৰ প্রচাৰ আৰু প্রসাৰ ঘটাৰ এটা প্রধান

মাধ্যম আছিল। সংস্কৃত ভাষাৰ বহুল প্ৰয়োগ। সংস্কৃত সাহিত্যৰ ৰত্নসকলক ৰজাঘৰীয়া পৃষ্ঠপোষকতা প্ৰদান কৰি দ্বিতীয় চন্দ্ৰগুপ্তই এই সংস্কৃতিৰ উন্নতিৰ পৰম্পৰাটো তৰান্বিত কৰিছিল। নিজৰ যুগৰ সৃজনশীল ধাৰাবোৰ সমৰ্থন আগবঢ়াই দ্বিতীয় চন্দ্ৰগুপ্তই গুপ্ত সাম্ৰাজ্যৰ সামৰিক গৌৰৱৰ লগতে সাংস্কৃতিক গৌৰৱো বৃদ্ধি কৰিছিল। তেওঁ গুপ্ত সাম্ৰাজ্যক সৃজনশীল কাৰ্য-কলাপৰ কেন্দ্ৰত পৰিণত কৰিছিল।



জানি থোৱা ভাল

দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজসভাৰ 'নৱৰত্ন' আছিল কালিদাস, ঘটকৰপৰাৰ, ধন্বন্তৰি, বৰাহমিহিৰ, ক্ষপানাক, শংখু, অমৰসিম্হা, বেতালভট্ট আৰু বৰৰুচি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ঃ গুপ্ত বংশক কোনটো বৈবাহিক সম্পৰ্কই ৰাজনৈতিক মৰ্যদা আৰু গ্ৰহণযোগ্যতা প্ৰদান কৰিছিল?

.....

প্ৰশ্ন নং ৮ঃ 'নৱৰত্ন' লৈ কোনে ৰাজকীয় পৃষ্ঠপোষকতা আগবঢ়াইছিল ?

.....

প্ৰশ্ন নং ৯ঃ 'নৱৰত্নৰ' ৰ মাজৰ সবাতোকৈ বিখ্যাত কোন ?

.....

১০.৬ ৰাজনৈতিক ব্যৱস্থা আৰু প্ৰশাসন

গুপ্ত বংশৰ ৰাজনৈতিক ব্যৱস্থা আৰু প্ৰশাসন সম্পৰ্কে অধ্যয়ন কৰিবলৈ আমাৰ হাতত দুটামান গুৰুত্বপূৰ্ণ সমল আছে । বিভিন্ন স্মৃতি, মানৱ ধৰ্মশাস্ত্ৰ,যাভ্যবল্ক স্মৃতি, নাৰদ স্মৃতি আৰু কমৰুগুকৰ নীতিসাৰ হ'ল কেইখনমান গুৰুত্বপূৰ্ণ সাহিত্যক সমল। দামোদৰপুৰ আৰু এৰানত উদ্ধাৰ হোৱা খোদিত লিপিবোৰত প্ৰশাসনৰ বিষয়ে কিছু কথা জনাৰ সুযোগ দিয়ে।

গুপ্ত যুগত ৰাজতন্ত্ৰক আদৰ্শ চৰকাৰ বুলি গণ্য কৰা হৈছিল। সেই সময়ত উত্তৰ ভাৰততে মালৱা, যুদ্ধেয়, অৰ্জুনায়ন আদি বহুকেইখন জনজাতীয় গণৰাজ্য আইচল । ৰাজতন্ত্ৰ আৰু গণৰাজ্যৰ মাজত সদায় দ্বন্দ-বিৰোধ আছিল। ব্ৰাহ্মণ্যবাদী শাস্ত্ৰবোৰে ৰাজতন্ত্ৰক সমৰ্থন কৰিছিল আৰু গণৰাজ্যবোৰৰ বিৰুদ্ধে সবল তথা আগ্ৰাসী ভূমিকা পালন কৰিছিল। ৰজা অথবা সম্ৰাট আচল

চৰকাৰৰ মুৰব্বী। তেওঁ বংশানুক্রমিক অধিকাৰেৰে দেশ শাসন কৰিছিল। গুপ্ত সম্রাট সকলে মহাৰাজাধিৰাজ, পৰমভট্টৰক আদিৰ দৰে শুনি ভাল লগা শব্দৰ উপাধি গ্রহণ কৰিছিল। তেওঁলোকে নিজৰ অৱস্থান সাধাৰণ প্রজাতকৈ উচ্চ বুলি প্রতিষ্ঠা কৰিবলৈ নিজকে ঐশ্বৰিক উৎসৰ পৰা অহা আৰু অতি-মানৱতাৰ গুণ থকা ব্যক্তি বুলি দাবী কৰিছিল। সেয়েহে তেওঁলোকে পৰমেশ্বৰ, আচিন্তপুৰুষ, লোকধমদেৱ, পৰমাদৈৱৎ আদিৰ দৰে আড়ম্বৰপূর্ণ শব্দৰ উপাধিও ব্যৱহাৰ কৰিছিল। তাত্বিকভাৱে ৰজাৰ ক্ষমতা আছিল অসীম। তেওঁ চৰকাৰৰ সকলো বিভাগকে চৰম নির্দেশ প্রদান কৰিব পাৰিছিল আৰু বিশাল সাম্রাজ্যৰ সর্বত্র শাসন কৰিছিল। ৰজা আছিল সামৰিক বাহিনীৰ সর্বাধিনায়ক। সমুদ্রগুপ্ত আৰু দ্বিতীয় চন্দ্রগুপ্তই নিজে সামৰিক বাহিনীৰ নেতৃত্ব দিছিল। ৰজাই প্রাদেশিক শাসনকর্তা, গুৰুত্বপূর্ণ অসামৰিক পদ আৰু সামৰিক বাহিনীৰ বিষয়া সকলক নিযুক্তি দিছিল। ৰজাই নিজ ইচ্ছামতে ৰাজসভা আৰু প্রশাসন পৰিচলনা কৰিছিল। ৰজা আছিল ৰাজ্যৰ সকলো মাটিৰ গৰাকী। তেওঁ যাকে ইচ্ছা তেওঁকেই মাটি দান দিব পাৰিছিল।

অৱশ্যে ঐশ্বৰিক উৎপত্তিৰ দাবী আৰু অসীম তাত্বিক অধিকাৰেও গুপ্ত সম্রাটসকলক নিষ্ঠুৰ শাসকত পৰিণত কৰা নাছিল। তেওঁলোক প্রজাৰ প্রতি দয়ালু আৰু মৰমিয়াল আছিল। সমুদ্রগুপ্ত আৰু দ্বিতীয় চন্দ্রগুপ্তয়ে প্রজাৰ দৈনন্দিন জীৱনত হস্তক্ষেপ নকৰিছিল। চৰকাৰে প্রজাৰ প্রয়োজন সম্পর্কে সহানুভূতিশীল মনোভাৱ প্রদর্শন কৰিছিল। ৰজাৰ কর্তৃত্ব আৰু ক্ষমতাক ব্যৱহাৰিক দিশেৰে নিৰীক্ষণ কৰি থকা হৈছিল। তেওঁ উচ্চপদস্থ বিষয়াবর্গৰ সৈতে ক্ষমতা ভগাই ল'ব লাগিছিল। মন্ত্রীবর্গৰ নিয়মমাফিক কর্তব্যৰ পৰা ৰজা আঁতৰি থকাটো এটা পৰম্পৰা আছিল। ৰজাই ধর্মশাস্ত্র উল্লেখ থকা নীতি-নিয়মবোৰ পালন কৰিব লাগিছিল। স্থানীয় প্রশাসনিক কর্তৃপক্ষবোৰ যথেষ্ট স্ব-শাসনৰ অধিকাৰ লাভ কৰিছিল। ৰজাই সাধাৰণতে কাম-কাজত হস্তক্ষেপ নকৰিছিল। কিন্তু অগ্রহাৰ আৰু ব্রহ্মদেয়ৰ দৰে ভূমিদান ব্যৱস্থাই প্রশাসনৰ বিকেন্দ্রীকৰণ প্রক্রিয়াটোক উদগনি যোগাইছিল।এনেকৈয়ে লাহে লাহে কেন্দ্রীয় প্রশাসন ব্যৱস্থাত নিয়ন্ত্রণ দুর্বল হৈ পৰিছিল। ৰাজপাটত আৰোহণ কৰা প্রক্রিয়াটো আছিল উত্তৰাধিকাৰীসুত্রে লাভ কৰা অধিকাৰ। কিন্তু ৰজাৰ হাতত উত্তৰাধিকাৰী বাছনি কৰাৰ অধিকাৰ সংৰক্ষিত আছিল। প্রথম চন্দ্রগুপ্তই নিজৰ পুত্রসন্তানবোৰৰ মাজৰ পৰা পৰৱর্তী সম্রাট হিচাপে সমুদ্রগুপ্তৰ নাম মনোনিত কৰিছিল। অৱশ্যে উত্তৰাধিকাৰী মনোনীত কৰাৰ পদ্ধতিটো সমস্যামুক্ত নাছিল।

ৰজা আছিল চৰকাৰৰ মুৰব্বী। ৰজাৰ পাচতেই দ্বিতীয় উচ্চ পদবীধাৰী সদস্য আছিল যুৱৰাজ অথবা ভাবী ৰজা। মন্ত্রীসকল আছিল অসামৰিক প্রশাসনৰ মুৰব্বী মন্ত্রীসকলে বংশানুক্রমিকভাৱে বিষয়বাব লাভ কৰিছিল। সম্ভৱতঃ আন কিছুমান উচ্চ পর্যায়ৰ কার্যালয়ত কাম কৰা বিষয়াসকলকো বংশানুক্রমিকভাৱে নিযুক্তি দিয়া হৈছিল। গুপ্ত যুগত সৃষ্টি হোৱা এটা নতুন পদ আৰু কার্যালয় আছিল

সন্ধিবিগ্রহিকা অথবা যুদ্ধ আৰু শান্তিৰ মন্ত্রী। কিছুমান মন্ত্রীয়ে একে সময়তে একাধিক বিষয়বাব চম্ভালিছিল। গুপ্ত ৰাজসভাত মৌর্য যুগৰ দৰে মন্ত্রী পৰিষদ থকাৰ কথা উল্লেখ কৰি গৈছে। পৰিষদৰ সিদ্ধান্তবোৰ কঞ্চুকী অথবা মহামাত্যই সম্রাটক অৱগত কৰাইছিল। সাধাৰণতে মন্ত্রীসকলে ব্যক্তিগত পৰামর্শদাতাৰ ভূমিকা পালন কৰিছিল আৰু ৰজাক ৰাশাসনত সহায় কৰিছিল।

বিশাল গু প্ত সাম্রাজ্যক কেৱল এটা সংগঠিত আমোলাতন্ত্রৰ সহায়তহে নিয়ন্ত্রনাধীনক কৰি ৰাখিব পৰা গৈছিল। কেন্দ্রীয় আৰু প্রাদেশিক বিষয়াবর্গক পদবীৰ আধাৰত বিভিন্ন ভাগত ভগোৱা হৈছিল। কেন্দ্রীয় প্রশাসনিক বিভাগত থকা উচ্চ পদবীধাৰী বিষয়াবোৰৰ ভিতৰত মহাবলাধিকৃত (সেনাধিনায়ক), মহাদণ্ডনায়ক (নুখ্য সেনাপতি), মহাপ্রতিহাৰ (ৰাজপ্রাসাদ ৰখীয়া বিভাগৰ মুৰব্বী), সন্ধিবিগ্রহিকা (যুদ্ধ আৰু শান্তিৰ দায়িত্বত থকা মন্ত্রী), অক্ষপটলধিকৃত (ৰাষ্ট্রীয় নথি-পত্রৰ ৰক্ষক), মহাকপটী (অশ্বাৰোহী বাহিনীৰ মুৰব্বী) আদিৰ নাম উল্লেখযোগ্য। এই বিষয়া সকলক আন বহুতো কণিষ্ঠ বিষয়াই সহায় কৰিছিল। অসামৰিক আৰু সামৰিক বিষয়াসকলৰ মাজত কোনো পার্থক্য নাছিল। কেতিয়াবা একেগৰাকী বিষয়াই দুয়োটা দায়িত্ব পালন কৰিছিল।

কুমাৰামাত্য আৰু আয়ুক্ত নামৰ আন দুই শ্রেণীৰ বিষয়াও গুপ্ত প্রশাসনত থকাৰ উল্লেখ পোৱা যায়। এই দুই শ্রেণীৰ বিষয়াই কেন্দ্রীয় আৰু স্থানীয় প্রশাসনৰ মাজত যোগাযোগ ৰক্ষাকাৰীৰ দায়িত্ব পালন কৰিছিল। উচ্চ পদবীৰ ৰাজবিষয়া আৰু সম্রাটৰ ব্যক্তিগত সহায়কাৰীৰগোটত থকা বিষয়াবোৰক কুমাৰামাত্যৰ শিতানত ধৰা হৈছিল। কোৱা হয় যে কুমাৰামাত্য মানে হ'ল 'কুমাৰ ' অথবা ৰাজকুমাৰ যুৱৰাজ মন্ত্রী সকল। এই পর্যায়ৰ বিষয়া সকলক ৰাজবংশৰ কণিষ্ঠ সন্তানবোৰ অথবা কাম শিকি থকা (যুৱাৱস্থাতে মন্ত্রীবীব পোৱা) মন্ত্রী আছিল বুলিও কোনো কোনোৱে ক'ব খোজে। যিয়েই নহওঁক, কুমাৰামাত্য সকলে সম্রাট আৰু যুৱৰাজ দুয়োৰে সেৱা কৰিছিল। তেঁলোকৰ কর্মস্থল আছিল প্রদেশ অথবা জিলা পর্যায়ৰ কার্যালয়। জিলা আৰু পৌৰ - নগৰবোৰত সম্রাটে নিজে বিশেষভাৱে আয়ুক্ত সকলক নিযুক্তি দিছিল। আয়ুক্তসকলে যুদ্ধত পৰাজিত হোৱা কিন্তু বিজয়ী ৰজাই পুৰসংস্থাপনৰ সুযোগ দিয়া ৰজাবোৰৰ সা-সম্পত্তি পুনৰ আগৰ দৰে কৰি তোলাৰ দায়িত্বও পালন কৰিছিল।

১০.৬.১ প্রশাসনিক বিভাগ

গুপ্ত সাম্রাজ্য বহুকেইখন প্রদেশত বিভক্ত আছিল। প্রদেশবোৰক ভুক্তি, দেশ আৰু ভোগ বোলা হৈছিল। প্রদেশবোৰৰ উপ-ভাগক বিষয় (জিলা) বোলা হৈছিল। বিষয়ৰ এটা অংশক বিথি বোলা হৈছিল। গাঁও অথবা গ্রামবোৰ আছিল সবাতোকৈ সৰু প্রশাসনিক গোট।

ভুক্তি বোলা প্রদেশবোৰত উপৰিক নামৰ বিষয়াই শাসন কৰিছিল। কেতিয়াবা

ৰজাঘৰৰ তেজ থকা ৰাকুমাৰবোৰে মহাৰাজযৌত দেৱভট্টৰক উপাধি গ্ৰহণ কৰিও ভুক্তি শাসন কৰিছিল।

দেশ নামৰ প্ৰদেশবোৰ শাসন কৰিছিল গোপ্তি নামৰ বিষয়া সকলে অথবা সীমান্ত প্ৰদেশৰ মুৰব্বী ৰখীয়া সকলে। বিষয় অথবা জিলাবোৰৰ প্ৰশাসনিক বিষয়া আছিল বিষয়াপতি, অথবা কুমাৰমাত্য আৰু আয়ুক্ত সকল। কেতিয়াবা সামন্ত প্ৰভু কিছুমানেও জিলা শাসন কৰিছিল। সাধাৰণতে প্ৰাদেশিক শাসনকৰ্তাই জিলা বিষয়াবোৰক নিযুক্তি দিছিল। কেতিয়াবা বিশেষ কাৰণত সম্ৰাটেও এনে পদবীত প্ৰত্যক্ষ নিযুক্তি দিছিল। কেতিয়াবা বিশেষ কৰাণত সম্ৰাটেও এনে পদবীত প্ৰত্যক্ষ নিযুক্তি দিছিল। আগতেই কোৱা হৈছে যে আয়ুক্তসকলে কেন্দ্ৰীয় তথা জিলা প্ৰশাসনৰ মাজত যোগসূত্ৰ ৰক্ষা কৰিছিল। বিষয়পতি অথবা জিলা বিষয়াই উপৰিকৰ অথবা প্ৰাদেশি শাসকৰ অধীনত কাম কৰিছিল। এই কথা দামোদৰপুৰ তাম্ৰ্যলিপিৰ পৰা গম পোৱা গৈছে। গুপ্ত সাম্ৰাজ্যৰ কেন্দ্ৰস্থল আছিল অন্তৰভেদী বিষয় অথবা - ডোৱঅঞ্চল (doab region), গুপ্ত প্ৰাদেশিক শাসন ব্যৱস্থাৰ কেন্দ্ৰ আছিল এই বিষয়বোৰ। প্ৰতিখন বিষয়তে সম্ভৱতঃ স্থানীয় প্ৰতিনিধি, গাঁৱৰ মুখিয়াল, ভোজক আদিৰে গঠিত একোখন উপদেষ্টা পৰিষদ অথবা পৰিষদ আছিল। গাঁও পৰিষদৰ সহায়ত গ্ৰামিক সকলে গাঁওবোৰ শাসন কৰিছিল। গ্ৰামিকসকল আছিল সম্ৰাটৰ বেতনভোগী বিষয়া। তলবাৰ আৰু বিণয়স্থিতিস্থাপক আছিল গুপ্ত যুগত সৃষ্টি হোৱা দুটা নতুন পদবী। ইয়াৰে প্ৰথমটোক সামৰিক আৰু দ্বিতীয়টোক ধৰ্মীয় তথা ন্যায়িক দায়িত্ব দিয়া হৈছিল।

উত্তৰ বংগত উদ্ধাৰ হোৱা কিছুমান খেদিত লিপিৰ পৰা গুপ্ত প্ৰশাসনত জনপ্ৰিয় প্ৰতিনিধিয়ে গঠন কৰা অনুষ্ঠান প্ৰতিষ্ঠানৰ অন্তভুক্তিৰ কৰণৰ বিষয়ে কিছুমান আকৰ্ষণীয় তথ্য পোৱা যায়। প্ৰদেশ, জিলা অথবা গাঁও পৰ্যায়ৰ প্ৰশাসনত, ভাৰপ্ৰাপ্ত বিষয়াক অধিকৰণ অথবা স্থানীয় প্ৰতিনিধিৰ দ্বাৰা গঠিত পৰিষদে সহায় কৰে। নগৰ চহৰত থকা নগৰপালিবোৰ (অধিকৰণ) গীল্ডৰ সভাপতি, প্ৰধান সদাগৰ অথবা নগৰ শ্ৰেষ্ঠী, প্ৰধান হস্তশিল্পী অথবা প্ৰথম কুলিকা আৰু প্ৰধান নকলনবিছ অথবা প্ৰথম কায়স্থৰ দ্বাৰা গঠিত আছিল। জিলা আৰু গাঁওত থকা সমিতিবোৰৰ সদস্য আছিল গাঁৱৰ গাঁওবুঢ়া, পৰিয়ালৰ মুৰব্বী আদি। প্ৰশাসনত জনপ্ৰিয় উপাদান অন্তৰ্ভূক্ত কৰি গুপ্তসকলে এটা দুঃসাহসী প্ৰশাসনিক পৰীক্ষা চলাইছিল।



জানি থোৱা ভাল

গুপ্ত সম্রাটৰ প্রত্যক্ষ শাসনৰ বাহিৰত থকা সীমান্ত প্রদেশবোৰত ৰাজতন্ত্র আৰু গণৰাজ্য উভয় ধৰণৰ প্রশাসনেই সক্রিয় হৈ আছিল। গুপ্ত বংশই ৰাজনৈতিক উদাৰতা প্রদর্শন কৰি সেই প্রদেশবোৰৰ আভ্যন্তৰীণ স্ব-শাসনৰ হস্তক্ষেপ নকৰাকৈ সেইবোৰক অধীনস্থ অথবা কৰতলীয়া ৰাজ্যত পৰিণত কৰিছিল। সমুদ্রগুপ্তৰ নামত ৰচিত প্রশস্তিত এনে বহু সীমান্ত অঞ্চলৰ এখন দীঘলীয়া তালিকা আছে। যিবোৰক সম্রাটে নিজৰ তলতীয়া কৰিছিল। সাম্রাজ্যৰ শক্তিৰ তুলনাত এই প্রদেশবোৰৰ আপেক্ষিক শক্তি কিমান সেই পৰীক্ষাৰ আধাৰত এনে প্রদেশবোৰৰ মর্যাদা নির্ধাৰিত হৈছিল। পূৱ সীমান্তৰ এনে দুখনমান প্রদেশ আছিল ৰাজতন্ত্রৰ প্রচলন থকা সমতট, কাৰ্ডপ, দেৱক, নেপাল আৰু কৰত্রিপুৰা। পশ্চিম সীমান্তৰ পঞ্জাৰ আৰু ৰাজপুতানাৰ নখন জনজাতীয় গণৰাজ্য গুপ্তত সাম্রাজ্যৰ কৰতলীয়া প্রদেশ আছিল।

১০.৬.২ ন্যায়িক প্রশাসন


গুপ্ত যুগৰ খোদিত লিপিবোৰত ন্যায়িক ব্যৱস্থাটোৰ বিষয়ে কোনো স্পষ্ট উল্লেখ নাই। কত্যায়ণ স্মৃতিত পৰম্পৰাগত পদ্ধতিত লিখা আছে যে সেই যুগত ৰজাই আছিল প্রদান বিচাৰপতি। ৰজাই গোচৰ শুনিবলৈ ব্যক্তিগত ভাৱে ৰাজসভাত উপস্থিত আছিল। মন্ত্রী পৰিষদ (অমাত্যবর্গ), বিচাৰক (প্রদ্বিভক) আৰু ব্রাহ্মণ (পুৰোহিত) সকলে তেওঁক সহায় কৰিছিল। নগৰবোৰত নগৰ দণ্ডাধীশক শ্রেণী অথবা গীল্ডৰ মুৰব্বী, সদাগৰ আদিয়ে সহায় কৰিছিল। গাঁওবোৰত গাঁও পঞ্চায়ত অথবা পৰিয়ালৰ মাজত (কূল) গোচৰবোৰৰ নিষ্পত্তি হৈছিল। চীনা পৰিব্রজক ফা-হিয়েনৰ টোকাৰ পৰা গম পোৱা যায় যে সামগ্রিকভাৱে গুপ্ত সাম্রাজ্যৰ দণ্ডবিধি আইন ক্ষমাশীল প্রকৃতিৰ আছিল।

১০.৬.৩ ৰাজহ প্রশাসন

বিভিন্ন ধৰণৰ ভূমি ৰাজহ, অপৰাধ অথবা দোষৰ দণ্ড হিচাপে আহৰণ কৰা জৰিমনা, ব্যৱসায়িক শুল্ক, লোণ কৰ, খনি শুল্ক ইত্যাদি আছিল গুপ্ত প্রশাসকৰ ৰাজহ সংগ্রহৰ প্রধান উৎস। কিছুমান বিশেষ পৰিস্থিতিত কিছুমান গাঁৱক ৰাজহ আদায়ৰ পৰা ৰেহাই দিয়া হৈছিল। ৰাজহ সংগ্রহকাৰী বিষয়াবোৰক যোগ্যতা আৰু সামর্থ অনুসৰি নিযুক্তি দিয়া হৈছিল। এই নিযুক্তিত কোনো জাত-পাতৰ বৈষম্য নাছিল। সদাগৰ আৰু চাৰু -কাৰু শিল্পীসকলৰ সহায় গীল্ডবোৰে সক্রিয়ভাৱে কাম কৰি গৈছিল।

গীল্ড অথবা শ্রেণীবোৰ আছিল স্ব-শাসিত গোট। গীল্ডবোৰৰ নিজস্ব নীতি নিয়ম আছিল। বৌদ্ধ উপাসনা গৃহ অথবা সংঘবোৰেও ব্যৱসায় - বাণিজ্য কৰিছিল আৰু বেংক ব্যৱসায়ী অথবা শ্রেষ্ঠীৰ ভূমিকা লৈছিল। তেওঁলোকে সুদত টকা ধাৰলৈ দিছিল। ৰাষ্ট্ৰ আৰু গাঁও সমাজবোৰ যুটীয়াভাৱে মাটিৰ মালিক আছিল। পাৰস্পৰিক বুজাবুজি অবিহনে মাটি বেচিব অথবা কিনিব পৰা নগৈছিল।

সামগ্ৰকিভাৱে গুপ্ত প্ৰশাসনৰ এটা দয়ালু স্বভাৱ আছিল। গুপ্ত সাম্ৰাজ্যত প্ৰজাই সুখ-শান্তিৰে জীৱন নিৰ্বাহ কৰিছিল। গুপ্ত সাম্ৰাজ্যৰ পতন ঘটাৰ পাছতো তেওঁলোকৰ চাকাৰৰ দয়ালু আদৰ্শ বহুদিনলৈ বৰ্তি আছিল। কালচুৰি, চালুক্য আৰু ৰাষ্ট্ৰকূটসকল গুপ্ত প্ৰশাসনিক ব্যৱস্থাৰ দ্বাৰা গভীৰভাৱে প্ৰ ভাৱিত হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ঃ দুয়োপক্ষ মিলাওক -

(ক) সম্ৰাট	(১) মহামাত্য
(খ) সন্ধিবিগ্ৰহিকা	(২) প্ৰাদেশিক বিষয়া
(গ) কঞ্চুকী	(৩) অশ্বাৰোহী বাহিনীৰ মুৰব্বী
(ঘ) মহাকপটী	(৪) খতিয়ান ৰক্ষক
(ঙ) গোপ্তী)	(৫) ৰজা
(চ) পুস্তপাল	(৬) যুদ্ধ আৰু শান্তিৰ মন্ত্ৰী

প্ৰশ্ন নং ১১ঃ মহাবলাধিকৃত বুলি কাক কোৱা হৈছিল?

.....

প্ৰশ্ন নং ১২ঃ প্ৰায় ৫০ টা শব্দৰ ভিতৰত গুপ্ত সকলৰ ৰাজহ প্ৰশাসনৰ বিষয়ে এটা টোকা লিখক।

.....

.....

.....

১০.৭ গুপ্ত বংশৰ পতন

গুপ্ত বংশৰ পতনৰ আঁৰত বহুকেইটা কাৰণ আছে। ইয়াৰে এটা হ'ল হুনসকলৰ আক্ৰমন। খৃষ্টীয় চতুৰ্থ শতিকাত মধ্য এচিয়াৰ হুনসকলৰ এটা ঠালে বেক্ট্ৰিয়া দখল কৰিছিল। দ্বিতীয় চন্দ্ৰগুপ্তৰ উত্তৰাধিকাৰী প্ৰথম কুমাৰগুপ্তৰ ৰাজত্ব কালত এই হুনখিনিয়ে হিন্দুকুশ পৰ্বত পৰা হৈ


ভাৰতত প্ৰৱেশ কৰিছিল (৪১৫-৫৪ খৃষ্টাব্দ) ভিটাৰী স্তম্ভলিপি আৰু জুনাগড় শিলা লিপিৰ পৰা আমি জানিবলৈ পাইছো যে খৃষ্ট্ৰীয় পঞ্চম শতিকাত যুৱৰাজ স্কন্দগুপ্তই হুনসকলৰ আক্ৰমন প্ৰতিহত কৰিবলৈ সক্ষম হৈছিল।

কিন্তু স্কন্দগুপ্তৰ পাছত কোনেও হুনসকলক বাধা দিব নোৱাৰিলে। বাৰম্বৰ হুন আক্ৰমনত গুপ্ত সাম্ৰাজ্য দুৰ্বল হৈ পৰিছিল। বীৰত্বেৰে যুঁজি হুনসকলৰ আক্ৰমন ওফৰোৱা স্কন্দগুপ্ত নিজে সাম্ৰাজ্যৰ ভিতৰতে সামন্ত প্ৰভূসকলে আৰম্ভ কৰা বিদ্ৰোহৰ দৰে নানা আব্যন্তৰীণ সমস্যাত জৰ্জৰিত হৈ পৰিছিল। সেয়েহে বাহিৰা শত্ৰুৰ সৈতে যুঁজাটো তেওঁৰ কাৰণে এটা কঠিন কাম হৈ পৰিছিল। প্ৰায় ৪৬৭ খৃষ্টাব্দত স্কন্দগুপ্তৰ মৃত্যু হৈছিল। তেওঁৰ পাছত ৰাজপাটত বহা ৰজাবোৰে সাম্ৰাজ্যৰ ঐক্য ধৰি ৰাখিব নোৱাৰিলে। খৃষ্টীয় পঞ্চম শতিকাৰ শেষৰ ফালে গুপ্ত শাসন গুৰুতৰ সমস্যাৰ সন্মুখীন হৈছিল। হুনসকলে উত্তৰ ভাৰতৰ প্ৰায় সকলো অংশতে প্ৰৱেশ কৰিছিল আৰু তাৰ পৰৱৰ্তী ৫০ বছৰৰ ভিতৰত গুপ্ত সাম্ৰাজ্যৰ সম্পূৰ্ণ পতন ঘটিছিল। সাম্ৰাজ্যৰ শক্তি নিঃশেষ, হো�ৱাৰ লগে লগে অসংখ্য সৰু সৰু ৰাজ্যই মূৰ দাঙি উঠিছিল।

হুন আক্ৰমনৰ উপৰি গুপ্ত সাম্ৰাজ্যৰ পতনত অৰিহণা আগবঢ়োৱা আন এটা কাৰক হ'ল- সাম্ৰাজ্যৰ পৰা সানম্ত প্ৰদেশবোৰ আঁতৰি যোৱাটো। একেদৰে, ৰাকাটকসকলেও গুপ্ত সাম্ৰাজ্য আক্ৰমণ কৰিছিল। বৈবাহিক সম্পৰ্কৰ জৰিয়তে দ্বিতীয় চন্দ্ৰগুপ্তই ৰাকাটক সকলৰ সৈতে বন্ধুত্ব স্থাপন কৰিছিল। কিন্তু তেওঁৰ উত্তৰাধিকাৰীসকলে ৰাকাটসকলৰ লগত শান্তিপূৰ্ণ সম্পৰ্ক বৰ্তাই নাৰাখিলে। বুধাগুপ্ত অঞ্চলৰ ৰাকাটক ৰজা নৰেন্দ্ৰসেনাই মালৱা, কোশল আৰু মেকালাৰ দৰে মধ্য ভাৰতৰ কেইটামান অঞ্চলত আক্ৰমন কৰিছিল। এই আক্ৰমনে মধ্য ভাৰতত গুপ্ত বংশৰ আধিপত্য যথেষ্ট দুৰ্বল কৰি পেলাইছিল। পৰৱৰ্তী সময়ত আন এজন ৰাকাটক ৰজা হৰিসেনে গুজৰাট আৰু মালৱা দখল কৰিছিল। এই বিজয়ে গুপ্ত ৱংশৰ প্ৰতিষ্ঠা আৰু সুনাম নষ্ট কৰিছিল ইয়াৰে সুযোগ লৈ সামন্তবাদী প্ৰদেশবোৰে নিজ নিজ স্বতন্ত্ৰতা ঘোষমা কৰিছিল। য়শোধৰ্মনৰ দৰে শাসকে গুপ্ত সাম্ৰাজ্য আক্ৰমণ কৰি ইয়াৰ পতন সুনিশ্চিত কৰিছিল। এখন এখনকৈ সকলো প্ৰদেশে নিজৰ স্বাধীনতা ঘোষমা কৰাৰ ফলত এসময়ত গুপ্ত সাম্ৰাজ্য সম্পূৰ্ণৰূপে নিঃচিহ্ন হৈ গৈছিল।

গুপ্ত প্ৰশাসনৰ বিকেন্দ্ৰীকৃত প্ৰকৃতিটোকো সাম্ৰাজ্য ধবংসৰ অন্যতম কাৰণ বুলি ভবা হয়। গুপ্ত সাম্ৰাজ্যৰ প্ৰাদেশিক শাসনকৰ্তা সকলে যথেষ্ট স্বাধীনতা আৰু কৰ্তৃত্ব লাভ কৰিছিল। গুপ্ত শাসক সকলে এই বৰৱস্থাটো নাইকিয়া কৰি প্ৰদেশবোৰ কঠোৰ হাতেৰে নিয়ন্ত্ৰন কৰাৰ ব্যৱস্থা নল'লে। গুপ্ত শাসকসকলে ষিয়াবৰ্গক নগদ ধনৰ দৰমহা নিদিছিল। বিষয়াসকলক দৰমহাৰ সলনি মাটি দিয়া হৈছিল। কালক্ৰমত ইয়েই তেওঁলোকক একোটা সামন্তবাদী মানসিকতাৰ গৰাকী হোৱাত সহায় কৰিছিল। তেওংলোকে কেন্দ্ৰী কৰ্তৃপক্ষক গুৰুত্ব দিয়াৰ সলনি কেৱল নিজৰ

স্তানীয় স্বার্থ পূৰণৰহে অগ্রাধিকাৰ দিছিল। এই সামন্তবাদী উপাদানৰ বর্দ্ধিত প্রবাৰে গুপ্ত সাম্রাজ্যৰ বিকেন্দ্রীকৰণ প্রক্রিয়াটো তৰান্বিত কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৩ঃ কাৰ শাসন কালত হুন সকলে হিন্দুকুশ পর্বত পাৰ হৈ ভাৰতলৈ আহিছিল?

.....

প্রশ্ন নং ১৪ঃ দ্বিতীয় চন্দ্রগুপ্তই কেনেকৈ ৰাকাটকসকলৰ লগত বন্ধুত্বপূর্ণ সম্পর্ক স্থাপন কৰিছিল।

.....

প্রশ্ন নং ১৫ঃ গুপ্ত প্রশাসনত কেনেকৈ সামন্তবাদী চৰিত্রই গা কৰি উঠিছিল?

.....



১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- ভাৰতত গুপ্ত বংশৰ উত্থানে প্রাচীন ভাৰতীয় ইতিহাসত এক গৌৰৱময় যুগৰ সূচনা কৰিছিল। গুপ্ত বংশৰ উৎস নিশ্চিত নহয়। শ্রীগুপ্তই গুপ্ত সাম্রাজ্যৰ ভেটি প্রতিষ্ঠা কৰিছিল। তেওঁৰ পাছত ঘটোৎকচগুপ্ত, প্রথম চন্দ্রগুপ্ত, সমুদ্রগুপ্ত, দ্বিতীয় চন্দ্রগুপ্ত, প্রথম কুমাৰ গুপ্ত, স্কন্দগুপ্ত আদিৰ দৰে ৰজাই ৰাজপাটত বহিছিল। গুপ্ত বংশৰ প্রথম ৰজা দুজন সম্ভৱতঃ অন্য ৰজাৰ তলতীয়া অঞ্চলৰ মুখিয়ালহে আছিল। কাৰণ, তেওঁলোকে মহাৰাজ উপাধি গ্রহণ কৰিছিল। ৰজা প্রথম চন্দ্রগুপ্তইহে গুপ্ত বংশৰ পৰিচয় প্রকাশলৈ আনিছিল। তেওঁ নিজকে স্বতন্ত্র ৰজা ৰূপে প্রক্ষেপ কৰিছিল আৰু মহাৰজাধিৰাজ উপাধি গ্রহণ কৰিছিল।
- গুপ্ত বংশৰ প্রথম ৰজা তিনিজনে স্থাপন কৰি থৈ যোৱা ভেটিটোতে সমুদ্রগুপ্ত আৰু দ্বিতীয় চন্দ্রগুপ্তই নিজ নিজ সাম্রাজ্য সম্প্রসাৰণ নীতিৰে এক মহাগাঁথনি নির্মাণ কৰিছিল। সমুদ্রগুপ্তই গৃহভূমিত নিজৰ স্থিতি সবল কৰাৰ পাছত তামিলনাডুলৈকে সমগ্র দক্ষিণাপথ (দক্ষিণ ভাৰত) নিজৰ নিয়ন্ত্রনাধীন কৰিছিল। এলাহাবাদ প্রশস্তিত উল্লেখ আছে যে সমুদ্রগুপ্তই তেওঁৰ দক্ষিণ ভাৰত অভিযানত প্রায় বাৰজন ৰজাক পৰাস্ত কৰিছিল। ইয়াৰ উপৰি তেওঁ উত্তৰ ভাৰত, মধ্য ভাৰত আৰু পূৱ ভাৰতৰ আন বহুতো ৰজাৰ লগতে

বহুকেইজন বনৰজা (Forest King) জনজাতীয় মুখিয়াল আদিকো পৰাজিত কৰিছিল। সমুদ্রগুপ্তই নিজৰ সাম্রাজ্যবাদী কর্তৃত্ব প্রদর্শন কৰিবলৈ অশ্চমেধ যজ্ঞ পাতিছিল। তেওঁৰ পুত্র আৰু উত্তৰাধিকাৰী দ্বিতীয় চন্দ্রগুপ্তই প্রধানকৈ পশ্চিম ভাৰত জয়ৰ নীতি গ্রহণ কৰিছিল। তেওঁ সেই সময়ত পশ্চিম ভাৰতত আধিপত্য বিস্তাৰ সকৰি থকা শক বংশৰ বিৰুদ্ধে যুদ্ধত লিপ্ত হৈছিল। নাগা, ৰাকাটক আৰু কাদম্ব বংশৰ সৈতে বৈবাহিক সম্পর্ক স্থাপন কৰি দ্বিতীয় চন্দ্রগুপ্তই শক সকলক চাৰিও দিশৰ পৰা ঘেৰি ধৰিছিল। তেঁ শক শাসকক পৰাস্ত কৰি মালৰা, গুজৰাট আৰু কাথিৰাৰ দখল কৰিছিল। এনেকৈয়ে দ্বিতীয় চন্দ্রগুপ্তই পশ্চিম আৰু উত্তৰ ভাৰতক একেলগ কৰিছিল। দ্বিতীয় চন্দ্রগুপ্তই আন কেইবাটাও সফল সামৰিক অভিযান চলাইছিল।

- দ্বিতীয় চন্দ্রগুপ্তক আক্রমণকাৰী শাসকতকৈ সাম্রাজ্য সুদৃঢ়কাৰী ৰজা হিচাপেহে বেছি ভালদৰে স্মৰণ কৰা হয়। পিতৃ সমুদ্রগুপ্তৰ ৰাজ্যজয়ৰ আধৰুৰা সপোনবোৰ পূৰণ কৰাৰ পাছত তেওঁ গুপ্ত শাসকসকলে জয় কৰা অঞ্চলবোৰ সুস্থিৰ আৰু সুদৃঢ় কৰি তোলাৰ কামত মনোনিবেশ কৰিছিল। তেওঁ বিভিন্ন ভাৰতীয় শাসকৰ পৰিয়ালৰ সৈতে বৈবাহিক সম্পর্ক স্থাপন কৰি গুপ্ত সাম্রাজ্যৰ চাৰিও ফালে বন্ধুৰাষ্ট্রৰ সৃষ্টি কৰিছিল। তেওঁৰ শান্তি স্থাপন কাৰী নীতিয়ে গুপ্ত সাম্রাজ্যত এক শান্তিপূর্ণ পৰিৱেশ গঢ়ি তুলিছিল। হৈ পৰিৱেশত এক সাংস্কৃতিক নৱজাগৰণৰ সূচনা হৈছিল। দ্বিতীয় চন্দ্র গুপ্তই তেওঁৰ ৰাজসভাৰ শোভাৱর্দ্ধন কৰা ইতিহাস প্রসিদ্ধ 'নৱৰত্ন'লৈ সকলো ধৰণৰ ৰাজকীয় পৃষ্ঠপোষকতা আগবঢ়াইছিল।
- গুপ্ত সাম্রাজ্যত ৰাজতন্ত্র আছিল চৰকাৰ হিচাপে স্বীকৃত প্রথা। ৰজা আছিল সর্বেসর্বা । বংশানুক্রমিক পৰমপেৰাৰে ৰজা ৰাপাটত বহিছিল। যুৱৰাজ, মন্ত্রী আৰু অন্য বিষয়াবর্গই ৰজাক শাসনত সহায় কৰিছিল। গুপ্তসকলৰ আমোলাতন্ত্র সুসংগঠিত আছিল। কেন্দ্রীয় আৰু প্রাদেশিক বিষয়াসকলক পদবীৰ আধাৰত বিভিন্ন ভাগত ভগোৱা হৈছিল। সাম্রাজ্য ক প্রদেশত ভগোৱা হৈছিল। প্রদেশবোৰক ভুক্তি অথবা দেশ বোলা হৈছিল। প্রদেশবোৰক জিলা অথবা বিষয়ত ভাগ কৰা হৈছিল। ন্যায়িক বিষয়ত ৰজা আছিল চৰম বিচাৰপতি। তেওঁ ব্যক্তিগতভাৱে ৰাজসভাত উপস্থিত থাকি গোচৰবোৰ শুনিছিল । অন্য ৰাজ বিষয়াই
- ৰজাক সহায় কৰিছিল। নগৰবোৰত দণ্ডাধীশে আৰু গাঁওবোৰত পঞ্চায়তে অথবা পৰিয়ালৰ মাজতে গোচৰবোৰ নিষ্পত্তি কৰিছিল। বিভিন্ন ধৰণে ৰাজহ সংগ্রহ কৰা হৈছিল । ভূমি ৰাজহ, জৰিমনা, ব্যৱসায়িক শুল্ক ইত্যাদি আছিল গপ্ত প্রশাসনৰ ৰাজহ সংগ্রহৰ উৎস। মাটিৰ যুটীয়া মালিক আছিল। ৰাষ্ট্র আৰু গ্রামসমাজ। সামগ্রিকভাৱে গুপ্ত প্রশাসন দয়ালু আৰু অনুকম্পাশীল আছিল। তেওঁলোকৰ প্রশাসনৰ আর্হি পৰৱর্তী সময়ত চালক্য আৰু ৰাষ্ট্রকূটৰ দৰে বিভিন্ন ৰাজবংশই অনুসৰণ কৰিছিল।

- বিভিন্ন কাৰণত গুপ্ত বংশৰ পতন ঘটিছিল। ইয়াৰে ভিতৰত সবাতোকৈ গু ৰুত্বপূৰ্ণ কাৰণটো হ'ল হুন সকলৰ আক্ৰমন। খৃষ্ট্ৰীয় পঞ্চম শতিকাৰ শেষৰফালে এই আক্ৰমনে গুপ্ত ৰাজ শক্তিক পতনৰ মুখলৈ ঠেলি দিছিল। সামন্ত প্ৰদেশবোৰে গুপ্ত সাম্ৰাজ্যৰ পৰা ফালৰি কাটি যোৱা কথাটোৱেও গুপ্তসকলৰ ক্ষমতা হানি কৰিছিল। প্ৰশাসনৰ বিকেন্দ্ৰীকৰণ প্ৰথাৰ বাবে গুপ্ত শাসকৰ অধীনস্থ প্ৰাদেশিক প্ৰশাসক সকল যথেষ্ট স্বাধীনতা আৰু কৰ্তত্বৰ গৰাকী হৈছিল। তেওঁলোকে কেন্দ্ৰীয় কৰ্তত্বক উলংঘা কৰি স্থানীয় স্বাৰ্থ জড়িত বিষয়বোৰত অধিক মনোযোগ দিছিল। প্ৰাদেশিক প্ৰশাসক সকলক দৰমহাৰ সলনি মাটি দিয়া হৈছিল। এই কথাটোৱে তেওঁলোকক সামন্তবাদী চৰিত্ৰৰ কৰি তুলিছিল। ই গুপ্ত সাম্ৰাজ্যৰ পতন প্ৰক্ৰিয়াটো তৰান্বিত কৰিছিল।



১০.৯ অধিক জানিবলৈ

1. Majumdar, R.C., Raychaudhuri, H.C., Datta, K. (1986). *An Advanced History of India*. New Delhi, Macmillan India Ltd.
2. Thapar, Romila. (2002). *The Penguin History of Early India from The Origins to A D 1300.* New Delhi, The Penguin Group.
3. Tripathi, Ramashankar. (1999). *History of Ancient India*. Delhi, Motilal Banarsidass Publishers Pvt. Ltd



১০.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (ক) শ্ৰীগুপ্ত, ঘটোৎকচগুপ্ত, প্ৰথম চন্দ্ৰগুপ্ত

(খ) মহাৰাজাধিৰাজ (গ) কুমাৰাদেৱী

২ নং প্ৰশ্নৰ উত্তৰঃ প্ৰথম চন্দ্ৰগুপ্তই পৰিয়ালৰ সৈতে বৈবাহিক সম্পৰ্ক স্থাপন কৰিছিল। এই লিচ্ছবি - গুপ্ত বৈবাহিক সম্পৰ্ক ৰাজনৈতিক দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ আছিল। কাৰণ ই গুপ্ত শক্তিৰ উত্থানত যথেষ্ট সহায় কৰিছিল। ইতিহাসবিদ ৰোমিলা থাপাৰে কৈছে যে এই সম্পৰ্কই গুপ্ত বংশক সামাজিকভাৱে গ্ৰহণযোগ্যতা প্ৰদান কৰিছিল। কাৰণ, তেওঁলোকৰ উৎপত্তিত হয়তো কোনো ৰাজবংশীয় সংযোগ নাছিল। ভি. এ. স্মিথে এইবুলি মত প্ৰকাশ কৰিছে যে লিচ্ছবি ৰাজকুমাৰী কুমাৰদেৱীয়ে স্বামীক প্ৰয়োজনীয় ৰাজনৈতিক প্ৰভাৱৰ

যোগান ধৰিছিল।

৩ নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) অশুদ্ধ
(ঘ) শুদ্ধ (ঙ) শুদ্ধ (চ) শুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰঃ এলাহাবাদ স্তম্ভ লিপি

৫ নং প্ৰশ্নৰ উত্তৰঃ ৰামগুপ্ত আছিল সমুদ্রগুপ্তৰ জেষ্ঠ পুত্র

৬ নং প্ৰশ্নৰ উত্তৰঃ প্রবল পৰাক্রমী সমুদ্রগুপ্তই হয়তো গৃহভূমিত নিজ স্থিতি সবল কৰাৰ পাছত দক্ষিণাপথ (দক্ষিণ ভাৰত) অভিমুখে নিজৰ বিজয় অভিযান আৰম্ভ কৰিছিল। তেওঁৰ দক্ষিণ ভাৰত অভিযানক ধর্মবিজয় নাম দিয়া হৈছিল। এই অভিযানৰ মূল নীতি তিনিটা আছিল - গ্রহণ, মোক্ষ আৰু অনুগ্রহ। এই অভিযানে কালত সমুদ্রগুপ্তই দক্ষিণ ভাৰতৰ প্রায় বাৰজন ৰজাক পৰাজিত কৰিছিল। তেওঁ ৰজাকেইজনক প্রথমে আটক কৰি পাছত মুকলি কৰি দিছিল আৰু তাৰপাছত পুনৰ নিজ নিজ ৰাজ্যত শাসন চলাই যোৱাৰ সুযোগ দিছিল।

৭ নং প্ৰশ্নৰ উত্তৰঃ লিচ্ছবি।

৮ নং প্ৰশ্নৰ উত্তৰঃ দ্বিতীয় চন্দ্রগুপ্ত।

৯ নং প্ৰশ্নৰ উত্তৰঃ কালিদাস।

১০ নং প্ৰশ্নৰ উত্তৰঃ (ক) ৫ (খ) ৬ (গ) ১ (ঘ) ৩ (ঙ) ২,
(চ) ৪

১১ নং প্ৰশ্নৰ উত্তৰঃ মহাবলাধিকৃত মানে হ'ল সেনাধিনায়ক।

১২ নং প্ৰশ্নৰ উত্তৰঃ গুপ্ত প্রশাসনে বিভিন্ন উযসৰ পৰা ৰাজহ সংগ্রহ কৰিছিল। এনে উৎস দুটামান হ'ল ভূমি ৰাহজ, জৰিমনা, ব্যৱসায়িক শুল্ক ইত্যাদি। ৰাজহ সংগ্রহকাৰী বিষয়া সকলক যোগ্যতা আৰু সামর্থৰ ভিত্তিত নিযুক্তি দিয়া হৈছিল। এই নিযুক্তি জাতি - ধর্ম বিষয়ক কোনো বৈষম্য নাছিল। বিশেষ পৰিস্থিতি কিছুমানত গাঁওবোৰক ৰাজহ প্রদানৰ পৰা ৰেহাই দিয়া হৈছিল।

১৩ নং প্ৰশ্নৰ উত্তৰঃ প্রথম কুমাৰ গুপ্ত ।

১৪ নং প্ৰশ্নৰ উত্তৰঃ বৈবাহিক সম্পর্কৰ জৰিয়তে দ্বিতীয় চন্দৰগুপ্তই ৰাকাটকসকলৰ লগত বন্ধুত্বপূর্ণ সম্পর্ক স্থাপন কৰিছিল।

১৫ নং প্ৰশ্নৰ উত্তৰঃ গুপ্ত শাসকসকলে বিষয়াৱর্গক ধন হিচাপে দৰমহা দিয়া নাছিল। তাৰ সলনি বিষয়া সকলে মাটি পাইছিল। মাটিৰ গৰাকী হোৱা বিষয়াবর্গই এসময়ত সামন্তবাদী চৰিত্রৰ গৰাকী হৈছিল।



১০.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ৫০ টামান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃশ্ৰীগুপ্ত কোন আছিল?

প্ৰশ্ন ২ঃপ্ৰভাৱতী গুপ্তৰ মাতৃৰ নাম কি আছিল ?

প্ৰশ্ন ৩ঃবিষ্ণুদেৱ কোন আছিল ?

প্ৰশ্ন ৪ঃগুপ্ত বংশৰ পতনৰ এটা কাৰণ উল্লেখ কৰক।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃগুপ্ত বংশৰ উত্থান সম্পৰ্কে কি জানে লিখক।

প্ৰশ্ন ২ঃসমুদ্ৰগুপ্তৰ সাম্ৰাজ্য বিস্তাৰ নীতিৰ বিষয়ে এলাহাবাদ স্তম্ভলিপিত কেনেধৰণে উল্লেখ আছে?

প্ৰশ্ন ৩ঃগুপ্ত সাম্ৰাজ্য নিৰ্মাণ দ্বিতীয় চন্দ্ৰগুপ্তই কেনেধৰণৰ অৱদান আগবঢ়াইছিল।

প্ৰশ্ন ৪ঃগুপ্ত প্ৰশাসনৰ অধীনত থকা প্ৰশাসনিক বিভাগবোৰৰ বিষয়ে এটি টোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰে ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)-

প্ৰশ্ন ১ঃগুপ্ত সাম্ৰাজ্যৰ সম্প্ৰসাৰণ আৰু সুদৃঢ়কৰণৰ প্ৰক্ৰিয়া দুটা আলোচনা কৰক।

প্ৰশ্ন ২ঃগুপ্ত শাসকসকলৰ প্ৰশাসনিক ব্যৱস্থাটো ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ গুপ্ত শাসনকালৰ সমাজ, ধৰ্ম, সংস্কৃতি আৰু অৰ্থনীতি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ গুপ্ত শাসনকালৰ সমাজ আৰু অৰ্থনীতি

১১.৩.১ গুপ্ত শাসনকালৰ সমাজ

১১.৩.২ গুপ্ত শাসনকালৰ অৰ্থনীতি

১১.৪ গুপ্ত শাসনকালৰ ধৰ্ম আৰু সংস্কৃতি

১১.৪.১ গুপ্ত শাসনকালৰ ধৰ্ম

১১.৪.২ গুপ্ত শাসনকালৰ সংস্কৃতি

১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৬ অধিক জানিবলৈ

১১.৭ অগ্রগতিৰ খতিয়ান

১১.৮ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- গুপ্তযুগৰ সমাজৰ বিষয়ে বুজিব পাৰিব,
- গুপ্তযুগৰ অৰ্থনীতিৰ বিষয়ে আলোচনা কৰিব পাৰিব.
- গুপ্তযুগৰ ধৰ্মৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- গুপ্তযুগৰ সংস্কৃতিৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি ইতিমধ্যে গুপ্তযুগৰ বিষয়ে সবিশেষ আলোচনা কৰিলো। এই অধ্যায়টোত আমি গুপ্তযুগৰ সমাজ, অৰ্থনীতি, ধৰ্ম আৰু সংস্কৃতিৰ বিষয়ে আলোচনা কৰিম। গুপ্ত শাসকসকল যিহেতু একো একোজন পাৰ্গত প্ৰশাসনিক বিষয়াৰ লগতে প্ৰজাহিতৈষী ৰজা আছিল। গতিকে এই যুগত সমাজৰ সৰ্বোতো প্ৰকাৰৰ উন্নতি হোৱা পৰিলক্ষিত হৈছিল। সেইবাবে গুপ্তযুগক ভাৰতীয় ইতিহাসৰ ‘সোণালী যুগ’ বুলি আখ্যা দিয়া হয়।

১১.৩ গুপ্ত শাসনকালৰ সমাজ আৰু অর্থনীতি

গুপ্ত শাসকসকলে ভাৰতত এখন বিশাল সাম্ৰাজ্য গঢ়ি তুলিছিল। তেওঁলোকে সুবিবেচনাপূর্ণ প্রশাসনৰ সহায়ত এক সুস্থিৰ কর্তৃত্বৰে সাম্ৰাজ্য শাসন কৰিছিল। ই সামাজিক গাঁথনিটো অটুট ৰাখিছিল আৰু অর্থনৈতিক বিকাশৰ পথ সুচল কৰি তুলিছিল। সেই সময়ছোৱাৰ সমাজ আৰু অর্থনীতিৰ বিষয়ে আলোচনা নকৰিলে আমাৰ গুপ্ত বংশ সম্পর্কীয় অধ্যয়ন আধৰুৱা হৈ ৰ'ব। এই শিতানত আমি বিভিন্ন উপ-শিতানৰ অধীনত গুপ্ত শাসনকালৰ সমাজ আৰু অর্থনৈতিক অৱস্থাৰ বিষয়ে আলোচনা কৰিম।

১১.৩.১ গুপ্ত শাসনকালৰ সমাজ

পুৰাণ, শাস্ত্র, নাৰদৰ নীতি শাস্ত্র, কালিদাসৰ নাটক আদিয়ে আমাক গুপ্ত যুগৰ সামাজিক জীৱনৰ বিষয়ে নানা তথ্য যোগান ধৰে। সমসাময়িক লিপিবোৰৰ পৰাও যু গৰ সামাজিক জীৱনৰ নানা আকর্ষণীয় বৈশিষ্টৰ কথা গম পোৱা যায়। বিখ্যাত চীনা পৰিব্রাজক ফা-হিয়েনেও খৃষ্টীয় পঞ্চম শতিকাৰ আৰম্ভণিৰ কালছোৱাত ভাৰতৰ সমাজবোৰ কেনে আছিল সেই বিষয়ে কিছু নিৰীক্ষণলব্ধ মন্তব্য কৰি থৈ গৈছে।

সমাজৰ শ্রেণীবিভাজন ঃ গুপ্ত যুগত সমাজখন চাৰিটা বর্ণত বিভক্ত আছিল- ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য, আৰু শূদ্র । প্রতিটো প্রধান জাতি অথবা বর্ণৰে নির্দিষ্ট কর্তব্য আছিল। ফা-হিয়েনৰ টোকাত শূদ্র সকলৰ দুর্দশা ছবি এখন দেখা পোৱা যায়। অর্থাৎ, গুপ্ত যুগৰ ভাৰতীয় সমাজত জাতি- ভেদ প্রথাৰ প্রচলন আছিল আৰু মানুহ বর্ণ বৈষম্যৰ বলি হৈছিল। খোদিত লিপিবোৰত উল্লেখ থকা বিভিন্ন সম্প্রদায়ৰ লোকৰ কথা আৰু বিভিন্ন সাহিত্যত থকা উল্লেখৰ পৰা এই কথা গম পোৱা যায় যে গুপ্ত যুগত জাতি প্রথাৰ প্রচলন আছিল।

ব্রাহ্মণ বর্ণৰ লোকসকল প্রধানকৈ বেদ আৰু অন্য ধর্মগ্রন্থৰ অধ্যয়ণ তথা শিক্ষণৰ বৃত্তিত জড়িত আছিল। ইয়াৰ উপৰি তেওঁলোকে বলি-বিধান আৰু অন্য ধর্মীয় অনুশীলনবোৰ সম্পন্ন কৰিছিল। সমাজত মর্যদা আৰু আসনৰ ক্ষেত্রত ব্রাহ্মণসকলৰ পাচতেই স্থান পাইছিল ক্ষত্রিয় সকলে। ক্ষত্রিয়সকল আছিল শাসক শ্রেণী। সেইবাবে সমাজত তেওঁলোকে এখন সন্মানজনক আসন লাভ কৰিছিল। ক্ষত্রিয় আৰু বৈশ্য সকলে দ্বিজাতিৰ মর্যদাও লাভ কৰিছিল। অর্থাৎ তেওঁলোকক ব্রাহ্মণসকলৰ দৰে দুবাৰকৈ জন্মলাভ কৰা লোক বুলি গণ্য কৰা হৈছিল। বৈশ্যসকল আছিল অগাধ ধন-সম্পত্তিৰ গৰাকী। সেয়েহে তেওঁলোকেও সমাজত এখন উচ্চ আসন লাভ কৰিবলৈ সক্ষম হৈছিল। বর্ণ বিভাজন ব্যৱস্থাৰ সবাতোকৈ নিম্নত স্থান লাভ কৰিছিল শূদ্রসকলে। তেওঁলোকক উচ্চ বর্ণ তিনিটাৰ সেৱা কৰিবলৈ বাধ্য কৰোৱা হৈছিল। এই চাৰিটা প্রধান

জাতি (বর্ণ)ৰ উপৰি গুপ্ত যুগত আন কেইবাটাও উপ-জাতি (সম্প্রদায়) আছিল। সমসাময়িক খোদিত লিপি আৰু সাহিত্যত ইয়াৰ পর্যাপ্ত প্রমান আছে। কিন্তু অ-সবর্ণ বিবাহ অথবা অন্য বর্ণ (জাতি) ৰ লোকৰ সৈতে আহাৰ গ্রহণ আদিৰ দৰে কার্যৰ ক্ষেত্রত কোনো কঠোৰ নীতি নিয়ম থকাৰ কথা পোহৰলৈ অহা নাই।

জানি থোৱা ভাল



এগৰাকী হিন্দু পুৰুষৰ জীৱনৰ চাৰিটা পর্যায় আছিল বুলি ধৰা হৈছিল। এই পর্যায় চাৰিটাক আশ্রম বুলি কোৱা হৈছিল। জন্মৰ পৰা পঁচিশ বছৰ বয়সলৈকে এজন লোক ব্রহ্মাচর্য আশ্রমত আছিল । এই সময়ছোৱাত তেওঁ বিভিন্ন ধর্মগ্রন্থ অধ্যয়ণ কৰিছিল আৰু নিজৰ জাতি অনুসৰি বিভিন্ন কাম কাজৰ শিক্ষা লাভ কৰিছিল। দ্বিতীয় পর্যায়টোক গার্হস্থ্য আশ্রম বোলা হৈছিল। ব্যক্তিয়ে পৰৱর্ত্তী পঁচিশ বছৰৰ বাবে পাৰিবাৰিক জীৱন এটা উপভোগ কৰিছিল। তাৰ পাচৰ পর্য্যায়টোৰ নাম আছিল বানপ্রস্থ (অৰণ্যলৈ গমন) । ব্যক্তি পঞ্চাশ বছৰীয়া হোৱাৰ লগে লগে সাংসাৰিক জীৱনৰ পৰা অৱসৰ লৈ অৰণ্যত বাস কৰিছিল । তাত তেওঁ নিৰলে ধ্যানমগ্ন জীৱন যাপন কৰিছিল। ইয়াক বানপ্রস্থ আশ্রম বোলা হৈছিল। জীৱনৰ অন্তিম পর্যায়টো হ'ল সন্ন্যাস। ব্যক্তি পয়সত্তৰ বছৰীয়া হোৱাৰলগে লগে এই পর্যায়টো আৰম্ভ হৈছিল আৰু মৃত্যু পর্যন্ত চলিছিল। এই সময়ছোৱাত এজন ব্রাহ্মণ সম্প্রদায়ৰ লোকে সমস্ত পার্থিৱ বন্ধনৰ পৰা নিজকে সম্পূর্ণ মুক্ত কৰিব লাগিছিল। জীৱনৰ এই পর্যায়ক্রমিক বিভাজনৰ কাৰণ হিচাপে আমি মানৰ জীৱনক এক পৰিশীলিত ৰূপ দিয়াৰ উদ্দেশ্যটোকে ধৰি ল'ব পাৰোঁ। যিকোনো ধৰণৰ মাত্রাধিক্যৰ পৰা জীৱনক আঁতৰাই এক শৃংখলাৰদ্ধ বিন্যাসৰ সংহতিৰে জীৱন যাপন কৰিবলৈকে এই শ্রেণীবিভাজন কৰা হৈছিল।

দাসত্ব ঃ ভাৰতত গুপ্ত যুগত কোনো সংগঠনৰ ৰূপপ্রাপ্ত দাস প্রথাৰ প্রচলন থকাৰ কোনো প্রমান নাই যদিও বিভিন্ন সমলত দাসৰ উল্লেখ আছে। গুপ্তযুগত বিভিন্ন ধৰণৰ দাস আছিল। 'যুদ্ধবন্দী' (Prisoners) সকলক প্রায়েই দাস হিচাপে কামত খটুওৱা হৈছিল। ধাৰ পৰিশোধ কৰিব নোৱাৰা মদপি, জুৱাৰী আদিক প্রায়েই নিজকে দাসৰূপে বিক্রী কৰিবলৈ বাধ্য কৰোৱা হৈছিল। ৰজাৰ ঘৰত লাচনি-পাচনি কৰা লোককো দাস বুলি গণ্য কৰা হৈছিল। কিন্তু ৰাজতন্ত্রৰ অধীনত প্রচলিত দাস প্রথা পশ্চিমীয়া দেশবোৰত প্রচলিত দাস প্রথাতকৈ পৃথক আছিল। ভাৰতত, কিছুমান চর্ত পূৰণ হোৱাৰ পাচত সকলোৱে দাসত্বৰ পৰা মুক্ত হ'ব পাৰিছিল। দাসবোৰে নিজেই কর্মৰ জৰিয়তে অথবা পৰিয়ালৰ সদস্য আৰু বন্ধু -বান্ধৱৰ সহযোগত দেয় পৰিশোধ কৰি পুনৰ স্বাধীন হ'ব পাৰিছিল। সমসাময়িক খতিয়ানৰ পৰা এই কথা জনা যায় যে

যুদ্ধবন্দী সকলো আনকি মুক্ত হ'ব পাৰিছিল। গৰাকীৰ জীৱন ৰক্ষা কৰা দাসক স্বাধীনতা প্ৰদান কৰাৰ লগতে তেনে দাসে গৰাকীৰ সম্পত্তিৰ পৰা গৰাকীৰ পুত্ৰই লাভ কৰিবলগীয়া সম্পত্তিৰ সমান অংশ লাভ কৰিছিল।

নাৰীৰ স্থিতি ঃ যুগে যুগে ভাৰতীয় সমাজত নীৰৱ স্থিতি বেলেগ বেলেগ হৈ আহিছে। বৈদিক যুগত নাৰীয়ে সমাজৰ আদৰ সন্মান লাভ কৰিছিল। গুপ্ত যুগত নাৰীৰ জীৱনৰ কিছু দিশ উন্নত কৰি ৰখাত পুৰাণ বোৰে সহায় কৰিছিল। কিন্তু এই যুগত তথাপিও নাৰী বহু বৈষম্যৰ বলি হৈছিল।

মানৱ ধৰ্মশাস্ত্ৰৰ মতে সমাজখন যিহেতু পুৰুষতান্ত্ৰিক, সেয়েহে নাৰীয়ে জীৱনৰ বিভিন্ন পৰ্যায়ত পিতৃ, পতি অথবা বৰপুত্ৰৰ সুৰক্ষাৰ অধীনত জীৱন যাপন কৰা উচিত। তাৰ মাজতো দ্বিতীয় চন্দ্ৰগুপ্তৰ কন্যা প্ৰভাৱতী গুপ্তই পতিৰ মৃত্যুৰ পাচত ৰাকাটক ৰজাৰ ভাৰপ্ৰাপ্ত ৰাণীৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল।

বহুতো লিখকে নাৰীৰ বাবে আঠ প্ৰকাৰৰ বিবাহৰ কথা কৈ গৈছে। বিবাহৰ প্ৰকাৰবোৰ হ'ল - ব্ৰহ্ম, দৈৱ, অৰ্স, প্ৰজাপতী, অসুৰ, গন্ধৰ্ব, ৰাক্ষস আৰু পিশাচ।

প্ৰথম চাৰি প্ৰকাৰৰ বিবাহ সমাজ স্বীকৃত আছিল । এনে বিবাহত পিতৃ -মাতৃৰ মত জড়িত আছিল। দৈৱ আৰু অৰ্শ বিবাহত কন্যাৰ মূল্য দাবী কৰা হৈছিল। শেষৰ চাৰি প্ৰকাৰৰ বিবাহ সমাজ স্বীকৃত নাছিল। সমাজত অসুৰ (কইনা হৰণ কৰি নি পতা বিবাহ, য'ত কেতিয়াবা কন্যাৰ সন্মতি থাকে) আৰু গন্ধৰ্ব (পাৰস্পৰিক সন্মতিৰে পতা বিবাহ, পিতৃ - মাতৃৰ সন্মতি লোৱাৰ প্ৰয়োজনবোধ নকৰাকৈ পতা বিবাহ) বিবাহৰ প্ৰচলন আছিল।

গুপ্তসকলৰ শাসনকালত সতী প্ৰথাৰ প্ৰচলন আছিল । বাৎসায়ন আৰু কালিদাসৰ লেখনীৰ পৰা আমি এই কথা গম পাওঁ। প্ৰথম কুমাৰগুপ্তৰ দিনৰ মাদ্ৰাচোৰ শিলালিপিতো উল্লেখ আছে যে গুপ্তযুগত সতীপ্ৰথা প্ৰচলিত আছিল। সেই সময়ছোৱাত বহুবিবাহৰো প্ৰচলন আছিল। ৰজা আৰু অন্য সামন্ত প্ৰভূ সকলৰ একাধিক পত্নী আছিল। কেৱল ৰজাৰ অথৱা শাসকসকলেই এই প্ৰথা বৰ্তাই ৰখা নাছিল। সাধাৰণ প্ৰজায়ো বহুবিবাহ কৰাব পৰিছিল। কোনো বিবাহিতা মহিলা যদি বুদ্ধিহীনা, বন্ধা অথবা বাৰে বাৰে কন্যা সন্তান জন্ম দিয়ে , তেন্তে তেওঁ সতিনীৰ সৈতে জীৱন কটাৱলগীয়া হৈছিল। খোদিত লিপিৰ পৰা গম পোৱা যায় যে কুভেৰা নাগা আৰু ধ্ৰুৱস্বামীনি আছিল দ্বিতীয় চন্দ্ৰগুপ্তৰ পত্নী।

খাদ্য ঃ কালিদাসৰ বিৱৰণীৰ পৰা আমি এই কথা গম পাইছো যে গুপ্ত খাদ্য সুস্বাদু আৰু পুষ্টিকৰ আছিল। সেই যুগৰ মানুহৰ প্ৰধান খাদ্য আছিল বাৰ্লি, ঘেহুঁ আৰু চাউলেৰে তৈয়াৰী নানান আহাৰ। তিয়ঁহ, পয়াজ, নহৰু, ৰঙালাউ, বিভিন্ন ধৰণৰ জিকা জাতীয় পাচলি আদিও মানুহে খাইছিল।

গু প্তযুগত বিভিন্ন মচলা, তৈল শস্য আৰু ঔষধি গছ-গছনিৰ ব্যৱহাৰ হৈছিল।

সৰিয়হ, তেতেলী, দালচেনী, লং, তামোল, আদা, হালধী আৰু কেশৰ বিভিন্ন কামত ব্যৱহাৰ হৈছিল। গুপ্তযুগৰ অৰণ্য আৰু ঘৰুৱা বাগানবোৰত নানাধৰণৰ ফল-মূল উদ্ভেনদী আছিল। আম, কমলা, কঁঠাল, ডালিম, আঙুৰ, কল, নাৰিকল আদি ফল সকলোতে পোৱা গৈছিল। গুপ্তযুগত কুঁহিয়াৰৰ পৰা চেনী উৎপাদন কৰা হৈছিল। চেনী আৰু গাখীৰেৰে বিভিন্ন মিঠাই প্রস্তুত কৰা হৈছিল। মৌ আছিল আন এবিধ বহুল ব্যৱহৃত খাদ্য সামগ্রী। আলহীক অভ্যর্থনা জনাবলৈ আৰু অন্য উৎসৱ পার্বনত মৌৰ ব্যৱহাৰ কৰা হৈছিল।

পোছাক ঃ গুপ্তযুগৰ পুৰুষ আৰু মহিলাই বতৰৰ সৈতে মিলাকৈ নানা ধৰণৰ পোছাক পিন্ধিছিল। কালিদাসৰ লেখনীত চিকাৰলৈ যোৱা পোছাকৰ উল্লেখ আছে। পুৰুষে ধুতী, পাগুৰী আৰু গলবস্ত্র (Scarf) পৰিধান কৰিছিল। সাধাৰণ পোছাকবোৰ কপাহী আছিল। বিয়া-বাৰুৰ পোছাকবোৰ ৰেচমৰ আছিল। নাৰীয়ে শাৰী আৰু শ্বল পিন্ধিছিল। কাপোৰৰ ৰং বগা, ক'লা, ৰঙা, নীলা, কেশৰ আৰু বহুৰঙী আছিল। গুপ্তযুগৰ পুৰুষ আৰু মহিলা উভয়েই মূৰ, চুলি, কাণ, নাক, বাহু, কঁকাল, ভৰি আৰু আঙুলিত নানা ধৰণৰ গহণা পিন্ধিছিল। গুপ্তযুগৰ ভাস্কর্য আৰু অজন্তা চিত্রবোৰত পুৰুষ আৰু মহিলাৰ বিভিন্ন ধৰণৰ গহণাৰ আৰ্ডি দেখা পোৱা যায়।

আমোদ - প্রমোদ আৰু ক্রীড়াৰ লগতে কালিদাসে গুপ্তযুগৰ উচ্চ মানৰ সংগীত চর্চাৰ বিষয়ে লিখি থৈ গৈছে। সেই যুগৰ সংগীত তত্ব আৰু অভ্যাস- দুয়ো দিশৰ পৰাই উচ্চ আছিল। সংগীত, নৃত্য আৰু নাট অতি জনপ্রিয় আছিল । গুপ্ত যুগত বিভিন্ন বসন্ত উৎসৱ আৰু অন্য জনপ্রিয় আমোদ-প্রমোদৰ আয়োজন কৰা হৈছিল। পাশাখেল আছিল এটা জনপ্রিয় খেল । মানুহে চিকাৰ কৰিও ভাল পাইছিল। ৰজাৰ প্রিয় খেল আছিল হাতীত উঠা।

১১.৩.২ গুপ্ত শাসনকালৰ অর্থনীতি

গুপ্ত ৰজাসকলে সাম্রাজ্যখনত ৰাজনৈতিক একতা স্থাপন কৰি এখন কার্যকুশল আৰু দয়ালু চৰকাৰ গঠন কৰিছিল। ইয়াৰ ফলত সাম্রাজ্যখন বাণিজ্য, উদ্যোগ আৰু কৃষি ক্ষেত্রত যথেষ্ট সবল হৈ পৰিছিল।

কৃষি ঃ গুপ্ত যুগৰ অধিকাংশ নাগৰিকৰে কৃষি আছিল অর্থনৈতিক জীৱনৰ ৰাজহাড়স্বৰূপ। বংগ ভূমি অনুদান চুক্তি আৰু অন্য সমলৰ পৰা এই কথা গম পোৱা যায় যে কৃষিৰ বাবে মাটিৰ চাহিদা ক্রমে বৃদ্ধি পাইছিল। ৰাষ্ট্রৰ বাবে ভূমি ৰাজহ আছিল উপার্জনৰ প্রধান উৎস। সেয়েহে গুপ্ত শাসকসকলে কৃষকৰ স্বার্থজড়িত বিষয়ত অধিক গুৰুত্ব দিছিল আৰু মাটিৰ উৎপাদশীলতা বৃদ্ধিৰ বাবে বিভিন্ন ব্যৱস্থা গ্রহণ কৰিছিল। কৃষি সম্প্রসাৰণৰ প্রয়াস কৰা হৈছিল। পুখুৰী, কুঁৱা, নলা আদি খান্দি

পতিত মাটিলৈ পানী বোৱাই আনি তেনে মাটিতো খেতি কৰা হৈছিল। যথেষ্ট সংখ্যক জলসিঞ্চন প্রকল্প কার্যক্ষম কৰি শুকাণ মাটিতো কৃষিকার্য আৰম্ভ কৰা হৈছিল। স্কণ্ডগুপ্তৰ প্রশাসক প্রাণদত্তই সুদর্শন নামৰ কৃত্রিম হ্রদটোত থকা বান্ধটো মেৰামতি কৰাৰ কথা জনাগড় শিলালিপিত উল্লেখ আছে।

সেই যুগৰ বিজ্ঞানীসকলে বিজ্ঞান সম্মতভাৱে কৃষিকার্য উন্নয়নৰ বিভিন্ন দিহা পৰামর্শ আগবঢ়াইছিল। এই ক্ষেত্রত বিশেষভাৱে নাম ল'ব পাৰি বৰাহমিহিৰে লিখা 'বৃহৎ সম্হিতা' (বৃহৎ সংহিতা) ৰ কথা। আগতেই উল্লেখ কৰা হৈছে ধান, বার্লি আৰু ঘেঁহু আছিল এই যুগৰ প্রধান খাদ্যশস্য। বিভিন্ন শাক-পাচলি, মটৰ, মাহজাতীয় শস্য আদিৰো খেতি কৰা হৈছিল। বৃহৎ পৰিসৰৰ তৈল - বীজ উৎপাদন কৰা হৈছিল। সেই যুগৰ মানুহে থলুৱা আৰু বিদেশী দুয়োধৰণৰ ফল-মূলৰ খেতিও কৰিছিল।

গুপ্ত যুগৰ খোদিত লিপি অথবা অন্য খতিয়ানৰ পৰা বর্তমান যুগৰ জমিদাৰী প্রথাৰ দৰে কোনো প্রথাৰ প্রচলন সম্পর্কে জানিব পৰা নাযায়। অৱশ্যে এই সময়ছোৱাত এক নতুন ধৰণৰ সামন্তবাদী অর্থনীতিয়ে গা কৰি উঠিছিল। ৰাষ্ট্রই ব্রাহ্মণ আৰু মন্দিৰক মাটিৰ বিভিন্ন অধিকাৰ প্রদান কৰিবলৈ লোৱাৰ লগে লগে এই অর্থনীতিৰ উত্থান ঘটিছিল।

কৃষিৰ গুৰুত্বৰ প্রতি লক্ষ্য ৰাখি ৰজাই কৃষকৰ স্বার্থ সুৰক্ষিত কৰিবলৈ কিছুমান নীতি নিয়ম বলবৎ কৰিছিল। কৃষিখণ্ডত কাম কৰা শ্রমিক আৰু মাটিৰ মালিকক ৰক্ষণাবেক্ষণ দিবলৈও কিছুমান নীতি - নিয়ম প্রণয়ন কৰা হৈছিল।

উদ্যোগ ঃ গুপ্ত যুগত উদ্যোগ আৰু হস্তশিল্পৰ ক্ষেত্র দুখনত হোৱা সবাংগীন বিকাশৰ বাবে অর্থনৈতিক অৱস্থা উন্নত হৈছিল। সাম্রাজ্যখন প্রাকৃতিক সম্পদ, খনিজ সম্পদ, জীৱ-জন্তু আৰু গছ-গছনিৰে সমৃদ্ধ আছিল। ইয়াৰ বাবে হস্তশিল্প তথা অন্য আনুষাংগিক বৃত্তিৰ বিকাশ ঘটিছিল। নীতি গ্রন্থ আৰু খোদিত লিপি দুয়োটাৰ পৰাই গম পোৱা যায় যে খনি আৰু অৰণ্যৰাজিৰ গৰাকী আছিল ৰাষ্ট্র। ৰাষ্ট্রই এই দুয়োটা খণ্ডৰে সকলো ধৰণৰ ব্যৱহাৰিক উদ্দেশ্য নিয়ন্ত্রণ আৰু তদাৰক কৰিছিল। অৰণ্য পৰিদর্শনৰ বাবে চৰকাৰে বিশেষ বিষয়াক নিযুক্তি দিছিল।

দৈনন্দিন জীৱনত ধাতুৰ বহুল প্রয়োগ হৈছিল। কৃষি কার্যত প্রয়োজন হোৱা সা-সজুঁলিৰ পৰা ঘৰুৱা কামত ব্যৱহৃত বাচন - বর্তনলৈকে বহুতো সামগ্রী ধাতুৰে তৈয়াৰ কৰা হৈছিল। গুপ্ত যুগত সেয়েহে ধাতু উদ্যোগ অতি লাভজনক ব্যৱসায় লৈ ৰূপান্তৰিত হৈছিল। পুৰণি দিল্লীৰ কুতুবমিনাৰৰ কাষত উদ্ধাৰ হোৱা মেইৰৌলি লৌহস্তম্বটো হ'ল গুপ্ত যুগৰ ধাতুকলাৰ এক অপূর্ব নিদর্শন।

সোণেৰে নির্মিত বিভিন্ন সামগ্রী উদ্ধাৰ হোৱাটোৱে ইয়াকে সুচায় যে গুপ্ত যুগত সোণৰ উদ্যোগেও উন্নতিৰ মুখ দেখিছিল। সাধাৰণতে ডাঙৰ ডাঙৰ নগৰ চহৰত বাস কৰা ধনী শ্রেণীটোৱে সোণৰ আভূষণ পিন্ধিছিল। অমৰকোষ, বৃহৎ সম্হিতা আৰু


কালিদাসৰ নাটকবোৰত হীৰা, মুকুটা, প্ৰবাল আৰু অন্য মূল্যবান মণি-ৰত্নৰ উল্লেখ আছে। তাৰপৰা অনুমান কৰিব পাৰি যে সেই সময়ত এইবোৰ সামগ্ৰীৰ চাহিদা পূৰণৰ বাবেও উদ্যোগ গঢ়ি উঠিছিল। গুপ্ত যুগত তামৰ বহুল প্ৰয়োগ হোৱালৈ চাই সেই সময়ছোৱাত তাম্ৰ উদ্যোগ থকাৰ কথা ক'ব পাৰি। সেই যুগৰ আন এটা জনপ্ৰিয় উদ্যোগ হ'ল মৃৎশিল্প (বোকামাটিৰে বাচন তথা অন্য সামগ্ৰী তৈয়াৰ কৰা উদ্যোগ)

সাম্ৰাজ্যবাদী গুপ্ত শাসকসকলৰ দিনত উন্নতিৰ মুখ দেখা আন এটা জনপ্ৰিয় উদ্যোগ হ'ল বস্ত্ৰ উদ্যোগ। কুন্দত নক্সা কটা (Wood Carving) আছিল আন এটা গুৰুত্বপূৰ্ণ উদ্যোগ। কাৰণ এই সময়ছোৱাত গৃহ নিৰ্মাণ কাৰ্যত বাঁহৰ লগতে কাঠো ব্যৱহাৰ কৰা হৈছিল।

প্ৰত্নতাত্বিক আৱিষ্কাৰ, সমসাময়িক সাহিত্য কৰ্মত থকা উল্লেখ আৰু খোদিত লিপিবোৰে ইয়াকে প্ৰমাণ কৰে যে গুপ্ত যুগত আভ্যন্তৰীণ আৰু বৈদেশিক দুয়ো দিশতে ব্যৱসায় বাণিজ্যই যথেষ্ট উন্নতি কৰিছিল। আভ্যন্তৰীণ বাণিজ্যৰ প্ৰধান সামগ্ৰীবোৰ আছিল দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিব পৰা নানা ধৰণৰ বস্তু। গুপ্ত যুগৰ অর্থনৈতিক উন্নতি তৰান্বিত কৰিছিল স্থল আৰু জলপথেদি কৰা বৈদেশিক বাণিজ্যই। গুপ্ত সকলে চীনৰ পৰা উৎকৃষ্ট মানৰ ৰেচমৰ কাপোৰ আমদানি কৰিছিল।

গুপ্ত বংশৰ শাসনকালত হোৱা অর্থনৈতিক উন্নতিৰ প্ৰামাণ সেই সময়ৰ মুদ্ৰা আৰু সাহিত্যকৰ্মৰ পৰাও পোৱা যায়। গুপ্ত শাসকসকলে প্ৰৱৰ্তন কৰা অধিকাংশ মুদ্ৰাই আছিল বিশুদ্ধ সোণৰ। সমুদ্ৰগুপ্তই আঠবিধ আৰু তেওঁৰ নাতি প্ৰথম কুমাৰ গুপ্তই নবিধ বিভিন্ন ধৰণৰ স্বর্ণ মুদ্ৰাৰ প্ৰচলন কৰিছিল। দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকালত ভাৰত ভ্ৰমনলৈ অহা চীনা পৰিব্ৰজক ফা-হিয়েনৰ টোকাৰ পৰাও গুপ্ত যুগৰ অর্থনৈতিক অৱস্থাটো যে উন্নত আছিল সেয়া গম পোৱা যায়।

গুপ্ত যুগৰ অর্থনৈতিক অৱস্থাৰ সাধাৰণ সমীক্ষাৰ পৰা এই কথাই প্ৰমাণিত হয় যে অর্থনৈতিক উন্নতিৰ দিশেৰে গুপ্তযুগ আছিল ভাৰতীয় ইতিহাসৰ সোণালী যুগ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ শুদ্ধ নে অশুদ্ধ লিখক -

(ক) ফা-হিয়েন এগৰাকী প্ৰখ্যাত চীনা পৰিব্ৰজক ।

(খ) গুপ্তযুগত বিভিন্ন ধৰণৰ দাস আছিল ।

(গ) বৈদিক যুগত সমাজে নাৰীক অসন্মান কৰিছিল ।

(ঘ) প্ৰাণদত্ত স্কণ্ডগুপ্তৰ সেনাধিনায়ক আছিল।

(ঙ) 'অমৰকোষ' কালিদাসে ৰচনা কৰিছিল।

(চ) প্ৰথম কুমাৰ গুপ্তই আঠবিধ বিভিন্ন ধৰণৰ স্বর্ণমুদ্ৰাৰ প্ৰচলন কৰিছিল ।

প্রশ্ন নং ২ঃ খালী ঠাই পূৰণ কৰক -

(ক) ব্রাহ্মণসকলৰ প্রধান কাম আছিল ..... অধ্যয়ণ কৰা ।

(খ) ভাৰতত কোনো সংগঠনৰ ৰূপলোৱা নাছিল ..... প্রথা নাছিল।

(গ) নাৰীৰ বাবে ..... প্রকাৰৰ বিবাহ আছিল ।

(ঘ) মাণ্ডাচোৰ শিলালিপি ..... ৰ ৰাজত্বকালত খোদিত হৈছিল।

(ঙ) 'বৃহৎ সম্হিতা'ৰ ৰচক হ'ল ..... ।

(চ) ..... পৰা উৎকৃষ্ট মানৰ ৰেছমৰ কাপোৰ আমদানি কৰা হৈছিল।

প্রশ্ন নং ৩ঃ জীৱন পর্যায় চাৰিটা কি কি ?

.....

প্রশ্ন নং ৪ঃ গুপ্ত ৰজাসকলৰ প্রিয় খেলটো কি আছিল?

.....

প্রশ্ন নং ৫ঃ কেনেকৈ পতিত মাটিত খেতি কৰা হৈছিল?

.....

প্রশ্ন নং ৬ঃ গুপ্ত যুগত হোৱা উদ্যোগৰ বিকাশ সম্পর্কে ৪০ টা মান শব্দত এটা টোকা লিখক।

.....

১১.৪ গুপ্ত শাসনকালৰ ধর্ম আৰু সংস্কৃতি

গুপ্ত যুগত ধর্ম আৰু সংস্কৃতিৰ ক্ষেত্র দুখনৰ নতুন বিকাশ ঘটিছিল । তলৰ শিতানবোৰত আমি সেই যুগত হোৱা ধর্মীয় তথা সাংস্কৃতিক বিকাশ সম্পর্কে আলোচনা কৰিম।

১১.৪.১ গুপ্ত শাসনকালৰ ধর্ম

সাম্রাজ্যবাদী গুপ্তসকলৰ শাসনকালছোৱাত বিভিন্ন ধৰণৰ ধর্মীয় কলাপ চলিছিল। হিন্দু ধর্মৰ পুনৰুত্থানৰ বাবে এই সময়ছোৱা বিশেষভাৱে স্মৰণীয় হৈ ৰ'ব। গুপ্ত শাসকসকলে বিভিন্ন ধৰণে পৃষ্ঠপোষকতা কৰি হিন্দু ধর্ম পুনৰুজ্জীৱিত কৰি তুলিছিল। তেওঁলোকৰ মাজৰে বেছি ভাগেই আছিল ব্রাহ্মণ দেৱতা (ঈশ্বৰ) বিষ্ণুৰ উপাসক।

হিন্দু ধর্ম ঃ গুপ্তযুগত বিষ্ণুৰ অৱতাৰবোৰেও জনপ্রিয়তা অর্জন কৰিছিল। সমুদ্রগুপ্ত আছিল পৰম বিষ্ণুৰ উপাসক আৰু বিষ্ণুৰ বাহন গৰুড় আছিল গুপ্তৰাজপৰিয়ালৰ প্রতীক। ৰজাৰ ওচৰত গৰুড় ৰৈ থকা চিত্র সম্বলিত মুদ্রাও প্রচলিত আছিল। সংস্কৃত 'ভাগৱত' শব্দৰ অর্থ হ'ল বিষ্ণু উপাসক। কিন্তু ইয়াৰ আন এটা অর্থও আছে। ইয়াৰ দ্বাৰা বৈষ্ণৱসকলৰ এটা বিশেষ পন্থাক বুজোৱা হয়। দ্বিতীয় চন্দ্রগুপ্ত অথৱা বিক্রমাদিত্যই তেওঁৰ পিতৃতকৈও অধিক প্রভাৱশালীভাৱে বৈষ্ণৱবাদৰ ভাগৱত ৰূপটোৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁ নিজে 'পৰম ভাগৱত' উপাধি গ্রহণ কৰিছিল। মথুৰা আৰু গড়ৱা লিপিত তেওঁক এই শিৰোনামেৰে সম্বোধন কৰা হৈছে। ৪০১-৪০২ খৃষ্টাব্দৰ 'উদয়গিৰি গুহালিপি'ত দ্বিতীয় চন্দ্রগুপ্তৰ এগৰাকী কৰতলীয়া বিষ্ণুদেৱ এজন ভাগৱত আছিল বুলি উল্লেখ আছে। তেওঁৰ নামটোৱেই তেওঁ যে বিষ্ণুৰ উপাসক আছিল সেয়া প্রমান কৰে। বৈষ্ণৱ সকলৰ দৰেই শৈৱসকলেও শিৱক ঈশ্বৰ বুলি বিশ্বাস কৰে। যদিও গুপ্ত শাসকসকল বিষ্ণুৰ উপাসক আছিল তথাপিও তেওঁলোকে অন্য ধর্মীয় পন্থাবোৰলৈও নিজ নিজ পৃষ্ঠপোষকতা আগবঢ়াইছিল। কেইগৰাকীমান গুপ্ত শাসক আৰু তেওঁলোকৰ মুখিয়ালসকল শিৱভক্ত আছিল।

গুপ্ত যুগত সূর্য দেৱতাকো উপাসনা কৰা হৈছিল। প্রথম কুমাৰ গুপ্তৰ শাসনকালৰ, অর্থাৎ ৪৩৬ খৃষ্টাব্দৰ মাণ্ডাচোৰ খোদিত লিপিত উল্লেখ আছে যে ৰেছম শিপিনিৰ এটা গীল্ডে সূর্যদেৱতাৰ মন্দিৰ নির্মাণ কৰিছিল। হুন সকলৰ মুখিয়াল মিহিৰাকুল আছিল একনিষ্ঠ সূর্য উপাসক। তেওঁ পুন্য অর্জন কৰিবলৈ গোপ পর্বতত এটা সূর্য মন্দিৰ নির্মাণ কৰাইছিল। গুপ্ত যুগত মাণ্ডাচোৰ, গোৱালিয়ৰ, ইন্দোৰ আৰু আশ্রমক আদি স্থানত আন কেইবাটাও সূর্য মন্দিৰ নির্মাণ কৰা হৈছিল। উত্তৰ ভাৰতৰ বিভিন্ন স্থান তথা অসমত সূর্যমূর্তি উদ্ধাৰ কৰা হৈছে।

শক্তিৰ উপাসনাও এক জনপ্রিয় ধর্মীয় অনুশীলন আছিল। শক্তিক উমা, পার্বতী, দূগা, কালী, মহেশ্বৰী আদি নামেৰেও জনা যায়। মার্কেণ্ডেয় পুৰাণত শক্তিক দুষ্টক দমন আৰু বিনাশ কৰোঁতাৰ ৰূপত শক্তি উপস্থাপন কৰা হৈছে। কালক্রমত শিৱৰ সৈতে শক্তিক জড়িত কৰা হ'ল আৰু শক্তি শিৱৰ সংগিনী হৈ পৰিল। দ্বিতীয় চন্দ্রগুপ্তৰ অধীনস্থ সামন্তপ্রভু এজনে সাঞ্চীৰ ওচৰত এটা গুহা নির্মাণ কৰি তাত শক্তিৰ মহিষমর্দিনী ৰূপৰ মূর্তি প্রতিষ্ঠা কৰিছিল। ভাৰতত শক্তি উপাসনাৰ পৰম্পৰা হৰপ্পা সভ্যতাৰ মাতৃ (Mother Goddess) উপাসনাৰ পৰাই আৰম্ভ হৈছিল বুলি ক'ব পাৰি।

জৈনধর্ম ঃ গুপ্ত যুগত হিন্দু ধর্মাৱলম্বী - বিভিন্ন পন্থাই জনপ্রিয়তা অর্জন কৰাৰ দৰে জৈন ধর্মৱো ইয়াৰ বিভিন্ন পন্থা সহকাৰে বিকাশ লাভ কৰিছিল। জৈন দর্শনে জনপ্রিয়তা লাভ কৰাৰ লগতে জৈন ধর্মও বিভিন্ন দিশেৰে সমৃদ্ধ হৈ পৰিছিল। ৪৫৩ খৃষ্টাব্দত বলাভীত এখন জৈন ধর্মীয় মহাসভা অনুষ্ঠিত হৈছিল। গুপ্তযুগত কেইবাটাই জৈন মন্দিৰ নির্মাণ কৰা হৈছিল। স্কন্দগুপ্তৰ ৰাজত্বকালত গোৰখপুৰ জিলাৰ কাহাউমত

৫ গৰাকী তীৰ্থংকৰৰ মূৰ্তি প্ৰতিষ্ঠা কৰা হৈছিল। ফা-হিয়েনৰ টোকাৰ পৰা গম পোৱা যায় যে জৈন মন্দিৰবোৰত জৈন পৰম্পৰাৰে উপাসনা কৰা কামটো আছিল যথেষ্ট ব্যয়বহুল। মূৰ্তি লৈ কৰা ৰাজকীয় শোভাযাত্ৰা আছিল অতি খৰছী কাম। কিন্তু একে সকয়তে ই আছিল জৈন দেৱ - দেৱীক উপাসনা কৰাৰ এটা জনপ্ৰিয় ৰূপ।

বৌদ্ধধৰ্ম ঃ গুপ্তযুগত বৌদ্ধধৰ্মৰো বিকাশ হৈছিল। পাহাৰপুৰ, অজন্তা, নাগাৰ্জুন-কোণ্ডা, কাশ্মীৰ, আফগানিস্তান আৰু পাঞ্জাৰ আছিল বৌদ্ধধৰ্মৰ কেন্দ্ৰস্থল। আন কেইটামান গুৰুত্বপূৰ্ণ বৌদ্ধ ধৰ্মী অঞ্চল আছিল মথুৰা, কোচাম্বি, কাশী আৰু সাৰনাথ। অন্ধ, অজন্তা আৰু ইলোৰাৰ বৌদ্ধস্তূপ আৰু বৌদ্ধবিহাৰ বোৰৰ খ্যাতি দশোদিশে বিয়পি পৰিছিল। বৌদ্ধ ধৰ্ম অধ্যয়নৰ কেন্দ্ৰস্থল নালন্দা বিশ্ববিদ্যালয়ে বিদেশৰো অসংখ্য ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিছিল। বিশ্ববিদ্যালয়ৰ বৌদ্ধিক আৰু নৈতিক মানে সকলোৰে প্ৰশংসা আদায় কৰিবলৈ সক্ষম হৈছিল। হিউৱেন -চাঙৰ বিৱৰণী মতে নৰসিম্হাগুপ্ত আৰু বুদ্ধগুপ্তৰ দৰে কেইবাজনো গুপ্ত ৰজাই বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল।

একনিষ্ঠ বৈষ্ণৱ সমুদ্ৰগুপ্তৰ ৰাজসভাৰ এগৰাকী প্ৰধান পৰামৰ্শদাতা আছিল মহাযানপন্থী বৌদ্ধগুৰু বাসুবন্ধু । প্ৰথম কুমাৰগুপ্ত আছিল নালন্দাৰ বৌদ্ধ বিশ্ববিদ্যালয়ৰ এগৰাকী পৃষ্ঠপোষক। গুপ্ত ৰজাসকলে প্ৰধানকৈ বৈষ্ণৱবাদ আৰু বৌদ্ধধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল যদিও তেওঁলোকে আন ধৰ্ম তথা ধৰ্মীয় অনুশীলনৰ প্ৰতি অসহিষ্ণু নাছিল।

১১.৪.২ গুপ্ত শাসনকালৰ সংস্কৃতি

গুপ্ত শাসকসকল আছিল কলা আৰু স্থাপত্যশিল্পৰ পৃষ্ঠপোষক। গুপ্তযুগৰ আৰম্ভণিৰ সময়ছোৱাৰ স্থাপত্যশিল্পৰ নিদৰ্শণ হিচাপে আমি সৰু চেপেটা চালৰ মন্দিৰবোৰৰ কথা ক'ব পাৰোঁ। এই মন্দিৰবোৰৰ চৌপাশে কেতিয়াবা স্তম্ভ থকা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা হৈছিল। সাঞ্চীৰ মন্দিৰ এনে স্থাপত্যকলাৰ এক উদাহৰণ। কিন্তু উত্তৰ ভাৰততে মন্দিৰৰ চালত শিখৰ নিৰ্মাণৰ পৰম্পৰা আৰম্ভ হোৱাৰ লগে লগে গুপ্ত স্থাপত্য কলাই এক নতুন শৈলী গ্ৰহণ কৰিলে। পৰৱৰ্তী সময়ত এই শৈলী সমগ্ৰ ভাৰততে বিয়পি পৰিল। গুপ্ত যুগৰ মন্দিৰ নিৰ্মাণ শৈলীৰ আন দুটা উদাহৰণ হ'ল বিথৰগাঁৱৰ ইটাৰে নিৰ্মিত মন্দিৰ আৰু দেওগড়ৰ দশৱতাৰ মন্দিৰ।

সাম্ৰাজ্যবাদী গুপ্ত শাসকসকলৰ ৰাজত্বকালত সাহিত্যিক সৃষ্টিয়েও এক গতিশীলতা লাভ কৰিছিল। এই যুগতেই সংস্কৃত সাহিত্যই উৎকৃষ্টতাৰ চৰম সীমাত উপনীত হৈছিল।



চিত্র ১১.১ সাঞ্চীৰ মন্দিৰ

স্থাপত্য শিল্প ঃ স্থাপত্য শিল্পৰ ক্ষেত্রখনে গুপ্তযুগত বিকাশৰ সর্ব্বোচ্চ শিখৰ পাইছিল। গুপ্ত স্থাপত্য কলাক সম্পূর্ণ ভাৰতীয় বুলি ক'ব পাৰি। সাৰনাথত আৰু অন্য অঞ্চলত উদ্ধাৰ হোৱা বুদ্ধমূর্তিবোৰে এটা পূর্ণবিকশিত স্থাপত্য শৈলীৰ নিদর্শন দাঙি ধৰে। সাৰনাথৰ অপূর্ব সুন্দৰ বুদ্ধমূর্তিয়ে সেই যুগৰ স্থাপত্য শিল্পীৰ নিপুনতা আৰু শিল্পীসুলভতাৰ প্রমান দিয়ে। এই একেই দক্ষতাৰ প্রমান দেওগড় মন্দিৰ ভাস্কর্যখোদিত ফলকবোৰত থকা ব্রাহ্মণ্যবাদী ভগৱান শিৱ, বিষ্ণু আৰু অন্য দেৱ-দেৱীৰ প্রতিমূর্তিটো দেখিবলৈ পোৱা যায়।

গুপ্তযুগৰ শিল্পী আৰু চাৰু-কাৰু কুশলীবোৰ ধাতুৰ ব্যৱহাৰতো পাকৈত আছিল। খৃষ্ট্রীয় ষষ্ঠ শতিকাৰ শেষৰ ফালে বিহাৰৰ নালন্দাত সজা প্রায় ৮০ ফুট ওখ তামৰ বুদ্ধমূর্তিটো এই কথাৰ প্রমান। গুপ্ত যুগৰ কালৰ আন উল্লেখনীয় বৈশিষ্টবোৰ আছিল সৌন্দর্য সম্পর্কে শিল্পীৰ ধাৰণা আৰু শৈলীত প্রয়োগ কৰা সৰলতা।



চিত্র ১১.২ সাৰনাথৰ বুদ্ধমূর্তি

চিত্রকলা ঃ গুপ্তযুগৰ কলাৰ বিৱৰণী ইয়াৰ চিত্রকলাৰ উল্লেখ অবিহনে আধৰুৱা হৈ ৰ'ব। সেই সময়ছোৱাত চিত্রকলায়ো এক পূর্ণ বিকশিত ৰূপ লাভ কৰিছিল। গুপ্তযুগৰ চিত্রকলা অধ্যয়ণৰ বাবে আমি চিত্রসূত্র, কামসূত্র আদি গ্রন্থৰ সহায় ল'ব পাৰোঁ।

অজন্তাৰ গুহাৰ বেৰবোৰত আঁকা ছবিবোৰে জগৎ জোৰা খ্যাতি লাভ কৰিছে। অজন্তাৰ চিত্রবোৰৰ বিষয়বস্তু মূলত ধর্মীয় আৰু বুদ্ধ, বোধিসত্ব, বুদ্ধৰ জীৱনৰ সৈতে জড়িত ঘটনা তথা জাতকৰ কাহিনীয়ে এই চিত্রবোৰত প্রাধান্য লাভ কৰিছে।



চিত্র ১১.৩ অজন্তাৰ চিত্রকলা

গুপ্তযুগৰ চিত্রকলাৰ আন এক উদাহৰণ হ'ল বাগৰ বৌদ্ধ গুহাবোৰৰ ছবিসমূহ। এই ছবিবোৰ অজন্তা চিত্রশৈলীৰ সম্প্রসাৰণ। ছবিবোৰৰ আর্হিৰ বৈচিত্রতা, অপূর্ব সুন্দৰ সজ্জা আৰু সূক্ষ্ম দক্ষতাৰ প্রদর্শনে এইবোৰক অজন্তাৰ চিত্রবোৰৰ সমকক্ষ কৰি তুলিছে। অজন্তা আৰু বাগৰ চিত্রবোৰৰ শৈলী একে যদিও বিষয়বস্তুৰ ক্ষেত্রত কিছু পার্থক্য আছে। বাগৰ ছবিবোৰ ধর্মনিৰপেক্ষ প্রকৃতিৰ।

সংস্কৃত সাহিত্যঃ আগতেই উল্লেখ কৰি অহা হৈছে যে গুপ্তযুগ আছিল সংস্কৃত ভাষাৰ বাবে সোণালী যুগ। সংস্কৃত হ'ল বেদৰ ভাষা । গুপ্তযুগত প্রাকৃত আৰু পালি ভাষাক আঁতৰাই সংস্কৃতে আনুষ্ঠানিক ভাষাৰ স্থান দখল কৰিছিল। গুপ্ত শাসক আৰু আভিজাত শ্রেণীটোৱে সংস্কৃত ভাষা ব্যৱহাৰ কৰিছিল। গুপ্ত শাসকৰ উজ্জয়িনী ৰাজসভাৰ শোভাবর্দ্ধন কৰা নাট্যকাৰ কালিদাসে সকলো ধর্মীয় তথা ধর্মনিৰপেক্ষ সাহিত্যকর্ম সংস্কৃত ভাষাত সৃষ্টি কৰিছিল। সম্ভৱত ঃ দ্বিতীয় চন্দ্রগুপ্তৰ ৰাজসভা শুৱনি কৰা কালিদাস আছিল গুপ্তযুগৰ ভোটাতৰা আৰু এগৰাকী মহান কবি। তেওঁ ৰচনা কৰা কেইখনমান কালজয়ী নাট হ'ল অভিজ্ঞানম শকুন্তলম্ , মালাৰিকাগ্নিমিত্রম আৰু বিক্রমোর্ৱশী। নাটকেইখনৰ বিষয়বস্তু আছিল প্রেম-প্রণয় আৰু ৰাজকীয় জীৱন । মেঘদুত আৰু ঋতু সম্হাৰা (ঋতু বর্ণনা) হ'ল কালিদাসে ৰচনা কৰা গীতি -কাব্য।

ৰঘুবংশম আৰু কুমাৰ সম্ভৱ হ'ল তেওঁ লিখা কাব্য অথবা মহাকাব্য। "স্পষ্ট চৰিত্রচিত্রন, সংবদ্ধ আৰু চমৎকাৰ অভিব্যক্তি প্রকাশ আৰু গভীৰ প্রকৃতিপ্রেম " হ'ল কালিদাসৰ ৰচনাৰ বৈশিষ্ট। গুপ্তযুগৰ আনদুগৰাকী স্বনামধন্য নাট্যকাৰ হ'ল শূদ্রক আৰু বিশাখা দত্ত। শূদ্রকৰ মৃচ্ছকটিকম্ হ'ল চাৰুদত্ত আৰু উজ্জয়িনীৰ গণিকা বসন্তসেনাৰ প্রেমৰ কাহিনী। বিশাখা দত্তই দুখন ঐতিহাসিক নাটক লিখিছিল। মুদ্রাৰাক্ষস আছিল মৌর্য বিপ্লৱৰ ওপৰত আধাৰিত আৰু 'দেৱীচন্দ্রগুপ্তম্'ৰ বিষয় হ'ল গুপ্ত সকলে শক শাসকৰ বিৰুদ্ধে চলোৱা সামৰিক অভিযান।

গুপ্তযুগত সাহিত্য আৰু বিজ্ঞানে উন্নতি কৰাৰ দুটা প্রধান কাৰণ আছিল। প্রথম কাৰণটো হ'ল, দীর্ঘদিনীয়া বিদেশী আধিপত্য আৰু ৰাজনৈতিক অনৈক্য আঁতৰ কৰি গুপ্ত শাসকসকলে প্রায় গোটেই ভাৰতখনতে ৰাজনৈতিক একতা স্থাপন কৰিবলৈ সমর্থ হৈছিল। সাম্রাজ্যবাদী গুপ্তসকলে ভাৰতখনক এটা একক ৰাজনৈতিক গোটত সংহত কৰি লোৱাৰ উপৰি এক উৎকৃষ্ট আৰু দয়াশীল প্রশাসন ব্যৱস্থাও গঢ়ি তুলিছিল। গুপ্ত শাসকসকলৰ দিনত বিৰাজ কৰা শান্তি আৰু সুস্থিৰতাই দেশৰ নাগৰিক বৌদ্ধিক বিকাশৰ অনুকুল পৰিবেশ প্রদান কৰিছিল।

দ্বিতীয় কাৰণটো হ'ল, অর্থনৈতিক উন্নতি। আভ্যন্তৰীণ আৰু বৈদেশীক দুয়ো ধৰণৰ বেপাৰ - বাণিজ্য উন্নত হোৱা বাবে গুপ্তযুগৰ মানুহবোৰ অভাৱৰ পৰা মুক্ত হ'ব পাৰিছিল। এই কথাই তেওঁলোকক শান্তিৰ কলা (Art of peace) বিকাশত মনোনিৱেশ কৰাৰ সুযোগ দিছিল। ধর্ম, দর্শন, কলা, সাহিত্য আৰু বিজ্ঞান হ'ল শান্তি বর্তি থকা সময়ত মনোযোগ দিব পৰা বিষয়। আন এক উল্লেখনীয় কাৰণ হ'ল, গুপ্ত শাসকসকল নিজেও জ্ঞানী আৰু পণ্ডিত আছিল। সমুদ্রগুপ্তক ৰাজকবি হৰিসেনে কবিৰাজ উপাধি দিছিল। সমুদ্রগুপ্তই প্রৱর্তন কৰা এবিধ সোণৰ মুদ্রাত তেওঁ 'লুট' নামৰ বাদ্যযন্ত্রবিধ বজাই থকাৰ চিত্রৰ সাঁচ কটা হৈছিল। গুপ্ত শাসকসকলে সংস্কৃত শিকনৰ পোষকতা কৰিছিল। গুপ্তযুগত বিকশিত হোৱা সংস্কৃত সাহিত্যক মূলতঃ দুটা শিতানত ভগাব পাৰি- ধর্মীয় সাহিত্য আৰু ধর্মনিৰপেক্ষ সাহিত্য।

ধর্মীয় সাহিত্য ঃ ধর্মীয় সাহিত্যৰ ক্ষেত্রত সাম্রাজ্যবাদী গুপ্ত যুগ আছিল অতি চহকী। মহাকাব্য ৰামায়ণ আৰু মহাভাৰতক গুপ্ত যুগতেই আমি বর্তমান পঢ়িবলৈ পোৱা সংশোধিত ৰূপ প্রদান কৰা হৈছিল অত্যন্ত দক্ষতাৰে মহাকাব্য দুখনৰ বিষয়বস্তু পুনৰ সাজ্জিত তথা সম্পাদনা কৰা হৈছিল। ইয়ে মহাকাব্য দুখনক প্রায় নতুন ৰূপ দিছিল।

যাজ্ঞবল্ক্য, নাৰদ, কাত্যায়ন, বৃহস্পতি আৰু কর্মকণ্ডৰ দৰে নীতি তথা ধর্মশাস্ত্রৰ প্রণেতাসকলেও গুপ্ত যুগততে নিজ নিজ সৃষ্টিশীলতাৰ সবোর্চ্চ শিখৰ পাইছিল। মহাযানপন্থী বৌদ্ধ দর্শনৰ শ্রেষ্ঠ ৰচনাৰাজিও গুপ্তযুগৰে সম্পদ। সসংগ, বাসুবন্ধু আৰু দিগনাগৰ দৰে স্বনামধন্য বৌদ্ধ চিন্তাবিদে এই ৰচনাৰাজি সৃষ্টি কৰিছিল।

ধর্মনিৰপেক্ষ সাহিত্য ঃ ভাৰতীয় ইতিহাসৰ আন কোনো যুগতেই গুপ্ত যুগত হোৱাৰ দৰে ধর্মনিৰপেক্ষ সাহিত্যৰ সৃষ্টি হোৱা নাছিল। বিভিন্ন কাৰিকৰী জ্ঞানৰ গ্রন্থ, কাব্য, পুৰাণ, সংস্কৃত ভাষাৰ বিভিন্ন শাখাৰ কিতাপ হ'ল এই যুগৰ অমূল্য অৱদান।

কাৱিকৰী বিষয়ৰ গ্ৰন্থৰ ভিতৰত চন্দ্ৰ গোমিনৰ '*চন্দ্ৰব্যাকৰণ*', অমৰসিংঘৰ '*অমৰকোষ*' আৰু বৰাহমিহিৰৰ '*বৃহৎ সম্‌হিতা*'ৰ নাম ল'ব পাৰি।


গুপ্তযুগৰ প্ৰখ্যাত কাব্য ৰচক হ'ল কালিদাস, ভৎসভাটি আদি। আংশিক গদ্যত সাহিত্য ৰচনা কৰাৰ পৰম্পৰাও গুপ্তযুগতে আৰম্ভ হৈছিল। সেই যুগৰ ইতিহাসত এনেদৰে আংশিক গদ্যত লিখা কাব্যবোৰক চম্পূ কাব্য বুলি উল্লেখ কৰা হৈছিল।

গুপ্তযুগৰ প্ৰশান্তি ৰচকসকলৰ অন্যতম আছিল হৰিসেন। সমুদ্ৰগুপ্তৰ ৰাজকবি হৰিসেনক এলাহাবাদ প্ৰশান্তিয়ে অমৰ কৰি থৈ গৈছে। প্ৰশান্তি সাহিত্যৰ আন এগৰাকী লেখত ল 'বলগীয়া স্ৰষ্টা আছিল বৎসভাট্টি।

বৌদ্ধ সাহিত্যৰ ক্ষেত্ৰখনত নাগার্জুনে দৰ্শনৰ মাধ্যমিকা ধাৰা (The Madhyamika School Philosophy) প্ৰতিষ্ঠা কৰি সাহিত্য ৰচনা কৰিছিল। আৰ্যদেৱ আৰু আৰ্য আসংগ আছিল এই ধাৰৰ দুজন উল্লেখযোগ্য লেখক।

জৈন ধৰ্মমূলক সাহিত্যবোৰ পোন প্ৰথমে প্ৰাকৃত দোৱানত লিখা হৈছিল পৰৱৰ্তী সময়ত সংস্কৃত ভাষাতে লিখা হৈছিল। এই যুগৰ কেইজনমান প্ৰসিদ্ধ জৈন পণ্ডিত হ'ল বিমলা, দেৱাৰ্ধি গাণি আৰু সিদ্ধসেনা দিবাকৰ ।

গুপ্তযুগত সাহিত্য জগত উজ্বলাই তোলা লেখক - সাহিত্যিক সকলে কেৱল উচ্চমান বিশিষ্ট সাহিত্যৰে সৃষ্টি কৰা নাছিল, তেওঁলোকৰ সৃষ্টিৰ পৰা আমি সেই যুগৰ সমাজত প্ৰচলিত সাংস্কৃতিক পৰম্পৰা অধ্যয়নৰো অতি ভাৰসাযোগ্য পৰ্যাপ্ত সমল আহৰণ কৰিব পাৰোঁ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ঃ শুদ্ধনে অশুদ্ধ লিখক ঃ

(ক) গুপ্ত শাসকসকল বৈষ্ণৱবাদৰ অনুগামী আছিল ।

(খ) বিষ্ণুৰ বাহন সিংহ ।

(গ) দ্বিতীয় চন্দ্ৰগুপ্তই 'পৰম ভাগৱত' উপাধি গ্ৰহণ কৰিছিল ।

(ঘ) গুপ্ত শাসকসকল অন্য ধৰ্মৰ প্ৰতি অসহিষ্ণু আছিল ।

(ঙ) নালন্দাত থকা তামৰ বুদ্ধমূৰ্তিটো প্ৰায় ৮০ ফূট ওখ।

(চ) অজন্তাৰ গুহাচিত্ৰবোৰৰ বিষয়বস্তু ধৰ্মীয় নাছিল।

(ছ) 'ঋতু সম্‌হাৰাত' ঋতুবোৰৰ বৰ্ণনা কৰা হৈছে।

প্ৰশ্ন নং ৮ঃ দুয়োপক্ষ মিলাওক -

(ক) মেঘদূতম্‌	(I)	শূদ্ৰক
(খ) মৃচ্ছকটিকম্‌	(II)	বিশাখা দত্ত
(গ) মুদ্ৰাৰাক্ষস	(III)	কালিদাস

প্ৰশ্ন নং ৯ঃ খালী ঠাই পূৰণ কৰক -

(ক) ..... য়ে 'পৰমভাগৱত' উপাধি গ্ৰহণ কৰিছিল।

(খ) ..... আছিল হুনসকলৰ এজন মুখিয়াল।

(গ) ..... আছিল 'দর্শনৰ মাধ্যমিকা ধাৰা'ৰ এজন উল্লেখযোগ্য লেখক।

(ঘ) বুদ্ধগুপ্ত ..... ৰ একনিষ্ঠ অনুগামী আছিল ।

(ঙ) বাসুবন্ধু ..... ৰ উপদেষ্টা আছিল।

(চ) 'অভিজ্ঞানম শকুন্তলম্' ..... য়ে ৰচনা কৰিছিল।

(ছ) সমুদ্রগুপ্তক তেওঁৰ ৰাজকবি ..... য়ে 'কবিৰাজ ' উপাধি প্রদান কৰিছিল।

(জ) বৎসভাট্টি আছিল গুপ্তযুগৰ এজন বিখ্যাত ..... লেখক

প্রশ্ন নং ১০ঃ গুপ্ত যুগৰ আৰম্ভণিৰ সময়ছোৱাত নির্মাণ কৰা মন্দিৰবোৰৰ যিকোনো এটা বৈশিষ্ট উল্লেখ কৰক।

.....

প্রশ্ন নং ১১ঃ অজন্তা আৰু বাগৰ চিত্রবোৰৰ মাজত থকা প্রধান পার্থক্যটো কি?

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- গুপ্ত যুগৰ সমাজ চাৰিটা প্রধান জাতি (বর্ণ) ত বিভক্ত আছিল। সমাজত বহুতো উপ-জাতিও আছিল। বিভিন্ন ধৰণৰ দাসেও গুপ্ত সমাজত সেৱা আগবঢ়াইছিল। সমাজ পুৰুষতান্ত্রিক আছিল বাবে নাৰীয়ে সদায় পুৰুষৰ সুৰক্ষা আৰু আধিপত্যৰ অধীন আছিল।
- সমাজত সতী আৰু বহুবিবাহ প্রথাৰ প্রচলন আছিল। গুপ্তযুগৰ খাদ্য সুস্বাদু আৰু পুষ্টিকৰ আছিল।
- উপলক্ষ আৰু বতৰ অনুসৰি পুৰুষ আৰু মহিলাই বিভিন্ন ধৰণৰ সাজ-পোচাক পিন্ধিছিল। তেওঁলোকে নানা ধৰণৰ অলংকাৰো পৰিধান কৰিছিল।
- গুপ্তযুগৰ মানুহবোৰ আমোদ-প্রমোদ আৰু ক্রীড়াপ্রিয় আছিল। কৃষি আছিল তেওঁলোকৰ প্রধান জীৱিকা।
- ভূমি ৰাজহ আছিল ৰাষ্ট্রৰ উপার্জনৰ প্রধান উৎস। গুপ্ত শাসক সকলে কৃষকৰ কল্যাণৰ প্রতি লক্ষ্য ৰাখিছিল আৰু কৃষিৰ উন্নয়নত গুৰুত্ব আৰোপ কৰিছিল।
- গুপ্তযুগত উদ্যোগ আৰু হস্তশিল্পৰ সর্বাত্মক বিকাশ ঘটিছিল। সোণ, তাম, বস্ত্র আৰু কুন্দত কটা সামগ্রী নির্মাণ আছিল সেই যুগৰ জনপ্রিয় উদ্যোগ।
- গুপ্তযুগত আভ্যন্তৰীণ আৰু বৈদেশিক দুয়ো ধৰণৰ বাণিজ্যই উন্নতি কৰিছিল। গুপ্ত

ৰজাসকলে স্বর্ণমুদ্র প্রচলন কৰিছিল। ইয়াৰ দ্বাৰা গম পোৱা যায় যে গুপ্ত যুগ অর্থনৈতিক ভাৱে স্বচ্ছল আছিল।

- গুপ্তযুগত বিভিন্ন ধৰণৰ ধর্মীয় কার্য-কলাপ চলিছিল। এই যুগতে হিন্দু ধর্মৰ পুনৰুত্থান ঘটিছিল। বিষ্ণুৰ অৱতাৰ সমূহ আৰু শক্তিৰ উপাসনা অতি জনপ্রিয় আছিল। কেইগৰাকীমান গুপ্ত শাসক আৰু বিভিন্ন মুখিয়ালে শিৱৰ উপাসনা কৰিছিল। গুপ্তযুগত সূর্য উপাসনাও জনপ্রিয় আছিল।
- গুপ্তযুগত জৈন ধর্মও জনপ্রিয় আছিল। জৈন ধর্মৰ অনুগামীৰ সংখ্যাও যথেষ্ট আছিল। এই যুগত বহুতো জৈন মন্দিৰ নির্মাণ কৰা হৈছিল। গুপ্তযুগত বৌদ্ধ ধর্মৰো বিকাশ ঘটিছিল। সাম্রাজ্যৰ বিভিন্ন অঞ্চল বৌদ্ধ ধর্মৰ কেন্দ্রত পৰিণত হৈছিল। নালন্দা বিশ্ববিদ্যালয় বৌদ্ধধর্ম অধ্যয়ণৰ মূল কেন্দ্র আছিল। বিভিন্ন দেশৰ ছাত্র-ছাত্রীয়ে ইয়াত বৌদ্ধ দর্শন অধ্যয়ণ কৰিছিল।
- গুপ্তযুগত কলা আৰু স্থাপত্য শিল্পৰো বিকাশ ঘটিছিল । ৰজাঘৰ আছিল ইয়াৰ প্রধান পৃষ্ঠপোষক। এই যুগত স্থাপত্য শিল্পই উৎকৃষ্টতাৰ চৰম সীমা পাইছিল। চিত্রকলায়ো এক পূর্ণ বিকশিত পর্যায় পাইছিল। অজন্তা আৰু বাগৰ প্রখ্যাত গুহাচিত্রবোৰ এই যুগৰ শিল্পকলাৰ অপূর্ব নিদর্শন।
- গুপ্তযুগত সাহিত্য ক্ষেত্রখনৰো অভূতপূর্ব বিকাশ ঘটিছিল। এই যুগত সংস্কৃত ভাষাই পূর্ণ বিকশিত ৰূপ লাভ কৰিছিল। বেদৰ ভাষা বুলি পৰিচিত সংস্কৃতক গুপ্ত সাম্রাজ্যৰ আনুষ্ঠানিক ভাষাৰ মর্যদা প্রদান কৰা হৈছিল। সংস্কৃত পালি আৰু প্রাকৃত ভাষাৰ প্রচলন সীমিত কৰি তুলিছিল। ধর্মনিৰপেক্ষ দুয়োটা শাখাতে সংস্কৃত সাহিত্যৰ বিকাশ ঘটিছিল।



১১.৬ অধিক জানিবলৈ

1) Majumdar, R.C., Raychaudhuri, H.C., Datta, K. (1986). *An Advanced History of India*. New Delhi, Macmillan India Ltd.
2) Thapar, Romila. (2002). *The Penguin History of Early India from The Origins to A D 1300.* New Delhi, The Penguin Group.
3) Tripathi, Ramashankar. (1999). *History of Ancient India*. Delhi, Motilal Banarsidass Publishers Pvt. Ltd.



১১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক)শুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধা (ঘ) শুদ্ধ
(ঙ) অশুদ্ধ (চ) অশুদ্ধ (ছ) অশুদ্ধ

২ নং প্রশ্নৰ উত্তৰঃ (ক) বেদ (খ) দাস (গ) আঠ (ঘ) কুমাৰগুপ্ত
(ঙ) বৰাহমিহিৰ (চ) চীনা।

৩ নং প্রশ্নৰ উত্তৰঃ ব্রহ্মচর্য, গার্হস্থ, বানপ্রস্থ আৰু সন্ন্যাস

৪ নং প্রশ্নৰ উত্তৰঃ হাতীত উঠা

৫ নং প্রশ্নৰ উত্তৰঃ পুখুৰী, কুঁৱা আদি খান্দি, নলা কাটি ইত্যাদি।

৬ নং প্রশ্নৰ উত্তৰঃ গুপ্তযুগত এক সর্বাত্মক ঔদ্যোগিক বিকাশ ঘটাৰ প্রমান পোৱা যায়। সাম্রাজ্যখন প্রাকৃতিক সম্পদ, খনিজ সম্পদ, জীৱ-জন্তু আৰু বনজ সম্পদত চহকী আছিল আৰু ইযে অর্থনৈতিক বিকাশত অৰিহণা যোগাইছিল। সোণ, তাম, বস্ত্র আৰু কুন্দত কটা সামগ্রী নির্মাণ আছিল এই যুগৰ জনপ্রিয় উদ্যোগ।

৭ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ
(ঙ) অশুদ্ধ (চ) অশুদ্ধ (ছা) শুদ্ধ

৮ নং প্রশ্নৰ উত্তৰঃ (ক) (iii) (খ) (i) (গ) (ii)

৯ নং প্রশ্নৰ উত্তৰঃ (ক) দ্বিতীয় চন্দ্রগুপ্ত (খ) মিহিৰকুল (গ) বিমোলা
(ঘ) বৌদ্ধধর্ম (ঙ) সমুদ্রগুপ্ত (চ) কালিদাস
(ছ) হৰিসেন (জ) কাব্য

১০ নং প্রশ্নৰ উত্তৰঃ সৰু, চেপেটা চালৰ মন্দিৰ । কেতিয়াবা মন্দিৰ চৌপাশে স্তম্ভযুক্ত প্রেক্ষাগৃহ নির্মাণ কৰা হৈছিল।

১১ নং প্রশ্নৰ উত্তৰঃ অজন্তাৰ গুহাচিত্রবোৰৰ প্রকৃতি ধর্মীয় আৰু বাগ গুহাচিত্রবোৰৰ প্রকৃতি ধর্মনিৰপেক্ষ আছিল।



১১.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন(প্রতিটো প্রশ্নৰ ৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ঃএলাহাবাদ প্রশাস্তিৰ লেখক কোন ?

প্রশ্ন ২ঃবিশাখদত্তই লিখা দুখন ঐতিহাসিক নাটকৰ নাম লিখক ।

প্রশ্ন ৩ঃদুটা গুপ্ত মন্দিৰৰ নাম লিখক।

প্ৰশ্ন ৪ঃজুনাগড় খোদিত লিপিৰ বিষয়ে কি জানে লিখক।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃগুপ্ত যুগত সমাজখনৰ কেনেকৈ শ্ৰেণীবিভাজন কৰা হৈছিল?

প্ৰশ্ন ২ঃগুপ্ত যুগত সমাজত নাৰীৰ স্থান কেনেকুৱা আছিল?

প্ৰশ্ন ৩ঃগুপ্ত যুগৰ কৃষি উন্নয়নৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ৪ঃগুপ্তসকলৰ শাসনকালত হোৱা ব্ৰাহ্মণ্যবাদী হিন্দুধৰ্মৰ বিকাশ সম্পৰ্কে এটি টোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্ন ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃগুপ্ত যুগত হোৱা সংস্কৃত সাহিত্যৰ বিকাশ আলোচনা কৰক।

প্ৰশ্ন ২ঃগুপ্ত যুগৰ আৰ্থ-সামাজিক অৱস্থাটো বৰ্ণনা কৰক।

প্ৰশ্ন ৩ঃগুপ্ত যুগত কেনেধৰণৰ ধৰ্মীয় বিকাশ ঘটিছিল ? গুপ্ত শাসকসকল ধৰ্মনিৰপেক্ষ আছিল নে? বহলাই লিখক।

প্ৰশ্ন ৪ঃস্থাপত্য, ভাস্কৰ্য আৰু চিত্ৰকলাৰ বিকাশত গুপ্ত যুগে কেনেধৰণৰ অৱদান আগবঢ়াইছিল ?

*** ***** ***

অধ্যায় ১২ ঃ প্রধান ৰাজনৈতিক বংশবোৰৰ অভ্যুত্থান

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ প্রতিহাৰ সকল
১২.৪ ৰাষ্ট্রকূটসকল
১২.৫ পাল সকল
১২.৬ ৰাজপুতসকলৰ মূল
১২.৭ চৌহান সকল
১২.৮ চন্দেলা সকল
১২.৯ কালাচুৰী সকল
১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.১১ অধিক জানিবলৈ
১২.১২ অগ্রগতিৰ খতিয়ান
১২.১৩ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- প্রতিহাৰ সকলৰ উত্থানৰ বিষয়ে জানিব পাৰিব,
- ভাৰতত উল্লেখনীয় ৰাজনৈতিক শক্তি হিচাপে ৰাষ্ট্রকূটসকলৰ উত্থানৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- পালসকলৰ বিষয়ে বর্ণনা কৰিব পাৰিব,
- চৌহান বংশৰ উত্থানৰ বিষয়ে এক ধাৰণা কৰিব পাৰিব,
- চন্দেলাসকলৰ বিষয়ে জানিব পাৰিব,
- কালাচুৰীসকলৰ উত্থানৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

আদি মধ্যযুগৰ সময়ছোৱা বহুতো ৰাজবংশ প্রধান ৰাজনৈতিক শক্তি হিচাপে উত্থানৰ সাক্ষী আছিল। এই সকলোবোৰ বংশই আদি মধ্যযুগত ভাৰতৰ ইতিহাসৰ ধাৰা সৃষ্টিত এক উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। এই পাঠটোত আমি আদি মধ্যযুগত ভাৰতত উত্থান হোৱা প্রধান ৰাজবংশবোৰৰ বিষয়ে আলোচনা কৰিম।

১২.৩ প্রতিহাৰ সকল

প্রতিহাৰ সকল ভাৰতৰ অন্যতম গুৰুত্বপূর্ণ ৰাজনৈতিক শক্তি আছিল। গুজৰাট বা দক্ষিণ পশ্চিম গুজৰাটতত প্রথমে বাস কৰিবলৈ লোৱা বাবে সম্ভৱত তেওঁলোকক গুৰজাৰ-প্রতিহাৰ বুলিও জনা যায়। এই বংশৰ প্রথমগৰাকী প্রখ্যাত ৰজা আছিল প্রথম নাগভট্ট। তেওঁ মেল্চ সকলৰ আক্রমণ প্রতিহত কৰাৰ বাবে বিখ্যাত হৈছিল। এই মেল্চসকল সম্ভৱত সিন্ধু প্রদেশৰ আৰৱসকল আছিল। প্রথম নাগভট্টৰ আজোনাতি বৎসৰাজা আছিল এই বংশৰ আন এজন প্রখ্যাত ৰজা। তেওঁ প্রায় ৮১৮খ্রীষ্টাব্দৰ সময়ছোৱাত শাসন কৰিছিল। তেওঁ যোধপুৰক তেওঁৰ ৰাজ্যত অন্তর্ভুক্ত কৰিছিল আৰু বংগদেশৰ পাল সম্রাট ধর্মপালক পৰাজিত কৰিছিল। কিন্তু দুর্ভাগ্যক্রমে তেওঁ ৰাষ্ট্রকূট ৰজা ধ্রুৱৰ হাতত পৰাজিত হয়।

বৎৰাজৰ উত্তৰাধিকাৰী দ্বিতীয় নাগভট্টই ৰাজধানী ভিনমালৰ পৰা কনৌজলৈ স্থানান্তৰিত কৰে। তেওঁ ৰাজ্য বিজয় নীতি গ্রহণ কৰিছিল আৰু বিদর্ভ আৰু কলিংগ ৰজাক পৰাস্ত কৰাৰ উপৰিও উত্তৰে মৎস, পূবে ৱৎস আৰু পশ্চিমে তুৰস্ক সকলকো নিজৰ অধীন কৰিছিল। তাৰ পিছত তেওঁ ধর্মপালক পৰাজিত কৰে। কিন্তু অতি সোনকালে ৰাষ্ট্রকূট ৰজা দ্বিতীয় গোবিন্দই দ্বিতীয় নাগভট্টক পৰাস্ত কৰে আৰু ইয়াৰ পিছত তেওঁ মালৱা দখল কৰে। এই বিফলতাৰ পিছত তেওঁ ৰাজ্যৰ সীমা পূবৰ ফালে বহলাবলৈ চেষ্টা কৰে আৰু গোৱালিয়ৰ, কালিঞ্জৰ আৰু কনৌজ পর্যন্ত দখল কৰিবলৈ সক্ষম হয়। তেওঁৰ পুত্র ৰামভদ্রই মাত্র তিনি বছৰ শাসন কৰে আৰু এজন অকমণ্য ৰজা হিচাপে প্রমাণিত হয়। তেওঁ আনকি ৰাজ্যৰ কিছু অংশ পাল শাসক দেৱ পালৰ হাতত হেৰুৱায়।

ৰামভদ্রৰ পুত্র তথা উত্তৰাধিকাৰী মিহিৰ ভোজ বা ভোজ প্রতিহাৰ বংশৰ অন্যতম শ্রেষ্ঠ ৰজা আছিল। তেওঁ ৮৩৬ পৰা ৮৮৫ খ্রীষ্টাব্দলৈ শাসন কৰিছিল। সিংহাসনত উঠিয়েই তেওঁ পূবে নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ চেষ্টা কৰে কিন্তু পাল শাসক দেৱপালৰ হাতত পৰাজয়ৰ সন্মুখীন হ'ব লগা হয়। সেয়ে ভোজে তেওঁৰ মনোযোগ মধ্য ভাৰত, দাক্ষিণাত্য আৰু গুজৰাটৰ ফালে দিয়ে। ইয়াৰ ফলত দ্বিতীয় ধ্রুৱৰ নেতৃত্বত ৰাষ্ট্রকূটসকল আৰু প্রতিহাৰসকলৰ মাজত নর্মদা নদীৰ পাৰত যুদ্ধ লাগে। এই যুদ্ধৰ পিছত ভোজে গুজৰাট আৰু মালৱাৰ এক বৃহৎ অঞ্চলত নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হয়। দৌলতপুৰৰ তাম্রফলিৰ মতে ভোজে মধ্য আৰু পূব ৰাজস্থানত পুনৰ নিজৰ আধিপত্য স্থাপন কৰিবলৈ সক্ষম হৈছিল। শক্তিশালী পাল ৰজা দেৱপালৰ মৃত্যুৰ পাছত ভোজে পৰৱর্তী দুর্বল পাল ৰজা নাৰায়ণপালক পৰাজিত কৰি পাল ৰাজ্যৰ এক বৃহৎ অংশ নিজ ৰাজ্যৰ অন্তর্ভুক্ত কৰে। আৰবৰ ভ্রমণকাৰী চুলেইমানে ভোজ ৰজাৰ প্রশাসনক উচ্চ প্রশংসা কৰি থৈ গৈছে। ভোজৰ শাসনকালত প্রতিহাৰ ৰাজ্যৰ সীমা উত্তৰ-পশ্চিমে সুতলেজ, উত্তৰে হিমালয়ৰ পাদদেশ, পূবে বংগদেশ, পশ্চিমে ৰাজস্থানৰ এক বৃহৎ অংশ আৰু দক্ষিণে নর্মদা পর্যন্ত বিস্তৃত হৈ পৰিছিল। ভোজ এগৰাকী বিষ্ণুভক্ত আছিল আৰু আদিবৰাহ উপাধি লৈছিল।

প্রথম মহেন্দ্রপালে ভোজৰ উত্তৰাধিকাৰী হিচাপে সিংহাসনত উঠে। প্রথম মহেন্দ্রপালে ৰাজ্যৰ সীমা মগধ আৰু উত্তৰ বংগলৈ বিস্তৃত কৰিছিল। কিন্তু তেওঁ কাশ্মীৰৰ ৰজাৰ হাতত পঞ্জাবৰ কিছু অঞ্চল হেৰুৱায়। পৰৱর্তী শাসক মহিপালৰ শাসন কালত ৰাষ্ট্রকূট ৰজা তৃতীয় ইন্দ্রই কনৌজ সম্পূর্ণৰূপে ধ্বংস কৰে। ই প্রতিহাসকলৰ যশস্যাত আঘাট হানিছিল।

আন এজন শক্তিশালী প্রতিহাৰ শাসক আছিল ৰাজ্যপাল। তেওঁৰ শাসনকালত গজনীৰ মহম্মদে ১০১৮ খ্রীষ্টাব্দত কনৌজ আক্রমণ কৰিছিল। আক্রমণকাৰীৰ মুখামুখি হোৱাৰ পৰিৱর্তে তেওঁ কনৌজৰ পৰা পলাই যায়। তেওঁৰ এই আচৰণত চন্দেলা ৰজা বিদ্যাধৰ ক্ষুব্ধ হয় আৰু ৰাজ্যপালক আক্রমণ কৰি হত্যা কৰে। ফলশ্রুতিত প্রতিহাৰসকল ক্রমান্বয়ে পতনৰ দিশলৈ গতি কৰে। কিন্তু এই কথা সন্দেহাতীত যে প্রতিহাৰসকল ভাৰতৰ এক অন্যতম শক্তিশালী বংশ আছিল।

১২.৪ ৰাষ্ট্রকূট সকল

৭৫৩ খ্রীষ্টাব্দত দান্তিদুর্গই ৰাষ্ট্রকূট বংশ প্রতিষ্ঠা কৰে। আৰম্ভণিতে তেওঁ চালুক্যৰ বাদমীসকলৰ সামন্ত আছিল। কিন্তু তেওঁৰ প্রভুৰ দুর্বল শাসনৰ সুযোগ লৈ দান্তিদুর্গ ক্ষমতালৈ আহে। তেওঁৰ শাসন কালৰ বিষয়ে দুটা উল্লেখযোগ্য সমল হ'ল ইলোৰাৰ দশৱতাৰ গুৱা ফলি আৰু সমংগদ ফলি। এই সমলবোৰে তেওঁৰ বিজয় অভিযানবোৰৰ বিষয়ে তথ্য যোগান ধৰে। তেওঁ গুৰর্জাৰ প্রতিহাৰ সকলৰ অধীনত থকা মালৱা আক্রমণ কৰি নিজৰ দখললৈ আনে।

তেওঁৰ মৃত্যুৰ পিছত ৭৫৬ খ্রীষ্টাব্দত প্রথম কৃষ্ণ সিংহাসনত উঠে। তেওঁ বাদামীৰ চালুক্য সকলক পৰাস্ত কৰে, মহীসুৰৰ গংগা সকলক আক্রমণ কৰে আৰু ৰেংগীৰ চালুক্যসকলক তেওঁৰ বশ্যতা স্বীকাৰ কৰিবলৈ বাধ্য কৰে। ইলোৰাৰ বিখ্যাত শিলত কটা কৈলাশনাথ মন্দিৰটো তেওঁ নির্মাণ কৰোৱাইছিল। তেওঁৰ উত্তৰাধিকাৰী হয় পুত্র দ্বিতীয় গোবিন্দ। কিন্তু অনতিপলমে ৭৭৯ খ্রীষ্টাব্দত দ্বিতীয় গোবিন্দক তেওঁৰ উচ্চাকংক্ষী ভাতৃ ধ্রুৱই সিংহাসনচ্যুত কৰে।

ধ্রুৱই ৭৭৯ খ্রীষ্টাব্দক পৰা ৭৯৩ খ্রীষ্টাব্দলৈ শাসন কৰে। তেওঁ প্রথম ৰাষ্ট্রকূট ৰজা যিয়ে সফলতাৰে উত্তৰ ভাৰতত আধিপত্য বিস্তাৰৰ বাবে হোৱা ত্রিকোণীয় যুদ্ধত অংশগ্রহণ কৰিছিল। তেওঁ প্রতিহাৰ ৰজা বৎৰাজক পৰাস্ত কৰে আৰু মালৱা অধিকাৰ কৰে আৰু তাৰ পিছত তেওঁ পাল ৰজা ধর্মপালক পৰাস্ত কৰে। ধ্রুৱৰ পৰৱর্তী ৰজা হয় তৃতীয় গোবিন্দ (৭৯৩-৮১৪ খ্রীষ্টাব্দ)। তৃতীয় গোবিন্দই কনৌজৰ দ্বিতীয় নাগভট্টৰ বিৰুদ্ধে এক সফল অভিযান চলায় আৰু মালৱা দখল কৰে। চক্রযুদ্ধ আৰু ধর্মপালে বিনাচর্তে তৃতীয় গোবিন্দৰ ওচৰত আত্ম সমর্পন কৰে। ইয়াৰ পিছত তেওঁ দক্ষিণ দিশলৈ মন মেলে আৰু তেওঁৰ বিৰুদ্ধে গঠন হোৱা চেৰা, পাণ্ড্য আৰু চোলসকলৰ সংঘক পৰাস্ত কৰে।


তৃতীয় গোবিন্দৰ উত্তৰাধিকাৰী হয় সর্ব, যি আমোঘবর্ষ বুলি অধিক জনাজাত। তেওঁ ৮১৪ পৰা ৮৮০ খ্রীষ্টাব্দলৈ শাসন কৰিছিল। যদিও তেওঁ প্রায় ৬৪ বছৰ শাসন কৰিছিল, তেওঁ

যুদ্ধতকৈ ধর্ম আৰু সাহিত্যৰ চর্চা অধিক পচন্দ কৰিছিল। তেওঁ বহুতো পণ্ডিত লোকৰ পৃষ্ঠপোষকতা কৰিছিল, যেনে জিনসেনা (আদিপুৰাণৰ লেখক), মহাবিৰচার্য (গণিতচাৰ-সমগ্রৰ লেখক) আৰু শক্তয়ান (আমোঘবৃত্তিৰ লেখক)। আমোঘবর্ষ নিজেই এজন বিখ্যাত লেখক আছিল আৰু তেওঁ প্রথম কানাড়া কিতাপ কবিৰাজমার্গ কবিতাৰ ৰূপত লিখিছিল। তেওঁ এগৰাকী প্রখ্যাত নির্মাণকাৰীও আছিল আৰু মান্যখেট চহৰক ইন্দ্রৰ চহৰৰ দৰেই অনন্যসুন্দৰ কৰি তুলিছিল। আমোঘবর্ষাৰ উত্তৰাধিকাৰী হয় তেওঁৰ আজোনাতি তৃতীয় ইন্দ্রই যিয়ে সাম্রাজ্যক পুনৰ শক্তিশালী ৰূপ দিছিল। তৃতীয় ইন্দ্রই প্রতিহাৰ ৰজা মহিপালক পৰাস্ত কৰে আৰু ৯১৫ খ্রীষ্টাব্দত কনৌজ লুণ্ঠন কৰে। সেই সময়ত ভাৰত ভ্রমণ কৰা আল মাচুদিয়ে ৰাষ্ট্রকূট ৰজাসকলক ভাৰতৰ শ্রেষ্ঠ ৰজা বুলি অভিহিত কৰিছিল।

ৰাষ্ট্রকূট বংশৰ আন এজন শক্তিশালী ৰজা আছিল তৃতীয় কৃষ্ণ। তেওঁ ৯৩৪ খ্রীষ্টাব্দৰ পৰা ৯৬৩ খ্রীষ্টাব্দলৈ শাসন কৰিছিল। তাকোল্লাম যুদ্ধত তেওঁ চোল সম্রাট প্রথম পৰান্তকক পৰাস্ত কৰিছিল আৰু চোলসকলৰ উত্তৰ অংশ নিজ ৰাজ্যৰ অন্তর্ভুক্ত কৰে। ইয়াৰ বাবে তেওঁ ৰামেশ্বৰমলৈ যায় আৰু তাত এটা বিজয় খুটা আৰু মন্দিৰ নির্মাণ কৰে। তেওঁৰ মৃত্যুৰ পিছতেই তেওঁৰ বিৰোধীসকল তেওঁৰ উত্তৰাধিকাৰীৰ বিৰুদ্ধে একগোট হয় আৰু ৯৭২ খ্রীষ্টাব্দত ৰাষ্ট্রকূট ৰাজধানী মালখেদ দখল কৰি ভস্মীভূত কৰে। ই ৰাষ্ট্রকূট শাসনৰ অন্ত পেলায়। ইয়াৰ পিছত ৰাষ্ট্রকূটসকলৰ এজন সামন্ত দ্বিতীয় তৈলই কল্যাণীৰ চালুক্য বংশ প্রতিষ্ঠা কৰে।

দশম শতিকাৰ শেষৰ পৰা প্রায় এশ বছৰকাল ৰাষ্ট্রকূটসকলে দক্ষিণ ভাৰতত শাসন কৰিছিল। এই বংশৰ ৰজাসকল ধর্মীয় দিশত সহনশীল আছিল আৰু শৈৱ, বৈষ্ণৱ তথা জৈন ধর্মৰ পৃষ্ঠপোষকতা কৰিছিল। তেওঁলোকে আনকি মুছলমান ব্যৱসায়ীসকলক তেওঁলোকৰ ৰাজ্যত থকা আৰু ইছলাম ধর্ম উপাসনা কৰাৰ অনুমতিও দিছিল। তেওঁলোকৰ এই সহনশীলতাই তেওঁলোকৰ ব্যৱসায় বাণিজ্যৰ বিকাশত অহিৰণা যোগাইছিল আৰু ফলশ্রুতিত ৰাষ্ট্র সমৃদ্ধিশালী হৈছিল।

তেওঁলোক শিল্প আৰু সাহিত্যৰো মহান পৃষ্ঠপোষক আছিল আৰু সংস্কৃত, প্রাকৃত, অপভ্রমশং (বহুতো ভাৰতীয় ভাষাৰ অগ্রদূত) আৰু কানাড়া আদি ভাষাকো সমানে পৃষ্ঠপোষকতা কৰিছিল। এনেদৰে ৰাষ্ট্রকূট বংশই ভাৰতৰ ইতিহাসত এক গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ প্রতিহাৰসকলৰ আন এটা নাম কি আছিল?

.....

প্রশ্ন নং ২ঃ প্রতিহাৰ ৰজা মিহিৰ ভোজে কি উপাধি গ্রহণ কৰিছিল?

.....

প্রশ্ন নং ৩ঃ ৰাষ্ট্রকূট বংশৰ প্রতিষ্ঠাপক কোন আছিল?

.....

১২.৫ পাল সকল

ভাৰতৰ এক অন্যতম শক্তিশালী ৰাজবংশ আছিল পাল বংশ। ৭৫০ খ্ৰীষ্টাব্দত গোপালে পাল বংশ প্ৰতিষ্ঠা কৰিছিল। যি সময়ত পাল বংশ স্থাপন কৰা হৈছিল সেই সময়খিনি ৰজাৰ অনুপস্থিতিত নৈৰাজ্য সংশয়েৰে ভৰি আছিল। সেয়ে বিষয়াবৰ্গই গোপালক বংগৰ ৰজা হিচাপে নিৰ্বাচিত কৰে। তেওঁ এজন নিষ্ঠাৱান বৌদ্ধধৰ্মাৱলম্বী লোক আছিল আৰু কোৱা হয় তেওঁ ওদান্তপুৰীৰ বিখ্যাত মঠটো সজাইছিল। তেওঁৰ উত্তৰাধিকাৰী হয় পুত্ৰ ধৰ্মপাল আৰু ৭৮০ খ্ৰীষ্টাব্দৰ পৰা ৮১০ খ্ৰীষ্টাব্দলৈ তেওঁ শাসন কৰে। বিখ্যাত বিক্ৰমশীলা বিশ্ববিদ্যালয় তেওঁৰ দিনতে স্থাপন কৰা হৈছিল। তেওঁ পৰমসংগত উপাধি গ্ৰহণ কৰিছিল। তেওঁ সোমপুৰাৰ বুদ্ধ মঠটোও সজাইছিল। তেওঁৰ শাসন কালত পাল ৰাজ্যৰ সীমা পাটালিপুত্ৰৰ পৰা ৰাজৰ্ষী পৰ্যন্ত বিস্তৃত আছিল। অৱশ্যে ৰাষ্ট্ৰকূট ৰজা ধ্ৰুৱই তেওঁক পৰাস্ত কৰে। ইয়াৰ পিছত তেওঁ কনৌজৰ পিনে মন মেলে আৰু তেওঁৰ অধীনত চক্ৰযুদ্ধক কনৌজৰ সিংহাসনত বহুৱাই। কিন্তু কনৌজত তেওঁৰ আধিপত্য বৰ্তি নাথাকিল কাৰণ তেওঁক প্ৰতিহাৰ ৰজা দ্বিতীয় নাগভট্টউ মংগীৰৰ কাষত পৰাস্ত কৰে।

ধৰ্মপালৰ উত্তৰসুৰী হিচাপে সিংহাসনত উঠে তেওঁৰ পুত্ৰ দেৱপাল। তেওঁ এজন শক্তিশালী ৰজা আছিল আৰু বহুত ৰাজ্য জয় কৰিছিল। বাদল স্তম্ভ লিপিৰ অনুসৰি তেওঁ উত্কল জাতিটো নিশ্চিহ্ন কৰি দিছিল আৰু হুন আৰু গুৰজাৰ সকলৰো দৰ্প চূৰ্ণ কৰিছিল। তেওঁ বৌদ্ধ ধৰ্মৰ এজন মহান পৃষ্ঠপোষক আছিল। দেবপালৰ উত্তৰাধিকাৰী সকল বৰ দুৰ্বল আৰু অযোগ্য আছিল। তেওঁলোকৰ এই দুৰ্বলতাৰ পুৰ্নমাত্ৰাই সুযোগ লৈছিল প্ৰতিহাৰ, ৰাষ্ট্ৰকূট, চন্দেলা আৰু কালচুৰীসকলে। ইয়াৰ ফলত ক্ৰমান্বয়ে পাল বংশ পতনৰ মুখলৈ গতি কৰে।



জানি থোৱা ভাল

কোৱা হয় যে বালপুত্ৰদেৱৰ অনুৰোধত দেবপালে নালন্দাত এটা বুদ্ধ মঠ বনাবলৈ চাৰিখন গাঁও দান দিছিল।

১২.৬ ৰাজপুতসকলৰ মূল

ৰাজপুতসকলৰ মূল বা আঁতিগুৰি সম্পৰ্কে জ্ঞান ধূসৰতাৰে আৱৰা। বিভিন্ন পণ্ডিতে তেওঁলোকৰ আঁতিগুৰি সম্পৰ্কে ভিন ভিন মত দাঙি ধৰিছে। বহুতো ইতিহাসবিদৰ মতে ৰাজপুতসকলে তেওঁলোক সূৰ্য আৰু চন্দ্ৰ বংশৰ লোক বুলি কয়। অন্য এটা গোচৰ মতে তেওঁলোক বৈদিক যুগৰ ক্ষত্ৰিয় বংশৰ লোক। ৰাজপুত্ৰ বা ৰাজপুতসকলক আদি কালৰ পৰাই জনা যায়।



জানি থোৱা ভাল

ৰাজপুত শব্দটো পুৰানত উল্লেখ আছে। বহু পণ্ডিতৰ মতে ৰাজপুত শব্দটো সংস্কৃত শব্দ ৰাজপুত্ৰৰ অপভ্রংশ ৰূপ। আনকি প্ৰাচীন ভাৰতৰ প্ৰখ্যাত লিখক বানেও উচ্চ বংশীয় ক্ষত্ৰীয়ক বুজাবলৈ এই শব্দটো ব্যৱহাৰ কৰিছিল। ৰাজপুতনাৰ কিছু অঞ্চলত ৰাজপুত বুলিলে ক্ষত্ৰীয় মুখীয়াৰ অবৈধ সন্তানক বুজা যায়।

চৌহান, প্ৰতিহাৰ আৰু চৌলাংকী বা চালুক্য সকলৰ ৰাজপুত সকল বশিষ্ঠ মুনিৰ মাউন্ত আবুৰ যজ্ঞৰ পৰা সিঁচৰতি হৈছিল বুলি মনা যায়। চান্দ বৰদাই নামৰ কবি গৰাকীয়ে তেওঁৰ গ্ৰন্থ 'পৃথিৱীৰাজ ৰাচৌ'ত ৰাজপুতসকলৰ আঁতিগুৰি সম্পৰ্কে থকা কিংবদন্তীৰ কথা উল্লেখ কৰিছে। অৱশ্যে বৰ্তমান সময়ৰ বহু ইতিহাসবিদে অগ্নিকূল তত্বটোৰ সমালোচনা কৰিছে। আন এক তত্বই ৰাজপুতসকল বিদেশৰ পৰা অহা লোক বুলি ক'ব খোজে। এই তত্ব অনুসৰি ৰাজপুত সকল শক, হুন, কুষান আৰু গুৰজাৰ সকলৰ বংশধৰ আৰু পিছলৈ হিন্দু ধৰ্ম গ্ৰহণ কৰি তেওঁলোক ভাৰতীয় হয়। এনেদৰে হিন্দু ধৰ্ম গ্ৰহণ কৰা বিদেশীসকলৰ উচ্চ শ্ৰেণীটোক পিছলৈ ৰাজপুত বুলি জনা গৈছিল আৰু নিম্ন শ্ৰেণী কেইটাক জাঁত, অহিৰ আদি বুলি জনা গৈছিল। ভি.এ. স্মিথে এই তত্বক সমৰ্থন কৰিছে। তেওঁৰ সমৰ্থনৰ ভিত্তি আছিল যে পঞ্চম আৰু ষষ্ঠ শতিকাত হুন আৰু অন্যান্য বিদেশী গোষ্ঠীবোৰৰ আক্ৰমণে উত্তৰ ভাৰতৰ জাতি ব্যৱস্থা আৰু শাসকীয় বংশবোৰৰ পুনবিন্যাস ঘটাইছিল। ফলশ্ৰুতিত বিভিন্ন গোষ্ঠীৰ অন্তৰ্গত সকলো লোককে একেলগে ৰাজপুত বুলি কোৱা হৈছিল। ইয়াৰোপৰি স্মিথৰ মতে কিছুমান ৰাজপুত হিন্দু ধৰ্ম গ্ৰহণ কৰা হুন আৰু গুৰজাৰসকলৰ বংশধৰ আৰু আন কিছুমান স্থায়ী অধিবাসী গোল্ড আৰু ভাৰ সকলৰ বংশধৰ।

পণ্ডিত গৌৰীশংকৰ ওজাই তেওঁৰ ৰাজপুতনাৰ ইতিহাসত ৰাজপুত সকলৰ বিদেশী মূলৰ কথা অস্বীকাৰ কৰিছে। তেওঁৰ মতে যদিও আচাৰ, ৰীতি নীতিৰ ক্ষেত্ৰত ৰাজপুতসকলৰ শকসকলৰ লগত মিল আছে, কিন্তু নৃতাত্বিক আৰু পৰম্পৰাগত দিশৰ পৰা ৰাজপুত সকলত আৰ্যমূলৰ বুলি মূলৰ বুলি ক'ব পাৰি। ৰাজপুতসকলৰ কিছুমান ৰীতি নীতি যেনে অশ্বমেধ যজ্ঞ, সতী প্ৰথা, সূৰ্য উপাসনা আদি বিদেশী মূলৰ নহয়, এইবোৰ হিন্দু সকলৰ মাজতহে প্ৰচলিত। ইয়ে ৰাজপুতসকল যে আচলতে হিন্দু লোকেই তাকে প্ৰমাণ কৰে।

এনেদৰে ৰাজপুত্ৰসকলৰ মূল সম্পৰ্কে বহুতে তত্ব আগবঢ়োৱা হৈছে। তেওঁলোকৰ মূল যিয়েই নহওক এটা কথা নিশ্চয় যে ৰাজপুত সকল প্ৰাচীন ভাৰতবৰ্ষৰ এক অন্যতম শক্তিশালী বংশ আছিল।

১২.৭ চৌহানসকল

আদি মধ্যযুগৰ সময়ছোৱাত আত্ম প্ৰকাশ কৰা এক শক্তিশালী ৰাজনৈতিক শক্তি আছিল চৌহানসকল। তেওঁলোকো ৰাজপুত গোষ্ঠীয় লোক আছিল। তেওঁলোকক চাহামনাচ বা চৌহান

ৰাজপুত বুলিও জনা যায়। চৌহান সকলৰ আদিতে সম্ভৰত সাকাম্ভৰী বা সম্ভৰ অঞ্চলৰ লোক যি বৰ্তমানৰ যোধপুৰ আৰু জয়পুৰৰ সীমাত অৱস্থিত।

চৌহানবংশৰ প্রতিস্থাতা আছিল বসুদেব। তেওঁলোক আদিতে প্রতিহাৰ সকলৰ অধীনৰ সামন্ত আছিল। কিন্তু দশম শতিকাৰ শেষৰ পিনে চৌহান ৰজা দ্বিতীয় বিগ্রহৰাজে প্রতিহাৰসকলৰ ৰাজনৈতিক কতৃত্বক প্রত্যাহ্বান জনায় আৰু তাৰ পিছত চৌহানসকলৰ স্বাধীনতা ঘোষণা কৰে। তেওঁ দক্ষিণে নর্মদা পর্যন্ত ৰাজ্যৰ সীমা বিস্তাৰ কৰে। তেওঁ গুজৰাটৰ চালুক্য ৰজা মূলৰাজকো পৰাস্ত কৰে। তেওঁৰ এগৰাকী উত্তৰাধিকাৰী অজয়ৰাজে অজয়মেৰু নামৰ এখন নগৰ স্থাপন কৰে যাৰ জনপ্রিয় নাম হ'ল আজমীৰ।

ৰজা ষষ্ঠ বিগ্রহৰাজ আছিল এই বংশৰ আন এজন শ্রেষ্ঠ ৰজা। তেওঁ তোমাৰাচসকলৰ পৰা দিল্লী দখল কৰিছিল আৰু ৰাজ্যৰ সীমা পঞ্জাৱ পর্যন্ত বৃদ্ধি কৰিছিল। দক্ষিণত তেওঁ চালুক্য ৰজা কুমাৰপালৰ অধীনৰ অঞ্চলবোৰ লুট কৰিছিল। তেওঁ এজন ভাল কবি আছিল আৰু শিল্প-সাহিত্যৰ পৃষ্ঠপোষকতা কৰিছিল।



জানি থোৱা ভাল


আধাই-দিন-কা-ঝোপ্রাৰ (আজমীৰত কুটুবুদ্দিন আইবাকে নির্মাণ কৰা এটা মছজিদ) বেৰত থকা এখন শিলালিপিৰ কিছু অংশ হৰিকেলি নাটক চৌহান ৰজা চতুর্থ বিগ্রহৰাজে ৰচনা কৰা বুলি কোৱা হয়।

ষষ্ঠ বিগ্রৰাজৰ পিছত তেওঁৰ পুত্র অপৰাংগেয় সিংহাসনত উঠে কিন্তু তেওঁক ভতিজাক দ্বিতীয় পৃথিৱীৰাজে হত্যা কৰে। কিন্তু দ্বিতীয় পৃথিৱীৰাজৰ শাসনকাল বৰ ছুটি আছিল। সিংহাসন আৰোহন কৰিবলৈ তেওঁৰ কোনো পুত্র সন্তান নাছিল। সেয়ে তেওঁৰ মৃত্যুৰ পিছত সোমেশ্বৰ চালুক্য বংশৰ পৰৱর্তী ৰজা হয়।

সোমেশ্বৰ পুত্র তৃতীয় পৃথিৱীৰাজক চৌহান বংশৰ সর্বশক্তিমান ৰজা বুলি গণ্য কৰা হয়। তেওঁ ১১১৭ খ্রীষ্টাব্দত সিংহাসনত উঠে দিল্লী তথা আজমীৰক আদি কৰি উত্তৰ ভাৰতৰ এক বিশাল অঞ্চলত নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হয়। সিংহাসনত উঠিয়েই তেওঁ দিল্লী আৰি আজমীৰ নিজৰ দাবী স্থাপন কৰা ভতিজাক নাৰার্জুনক পৰাস্ত কৰি নিজৰ স্থিতি শক্তিশালী কৰে। ইয়াৰ পিছত তৃতীয় পৃথিৱীৰাজে চন্দেলা ৰাজ্যত অভিযান চলাই ৰজা পৰমার্ডিক পৰাস্ত কৰে আৰু মাহোবা লগতে বুন্দেলাখণ্ডৰ দুর্গ দখল কৰে। তেওঁ আনকি গুজৰাটৰ চালুক্য ৰজা দ্বিতীয় ভীমক পৰাস্ত কৰি তেওঁৰ লগত ১১১৮ খ্রীষ্টাব্দত এক সন্ধি কৰে। মালৱা তেওঁৰ ওচৰত বশ্যতা স্বীকাৰ কৰে আৰু বন্ধুত্বপূর্ণ চুক্তি কৰে। কোৱা হয় যে তেওঁ কনৌজৰ ৰজা জয়চন্দ্র গহদৱালাপ জীয়ৰী সংযুক্তাক তেওঁৰ পিতৃৰ ইচ্ছাৰ বিৰুদ্ধে বিয়া কৰায় আৰু সেয়ে তৃতীয় পৃথিৱীৰাজ আৰু জয়চন্দ্র গহদৱালাৰ মাজত শত্রুতা আছিল।

তৃতীয় পৃথিৰীৰাজৰ আটাইতকৈ উল্লেখনীয় সফলতা আছিল যে তেওঁ তাৰাইনৰ প্রথম যুদ্ধত (১১৯১ খ্রীষ্টাব্দ) মোহম্মদ ঘোৰীক পৰাস্ত কৰিছিল। ইয়াৰ পিছত মোহম্মদ ঘোৰী গজনীলৈ উভতি যায় যদিও পৰাজয়ৰ প্রতিশোধ ল'বলৈ পিছৰ বছৰ অধিক শক্তিশালী সৈন্যবাহিনীলৈ পুনৰ ভাৰতলৈ আহে।

১৯৯২ খ্রীষ্টাব্দৰ তাৰাইনৰ দ্বিতীয় যুদ্ধত মোহম্মদ ঘোৰীয়ে পৃথিৰীৰাজ চৌহানক পৰাস্ত কৰে আৰু তেওঁক বন্দী কৰি নি পিছত হত্যা কৰে। পৃথিৰীৰাজৰ মৃত্যুৰ পিছৰে পৰা চৌহান বংশৰ পতন আৰম্ভ হয়। অৱশ্যে ইয়াৰ পিছত ১৩০১ খ্রীষ্টাব্দত আলাউদ্দিন খিলজিয়ে দখল কৰা আগলৈকে ৰাষ্ট্রাম্ভোৰৰ পৰা নামত চৌহান বংশ বর্তি আছিল। তৃতীয় পৃথিৰীৰাজ বা পৃথিৰীৰাজ চৌহান এজন শক্তিশালী ৰজা আছিল আৰু তেওঁৰ কৃতিত্বসমূহ দুখন গ্রন্থ ক্রমে তেওঁৰ ৰাজসবাৰ কৰি চান্দ বৰদাই ৰচনা কৰা পৃথিৰীৰাজ ৰাছো আৰু জয়ংকই লিখা পৃথিৰীৰাজবিজয়ত বর্ণনা কৰা আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ চৌহান বংশৰ শ্রেষ্ঠ ৰজা কোন আছিল?

.....

প্রশ্ন নং ৫ঃ পাল বংশৰ প্রতিষ্ঠাপক কোন আছিল?

.....

প্রশ্ন নং ৬ঃ চৌহান বংশৰ প্রতিষ্ঠাপক কোন আছিল?

.....


১২.৮ চন্দেলাসকল

চন্দেলাসকলে বন্দুলেখন্দ অঞ্চলত শাসন কৰিছিল আৰু এই অঞ্চলটোক জিজেকাভুক্তি বুলি জনা গৈছিল। চন্দেলাসকল আদিম অধিবাসী সকলৰ মাজৰ এক গোষ্ঠী যিসকল পিছত ক্ষত্রিয়ৰ পর্যায়লৈ উন্নীত হৈছিল। নামুকা আছিল চান্দেলা বংশৰ প্রতিষ্ঠাপক। চান্দেলাসকলৰ সর্বশ্রেষ্ঠ ৰজা আছিল ধাংগা। তেওঁ যশোবর্মনৰ পুত্র তথা উত্তৰাধিকাৰী আছিল। ধাংগাই ৯৫৪ খ্রীষ্টাব্দৰ পৰা ১০০২ খ্রীষ্টাব্দলৈ শাসন কৰিছিল। তেওঁ ৰাজ্যৰ সীমা যমুনাৰ পৰা চেদী পর্যন্ত আৰু গোৱালিয়ৰৰ পৰা কালিঞ্জৰলৈ বৃদ্ধি কৰিছিল। তেওঁ খাজুৰাহোত কেতবোৰ অতি আটকধুনীয়া মন্দিৰ সাজিছিল। এই বংশৰ পৰৱর্তী শক্তিশালী ৰজা আছিল বিদ্যাধৰ। তেওঁৰ শাসনকালতেই গজনীৰ মহম্মদে ক্রমে ১০১৯ খ্রীষ্টাব্দ আৰু ১০২২ খ্রীষ্টাব্দত তেওঁৰ ৰাজ্য দুবাৰকৈ আক্রমণ কৰিছিল। চন্দেলা বংশৰ আন দুগৰাকী উল্লেখযোগ্য ৰজা আছিল কৃতিবর্ম আৰু মদনবর্মন। এই বংশৰ শেষৰজন শক্তিশালী ৰজা আছিল পৰমার্দিদেব যাক চৌহান ৰজা তৃতীয় পৃথিৰীৰাজে

১১৮২ খ্ৰীষ্টাব্দত পৰাস্ত কৰে। ইয়ে চন্দেলা বংশৰ পতনৰ আৰম্ভণি ঘটায়।

১২.৯ কালচুৰী সকল

কালাচুৰীসকলে নিজকে হেয়হায়া বংশৰ উত্তৰাধিকাৰী বুলি দাবী কৰে। তেওঁলোকৰ ক্ষমতা জবলপুৰৰ ওচৰৰ দহলাতে সীমাবদ্ধ আছিল আৰু ৰাজধানী আছিল ত্রিপুৰী। কালাচুৰী বংশৰ প্রতিষ্ঠাতা আছিল কোকাল্লা। তেওঁ ৮৭৫ খ্ৰীষ্টাব্দৰপৰা ৯২৫ খ্ৰীষ্টাব্দলৈ শাসন কৰিছিল। তেওঁৰ ৰাষ্ট্রকূট আৰু চন্দেলাসকলৰ লগত বৈবাহিক সম্পর্ক আছিল আৰু প্রতিহাৰ সকলৰ লগত বন্ধুত্বপূর্ণ সম্পর্ক আছিল। এইবোৰ সম্পর্কৰ জৰিয়তে তেওঁ কালাচুৰী বংশৰ শক্তি আৰু মর্যদা বৃদ্ধি কৰিছিল। কালাচুৰি ৰজা গংগেযাদৰ বিক্রমাদিত্যৰ (১০৩০-১০৪১ খ্ৰীষ্টাব্দ) পিছৰ পৰা এই বংশৰ ক্ষমতা দ্রুতগতিত বৃদ্ধি হয়। তেওঁ এলাহাবাদ দখল কৰাৰ লগতে পঞ্জাৰ, বংশ আৰু উৰিষ্যাতো অভিযান চলায়। তেওঁ কল্যাণীৰ চালুক্য সকলকো পৰাস্ত কৰে। অৱশেষত তেওঁক পৰমাৰ ৰজা ভোজে পৰাস্ত কৰে। গংগেযাদৰ বিক্রমাদিত্যৰ পুত্র তথা উত্তৰাধিকাৰী আছিল লক্ষ্মী কর্ণ। তেওঁ বহুতো বিজয়ী অভিযান চলাই কালাচুৰী সকলৰ ক্ষমতাৰ বৃদ্ধি কৰে। চালুক্যৰ কল্যাণীসকল আৰু আনহিলৰাদৰ সহযোগত তেওঁ ভোজ ৰজাক পৰাস্ত কৰে। তেওঁৰ ৰাজ্যৰ সীমা গুজৰাটৰ পৰা বংগ আৰু গংগাৰ পৰা মহানদী পর্যন্ত বিস্তৃত আছিল। পিছলৈ কালচুৰীসকল দিল্লীৰ চুলতানৰ হাতত পৰাস্ত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ নানুকা কোন আছিল?

.....

প্রশ্ন নং ৮ঃ প্রেষ্ঠ বংশৰ শেষৰজন বিখ্যাত ৰজা কোন আছিল?

.....

প্রশ্ন নং ৯ঃ কালাচুৰী বংশৰ প্রতিষ্ঠাপক কোন আছিল?

.....

প্রশ্ন নং ১০ঃ কোন চনত গংগাদেৱ বিক্রমাদিত্যই ৰাজপাটত উঠিছিল?

.....



১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- আদি মধ্যযুগৰ সময়ছোৱা বহুতো ৰাজ বংশ প্রধান ৰাজনৈতিক শক্তি হিচাপে উত্থানৰ সাক্ষী আছিল। ইয়াৰ ভিতৰত আটাইতকৈ উল্লেখনীয় আছিল প্রতিহাৰ, ৰাষ্ট্রকূট, পাল,

চৌহান, চন্দেলা আৰু কালাচুৰী সকল।

- প্রতিহাৰসকলক গুৰজাৰ-প্রতিহাৰ বুলিও জনা যায়। প্রতিহাৰ বংশৰ প্রথম ৰজা আছিল প্রথম নাগভট্টা। এই বংশৰ কেতবোৰ উল্লেখযোগ্য ৰজা হ'ল বতসৰাজ, দ্বিতীয় নাগভট্ট, মিহিৰ ভোজ, প্রথম মহেন্দ্রপাল ইত্যাদি। প্রতিহাৰ সকলৰ অন্যতম শক্তিশালী ৰজা আছিল ৰাজ্যপাল।
- ৰাষ্ট্রকূট বংশ প্রতিষ্ঠা কৰিছিল দান্তিদুর্গই ৭৫৩ খ্রীষ্টাব্দত। এই বংশৰ কেতবোৰ শক্তিশালী ৰজা হ'ল কৃষ্ণ প্রথম, ধ্রুৱ তৃতীয় ইন্দ্র আৰু তৃতীয় কৃষ্ণ। পালবংশ প্রতিষ্ঠা কৰিছিল গোপালে ৭৫০ খ্রীষ্টাব্দত আৰু তেওঁৰ উত্তৰাধিকাৰী ধর্মপালক এই বংশৰ শ্রেষ্ঠ ৰজা বুলি কোৱা হয়। দেৱপাল আছিল এই বংশৰ আন এজন শ্রেষ্ঠ ৰজা। দেৱপালৰ উত্তৰাধিকাৰীসকলৰ দুর্বল আছিল আৰু ইয়াৰ পুৰামাত্রাই সুযোগ লৈছিল প্রতিহাৰ, ৰাষ্ট্রকূট, চন্দেলা আৰু কালচুৰী সকলে আৰু ইয়াৰ ফলশ্রুতিত পাল বংশৰ পতনৰ আৰম্ভণি হয়।
- ৰাজপুতসকলৰ মূল সম্পর্কে বহুতো তত্ব আগবঢ়োৱা হৈছে। কিছুমান গুৰুত্বপূর্ণ তত্ব হ'ল অগ্নিকূল তত্ব, বিদেশী মূল, আর্য মূল ইত্যাদি। চৌহান বংশৰ প্রতিষ্ঠাতা হ'ল বসুদেৱ। এই বংশৰ কেতবোৰ শক্তিশালী ৰজা হ'ল দ্বিতীয় বিগ্রহৰাজ, অজয়ৰাজ, চতুর্থ বিগ্রহৰাজ। তৃতীয় পৃথিৰীৰাজক চৌহান বংশৰ শ্রেষ্ঠ ৰজা বুলি কোৱা হয়।
- চান্দেলা বংশৰ প্রতিষ্ঠাপক আছিল নানুকা। এই বংশৰ শ্রেষ্ঠ ৰজা আছিল ধাংগা। তেওঁ ৰাজ্যৰ সীমা যমুনাৰ পৰা চেদী পর্যন্ত আৰু গোৱালিয়ৰৰ পৰা কালিঞ্জৰলৈ বৃদ্ধি কৰিছিল। বিদ্যাধৰ, কীর্তিবর্মন আৰু মদনবর্মন এই বংশৰ উল্লেখযোগ্য ৰজা আছিল। চন্দেলা বংশৰ শেষৰজন শক্তিশালী ৰজা আছিল পৰমার্দিদেৱ।
- কালাচুৰী বংশৰ প্রতিষ্ঠাপক আছিল কোকাল্লা আৰু তেওঁ ৮৭৫ ৰপৰা ৯২৫ খ্রীষ্টাব্দলৈ শাসন কৰিছিল। কালাচুৰী শাসক গংগাদেৱ বিক্রমাদিত্যৰ (১০৩০-১০৪১ খ্রীষ্টাব্দ) শাসন কালত এই বংশৰ শক্তি দ্রুতগতিত বৃদ্ধি পাইছিল। লক্ষ্মী-কর্ণ এই বংশৰ আন এজন শক্তিশালী ৰজা আছিল। পিছলৈ কালচুৰী সকলক দিল্লীৰ চুলতানসকলে আক্রমণ কৰে।



১২.১১ অধিক জানিবলৈ

1. Chandra, Sathish(2007) *A History of Medieval India*, Orient BlackSwan, New Delhi
2. Chattopadhyaya, B.D.(1994) *The Making of Early Medieval India*, OUP

3. Maiti, Provatansu (2000): *Studies In Ancient India (Pre-Historic Age-1206 A.D.),* Sreedhar Publishers, Calcutta.



১২.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ গুৰজাৰ প্ৰতিহাৰ

২ নং প্ৰশ্নৰ উত্তৰঃ আদিবৰাহ

৩ নং প্ৰশ্নৰ উত্তৰঃ দান্তিদূৰ্গ

৪ নং প্ৰশ্নৰ উত্তৰঃ তৃতীয় পৃথিৰীৰাজ

৫ নং প্ৰশ্নৰ উত্তৰঃ গোপাল

৬ নং প্ৰশ্নৰ উত্তৰঃ বসুদেৱ

৭ নং প্ৰশ্নৰ উত্তৰঃ চন্দেলা বংশৰ প্ৰতিষ্ঠাপক

৮ নং প্ৰশ্নৰ উত্তৰঃ পৰমাৰ্দিদেৱ

৯ নং প্ৰশ্নৰ উত্তৰঃ কোকাল্লা

১০ নং প্ৰশ্নৰ উত্তৰঃ ১০৩০ খ্ৰীষ্টাব্দ



১২.১৩ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিব)

প্ৰশ্ন ১ঃ কোনজন প্ৰতিহাৰ ৰজাই ভিনমালৰ পৰা কনৌজলৈ ৰাজধানী স্থানান্তৰ কৰিছিল?

প্ৰশ্ন ২ঃ মান্যখেট চহৰখন কোনে সজাইছিল?

প্ৰশ্ন ৩ঃ কোনজন ৰাষ্ট্ৰকূট ৰজাই ইলোৰাত কৈলাসনাথ মন্দিৰটো সজাইছিল?

প্ৰশ্ন ৪ঃ ৰাজপুতসকলৰ মূলৰ লগত জড়িত এটা তত্ব লিখক?

প্ৰশ্ন ৫ঃ চৌহানসকলৰ দুগৰাকী উল্লেখযোগ্য ৰজাৰ নাম লিখক?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ কোন অঞ্চলত গুৰজাৰ-প্ৰতিহাৰ সকলে বসতি স্থাপন কৰিছিল?

প্ৰশ্ন ২ঃ দান্তিদূৰ্গৰ দুটা তথ্যৰ বিষয়ে লিখক

প্রশ্ন ৩ঃ বিক্রমশীলা বিশ্ববিদ্যালয় কোনে সজাইছিল।

প্রশ্ন ৪ঃ অগ্নিকূল তত্ব কি?

প্রশ্ন ৫ঃ কোন চনত তাৰাইনৰ প্রথম যুদ্ধ সংঘটিত হৈছিল আৰু কাৰ মাজত?

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০ ৰ পৰা ৫০০শব্দৰ ভিত ৰত লিখক)

প্রশ্ন ১ঃ প্রতিহাৰ বংশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ ৰাষ্ট্রকূট সকলৰ বিষয়ে এটা টোকা প্রস্তুত কৰক।

প্রশ্ন ৩ঃ পালসকলৰ বিষয়ে এটা টোকা প্রস্তুত কৰক।

প্রশ্ন ৪ঃ ৰাজপুতসকলৰ ৰাজত্ব কালৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৫ঃ চৌহানসকলৰ বিষয়ে এটা চমু টোকা প্রস্তুত কৰক।

প্রশ্ন ৬ঃ চন্দেলা আৰু কালাচুৰীসকলৰ বিষয়ে চমুকৈ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ পৰৱৰ্তী গুপ্তযুগত উত্থান হোৱা আঞ্চলিক শক্তিসমূহ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ চালুক্য সকল

১৩.৩.১ বাদামি

১৩.৩.২ ভেংগি

১৩.৩.৩ কল্যাণী

১৩.৪ পল্লব সকল

১৩.৫ চেৰা সকল

১৩.৬ পাণ্ড্য সকল

১৩.৭ চোলসকল

১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৯ অধিক জানিবলৈ

১৩.১০ অগ্রগতিৰ খতিয়ান

১৩.১১ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পৰৱৰ্তী গুপ্ত যুগত চালুক্যসকলৰ উত্থান সম্পর্কে জানিব পাৰিব,
- পল্লৱসকলৰ উত্থান সম্পর্কে আলোচনা কৰিব পাৰিব,
- চেৰাসকলৰ বিষয়ে মূল্যায়ন কৰিব পাৰিব,
- মাডু�ৰাইৰ পাণ্ড্যসকলৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব,
- পৰৱৰ্তী গুপ্তযুগত চোলসকলৰ উত্থান সম্পর্কত টোকা প্রস্তুত কৰিব পাৰিব।

১৩.২ পৰিচয়

গুপ্ত সাম্রাজ্যৰ পতনৰ লগে লগ উত্তৰ আৰু দক্ষিণ ভাৰতৰ ভালেসংখ্যক প্রদেশ আৰু তলতীয়া ৰাজ্যই নিজ নিজ স্বাধীনতা ঘোষণা কৰি এক নতুন ৰাজনৈতিক শক্তি হিচাপে উত্থান ঘটিছিল। আমি এই অধ্যায়ত পৰৱৰ্তী গুপ্তযুগত দক্ষিণ ভাৰতত উত্থান হোৱা প্রধান ৰাজনৈতিক শক্তিসমূহৰ বিষয়ে আলোচনা কৰিম।

খ্ৰীঃ ষষ্ঠ শতিকাত গুপ্ত সাম্ৰাজ্যৰ পতনে আন সৰু-সুৰা ৰাজ্য স্থাপনৰ দুৱাৰ মুকলি কৰে। কিছুমান ঠাইত নতুন ৰাজ্যৰ উদ্ভৱ হৈছিল আৰু আন কিছুমানত গুপ্তা আধিপত্যৰ ওচৰত আগতে দাখিল কৰা ৰাজবংশবোৰে তেওঁলোকৰ স্বায়ত্তশাসন ঘোষণা কৰিছিল। উদাহৰণ স্বৰূপে, নতুনকৈ মূৰ দাঙি উঠা শক্তিসমূহৰ ভিতৰত যসোধৰ্মৰ দৰে শাসক আৰু হুন, মৌখাৰী আৰু পিছৰ মাগধীয় গুপ্তৰ দৰে ৰাজনৈতিক গোট অন্তৰ্ভুক্ত আছিল। এই গোটটোৰ লক্ষ্য হৈছে উত্তৰ আৰু দক্ষিণ ভাৰতৰ ৰাজনৈতিক বিকাশৰ লগতে ডেক্কানৰ এক সংক্ষিপ্ত অৱলোকন প্ৰদান কৰা।

এই সময়বোৰৰ ৰাজনৈতিক বিকাশে কেইবাখনো মহান, তুলনামূলকভাৱে দীৰ্ঘম্যাদী ৰাজ্যৰ উদ্ভৱ দেখুৱায় আৰু লগতে যথেষ্ট সংখ্যক হ্ৰাস্বম্যাদী ৰাজ্যৰ উদ্ভৱ হয় আৰু ইয়াৰ প্ৰভাৱ বহুত সংকীৰ্ণ। যিবোৰৰ ৰাজনৈতিক পদানুক্ৰম হৈছিল সেইবোৰ প্ৰশাসকসকলৰ ৰাজকীয় আদেশত খোদিত হোৱা শিলালিপিত প্ৰকাশ পাইছিল। অধিক শক্তিশালী শাসকৰ শিলালিপিত মাজে মাজে তেওঁলোকৰ অধীনস্থ লোকসকলৰ বিষয়ে উল্লেখ কৰা হয়। "সামন্তবাদী" বা "ভাচল" শব্দটো অধীনস্থ শাসকসকলক বৰ্ণনা কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি যিসকলে তেওঁলোকৰ অধীনস্থসকলৰ প্ৰতি আনুগত্য আৰু সামৰিক সেৱাৰ প্ৰতিশ্ৰুতি দিব লাগিছিল, যদিও সামন্তবাদৰ ধাৰণাটোৰ প্ৰকৃতিত একাধিক ত্ৰুটি আছে।

এক প্ৰভাৱশালী শক্তিৰ অনুপস্থিতিত বিভিন্ন স্থানত অসংখ্য আঞ্চলিক শক্তিৰ উদ্ভৱ হৈছিল। কেইবাটাও ৰাজবংশৰ পক্ষত থকা এই শক্তিবোৰে তেওঁলোকৰ ৰাজ্য প্ৰতিষ্ঠা কৰিছিল আৰু প্ৰায়ে ইজনে সিজনৰ সৈতে বিবাদত লিপ্ত হৈছিল। ইয়াত, আমি কেৱল এই সামৰ্থ্যবোৰৰ কেইটামান স্পৰ্শ কৰোঁ ঃ

কুমাৰগুপ্ত প্ৰথমৰ শাসনকালত তেওঁৰ সামন্ত বন্ধুবৰ্মনে মান্দাচোৰত শাসন কৰিছিল কিয়নো ই পশ্চিম মালৱাৰ এটা মুখ্য কেন্দ্ৰ আছিল। তেওঁ আউলিকাৰা পৰিয়ালৰ আছিল যিয়ে সম্ভৱতঃ ষষ্ঠ শতিকাৰ আৰম্ভণিলৈকে তাত শাসন কৰিছিল। দুটা শিলৰ স্তম্ভৰ শিলালিপি - মধ্য প্ৰদেশৰ মান্দাচোৰ, যাৰ এটা ৫৩২ খ্ৰীঃৰ, এজন শক্তিশালী ৰজা যাচোধৰমনক বুজায়। ইয়াৰে এটা শিলালিপিত যাচোধৰ্মনৰ বিজয়ৰ প্ৰতিবেদন দিয়া হৈছে। শিলালিপিত তেওঁক হুনসকলৰ বিৰুদ্ধে বিজয়ী বুলি বৰ্ণনা কৰা হৈছে। খ্ৰীঃ ৫৩২-৫৩৩ ৰ পিছত যাচোধৰ্মনৰ বিষয়ে বিশেষ একো জনা নাযায়।

পতঞ্জলিৰ লিখনি আৰু অন্যান্য প্ৰাচীন অভিলেখ অনুসৰি, মৌখাৰীসকল এটা বিশিষ্ট পৰিয়াল আছিল। যিহেতু ৫৫৪ খ্ৰীঃ ৰ হৰ্ষ শিলালিপিত এই সময়ছোৱাত গয়াৰ পৰা যজ্ঞবৰমনৰ আৰোহণৰ বিষয়ে বৰ্ণনা কৰা হৈছে, মৌখাৰীসকলে হয়তো খ্ৰীঃ ৫ম শতিকাৰ শেষৰ ফালে তেওঁলোকৰ ৰাজনৈতিক আধিপত্য বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিছে। মৌখাৰী সকলৰ সৈতে সম্পৰ্কিত তথ্যৰ মূল উৎস হৈছে আদিত্যসেনৰ অপশাদ শিলালিপি আৰু ঈশানবৰ্মনৰ হাৰহা শিলালিপি। শাসকসকলক তেওঁলোক কেৱল সামন্ত বুলি কোৱা হৈছিল, ই বুজায় যে তেওঁলোকে গুপ্তসকলৰ কৰ্তৃত্বৰ অধীনত ৰজা হিচাপে শাসন কৰিছিল। ঈশানবৰ্মনৰমনক মহাৰাজাধিৰাজ বুলি কোৱা হয়, আনহাতে প্ৰথম তিনিজন শাসকক মহাৰজা বুলি জনা গৈছিল। পৰৱৰ্তী সময়ৰ

গুপ্তসকল প্ৰাৰম্ভিক মৌখাৰী ৰজাসকলৰ সৈতে সম্পৰ্কিত আছিল। তথাপিও, দেখা গৈছে যে ঈশানবৰ্মনৰ স্বাধীনতা ঘোষণাই পৰৱৰ্তী গুপ্ত আৰু মৌখাৰীসকলৰ মাজৰ সম্পৰ্ক ক্ষতিগ্ৰস্ত কৰিছিল। অৱশ্যে, দেখা গৈছে যে ৰাজবংশটোৱে শাসন অব্যাহত ৰাখিছে। অন্তিম মৌখাৰী ৰজা গ্ৰহবৰ্মনে, পুষ্যভূতি ৰাজবংশৰ প্ৰখ্যাত শাসক হৰ্ষবৰ্ধনৰ ভগ্নী ৰাজ্যশ্ৰীক বিয়া কৰাইছিল। গ্ৰহবৰ্মনৰ মৃত্যুৰ পিছত মৌখাৰী সাম্ৰাজ্যৰ পতন ঘটিছিল।

খ্ৰীঃ ষষ্ঠ শতিকাৰ মাজভাগৰ পৰা প্ৰায় ৬৭৫ খ্ৰীঃলৈকে মগধ শাসন কৰা শাসকসকলক মগধ গুপ্ত বা পৰৱৰ্তী সময়ৰ গুপ্ত বুলি কোৱা হৈছিল; অৱশ্যে পূৰ্ববৰ্তী সময়ৰ সাম্ৰাজ্যবাদী গুপ্তাসকলৰ সৈতে তেওঁলোকৰ সম্পৰ্ক অস্পষ্ট। পৰৱৰ্তী সময়ৰ গুপ্তসকলে অন্যান্য সমসাময়িক শাসক পৰিয়ালৰ সৈতে বৈবাহিক মিত্ৰতাত লিপ্ত কৰিছিল। পশ্চিমদিশে বংগৰ গৌড়সকলৰ শক্তি সম্প্ৰসাৰণৰ লগে লগে পৰৱৰ্তী সময়ৰ গুপ্তা বংশৰ অৱসান ঘটিল।

১৩.৩ চালুক্যসকল

পৰৱৰ্তী গুপ্তযুগত দক্ষিণ ভাৰতত উত্থান হোৱা অন্যান্য শক্তিসমূহৰ ভিতৰত চালুক্যসকল আছিল গুৰুত্বপূৰ্ণ। দাক্ষিণাত্যৰ ৰাকটকসকলক পৰাস্ত কৰি খ্ৰীঃ ছ ষ্ঠ শতিকাত চালুক্যসকলে শাসন আৰম্ভ কৰে। চালুক্যসকলৰ বংশগত পৰিচয়ত ভালেমান বিতৰ্ক পৰিলক্ষিত হোৱা দেখা যায়। চালুক্যসকলে ভাৰতৰ চাৰিটা অঞ্চলত বিভিন্ন সময়ত শাসন কৰিছিল। তেওঁলোক হ'ল— বাদামিৰ চালুক্য, ভেংগিৰ চালুক্য, কল্যাণীৰ চালুক্য আৰু আনহিলৱাড়াৰ চালুক্যসকল। আনহিলৱাড়া পশ্চিম ভাৰতত অৱস্থিত, আমি এই অধ্যায়ত দক্ষিণ ভাৰতৰ শক্তিসমূহৰ বিষয়েহে আলোচনা কৰিম সেয়ে আনহিলৱাড়া সকলৰ বিষয়ে বিষদভাৱে আলোচনা নকৰো।

১৩.৩.১ বাদমিৰ চালুক্যসকল

চালুক্যসকলে মহীশূৰৰ উত্তৰ ভাগৰ বাতাপি বা বাদামিত আইহোলক সংলগ্ন কৰি শাসন আৰম্ভ কৰিছিল। ইয়াৰ পৰাই তেওঁলোকে উত্তৰ ফালে অভিযান চলাই নাছিক আৰু গোদাৱৰীৰ কেন্দ্ৰস্থল বাকাটক ৰাজ্য অধিকাৰ কৰে। জয়সিংহ আৰু তেওঁৰ পুত্ৰ ৰানাৰাগই বাদামিৰ পৰা চালুক্যসকলৰ শাসনৰ এক শক্তিশালী আৰম্ভণি কৰিছিল। এইটো কোৱা হয় যে জয়সিংহই ৰাষ্ট্ৰকূট ৰজা ইন্দ্ৰক পৰাস্ত কৰি বাদামিত চালুক্য শাসন প্ৰৱৰ্তন কৰিছিল, ইয়াৰ লগে লগে চালুক্যসকলৰ ৰাজনৈতিক ইতিহাস আৰম্ভ হৈছিল। বাদামিত চালুক্য শাসনৰ প্ৰকৃত প্ৰতিষ্ঠাপক হ'ল এই বংশৰ তৃতীয়জন শাসক পুলকেশি প্ৰথম (550-566 AD) তেওঁ বাটাপি বা বাদামিক ৰাজধানী হিচাপে প্ৰতিষ্ঠা কৰিছিল। তেওঁ 'বল্লভস্বৰ' উপাধি গ্ৰহণ কৰি অশ্বমেধ যজ্ঞ সম্পন্ন কৰিছিল। তেওঁৰ পিছত শাসন কৰে কীৰ্তিবৰ্মন প্ৰথমে। তেওঁ উত্তৰ কোনকোনাৰ মৌৰ্যসকল আৰু নানাবদিৰ নামছসকলক পৰাস্ত কৰি ৰাজ্যৰ সীমা বৃদ্ধি কৰিছিল। তেওঁ উত্তৰ দিশৰ

বংগৰ আৰু বিহাৰৰ প্ৰদেশবোৰৰ লগতে দক্ষিণৰ চোল পাণ্ড্য অঞ্চললৈ অভিযান চলাইছিল। তেওঁৰ উত্তৰাধিকাৰী আছিল তেওঁৰ ভাতৃ মংগলেছা। মংগলেছাই পুলকেশি দ্বিতীয় নাবালক থকা হেতুকে অভিভাৱক হিচাপে শাসন কৰিছিল। মংগলেছাই চেডীৰ কালাচুৰিসকলক পৰাস্ত কৰি পশ্চিম আৰু পূবসাগৰৰ মধ্যৱৰ্তী অঞ্চলত চালুক্যসকলৰ অধিকাৰ প্ৰতিষ্ঠা কৰিছিল। মংগলেছা আৰু পুলকেশি দ্বিতীয়ৰ (কীৰ্তিবৰ্মন প্ৰথমৰ পুত্ৰ) মাজত সিংহাসনক লৈ গৃহযুদ্ধই দেখা দিয়ে। এই যুদ্ধত মংগলেছাৰ মৃত্যু হয়।

পুলকেশি দ্বিতীয় ই খুড়াক মংগলেছাক পৰাজিত কৰি 609 খ্ৰীঃত সিংহাসনত আৰোহন কৰে। তেওঁ বাদামিৰ চালুক্যসকলৰ শক্তি সন্মান বৃদ্ধি কৰে। তেওঁ 'সত্যশ্ৰম' উপাধি গ্ৰহণ কৰে। দক্ষিণৰ আলুপছ, পশ্চিম গংগা আৰু উত্তৰৰ গুৰজৰ, মালবা, লতাছসকলে পুলকেশি দ্বিতীয়ৰ অধীনতা স্বীকাৰ কৰি লয়। তেওঁ আনকি হৰ্ষবৰ্ধনকো পৰাস্ত কৰিছিল। তেওঁ পল্লৱ শাসক মহেন্দ্ৰ বৰ্মন প্ৰথমৰ বিৰুদ্ধে প্ৰথম অভিযান চলায় তেওঁক পৰাস্ত কৰি ভেংগি অধিকাৰ কৰে। পুলকেশিয়ে তেওঁ ভাতৃ বিষ্ণুবৰ্ধনক যুৱৰাজ হিচাপে ভেংগিত নিযুক্তি দিয়ে। অৱশ্যে পল্লৱসকলৰ বিৰুদ্ধে চলোৱা পুলকেশিৰ দ্বিতীয় অভিযানটো ব্যৰ্থ হয়। পল্লৱ শাসক নৰসিংহবৰ্মন প্ৰথময়ে 642 খ্ৰীঃত চালুক্য ৰাজধানী বাদামি অক্ৰমণ কৰি অধিকাৰ কৰে। সম্ভৱত এই আক্ৰমণত পুলকেশি দ্বিতীয়ৰ মৃত্যু হয়। পুলকেশি দ্বিতীয়ই 625 খ্ৰীঃত ইৰানলৈ ৰাষ্ট্ৰদূত প্ৰেৰণ কৰিছিল আকৌ ইৰাণৰ ম্যানক খুশ্ৰু (Khusru II) দ্বিতীয়য়ো চালুক্য ৰাজধানী বাদামীলৈ ৰাষ্ট্ৰদূত প্ৰেৰণ কৰিছিল। চীনা পৰিব্ৰাজক হিউৱান চাঙে 641 খ্ৰীঃত দ্বিতীয় পুলকেশিৰ ৰাজ্য পৰিভ্ৰমণ কৰিছিল। পুলকেশিয়ে কলা-স্থাপত্য, ধৰ্ম, শিক্ষা আদিত পৃষ্ঠপোষকতা আগবঢ়াইছিল। তেওঁৰ ৰাজসভাৰ কবি ৰবি কিৰ্তীয়ে (Ravi Kirti) আইহোল শিলালিপিত তেওঁক প্ৰশংসা কৰা দেখা যায়।

দ্বিতীয় পুলকেশিৰ উত্তৰাধিকাৰী আছিল পুত্ৰ বিক্ৰমাদিত্য প্ৰথম। তেওঁ পল্লৱসকলৰ হাতত হেৰুৱা অঞ্চলবোৰ পুনৰ উদ্ধাৰ কৰি চালুক্যৰ সন্মান, শক্তি পুনঃপ্ৰতিষ্ঠা কৰিছিল। তেওঁ আনকি পল্লৱ ৰাজধানী কান্তি লুটপাত কৰিছিল। তেওঁৰ পাছত পুত্ৰ বিনয়াদিত্যই শাসন কৰে। বিনয়াদিত্যৰ শাসন কাল শান্তি সমৃদ্ধিৰে ভৰা আছিল। এই বংশৰ পিছ�ৰজন শাসক বিজয়াদিত্য। বিজয়াদিত্যই এক দীঘলীয়া সময়ৰ বাবে শাসন কৰিছিল আৰু ৰাজ্যত শান্তি সমৃদ্ধিয়ে বিৰাপ কৰিছিল। তেওঁৰ উত্তৰাধিকাৰী আছিল দ্বিতীয় বিক্ৰমাদিত্য যিয়ে তিনিবাৰকৈ পল্লৱ ৰাজধানী কাঞ্চি আক্ৰমণ কৰিছিল। তেওঁ 740 খ্ৰীঃত পল্লৱ সম্পূৰ্ণৰূপে দক্ষিণভাৰতৰ ৰাজনৈতিক ইতিহাসৰ পৰা মচি পেলায়। বাদামিৰ চালুক্যসকলৰ শেষৰজন ৰজা আছিল কীৰ্তিবৰ্মন দ্বিতীয়। তেওঁক তলতীয়া শাসক দান্তিদুৰ্গই পৰাস্ত কৰিছিল। যাৰ ফলস্বৰূপে বাদমিত চালুক্যসকলৰ শাসন অন্ত পৰে আৰু এটা নতুন বংশ ৰাষ্ট্ৰকুট সকলৰ শাসন আৰম্ভ হয়।

বাদামিৰ চালুক্যসকলে কলা-স্থাপত্য আৰু মন্দিৰ নিৰ্মাণত যথেষ্ট অৱদান

আগবঢ়াইছিল। তেওঁলোকে স্থাপত্য ভাস্কর্যত এক নতুন আর্হি সংযোজন কৰিছিলি, যাক দাক্ষিণী বা বেছাৰ (Decen or Vesara) নামে জনা যায়। তেওঁলোকে শিলৰ টুকুৰাবোৰৰে সুন্দৰ সুন্দৰ ঘৰবোৰ নির্মাণ কৰিছিল। তেওঁলোকৰ পৃষ্ঠপোষকতাতে বৌদ্ধ, জৈন, আৰু ব্রাহ্মণসকলৰ মাজত গুহা মন্দিৰ নির্মাণৰ প্রতিযোগীতা চলিছিল। বাদামিৰ চালুক্যসকলৰ দিনত ভালেসংখ্যক মন্দিৰ নির্মাণ হৈছিল। ইয়াৰ ভিতৰত লাভ কান, দুর্গা মন্দিৰ, হুছিমালিগুদি মন্দিৰ, মেগুটিৰ জৈন মন্দিৰ, মেলাগিতি শিৱালয়, পাপণ্ঠ আৰু বিৰুপাক্ষ মন্দিৰ উল্লেখযোগ্য।

১৩.৩.২ ভেংগিৰ চালুক্যসকল

বাদামিৰ প্রখ্যাত চালুক্য শাসক দ্বিতীয় পুলকেশিয়ে গোদাবৰী আৰু অন্ধ্রপ্রদেশৰ ভালেসংখ্যক ঠাই অধিকাৰ কৰিছিল। এই নতুনকৈ অধিকৃত অঞ্চলসমূহত তেওঁ ভাতৃ বিষ্ণুবর্ধনক ভাইছৰয় বা প্রদেশপাল হিচাপে নিযুক্তি দিছিল। কিন্তু কম দিনৰ ভিতৰতে ভাইছৰয় বিষ্ণুকণে নিজকে শক্তিশালী কৰি ভেংগিক ৰাজধানী হিচাপে লৈ এখন স্বাধীন ৰাজ্য প্রতিষ্ঠা কৰে। সেয়েহে বিষ্ণুবর্ধনক ভেংগিৰ পূব চালুক্য বংশৰ প্রতিষ্ঠাপক হিচাপে জনা যায়। এই বংশৰ দ্বিতীয়জন শাসক আছিল প্রথম বিজয়াদিত্য (746-764 AD)তেওঁৰ দিনতে বাদামিৰ চালুক্য সকলে ৰাষ্ট্রকুটসকলে পৰাস্ত কৰি সিংহাসনচ্যুত কৰিছিল। পূব চানক্য বংশৰ অন্যতম গুৰুত্বপূর্ণ ৰজা জন আছিল তৃতীয় বিজয়াদিত্য। তেওঁ উগ্র সাম্রাজ্যবাদী নীতি গ্রহণ কৰি উত্তৰে মহেন্দ্রগিৰি আৰু দক্ষিণে পুলিকটলৈ সীমা বৃদ্ধি কৰিছিল। তেওঁ ৰাষ্ট্রকূট ৰজা দ্বিতীয় কৃষ্ণক পৰাজিত কৰিছিল। কলিংগ আৰু কোশল ৰ ৰজাই তেওঁৰ বশ্যতা স্বীকাৰ কৰিছিল। কিন্তু তেওঁৰ দুর্বল উত্তৰাধিকাৰীসকলৰ শাসনৰ বাবে শেষলৈ ভেংগি চোল সাম্রাজ্যৰ অন্তর্ভুক্ত হৈছিল। এই বংশৰ শাসক বিমলাদিত্যই চোল ৰাজকুমাৰী কুণ্ডাদেৱীক বিয়া কৰায়। যাৰফলত এই দুই বংশ চোল-চালুক্যৰ মাজত বৈবাহিত সম্পর্ক স্থাপন হয়। এই সম্পর্ক পিছলৈকো অব্যাহত থাকে আৰু শেষত ভেংগিৰ নৰেন্দ্রৰ পুত্র কুলুতুংগ আৰু চোল ৰাজকুমাৰী অমংগদেৱীৰ মাজত বিবাহ সম্পন্ন হয়। কিন্তু চালুক্যৰ ৰজা নৰেন্দ্রৰ মৃত্যুৰ পাছত (1075A.D) পূব চালুক্য বংশৰ অন্ত পৰে, চোলসকল ইয়াৰ স্থলাভিষিক্ত হয়।

১৩.৩.৩ কল্যাণীৰ চালুক্যসকল

চালুক্য বংশৰ দ্বিতীয় টাইল' (Taila II) ই 974-75 খ্রীঃত ৰাষ্ট্রকূটসকলক সিংহাসনচ্যুত কৰি কল্যাণীক ৰাজধানী হিচাপে লৈ এটা নতুন ৰাজবংশ প্রতিষ্ঠা কৰে। এই বংশক পৰৱর্তী চালুক্য বা কল্যাণীৰ চালুক্য নামেৰে জনা যায়। দ্বিতীয় টাইলই পৰামৰ (Paramaras) সকলৰ লগত যুদ্ধ কৰি তাৰ ৰজা মুঞ্জক পৰাস্ত কৰে। টাইলৰ

দিনৰ পৰা চোল চালুক্যৰ মাজৰ সংঘর্ষ এক দৈনন্দিন ঘটনা হিচাপে পৰিগণিত হৈছিল।

কল্যাণীৰ চালুক্যসকলৰ এজন শক্তিশালী ৰজা আছিল সোমেশ্বৰ প্রথম। তেওঁ কোপ্পামৰ ('Koppam') ৰ যুদ্ধত চোল ৰজা প্রথম ৰাজাধিৰাজক পৰাস্ত কৰি হত্যা কৰে। অৱশ্যে ৰাজাধিকাৰৰ উত্তৰাধিকাৰী দ্বিতীয় ৰাজেন্দ্রৰ হাতত সোমেশ্বৰ প্রথম কুদল সংগমৰ যুদ্ধত পৰাজিত হয়। সি যি কি নহওঁক সোমেশ্বৰ প্রথম উত্তৰ কংকন অধিকাৰ কৰি গুজৰাট আৰু মালৱাৰ বিৰুদ্ধে অভিযান চলায় লগতে পৰমাৰ শাসক ভোজই তেওঁৰ বশ্যতা স্বীকাৰ কৰে। কল্যানীৰ চালুক্যসকলৰ মহান শাসকজন আছিল বিক্রমাদিত্য ষষ্ঠ। তেওঁৰ জ্যেষ্ঠ ভাতৃ সোমেশ্বৰ দ্বিতীয়ক হত্যা কৰি 1076 খ্রীঃত সিংহাসনত আৰোহণ কৰে। তেওঁ ৰাজঅভিষেক অনুষ্ঠান আয়োজন কৰি শক চনৰ পৰিৱর্তে চালুক্য বিক্রম চন আৰম্ভ কৰিছিল। তেওঁ যথেষ্ট সংখ্যক যুদ্ধত যেনে দোৱাৰ সমুদ্রৰ হয়চাল সকল, ৰাৱেংগলৰ কাকতীয়সকল, দেৱগিৰি য়াদৱদ আৰু গোৱাৰ কাদমৱাছাসকলৰ লগত যুদ্ধত লিপ্ত থাকিবলগীয়া হৈছিল। তেওঁৰ শাসিত অঞ্চলটোৱে চালুক্য কলা সাহিত্যৰ উন্নয়নৰ সাক্ষী বহন কৰি আহিছে। তেওঁ প্রখ্যাত কবি বিলহনক পৃষ্ঠপোষকতা কৰিছিল। তেওঁৰ ৰাজত্বকালতে বিলহনে বিক্রমাংকদেৱ চৰিত, বিজ্ঞেশ্বৰ, মৃতকক্ষৰ লিখি উলিয়াইছিল। খ্রীষ্টাব্দ 12 শতিকাত কল্যাণীৰ চালুক্যসকলৰ শাসনৰ অন্ত পৰে।

১৩.৪ পল্লৱসকল

দক্ষিণ ভাৰতৰ এক অন্যতম গুৰুত্বপূর্ণ শক্তি আছিল পল্লৱসকল। তেওঁলোকে কৃষ্ণ-গুণ্টুৰ অঞ্চলৰ পৰা ইশ্বাকুছক বর্খাস্ত কৰিছিল। গতিকে সাতবাহনসকলৰ পতনৰ লগে লগে পল্লৱসকলে কৃষ্ণাৰ পৰা পালৰ নদীলৈকে এই সমগ্র অঞ্চলটোত নিজৰ কতৃত্ব স্থাপন কৰি কাঞ্চীক ৰাজধানী হিচাপে লৈ পল্লৱ ৰাজ্য প্রতিষ্ঠা কৰে। পল্লৱসকলৰ বংশানুক্রমিক পৰিচয়ত বিভিন্ন মতভেদ দেখা যায়। পল্লৱ শব্দৰ অর্থ হৈছে (Creaper) বগাই যোৱা, এই শব্দৰ তালিম-সংস্কৃত ৰূপটো হ'ল 'Tondai' যিয়ে একে অর্থ প্রকাশ কৰে। সম্ভৱত পল্লৱসকল স্থানীয় এটা জাতি যিয়ে টোণ্ডাইনাদু অঞ্চলত নিজৰ অধিকাৰ সাব্যস্ত কৰিছিল। পল্লৱসকলে প্রাৰম্ভিক শিলালিপিবোৰত প্রাকৃত, সংস্কৃত আৰু তামিল ভাষা ব্যৱহাৰ কৰিছিল।

পল্লৱসকলৰ এজন উল্লেখ্য শক্তিশালী শাসক আছিল সিংহ বিষ্ণু। যিয়ে 575খ্রীঃৰ পৰা 606 খ্রীঃলৈ শাসন কৰিছিল তেওঁ চোল, পাণ্ড্য আৰু অন্য শক্তিসমহৰ বিৰুদ্ধে যুদ্ধ সংঘটিত কৰিছিল। তেওঁ ষষ্ঠ শতিকাৰ শেষভাগত সাম্রাজ্যবাদৰ সীমা কাবেৰী নদীলৈকে বিস্তাৰিত কৰিছিল। তেওঁৰ পুত্র মহেন্দ্র বর্মন প্রথম উত্তৰাধিকাৰী হিচাপে (600-630 A.D.) সিংহাসনত বহে। তেওঁ এজন নাট্যকাৰ, গীতিকাৰ আৰু কবি আছিল। তেওঁ 'মট্টৰিটাছ প্রহসন' (Mattaritasa Prahasana) নামৰ এখন নাটক লিখিছিল। তেওঁ চালুক্য ৰজা দ্বিতীয় পুলকেশিৰ হাতত ভালেমানবাৰ পৰাস্ত হ'বলগীয়া হৈছিল। আনকি পুলকেশিয়ে ভেংগি অধিকাৰ কৰি ভাতৃ

বিষ্ণুবর্ধনক তাৰ প্রদেশপাল হিচাপে নিযুক্তি দিছিল। কিন্তু পিছলৈ বিষ্ণুবর্ধনে নিজকে স্বাধীন ঘোষণা কৰি ভেংগীক ৰাজধানী হিচাপে লৈ পূব চালুক্য নামেৰে ৰাজবংশ প্রতিষ্ঠা কৰে। প্রথম নৰসিংহ বর্মনৰ (630-660 A.D) পুত্র তথা উত্তৰাধিকাৰী হিচাপে মহেন্দ্রবর্মন সিংহাসনত বহে তেওঁৰ প্রকৃত নামটো আছিল মহামল্ল। তেওঁ দ্বিতীয় পুলকেশিৰ বিৰুদ্ধে অভিমান চলায় তেওঁক হত্যা কৰি চালুক্য ৰাজধানী বাটাপি বা বাদামি অধিকাৰ কৰি লয়। এই সফলতাৰ পাছত তেওঁ 'বাটাপিকোন্দ' (Vatapikonda) উপাধি গ্রহণ কৰে। তেওঁৰ ৰাজত্বকালতে প্রখ্যাত চীনা ভ্রমণকাৰী ইউৱান ছাঙে 642 খ্রীঃত কাঞ্চি ভ্রমণ কৰে। নৰসিংহবর্ধনে কলা সাহিত্যৰো পৃষ্ঠপোষকতা কৰিছিল।

চালুক্য ৰজা বিক্রমাদিত্য প্রথম য়ে পল্লৱ ৰজা দ্বিতীয় মহেন্দ্রবর্মনক (668-670খ্রীঃ) পৰাস্ত কৰি হত্যা কৰিছিল। পল্লৱ ৰজা পৰমেশ্বৰবর্মন প্রথম (670-680 AD)য়ে তেওঁৰ ৰাজধানী কাঞ্চি চালুক্য ৰজা বিক্রমাদিত্য প্রথম হাতত হেৰুৱাব লগা হৈছিল যদিও পুনৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। পৰমেশ্বৰবর্মনৰ উত্তৰাধিকাৰী আছিল দ্বিতীয় নৰসিংহবর্মন (680-720 A.D)। তেওঁক ৰাজসিংহ নামেৰেও জনা যায়। তেওঁ ৰাজত্বকালত ৰাজ্যত শান্তি সমৃদ্ধিয়ে বিৰাজ কৰিছিল। তেওঁৰ দিনতে কাঞ্চিৰ বিখ্যাত ৰাইলসঠ মন্দিৰ আৰু মহামল্লপুৰৰ চো'ৰ মন্দিৰ নির্মাণ কৰা হৈছিল। তেওঁ চীনদেশলৈ ৰাষ্ট্রদূত প্রেৰণ কৰিছিল লগতে সাগৰীয় বাণিজ্যত বিশেষ গুৰুত্ব দিছিল।

নৰসিংহবর্মনৰ উত্তৰাধিকাৰী আছিল দ্বিতীয় পৰমেশ্বৰ বর্মন ((728-731 A.D)। তেওঁ চালুক্য আৰু গংগাৰ সন্মিলিত বাহিনীৰ লগত যুদ্ধ কৰিবলগীয়া হৈছিল আৰু সেই যুদ্ধত তেওঁ মৃত্যু হৈছিল। তেওঁৰ পাছত দ্বিতীয় নন্দিবর্মন ((731-795 A.D) পল্লৱৰ সিংহাসনত বহে। তেওঁৰ দিনতে চালুক্য ৰজা বিক্রমাদিত্য দ্বিতীয়ই পল্লৱ ৰাজধানী কাঞ্চি আক্রমণ কৰি অধিকাৰ কৰে যদিও কোনো ক্ষতি নকৰাকৈ গুচি যায়। দ্বিতীয় নন্দিবর্মনে কাঞ্চীত 'বৈকুণ্ঠপেৰুমল' মন্দিৰটো নির্মাণ কৰাইছিল।



জানি থোৱা ভাল

দ্বিতীয় পৰমেশ্বৰবর্মনৰ মৃত্যুৰ পাছত পল্লৱ সিংহাসনৰ বাবে পোনপটীয়া উত্তৰাধিকাৰী নাছিল। সেয়েহে মন্ত্রী পৰিষদে সিংহবিষ্ণুৰ ভাতৃ ভীমবর্মনক পল্লৱ বংশৰ শাসক হিচাপে নির্বাচিত কৰে। সিংহাসনত আৰোহন কৰাৰ পাছত তেওঁ দ্বিতীয় নন্দিবর্মন নামে জনা যায়।

পল্লৱসকলৰ শেষৰজন ৰজা আছিল অপৰাজিত। তেওঁক দশম শতিকাৰ আৰম্ভণিতে প্রথম আদিত্য চোলে পৰাজিত কৰিছিল। ইয়াৰ লগে লগে পল্লৱসকলৰ শাসনৰ অন্ত পৰে আৰু তাৰ ঠাইত স্থলাভিষিক্ত হয় চোল সকল।

পল্লৱ শাসকসকলে কলা, স্থাপত্য, সাহিত্যলৈ এক অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। পল্লৱসকলে ভালেমান মন্দিৰ নির্মাণৰ জৰিয়তে তেওঁলোকৰ স্থাপত্য প্রীতিৰ নিদর্শন দি থৈ

গৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য আছিল-ভৈৰৱকুণ্ড মন্দিৰ, উত্তৰলীৰ অনন্তেশ্বৰ মন্দিৰ, মহাৱলীপুৰমৰ ৰথছ, জালছায়ানেস্বামীৰ মন্দিৰ, মুক্তেশ্বৰ মন্দিৰ, কাঞ্চীৰ মাতংগেশ্বৰী মন্দিৰ আদি। পল্লৱ সকলৰ ভাস্কর্যৰ উজ্জ্বল চানেকী বহন কৰিছে 'গংগাৰ অৱৰোহন' ('Descent of the Ganga) আৰু মহাৱলীপুৰমৰ মন্দিৰে।

পল্লৱ ৰাজধানী কাঞ্চি সংস্কৃত শিক্ষাৰ মূল কেন্দ্ৰ আছিল। লগতে সংস্কৃত আছিল পল্লৱসকলৰ চৰকাৰী ভাষা। ভালেমান কবিয়ে এই যুগত পল্লৱ সকলৰ সাহিত্য সৃষ্টিত অৰিহণা যোগাইছিল। 'দান্দিন' আৰু 'কিৰাতাৰ জুনিয়ম'ৰ লিখক ভৰবী আৰু দশকুমাৰ চৰিতৰ লিখকে পল্লৱ ৰাজসভাৰ শোভা বৰ্ধন কৰিছিল।

১৩.৫ চেৰাসকল


পৰৱৰ্তী গুপ্তযুগত দক্ষিণভাৰতত চেৰাসকল এক ৰাজনৈতিক শক্তি হিচাপে উত্থান হৈছিল। চেৰাসকলক কেৰেলা বুলিও জনা যায় আৰু তেওঁলোক দ্ৰৰীড়ীয় মূলৰ আছিল। চেৰাসকলৰ ৰাজ্য বৰ্তমানৰ মালৰাৰ জিলা,ট্ৰাভাংকোৰ, কোচিন, কইম্বাটোৰৰ কংগু অঞ্চল আৰু চেলেমৰ দক্ষিণাংশক লৈ গঠিত আছিল চেৰাসকলৰ দিনৰ দুটা উল্লেখযোগ্য বন্দৰ হ'ল মৌজিৰি আৰু ৰাইক্কাৰায়।

চেৰাসকলৰ বিষয়ে জানিবলৈ তথ্যৰ অভাব তথাপি অশোকৰ দ্বিতীয় শিলালিপিত আদিচেৰা সকলৰ বিষয়ে উল্লেখ আছে। শিলালিপিত উল্লেখ আছে যে দক্ষিণৰ সীমান্তৰ্তী অঞ্চলৰ কেৰেলাপুত্ৰ (চেৰা), চোদ (চোল) আৰু পাণ্ড্যসকল একো একোটা ৰাজনৈতিক শক্তি আছিল। দুৰ্ভাগবশত চেংগুচৱনৰ আগৰ চেৰাসকলৰ বিষয়ে তথ্যৰ অভাৱ।

চেংগুচবন এজন শক্তিশালী চেৰা ৰজা আছিল। তেওঁ ভালেমান চুবুৰীয়া ৰাজ্য আক্ৰমণ কৰি অধিকাৰ কৰিছিল। তেওঁৰ উত্তৰাধিকাৰীজনে চোল আৰু পাণ্ড্যসকলৰ বিৰুদ্ধে অভিযান চলাই যদিও পৰাজিতহৈ বন্দী হ'ব লগা হয়। অৱশ্যে তেওঁ পলাই আহিবলৈ সক্ষম হয়। তেওঁৰ পিছত কেইবাশতিকামানলৈ চেৰাসকলৰ ইতিহাসত অন্ধকাৰ যুগৰ আৰম্ভণি হয়। খ্ৰীষ্টীয় অষ্টম শতিকাতহে এজন চেৰা ৰজাই পল্লৱ ৰজা পৰমেশ্বৰবৰ্মনৰ লগত যুদ্ধত লিপ্ত হয়। এই শতিকাৰ শেষৰফালে চেৰাসকলে পাণ্ড্যসকলৰ আক্ৰমণৰ সন্মুখীন হ'বলগীয়া হয়। পাণ্ড্য ৰজা মাৰবৰ্মন, ৰাজসিংহ প্ৰথম, বৰগুনা প্ৰথমে চেৰাসকলৰ পৰা কংগুদেশ আৰু বেনডা (দক্ষিণ টাভাংকোৰ) অধিকাৰ কৰে।

চেৰাসকলৰ চোলসকলৰ লগত এক সৌহাদ্যপূৰ্ণ সম্পৰ্ক আছিল এইটো কোৱা হয় যে চোল ৰজা প্ৰথম পৰণ্টকে চেৰা ৰাজকুমাৰী বিয়া কৰাইছিল। কিন্তু দশম শতিকাৰ শেষভাগত চোল ৰজা প্ৰথম ৰাজা ৰাজাই চেৰা শাসকজনৰ নিজৰ অধীন কৰি কান্দালুৰৰ (Kandalur) নৌবাহিনী ধ্বংস কৰিছিল। ই চোল চেৰা মাজৰ সম্পৰ্কৰ অৱনতি ঘটাইছিল। চোলসকলে চেৰাসকলক বাৰ শতিকালৈকে অৰ্থাৎ যেতিয়ালৈকে তেওঁলোকৰ পতন হোৱা নাছিল

তেতিয়ালৈকে অধীন কৰি ৰাখিছিল। চোলসকলৰ দুৰ্বলতাৰ সুযোগ লৈ চেৰা ৰজা কেৰেলাই স্বাধীনতা ঘোষণা কৰিছিল। খ্ৰীষ্টীয় 13 শতিকাত পাণ্ড্য ৰজা জাতিবৰ্মন সুন্দ্রই চেৰাসকল নিজৰ অধীন কৰিবলৈ সক্ষম হৈছিল যদিও আলাউদ্দিন খিলিজীৰ জেনেৰেল মালিক কাফুৰৰ লগত পাণ্ড্যসকল সংঘৰ্ষত লিপ্ত সুযোগ লৈ চেৰা ৰজা ৰবিবৰ্মন কুলসেকৰই ক্ষমতা বৃদ্ধি কৰে। কিন্তু চেৰাসকলৰ এই বৰ্ধিত ক্ষমতা বা আগ্ৰাসীমূলক কাৰ্যকলাপ বেছি দিনলৈ নাথাকিল। কাকতীয় ৰজা প্ৰথম ৰুদ্রই তেওঁলোকৰ ক্ষমতা ৰোধ কৰে। পৰৱৰ্তী চেৰা বংশৰ শাসকসকলে ইমান বেছি কৃতিত্ব অৰ্জন কৰিব পৰা নাছিল, যাৰ বাবে দক্ষিণভাৰতৰ ৰাজনৈতিক ইতিহাসত তেওঁলোকৰ ক্ষমতা লোপ পায়।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ১ঃ কোনজন চালুক্য শাসকে 'বল্লভস্কৰ' উপাধি গ্ৰহণ কৰিছিল?

.....

প্ৰশ্ন নং ২ঃ কল্যাণীৰ চালুক্য বংশৰ প্ৰতিষ্ঠাতা কোন?

.....

প্ৰশ্ন নং ৩ঃ 'পল্লৱ' শব্দৰ অৰ্থ কি?

.....

প্ৰশ্ন নং ৪ঃ মণ্ডৰিটাছা প্ৰহসন নাটকৰ লিখক কোন?

.....

প্ৰশ্ন নং ৫ঃ কোনজন পল্লৱ শাসকে কাশ্মীৰ কৈলশনাথ মন্দিৰ আৰু মহামল্লপুৰৰ চোৰ মন্দিও নিৰ্মাণ কৰিছিল?

.....

১৩.৬ পাণ্ড্যসকল

পৰৱৰ্তী গুপ্তযুগত দক্ষিণভাৰতত পাণ্ড্যসকলে নিজৰে শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ ৰাজ্য বৰ্তমানৰ জিলা মাদুৰাই, ৰামনাভ আৰু টিন্নেভলিক লৈ গঠিত আছিল। পাণ্ড্য ৰাজ্যৰ ৰাজধানী আছিল মাডুৰা। প্ৰথম অৱস্থাত কোৰকাই বন্দৰটো পাণ্ড্য ৰাজ্যৰ বাণিজ্যৰ মুখ্য কেন্দ্ৰ আছিল। কিন্তু পিছৰসময়ছোৱাত কায়াল বন্দৰ ব্যৱসায় বাণিজ্যৰ মূল কেন্দ্ৰ হৈ পৰে।

পাণ্ড্যসকলৰ বিষয়ে জানিবলৈ সহায় কৰা বিভিন্ন সমলসমূহৰ ভিতৰত কৌটিল্যৰ অৰ্থশাস্ত্ৰ, মহাবংশ মেগাস্থিনিছৰ লিখনি, হাতীগুফা শিলালিপি, পেৰিপ্লাছ' আৰু ষ্টেবৰ লিখনি, টলেমিৰ 'ভূগোল' আৰু অশোকৰ দ্বিতীয় আৰু তৃতীয় শিলালিপি। অশোকৰ লিপিত পাণ্ড্যসকলক দক্ষিণৰ স্বাধীন শাসক বুলি উল্লেখ কৰিছে। যদিও এক দীঘলীয়া সময়ছোৱাৰ পাণ্ড্যসকলৰ

ইতিহাস বা সময় সম্বন্ধে জানিবলৈ তথ্যৰ অভাৱ আছিল। খ্ৰীষ্টীয় ষষ্ঠ শতিকাত পল্লৱ ৰজা কালভই পাণ্ড্য ৰাজ্য আক্ৰমণ কৰি অধিকাৰ কৰি লয়। অৱশ্যে এই শতিকাৰ শেষভাগত বা সপ্তম শতিকাৰ আৰম্ভণিতে পাণ্ড্য ৰজা কাদুংগনে শত্ৰু পক্ষক খেদি পুনৰ পাণ্ড্য ৰাজ্য শাসন প্ৰৱৰ্তন কৰে। কিন্তু তেওঁৰ বিষয়ে অধিক জানিবলৈ তথ্যৰ অভাৱ।

পাণ্ড্যসকলৰ এজন উল্লেখযোগ্য ৰজা হ'ল আৰিকেশৰি মাৰৱৰ্মন, তেওঁ সপ্তম শতিকাৰ মাজভাগত শাসন কৰিছিল। তেওঁক নেডুমৰান বা কীংবদন্তি ৰজা কুন পাণ্ড্য বুলি চিহ্নিত কৰা হৈছে। পাণ্ড্য শাসক অৰিকেশৰি বা তেওঁৰ উত্তৰাধিকাৰী কোছাদায়ন, ৰনধীৰ, মৰৱৰ্মন, ৰাজসিংহ প্ৰথম, নেদুনজদয়ান বৰগুন প্ৰথম, আদিৰ দিনত ৰাজ্যৰ সীমা চোল, কেৰেলা আৰু চুবুৰীয়া ৰাজলৈ সীমা বিস্তাৰিত হৈছিল। নেদুনজদয়ান বৰগুণ প্ৰথমে আনকি বেনডা (দক্ষিণ ট্ৰাভানকোৰ অধিগ্ৰহণ কৰিছিল। তেওঁৰ পুত্ৰ অৰ্থাৎ উত্তৰাধিকাৰী আৰি বল্লভয়ে (815-862 A.D) কুদামুক্কোৰ যুদ্ধত পল্লৱ, গংগা আৰু চোলসকলৰ সন্মিলিত বাহিনীক পৰাজিত কৰিছিল। যদিও তেওঁৰ পিছৰ পাণ্ড্যশাসক বৰগুণবৰ্মন দ্বিতীয় বা দ্বিতীয় বৰগুণ পল্লৱ ৰজা অপৰাজিতবৰ্মনৰ হাতত 880 খ্ৰীঃত শ্ৰী পুৰম ব্যাস (টিৰুপুৰমজ্যাম) ৰ যুদ্ধত পৰাস্ত হয়।

চোলসকলৰ ক্ষমতা বৃদ্ধি তথা উত্থানে পাণ্ড্যসকলৰ গতি পথ সলনি কৰিছিল। এইটো কোৱা বাহুল্য যে পাণ্ড্য ৰজা দ্বিতীয় ৰাজসিংহই চেইলন (শ্ৰীলংকা)ৰ শাসকৰ লগত মিত্ৰতা কৰি চোল ৰজা প্ৰথম পৰানটকক আক্ৰমণ কৰিছিল। এই যুদ্ধত প্ৰথম পৰনাটক য়ে জয়লাভ কৰিছিল আৰু পাণ্ড্যৰাজ্যৰ কিছু অঞ্চল অধিকাৰ কৰে আৰু বিজয়ৰ বিজয় উৎসৱ পাতি তেওঁ 'মাডুৰাইকোন্দ' উপাধি গ্ৰহণ কৰে। তাৰ পাছত দ্বিতীয় ৰাজসিংহ চেইলনলৈ পলায় যায় আৰু তাৰ পৰাই নিজৰ শক্তিক্ষমতা পুনৰ প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰে। যদিও তেওঁৰ সকলো চেষ্টা ব্যৰ্থ হ'ল। তেতিয়াৰ পৰা খ্ৰীষ্টীয় 13শতিকাৰ আৰম্ভণিলৈকে পাণ্ড্য ৰাজ্যই নিজৰ স্বাধীনতা হেৰুৱাই চোলসকলৰ অধীনত থাকে। অৱশ্যে পাণ্ড্য শাসকসকলে সময়ে সময়ে নিজৰ স্বাধীনতা প্ৰতিষ্ঠা তথা হেৰুৱা শক্তি পুনঃপ্ৰতিষ্ঠা কৰিবলৈ সকলো প্ৰকাৰৰ চেষ্টা অব্যাহত ৰাখিছিল। কিন্তু সফল হ'ব পৰা নাছিল।

পাণ্ড্য ইতিহাসলৈ এক পৰিৱৰ্তন আহে যেতিয়া 1190 খ্ৰীঃ ত কুলছখৰ দ্বিতীয় ই পাণ্ড্য সিংহাসনত আৰোহন কৰে। তেওঁৰ সময়ৰ পৰা পাণ্ড্য শক্তিৰ গৌৰৱ ক্ষমতা পুন প্ৰতিষ্ঠাৰ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু এটা শতিকাৰ ভিতৰতে ভাৰতত তেওঁলোকৰ অধিকাৰ পুনঃপ্ৰতিষ্ঠাৰ সফল হয়। তেওঁৰ উত্তৰাধিকাৰী প্ৰথম সুন্দৰ পাণ্ডই (1216-1238) চোল ৰজাক পৰাস্ত কৰি টাঞ্জোৰ আৰু উৰায়োৰ নামৰ চহৰ দুখন জ্বলাই দিয়ে। এনে অৱস্থাত হয়চাল ৰজা নৰসিংহ দ্বিতীয় ই চোল ৰজা তৃতীয় ৰাজা ৰাজক সহায় কৰিবলৈ আগবাঢ়ি আহিছিল। ই হয়চাল আৰু পাণ্ড্য সকলৰ মাজৰ সম্পৰ্কৰ অৱনতি ঘটায়।

পাণ্ড্য ৰাজ্যৰ আন এজন উল্লেখযোগ্য ৰজা আছিল সুন্দৰ পাণ্ড্য (1251-1272 A.D)। তেওঁ দাক্ষিণাত্যত চোল সকলৰ শক্তি ক্ষমতা নস্যাৎ কৰি ৰাজধানী কাঞ্চি অধিকাৰ কৰে। তেওঁ লগতে চেৰা, কংগুদেশ আৰু চেইলন নিজৰ অধীনলৈ আনিবলৈ সক্ষম হয়। তাৰোপৰি তেওঁ

হয়চাল সকলৰ পৰা কান্নানুৰ কোপ্পাথ দুর্গ অধিকাৰ কৰে। ইয়াৰ লগতে সুন্দৰ পাণ্ডই বাৰেংগলৰ কাকতীয় গণপতি আৰু ছেন্দমংগলমৰ সেনানায়ক কোপাৰুনজংগক পৰাস্ত কৰে। তেওঁৰ এই বর্ধিত শক্তিয়ে সমগ্র দাক্ষিণাত্যত এজন প্রবল প্রতাপী শাসক হিচাপে চিহ্নিত হৈ পৰিছিল। সেয়েহে তেওঁ মহাৰাজধিৰাজ শ্রী পৰমেশ্বৰ উপাধি গ্রহণ কৰিছিল। এই বংশৰ আন এজন শক্তিশালী শাসক আছিল মৰবর্মন কুলশেখৰ। তেওঁ মালাইনাডু আৰু চেইলনৰ বিৰুদ্ধে সামৰিক বিজয় লাভ কৰিছিল। তেওঁ জয়ংগোডাচোলপুৰমত এটা ৰাজপ্রসাদ নির্মাণ কৰিছিল। কিন্তু তেওঁৰ জীৱনৰ শেষ সময়ছোৱা বৰ দুখজনক আছিল। কিয়নো পাণ্ড্য সিংহাসনক লৈ সংঘর্ষৰ সুত্রপাত হৈছিল।তেওঁৰ ন্যায্য পুত্র সুন্দৰ আৰু তেওঁৰ অন্যায্য পুত্র বিৰ পাণ্ড্যৰ মাজত ইতিমধ্যে দুয়োজনে দেউতাকৰ সহায়কাৰী শাসক হিচাপে 1296 আৰু 1303 খ্রীঃৰ পৰা ক্রমান্বয়ে ৰাজ্য শাসন কৰিছিল। সম্ভৱত সিংহাসনৰ বাবেই কুলশেখৰক হত্যা কৰা হৈছিল। পাণ্ড্য ৰাজ্যৰ এই অন্তর্কন্দলৰ সুযোগ গ্রহণ কৰি আলাউদ্দিন মিলিকীৰ সেনাপতি মালিক কুফুৰে 1310 খ্রীঃত মাডুৰাইলৈ অভিযান চলায়। তেওঁ মাডুৰাই লুতপাত কৰি ধ্বংস কৰে। আলাউদ্দিন খিলিজীয়ে কিছুবছৰ পাছত পুনৰ পাণ্ড্য ৰাজ্যৰ বিৰুদ্ধে এক অভিযান পঠাই খুশ্রু খাৰ নেতৃত্বত। চেৰা ৰজা কুলশেখৰ ৰবিবর্মন আৰু ৰাৰেংগলৰ কাকতীয় সকলে পাণ্ড্যৰ ৰাজ্যৰ এই বিশৃংখলতাৰ সুযোগ গ্রহণ কৰে। গতিকে পাণ্ড্য ৰাজ্য সকলো ফালৰ পৰা শত্রুপক্ষৰ হেচাৰ সন্মুখীন হ'বলগা হৈছিল আৰু এটা সময়ত পতন হ'ব লগা হ'ল।

১৩.৭ চোলসকল

নৱম শতিকাৰ শেষভাগত পল্লৱসকলৰ পতনৰ পিছত চোল সকল এক নতুন শক্তি হিচাপে দাক্ষিণাত্যৰ ৰাজনৈতিক ইতিহাসত ভুমুকি মাৰে। চোল সাম্রাজ্যৰ প্রতিষ্ঠাপক বিজয়ালয় কাঞ্চিৰ পল্লৱসকলৰ এজন তলতীয়া শাসক আছিল। পল্লৱ আৰু পাণ্ড্যসকলৰ সংঘর্ষৰ সুবিধা লৈ তেওঁ 850 খ্রীঃত টাঞ্জোৰ অধিকাৰ কৰে। তেওঁৰ উত্তৰাধিকাৰী পুত্র প্রথম আদিত্যই। 903খ্রীঃত পল্লৱ ৰজা অপৰাজিতক পৰাজিত কৰি পল্লৱ ৰাজ্যৰ অধিকাংশ অঞ্চল অধিকাৰ কৰে। নৱম শতিকাৰ ভিতৰত পল্লৱসকলক চোলসকলে সম্পূর্ণৰূপে পৰাজিত কৰে। তাৰোপৰি চোলসকলে পাণ্ড্যসকলকো পৰাস্ত কৰিছিল। ৰাষ্ট্রকূট ৰজা কৃষ্ণ দ্বিতীয়ই তেওঁৰ জীয়ৰীক চোল ৰজা আদিত্যলৈ বিয়া দিছিল আদিত্যৰ উত্তৰাধিকাৰী (পুত্র) পৰণ্টক প্রথমে 907 খ্রীঃত চোলসকলৰ শক্তি সন্মান বৃদ্ধি কৰিছিল। তেওঁ পাণ্ড্য ৰজা দ্বিতীয় ৰাজসিংহক পৰাস্ত কৰি মাডুৰাই অধিকাৰ কৰিছিল। তেওঁ 'মাডুৰাইকোন্দ' উপাধি গ্রহণ কৰিছিল। অৱশ্যে প্রথম পৰণ্টকৰ সময়ত ৰাষ্ট্রদূত ৰজা তৃতীয় কৃষ্ণই চোল ৰাজ্য আক্রমণ কৰি 949 খ্রীঃৰ 'টৌক্কলম'ৰ যুদ্ধত পৰণ্টকক পৰাস্ত কৰে। ফলত সন্ধি অনুসৰি চোল সকলে টৌন্দমণ্ডলম খন ৰাষ্ট্রকূটসকলক দিব লগা হৈছিল। এই পৰাজয়ে চোলসকলক লজ্জাত পেলাইছিল। যদিও ইয়াক পুনৰোদ্ধাৰ কৰিবলৈ বেছি সময় লগা নাছিল। দ্বিতীয় পৰণ্টকে টোন্দমণ্ডলম পুনৰোদ্ধাৰ কৰি চোল ক্ষমতা পুনৰ বৃদ্ধি কৰিছিল।

চোলসকলৰ শক্তি ক্ষমতাই উচ্চতম শিখৰত উপনীত হৈছিল আৰু মলিবর্মনৰ ৰাজত্বকালত। তেওঁ 985 খ্ৰীঃত নিজকে প্ৰথম ৰাজাৰাজা হিচাপে নামকৰণ কৰিছিল। তেওঁ ৰাজত্বকালত সাম্ৰাজ্যৰ সীমা বৃদ্ধি আৰু ৰাজ্যৰ সুসংগঠিত প্ৰশাসনিক ব্যৱস্থাৰ সাক্ষ্যস্বৰূপ আছিল। তেওঁৰ এক শক্তিশালী পদাতিক আৰু নৌবাহিনী আছিল যিয়ে চেৰা, পাণ্ড্য, চেইলন আৰু ভেংগিৰ চালুক্যসকলক পৰাস্ত কৰিছিল। চেইলনৰ ৰজা পলুন্নৰুভত চোল ৰাজধানী পাতিছিল। ইয়াৰোপৰি তেওঁ মশীসূৰ তাঞ্জোৰ, মালদ্বীপ অধিকাৰ কৰিছিল। প্ৰথম ৰাজাৰাজাই বৃহেদেশ্বৰত এটা শিৰ আৰু মাঞ্জোৰত এটা ৰাজাৰাজ মন্দিৰ নিৰ্মাণ কৰোৱাইছিল। এই মন্দিৰৰ নিৰ্মাণ কার্য 1010 খ্ৰীঃত সম্পূৰ্ণ হৈছিল। তেওঁৰ উত্তৰাধিকাৰী (পুত্ৰ) ৰাজেন্দ্ৰ প্ৰথমে 1014 খ্ৰীঃত সিংহাসনত বহে। দেউতাৰ দৰে প্ৰথম ৰাজাৰাজাইয়ো আগ্ৰাসী নীতি গ্ৰহণ কৰি সিংহল অধিকাংশ অকলে অধিকাৰ কৰি লয়। তেওঁ বংগৰ পাল ৰজা মহিপালক 1022 খ্ৰীঃত পৰাজিত কৰি বিজয় উৎসৱৰ জৰিয়তে 'গোংগাইকোণ্ড চোল' উপাধি গ্ৰহণ কৰে। প্ৰথম ৰাজাৰাজাই কাবেৰী নদীৰ অৱবাহিকা অন্দলত এখন নতুন ৰাজধানী চহৰ নিৰ্মাণ কৰে যকে 'গোংগাইকোণ্ড চোলপুৰম' নামে জনা যায়। তেওঁৰ শক্তিশালী নৌবাহিনীৰ জৰিয়তে মালয় উপত্যকা শ্ৰী বিজয়া সাম্ৰাজ্য, জাভা আৰু ইয়াৰ ওচৰ চুবুৰীয়া অঞ্চলসমূহ নিজৰ অধীন কৰি চীনৰ লগত থকা সাগৰীয় বাণিজ্য নিজৰ নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয়। তেওঁ চীনলৈ ৰাজনৈতিক আৰু বাণিজ্যিক উদ্দেশ্যত দুটা কুটনৈতিক অভিযান পঠাইছিল।

প্ৰথম ৰাজেন্দ্ৰ উত্তৰাধিকাৰী হিচাপে তেওঁৰ পুত্ৰ ৰাজাধিৰাজ প্ৰথম 1044 খ্ৰীঃত চোল ৰজা হয়। তেওঁ পাণ্ড্যসকলৰ বিদ্ৰোহ দমন কৰি সিংহলত শত্ৰুপক্ষক পৰাস্ত কৰি তাৰ অধিকাংশ অঞ্চল অধিকাৰ কৰি লয়। তেওঁ কল্যাণী লুটপাট কৰাৰ পাছত তাতে বিজয় উৎসৱ পাতি 'বিজয়ৰাজেন্দ্ৰ' উপাধি গ্ৰহণ কৰে। তেওঁ চালুক্য ৰজা প্ৰথম সোমেশ্বৰৰ লগত কোপ্পামত যুদ্ধ কৰি থকা সময়ত মৃত্যু মুখত পৰে। তাৰ পাছত ভায়েক দ্বিতীয় ৰাজেন্দ্ৰ সিংহাসনত বহি কুদল সংগসমৰ যুদ্ধত প্ৰথম সোমেশ্বৰক পৰাস্ত কৰে। চোল সাম্ৰাজ্যৰ পিছৱজন ৰজা আছিল বীৰৰাজেন্দ্ৰ প্ৰথম (1063-1070 A.D) তেওঁ চালুক্যসকলক পৰাস্ত কৰি টুংগভদ্ৰা নদীৰ পাৰত বিজয়স্তম্ভ এটা নিৰ্মাণ কৰিছিল।

বীৰ ৰাজেন্দ্ৰ উত্তৰাধিকাৰী আছিল কুলোটুংগ প্ৰথম (1070-1122 A.D) তেওঁ প্ৰথম ৰাজৰাজাৰ নাতি আছিল। তেওঁ কেৰেলা আৰু পাণ্ড্য শাসকক পৰাজিত কৰিছিল। তেওঁৰ ৰাজত্বকালত সিংহাসনৰ ৰজা বিজয়বাবুই চোলসকলৰ কতৃত্ব অস্বীকাৰ কৰি নিজকে স্বাধীন ঘোষণা কৰিছিল। প্ৰথম কুলোটোংগই শ্ৰীবিজয়াৰ লগত সৌহাদ্য পূৰ্ণ সম্পৰ্ক অব্যাহত ৰাখি চীনলৈ 72 জনীয়া সদাগৰী দল এটা ৰাষ্ট্ৰদূত হিচাপে পঠাইছিল। তেওঁ 'সুংগমটাবিত্ত' (Suagam Tavirtta) উপাধি গ্ৰহণ কৰিছিল।



জানি থোৱা ভাল


কুলোটোংগা প্রথম ভেংগিৰ ৰাজেন্দ্র নৰেন্দ্র আৰু চোলে ৰাজকুমাৰী অমংগদেৰী (প্রথম ৰাজেন্দ্র চোলৰ জীয়ৰী)ৰ সন্তান আছিল। ইয়াৰ ফলস্বৰূপে কুলোটোংগই ভেংগিৰ পূব চালুক্য আৰু থাঞ্জাভূৰোৰ চোল সকলক একত্রিত কৰি এখন ৰাজ্য প্রতিষ্ঠা কৰিছিল।

কুলোটোংগৰ উত্তৰাধিকাৰী শাসকসকল দুর্বল আছিল আৰু তেওঁলোকৰ পৰৱর্তী চালুক্য সকলৰ লগত ভেংগি, টুংগভদ্রা, গংগাৰ অৱবাহিকা অঞ্চলৰ 13 শতিকাৰ শেষভাগৰ পৰা চোলসকলৰ পতন আৰম্ভ হৈছিল। খ্রীষ্টীয় 1297 চনত পাণ্ড্য ৰজা সুন্দৰে কাঞ্চি অধিকাৰ কৰি লয় লগতে হয় চাল সকলেও ৰাজ্যৰ কিছু অংশ অধিকাৰ কৰে। ইয়াৰ লগে লগে চোলসাম্রাজ্য পতন হয়।

চোল ৰাজ্যত ৰাজতান্ত্রিক শাসন ব্যৱস্থা প্রচলিত আছিল আৰু ৰজা আছিল শাসন ব্যৱস্থাৰ মুৰব্বী। দেশৰ প্রশাসন ব্যৱস্থা সুচাৰুৰূপে পৰিচালিত হ'বৰ বাবে ৰজাক সহায় কৰিবলৈ মন্ত্রী পৰিষদ আছিল। ৰাজ্যৰ শাসন ব্যৱস্থাত আন এক শ্রেণীৰ লোকে নিষ্ঠাৰে সেৱা আগবঢ়াইছিল আৰু বিনিময়ত তেওঁলোকৰ পদমর্যদা অনুসৰি এটুকুৰা ভূমি দিয়া হৈছিল যাক 'জিভিতা' বুলি কোৱা হৈছিল। চোলসকলৰ শক্তিশালী পদাতিক অশ্বাৰোহী, হস্তী বাহিনী আছিল। তেওঁলোকে এক শক্তিশালী নৌবাহিনীও গঠন কৰিছিল। চোল শাসনৰ ৰাজহ কৰ আছিল আয়ৰ প্রধান উৎস।

চোল সাম্রাজ্যৰ শাসনৰ সুবিধার্থে বিভিন্ন প্রদেশ বা মণ্ডলমত ভাগ কৰা হৈছিল। প্রদেশবোৰক ভাল্লানদোচ (ভাগ) নাড়ু (জিলা) আৰু জিলাবোৰক কুৰ্মচ (গাঁও) ত ভাগ কৰা হৈছিল।

গাঁওসমূহ আছিল চোল প্রশাসনৰ প্রাথমিক গোট। উয়াৰ স্থানীয় নিকায়সমূহৰ শাসন ব্যৱস্থাৰ বাবে চোল সকলে জনাজাত। প্রত্যেকখন গাঁৱৰ শাসন পৰিচালিত কৰিবলৈ একোখনকৈ গাঁও সভা আছিল। তাৰোপৰি তাত উৰ, সভা বা মহাসভা আৰু নাগোৰাম নামৰ তিনিখন অন্য অনুষ্ঠানো আছিল। উৰ হৈছে গাঁৱৰ সাধাৰণ সভা য'ত গাঁৱৰ সকলো কৰদাতা ইয়াৰ সদস্য আছিল। সভা বা মহাসভা ব্রাহ্মণসকল এক অনুষ্ঠান যিয়ে ইয়াৰ নিজৰ সমিতি Variyam ৰ সহায়ত কার্য পৰিচালনা কৰে। আনহাতে সদাগৰ সকলৰ অনুষ্ঠানৰ নাম আছিল নাগাৰাম যিবোৰ সাধাৰণতে বাণিজ্য কেন্দ্র সমূহত দেখা গৈছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ৬ঃ কোনজন পাণ্ড্য ৰজাই 'মহাকাপধিৰাজ শ্রী পৰমেশ্বৰৰ উপাধি গ্রহণ কৰিছিল।

.....

প্রশ্ন নং ৭ঃ চোল সাম্রাজ্যৰ প্রতিষ্ঠাপক কোন?

.....

প্রশ্ন নং ৮ঃ কোনজন চোল শাসকে মাভুতাইকোন্দ উপাধি লৈছিল।

.....

প্রশ্ন নং ৯ঃ বৃহদেশ্বৰ শিৱ মন্দিৰ কোনজন চোল শাসকে নির্মাণ কৰিছিল।

.....

প্রশ্ন নং ১০ঃ সুংগম টাবিৰচ' কোনজন চোল শাসকে উপাধিটো লৈছিল।

.....



১৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- পৰৱর্তী গুপ্তযুগত চালুক্যসকলৰ উত্থান সম্পর্কে জানিব পাৰিলো। তেওঁলোক দক্ষিণ ভাৰতৰ এক গুৰুত্বপূর্ণ আঞ্চলিক শক্তি আছিল। তেওঁলোকে ভাৰতৰ চাৰিটা অঞ্চলত বিভিন্ন সময়ত শাসন কৰিছিল। সেয়েহে তেওঁলোকৰ ঠাইৰ নামেৰে জনা যায়, যেনে বাদামিৰ চালুক্য, ভেংগিৰ চালুক্য, কল্যানীৰ চালুক্য আৰু অনহিলৱাভাৰ চালুক্য।
- বাদামিত চালুক্য শাসন জয়সিংহ আৰু তেওঁৰ পুত্র ৰানাৰাগে আৰম্ভ কৰিছিল। বাদমিৰ চালুক্য শাসনৰ প্রকৃত প্রতিষ্ঠাপক হ'ল পুলকেশি প্রথম (550-566 A.D)। তেওঁ বাদমি বা বাটাপিক ৰাজধানী হিচাপে ঘোষণা কৰিছিল। বাদামিৰ চালুক্য ৰাজ্যও শক্তি, কমতা, গৌৰৱ বৃদ্ধি কৰিছিল ২য় পুলকেশিয়ে। কিন্তু ৬৪২ খ্রীঃত পল্লৱ ৰজা ১ম নৰসিংহ বর্মনে চালুক্য ৰাজধানী বাদামি অধিগ্রহণ কৰি ২য় পুলকেশিক হত্যা কৰে।
- প্রথম বিক্রমাদিত্যৰ পুলকেশিৰ উত্তৰাধিকাৰী আছিল। তেওঁ পল্লৱসকলৰ হাতৰ পৰা হেৰুৱা ৰাজ্য পুনৰ অধিকাৰ কৰে আৰু পল্লৱ ৰাজধানী কাঞ্চি লুটপাত কৰে। চালুক্য সকলৰ শেষজন ৰজা হ'ল ২য় কীতিবর্মন। তেওঁক দান্তিদুর্গ নামৰ এজন অধীন সামন্তই পৰাস্ত কৰি বাদমিত এটা নতুন বংশ প্রতিষ্ঠা কৰে ৰাষ্ট্রকূট বংশ। বাদমিৰ চালুক্যসকলে কলা, স্থাপত্য আৰু মন্দিৰ নির্মাণত বিশেষ অৱদান আগবঢ়াইছিল।
- ২য় পুলকেশিৰ ভাতৃ বিষ্ণুবর্ধনে ভেংগিক ৰাজধানী হিচাপে লৈ স্বাধীনতা ঘোষণা কৰে। ইয়াৰ লগে লগে ইয়াক ভেংগিৰ পূব চালুক্য নাথে জনজাত হয়। তৃতীয় বিক্রমাদিত্য এই বংশৰ মহান শাসক আছিল। তেওঁ সাম্রাজ্যবাদী নীতি গ্রহণ কৰিছিল। কিন্তু তেওঁৰ উত্তৰাধিকাৰীসকল দুর্বল হোৱা হেতুকে ভেংগি চোলসাম্রাজ্যৰ এটা অংশ হৈ পৰে। এই বংশ ১০৭৫ খ্রীঃৰ পৰা পতন হয়।

- দ্বিতীয় তেইল'ই ৯৭৪-৭৫ খ্ৰীঃত ৰাষ্ট্ৰকূটসকল বিতাড়িত কৰি কল্যানীক ৰাজধানী হিচাপে লৈ এক নতুন শাসন প্ৰৱৰ্তন কৰে। যাক পৰৱৰ্তী চালুক্য বা কল্যাণীও চালুক্য নাথে জনা যায়। কল্যানীৰ চালুক্যসকলৰ ভিতৰত শক্তিশালী ৰজা আছিল— প্ৰথম সোমেশ্বৰ আৰু ষষ্ঠ বিক্ৰমাদিত্য (ষষ্ঠ)। খ্ৰীষ্টিয় ১২ শতিকাত কল্যাণীৰ চালুক্যসকলৰ শাসন অন্ত পৰে।
- পৰৱৰ্তী গুপ্তযুগত দাক্ষিণাত্যত উত্থান হোৱা আন এক ৰাজনৈতিক শক্তি হ'ল চেৰা সকল। কিন্তু চেৰাসকলৰ বিষয়ে জানিবলৈ তথ্যও অভাব। অশোকৰ II Rock Edict ত সংক্ষেপে চেৰাসকলৰ বিষয়ে উল্লেখ আছে। যিয়ে ওচৰ চুবুৰীয়া ভালেমান অঞ্চল নিজৰ অধিগ্ৰহণ কৰিছিল। চেৰাসকলে খ্ৰীষ্টিয় অষ্টম শতিকাৰ শেষ ভাগত পাণ্ড্যসকলৰ আক্ৰমৰ সন্মুখীন হৈছিল। পাণ্ড্য ৰজা ১ম ৰাজাসিংহ, বৰগুনা ১ম আদিয়ে চেৰাসকলৰ পৰা কংগোদেশ, বেনাভা অধিকাৰ কৰিছিল।
- চোলসকলৰ পতনৰ সুবিধা লৈ চেৰা ৰজা বীৰ কেৰেলাই নিজকে স্বাধীন ঘোষণ কৰে। কিন্তু খ্ৰীষ্টিয় ১৩ শতিকাত পাণ্ড্য ৰজা জাটবৰ্মনে চেৰাসকলক নিজৰ অধীন কৰে। পৰৱৰ্তী চেৰা শাসকসকল দুৰ্বল হোৱা হেতু দাাক্ষিণাত্যত চেৰা ইতিহাসৰ অন্ত পৰে।
- দাক্ষিণাত্যৰ আন এক আঞ্চলিক শক্তি হ'ল পাণ্ড্যসকল। তেওঁলোকৰ বিষয়ে কৌটিল্যৰ অৰ্থশাস্ত্ৰ, মহাবংশ, থেগাস্থি পিছৰ টোকা, হাতীগুখ্যা শিলালিপি, টেবুৰ লিখনি টলেমি ভূগোল আৰু অশোকৰ ২য়, ৩য় শিলালিপিত উল্লেখ আছে।
- চোল সাম্ৰাজ্যৰ প্ৰতিষ্ঠাপক আছিল কাঞ্চীৰ পল্লৱসকলৰ জাইগীৰদাৰ বিজয়ালয়। ৰজা ১ম পৰাণ্টকই চোলসকলৰ শক্তি, সন্মান বৃদ্ধি কৰিছিল। চোল ৰজা আৰু মলি বৰ্মনৰ ৰাজত্বকালত ই ক্ষমতাৰ উচ্চ শিখৰত উঠিছিল। চোল সাম্ৰাজ্যৰ ১ম ৰাজেন্দ্ৰ, ১ম ৰাজাধিৰাজ, ২য় ৰাজেন্দ্ৰ, ১ম কুলোটুংগ একো একোজন শক্তিশালী শাসক আছিল। কিন্তু পিছৰ উত্তৰাধিকাৰীসকল দুৰ্বল হোৱা বাবে খ্ৰীষ্টিয় ১৩ শতিকাৰ শেষ ভাগৰ পৰা ইয়াৰ পতন আৰম্ভ হয়। খ্ৰীষ্টিয় ১২৯৭ত পাণ্ড্য ৰজা সুন্দৰে কাঞ্চি অধিকাৰ কৰাৰ লগতে হয়চাল সকলেও অন্যান্য অঞ্চলসমূহ অধিকাৰ কৰে। যিয়ে চোলসকলৰ ৰাজনৈতিক ইতিহাসৰ অন্ত পেলায়।



১৩.৯ অধিক জানিবলৈ

১) Tripathi, R (1999), *History of Ancieal India,* Delhi Matilal Bararsidas Pub.

২) Mahajan, V. D. (2002) *Ancient India, Chand & Company Ltd.*

৩) Maiti, P (1998), *Studies in Ancient India,* Shreedar Pub. Kolkata

৪) ভাৰত বুৰঞ্জী, প্ৰফুল্ল কুমাৰ বৰুৱা।



১৩.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ পুলকেশি প্রথম।

২ নং প্রশ্নৰ উত্তৰঃ টাইল ২য়।

৩ নং প্রশ্নৰ উত্তৰঃ ক্রিপাৰ।

৪ নং প্রশ্নৰ উত্তৰঃ মহেন্দ্র বর্মন ১।

৫ নং প্রশ্নৰ উত্তৰঃ নৰসিংহ বর্মন ২য়।

৬ নং প্রশ্নৰ উত্তৰঃ জাটবর্মন সুন্দৰ পাণ্ড্য।

৭ নং প্রশ্নৰ উত্তৰঃ বিজয়ালয়।

৮ নং প্রশ্নৰ উত্তৰঃ পৰাণ্টক ১ম।

৯ নং প্রশ্নৰ উত্তৰঃ ৰাজাৰাজ ১ম।

১০ নং প্রশ্নৰ উত্তৰঃ কুলোটোংগ ১ম।



১৩.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ ৫০ টা শব্দৰ ভিতৰত উত্তৰ দিব)

প্রশ্ন ১ঃ বিষ্ণুবর্ধন কোন আছিল?

প্রশ্ন ২ঃ ৰাষ্ট্রকূট বংশৰ প্রতিষ্ঠাপক কোন?

প্রশ্ন ৩ঃ বাটাপিকোণ্ড উপাধি কোনে লৈছিল?

প্রশ্ন ৪ঃ পল্লৱসকলৰ শেষৰ শাসকজন কোন?

প্রশ্ন ৫ঃ দশকুমাৰচৰিতমৰ লিখক কোন?

প্রশ্ন ৬ঃ অর্থশাস্ত্র কোনে লিখিছিল?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিব)

প্রশ্ন ১ঃ বাদামিৰ চালুক্য শাসকসকলৰ পৃষ্ঠপোষকতাত নির্মাণ কৰা দুটা মন্দিৰৰ নাম উল্লেখ কৰা।

প্রশ্ন ২ঃ পল্লৱ শাসকসকলে নির্মাণ কৰা দুটা মন্দিৰৰ নাম উল্লেখ কৰা।

প্রশ্ন ৩ঃ চেৰা ৰাজ্যৰ দুটা প্রাকৃতিক বন্দৰৰ নাম লিখা।

প্রশ্ন ৪ঃ মালিক কাফুৰ কোন?

প্রশ্ন ৫ঃ 'উৰ' কি?

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ ৩০০-৩৫০ টা শব্দৰ ভিতৰত উত্তৰ দিব)

প্ৰশ্ন ১ঃ পৰৱৰ্তী গুপ্ত যুগত দাক্ষিণাত্যত চালুক্যসকল এক প্ৰধান ৰাজনৈতিক শক্তি হিচাপে কিদৰে উত্থান হৈছিল আলোচনা কৰা।

প্ৰশ্ন ২ঃ পল্লৱসকলৰ ৰাজনৈতিক ইতিহাস সম্পৰ্কে বিশ্লেষণ আগবঢ়োৱা।

প্ৰশ্ন ৩ঃ চেৰা ৰাজ্য সম্পৰ্কে এটা চমুটোকা লিখা।

প্ৰশ্ন ৪ঃ পাণ্ড্যসকলৰ ৰাজনৈতিক ইতিহাস সম্পৰ্কে মূল্যায়ন আগবঢ়োৱা।

প্ৰশ্ন ৫ঃ দাক্ষিণাত্যত চোলসকল এক প্ৰধান ৰাজনৈতিক শক্তি হিচাপে কিদৰে চিহ্নিত হৈছিল বিশদভাৱে আলোচনা কৰা।

*** ***** ***

অধ্যায় ১৪ ঃ আদি মধ্যযুগৰ ভাৰতৰ উত্তৰণ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ দাক্ষিণাত্যৰ শাসন প্ৰণালী
১৪.৪ সমাজ-ব্যৱসায় বাণিজ্য
১৪.৫ পুষ্যভূতিসকল
১৪.৬ থানেশ্বৰৰ হৰ্ষবৰ্ধন
১৪.৭ হৰ্ষবৰ্ধনৰ কামৰূপত্ৰ ৰপাৰ লগত সম্পৰ্ক
১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৯ অধিক জানিবলৈ
১৪.১০ অগ্ৰগতিৰ খতিয়ান
১৪.১১ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্ৰাক্ মধ্যযুগৰ দাক্ষিণাত্যৰ শাসন প্ৰণালীৰ প্ৰকৃতি সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব,
- দাক্ষিণাত্যৰ সমাজ ব্যৱস্থাৰ লগতে ব্যৱসায় বাণিজ্যৰ উত্থান সম্পৰ্কে আলোচনা কৰিব পাৰিব,
- থানেশ্বৰ পুষ্যভূতি ৰাজবংশ আৰু এই বংশৰ উল্লেখযোগ্য শাসক হৰ্ষবৰ্ধনৰ বিষয়ে মূল্যায়ন কৰিব পাৰিব,
- কামৰূপৰ ৰজা আৰু থানেশ্বৰৰ হৰ্ষবৰ্ধনৰ মাজৰ সম্বন্ধ আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

আমি আগৰ অধ্যায়ত আদি মধ্য ভাৰত বিশেষকৈ দক্ষিণ ভাৰতত যথেষ্ট সংখ্যক ৰাজনৈতিক শক্তিৰ উত্থান সম্পৰ্কে আলোচনা কৰিছো। তাৰ ভিতৰত উল্লেখ্য আছিল চালুক্য, পল্লৱ, চেৰা, পাণ্ড্য আৰু চোল সকল, যিয়ে নিজ নিজ ৰাজনৈতিক আধিপত্য স্থাপনৰ বাবে শক্তি ক্ষমতাত নিয়োজিত আছিল। সি যি নহওক তেওঁলোকৰ এই সংঘৰ্ষৰ উপৰিও তেওঁলোকৰ এক সুসংগঠিত শাসন ব্যৱস্থা আছিল যিয়ে ৰাজ্য শাসনত বা অধিকৃত প্ৰদেশবোৰত স্থিতাৱস্থা প্ৰদান কৰিছিল। যাৰফলস্বৰূপে সমাজত শান্তি সমৃদ্ধি প্ৰতিষ্ঠা হৈছিল, যিয়ে দক্ষিণ ভাৰতত ব্যৱসায় বাণিজ্য উত্তৰণত উৎসাহ যোগাইছিল। সেয়েহে আমি এই অধ্যায়তিত দক্ষিণাত্যৰ ৰাজনীতি

সামাজিক অৱস্থা, আৰু ব্যৱসায় বাণিজ্য উত্থান সম্পর্কে আলোচনা কৰিম। তাৰোপৰি ইয়াৰ লগত সংলগ্ন কৰি আমি উত্তৰ ভাৰতত উত্থান হোৱা এক ৰাজনৈতিক শক্তি পুষ্যভূতি সকলৰ বিষয়েও অধ্যয়ন কৰিম। এই ক্ষেত্রত পুষ্যভূতি সকলৰ বিখ্যাত ৰজা হর্ষবর্ধন আৰু তেওঁৰ কামৰূপৰ বর্মন বংশৰ ৰজা ভাস্কৰ বর্মনৰ লগত থকা সম্পর্কৰ বিষয়ে আলোচনা কৰিম।

১৪.৩ দাক্ষিণাত্যৰ শাসন নীতি

দাক্ষিনাত্যৰ শাসক সকলৰ ৰাজনীতি বা প্রশাসন সম্পর্কীয় ব্যৱস্থাৱলী প্রশংসনীয় আৰু গুৰুত্বপূর্ণ আছিল। সেই সময়ৰ তাকৰীয়া তথা শেহতীয়া যোগাযোগ ব্যৱস্থা বাবেই এক দীঘলীয়া সময়ৰ বাবে অধিকৃত প্রদেশবোৰত শাসন কৰিবলৈ সফল হৈছিল। তাৰোপৰি উল্লেখযোগ্য কথাটো হ'ল যে দাক্ষিণাত্যৰ ৰাজবংশ সমূহৰ প্রশাসন যন্ত্র বা নীতিবোৰ একে আছিল। মাথোন সময় সাপেক্ষে সাংবিধানিক ক্ষেত্রত কিছু পৰিৱর্তন ঘটোৱা হৈছিল। বিভিন্ন বিষয়া সমূহৰ পদবীসমূহ সলনি কৰা হৈছিল যদিও তেওঁলোকৰ দায়িত্ব বা কাম একে আছিল।

ভাৰতবর্ষৰ অন্যপ্রান্তৰ দৰে দাক্ষিণাত্যতো ৰাজতান্ত্রিক শাসন ব্যৱস্থা প্রচলিত আছিল। তেওঁলোকে বংশগত ৰাজতন্ত্রত বিশ্বাস কৰিছিল। ৰজাই জ্যেষ্ঠ ৰাজকুমাৰজনক যুৱৰাজ হিচাপে নিযুক্তি দিছিল। ৰজাৰ মৃত্যুৰ পাছত যুৱৰাজে সিংহাসনত আৰোহণ কৰিছিল। কিন্তু যদি কেতিয়াবা কনিষ্ঠ ৰাজকুমাৰজন জ্যেষ্ঠ জনতকৈ বেছি বুদ্ধিমান বা শাসন, ৰাজনীতিত পাকৈত হ'লে কনিষ্ঠজনক অগ্রাধিকাৰ দিয়া হৈছিল। যদি কেতিয়াবা ৰজাজন নাবালক হয় তেন্তে তেওঁৰ সম্পর্কীয় এজন লোকক অভিভাৱক হিচাপে শাসন কৰিবলৈ সম্পূর্ণ ক্ষমতা দিয়া হৈছিল।

দাক্ষিণাত্যৰ শাসকসকলে শাসনৰ সুবিধার্থে ৰাজ্যখনক ভালেমান প্রদেশত ভাগ কৰিছিল। প্রদেশবোৰক ভুক্তি, ভূমি, মণ্ডল বা মণ্ডলম নামেৰে জনা গৈছিল। আকৌ প্রদেশবোৰক সৰুভাগত ভাগ কৰা হৈছিল যাক কত্তম (Kottam) বা বালান্ধু (Valandhu) বোলা হৈছিল যাক আকৌ কিছুমান সৰু সৰু ভাগত বিভক্ত কৰা হৈছিল যাক জিলা বা নাদু (Nadu) নামেৰে জনা গৈছিল নাদুসমূহ আছিল ভালেসংখ্যক গাঁৱৰ সমষ্টি যাক একেলগে কৰাম (Kurram) বোলা হৈছিল। প্রশাসনৰ নিম্নতম গোট বা পর্যায়টো হৈছে গাঁও যাক গ্রাম বা গ্রামম বোলা হৈছিল। শাসন ব্যৱস্থা সুচাৰুৰূপে পৰিচালিত কৰিবৰ বাবে কেন্দ্রীয়, প্রাদেশিক, স্থানীয় আদি বিভিন্ন পর্যায়ত বিষয়া সকলক নিয়োগ কৰা হৈছিল। কেতিয়াবা সামৰিক আৰু অসামাজিক বিষয়াসকলৰ কাম বা দায়িত্বসমূহৰ সমতা চিনাক্তকৰণ কৰাত অসুবিধাৰ সৃষ্টি হৈছিল। এই বিষয়া সকলৰ উপৰিও আন কিছুমান বিকল্প যেনে মন্ত্রী (Ministers) আৰু অমত্য (arrntya) সকলে ৰাজ্যৰ শাসন ব্যৱস্থাত সহায় কৰিছিল। সম্ভৱত ৰজাক পৰামর্শ দিবলৈ মন্ত্রী পৰিষদ নাছিল যাৰবাবে হয়তু ৰজাসকলে সর্বশক্তিমান হিচাপে ৰাজ্য শাসন কৰিছিল। দাক্ষিণাত্যৰ শাসকসকলৰ কিছুমান তলতীয়া সামন্ত প্রভু আছিল যাক মহাসামন্ত বা সামন্ত নামেৰে জনা গৈছিল। যিয়ে ৰজাক যুদ্ধৰ সময়ত সৈন্য আৰু অর্থৰে সহায় আগবঢ়াইছিল।

ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাৰ নিম্নতম পৰ্যায়টো হৈছে গাঁও। গাঁও য'ত এখন গাঁওসভা আছিল যাক সভা বা মহাসভা নামেৰে জনা গৈছিল। এইবোৰ ৰাজকীয় বিষয়াৰ পৰামৰ্শ মতে চলিছিল যদিও গ্ৰাম্যঞ্চলৰ সকলো কাৰ্যত স্বতন্ত্ৰ অধিকাৰ পাইছিল। মহাসভাই বিভিন্ন উপকমিতিবোৰৰ নিজ নিজ কাম যেনে মন্দিৰ ৰাজহুৱা স্নানাগাৰ, বাগিছা, পথাৰ, নাদ বা পুখুৰী কমিটি আদিৰ কামৰ তদাৰক কৰিছিল। গাঁওসভাৰ সদস্যসকলক নিৰ্বাচনৰ জৰিয়তে নিযুক্তি দিয়া হৈছিল। এজন সদস্যই এবছৰৰ বাবেহে নিৰ্বাচিত হৈছিল।

এনেদৰে দাক্ষিণাত্যৰ শাসকসকলে ৰাজ্যত এক সুশৃংখলিত শাসন ব্যৱস্থা প্ৰৰ্বতন কৰিছিল যিটোক তেওঁলোকে প্ৰাথমিক দায়িত্ব বা কৰ্তব্য হিচাপে গণ্য কৰিছিল। তেওঁলোকে জনকল্যাণৰ উদ্দেশ্য আগত ৰাখি যথেষ্ট আঁচনিও গ্ৰহণ কৰিছিল। যদিও তেওঁলোকে বৈদেশিক ক্ষেত্ৰত এক আক্ৰমণাত্মক নীতি গ্ৰহণ কৰিছিল কিন্তু ৰাজ্যৰ শান্তি সমৃদ্ধি তথা কল্যাণৰ ক্ষেত্ৰত কোনো আপোচ কৰা নাছিল।

১৪.৪ সমাজ, ব্যৱসায় বাণিজ্য

● **সমাজ**

আদি মধ্য ভাৰতত দাক্ষিণাত্যৰ সমাজ জাতি ব্যৱস্থাৰ ওপৰত আধাৰিত আছিল। সমাজখন বিভিন্ন সামাজিক গোট আৰু পণ্ডিত বিভক্ত আছিল। প্ৰতিটো জাতি জন্ম আৰু বৃত্তিৰ ওপৰত প্ৰতিষ্ঠিত আছিল। চাৰিটা মূল জাতি (ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ)ৰ বাহিৰেও আন কিছুমান উপজাতি যেনে— কাইকোল (Kaikolas), ছেট্ৰি (Chattis) কম্মল (Kammalas) আৰু অন্যান্য উপজাতি দেখিবলৈ পোৱা গৈছিল।

ব্ৰাহ্মণসকলে সমাজত উচ্চস্থান লাভ কৰিছিল। তেওঁলোকে ধৰ্মীয় অধিকাৰ আৰু অৰ্থনৈতিক ক্ষমতা দুয়োটায়ে উপভোগ কৰিছিল। তেওঁলোকক আনকি অপৰাধত নূন্যতম শাস্তিহে প্ৰদান কৰা হৈছিল। ব্ৰাহ্মণসকলৰ মূল দায়িত্ব আছিল ধৰ্মগ্ৰন্থ অৰ্থাৎ বেদ উপনিষদৰ শিক্ষা গ্ৰহণও প্ৰদান আৰু ধৰ্মীয় অনুষ্ঠান সম্পন্ন কৰা। তেওঁলোকৰ কিছুমানে মন্দিৰৰ মুখ্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁলোকৰ কম সদস্যক মানুহহে ব্যৱসায় বাণিজ্যত নিয়োজিত আছিল।

সমাজত মহিলাৰ স্থান সন্তোষজনক নাছিল। তেওঁলোকক পুৰুষতকৈ নিম্ন পৰ্যায়ৰ বুলি গণ্য কৰা হৈছিল। সমাজত সতী, শিশু বিবাহ প্ৰচলিত আছিল। কোনোবা মহিলাই সতী যাব নোৱাৰিলে সমাজত এক দুৰ্বিসহ জীৱন যাপন কৰিব লাগিছিল। মহিলাসকলক সম্পত্তি আহৰণৰ অধিকাৰ দিয়া হোৱা নাছিল। তেওঁলোক সৈনিক, মন্ত্ৰী, ৰাষ্ট্ৰদূত অথবা ৰজাৰ পৰামৰ্শদাতা হিচাপে নিযুক্তি দিয়া হোৱা নাছিল। গতিকে ই ইংগিত বহন কৰে যে মহিলাসকলক ৰাজ্যৰ কোনো কামত অংশগ্ৰহণ কৰিবলৈ দিয়া হোৱা নাছিল।

দাক্ষিণাত্যৰ সমাজত বিভিন্ন প্ৰকাৰৰ বিবাহ প্ৰথা প্ৰচলিত আছিল। জনসাধাৰণে নিৰামিষ আৰু আমিষ দুয়ো প্ৰকাৰৰ খাদ্য গ্ৰহণ কৰিছিল। বিভিন্ন ধৰণৰ বস্ত্ৰ মানুহে পৰিধান কৰিছিল।

চিলাই কতা বস্তু প্ৰচলিত আছিল যদিও নূন্যতম মানুহে তাক পৰিধান কৰিছিল। মহিলাই বিভিন্ন আ-অলংকাৰ পৰিধান কৰাৰ লগতে সুগন্ধি দ্ৰব্যও ব্যৱহাৰ কৰিছিল। জনসাধাৰণে বিশ্ৰামৰ সময়ত মনোৰঞ্জনৰ ব্যৱস্থাও কৰিছিল। তেওঁলোকে অমংগলীয়, ভূত-প্ৰেত আৰু আত্মা বিশ্বাস কৰিছিল।


- **ব্যৱসায় বাণিজ্য**

দাক্ষিণাত্যৰ ব্যৱসায় বাণিজ্যই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। দাক্ষিণাত্যৰ এই অঞ্চলটোত থকা জলশক্তি বা সাগৰীয় পথে ব্যৱসায় বাণিজ্য উত্থানত বিশেষ ভূমিকা পালন কৰিছিল। ই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ লগত ব্যৱসায়িক সম্পৰ্ক স্থাপন কৰাই নহয় পূব আৰু পশ্চিমীয়া দেশসমূহৰ লগত নিৰবচ্ছিন্নভাৱে ব্যৱসায় বাণিজ্য চলিছিল। দাক্ষিণাত্যৰ ব্যৱসায়ীসকলৰ সাগৰৰ সিপাৰৰ ভাৰতীয় উপনিবেশ সমূহৰ লগত এক ব্যৱসায়িক সম্পৰ্ক গঢ় লৈ উঠিছিল।

ব্যৱসায় বাণিজ্যৰ উত্তৰণৰ লগে লগে দাক্ষিণাত্যত ভালেসংখ্যক বস্তু উৎপাদন হৈছিল স্থানীয় বজাৰ অথবা বৈদেশিক বজাৰৰ বাবে। উন্নত মানৰ বস্ত্ৰ, নিমখ, ধাতু মৃতপাত্ৰ ই বৈদেশিক বজাৰত সমাদৰ লাভ কৰিছিল। তাৰোপৰি জলকীয়া, চন্দন কাঠ, হাতীদাঁত, উজ্জ্বল পাথৰ কফুৰ আদি আছিল ৰপ্তানিজাত সামগ্ৰী। সেই সময়ৰ দাক্ষিণাত্যৰ প্ৰখ্যাত সাগৰীয় বন্দৰ হ'ল— মহাবলীপুৰ কাবেৰীপট্টনম, কেৰেকাই, ছালিউৰ আদি।

ব্যৱসায়ী আৰু অধিক লাভজনক তথা সু-সংগঠিত কৰিবৰ বাবে কিছুমান গিল্ড বা সমবায় গঠন কৰিছিল। সৰু গিল্ডবোৰক নগৰাম (Nagaram) আৰু বৃহৎবোৰক মণিগ্ৰামন (Manigraman) বুলি জনা যায়। প্ৰতিটো গিল্ডৰ এজন মুখ্য আৰু সদস্য আছিল। তেওঁলোকে নিজ নিজ গিল্ড স্বাধীনভাৱে শাসন কৰিছিল। ৰাজ্যই তাত হস্তক্ষেপ নকৰিছিল।

গিল্ডবোৰ উৎপাদনকাৰীৰ পৰা বস্ত্ৰ ক্ৰয় কৰি আনি বজাৰত উপলব্ধ কৰাত নিয়োজিত আছিল আৰু ৰাজ্যৰ পৰা ব্যৱসায়িক ক্ষেত্ৰত সকলো সুবিধা, সুৰক্ষা লাভ কৰিছিল। কেতিয়াবা কেতিয়াবা এই গিল্ডবোৰে বেংকৰ কামো কৰিছিল। এক নিৰ্দিষ্ট পৰিমাণৰ সুতৰ হাৰত টকা জমা ৰাখিছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক

প্ৰশ্ন নং ১ঃ দাক্ষিণাত্যৰ শাসনৰ প্ৰদেশবোৰক কি নামেৰে জনা গৈছিল?

.....

প্ৰশ্ন নং ২ঃ গাঁওসভাৰ সদস্যাসকলক কিমান বছৰৰ বাবে নিৰ্বাচন কৰা হৈছিল?

.....

প্ৰশ্ন নং ৩ঃ দাক্ষিণাত্যৰ সমাজৰ দুটা উপজাতিৰ নাম লিখা।

.....

প্ৰশ্ন নং ৪ঃ সমাজত কোনে উচ্চ স্থান লাভ কৰিছিল?

.....

প্ৰশ্ন নং ৫ঃ দক্ষিণ ভাৰত দুটা প্ৰখ্যাত বন্দৰৰ নাম লিখা?

.....

প্ৰশ্ন নং ৬ঃ ক্ষুদ্ৰ গিল্ডবোৰক কি নামেৰে জনা যায়?

.....

১৪.৫ পুষ্যভূতিসকল

আদি মধ্যযুগৰ ভাৰতত উত্থান হোৱা উত্তৰ ভাৰতৰ এটা শক্তিশালী ৰাজবংশ হ'ল- পুষ্যভূতি ৰাজবংশ। এই বংশৰ প্ৰতিষ্ঠাপক শাসক জন হ'ল পুষ্যভৃতি, তেওঁৰ নামেৰে এই বংশক পুষ্যভূতি বংশ নামেৰে জনা যায়। তেওলোকে প্ৰথমতে থানেশ্বৰ (হাৰিয়ানা) আৰু পিছলৈ কনৌজ (উত্তৰ প্ৰদেশ) ৰ পৰা শাসন কৰে। এই বংশৰ প্ৰাৰম্ভিক শাসক হ' পুষ্যভূতি, নৰবৰ্দ্ধন, ৰাজ্যবৰ্ধন প্ৰথম আৰু আদিত্যবৰ্ধন, তেওঁলোকে মহাৰাজ উপাধি গ্ৰহণ কৰিছিল, সম্ভৱত তেওঁলোক গুপ্তসকলৰ তলতীয়া শাসক আছিল।

আদিত্যবৰ্ধনৰ পুত্ৰ প্ৰভাক বৰ্মন এই বংশৰ এজন অন্যতম শাসক আছিল। তেওঁ স্বাধীনভাৱে ৰাজশাসন কৰিছিল আৰু 'মহাৰাজধিৰাজ' উপাধি গ্ৰহণ কৰিছিল। তেওঁ হুন, গুৰজাৰৰ শাসক আৰু মালৱাৰৰ ৰজাক পৰাস্ত কৰিছিল। তেওঁ মৌখাৰী (Moukhari) সকলৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰি মৌখাৰী ৰজা গ্ৰহবৰ্মন (Grahavarman) লৈ জীয়ৰী ৰাজ্যশ্ৰী (Rajyashree) ক বিয়া দিছিল। প্ৰভাকৰবৰ্ধনৰ দুই পুত্ৰ ৰাজ্যবৰ্ধন আৰু হৰ্ষবৰ্ধনে ক্ৰমে এজনৰ পাছত আনজনে এই বংশৰ শাসনকৰ্তা হয়।

প্ৰভাকৰবৰ্ধনৰ মৃত্যু ৰ পাছত তেওঁৰ জ্যেষ্ঠপুত্ৰ ৰাজ্যবৰ্ধনে 605 খ্ৰীঃ সিংহাসন আৰোহন কৰে। ঠিক তেনে সময়তে মালৱাৰ ৰজা দেৱগুপ্ত আৰু গৌড়ৰ ৰজা শশাংকই কনৌজ আক্ৰমণ কৰে। দেৱগুপ্তই এই অভিমান চলাই কনৌজৰ ৰজা গ্ৰহবৰ্মনক হত্যা কৰি ৰাণী ৰাজ্যশ্ৰীৰ লগতে ৰাজ্যখন অধিকাৰ কৰে। সেয়েহে ৰাজ্যবৰ্ধনে তেওঁৰ ভনীজোবায়েকক হত্যাৰ প্ৰতিশোধ ল'বলৈ আৰু ৰাজ্যশ্ৰীৰ লগতে কনৌজ আক্ৰমণ কৰিবলৈ অভিযান চলায়। এই আক্ৰমণত তেওঁ মালৱাৰ ৰজা দেৱগুপ্তক হত্য কৰি কনৌজ উদ্ধাৰ কৰে। যদিওঁ দেৱগুপ্তৰ মিত্ৰ গৌড়ৰ ৰজা শতাংশকই তৎকালে ৰাজ্যবৰ্ধনক আক্ৰমণ কৰি পুনৰ কনৌজ অধিকাৰ কৰে।

ৰাজ্যবৰ্ধনৰ মৃত্যুৰ পাছত 16 বছৰ মান বয়সতে তেওঁৰ ভায়েক পুষ্যবৰ্মনে 606 খ্ৰীঃত সিংহাসন আৰোহন কৰে। পুষ্যভূতি বংশৰ এই শক্তিশালী মহান শাসনকৰ্তাজনৰ বিষয়ে তলৰ উপ শাখাটোত আলোচনা কৰা হ'ল।

১৪.৬ হৰ্ষবৰ্ধন

সিংহাসনত অধিষ্ঠিত হোৱাৰ লগে লগে হৰ্ষবৰ্ধনে ভালেমান সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল। তেওঁ প্ৰথমতে শশাংকক কনৌজৰ পৰা খেদি ভনীয়েক ৰাজ্যশ্ৰীক তাত প্ৰতিষ্ঠা কৰিছিল। কনৌজত সুযোগ্য উত্তৰাধিকাৰী নথকা হেতুকে ভনীয়েকৰ আহ্বানত কনৌজ শাসন কৰিবলৈ তেওঁ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ লগে লগে থানেশ্বৰ আৰু কনৌজ একত্ৰিত হয় যিয়ে তেওঁৰ স্থিতি শক্তিশালী কৰিছিল। তেওঁ আনকি ৰাজ্যৰ ৰাজধানী থানেশ্বৰৰ পৰা কনৌজলৈ তুলি নিছিল, যিহেতু কনৌজ সমগ্ৰ ৰাজ্যৰ বাবে কেন্দ্ৰস্থল আছিল।

হৰ্ষবৰ্ধনৰ নতুন উদ্যম, শক্তিয়ে সাম্ৰাজ্যৰ সীমাবৃদ্ধি কৰিবলৈ উৎসাহ যোগাইছিল। তেওঁ ভালেসংখ্যক অভিযান চলাইছিল আৰু উত্তৰ-ভাৰতৰ অধিকাংশ অঞ্চল যেনে- পঞ্জাৱ, মালৱা, মগধ, উৰিষ্যা আৰু মিথিলা নিজৰ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰি 'শিলাদিত্য' উপাধি গ্ৰহণ কৰিছিল। তাৰ পাছত তেওঁ পশ্চিম ভাৰতৰ পিনে মনোনিবেশ কৰি বল্লভী, সকলক পৰাস্ত কৰি ৰাজ্যৰ সীমা বৃদ্ধি কৰিছিল। তেওঁ সামৰিক অভিমানৰ এই ধাৰা অব্যাহত কৰিছিল। তেওঁ সামৰিক অভিমানৰ এই ধাৰা অব্যাহত ৰাখি পূব ভাৰতৰ পিনে গতি কৰে। এই অভিযানত তেওঁ কামৰূপৰ ৰজা ভাস্কৰবৰ্মনৰ লগত গৌড়ৰ ৰজা শশাংকৰ বিৰুদ্ধে মিত্ৰতা স্থাপন কৰে। যাৰ ফলস্বৰূপে তেওঁ গৌড় ৰাজ্যৰ এটা অংশ অধিকাৰ কৰিবলৈ সক্ষম হয়।

হৰ্ষবৰ্ধনৰ শক্তিশালী সামৰিক অভিযানে এখন বৃহৎ সাম্ৰাজ্য গঢ় দি তুলিছিল। একমাত্ৰ চালুক্য শাসক পুলকেশি দ্বিতীয়ৰ হাততহে তেওঁ পৰাজয় বৰণ কৰিবলগীয়া হৈছিল। এই বৃহৎ সাম্ৰাজ্যখনত হৰ্ষবৰ্ধনে সামন্তবাদ ব্যৱস্থাক অন্তৰ্ভুক্ত কৰি এক বিকেন্দ্ৰীকৃত শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। এই ব্যৱস্থাত ৰজা আছিল শাসনৰ মূল কেন্দ্ৰ, তেওঁক ৰাজকুমাৰ সকলে সহায় কৰিছিল। তেওঁ অধিকৃত অধিকাংশ প্ৰদেশই সামন্ত তন্ত্ৰৰ অধীন আছিল। প্ৰদেশবোৰত ৰাজকুমাৰ সকলক ভাইছৰয় হিচাপে নিযুক্তি দিয়া হৈছিল। শাসন ব্যৱস্থা সুচাৰুৰূপে চলিবৰ বাবে মন্ত্ৰী আৰু অন্যান্য বিষয়াবৰ্গ সকলো আছিল। শাসন জনকল্যানমুখী কৰিবৰ বাবে হৰ্ষবৰ্ধনে জনসাধাৰণৰ মতামত গ্ৰহণ কৰিবলৈ এক শ্ৰেণীৰ বিষয়া নিযুক্তি দিছিল বা ভ্ৰমণৰ সময়ত তেওঁ নিজে এই পৰামৰ্শ বা মতামত গ্ৰহণ কৰিছিল।

হৰ্ষবৰ্ধন সাহিত্য-সংস্কৃতিৰ প্ৰতিও আকৰ্ষিত আছিল। তেওঁ এজন শাসক হোৱাৰ উপৰিও, তিনিখন নাটক লিখিছিল— ৰত্নাৱলী, প্ৰিয়দৰ্শিকা আৰু নাগনন্দ। তেওঁৰ ৰাজ সভা সুশোভিত কৰা ভালেসংখ্যক সাহিত্যিকৰ ভিতৰত বানভট্ট, ময়ুৰ, ভাৰটিহাৰি আদি উল্লেখযোগ্য। তেওঁ নালন্দা বিশ্ববিদ্যালয়ৰ মুখ্য পৃষ্ঠপোষক আছিল, যি সময়ত এই বিশ্ববিদ্যালয়ত দেশী-বিদেশী মুঠ 10,000 ছাত্ৰই অধ্যয়ন কৰিছিল। তেওঁ ধৰ্মব্যৱস্থাত নিৰপেক্ষ আৰু উদাৰ নীতি গ্ৰহণ কৰিছিল। হৰ্ষবৰ্ধন জন্মগতভাৱে হিন্দু আৰু শিৱক মুখ্য দেৱতা হিচাপে উপাসনা কৰিছিল যদিও পিছৰ কালছোৱাত চীনা পৰিব্ৰাজক হউৱেন ছাং (Yran-chwang) ৰ প্ৰভাৱত বৌদ্ধ ধৰ্ম গ্ৰহণ কৰে। ইয়ান ছাংৰ ভাৰত ভ্ৰমণৰ পিছৰ পৰাই চীনৰ লগত তেওঁ কূটনৈতিক সম্পৰ্ক স্থাপন কৰে।

১৪.৭ কামৰূপৰ ৰজা ভাস্কৰ বর্মনৰ লগত হর্ষবর্ধনৰ সম্পর্ক

হর্ষবর্ষনৰ কামৰূপৰ ৰজা ভাস্কৰবর্মনৰ লগত এক নিবিড় সম্পর্ক স্থাপন হৈছিল। এই সম্পর্ক বন্ধুত্ব মূলকহে আছিল। কোনো সন্ধি সম্বন্ধীয় নহয়। এই বন্ধুত্বমূলক সম্পর্কই দুয়োজন শাসককে ৰাজনৈতিকভাৱে শক্তিশালী কৰিছিল। এই বন্ধুত্বৰ ফলতে খ্ৰীঃ 7 ম শতিকাত ভাস্কৰ বর্মনে উত্তৰ ভাৰতৰ ৰাজনীতিত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।

ভাস্কৰ বর্মনে 600 খ্ৰীঃত কামৰূপৰ সিংহাসনত আৰোহন কৰিছিল আৰু সুদীর্ঘ 50 বছৰ অর্থাৎ খ্ৰীঃ 650 লৈ শাসন কৰিছিল। তেওঁ বর্ম বংশৰ এজন সুদক্ষ শক্তিশালী শাসক আছিল। তেওঁ সিংহাসন আৰোহনৰ প্ৰাকমুহূর্তত গৌড়ৰ শাসক মহাসেন গুপ্ত আৰু শশাংকৰ হাতত কামৰূপৰ পৰাজয় আৰু পুণ্ড্রবর্ধন হেৰুৱাব লগা হোৱাত কামৰূপৰ মর্যাদা অৱনমিত হৈছিল। গতিকে ভাস্কৰবর্মনে কামৰূপৰ হেৰুৱা মর্যদা পুনউদ্ধাৰৰ বাবে গৌড়ৰ বিৰুদ্ধে কূটনৈতিক অভিযান আৰম্ভ কৰিছিল।

ঠিক তেনেসময়তে কনৌজৰ ৰজা হর্ষবর্ধনৰ লগত তেওঁৰ বন্ধুত্ব গঢ় লৈ উঠে। যিহেতু শশাংক হর্ষবর্ধনৰো মূল শত্রু আছিল। ভাস্কৰে হংসবেগ (Hamsavega) ৰ জড়িয়তে হর্ষবর্ধনৰ লগত মিত্রতা কৰিবলৈ প্রস্তাৱ প্রেৰণ কৰে। সেই সময়ত হর্ষবর্ধনৰো এজন মিত্রৰ প্রয়োজন আছিল যিয়ে শশাংকৰক এসেকা দিব পাৰিব সেয়ে তেওঁ তৎকালে ভাস্কৰবর্মনৰ প্রস্তাৱ গ্রহণ কৰে। এই দুই ৰাজতন্ত্রৰ সম্মিলিত সৈন্য বাহিনী শশাংকক অতর্কিতে আক্রমণ কৰে। হর্ষবর্ধনৰ সম্বন্ধীয় ভাতৃ ভান্দি (Banadi) য়ে পশ্চিম দিশৰ পৰা গৌড় আক্রমণ কৰে। আনহাতে পূব দিশৰ পৰা আক্রমণ কৰে ভাস্কৰবর্মনে। শশাংকই সম্মিলিত বাহিনীৰ এই আক্রমণত তিষ্ঠিব নোৱাৰি উৰিষ্যালৈ পলায় যায় আৰু তাতে 619-620 খ্ৰীঃলৈ শাসন কৰে। এই অভিযানত জয়ৰ ফলস্বৰূপে গৌড় ৰাজ্য আৰু তাৰ ৰাজধানী কর্ণসুৱর্ণ ভাস্কৰ বর্মনৰ অধীনলৈ যায়। এই ঘটনাৰ স্মৃতি ৰক্ষার্থে ভাস্কৰবর্মনে বিখ্যাত 'নিধানপুৰ শিলা লিপি' খন কর্ণসুবর্ণৰ পৰা প্রকাশ কৰে। লগতে ইয়াৰ জৰিয়তে ভৃতি বর্মনে পুণ্ড্রবর্ধনত ভূমিদান দিয়া বিষয়টো নিশ্চিত কৰে।




জানি থোৱা ভাল

হর্ষবর্ধনৰ লগত বন্ধুত্ব কৰিবলৈ ভাস্কৰবর্মনে তেওঁৰ ৰাষ্ট্রদূত হংসবেগক ভালেমান মূল্যবান বস্তু যেনে অভোগ (Abhoga) (বৰুণ দেৱতাৰ ছাতি), জীৱজন্তুৰ শিংৰে তৈয়াৰী অলংকাৰ, মুকুতাৰ মালা, ৰেচম কাপোৰ, আদিৰ সৈতে থানেশ্বৰলৈ মিত্রতাৰ প্রস্তাৱ দিবলৈ প্রেৰণ কৰিছিল।

ভাস্কৰবর্মনে হর্ষবর্মনৰ লগত কৰা মিত্রতাৰ বাবে কামৰূপৰ হেৰুৱা মর্যাদা পুনৰ লাভ কৰাই নহয় কামৰূপে কেতিয়াও লাভ নকৰা ৰাজনৈতিক গুৰুত্ব তথা ক্ষমতা লাভ কৰে। তাৰোপৰি ভাস্কৰবর্মন কনৌজৰ প্রয়াগত হর্ষবর্ধনে আয়োজন কৰা ধর্মসভালৈ নিমন্ত্রিত হৈছিল। এই সভাতে ভাস্কৰে চীনা পৰিব্রাজক ইউৱান ছাংক লগ পায় আৰু কামৰূপ ভ্রমণ কৰিবলৈ আহ্বান জনায়।

ইউবান ছাঙে ভাস্কৰৰ আমন্ত্রণ ৰক্ষা কৰি 642-43 খ্রীঃ ত কামৰূপলৈ আহে। চীনা পৰিব্রাজক জনে অসমত প্রায় এবছৰ কাল থাকি অসমৰ বিষয়ে এক টোকা যুগুত কৰি থৈ গৈছিল। তেওঁ ভাস্কৰ বর্মনৰ আতিথ্যত বাৰুকৈয়ে সন্তুষ্টি লাভ কৰিছিল আৰু কামৰূপ ৰাজ্যৰ শান্তি, সমৃদ্ধি দেখি অভিভূত হৈছিল।



অগ্রগতিৰ নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়ক—

প্রশ্ন নং ৭ঃ পুষ্যভূতি ৰাজবংশৰ প্রতিষ্ঠাপক শাসক কোন?

.....

প্রশ্ন নং ৮ঃ থানেশ্বৰত হর্ষবর্ধনে কিমান বছৰ বয়সত সিংহাসন আৰোহণ কৰিছিল?

.....

প্রশ্ন নং ৯ঃ কনৌজ আৰু থানেশ্বৰ ৰাজ্য দুখন কোনে একত্রিত কৰিছিল?

.....

প্রশ্ন নং ১০ঃ পুলকেশি ২য় কোন?

.....

প্রশ্ন নং ১১ঃ নালন্দা বিশ্ববিদ্যালয়ৰ মুখ্য পৃষ্ঠপোষক কোন আছিল।

.....

প্রশ্ন নং ১২ঃ কেতিয়া ভাস্কৰ বর্মনে কামৰূপৰ সিংহাসন আৰোহন কৰিছিল?

.....

প্রশ্ন নং ১৩ঃ ভান্দি কোন?

.....

প্রশ্ন নং ১৪ঃ গৌড়ৰ ৰাজধানী চহৰখনৰ নাম কি?

.....



১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- দাক্ষিণাত্যৰ বিভিন্ন ৰাজবংশবোৰৰ শাসক সকলৰ ৰাজ্যশাসন প্রণালী আৰু প্রশাসনিক গাঁঠনি প্রায় একে আছিল, মাত্র ভৌগোলিক ভাবেহে ৰাজ্যবোৰৰ মাজত পার্থক্য পৰিলক্ষিত হয়। তাত ৰাজতান্ত্রিক শাসন ব্যৱস্থাৰ লগতে জ্যেষ্ঠতাৰ ভিত্তিত সিংহাসন লাভৰ ব্যৱস্থা আছিল। প্রশাসনিক সুবিধার্থে ৰাজ্যখনক বিভিন্ন প্রশাসনিক গোটত বিভক্ত কৰা হৈছিল।

ৰজাক সহায় বা পৰামৰ্শ দিবৰ বাবে বিভিন্ন বিষয়া যেনে মহাসামন্ত, সামন্ত মন্ত্ৰী, অমত্য আদিক নিযুক্তি দিয়া হৈছিল।

- প্ৰাকমধ্যযুগত দাক্ষিণাত্যৰ সমাজত জাতি ব্যৱস্থা প্ৰচলিত আছিল। মূল চাৰিটা জাতিৰ উপৰিও অন্যান্য উপজাতি কিছুমানো সমাজত আছিল। পুৰুষতকৈ মহিলাসকলক নিম্নখাপৰ বুলি গণ্য কৰা হৈছিল। জনসাধাৰণৰ খাদ্য, বস্ত্ৰ, অলংকাৰ আনন্দ উল্লাসৰ প্ৰতি আগ্ৰহী আছিল।
- দাক্ষিণাত্যত সেই সময়ছোৱাত ব্যৱসায় বাণিজ্য চমকপ্ৰদভাৱে উত্থান হৈছিল। বৈদেশিক বাণিজ্য পূব আৰু পশ্চিমীয়া দেশসমূহৰ লগত সম্পন্ন কৰাৰ লগতে ভাৰতীয় উপনিবেশিক সমূহৰ লগতো সম্পাদন কৰা হৈছিল। ভৌগোলিকভাৱে সূচল অৰ্থাৎ বন্দৰ সমূহৰ জৰিয়তে বস্ত্ৰ, ধাতু, জলকীয়া, হাতীদাঁত আদি ৰপ্তানি কৰা হৈছিল।
- প্ৰাক্‌মধ্যযুগত উত্তৰ ভাৰতত পুষ্যভূতি ৰাজবংশৰ উত্থান হৈছিল। এই বংশৰ প্ৰতিষ্ঠাপক শাসক আছিল পুষ্যভূতি তেওঁৰ নামেৰে এই বংশৰ নাম পুষাভূতি বুলি জনা যায়। পুষ্যভূতি ৰজাসকলে প্ৰথমতে থানেশ্বৰ (হাডিয়ানা)ৰ পতা আৰু পিছলৈ কনৌজ (উত্তৰ প্ৰদেশ)ৰ পণ্ডা শাসন কৰিছিল। প্ৰভাকৰবৰ্ধন এই বংশৰ প্ৰথমজন উল্লেখযোগ্য শাসক। এই বংশৰ আন এজন প্ৰভাৱশালী শাসক আছিল প্ৰভাকৰবৰ্ধনৰ পুত্ৰ হৰ্ষবৰ্ধন।
- হৰ্ষবৰ্ধনে মাত্ৰ 16 বছৰ বয়সতে 606 খ্ৰীঃত থানেশ্বৰ সিংহাসনত বহে। ৰাজত্বৰ প্ৰাৰম্ভিক কালৰে পৰা তেওঁ ভালেমান সমস্যাৰ সন্মুখীন হয় যদিও সেইবোৰ তেওঁ সম্পূৰ্ণৰূপে সমাধান কৰে। তেওঁ এজন ভাল যুজাৰু আৰু শাসক আছিল। তেওঁ এখন বৃহৎ সাম্ৰজ্য শাসন কৰাৰ লগতে সাহিত্যৰো পৃষ্ঠপোষকতা কৰিছিল। তেওঁ নিজে তিনিখন নাটক লিখিছিল।
- হৰ্ষবৰ্ধনে কামৰূপ ৰজা ভাস্কৰ বৰ্মনৰ লগত বন্ধুত্বমূলক সম্বন্ধ স্থাপন কৰিছিল। উল্লেখযোগ্য যে দুয়োজন শাসকৰ ইজনে সিজনৰ বন্ধুত্বৰ বিশেষ প্ৰয়োজন আছিল। দুয়োজন শাসকৰ সন্মিলিত বাহিনীয়ে গৌড় ৰাজ্য অতৰ্কিতে আক্ৰমণ কৰি উমৈহতীয়া শত্ৰু শশাংকক পৰাস্ত কৰিছিল। এই জয়ে ভাস্কৰবৰ্মনৰ কামৰূপ ৰাজনৈতিক প্ৰতিপত্তি বৃদ্ধি কৰিছিল।



১৪.৯ অধিক জানিবলৈ

1. Chandra, Sathish(2007) *A History of Medieval India*, Orient BlackSwan, New Delhi
2. Chattopadhyaya, B.D.(1994) *The Making of Early Medieval India*, OUP
3. Maiti, Provatansu (2000): *Studies In Ancient India (Pre-Historic Age-1206 A.D.),* Sreedhar Publishers, Calcutta.



১৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ প্রদেশবোৰক ভুক্তি, ভুমি, মণ্ডল বা মণ্ডলম নামে জনা যায়।

২ নং প্রশ্নৰ উত্তৰঃ গাঁওসভাৰ সদস্যসকলক 1 বছৰলৈ নির্বাচিত কৰা হৈছিল।

৩ নং প্রশ্নৰ উত্তৰঃ কাইকোল আৰু চেট্রিছ বোলে।

৪ নং প্রশ্নৰ উত্তৰঃ দাক্ষিণাত্যৰ সমাগত ব্রাহ্মণসকলে সমাজত উচ্চস্থান লাভ কৰিছিল।

৫ নং প্রশ্নৰ উত্তৰঃ মহাৱলিপুৰম আৰু চালিউৰ।

৬ নং প্রশ্নৰ উত্তৰঃ নাগৰম।

৭ নং প্রশ্নৰ উত্তৰঃ পুষ্যভুতি

৮ নং প্রশ্নৰ উত্তৰঃ 16 বছৰ বয়সত

৯ নং প্রশ্নৰ উত্তৰঃ হর্ষবর্ধনে

১০ নং প্রশ্নৰ উত্তৰঃ বাদামিৰ চালুক্য শাসক

১১ নং প্রশ্নৰ উত্তৰঃ ৰজা হর্ষবর্ধন

১২ নং প্রশ্নৰ উত্তৰঃ ভাস্কৰবর্মনে 606 খ্রীঃত সিংহসনত বহে

১৩ নং প্রশ্নৰ উত্তৰঃ হর্ষবর্ধনৰ সম্বন্ধীয় ভাতৃ

১৪ নং প্রশ্নৰ উত্তৰঃ কর্ণসুবর্ণ



১৪.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ দাক্ষিণাত্যৰ শাসন ব্যৱস্থাত যুৱৰাজসকলক ৰজাই ক'ত নিযুক্তি দিছিল।

প্রশ্ন ২ঃ দাক্ষিণাত্যৰ সমাজত প্রচলিত দুটা সামাজিক ব্যাধি কি?

প্রশ্ন ৩ঃ দাক্ষিণাত্যৰ বন্দৰৰ পৰা ৰপ্তানি কৰা দুবিধ সামগ্রী কি কি?

প্রশ্ন ৪ঃ পুষ্যভুতি বংশৰ প্রথম জন উল্লেখযোগ্য শাসক কোন?

প্রশ্ন ৫ঃ হর্ষবর্ধনে গ্রহণ কৰা উপাধিটো কি?

প্রশ্ন ৬ঃ কামৰূপ ভ্রমণ কৰা চীনা পৰিব্রাজক জনৰ নাম কি?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ দাক্ষিণাত্যৰ প্রশাসনিক ব্যৱস্থাত গাঁওসভাৰ কাম কি আছিল।

প্রশ্ন ২ঃ সমাজত মহিলাৰ স্থান নিৰূপণ কৰা।

প্রশ্ন ৩ঃ দাক্ষিণাত্যত সদাগৰসকলে গিল্ডসমূহ কেনেদৰে প্রস্তুত কৰিছিল আৰু ইয়াৰ কাম কি আছিল?

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৩৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ দাক্ষিণাত্যৰ ৰাজনৈতিক ব্যৱস্থাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ আদি মধ্যযুগৰ ভাৰতৰ দাক্ষিণাত্যৰ সমাজৰ ওপৰত এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ৩ঃ দাক্ষিণাত্যত পুষ্যভূতিসকলৰ উত্থানৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ৪ঃ ৰজা হর্ষবর্ধনৰ সমালোচনামূলক এটি বিশ্লেষণ আগবঢ়াওক।

প্রশ্ন ৫ঃ হর্ষবর্ধন আৰু ভাস্কৰবর্মনৰ সম্পর্কৰ এটি পর্য্যালোচনা কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ আদি মধ্যযুগৰ সমাজ, ধর্ম আৰু সাংস্কৃতিক বিকাশ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ জাতিৰ উদ্ভৱ

১৫.৪ মন্দিৰৰ স্থাপত্য আৰু অন্যান্য শৈলী

১৫.৪.১ নাগাৰা শৈলী

১৫.৪.২ দ্রাবিড় শৈলী

১৫.৪.৩ বেসাৰা শৈলী

১৫.৫ বৌদ্ধ আৰু জৈন ধর্ম

১৫.৫.১ শংকৰ আৰু অদ্বৈত বেদান্ত

১৫.৬ দক্ষিণ ভাৰতত ভক্তি আন্দোলন

১৫.৬.১ নয়নাৰ আৰু আলৱাৰসকল

১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৮ অধিক জানিবলৈ

১৫.৯ অগ্রগতিৰ খতিয়ান

১৫.১০ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আদি মধ্যযুগৰ বিষয়ে আৰু লগতে বিভিন্ন জাতিৰ উৎপত্তিৰ বিষয়ে জানিব পাৰিব,
- মন্দিৰৰ স্থাপত্য আৰু ইয়াৰ বিভিন্ন শৈলীৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব,
- বৌদ্ধ আৰু জৈন ধর্মৰ লগতে শংকৰৰ দর্শন অদ্বৈত্ব বেদান্তৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- দক্ষিণ ভাৰতৰ ভক্তি আন্দোলন বিশেষকৈ আলৱাৰ আৰু নয়নাৰ সকলৰ বিষয়ে বর্ণনা কৰিবলৈ সক্ষম হ'ব।

১৫.২ পৰিচয়

ভাৰতবর্ষৰ ইতিহাসত মধ্যযুগ বুলিলে সাধাৰণতে ষষ্ঠ শতিকা অর্থাৎ গুপ্ত সাম্ৰাজ্যৰ পতনৰ পৰা অষ্টাদশ শতিকা অর্থাৎ উপনিবেশিক আধিপত্যৰ আৰম্ভণীলৈ এক দীঘলীয়া সময়ক বুজা যায়। আধুনিক কালৰ ইতিহাসবিদসকলে আলোচনাৰ সুবিধার্থে লগতে সমাজ, ৰাজনীতি আৰু সংস্কৃতিলৈ অহা পৰিৱর্তনবোৰ ভালকৈ বুজিবলৈ মধ্যযুগৰ সময়ছোৱাক আদি মধ্যযুগ আৰু পৰৱর্তী মধ্যযুগ-এই দুটা ভাগত ভাগ কৰিছে। এওঁলোকৰ মতে আদি মধ্যযুগ গুপ্ত সাম্ৰাজ্যৰ পতনৰ পৰা ত্রয়োদশ শতিকাত চুলতানী আমোলৰ আৰম্ভণীলৈ বিস্তৃত হৈ আছে। আদি মধ্যযুগৰ সময়ছোৱাত পাল, প্রতিহাৰ, ৰাষ্ট্রকূট, চোল আৰু ৰাজপুতসকলেই ভাৰতবর্ষৰ ৰাজনৈতিক, আর্থ-সামাজিক আৰু সাংস্কৃতিক জীৱন নিয়ন্ত্রণ কৰিছিল।

ভাৰতবর্ষৰ আদি মধ্যযুগক আগতে ইতিহাসবিদসকলে 'অন্ধকাৰ অধ্যয়' যুগ বুলি গণ্য কৰিছিল। ইয়াৰ কাৰণটো হ'ল সেই সময়ছোৱাত সমগ্র ভাৰতবর্ষ বহুতো সৰু সৰু আঞ্চলিক ৰাজ্যত বিভক্ত আছিল আৰু সেইবোৰে এখনে আনখন ৰাজ্যৰ লগত যুদ্ধত ব্যস্ত আছিল। অৱশ্যে শেহতীয়া অধ্যয়নে প্রমাণ কৰিছে যে যদিও সেই সময়ছোৱাত ৰাজনৈতিকভাৱে ভাৰতবর্ষ বিভাজিত হৈ আছিল, উক্ত সময়ছোৱাতে শিল্প, সাহিত্য আৰু ভাষাৰ ক্ষেত্রত এক নতুন আৰু চহকী সাংস্কৃতিক পৰম্পৰাৰ বিকাশ ঘটিছিল। প্রকৃতার্থত ভাৰতবর্ষৰ মন্দিৰ স্থাপত্যবিদ্যা আৰু সাহিত্যৰ কেতবোৰ শ্রেষ্ঠ নিদর্শন এই সময়ছোৱাত সৃষ্টি হৈছিল।



জানি থোৱা ভাল

উত্তৰ ভাৰতত গুৰজাৰ-প্রতিহাৰ সকল, পূব ভাৰতত পালসকল আৰু দক্ষিণ ভাৰতত ৰাষ্ট্রকূটসকল প্রাৰম্ভিক বছৰবোৰত (৭৫০-১০০০) ক্ষমতালৈ আহে আৰু পিছৰ বছৰবোৰত (১০০০-১২০০) উত্তৰত ৰাজপুতসকলে আৰু দক্ষিণ ভাৰততচোল সকলে আগৰ ৰজাসকলৰ পৰা ক্ষমতা কাঢ়ি লয়।

১৫.৩ জাতিৰ উদ্ভৱ


আদি মধ্যযুগৰ সময়ছোৱাক কেতবোৰ সামাজিক পৰিৱর্তন দেখিবলৈ পোৱা যায়। এই সময়ছোৱাৰ এক উল্লেখনীয় দিশ হ'ল বিভিন্ন জাতিৰ সংখ্যা বৃদ্ধি বা উৎপত্তি। এই প্রক্রিয়া কেনেকৈ ঘটিছিল? ইয়াৰ অন্যতম প্রধান কাৰণ আছিল ব্রাহ্মণ সমাজত কেতবোৰ নতুন লোক গোষ্ঠীৰ অন্তর্ভুক্তি। কোৱা হয় যে ভূ-দানৰ পৰিমাণ বৃদ্ধি হোৱাৰ ফলত নতুন নতুন ভূমি অঞ্চল কৃষিৰ অন্তর্ভুক্ত কৰা হয় আৰু ইয়াৰ ফলত স্থানীয় জনজাতিসকলে চিকাৰ বৃত্তি বাদ দি খেতিত

ধৰে। এনেদৰে তেওঁলোক কৃষকলৈ পৰিৱর্তন হয় আৰু শূদ্র হিচাপে জনসমাজত মিলি যায়। ভূ-দানৰ ফলস্বৰূপে ব্রাহ্মণসকলে ভিতৰুৱা অঞ্চলবোৰত ব্রাহ্মণ্য সামাজিক মূল্যবোধ প্রচলন তথা জাপি দিয়াৰ বাবে বিভিন্ন ঠাইত ঘূৰি ফুৰাৰ লগতে প্রবজনো কৰে। ভূ-দানে কায়স্থ শ্রেণীৰ সংখ্যা বৃদ্ধিতো অৰিহণা যোগায়। কায়স্থসকল সাধাৰণতে টোকা প্রস্তুতকাৰী আছিল আৰু ভূ-দানৰ নথি-পত্রৰ খচৰা প্রস্তুত আৰু লিখাৰ ক্ষেত্রত বিশেষ পাৰদর্শী আছিল। স্বাভাৰিকতে ভূ-দানৰ পৰিমাণ বৃদ্ধি হোৱাৰ লগে লগে তেওঁলোকৰো গুৰুত্ব বৃদ্ধি পায় আৰু এক নির্দিষ্ট জাতি হিচাপে গঢ় লৈ উঠে।

জাতি ব্যৱস্থাই আদি মধ্যযুগৰ প্রাৰম্ভিক সময়ছোৱাত সমাজৰ মূল ভেটি আছিল কিন্তু পাছলৈ ক্ষত্রিয় আৰু ব্রাহ্মণসকলক অধিক অগ্রাধিকাৰ দিয়া হ'ল আৰু শূদ্র আৰু অন্যান্য নিম্ন জাতিৰ ওপৰত বহু সামাজিক আৰু ধর্মীয় বাধা-নিষেধ আৰোপ কৰা হয়। বহুতো উপ-জাতি যেনে- কমাৰ, তাঁতী, সোণাৰী, সংগীতজ্ঞ, নাপিত, বাঢ়ৈ, মুচী ইত্যাদিৰ সৃষ্টি হৈছিল। তেওঁলোকক পৰৱর্তী সময়ত একোটা জাতি বুলি গণ্য কৰা হৈছিল। উল্লেখনীয় যে স্মৃতিৰ লেখকসকলে হস্তশিল্পক নিম্ন শ্রেণীৰ বৃত্তি বুলি গণ্য কৰিছিল। এনেদৰে বহুতো শ্রমিক লগতে জনজাতি যেনে ভিল্চ সকলক অস্পৃশ্য বুলি শ্রেণীভুক্ত কৰা হৈছিল।

এই সময়ছোৱাৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ৰাজপুত নামৰ এক নতুন শ্রেণীৰ উত্থান যেনে- পৰমাৰ, প্রতিহাৰ, চন্দাৰ, চহমান ইত্যাদি। বহুতো ইতিহাসবিদে বিশ্বাস কৰে যে তেওঁলোক বিভিন্ন বিদেশী আক্রমণকাৰী যেনে শক, হুণ, কুষাণ আদিৰ বংশধৰ যিয়ে বিভিন্ন সময়ত উত্তৰ-পশ্চিম দিশেৰে ভাৰতলৈ আহিছিল। এই লোকসকলে ক্রমান্বয়ে ৰাজস্থান অঞ্চলত বসতি স্থাপন কৰে আৰু ভাৰতীয় সমাজৰ লগত মিলি যায় আৰু এক যুঁজাৰু শ্রেণী হিচাপে আত্মপ্রকাশ কৰে। বহুতে অৱশ্যে তেওঁলোকক ক্ষত্রিয় গোষ্ঠীৰ লোক বুলি ক'ব খোজে। কিন্তু আজিকালি বহুতো পণ্ডিতে ৰাজস্থানত ৰাজপুত শ্রেণীৰ উত্থান আৰু কৃষি কার্যৰ প্রসাৰৰ মাজত এক সংযোগ স্থাপন কৰিব বিচাৰে। ইতিমধ্যে ভূ-দানৰ পৰিমাণ বৃদ্ধি পোৱাত কৃষি পামৰ পৰিমাণো বৃদ্ধি পাইছিল। ইয়াৰ ফলস্বৰূপে বহুতো স্থানীয় মুখীয়াই যথেষ্ট পৰিমাণৰ আর্থিক আৰু ৰাজনৈতিক ক্ষমতাৰ অধিকাৰী হৈ স্বাধীনভাৱে নিজৰ কতৃত্ব স্থাপন কৰিবলৈ সক্ষম হয়। সাধাৰণ প্রজাৰ দৃষ্টিত তেওঁৰ এই নতুন কতৃত্বৰ ন্যায্যতা আৰু যথার্থতা প্রমাণ কৰিবলৈ গংগা আৰু অন্যান্য অঞ্চলৰ ব্রাহ্মণসকলক আমন্ত্রণ কৰি ৰাজকীয় নীতি নিয়ম আৰু উৎসৱ আদি পালন কৰিছিল আৰু ইয়াৰ বিনিময়ত তেওঁলোকক মাটি আৰু অন্যান্য উপহাৰ যেনে দক্ষিণা দিয়া হৈছিল। এই সময়ছোৱাত হিন্দু ধর্মই অতি ক্ষিপ্রতাৰে প্রসাৰ লাভ কৰিছিল। বৌদ্ধ আৰু জৈন ধর্মৰ বহুতো লোকক হিন্দু ধর্মৰ অন্তর্ভুক্ত হোৱাৰ উপৰিও বহুতো খিলঞ্জীয়া জনজাতি তথা বিদেশী লোকেও হিন্দু ধর্ম গ্রহণ কৰে। নৱগঠিত এই অংশটোৱে কেতবোৰ নতুন জাতি আৰু উপ-জাতিৰ গঠন কৰে আৰু প্রায়ে নিজস্ব আচাৰ, বিবাহৰ ৰীতি-নীতি

আনকি জনজাতি সকলে নিজৰ জনজাতীয় দেৱ-দেৱীৰো পূজা অর্চনা অব্যাহত ৰাখে। এনেদৰে ধর্ম আৰু সমাজ ক্রমান্বয়ে অধিক জটিল হৈ পৰে।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নবোৰৰ উত্তৰ লিখক।

প্রশ্ন নং ১ঃ কায়স্থ সকল কোন আছিল?

.....

প্রশ্ন নং ২ঃ ৰাজপুতসকলৰ উত্থানৰ মূল কাৰণ কি আছিল?

.....

১৫.৪ মন্দিৰৰ স্থাপত্য আৰু অন্যান্য শৈলী

আদি মধ্যযুগত সর্বাধিক ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিছিল মন্দিৰ নির্মাণ কার্যই। মন্দিৰবোৰে পৃষ্ঠপোষক ৰজাজনৰ গৌৰৱৰ প্রতীক হিচাপে কাম কৰিছিল। মন্দিৰটো যিমানে ডাঙৰ, সিমানে সি ৰজাৰ শক্তি প্রদর্শন কৰিছিল। বৃহৎ বৃহৎ মন্দিৰ নির্মাণ কৰিবলৈ আৰু সেইবোৰ চোৱাচিতা কৰিবলৈ বৃহৎ পৰিমাণৰ অর্থ আৰু মানৱ সম্পদৰ প্রয়োজন হৈছিল। এয়া সম্ভৱ হৈছিল যদিহে সংশ্লিষ্ট ৰজাজন সম্পদশালী আৰু শক্তিশালী হয়। এই সময়ছোৱাত বিকশিত হোৱা তিনি প্রকাৰৰ মন্দিৰ স্থপতিবিদ্যা আছিল- নাগাৰ, দ্রাবিড় আৰু বসেৰা শৈলী।

১৫.৪.১ নাগাৰ শৈলী

এই শৈলীৰ প্রধান বৈশিষ্ট্য আছিল বৃহৎ স্তম্ভ যাক শিখৰ বুলি কোৱা হৈছিল। স্থাপত্যৰ বিস্ময়ে নাগাৰা শৈলীত সাধাৰণতে বৈশিষ্ট্য প্রদান কৰে (স্থাপত্যৰ বিস্ময় বুলি গণ্য কৰা হয়), য'ত শিল্পী সকলৰ শিল্পীসত্বাৰ প্রকাশ ঘটে। উত্তৰ ভাৰতৰ মন্দিৰবোৰৰ এক অধ্যয়নত দুটা প্রধান বৈশিষ্ট্য উন্মোচিত হৈছে ইয়াৰ পৰিকল্পনা আৰু উচ্চতাৰ ক্ষেত্রত। পৰিকল্পনাৰ ক্ষেত্রত, মন্দিৰবোৰ চতুর্ভজাকৃতিৰ আছিল আৰু ই ক্রমান্বয়ে কেন্দ্রৰ ফালে বৃত্তাকাৰ ৰূপত নির্মিত আছিল। উচ্চতাৰ ক্ষেত্রত ই দেখিবলৈ স্তম্ভৰ লেখীয়া আৰু ক্রমান্বয়ে ভিতৰফালে ঢাল খোৱা আছিল। পৰিকল্পনা অনুসৰি সকলো উচ্চ অংশ শিখৰৰ দিশলৈ উঠা। এনেদৰে উচ্চতাৰ ক্ষেত্রত লম্বীয় দিশটোত যথেষ্ট গুৰুত্ব দিয়া গৈছিল। এনে শৈলীত নির্মিত মন্দিৰবোৰ উত্তৰ ভাৰতত এক ব্যাপক অঞ্চলজুৰি সিঁচৰতি হৈ আছে, বিশেষকৈ মধ্য ভাৰতৰ গুজৰাট, ৰাজস্থান আৰু উৰিষ্যা। অৱশ্যে নাগাৰা শৈলীতো কেতবোৰ আঞ্চলিক বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। ভাৰতবর্ষৰ এক বিস্তৃত অঞ্চলত সিঁচৰতি হৈ থকা নাগাৰ শৈলীয়ে স্থানভেদে ইয়াৰ বিকাশ আৰু


প্রসাৰৰ লগে লগে বিভিন্ন ৰূপ আৰু প্রকাৰ প্রদর্শন কৰি আহিছে। এনে শৈলীৰ কেতবোৰ উৎকৃষ্ট উদাহৰণ হ'ল ভুৱনেশ্বৰৰ লিংগৰাজ মন্দিৰ, কোনার্কৰ সূর্য মন্দিৰ আৰু খাজুৰাহোত চন্দেলা ৰজাই সজোৱা কান্দাৰীয় মহাদেৱ মন্দিৰ।

১৫.৪.২ দ্রাবিড় শৈলী

এনে শৈলীৰ স্থাপত্য দক্ষিণ ভাৰতত দেখিবলৈ পোৱা যায়। ই গৌৰৱৰ চৰম শিখৰত উঠে চোল ৰজাসকলৰ অধীনত। এনে শৈলীৰ কেতবোৰ বিশেষ বৈশিষ্ট্য হ'ল— গর্ভগৃহ, বিমান, মন্দপ আৰু গোপুৰম। গর্ভগৃহ হ'ল মন্দিৰৰ একেবাৰে ভিতৰৰ পবিত্রস্থান য'ত মন্দিৰটো উৎসর্গা কৰা মুখ্য দেৱ বা দেৱীৰ অধিস্থিত কৰা হয়। মন্দিৰটো পাঁচৰ পৰা সাত মহলীয়া আছিল আৰু ইয়াৰ এক বিশেষ শৈলী আছিল যাক বিমান বুলি জনা গৈছিল। মন্দপ আছিল বিভিন্ন বক্রাকৃতিৰ খুটাৰে আৱৰা সমতলীয়ে মুধচেৰে এটা গৃহ যিটো সাধাৰণতে গর্ভগৃহৰ সন্মুখত আছিল। ই প্রেক্ষাগৃহৰ দৰে ব্যৱহৃত হৈছিল আৰু বিভিন্ন ধৰণৰ উৎসৱ পার্বণৰ বাবে লগতে ঈশ্বৰক উপাসনা কৰা দেৱদাসীসকলৰ নৃত্যৰ কাৰণেও ব্যৱহৃত হৈছিল। গোপুৰম আছিল এক বৃহৎ দ্বাৰ যাৰ লগত মন্দিৰক আবৃত কৰি ৰখা ওখ দেৱাল সংলগ্ন হৈ আছিল। সময়ৰ অগ্রগতিৰ লগে লগে বিমান ওখ হৈ গৈ থাকিল আৰু সন্মুখৰ চোতালৰ সংখ্যা দুইৰ পৰা তিনিলৈ বৃদ্ধি পালে, লগতে গোপুৰামৰ আকৃতিও বৃদ্ধি হ'ল। মন্দিৰবোৰে সাধাৰণতে কৰমুক্ত ভূমি লাভ কৰিছিল। কিছুমান মন্দিৰ ইমান সম্পদশালী হৈছিল যে তেওঁলোকে বিভিন্ন ব্যৱসায় কৰিছিল, টকা ধাৰ দিছিল আৰু ব্যৱসায়িক অনুষ্ঠানতো অংশগ্রহণ কৰিছিল। দ্রাবিড় শৈলী এক উদাহৰণ হ'ল কাঞ্চিপুৰমৰ কৈলাসানাথ মন্দিৰ। আন এক উদাহৰণ হ'ল চোল সম্রাট প্রথম ৰাজাৰাজাই সজোৱা টোঞ্জোৰৰ বৃহদেশ্বৰ মন্দিৰ।

১৫.৪.৩ বসেৰা শৈলী

বসেৰা শৈলী এক মিশ্রিত শৈলী। এনে শৈলীৰ মন্দিৰ সাধাৰণতে চালুক্য ৰজাসকলৰ পৃষ্ঠপোষকতাত নির্মাণ কৰা হৈছিল আৰু ইয়াক দেখিবলৈ পোৱা যায় বাদামীৰ (কর্ণাটক) ওচৰৰ পাত্তাদকলত। এই সময়খিনিতে ভাস্কর্য শিল্পৰো যথেষ্ট বিকাশ হোৱা দেখিবলৈ পোৱা যায়। এই ক্ষেত্রত চোল শিল্পীসকলৰ এক উল্লেখনীয় অৱদান হ'ল নটৰাজৰ ব্রঞ্জৰ মূর্তি । এই মূর্তিবোৰে শিৱক এক মহাজাগতিক ৰূপত প্রতিফলিত কৰে আৰু গঠন আৰু ভাৰসামত্যাৰ ক্ষেত্রত ই তুলনাবিহীন।



অগ্রগতি নিৰীক্ষণ

তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা

প্ৰশ্ন নং ৩ঃ আদি মধ্যযুগৰ মন্দিৰ স্থপতিৰ মূল শৈলীবোৰ কি আছিল?

.....

প্ৰশ্ন নং ৪ঃ কোনখন ৰাজ্যত লিংগৰাজ মন্দিৰটো অৱস্থিত?

.....

প্ৰশ্ন নং ৫ঃ বিখ্যাত বৃহদেশ্বৰ মন্দিৰটো কোনে সজাইছিল?

.....

১৫.৫ বৌদ্ধ আৰু জৈন ধর্ম

আদি মধ্যযুগৰ এই সময়ছোৱা হিন্দু ধর্ম উত্থান আৰু প্ৰসাৰ হোৱাৰ বিপৰীতে বৌদ্ধ আৰু জৈন ধর্মৰ প্ৰভাৱ ক্ৰমান্বয়ে কমি আহিছিল। বৌদ্ধ আৰু জৈন ধর্মৰ মূল নীতিবোৰ বৌদ্ধিক ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। তাৰোপৰি বহুতো বৌদ্ধ আৰু জৈন ভিক্ষু নির্যাতনৰো বলি হৈছিল। তেওঁলোকৰ মন্দিৰবোৰ দখল কৰা হৈছিল। পুৰীত অৱস্থিত মন্দিৰটো এসময়ত বৌদ্ধ মন্দিৰ আছিল আৰু কুটুৰ চৌহদৰ বিষ্ণু মন্দিৰটো জৈন মন্দিৰ আছিল। এই সময়ছোৱাত বৌদ্ধ ধর্ম পূব ভাৰতত সীমাবদ্ধ হৈ ৰৈছিল আৰু ইয়াৰ মূল পৃষ্ঠপোষক আছিল পাল শাসকসকল। সেয়ে পালসকলৰ পতন বৌদ্ধ ধর্মৰ বাবে এক ডাঙৰ ক্ষতি আছিল।

সর্বতোপৰি, উল্লেখনীয় কথাটো আছিল বৌদ্ধ ধর্মৰ আভ্যন্তৰীণ বিকাশ। প্ৰকৃতার্থত বুদ্ধই এক বাস্তৱিক দর্শনৰ পোষকতা কৰিছিল য'ত গুৰুৰ ভূমিকা নূন্যতম আছিল। খ্ৰীষ্টাব্দৰ আৰম্ভণিৰ দশক কেইটাত মহাযান পন্থীসকলৰ উত্থানৰ পিছত বুদ্ধক এজন ভগৱানৰ ৰূপত পূজা কৰিবলৈ লোৱা হৈছিল আৰু এই সময়ছোৱাত এনে পূজাই আৰু অধিক ব্যাপকতা লাভ কৰে। এক বিশ্বাসে গা কৰি উঠিছিল যে এজন লোকে মন্ত্ৰ পাঠ কৰি আৰু অন্যান্য বহুতো তান্ত্ৰিক কাৰুকার্যৰ জৰিয়তে মনে বিচৰা বস্তু পাব পাৰে। তেওঁলোকে হয়তো বিশ্বাস কৰিছিল যে এনে পূজা পাঠৰ জৰিয়তে তেওঁলোকে অতি-প্ৰাকৃতিক শক্তি লাভ কৰিব পাৰে যেনে— আকাশত উৰা, অদৃশ্য হোৱা ইত্যাদি। এনেদৰে মানুহে সদায় প্ৰকৃতিৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ বজায় ৰাখিবলৈ চেষ্টা কৰি আহিছে। বহুতো হিন্দু যোগীয়ে এনে কার্যবোৰ কৰিছিল আৰু তাৰ ভিতৰত প্ৰখ্যাত আছিল গোৰখনাথ। তেওঁৰ অনুগামীসকলক নাথপন্থী বোলা হৈছিল আৰু এসময়ত তেওঁলোক সমগ্ৰ ভাৰতবর্ষতে জনাজাত আছিল। এনে যোগীৰ বহুতেই নীচ জাতিৰ লোক আছিল। তেওঁলোকে জাতি ব্যৱস্থা তথা ব্ৰাহ্মণসকলে লাভ কৰা সুবিধাবোৰক সমালোচনা কৰিছিল। তেওঁলোকে

গ্ৰহণ কৰা পথক তন্ত্ৰ বোলা হৈছিল আৰু জাতি-বর্ণ নির্বিশেষে সকলোৰে বাবে মুকলি আছিল। এনেদৰে বৌদ্ধ ধর্মৰ বহুত পতন ঘটা নাছিল, ই এনে এটা ৰূপ লৈছিল যে ইয়াক হিন্দু ধর্মৰ পৰা পৃথক কৰি বুজাটো কঠিন হৈ পৰিছিল।

জৈন ধর্ম জনপ্ৰিয় হৈ আছিল বিশেষকৈ ব্যৱসায়ী লোকসকলৰ মাজত। গুজৰাটৰ চালুক্য ৰজাসকলে জৈন ধর্মৰ পৃষ্ঠপোষকতা কৰিছিল। এই সময়খিনিতে কিছুমান প্ৰখ্যাত জৈন মন্দিৰ নির্মাণ কৰা হৈছিল যেনে মাউণ্ট আবুৰ দিলৱাৰা মন্দিৰ। মালৱাৰ পৰমাৰ ৰজাসকলে জৈন সন্যাসীসকলৰ বহুতো মূর্তি বনাইছিল আৰু মহাবীৰক ভগৱান হিচাপে পূজা কৰিবলৈ লৈছিল। জাকমকীয়াকৈ নির্মাণ কৰা জৈনালয় সমূহ বিভিন্ন স্থানত নির্মাণ কৰা হৈছিল যিবোৰে ভ্ৰমণকাৰীসকলৰ বাবে বিশ্ৰামস্থলী হিচাপে কাম কৰিছিল। দক্ষিণ ভাৰতত জৈন ধর্মই নৱম আৰু দশম শতিকাত জনপ্ৰিয়তাৰ শিখৰত আৰোহণ কৰিছিল। কর্ণাটকৰ গংগা শাসক সকল ইয়াৰ মূল পৃষ্ঠপোষক আছিল। এই সময়ছোৱাত বহুতো জৈন বাসাদি আৰু মহাস্তম্ভ বিভিন্ন স্থানত নির্মাণ কৰা হৈছিল। শ্ৰৱণ বালগোলাৰ প্ৰকাণ্ড মূর্তিটো এই সময়ছোৱাত নির্মিত। ইয়াক গ্ৰেনাইট শিলৰপৰা কাটি উলিওৱা হৈছিল আৰু ই প্ৰায় ১৮ মিটাৰ ওখ। ই কঠোৰ তপস্যাত নিমগ্ন এগৰাকী সন্যাসীক দেখুৱাইছিল যিয়ে তেওঁৰ ভৰিত সাপে মেৰিয়াই ধৰা আৰু দেহত উইহাঁফলো গজাৰ বিষয়ে অমনোযোগী আছিল।

জৈনধর্মৰ চাৰিটা মূল শিক্ষাই (শিক্ষা, আহাৰ, ঔষধ আৰু আশ্ৰয়) ইয়াক মানুহৰ মাজত জনপ্ৰিয় হোৱাত সহায় কৰিছিল। সময়ৰ লগে লগে জৈনধর্মত বাঢ়ি অহা কঠোৰ নীতি নিয়ম আৰু ৰাজকীয় পৃষ্ঠপোষকতা নোহোৱা হোৱাত ইয়াৰ পতন ঘটে।



জানি থোৱা ভাল


বাসাদি মানে হ'ল মন্দিৰ আৰু মহাস্তম্ভ মানে হ'ল খুটা

১৫.৫.১ শংকৰ আৰু অদ্বৈত বেদান্ত

বৌদ্ধিক দিশত জৈন আৰু বৌদ্ধ ধর্মই কঠিন প্ৰত্যাহ্বানৰ সম্মুখীন হৈছিল শংকৰৰ পৰা যিয়ে হিন্দু দর্শনক এটা নতুন ৰূপ দিছিল। শংকৰৰ জন্ম হৈছিল কেৰেলাত সম্ভৱত নৱম শতিকাত। তেওঁৰ জন্মক লৈ বহুতো কিংবদন্তীৰ সৃষ্টি হৈছে। জৈনসকলৰ দ্বাৰা নিপীড়নৰ বলি হোৱাৰ পিছত তেওঁ উত্তৰ ভাৰতত এক সফল বিজয়ী ভ্ৰমণ কৰে আৰু বহু ঠাইত তেওঁৰ বিৰোধী সকলক তর্কযুদ্ধত পৰাজিত কৰে। তেওঁৰ এই ধর্ম

বিজয়ৰ পিছত তেওঁক মাদুৰাই ৰজাই উষ্ম আদৰণি জনায় আৰু ৰাজসভাৰ পৰা জৈন পণ্ডিতসকলক বিদায় দিয়ে। বাৰাণসীত তেওঁ তেওঁৰ শ্রেষ্ঠ কৃতি ব্রাহ্মসূত্রসমূহৰ খতিয়ান ৰচনা কৰে। ইয়াৰোপৰি ভাৰতৰ চাৰিটা কেন্দ্রত তেওঁ চাৰিটা মঠ নির্মাণ কৰে। সেই কেইটা হ'ল ক্রমে— বদ্রিনাথ (হিমালয়), দ্বাৰকা (গুজৰাট), পুৰী (উৰিষ্যা) আৰু শ্রীংগেৰীত (কর্ণাটক)।

ভাৰতবর্ষত মূলত ছয়টা পৰম্পৰাগত দর্শন ব্যৱস্থা আছিল। ইয়াৰ ভিতৰত বেদান্ত (বেদৰ অন্তত) আছিল নিঃসন্দেহে সবাতোকৈ প্রভাৱশালী যাক প্রায়ে ভাৰতীয় দর্শনৰ মূল সাৰ বুলি গণ্য কৰা হয়। শংকৰাচার্যই ইয়াৰ মূল নীতি একেশ্বৰবাদৰ (কেৱল অদ্বৈত বা সম্পূর্ণ অনা-দ্বৈতবাদ) ওপৰত জোৰ দি বেদান্ত দর্শনক নতুনকৈ বিশ্লেষণ কৰি পদ্ধতিগত ৰূপ দিয়ে। শংকৰৰ দর্শনক অদ্বৈতবাদ বা অনা-দ্বৈতবাদৰ নীতি বুলি কোৱা হয়। তেওঁৰ মতে ঈশ্বৰ আৰু সৃষ্ট বিশ্ব একেখনেই— পার্থক্যবোৰ দৃশ্যমানহে, সঁচা নহয় আৰু ই আহে অজ্ঞতাৰ পৰা। মোক্ষ প্রাপ্তিৰ মূল পথ হ'ল ঈশ্বৰৰ ওচৰত সমর্পণ কৰা, যি শক্তিশালী হয় জ্ঞানৰ পৰা আৰু সেই জ্ঞান হ'ল যে ঈশ্বৰ, ঈশ্বৰৰ দ্বাৰা সৃষ্ট সকলো জীৱ এটা আৰু একেই। এই দর্শনকে বেদান্ত দর্শন বুলি কোৱা হয়। এনেদৰে শংকৰে বেদক সঁচা জ্ঞানৰ মূল হিচাপে উর্ধত ৰাখিছিল। তেওঁ বিশ্বাস কৰিছিল যে জীৱৰ প্রত্যেকটো আত্মা পুনর্জন্মৰ বান্ধোনেৰে বান্ধ খাই আছে কাৰণ বিশ্বাস কৰা হয় যে বিশ্বখন সঁচা যদিও প্রকৃততে ই এক ভ্রমহে (মায়া)।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নবোৰৰ উত্তৰ লিখক ঃ

প্রশ্ন নং ৬ঃ কেতিয়াৰ পৰা বুদ্ধক ঈশ্বৰ হিচাপে উপাসনা কৰিবলৈ লোৱা হৈছিল

.....

প্রশ্ন নং ৭ঃ নাথ-পন্থীসকল কোন আছিল?

.....

প্রশ্ন নং ৮ঃ জৈনালয় কি?

.....

প্রশ্ন নং ৯ঃ শংকৰৰ দর্শনৰ নাম লিখা?

.....

১৫.৬ দক্ষিণ ভাৰতত ভক্তি আন্দোলন

ভক্তি আন্দোলন আৰম্ভ হৈছিল ষষ্ঠ শতিকাত তামিলনাড়ুত বৌদ্ধ আৰু জৈন ধৰ্মৰ বৰ্ধিত প্ৰভাৱৰ প্ৰতিক্ৰিয়া হিচাপে। এই আন্দোলন পিছলৈ দক্ষিণ ভাৰতৰ বিভিন্ন অংশলৈ সিঁচৰতি হয় আৰু অৱশেষত ই উত্তৰ ভাৰতলৈ বিয়পি পৰে আৰু হিন্দু ধৰ্মক এক নতুন দিশ দিয়ে। ধৰ্মীয় ধাৰণা হিচাপে ভক্তি আন্দোলনে মোক্ষ প্ৰাপ্তিৰ বাবে নিজে মনতে গঢ় দি লোৱা সৰ্বশক্তিমান ভগৱানৰ ওচৰত আত্মসমৰ্পন কৰাটো বুজায়। ভাগৱত পুৰাণত ভক্তিক জীৱনৰ সৰ্বোচ্চ সীমনা বুলি কোৱা হৈছিল।

ভক্তি আন্দোলনে প্ৰচলিত পূজা-অৰ্চনা পদ্ধতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল আৰু মন আৰু হৃদয়ৰ বিশুদ্ধতাৰ ওপৰত গুৰুত্ব দিছিল। দক্ষিণ আৰু উত্তৰ ভাৰতে সকলোতে সন্যাসীসকলে ভক্তিৰ বাবে জ্ঞানক এক আৱশ্যকীয় অংগ বুলি বিবেচনা কৰিছে। ভক্তি আন্দোলনত গুৰুৰ পৰা জ্ঞান লাভৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ভক্তি আন্দোলন আছিল এক সমতাবাদী আন্দোলন। এই আন্দোলনৰ গুৰু সকলে সাধাৰণ মানুহৰ সহজ-সৰল ভাষাত ধৰ্মৰ বাণী প্ৰচাৰ কৰিছিল, ফলস্বৰূপে হিন্দী, মাৰাঠী, গুজৰাটী আদি আঞ্চলিক ভাষাৰ বিকাশ হৈছিল। ভক্তি আন্দোলনে ভাৰতৰ ভূ-ভাগত যথেষ্ট প্ৰভাৱ পেলাইছিল আৰু বহু শতিকাজুৰি এই আন্দোলন চলি আছিল।

শংকৰাচাৰ্যৰ আগমনৰ জৰিয়তে এই আন্দোলনৰ সূচনা হয় কিন্তু পৰৱৰ্তী সময়ত বহু সমাজ-ধৰ্মীয় সংস্কাৰকে বিভিন্ন মতত এই আন্দোলনৰ প্ৰসাৰ কৰে। ৰামানন্দ, কবিৰ, গুৰু নানক, চৈতন্য, মীৰা বাই, বল্লভাচাৰ্য, সুৰদাস, তুলসীদাস আৰু দাদু আদি আছিল ভক্তি আন্দোলনৰ মূল প্ৰচাৰক। ৰামানুজৰ ভক্ত ৰামানন্দই উত্তৰ ভাৰতত ভক্তি আন্দোলনৰ সূচনা কৰিছিল। অসমত এই আন্দোলনৰ গুৰি ধৰিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে।

১৫.৬.১ নয়নাৰ আৰু আলৱাৰসকল


দক্ষিণ ভাৰতত ভক্তি আন্দোলনে গা কৰি উঠিছিল ইয়াৰ সুসংজ্ঞাবদ্ধ শাখা যেনে শৈৱবাদ (Saivism) আৰু বৈষ্ণবাদৰ (Vaisnavism) জৰিয়তে। শিৱৰ উপাসকসকলক নয়নাৰ আৰু বিষ্ণুৰ উপাসকসকলক আলবাৰ বুলি জনা যায়। নয়নাৰ সকল ৬৩ জন সন্যাসীৰ এটা গোট আছিল। প্ৰথম অৱস্থাত নয়নাৰ সকলৰ তালিকা প্ৰস্তুত কৰিছিল সুন্দৰৰে (সুন্দৰমূৰ্তি)। তেওঁ তেওঁৰ কবিতা তিৰোথোন্দা থোগাইত (Tiruthonda Thogai) এঘাৰটা শ্লোকত কাৰাক্কাইল আম্মায়াৰলৈকে নয়নাৰ কবি সকলৰ নাম উল্লেখ কৰিছে আৰু নিজকে সেৱকৰ সেৱক বুলি উল্লেখ কৰিছে। নয়নাৰ সকল বিভিন্ন জাতি জনগোষ্ঠীৰ লোক আছিল যেনে চন্নৰ, ভেল্লাচ, ব্ৰাহ্মণ, অভিজাত

লোক ইত্যাদি। ৰচ গৰাকী বৈষ্ণৱ সন্যাসী সহিতে তেওঁলোকক তামিলনাড়ুৰ গুৰুত্বপূৰ্ণ সন্যাসী বুলি গণ্য কৰা হয়।

আলৱাৰসকলৰ কিছু আৰু বিষ্ণুৰ অৱতাৰসমূহক লৈ ৰচনা ভক্তি ৰস নিগৰিত ৰচনাসমূহে আদি মধ্য যুগৰ তামিলনাড়ুত ভক্তি আন্দোলনৰ পুনৰুত্থানত সহায় কৰিছিল। তেওঁলোকৰ কবিতাৰ সংকলনক দিব্য প্ৰৱন্ধম বুলি জনা যায়। আলৱাৰসকলৰ পৰা সিঁচৰতি হোৱা ভক্তি সাহিত্যসমূহে এক সংস্কৃতিৰ প্ৰতিষ্ঠা আৰু ই বৰ্তি থকাত অৱদান দিছিল যি নীতি নিয়মেৰে পৰিপূৰ্ণ বৈদক ধৰ্ম পৰা পৃথক আছিল আৰু মোক্ষ প্ৰাপ্তিৰ বাবে ঈশ্বৰৰ উপাসনাতে গুৰুত্ব দিছিল। ইয়াৰোপৰি তেওঁলোকে তামিল ধৰ্মীয় জনজীৱনক সংস্কৃতৰ জ্ঞানৰ পৰা পৃথককৈ চাব বিচাৰিছিল।

এই নয়নাৰ আৰু আলৱাৰ সন্যাসীসকলে (মুনা সকলে) গোড়ামী বৰ্জন কৰিছিল। তেওঁলোকৰ প্ৰচেষ্টাতে ভক্তি কবিতা আৰু বাণীবোৰ ভাৰতত প্ৰচাৰ হৈছিল। তেওঁলোকে ধৰ্মক এক আনুষ্ঠানিক উপাসনা কাৰ্য হিচাপে গণ্য কৰা নাছিল, তাৰ বিপৰীতে তেওঁলোকৰ বাবে ধৰ্ম আছিল ঈশ্বৰ আৰু উপাসকৰ মাজত এক প্ৰেমৰ বান্ধোন। তেওঁলোকৰ উপাসনাৰ মূল দেৱতা আছিল শিৱ আৰু বিষ্ণু। লিখা-মেলা আৰু কথা কোৱাৰ বাবে তেওঁলোকে তামিল আৰু তেলেগু ভাষা ব্যৱহাৰ কৰিছিল। এই সন্যাসীসকলে তেওঁলোকৰ প্ৰেম আৰু ঈশ্বৰৰ বাণী লৈ এঠাইৰ পৰা আন ঠাইলৈ ঘূৰি ফুৰিছিল। তেওঁলোকৰ কিছুমান নিম্ন শ্ৰেণীৰ লোক আছিল আৰু তেওঁলোকৰ মাজত অন্ততঃ এজন ব্ৰাহ্মণ আছিল। তেওঁলোকৰ মাজত আন্দাল নামৰ এগৰাকী মহিলা সন্যাসিনীও আছিল। মুঠ বাৰ গৰাকী আলৱাৰ সন্তৰ মাজত আন্দাল একমাত্ৰ মহিলা আছিল। সমসাময়িক ৬৩ গৰাকী শৈৱ নয়নাৰ সন্তকলৈ তেওঁলোক তামিলনাড়ুৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সন্ত আছিল। তেওঁলোকৰ প্ৰত্যেকেই জাতি ব্যৱস্থাৰ উচ্চ নীচ ধাৰণাক অস্বীকাৰ কৰিছিল। তেওঁলোকে দেখুওৱা ভক্তিৰ পথ জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে বাবে মুকলি আছিল। ভক্তি আন্দোলনে কেৱল হিন্দু, বৌদ্ধ আৰু জৈন ধৰ্মৰ বহু লোককে আকৰ্ষিত কৰা নাছিল, বহু জনজাতীয় লোকো ইয়াৰ প্ৰতি আকৃষ্ট হৈছিল।

অগ্রগতিৰ নিৰীক্ষণ



তলৰ প্রশ্নবোৰৰ উত্তৰ লিখা

প্রশ্ন নং ১০ঃ ভক্তি আন্দোলনেৰ সুসংজ্ঞাবদ্ধ শাখা দুটা কি আছিল?

.....

প্রশ্ন নং ১১ঃ আন্দাল কোন আছিল?

.....



১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- ৰাজনৈতিকভাৱে ৭৫০ পৰা ১২০০ খ্রীষ্টাব্দৰ সময়ছোৱাক আদি মধ্যযুগ বুলি কোৱা হয় যিখিনি সময়ত বহুতো প্রাদেশিক ৰাজ্যৰ উত্থান হৈছিল। এই সময়ছোৱাত সামাজিক, ধর্মীয় তথা সাংস্কৃতিক কার্যৰ বাবে উল্লেখনীয় আছিল।
- আদি মধ্যযুগৰ সময়ছোৱাত বহুতো সামাজিক পৰিৱর্তন দেখিবলৈ পোৱা গৈছিল। এই সময়ছোৱাৰ এক উল্লেখনীয় সামাজিক পৰিৱর্তন আছিল বহুতো নতুন জাতিৰ উদ্ভৱ বা বৃদ্ধি।
- এই যুগটো আছিল ব্যাপক সাংস্কৃতিক বিকাশৰ যুগ। নাগাৰ, দ্রাবিড় আৰু বসেৰা শৈলীৰ স্থাপত্যকলাৰ এই সময়তে বিকশিত হৈছিল।
- বৌদ্ধ আৰু জৈন ধর্মই বৌদ্ধিক স্তৰত শংকৰৰ পৰা প্রত্যাহ্বানৰ সন্মুখীন হৈছিল।
- দক্ষিণ ভাৰতত ভক্তি আন্দোলনৰ বীজ সিঁচিছিল নয়নাৰ আৰু আলৰাৰ সকলে।



১৫.৮ অধিক জানিবলৈ

১) Chandra, Satish (1990) *Medieval India*, NCERT, New Delhi.

২) Chattopadhyaya, Brajadulal (2012). *The Making of Early Medieval India,* Second edition, Oxford Press, New Delhi.

৩) Singh, Upinder (2008). *A History of Ancient and Early Medieval India : From the Stone Age to the 12th Century*, Pearson Education India.

৪) Singh, Vipul (2009). I*nterpreting Medieval India: Early medieval, Delhi Sultanate, and regions* (circa 750-1550), Macmillan.

৫) Thapar, Romila (2002), *History of Early India, from the origins to AD 1300*, Penguin Books, New Delhi.



১৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ কায়স্থসকল সাধাৰণতে লেখক আছিল আৰু ভূমিৰ নথি খচৰা প্রস্তুত কৰা আৰু লিখাত পাৰদর্শী আছিল।

২ নং প্রশ্নৰ উত্তৰঃ ৰাজস্থান কৃষিকার্যৰ সম্প্রসাৰণ।

৩ নং প্রশ্নৰ উত্তৰঃ এই সময়ছোৱাৰ তিনি প্রকাৰৰ মন্দিৰ স্থাপত্য হ'ল নাগাৰ, দ্রাবিড় আৰু বসেৰা (মিশ্রিত) শৈলী।

৪ নং প্রশ্নৰ উত্তৰঃ উৰিষ্যা

৫ নং প্রশ্নৰ উত্তৰঃ চোল ৰজা প্রথম ৰাজাৰাজ সজোৱা তাঞ্জোৰত বৃহদেশ্বৰ মন্দিৰ।

৬ নং প্রশ্নৰ উত্তৰঃ মহাযান পন্থাৰ বিকাশৰ পিছৰে পৰা বুদ্ধক ঈশ্বৰ হিচাপে পুজিবলৈ লোৱা হৈছিল।

৭ নং প্রশ্নৰ উত্তৰঃ গোৰকনাথৰ অনুগামী সকলক নাথ-পন্থী বোলা হয়।

৮ নং প্রশ্নৰ উত্তৰঃ ভাৰতৰ বিভিন্ন স্থানত ভ্রমণকাৰীৰ জিৰণীৰ বাবে জৈন সকলে নির্মিত ঠাই।

৯ নং প্রশ্নৰ উত্তৰঃ শংকৰৰ দর্শনক অদ্বৈতবাদ বা সম্পূর্ণ অনা-দ্বৈতবাদ বুলি কোৱা হয়।

১০ নং প্রশ্নৰ উত্তৰঃ শৈৱবাদ আৰু বৈষ্ণৱবাদ

১১ নং প্রশ্নৰ উত্তৰঃ ১২ গৰাকী আলৱাৰাৰ ভিতৰত আন্দাল আছিল একমাত্র মহিলা সন্যাসী।



১৫.১০ আৰ্হি প্রশ্ন

(ক) **বস্তুধর্মী প্রশ্ন** (প্রতিটো প্রশ্নৰ ৫০ টা মান শব্দত উত্তৰ দিয়ক))

প্রশ্ন ১ঃ আদি মধ্যযুগৰ কালছোৱাত জাতিৰ উদ্ভৱ কেনেকৈ হৈছিল?

প্রশ্ন ২ঃ কোনে হস্তশিল্পক নিম্ন পর্যায়ৰ বৃত্তি বুলি গণ্য কৰিছিল?

প্রশ্ন ৩ঃ ভিলচসকল কোন?

প্রশ্ন ৪ঃ জৈন ধর্মৰ চাৰি উপহাৰৰ মূল নীতি কি আছিল?

(খ) **চমু প্রশ্ন** (প্রতিটো প্রশ্নৰ ১৫০ টা মান শব্দত উত্তৰ দিয়ক))

প্রশ্ন ১ঃ কায়স্থ আৰু ৰাজপুত শ্রেণীৰ বিষয়ে টোকা প্রস্তুত কৰা।

প্রশ্ন ২ঃ অদ্বৈত বেদান্ত কি?

প্রশ্ন ৩ঃ মন্দিৰৰ বেসেৰা শৈলীৰ স্থাপত্য কলাৰ ওপৰত এটি চমু টোকা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ আদি মধ্যযুগৰ সময়ছোৱাত স্থাপত্য বিদ্যাৰ দিশত হোৱা বিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ নয়নাৰ আৰু আলৱাৰ সকলৰ প্রসংগত দক্ষিণ ভাৰতৰ ভক্তি আন্দোলনৰ মূল বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্রশ্ন ৩ঃ আদি মধ্যযুগত বৌদ্ধ আৰু জৈন ধর্মৰ বিকাশৰ বিষয়ে এটি পৰিচয় দাঙি ধৰক।

প্রশ্ন ৪ঃ শংকৰৰ অদ্বৈতবাদ দর্শনৰ বিষয়ে ব্যাখ্যা কৰক।

*** ***** ***



Reference Books

English Books:

1. Chandra, Satish. (1990). *Medieval India*, NCERT, New Delhi.
2. Chandra, Sathish(2007) *A History of Medieval India*, Orient Black Swan, New Delhi
3. **Chattopadhyaya, Brajadulal (2012).** *The Making of Early Medieval India*, Second edition, Oxford Press, New Delhi.
4. Jha, D.N. (1977), *Ancient India-An Introductory Outline*, Peoples' Publishing House, New Delhi-110055
5. Kosambi, D.D. (2001): *The cultural and Civilization of Ancient India in Historical Outline*, Vikas Publishing House.
6. Majumdar, R.C., Raychaudhuri, H.C., Datta, K. (1986). *An Advanced History of India*. New Delhi, Macmillan India Ltd.
7. Maiti, P.(2001): *Studies in Ancient India*, Kolkata, Shreedhar Prakashani
8. Raychaudhuri, H.C. (1972). *Political History of Ancient India*. Calcutta, University of Calcutta.
9. Sharma, L.P. (1981). *Ancient History of India (pre-historic Age to 1200 A.D.)*. New Delhi, Vikas Publication House Pvt. Ltd.
10. Singh, Upinder (2009): *A History of Ancient and Early Medieval India, from the Stone Age to the 12th Century*, Pearson.
11. Singh, Vipul (2009). *Interpreting Medieval India: Early medieval, Delhi Sultanate, and regions (circa 750-1550)*, Macmillan
12. Thapar, Romila(2003): *The Penguin History of Early India, from the origins to AD 1300* , Penguin Books India.
13. Tripathi, Ramashankar (1999). *History of Ancient India*. Delhi, Motilal Banarsidass Publishers Pvt. Ltd.
14. Habib, Irfan and Jha, Vivekananda (2007) Mauryan India. Julika Books. India, N. Delhi